PGAS S3 02 (Lit)

ভক্তি সাহিত্য

তৃতীয় ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° খগেশ সেন ডেকা (অৱসৰপ্রাপ্ত), সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	**ড° প্রণিতা বর্মন,** আর্যবিদ্যাপীঠ মহাবিদ্যালয়
২, ১১ আৰু ১২	**উৎপলা দাস,** গৱেষিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৩, ৪ আৰু ১৩	**ড° প্রফুল্ল কুমাৰ নাথ,** গুৱাহাটী বিশ্ববিদ্যালয়
৫ আৰু ৬	**ড° মঞ্জু গোস্বামী,** আর্যবিদ্যাপীঠ মহাবিদ্যালয়
৭,৮, ৯ আৰু ১০	**ড° বিজয়া বৰুৱা,** ডিমৰীয়া মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	**ড° প্রফুল্ল কুমাৰ নাথ,** গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১, ২, ৫, ৬, ৭, ৮, ৯, ১০, ১১ আৰু ১২)
	ঃ	**ড° হৰকুমাৰ নাথ,** দুধনৈ মহাবিদ্যালয় (অধ্যায় ৩, ৪ আৰু ১৩)
গাঁথনিক সম্পাদনা	ঃ	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুলাই, ২০১৮

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

পাঠ্যবিষয়ৰ পৰিচয় ঃ ভক্তি সাহিত্য

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ তৃতীয় ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয়। পাঠ্যবিষয়ৰ শিৰোনাম 'ভক্তি সাহিত্য'। পাঠ্যবিষয়ৰ পৰিবর্ধিত আৰু সংশোধিত পাঠ্যবিষয়ত সর্বমুঠ তেৰটা অধ্যায় অন্তর্ভুক্ত কৰা হৈছে। সেই আলোচনাসমূহৰ মাজেদি ভাৰতীয় ভক্তি সাহিত্যৰ লগতে অসমীয়া ভক্তি সাহিত্যৰ উদ্ভৱ, ক্ৰমবিকাশ আৰু বিস্তাৰৰ লগতে অসমীয়া ভক্তি সাহিত্যত বিশিষ্ট স্থান লাভ কৰা কেইখনমান বিশিষ্ট গ্ৰন্থৰ কথা আলোচনা কৰা হৈছে। সেই গ্ৰন্থৰ আলোচনাৰ মাজেদি আমি অসমীয়া ভক্ত কবিসকলৰ ভাব আৰু আদর্শৰ লগতে অসমীয়া ভক্তি সাহিত্যৰ সাহিত্যিক গুণসমূহ প্ৰকাশ পোৱা দেখিবলৈ পাওঁ।

পাঠ্যবিষয়ৰ প্ৰথম অধ্যায় 'ভক্তি আৰু ভক্তিতত্ত্ব'ত ভক্তিৰ স্বৰূপ আৰু বৈশিষ্ট্য প্ৰকাশৰ লগতে ভক্তিৰ প্ৰকাৰসমূহৰ কথা বিস্তৃতভাৱে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায় 'ভাৰতীয় ভক্তি সাহিত্যৰ পটভূমি'ত ভাৰতীয় ভক্তি সাহিত্যৰ পটভূমিৰ ভিত্তিত আলৱাৰসকলৰ ভক্তি, শৈৱ, শাক্ত, বৈষ্ণৱ ভক্তিৰ বিষয়ে আলোচনা পঢ়িবলৈ পাব। ইয়াত ভক্তি সাহিত্যৰ দার্শনিক পটভূমিৰ কথাও আলোচিত হৈছে। 'ভাৰতীয় ভক্তি সাহিত্যৰ উৎপত্তি আৰু বিকাশ' পাঠ্যবিষয়ৰ তৃতীয় অধ্যায়। ইয়াত ভাৰতীয় ভক্তি সাহিত্যৰ অন্তর্গত সংস্কৃত, তামিল আৰু মাধ্যযুগীয় ভক্তি সাহিত্যৰ সমলসমূহৰ কথা আলোচনা কৰা হৈছে। লগতে ইয়াত শাক্ত ভক্তি সাহিত্যৰ অন্তর্গত কেইখনমান বিশেষ গ্ৰন্থৰ আলোচনা আছে। অৱশ্যে সেই গ্ৰন্থৰ ৰচনাৰ স্থান প্ৰাচীন অসম, কামৰূপ বা প্ৰাগজ্যোতিষ। চতুর্থ অধ্যায় 'অসমীয়া ভক্তি সাহিত্যৰ বৈশিষ্ট্য আৰু ধাৰা'ত অসমীয়া ভক্তি সাহিত্য শ্ৰেণীৰ বিস্তৃত আলোচনা আছে। অধ্যায় পাঁচ আৰু ছয়ত মহাপুৰুষ শংকৰদেৱ বিৰচিত *কীর্ত্তন ঘোষা*ৰ বিস্তৃত আলোচনা আছে। পৰৱর্তী সপ্তম আৰু অষ্টম অধ্যায়ত মহাপুৰুষ মাধৱদেৱৰ *নামঘোষা* আলোচনা সন্নিৱিষ্ট হৈছে। সেইদৰে নৱম আৰু দশম অধ্যায়ত ভট্টদেৱৰ *কথা-ভাগৱত*ৰ আলোচনা সন্নিবিষ্ট হৈছে মন কৰিবলগীয়া যে এই তিনিওখন গ্ৰন্থ বৈষ্ণৱ ভক্তি আধাৰিত ধর্মগ্ৰন্থ। গ্ৰন্থকেইখনত লেখকৰ নিজস্ব ৰচনাশৈলী আৰু আধ্যাত্মিক প্ৰসিদ্ধি ফুটি উঠিছে। দুর্গাবৰৰ 'গীতি ৰামায়ণ'ৰ আলোচনা একাদশ আৰু দ্বাদশ অধ্যায়ৰ বিষয়বস্তু। ইয়াত পাঁচালী কবি দুর্গাবৰে বৈষ্ণৱ ভক্তিৰ এই বিশিষ্ট ৰচনা নির্মাণ কৰি আগ্রহী পাঠকক গীতি ৰামায়ণৰ সৌন্দর্য উপভোগ কৰিবলৈ সুবিধা দিছে। ত্রয়োদশ অধ্যায়টোৰ শিৰোনাম 'ৰুচিনাথ কন্দলীৰ *শ্রীশ্রী চণ্ডী*ৰ আলোচনা ঃ ৰজা সুৰথ আৰু সমাধি বৈশ্যৰ কাহিনী তথা মহিষাসুৰ বধৰ কাহিনীৰ উল্লিখনসহ। শ্রীশ্রী চণ্ডী ঃ সুৰথ ৰজা আৰু সমাধি বৈশ্যৰ কাহিনী তথা মহিষাসুৰ বধৰ কাহিনীত অসমীয়া শাক্ত সাহিত্যত বিশেষ স্থান অধিকাৰ কৰি থকা *শ্রীশ্রী চণ্ডী*ৰ আলোচনা আগবঢ়োৱা হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্রগতিৰ খতিয়ান'ত সন্নিবিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ভক্তি আৰু ভক্তিতত্ত্ব ৭ - ৩৪

ভক্তি ঃ সাধাৰণ পৰিচয়; ভক্তিৰ সংজ্ঞা; ভক্তিৰ স্বৰূপ আৰু বৈশিষ্ট্য; ভক্তিৰ প্ৰকাৰ ঃ সগুণ আৰু নিৰ্গুণ ভক্তি; মহাপুৰুষীয়া ধৰ্মত ভক্তিৰ স্বৰূপ

অধ্যায় ২ ঃ ভাৰতীয় ভক্তি সাহিত্যৰ পটভূমি ৩৫ - ৫৩

ভাৰতীয় ভক্তি সাহিত্য; বৈদিক আৰু উপনিষদীয় সাহিত্যত ভক্তি; আলৱাৰসকলৰ ভক্তি, শৈৱ ভক্তি-বৈষ্ণৱ ভক্তি-শাক্ত ভক্তি; মধ্যযুগৰ ভক্তি সাহিত্য; ভক্তি সাহিত্যৰ দাৰ্শনিক পটভূমি

অধ্যায় ৩ ঃ ভাৰতীয় ভক্তি সাহিত্যৰ উৎপত্তি আৰু বিকাশ ৫৪ - ৭৩

ভাৰতীয় ভক্তি সাহিত্য ঃ সাধাৰণ আলোচনা ঃ সংস্কৃত ভক্তি সাহিত্য, তামিল ভক্তি সাহিত্য, মধ্যযুগীয় ভক্তি সাহিত্য; শাক্ত ভক্তি সাহিত্য ঃ পদ্মা পুৰাণ, মাৰ্কণ্ডেয় চণ্ডী, শ্ৰীশ্ৰী চণ্ডী; শৈৱ ভক্তি সাহিত্য

অধ্যায় ৪ ঃ অসমীয়া ভক্তি সাহিত্যৰ বৈশিষ্ট্য আৰু ধাৰা ৭৪ - ৮৮

অসমীয়া ভক্তি সাহিত্য ঃ চমু পৰিচয়; অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য; ভক্তি সাহিত্যৰ ধাৰা ঃ সগুণ ভক্তিধাৰা, নিৰ্গুণ ভক্তিধাৰা; ভক্তি সাহিত্যৰ সামাজিক অভিব্যক্তি; নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনত ভক্তিৰ ভূমিকা

অধ্যায় ৫ ঃ ভক্তিতাত্ত্বিক গ্ৰন্থ হিচাপে *কীৰ্ত্তন ঘোষা* ৮৯ - ১১৮

*কীৰ্ত্তন ঘোষা*ৰ বিষয়বস্তু; *কীৰ্ত্তন*ৰ বিভিন্ন অধ্যায়ৰ মূল আৰু ৰচনা কাল; *কীৰ্ত্তন ঘোষা*ৰ সংগ্ৰহ আৰু সম্পাদক; *কীৰ্ত্তন ঘোষা*ত প্ৰতিফলিত ভক্তিতত্ত্ব; *কীৰ্ত্তন ঘোষা*ত প্ৰকাশিত ৰস; *কীৰ্ত্তন ঘোষা*ৰ সাহিত্যিক সৌন্দৰ্য

অধ্যায় ৬ ঃ *কীৰ্ত্তন ঘোষা* ঃ অজামিল উপাখ্যান আৰু বলিছলন ১১৯ - ১৩৯

অজামিল উপাখ্যানত ভক্তিতত্ত্ব; বলিছলন আখ্যানত ভক্তিতত্ত্ব; দুয়োটা খণ্ডৰ ৰচনাশৈলীৰ তুলনা, দুয়োটা খণ্ডৰ মাজেৰে প্ৰকাশিত ভক্তিৰ মাহাত্ম্য

অধ্যায় ৭ ঃ ভক্তি তাত্ত্বিক গ্ৰন্থ হিচাপে *নামঘোষা* ১৪০ - ১৬১

*নামঘোষা*ৰ আধাৰ গ্ৰন্থ; *নামঘোষা*ত গুৰু ভক্তিৰ মাহাত্ম্য; *নামঘোষা*ত মাধৱদেৱৰ আত্মলঘিমা; *নামঘোষা*ত কৃষ্ণভক্তিৰ মাহাত্ম্য; *নামঘোষা*ত নাম-দেৱ-গুৰু-ভকত আদিৰ তত্ত্ব; *নামঘোষা*ৰ সাহিত্যিক সৌন্দৰ্য্য; *নামঘোষা*ৰ ভক্তি তত্ত্ব; *নামঘোষা*ৰ অন্তৰ্নিহিত দৰ্শন; *নামঘোষা*ৰ অনুবাদ ৰীতি

অধ্যায় ৮ ঃ ***নামঘোষাৰ*** **উপদেশ আৰু নিন্দা** **১৬২ - ১৭১**

নামঘোষাত উপদেশৰ তাৎপর্য; *নামঘোষাত* নিন্দাৰ তাৎপর্য; *নামঘোষাত* হৰি ভক্তিৰ মাহাত্ম্য; *নামঘোষাত* সংসাৰ তাৰণৰ উপায়

অধ্যায় ৯ ঃ **ভট্টদেৱৰ** ***কথা ভাগৱত*** **সাধাৰণ আলোচনা** **১৭২ - ১৮৮**

ভট্টদেৱৰ সাহিত্য প্রতিভা; *কথা-ভাগৱত* আৰু ভট্টদেৱৰ গদ্যৰীতি; *কথা-ভাগৱততে* ভট্টদেৱৰ পাণ্ডিত্য আৰু ব্যক্তিত্ব; *কথা-ভাগৱততে* প্রকাশিত ভক্তি তত্ত্ব; *কথা-ভাগৱত* আৰু অসমীয়া গদ্য পৰম্পৰা

অধ্যায় ১০ ঃ ***কথা ভাগৱতৰ*** **ঃ প্রথম আৰু দ্বিতীয় অধ্যায়** **১৮৯ - ১৯৬**

কথা-ভাগৱত ঃ প্রথম অধ্যায়ৰ চমু আলোচনা; *কথা-ভাগৱত* ঃ দ্বিতীয় অধ্যায়ৰ চমু আলোচনা; *কথা ভাগৱতৰ* গদ্য ৰীতিৰ বৈশিষ্ট্য

অধ্যায় ১১ ঃ **দুর্গাবৰৰ** ***গীতি ৰামায়ণ*** **ঃ সাধাৰণ আলোচনা** **১৯৭ - ২১৮**

অসমীয়া ৰামায়ণ পৰম্পৰা; দুর্গাবৰৰ কাব্য প্রতিভা; *গীতি-ৰামায়ণৰ* মূল আৰু ৰচনা কাল; *গীতি-ৰামায়ণৰ* ৰচনাৰীতি; *গীতি-ৰামায়ণত* প্রক্ষিপ্ততা; *গীতি-ৰামায়ণৰ* সাহিত্যিক সৌন্দর্য

অধ্যায় ১২ ঃ ***গীতি-ৰামায়ণ*** **ঃ অৰণ্যকাণ্ড আৰু কিষ্কিন্ধ্যাকাণ্ড** **২১৯ - ২৩৪**

গীতি-ৰামায়ণৰ অৰণ্যকাণ্ডৰ চমু পৰিচয়; *গীতি-ৰামায়ণৰ* কিষ্কন্ধ্যাকাণ্ডৰ চমু পৰিচয়; *গীতি-ৰামায়ণত* কবিৰ দৃষ্টিভংগী; *গীতি-ৰামায়ণ* আৰু *ৰাল্মিকীৰ ৰামায়ণ; গীতি-ৰামায়ণ* আৰু *কৃতিবাসী ৰামায়ণ; গীতি-ৰামায়ণ* আৰু মাধৱ কন্দলিৰ *ৰামায়ণ; গীতি-ৰামায়ণৰ* বিষয়বস্তুত লোকজীৱনৰ প্রভাৱ

অধ্যায় ১৩ ঃ **ৰুচিনাথ কন্দলীৰ** ***শ্রীশ্রী চণ্ডী*** **ঃ সুৰথ ৰজা আৰু সমাধি বৈশ্যৰ কাহিনী তথা মহিষাসুৰ বধৰ কাহিনীৰ বিশেষ উল্লিখনসহ** **২৩৫ - ২৫৭**

অসমত শাক্তধর্ম আৰু সাহিত্য; ৰুচিনাথ কন্দলীৰ সময় আৰু সাহিত্য প্রতিভা; *শ্রীশ্রী চণ্ডী* ঃ *শ্রীশ্রী চণ্ডীৰ* মূল বা উৎস, *শ্রীশ্রী চণ্ডীত* প্রকাশিত শক্তি তত্ত্ব, *শ্রীশ্রী চণ্ডীত* অন্যান্য পুৰাণৰ প্রভাৱ; সুৰথ ৰজা আৰু সমাধি বৈশ্যৰ কাহিনী; মহিষাসুৰ বধৰ কাহিনী; কাহিনী দুটাৰ মাজেদি প্রকাশ পোৱা দেৱী মহিমা

প্রসঙ্গ পুথি **২৫৮ - ২৬১**

অধ্যায় ১ ঃ ভক্তি আৰু ভক্তিতত্ত্ব

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ভক্তি ঃ সাধাৰণ পৰিচয়

১.৪ ভক্তিৰ সংজ্ঞা

১.৫ ভক্তিৰ স্বৰূপ আৰু বৈশিষ্ট্য

১.৬ ভক্তিৰ প্ৰকাৰ ঃ সগুণ, নিৰ্গুণ ভক্তি

১.৬.১ সগুণ ভক্তিৰ স্বৰূপ

১.৬.২ নিৰ্গুণ ভক্তিৰ স্বৰূপ

১.৭ মহাপুৰুষীয়া ধৰ্মত ভক্তিৰ স্বৰূপ

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৯ অধিক জানিবলৈ

১.১০ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.১১ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভক্তিৰ অৰ্থ, বিভিন্ন দৃষ্টিকোণৰ পৰা আগবঢ়োৱা ভক্তিৰ সংজ্ঞাসহ ভক্তিৰ এটি সম্যক ধাৰণা লাভ কৰিব পাৰিব
- ভক্তিৰ বিভিন্ন প্ৰকাৰৰ লগতে ইয়াৰ তাত্ত্বিক দিশসমূহৰ বিষয়ে জানিব পাৰিব
- ভক্তিৰ পৰিচয় প্ৰসংগত ভাৰতীয় ভক্তিতত্ত্বৰ উৎপত্তি আৰু বিকাশ সম্বন্ধে সম্যক ধাৰণা লাভ কৰিব পাৰিব
- ভক্তিৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ব পাৰিব
- ভাৰতীয় আধ্যাত্মিক শাস্ত্ৰত উল্লিখিত নৱবিধা ভক্তিৰ পৰিচয় আৰু স্বৰূপ সম্বন্ধে ধাৰণা লাভ কৰিব পাৰিব
- গুণ আৰু উদ্দেশ্য অনুসৰি ভাগ কৰা সগুণ ভক্তি আৰু নিৰ্গুণ ভক্তিৰ স্বৰূপ সম্বন্ধে কিছু আভাস পাব
- মহাপুৰুষীয়া ধৰ্মৰ বৈশিষ্ট্য তথা এই ধৰ্মত ভক্তিৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে সেই বিষয়ে জ্ঞাত হ'ব।

১.২ পৰিচয়

ভক্তি সাহিত্যৰ স্নাতকোত্তৰ অসমীয়া পাঠ্যক্রমৰ তৃতীয় ষান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্য বিষয়ৰ এইটো প্রথম অধ্যায়। 'ভক্তি আৰু ভক্তিতত্ত্ব' শীর্ষক শিৰোনামৰ এই প্রথম অধ্যায়টিত ভক্তিৰ অর্থ, সংজ্ঞা, ভক্তিৰ স্বৰূপ আৰু বৈশিষ্ট্য, ভক্তিৰ প্রকাৰ, নৱবিধা ভক্তিৰ পৰিচয়, মহাপুৰুষীয়া ধর্মত ভক্তিৰ স্থান আৰু স্বৰূপ আদি ভক্তিৰ তাত্ত্বিক দিশৰ বহলাই আলোচনা কৰা হৈছে।

১.৩ ভক্তি ঃ সাধাৰণ পৰিচয়

জীৱন আৰু জগত সম্পর্কীয় নানান অনুসন্ধান তথা উপলব্ধিৰ প্রচেষ্টাতে মানুহৰ এখন আধ্যাত্মিক জগতৰ লগত সম্পর্ক গঢ়ি উঠিছিল। সাধাৰণতে ঈশ্বৰৰ লগত জীৱন তথা জগতৰ সম্বন্ধ বিষয়ৰ কথাকে আধ্যাত্মিকতা বোলে। ভাৰতীয় ঋষি-মুনিসকলৰ চিন্তা আৰু সাধনাৰ ফলস্বৰূপে প্রাপ্ত বেদ, উপনিষদ, গীতা, ভাগৱত পুৰাণ আদি ভাৰতীয় আধ্যাত্মিক চিন্তা সম্বন্ধীয় শাস্ত্রসমূহৰ তত্ত্বমতে এই চৰাচৰ জগতখনৰ মূলতে আছে এক চিৰন্তন সত্তা বা পৰমতত্ত্ব। উপনিষদত এই পৰমতত্ত্বক 'ব্রহ্ম' বুলি কোৱা হৈছে। ব্রহ্ম সৎ-চিৎ-আনন্দ স্বৰূপ- সচ্চিদানন্দ। জীৱ আৰু জগতো এই পৰমানন্দ স্বৰূপ ব্রহ্মৰে অংশ। চৰাচৰ জগতৰ সৃষ্টি, স্থিতি, লয়ৰ কাৰণ পৰমানন্দ স্বৰূপ ব্রহ্মক লাভ কৰিবলৈ ভাৰতীয় ঋষি-মুনিসকলে আধ্যাত্মিক সাধনাৰ চাৰিটা পথেৰে আগবাঢ়িছিল। এই পথ চাৰিটা হ'ল কর্ম, জ্ঞান, যোগ আৰু ভক্তি। ঈশ্বৰ প্রাপ্তিয়েই প্রতিটো পথ বা মার্গৰে লক্ষ্য যদিও কর্ম, জ্ঞান আৰু যোগ মার্গ অতিশয় কষ্টকৰ। ঈশ্বৰৰ সান্নিধ্য লাভ কৰিবলৈ ফল লাভৰ আশা নকৰাকৈ কর্মত প্রবৃত্ত হ'ব লাগিব। সেইদৰে কঠোৰ সাধনাৰ দ্বাৰা মায়া মুক্তভাৱে জীৱ, জগত আৰু ব্রহ্মৰ অভিন্নতা উপলব্ধি হ'লেহে জ্ঞান লাভ সম্ভৱ হয়। যোগ মার্গৰ মূল কথা হ'ল— যোগৰ দ্বাৰা দেহ-মনক সংযত কৰি কঠোৰ একমুখী সাধনাৰেহে পৰমেশ্বৰক লাভ কৰিব পাৰি। ঈশ্বৰৰ কৰুণা লাভৰ বাবে কর্ম, জ্ঞান আৰু যোগৰ পথতকৈ ভক্তিৰ পথ তুলনামূলভাৱে সহজ আৰু সুগম। ভাৰতীয় ধর্ম সাধনাত ভক্তি আৰু ভক্তিতত্ত্বই উল্লেখযোগ্য ভূমিকা গ্রহণ কৰি আহিছে।

ভক্তি শব্দৰ অর্থ সম্বন্ধে বিভিন্ন মতবাদ আছে। সংস্কৃত ভজ্ ধাতুৰ পৰা নিষ্পন্ন হোৱা 'ভক্তি' শব্দই সাধাৰণভাৱে উপাস্য দেৱতাৰ বা ঈশ্বৰৰ প্রতি কৰা সেৱা-উপাসনাকে বুজায়। এই ভক্তিৰ দ্বাৰাই ভক্ত আৰু ভগৱানৰ মাজত অভিন্ন সম্পর্ক স্থাপিত হয়। ভক্তই সখি, পুত্র, দাসৰূপে আৰু কেতিয়াবা আত্মনিবেদন কৰি ভগৱানৰ প্রতি ভক্তি নিবেদন কৰে। ভক্তিৰ মূল লক্ষ্য হৈছে ঈশ্বৰ প্রাপ্তি বা মুক্তি লাভ।

ভক্তি প্রকৃততে ধর্মৰ দ্বাৰা সিক্ত এক গভীৰ অনুভৱ বা মানসিক অৱস্থা। এই মানসিক অৱস্থাৰ কেবাটাও স্তৰ আছে। ইয়াৰ চৰম স্তৰত উপনীত হ'ব পৰা জনক প্রকৃত ভক্ত বুলি কোৱা হয়। এনে অৱস্থাত উপনীত হ'ব পাৰিলে মানুহৰ বাঞ্ছা, দ্বেষ, শোক, কামনা-বাসনা একোৰেই

নাথাকে। এই চৰম স্তৰত উপনীত হ'বলৈ মানুহে নবিধ ভক্তিৰ মাজেৰে স্তৰে স্তৰে গতি কৰিব লাগিব। বিভিন্ন ভক্তি শাস্ত্রত উল্লিখিত এই নৱবিধা ভক্তি হ'ল শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদ-সেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন। আত্মনিবেদন ভক্তিৰ চৰম অৱস্থা। ইয়াৰ নাম শৰণাগতি বা একশৰণ। এক শৰণেই ভক্তিৰ উত্তম অংগ স্বৰূপ।

স্তৰ অনুযায়ী ভক্তিৰ ভাগ দুটা-পৰা ভক্তি বা সাধ্য ভক্তি আৰু সাধন ভক্তি বা গৌণী ভক্তি। ধন, জন, ঐশ্বর্য্য আদি সুখৰ কামনা ভগৱানৰ পৰম প্ৰেমত নিমগ্ন হৈ পূৰ্ণ শান্তি লাভ কৰা অৱস্থাই হ'ল পৰা ভক্তি। এই ভক্তিত আনকি মুক্তি সুখকো বাঞ্ছা কৰা নহয়। আনহাতে উপাসক, উপাস্য, পূজা-দ্ৰব্য, পূজা-বিধি আৰু মন্ত্ৰ-জপ এই পাচোঁটাৰ দ্বাৰা ভগৱানক কৰা উপাসনাই গৌণী ভক্তি। উদ্দেশ্য আৰু গুণৰ আধাৰত আকৌ ভক্তিক সগুণ ভক্তি আৰু নিৰ্গুণ ভক্তি এই দুই ৰূপত ভগোৱা হৈছে। ভাবৰ দৃষ্টিৰে ভক্তিক শান্ত, বাৎসল্য আৰু মধুৰ আদি বিভাগতো বিভক্ত কৰিব পাৰি।

ভক্তিৰ বিভিন্ন গুণ বা দিশৰ লগতে নৱবিধা ভক্তিৰ স্বৰূপ, ভক্তিৰ শ্ৰেষ্ঠতা, শ্ৰৱন-কীৰ্ত্তন ভক্তিৰ প্ৰাধান্য, সগুণ-নিৰ্গুণ ভক্তি, একেশ্বৰবাদ, একশৰণৰ উপযোগিতা, গুৰু আৰু সৎ সঙ্গৰ প্ৰয়োজনীয়তা আদিয়েই ভক্তিতত্ত্বৰ মূল কথা। ভাগৱত পুৰাণ, শ্ৰীমদ্ভগবদ্‌গীতা, বিষ্ণুপুৰাণ, হৰিবংশ, নাৰদ ভক্তিসূত্ৰ, শাণ্ডিল্য ভক্তি সূত্ৰ আদি সংস্কৃত শাস্ত্রসমূহত ভক্তিতত্ত্বৰ মূল কথাবোৰ প্ৰকাশিত হৈছে।

বৈদিক যুগতে ভক্তিতত্ত্বৰ বীজ অংকুৰিত হৈছিল। ঋগ্‌বেদত অগ্নি, বায়ু, বৰুণ, সূৰ্য আদি বিভিন্ন দেৱতাক উপাসনা কৰা হৈছিল যদিও সেইবোৰৰ মাজেদি এক পৰম শক্তিকেই চিন্তা কৰা হৈছিল। ঋগ্‌বেদত কোৱা হৈছে 'একংসদ ৱিপ্ৰাঃ বহুধা ৱদন্তিঃ' অৰ্থাৎ "সত্য বস্তু একেটাই, জ্ঞানীসকলেহে তাক ভিন ভিন নাম দি মাতে"। এনেদৰে বেদৰ 'পুৰুষসূক্ত'ত বিভিন্ন দেৱতা এক পৰমতত্ত্বৰেই বা বিৰাট পুৰুষৰ সৃষ্টি বুলি প্ৰকাশিত হৈছিল। অৱশ্যে বৈদিক সাহিত্যত ভক্তিক সাধন প্ৰণালী হিচাপে নিৰূপণ কৰা হোৱা নাই। ভক্তিতত্ত্বৰ স্পষ্ট উল্লেখ পোৱা যায় শ্বেতাশ্বেতৰোপনিষদত। ইয়াত উল্লিখিত "যস্যদেৱে পৰা ভক্তি র্যথাদেৱে তথা গুৰৌ/তস্যৈত কথিত হ্যর্থাঃ প্ৰকাশন্তে মহাত্মনঃ"— অৰ্থাৎ, যাৰ পৰমেশ্বৰত পৰা ভক্তি আছে আৰু গুৰুৰ প্ৰতিও তেনেকুৱা ভক্তি আছে তেওঁতহে এনে গুহ্যতত্ত্ব ক'লে তেনে মহাত্মাৰ হৃদয়ত প্ৰকাশিত হয়। উপনিষদত এইদৰে ভক্তিতত্ত্বত আৰম্ভ হৈ পুৰাণৰ যুগত বিশেষকৈ শ্ৰীমদ্ভাগৱত পুৰাণত এই ভক্তিতত্ত্বৰ বিস্তৃতি ঘটিছিল। ঈশ্বৰক সন্তুষ্ট কৰি তেওঁৰ কৃপা লাভ কৰিবৰ বাবে অচলা ভক্তিয়েই প্ৰকৃত সাধন মাৰ্গ বুলি পুৰাণৰ যুগত প্ৰচলিত হৈছিল। ভাগৱত পুৰাণত ভগৱদ্‌গীতাৰ তত্ত্বদৰ্শী কৃষ্ণৰ পৰিৱৰ্তে গোপাল কৃষ্ণৰ গুৰুত্ব প্ৰদানেৰে কৃষ্ণ ভক্তিৰ মাহাত্ম্য প্ৰকাশ কৰি ভক্তিৰ এক নতুন ৰূপৰ সূত্ৰপাত কৰা হয়। তদুপৰি এই গ্ৰন্থতেই শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চন আদি নবিধ ভক্তিৰ পোন প্ৰথমবাৰৰ বাবে আত্মপ্ৰকাশ ঘটে।

শাস্ত্রসমূহত নিহিত থকা ভক্তিতত্ত্বক খৃষ্টীয় সপ্তমৰ পৰা দশম শতিকাৰ ভিতৰত দাক্ষিণাত্যৰ 'আলৱাৰ' নামৰ সন্তসকলে অভিনৱভাৱে জনপ্ৰিয় কৰি তুলিছিল। আলৱাৰসকলে

কর্মবহুল আৰু আচাৰ প্রধান সাধন পদ্ধতিৰ বিপৰীতে আন্তৰিক শ্রদ্ধা-প্রেম আৰু ভক্তিক বেছি মূল্য দি কেইবা হাজাৰ গীত ৰচনা কৰে। তামিল বেদ ৰূপে-খ্যাত এই গীতসমূহ জনসাধাৰণৰ মাজত অধিক জনপ্রিয় হৈ পৰিছিল। আলোৱাৰসকলে গঢ় দি তোলা ভক্তিক শংকৰাচার্য, ৰামানুচার্য্য, মাধৱাচার্য্য, নিম্বাকাচার্য্য আদি বৈষ্ণৱ আচার্য্যসকলে সুস্পষ্ট আৰু সুদৃঢ়কৈ দার্শনিক ভেটিত প্রতিষ্ঠিত কৰিলে। এওঁলোকে ক্রমে অদ্বৈতবাদ, বিশিষ্টাদ্বৈতবাদ, দ্বৈত, দ্বৈতাদ্বৈত আদি বিশেষ বৈষ্ণৱ সম্প্রদায়ৰ সৃষ্টি কৰি এই চাৰিটাৰ যোগেৰে কৃষ্ণতত্ত্ব প্রচাৰৰ পথ সুগম কৰি ভক্তিৰ দার্শনিক ভেটিত প্রতিষ্ঠা কৰিলে। ইয়াৰ আধাৰতে পৰৱর্তী মধ্যযুগৰ বৈষ্ণৱ ভক্ত-প্রচাৰকসকলে ভক্তিৰ ভাব-ধাৰাক এক আলোড়নকাৰী আন্দোলনৰ ৰূপত জনগণৰ মাজত জাগৃত কৰি তুলিছিল। দক্ষিণ ভাৰততে সৃষ্টি হোৱা এই ভক্তি-আন্দোলন ৰামানন্দ আদি সন্তসকলৰ দ্বাৰা উত্তৰ ভাৰতত বিয়পি পৰে। চতুর্দশ-পঞ্চদশ শতিকাত ৰামানন্দৰ পিছত কবীৰ, নানক, তুলসী দাস, মীৰাবাঈ, চৈতন্যদেৱ, শংকৰদেৱ, মাধৱদেৱ আদি ভক্তি পথৰ সাধকসকলে তৎকালীন অৱক্ষয়িত সামাজিক, সাংস্কৃতিক, অর্থনৈতিক পৰিস্থিতিত ভক্তি আন্দোলনৰ ধাৰাটো প্রচাৰিত আৰু প্রসাৰিত কৰি সমগ্র ভাৰতবর্ষত সামাজিক-সাংস্কৃতিক-চেতনা পুনৰ জাগ্রত কৰি তুলিছিল। মুঠতে দাক্ষিণাত্যৰ আলোৱাৰসকলে ৰোপণ কৰা ভাৰতীয় ভক্তিতত্ত্বৰ বীজ কালক্রমত উত্তৰ ভাৰত, পূব ভাৰতৰ লগতে সমগ্র দেশতে বিস্তাৰ লাভ কৰি ভাৰতীয় জাতীয় জীৱনত এক নতুন যুগৰ সূচনা কৰিলে।

ভক্তিৰ লগত কোনো এজন উপাস্য দেৱতা বা ঈশ্বৰৰ কাল্পনিক ৰূপৰ সম্বন্ধ নাই। ভক্তি প্রকৃততে উপাসকৰ হৃদয়ৰ পমি যাব খোজা এটি মানসিক অৱস্থা। গতিকে ভক্তি বুলিলে কেৱল বিষ্ণু ভক্তিকে নুবুজায়, শিৱ, দুর্গা, গণেশ, আল্লাৰ প্রতি থকা শ্রদ্ধা বা প্রেমো ভক্তিৰেই অন্তর্গত। তথাপি ভাৰতত ভক্তি বুলিলে প্রধানতঃ বৈষ্ণৱ ভক্তিকে সূচায়। কাৰণ ভাৰতত বৈষ্ণৱ মার্গী ভক্তি সাধকৰ সংখ্যাই অধিক। তদুপৰি এই মার্গই সকলো শ্রেণীৰ লোক তথা ভক্তকে প্রভাৱিত কৰে। মন কৰিবলগীয়া যে ভক্তিবাদৰ কথা বিস্তৃতভাৱে প্রকাশ পোৱা বৈষ্ণৱ ধর্মৰ গীত-পদ আৰু পুৰণি পুথিৰ সংখ্যাও বেছি। ভক্তি শাস্ত্র বুলিলেও প্রধানতঃ বৈষ্ণৱ উপাসনা প্রণালীৰ উপদেশ দিয়া গ্রন্থসমূহৰ কথাকে বুজায়।

জানি থোৱা ভাল



ভক্তিৰ বীজে ঋগ্বেদতেই গজালি মেলিছিল। পৰৱর্তী সময়ত ব্রাহ্মণ, আৰণ্যক, উপনিষদ, ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ বিভিন্ন প্রসংগত ভক্তিতত্ত্বৰ মূল কথাবোৰৰ লগতে ভক্তিৰ প্রয়োজনীয়তাৰ কথা উল্লিখিত হৈছিল। ভক্তিতত্ত্বই পূর্ণ বিকশিত ৰূপ লৈছে *শ্রীমদ্ভগৱদ্গীতা* আৰু *শ্রীমদ্ভাগৱত পুৰাণত*। ব্রহ্মপুৰাণ আদি কেইখনমান পুৰাণ, উপ-পুৰাণতো ভক্তিৰ কথা আছে যদিও *ভাগৱত পুৰাণতেই* ভক্তিৰ কথা গভীৰ আৰু বিস্তৃতভাৱে প্রকাশিত হৈছে।

১.৪ ভক্তিৰ সংজ্ঞা

ভক্তিৰ সংজ্ঞা এটা শব্দৰ বা বাক্যৰ দ্বাৰা ব্যক্ত কৰিব নোৱাৰি। ভক্তি প্ৰকৃততে ধৰ্মৰ দ্বাৰা সিক্ত এক গভীৰ অনুভৱ, এক মানসিক অৱস্থা। ভক্তিৰ সংজ্ঞা বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন ধৰণে পোৱা যায়। ভাষাতাত্ত্বিক দৃষ্টিভংগীৰ পৰা ভজ্ ধাতুৰ লগত ক্তিন্ প্ৰত্যয় যোগ হৈ 'ভক্তি' শব্দৰ সৃষ্টি হৈছে। ভজ্ ধাতুৰ অৰ্থ ভজনা কৰা বা সেৱা কৰা। গতিকে সাধাৰণ দৃষ্টিত ভক্তি হ'ল ভজনৰ বা সেৱাৰ বিষয়। এই সেৱা ঈশ্বৰৰ প্ৰতি কৰা সেৱা বা উপাসনা। বৈষ্ণৱ উপাসক শাণ্ডিল্য, নাৰদ আদিৰ 'ভক্তিসূত্ৰ'ত কৰা ব্যাখ্যাৰ দ্বাৰা ভক্তিৰ সংজ্ঞা নিৰ্ণয় কৰিব পাৰি।

শাণ্ডিল্যৰ 'ভক্তিসূত্ৰ'ত ভক্তিৰ ব্যাখ্যা দিয়া হৈছে- 'সা পৰাণুৰক্তিৰীশ্বৰে'— অৰ্থাৎ ঈশ্বৰৰ প্ৰতি অতিশয় ৰতি, অনুৰক্তি বা অনুৰাগেই হ'ল ভক্তি।

নাৰদীয় 'ভক্তিসূত্ৰ'ত ব্যাখ্যা কৰা হৈছে "সা তস্মিন্ পৰম প্ৰেমৰূপা, অমৃত ৰূপা চ"— অৰ্থাৎ ঈশ্বৰৰ প্ৰতি পৰম প্ৰেমেই ভক্তি। এই সূত্ৰৰে অইন এঠাইত 'অনিৰ্ব্বচনীয়ং প্ৰেম স্বৰূপম' অৰ্থাৎ অনিৰ্ব্বচনীয় প্ৰেমৰ স্বৰূপকে ভক্তি বুলি কৈছে।

নাৰদৰ 'পাঞ্চৰাত্ৰ'ত উল্লেখ কৰা মতে প্ৰেম পৰিপ্লুত মন হৰিৰ প্ৰতি স্বাৰ্থশূন্য হৈ সদায় প্ৰৰাহিত হৈ থকা অৱস্থাই ভক্তি।

উপনিষদত ভক্তিৰ কথা এনেদৰে পোৱা যায়—

নায়ামাত্মা প্ৰবচনেন লভ্যো ন মেধয়া ন বহুনা শ্ৰুতেন।
যমৈবেষ তেন লভ্যস্তমৈষ আত্মা বৃনুতে তনুংমাম।

পৰমেশ্বৰক পঢ়া-শুনা কৰি, উপদেশ, মেধা আৰু শাস্ত্ৰ অধ্যয়নৰ দ্বাৰা লাভ কৰিব নোৱাৰি। কায়মনোবাক্যে একচিত্ত হৈ ঈশ্বৰৰ ধ্যানত মগ্ন হ'লে ঈশ্বৰক লাভ কৰিব পৰা যায়। গতিকে ভক্তি বুলি ক'লে ঈশ্বৰৰ চৰণত একান্তভাৱে কায়মনোবাক্যে আত্মসমৰ্পণ কৰাটোকেই বুজায়। অনন্ত সুন্দৰৰ প্ৰেমত ভক্তই আত্মসমৰ্পণ ঘটাই আত্মবিলোপ ঘটোৱাকে ভক্তি বুলি উপনিষদত কৈছে।

'ব্ৰহ্মসূত্ৰ ভাষ্য'ৰ মতে ভক্তিৰ সংজ্ঞা—

"ধ্যানং চ তৈলধাৰাবৎ অবিচ্ছিন্ন স্মৃতি সন্তানৰ পধ্ৰুৱাস্মৃতি সৰ্ব গ্ৰন্থীনাম ৱিপ্ৰমোক্ষ ইতি ভৱতি চ স্মৃতিভাৱনা প্ৰকাৰ্যাৎ দৰ্শন ৰূপতা। এবং ৰূপা ধ্ৰুৱনুস্মৃতিৰেৰ ভক্তিশব্দেন অভিধীয়তে।" অৰ্থাৎ এটা পাত্ৰৰ পৰা আন এটা পাত্ৰত ঢালি থকা নিৰৱচ্ছিন্ন তেলৰ দৰে ধ্যেয় বস্তুৰ নিৰন্তৰ স্মৰণৰ নাম ধ্যান। এনেদৰে কৰা ভগৱন্তৰ স্মৰণৰ ফলত সকলো বন্ধন নাশ হয়। শাস্ত্ৰত এনে নিৰন্তৰ স্মৰণকেই মুক্তিৰ কাৰণ বুলি কোৱা হৈছে। এনেকুৱা স্মৰণ বা স্মৃতি প্ৰগাঢ় হ'লেই দৰ্শনৰ তুল্য হৈ পৰে। এনেকুৱা প্ৰগাঢ় স্মৃতিকেই ভক্তি বোলে।

ভগবদ্গীতা আৰু ভাগৱতত মায়ানিবৃত্তিৰ উপায়কে ভক্তি বুলি কোৱা হৈছে। বেদব্যাসৰ মতে ঈশ্বৰৰ পূজাদিত অনুৰাগ মানেই ভক্তি। গৰ্গ ঋষিৰ মতেও ঈশ্বৰৰ গুণানুকীৰ্ত্তন শ্ৰৱণেই সাৰ ভক্তি। সীমাহীন প্ৰাপ্তিৰ অবিৰত প্ৰয়াসেই ভক্তি বুলিও কোনো কোনো আলোচকে মত প্ৰকাশ কৰিছে।

আচার্য্য কপিলৰ মতে ভক্তি হ'ল উৎকৃষ্ট আৰু ফলদায়ক মার্গ- যাৰ দ্বাৰা পৰমানন্দ লাভ হয়।

শ্রীমন্ত শংকৰদেৱে *ভক্তি ৰত্নাকৰ* গ্রন্থত ভক্তিৰ ব্যাখ্যা কৰিছে এনে ধৰণৰ—

মায়া নিবৃত্তিৰ পন্থ যিটো মই হৰি।
প্রথমতে শ্রদ্ধা মোত মিলে শীঘ্র কৰি।।
অনন্তৰে হোৱে ৰতি ভকতি আমাত।
অনুক্রমে হোৱে আমি কহিলো তোমাত।।

এইদৰে শংকৰদেৱৰ লগতে আন আন মহাপুৰুষসকলে এক মহান আত্মাত চৰম আত্মনিবেদনকে ভক্তি বুলি প্রকাশ কৰিছে।

ড° সর্বপল্লী ৰাধাকৃষ্ণণৰ মতে এক সগুণ ভগৱানৰ সৈতে প্রেম বা শ্রদ্ধা আৰু বিশ্বাসৰ সম্পর্কেই হৈছে ভক্তি। আন এক সংজ্ঞা মতে 'সূক্ষ্মতৰম অনুভৱম্ ৰূপম' অর্থাৎ ভাষাৰে প্রকাশ কৰিব নোৱাৰা এক সূক্ষ্ম আৰু গভীৰ অনুভূতিয়ে হ'ল ভক্তি।

এনে ধৰণে ভক্তি সম্পর্কত পোৱা সংজ্ঞাসমূহ বিশ্লেষণ কৰি ক'ব পাৰি যে ঈশ্বৰৰ প্রতি ভক্তৰ অন্তৰত উদয় হোৱা পৰম প্রেম বা অনুৰক্তিয়েই ভক্তি। ই হ'ল পৰম অনুৰাগ, প্রগাঢ় প্রেমযুক্তভাৱে একান্তভাৱে কায়মনোবাক্যে সমর্পিত অন্তৰেৰে ঈশ্বৰৰ কৃপা লাভ কৰিবৰ বাবে কৰা শ্রদ্ধাযুক্ত নিবেদন। ভক্তিক ব্যক্তিৰ আধ্যাত্মিক চেতনাৰ লগত সম্বন্ধিত হৃদয়ৰ এক গভীৰ অনুভূতি বুলিও ক'ব পাৰি। ভক্তিৰ লক্ষ্য হৈছে ভৌতিক জগতৰ পৰা মুক্তি অথবা জীৱিত অৱস্থাতে ভৌতিক বান্ধোনৰ পৰা মুক্তি লাভ কৰি পৰমাত্মাৰ লগত বিলীন হৈ যোৱা।

জানি থোৱা ভাল



ভক্তি শব্দই নিষ্ঠা, প্রেম, আসক্তি, অনুৰাগ আদিকে বুজায়। ভক্তি হৈছে মধুৰতকৈও মধুৰ অনুভূতি। সেয়েহে ভক্তিক ৰসময়, আনন্দময়, পৰমসুখস্বৰূপ বুলি ক'ব পাৰি। প্রকৃততে ভক্তৰ মুক্তি লাভ বা ঈশ্বৰ প্রাপ্তিৰ মাধ্যম হ'ল ভক্তি। ই একান্ত হৃদয়ানুভূতি। জ্ঞান আৰু কর্মৰ উর্দ্ধত কামনা বাসনাহীন অনুভৱ উপলব্ধিকেই ভক্তি বুলি কোৱা হয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ ভক্তিৰ সংজ্ঞা বিশ্লেষণ কৰি ভক্তিৰ অর্থ সম্পর্কে আপোনাৰ নিজৰ ধাৰণা ব্যক্ত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

১.৫ ভক্তিৰ স্বৰূপ আৰু বৈশিষ্ট্য

বৈষ্ণৱ ভক্ত শাণ্ডিল্য আৰু নাৰদৰ ভক্তিসূত্রই ভক্তিৰ স্বৰূপ স্পষ্ট ৰূপত দাঙি ধৰিছে। শাণ্ডিল্যৰ ভক্তিসূত্রত কোৱা হৈছে ঈশ্বৰৰ প্ৰতি পৰম অনুৰক্তিয়েই ভক্তি। অর্থাৎ ঈশ্বৰীয় প্ৰেমকে ভক্তি আখ্যা দিয়া হৈছে। অনুৰক্তিৰ অর্থ হ'ল অনুৰাগ বা ধাউতি। আন সকলো অনুৰক্তি তল পৰি কোনো এটা বস্তু বা বিষয়ত যেতিয়া অনুৰক্তি সুগভীৰ হয় তেতিয়া তাক পৰম অনুৰক্তি অর্থাৎ পৰানুৰক্তি বুলি কোৱা হয়। অৱশ্যে ভক্তি হ'বলৈ হ'লে এই পৰানুৰক্তি ঈশ্বৰৰ প্ৰতি হ'ব লাগিব।

'নাৰদীয় ভক্তিসূত্র'ত আকৌ কোৱা হৈছে ঈশ্বৰৰ প্ৰতি থকা গভীৰ প্ৰেমেই ভক্তি। তেওঁ শাণ্ডিল্যৰ পৰানুৰক্তিৰ ঠাইত 'পৰম প্ৰেমৰূপা' বুলি ক'লে। নাৰদীয় ভক্তি সূত্র অনুসৰি ভক্তি প্ৰেমাশ্রিত। ই হৃদয়ৰ গভীৰতাৰ ওপৰত প্ৰতিষ্ঠিত। এই পৰম প্ৰেম সকলোৰে ওপৰত, ইয়াক পালে মানুহৰ একোতে বাঞ্ছা নাথাকে আৰু কোনো বস্তুতে দ্বেষো নাথাকে। আচলতে হৃদিস্থিত পৰমেশ্বৰত হোৱা পৰম প্ৰেমকে ভক্তি বোলে। কিন্তু এনে পৰম প্ৰেমযুক্ত ভক্তি সগুণ, সবিশেষ আৰু সাকাৰ-ঈশ্বৰতহে সম্ভৱ। কাৰণ পৰমপ্ৰেম বা পৰানুৰক্তি মানৱ চিত্তৰ এটি বৃত্তি। নির্বিশেষ, নিৰাকাৰ, নির্গুণ ব্রহ্ম চিত্ত বা হৃদয় বৃত্তিৰে পোৱা বস্তু নহয়। ব্রহ্মপ্রাপ্তি বা ঈশ্বৰপ্রাপ্তিত চিত্তৰ বিলয় ঘটে।

কর্ম, জ্ঞান, যোগ আৰু ভক্তি সনাতন ধর্মৰ এই চাৰিটা সাধন পথৰ ভিতৰত ভক্তিয়েই ঈশ্বৰ লাভৰ সহজ তথা উত্তম উপায়। *শ্রীমদ্‌ভাগবদ গীতা*তো তপস্বী, সাংখ্য জ্ঞানী আৰু কাম্য কর্মীসকলৰ ভিতৰত যোগীক শ্রেষ্ঠ বুলি কোৱাৰ লগতে যোগীৰ ভিতৰত আকৌ ভক্তিযোগীক শ্রেষ্ঠ বুলি ভগৱান কৃষ্ণই অর্জুনক কৈছে। কর্মযোগ, জ্ঞানযোগৰ স্তৰত সেৱক কাম, ক্রোধ আদি ৰিপুসমূহৰ দ্বাৰা ভুল পথে পৰিচালিত হোৱাৰ সম্ভাৱনা থাকে। সেয়েহে সকলো যোগতকৈ ভক্তিযোগকে শ্রেষ্ঠ বুলি কোৱা হয়। তপ জপ যাগ যজ্ঞ, তীর্থস্থানৰ ফল ভক্তিতেই পোৱা যায়। ভক্তিৰ দ্বাৰাই মনৰ অজ্ঞানতা দূৰ কৰিব পৰা যায়।

ভক্তিয়েই ভগৱানক লাভ কৰাৰ পৰম শুদ্ধ নিৰূপম পথ বুলি শ্রীমদ্‌ভাগৱতৰ দ্বিতীয় স্কন্ধত কোৱা হৈছে—

কথা শ্রৱণৰ নাম কীর্ত্তনৰ
সমান নাহিকে আন।
ভক্তিসে পৰম শুদ্ধ নিৰূপম
প্রকটি দেখা প্রমাণ।

এই কথাকে *নামঘোষা*ত মাধৱদেৱে কৈছে—

মোতে মাত্র সদা দিয়া মন মোৰ ভক্ত হোৱা সর্বক্ষণ
মোকে পূজা মোকে মাত্র কৰা নমস্কাৰ।
কহিলো তোমাত সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্রিয়তম সুহৃদ সখি আমাৰ।।

ভক্তি প্রকৃততে ধর্মৰ দ্বাৰা সিক্ত এক গভীৰ অনুভৱ। ই প্রকৃততে এক মানসিক অৱস্থা। এই অৱস্থাৰো বিভিন্ন স্তৰ আছে। ইয়াৰে চৰম স্তৰত যিয়ে উপনীত হ'ব পাৰিছে তেৱেঁই প্রকৃত ভক্ত। এনে স্তৰত উপনীত হোৱা সাধকৰ ভেদাভেদ ভাব নাথাকে আৰু সকলোকে ঈশ্বৰ জ্ঞান কৰে। এনে স্তৰত ধন-জন, ঐশ্বর্য্য, বিভূতি আদি কোনো সুখৰ কামনা নাথাকে। মন কৰিবলগীয়া যে ইয়াত মুক্তিৰো বাঞ্ছা নাথাকে। এনে অৱস্থাত সাধকে নিজকে ভগৱানৰ চৰণত অর্পণ কৰি পৰম প্রেমত নিমগ্ন হৈ পূর্ণ শান্তি লাভ কৰে। মুঠতে সকলো কামনাশূন্য হৈ মনে পূর্ণ শান্তি লাভ কৰি ভগৱানৰ পৰম প্রেমত নিমগ্ন হোৱা অৱস্থাক পৰাভক্তি বা উত্তম ভক্তি বোলে। পৰাভক্তিৰ আন এটি নাম সাধ্যা ভক্তি। নাৰদীয় ভক্তিসূত্রত এনে ভক্তিৰ স্বৰূপ এনেদৰে কোৱা হৈছে—

যিটো পালে আন বস্তু নকৰে কামনা
কোনোতেই নাই শোক, হিংসা বা শোচনা।।
আনন্দ উৎসৱ নাই কোনোতেই ৰতি।।
জানিবা তেতিয়া হৈছে হৃদয়ে-ভকতি।।

ঈশ্বৰৰ এটি গুণবিশিষ্ট নাম হ'ল আনন্দ। ঈশ্বৰ পৰমানন্দ। আনন্দময় ভক্তিয়ে হ'ল উত্তম ভক্তি। এনে ভক্তিত ভগৱানৰ সান্নিধ্য লাভৰ আকাংক্ষাৰ বাহিৰে আন একোৰে আকাংক্ষা নাথাকে। ভক্তিৰ এনে চৰম স্তৰত উপনীত হ'বলৈ মানুহে বিভিন্ন স্তৰৰ মাজেৰে গতি কৰিব লাগিব। এই প্রতিটো স্তৰকে বুজাবৰ বাবে 'নৱবিধা ভক্তি' অৱতাৰণা কৰি ভক্তিক ন প্রকাৰে বিভক্ত কৰা হৈছে। শ্রীমদ্ভাগৱত পুৰাণ আৰু অন্যান্য ভক্তি শাস্ত্রত নৱবিধা ভক্তিৰ উল্লেখ পোৱা যায়। শ্রৱণ, কীর্ত্তন, স্মৰণ, পাদসেৱন, অর্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন এই নৱবিধা ভক্তিৰ স্বৰূপ তলত উল্লেখ কৰা হ'ল—

শ্রৱণ ঃ শ্রৱণ ভক্তিত গুৰু বা সন্ত বৈষ্ণৱৰ মুখেৰে ঈশ্বৰৰ নাম, গুণ স্বৰূপ আদি শুনা হয়। কৃষ্ণ কথা বা ভগৱন্তৰ কথা শ্রৱণৰ দ্বাৰা মনৰ কামনা-বাসনাকে ধৰি অসৎ প্রবৃত্তিৰ ভাব কমি আহি চিত্ত শুদ্ধ তথা নির্মল হৈ পৰে। চঞ্চলতাই ক্রিয়া কৰিব নোৱাৰা বাবে সাধকৰ এনে পৱিত্র চিত্ত ঈশ্বৰতে সমর্পণ কৰা হয়। কীর্ত্তন ভক্তিৰ সৃষ্টিৰ কাৰণ এই শ্রৱণ ভক্তি।

কীর্ত্তন ঃ কীর্ত্তন ভক্তিত ঈশ্বৰৰ নাম, ৰূপ, গুণাৱলী আৰু লীলামালা নিজ মুখে উচ্চাৰণ বা আবৃত্তি কৰা হয়। কীর্ত্তন অকলশৰীয়াকৈও কৰিব পাৰি, সমূহীয়াকৈও কৰিব পাৰি। সাধাৰণতে সৎসঙ্গ বা বৈষ্ণৱ ভক্তৰ সঙ্গত সমূহীয়াকৈ কৰা কীর্ত্তন ভক্তৰ বেছি ফলদায়ক। নামোচ্চাৰণ, স্তুতিপাঠ, কথা বা ব্যাখ্যা, গীত আৰু অভিনয় কীর্ত্তনক এই পাঁচ প্রকাৰে বিভাজিত কৰিব পাৰি।

স্মৰণ ঃ ঈশ্বৰৰ নাম গুণ, লীলা-মালা আৰু ৰূপৰ চিন্তনকে স্মৰণ ভক্তি বুলি কোৱা হয়। স্মৰণ ভক্তিত ঈশ্বৰৰ নাম সোঁৱৰণ কৰা হয়, ৰূপৰ ধ্যান কৰা হয় আৰু মানস জপ কৰা হয়। জপ তিনি প্রকাৰৰ— বাচিক, উপাংশু আৰু মানস। বাচিক জপত ভগৱানৰ নাম গুণ শুনাকৈ আবৃত্তি কৰা হয়। উপাংশুত কেৱল ওঠহে লৰে। মানস জপত

পদানুক্রমে নাম-গুণ মনৰ ভিতৰতে বাৰে বাৰে আবৃত্তি কৰা হয়। ইয়াত বাক্ যন্ত্ৰৰ কোনো কাম নাই। স্মৰণ ভক্তিৰ দ্বাৰা চিত্ত দৃঢ় হ'লে ভগৱানৰ প্ৰতি ভক্তি বাঢ়ে, বিষয় বাসনাৰ প্ৰতি বিৰাগ ভাব ওপজে। স্মৰণৰ দ্বাৰা সহজে ভগৱানক লাভ কৰি পৰম গতি লাভ কৰিব পাৰে। স্মৰণৰ কাৰ্যকাৰিতা শ্ৰৱণ-কীৰ্ত্তনতকৈ বেছি যেন লাগে। কিয়নো শ্ৰৱণ-কীৰ্ত্তন দিনটোৰ সকলো সময়তে সম্ভৱ নহ'ব পাৰে কিন্তু স্মৰণ অহৰ্নিশে সকলো সময়তে হ'ব পাৰে। *কীৰ্ত্তনৰ* ৰাস ক্ৰীড়াত স্মৰণ ভক্তিৰ বিষয়ে পোৱা যায়—

যেনতেন মতে মাত্ৰ স্মৰোক সততে
এতেকে মুকুতি পাইবো কহিলো বেকতে।।

পাদ সেৱন ঃ ভগৱানৰ যিকোনো সাকাৰ মূৰ্ত্তিৰ পৰিচৰ্য্যাই পাদসেৱন। এই ভক্তিত হৰিমন্দিৰ, নামঘৰ আদি পৰিস্কাৰ, শৰাই, নৈবদ্য আদি যুগুত কৰা, হৰিমূৰ্ত্তিৰ স্নান কৰোৱা, বস্ত্ৰ-অলংকাৰাদি পিন্ধোৱা আদি কাৰ্য্য কৰা হয়। এনে পৰিচৰ্য্যাৰ যোগেদি সাধকৰ মনত দাস্য ভাৱৰ উদ্ৰেক হয়। এনে ভাবৰ উদয়ে-সখ্য আৰু আত্মনিবেদনৰ পথ সুগম কৰে।

অৰ্চন ঃ ভগৱানৰ ৰূপ বিশেষৰ পূজাই অৰ্চন। ইয়াত বিষ্ণু বা তেওঁ ধাৰণ কৰা ৰূপৰ পূজাৰ কথা ব্যক্ত হৈছে। অৰ্চন ভক্তিত হৃদয়ত ঈশ্বৰৰ মূৰ্তি ধ্যান কৰি তেওঁৰ প্ৰতিমাত বিবিধ উপচাৰেৰে জপ-স্তুতি কৰা হয় আৰু স্থান বিশেষে হৰিগুণ গাই গীত-বাদ্য আৰু নৃত্য কৰা হয়। পূজাৰ উপচাৰ সাধাৰণতে পঞ্চোপচাৰ, দশোপচাৰ, ষোড়শোপচাৰ আদি বিভিন্ন ধৰণৰ হ'ব পাৰে। ধ্যান আৰু জপ পূজাৰ দুটা বিশেষ অংগ। পূজা যে অকল অৰ্চন বিগ্ৰহতহে কৰিব পাৰি তেনে নহয়, নিজ হৃদয়ত ইষ্ট-দেৱতাক স্থাপন কৰিও ধ্যান কৰিব পাৰি। সেইদৰে থাপনাতে পূজা কৰিব পাৰি। কাৰণ থাপনাত ভাগৱত থাকে আৰু এই ভাগৱতো কৃষ্ণস্বৰূপ।

বন্দন ঃ মূৰ্তি বা প্ৰতিমাত অধিষ্ঠিত জনক স্তুতি-নতি কৰি সেৱা কৰাই বন্দন। এই বন্দন ভক্তিত স্তৱস্ত্ৰোত্ৰ আদি গাই নানা কাকুতি-মিনতি কৰি ভগৱন্তক সেৱা কৰা হয়।

দাস্য ঃ দাস্য ভক্তিত ভক্তই তেওঁৰ সকলোবোৰ কৃতকৰ্ম দাসৰ দৰে ভগৱন্তৰ চৰণত অৰ্পণ কৰে। এই ভক্তিত ভক্তই আত্ম স্বাৰ্থ বিসৰ্জন দি দাস্য ভাবেৰে শাস্ত্ৰোক্ত আৰু দেহ ধাৰণৰ বাবে সকলো কৰ্ম ঈশ্বৰত সমৰ্পণ কৰে। ভক্তই যেতিয়া নিজকে ভৃত্য বুলি ভাবিব তেতিয়া তেওঁৰ নিজৰ বুলিবলৈ একো নাথাকিব। তেওঁৰ কৰ্ম, তাৰ ফল আদি তেতিয়া ভগৱানৰ চৰণত অৰ্পণ কৰে। দাস্য ভক্তিৰ দ্বাৰা কৰ্মবন্ধনৰ পৰা মুক্ত হৈ ভগৱানক লাভ কৰিব পাৰে।

সখ্য ঃ সখ্য ভক্তিত ভক্তই ভগৱানৰ চৰণত বিশ্বাস স্থাপন কৰি গভীৰ আস্থা প্ৰদৰ্শন কৰি গাঢ় সখিত্বৰ বন্ধন গঢ়ি তুলি তেওঁক ভক্তি কৰে। সখ্য ভাব দাস্য ভাবতকৈও গভীৰ। দাস্য ভাবত ভৃত্য আৰু প্ৰভুৰ মাজত এটি দূৰত্ব থাকি যায়। সখ্য ভাবত ভক্ত আৰু ভগৱানৰ মাজত পৰম বিশ্বাসৰ সম্পৰ্ক স্থাপন হয় আৰু দূৰত্ব কমি যায়। তেতিয়া ভক্ত ভগৱানৰ মিত্ৰৰ দৰে হৈ পৰে আৰু ভক্তই ভগৱানক পৰম সুহৃদ বুলি ভাবিবলৈ

লয় আৰু তেওঁৰ ওচৰত বিশ্বাস স্থাপন কৰে। ভৃত্যই সাধাৰণতে দূৰত থাকি প্ৰভুৰ কাম কৰি সন্তুষ্ট হয়। কিন্তু বন্ধু বা প্ৰিয়জনে প্ৰিয়তম ব্যক্তিক সকলো সময়তে ওচৰৰ পৰা সেৱা কৰিবলৈ পালে সন্তুষ্ট হয়। ভক্তৰ এই অৱস্থাকে সখ্য-ভক্তিৰ স্বৰূপ বুলি কোৱা হয়। অৰ্জুন, উদ্ধৱ, বিপ্ৰদামোদৰ আদি ভক্তৰ ভক্তি সখ্য ভক্তি।

আত্মনিবেদন ঃ আত্মনিবেদন ভক্তিত ভক্তই নিজৰ বিদ্যা বুদ্ধি, মান-অভিমান আদি সকলো পৰিত্যাগ কৰি দেহ-মন ইন্দ্ৰিয় ঈশ্বৰৰ ওচৰত সমৰ্পণ কৰে। ভগৱানৰ চিন্তাত মগ্ন হৈ থাকোঁতে থাকোঁতে ভক্তৰ নিজস্ব বা আত্মভাব নোহোৱাহৈ পৰে। ভক্তই ভগৱানৰ ওচৰত নিজৰ দেহ পৰ্যন্ত সকলোখিনি অৰ্পণ কৰে। তদুপৰি নিজৰ দোষ, ত্ৰুটি, দুৰ্বলতা, অপৰাধ আদি নিঃসংকোচে প্ৰকাশ কৰি ঈশ্বৰৰ চৰণত সকলো অৰ্পণ কৰে। ভক্তিৰ এই চৰণ অৱস্থাই আত্মনিবেদন। এই অৱস্থাত ভক্তই নিৰ্বিকাৰভাৱে হৰি গুণ গান কৰে। এই অৱস্থাই শৰণাগতি বা একশৰণ। ভগৱানৰ চৰণত শৰণ লোৱাই একান্ত ভক্তি। আত্মনিবেদনৰ স্তৰত ভক্তই ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চাৰি পুৰুষাৰ্থৰ একো ফল বাঞ্ছা নকৰে। একান্ত ভক্তিয়েই নিষ্কাম ভক্তৰ একান্ত কাম্য। *শ্ৰীমদ্‌ভাগৱদ্‌গীতাত* কৃষ্ণই অৰ্জুনৰ পৰা এনেকুৱা ভক্তিকেই কামনা কৰিছে—

সৰ্বা ধৰ্মান পৰিত্যজ্য
মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব পাপেভ্যো
মোক্ষয়িষ্যামি মা শুচঃ।।

অৰ্থাৎ সকলো ধৰ্ম পৰিত্যাগ কৰি একমাত্ৰ মোতে শৰণ লোৱা। মই তোমাক সকলো পাপৰ পৰা মুক্ত কৰিম।

ভাবৰ দৃষ্টিৰে ভক্তিৰ স্বৰূপ তিনি ধৰণে নিৰ্ণয় কৰিব পাৰি। শান্ত, বাৎসল্য আৰু মধুৰ। শান্ত ভাব ভক্তিত সংসাৰৰ অনিত্যতা উপলব্ধি, কামনা বাসনা ত্যাগ আদিৰে জ্ঞানৰ সহায়ত ভক্তৰ হৃদয়ত আনন্দৰ উদ্ভৱ হয়। বাৎসল্য ভক্তিত ঈশ্বৰ বালক, পুত্ৰ আৰু ভক্ত পিতৃ-মাতৃ-ধাত্ৰী এনে ভাবৰ উদ্ৰেক হয়। ভগৱান আৰু ভক্তৰ পতি-পত্নী নতুবা প্ৰেমিক-প্ৰেমিকা ৰূপৰ সম্পৰ্কৰ মাজেৰে মধুৰ ভক্তিৰ উদয় হয়। ভক্তিৰ ক্ষেত্ৰত জাতি, ধৰ্ম, বৰ্ণ, লিংগ আদিৰ প্ৰভেদ নাই, শাস্ত্ৰবিদ হোৱাৰো কোনো প্ৰয়োজন নাই। তদুপৰি ভক্তিৰ পথত খোজ দিবলৈ তপ, জপ, যাগ-যজ্ঞৰ কোনো প্ৰয়োজনীয়তা নাই। *কীৰ্ত্তন ঘোষাত* এনে বৰ্ণনা দেখিবলৈ পোৱা যায়—

নালাগে ভক্তিত দেৱদ্বিজ ঋষি হুইবে।
নালাগে সম্ভুত শাস্ত্ৰ বিস্তৰ জানিবে।।
তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱলে ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।

ভক্তিৰ ক্ষেত্ৰত আগুৱাই যাবলৈ সৎগুৰুৰ উপদেশৰ প্ৰয়োজন। গুৰুসকল পথ-প্ৰদৰ্শক। গুৰুৰ উপদেশে শিষ্যৰ অজ্ঞান-আন্ধাৰ দূৰ কৰি জ্ঞান অৰ্জনেৰে শুদ্ধ, সত্য পথেৰে আগুৱাই যাবলৈ শক্তি দিয়ে। *ভক্তি-ৰত্নাকৰত* এই বিষয়ে এনেদৰে আছে—

ভক্তি জ্ঞান দাতা গুৰুবিনে সেৱ নাই।
কহিলোহোঁ প্ৰতি প্ৰতি তোমাত বুজায়।।

সৎসঙ্গই মানুহৰ অন্তৰত ভগৱদ্‌ভক্তিৰ ভাব জন্ম দিয়ে। শ্ৰৱণ-কীৰ্ত্তন ভক্তিৰ দ্বাৰা স্তৰে স্তৰে আগুৱাই গৈ শৰাণাগতিত পৰিণতি লাভ কৰিবৰ বাবে সৎসঙ্গৰ আশ্ৰয় অতি প্ৰয়োজনীয়। সৎসঙ্গই ভক্তৰ সঙ্গৰ লগতে পৰমাত্মাৰ সঙ্গকো বুজায়। গতিকে পৰমাত্মাৰ চিন্তাত নিমগ্ন হৈ থকাটো সৎসঙ্গ। তদুপৰি পৰমাত্মা পৰমেশ্বৰক হৃদয়ত আশ্ৰয় কৰা ভকত-বৈষ্ণৱৰ সঙ্গয়ো সৎসঙ্গৰ অৰ্থ বুজায়। সৎসঙ্গৰ আৰু এবিধ অৰ্থ হ'ল— 'সৎপুৰুষ-অৰ্থাৎ গুৰুৰ সঙ্গ।' সৎসঙ্গত থাকিলে মানৱচিত্তৰ ত্ৰিগুণাত্মক প্ৰভাৱৰ পৰা মুক্ত হৈ দঢ় হৈ পৰে। সৎসঙ্গৰ শাস্ত্ৰ চৰ্চা ঈশ্বৰৰ বাৰ্তালাপ আদিয়ে মূঢ় ব্যক্তিৰ হৃদয়তো ভক্তিৰ উদ্ৰেক ঘটায়।

ভক্তিমাৰ্গত মোক্ষ বা মুক্তিৰো এটা বিশেষ স্থান আছে। বিষয় বাসনাৰ প্ৰতি অনুৰাগেই হ'ল বন্ধন, আনহাতে বিৰাগ হৈছে মুক্তি। অনাসক্ত হৈ বিষয় ভোগ কৰাজনহে ভগৱানৰ প্ৰকৃত ভক্ত। জীৱনমুক্তি আৰু পৰামুক্তি বা বিদেহ মুক্তি— এই দুই প্ৰকাৰৰ মুক্তিৰ কথা শাস্ত্ৰত বৰ্ণিত হৈছে। জীৱনমুক্ত অৱস্থাত সাধকৰ জাগতিক সুখ-দুখৰ অনুভূতি নোহোৱা হয়। তেওঁলোকে নিৰ্বিকাৰ, নিৰাসক্ত আৰু বন্ধনমুক্ত সাধনাৰ বলত জীৱিতকালতেই পাৰ্থিৱ দুখৰ সমাপ্তি ঘটাই মুক্তি লাভ কৰিব পাৰে। আনহাতে মৃত্যুৰ জৰিয়তে যি মুক্তি হয়, তাকে বিদেহ মুক্তি বা পৰা মুক্তি বুলি কয়। পৰামুক্তি লাভ কৰিলে পুনৰ দেহ ধাৰণ অৰ্থাৎ জন্ম নহয়।

মুক্তি পাঁচ প্ৰকাৰৰ— সালোক্য, সামীপ্য, সাৰূপ্য, সাযুজ্য আৰু সাৰ্ষ্টি। এই পাঁচ প্ৰকাৰৰ মুক্তিৰ ভিতৰত সাযুজ্য বা লীন মুক্তিক শ্ৰেষ্ঠ বুলি ধৰা হয়। এইবিধ মুক্তিত ভক্ত-ভগৱানৰ সৈতে লীন হৈ যায়। কিন্তু প্ৰকৃত ভক্তই মুক্তি সুখকো ইচ্ছা নকৰি ভক্তিহে বিচাৰে। তেওঁলোকে মুক্তিতকৈ ভক্তিক উচ্চ স্থান দিয়ে। মুক্তি সুখকো ত্যাগ কৰি ভগৱানৰ প্ৰতি নিবেদন কৰা নিৰ্মল ভক্তিৰ দ্বাৰাই সাধকে পৰম-আনন্দ লাভ কৰে। *কীৰ্ত্তন ঘোষাত* এনেদৰে এই বিষয়ে বৰ্ণনা কৰিছে—

নাবাঞ্ছোহোঁ সুখ-ভোগ নালাগে মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি।।
* * * * * *
নেলাগে লীন মুকুতিক তথা।
নাহি হৰি পদ পঙ্কজ যথা।।
কৰ্ণৰ অমৃত হৰিৰ চৰিত।
ভকতৰ মুখে শুনিব নিত।।



জানি থোৱা ভাল

নৱবিধা ভক্তিৰ অন্তর্গত শ্ৰৱণ, কীৰ্ত্তন আৰু স্মৰণক ভক্তি মার্গৰ প্রথম স্তৰ বুলি কোৱা হয়। ঠিক তেনেদৰে, পাদসেৱন, অর্চন আৰু বন্দনক ভক্তি পথৰ দ্বিতীয় স্তৰ, দাস্য, সখ্য আৰু আত্মনিবেদন ভক্তিৰ তৃতীয় স্তৰ। *সাত্বত তন্ত্রত* শ্ৰৱণ, কীৰ্ত্তন আৰু স্মৰণ ভক্তিক 'লীলাময়ী' বা 'প্রেমময়ী', পাদসেৱন, অর্চন আৰু বন্দন ভক্তিক 'কর্মময়ী' তথা দাস্য, সখ্য আৰু আত্মনিবেদন ভক্তিক 'মনোময়ী' ভক্তি বুলি কোৱা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ভক্তিৰ স্বৰূপ আৰু বৈশিষ্ট্য সম্পর্কে এটি টোকা যুগুত কৰক। (২০০ টা শব্দৰ ভিতৰত)

.....

১.৬ ভক্তিৰ প্রকাৰ ঃ সগুণ, নির্গুণ ভক্তি

উদ্দেশ্য আৰু গুণৰ আধাৰত ভক্তিক মূলতঃ দুই ভাগত ভাগ কৰিব পাৰি (ক) সগুণ ভক্তি (খ) নির্গুণ ভক্তি।

সগুণ ভক্তিৰ লগত কামনা জড়িত হৈ থাকে। ইয়াৰ লগত 'সাকাৰ'ৰ ধাৰণাও যুক্ত হৈ পৰে। সত্ত্ব, ৰজঃ আৰু তম এই তিনি গুণৰ ভিত্তিত সগুণ ভক্তিক আৰু তিনিটা উপ-বিভাগত ভগাব পাৰি। (১) সাত্ত্বিকী ভক্তি (২) ৰাজসী ভক্তি আৰু (৩) তামসী ভক্তি। এই তিনিওবিধ ভক্তি কাম্য ভক্তি। সাত্ত্বিকী ভক্তিত মুক্তিৰ কামনা কৰা হয়। কোনো ধৰণৰ বিধি-বিধানৰ ব্যৱস্থা নকৰাকৈ পাপ নাশ হৈ ভগৱান সুপ্রসন্ন হোৱাৰ আশাৰে কৰা ভক্তিয়েই হ'ল সাত্ত্বিকী ভক্তি। ঈশ্বৰৰ মূর্তি আগত ৰাখি ধন জন ঐশ্বর্য্য তথা বিষয়-বাসনা কামনা কৰি কৰা ভক্তি হ'ল ৰাজসী ভক্তি। ক্রোধ, দম্ভ, অহংকাৰেৰে পৰৰ অন্যায় কামনা কৰি কৰা ভক্তি হ'ল— তামসী ভক্তি।

কামনা-বাসনাৰ পৰা মুক্ত নিষ্কাম ভক্তিয়েই হ'ল— নির্গুণ ভক্তি। নির্গুণ ভক্তিত কোনো ধৰণৰ কামনাৰ স্থান নাই। আনকি মুক্তি লাভৰ বাঞ্ছায়ো ইয়াত ঠাই নাপায়। সেয়েহে নির্গুণ ভক্তিক অনন্যা ভক্তি বুলিও কোৱা হয়। এই সম্পর্কে নাৰদীয় ভক্তিসূত্রত ব্যক্ত কৰিছে—

"অনাশ্রয়ানাং ত্যাগোহনন্যতা।।"

সকলো আশ্রয় ত্যজি একতে আশ্রয়।
'অনন্যতা' বুলি তাকে শাস্ত্রে বখানয়।।

নির্গুণ ভক্তি মূলতঃ বিষ্ণুজ্ঞান লাভ কৰিবৰ বাবে কৰা হয় বাবে এই ভক্তিক জ্ঞানময়ী ভক্তি বুলিও ভক্তিমার্গীয় গ্রন্থত বর্ণনা কৰা হৈছে। জগতৰ সমস্ত বস্তুতে আত্মবোধ জাগ্রত হ'লে আত্মাত যি চৈতন্যজ্ঞানৰ উদ্রেক হয় *শ্রীমদ্ভাগৱতপুৰাণত* তাকেই নির্গুণ ভক্তি বুলি অভিহিত কৰিছে।

১.৬.১ সগুণ ভক্তিৰ স্বৰূপ

চৰাচৰ জগতখনৰ মূলত থকা চিৰন্তন সত্তা বা পৰমতত্ত্বক উপনিষদত ব্ৰহ্ম আখ্যা দিয়া হৈছে। ব্ৰহ্মৰ দুটা ৰূপ সগুণ আৰু নিৰ্গুণ। এই সগুণ আৰু নিৰ্গুণ ৰূপৰ আধাৰত হিন্দু শাস্ত্ৰত এই পৰমব্ৰহ্মৰ সাধনা পদ্ধতি দুই ধৰণে উল্লেখ কৰা হৈছে— সগুণ-সাকাৰ ভক্তি আৰু নিৰ্গুণ-নিৰাকাৰ ভক্তি।

সগুণ হ'ল সবিশেষ, আকাৰ আৰু উপাধিযুক্ত। কোনো গুণ, চিহ্ন বা বিশেষণৰ দ্বাৰা সগুণ ব্ৰহ্মৰ স্বৰূপ হৃদয়ংগম কৰিব পাৰি। সগুণ ভক্তিত ব্ৰহ্মৰ এই সগুণ সাকাৰ স্বৰূপক স্বীকাৰ কৰা হয়। সগুণ ঈশ্বৰৰ ধাৰণাত ভক্তই ঈশ্বৰৰ ৰূপ আৰু গুণমাহাত্ম্যসমূহ মনত সজাগ কৰি লৈ তেওঁতেই ভক্তি নিবেদন কৰে।

নিজৰ পিনৰ পৰা ব্ৰহ্ম নিৰ্গুণ, নিৰাকাৰ, নিৰ্বিশেষ; ব্ৰহ্ম নিৰাকাৰ, ৰূপহীন হোৱা বাবে সৰ্বসাধাৰণৰ বাবে হৃদয়ত তেওঁৰ ধাৰণা কৰাটো কঠিন। সেয়েহে উপাসনাৰ সুবিধাৰ্থে সগুণ ৰূপত ব্ৰহ্মৰ উপাসনা ভক্ত সমাজত স্বীকৃত হৈ আহিছে। ফলস্বৰূপে ভক্তই নিৰ্দিষ্ট ভগৱৎ মূৰ্তিৰ পূজা-উপাসনা আৰু ভক্তি নিবেদন কৰিবলৈ লয়। এইদৰে নিৰাকাৰ নিৰ্গুণ পৰম ব্ৰহ্মৰ ঠাইত সগুণ সাকাৰ ঈশ্বৰৰ ধাৰণা আহিল। এনে সগুণ ভক্তিৰ দ্বাৰা সাধকৰ চিত্ত সুদৃঢ় হ'লে নিৰ্গুণ উপাসনা সম্ভৱ হৈ পৰে। নিৰ্গুণ ব্ৰহ্মৰ সগুণ উপাসনা ভাৰতীয় ভক্তিতত্ত্বৰ উল্লেখযোগ্য দিশ। শংকৰদেৱৰ *দশম*ত এই কথা স্পষ্ট হৈ পৰিছে—

যদ্যপি নিৰ্গুণ জন্ম ৰহিত ঈশ্বৰ।
তথাপিতো প্ৰকৃতিকো কৰাই সচেতন।
কৰন্ত গুণৰ হাতে সৃজন পালন।

নিৰ্গুণ ব্ৰহ্মাই সত্ত্ব, ৰজ, তম গুণৰ অধীন হৈ মায়াৰ দ্বাৰা জগত সৃষ্টি কৰে আৰু বিভিন্ন ৰূপ বা অৱতাৰৰ মাজেদি যেতিয়া প্ৰকাশ পায় তেতিয়া সগুণ ব্ৰহ্ম ৰূপে প্ৰকাশিত হয়। সগুণ ভক্তিত ব্ৰহ্মাই শ্ৰীকৃষ্ণ, বিষ্ণু, হৰি, ৰাম, নাৰায়ণ আদি নামেৰে বিভিন্ন সময়ত প্ৰতিভাত হৈ উঠিছে।

সগুণ ভক্তি হৈছে সত্ত্ব, ৰজ, তম গুণৰ অধীন হৈ কৰা ভক্তি। এই ত্ৰিগুণৰ আধাৰত সাত্ত্বিকী, ৰাজসী আৰু তামসী এই তিনিটা স্তৰত সগুণ ভক্তিক ভাগ কৰা হয়। ভাগৱতৰ তৃতীয় স্কন্ধৰ ব্যাখ্যা অনুসৰি এই তিনিবিধ সগুণ ভক্তিৰ স্বৰূপ স্পষ্ট হৈ পৰে—

সাত্ত্বিকী ভক্তি ঃ এইবিধ ভক্তি মুক্তিৰ কামনাৰে কৰা হয়। পাপনাশ হৈ ভগৱান সুপ্ৰসন্ন হোৱাৰ বাবে কোনো ধৰণৰ বিধি-বিধানৰ ব্যৱস্থা নকৰাকৈ এই ভক্তি নিবেদন কৰা হয়।

"পাপ মোৰ হৌক নাশ ভগৱন্ত হৌক প্ৰীতি
নুহি আৱশ্যক বিধি মানি
ই তিনি প্ৰকাৰে ভক্তি কৰিলে সাত্ত্বিক বুলি
নিষ্ঠে মই কহিলো বখানি।।"

ৰাজসী ভক্তি ঃ এইবিধ ভক্তিত ধন-জন, ঐশ্বর্য্য বিভূতি, বিষয়-বাসনা কামনা কৰা হয়। ভগৱানৰ মূর্তি ৰাখি ভক্তই এই ভক্তি নিবেদন কৰে—

"বিষয়ত কৰি আশা যশ বা ঐশ্বর্য্য চাৱে
প্রতিমাত মোহোক পূজয়।
তিনিও প্রকাৰ ইটো ৰাজস ভকতি মাত্র
তযু আগে কহিলো নিশ্চয়।।"

তামসী ভক্তি ঃ তামসী ভক্তিৰ দ্বাৰা ভক্তই আনৰ অন্যায় কামনা কৰি দম্ভ, অহংকাৰ, ক্রোধেৰে ভক্তি নিবেদন কৰে।

পৰক মাৰিবে প্রতি মনত সংকল্প কৰে
দম্ভ বা মৎসৰ আতিশয়।
এহিমতে ভক্তি মোত কৰিলে তামস হয়
ক্রোধ ভেদে তিনিতে আছয়।।

সাত্ত্বিকী, ৰাজসী আৰু তামসী ভক্তিক ক্রমে উত্তম, মধ্যম আৰু অধম বা প্রকৃত ৰূপতো বিভক্ত কৰা হয়। সগুণ ভক্তিৰো একাশী বিধ প্রকাৰ আছে বুলি *ভক্তি ৰত্নাকৰ* গ্রন্থত উল্লেখ আছে—

সগুণ ভকতিভেদ একাশী প্রকাৰ।
নির্গুণ ভকতি একেবিধ মাধৱৰ।।

ওপৰোক্ত তিনিও বিধ ভক্তিৰ উদাহৰণৰ দ্বাৰা বুজিব পাৰি যে সগুণ ভক্তি বাসনাযুক্ত। তিনিও বিধতে ভক্তই নিজ স্বার্থ বিসর্জন দিব পৰা নাই। মায়াৰ দ্বাৰা আবৃত সাধাৰণ লোকে এনে ভকতিৰেই জীৱন নির্বাহৰ আশা কৰে। ধর্মই মানুহৰ আধ্যাত্মিক পৰিৱর্তন ঘটাই অন্ধকাৰৰ পৰা পোহৰলৈ, অবিদ্যাৰ পৰা জ্ঞানলৈ মানুহক আগুৱাই নিয়ে। ৰাজসী আৰু তামসী ভক্তিৰ পর্যায়ত জীৱ হত্যাক ধর্ম বুলি স্বীকৃত দিয়া হৈছে। গতিকে এনে ধর্মই সমাজত শান্তি প্রতিষ্ঠা কৰিব নোৱাৰে। অৱশ্যে সাত্ত্বিক সগুণ ভক্তিৰ কর্ষণৰ দ্বাৰা পৰিপূর্ণতাপ্রাপ্ত হৈ ভক্তই নির্গুণ ভক্তিলৈ আগবাঢ়ে। এই অৱস্থালৈ যাবলৈ শ্রৱণ, কীর্ত্তন স্মৰণ, পাদ সেৱন, অর্চন, বন্দন, দাস্য, সখ্য, আত্মনিবেদন আদি নৱবিধা ভক্তিৰ মাজেৰে যাবলগীয়া হয়। আত্মনিবেদন পর্যন্ত সগুণ ভক্তি।

সাধাৰণতে ভগৱানৰ কোনো এবিধ সাকাৰ ৰূপৰ প্রতি অনুৰক্তি বা পৰম প্রেমৰ প্রকাশেই ভক্তি। এই পৰম প্রেম বা পৰাণুৰক্তি চিত্তৰ বৃত্তি। নির্গুণ, নির্বিশেষ, ব্রহ্ম চিত্ত বৃত্তিৰে পোৱা বস্তু নহয়। ব্রহ্ম প্রাপ্তিত চিত্ত লয়প্রাপ্ত হয়। গতিকে পৰমপ্রেম বা পৰাণুৰক্তি ভক্তিৰ এই লক্ষণ সগুণ সবিশেষ আৰু সাকাৰ ঈশ্বৰতহে সম্ভৱ হয়। সেয়েহে ভক্তিযোগীৰ মতে সগুণ সাকাৰ-ঈশ্বৰো এক পাৰমার্থিক সত্য।

সগুণ ভক্তিত সাধক বা ভক্তই ব্রহ্মৰ সগুণ, সাকাৰ, সবিশেষ ৰূপক পৰম সত্যৰূপে স্বীকাৰ কৰে আৰু এই সগুণ ব্রহ্মৰ উপাসনাত মনোনিবেশ কৰে। বিশিষ্টা

দ্বৈতবাদ, দ্বৈত, দ্বৈতাদ্বৈত আদি ভক্তি পন্থৰ কোনো কোনো সাধক সম্প্রদায়ে সগুণ সাকাৰ ঈশ্বৰক পাৰমার্থিক তত্ত্ব হিচাপে গ্রহণ কৰিছে। তেওঁলোকৰ মতে ঈশ্বৰৰ স্বৰূপ মায়া আচ্ছাদিত নহয়। ব্রহ্মক নির্গুণ বুলি কোৱা শ্রুতিৰ বাক্যৰ ব্যাখ্যা তেওঁলোকে বেলেগ ধৰণে কৰিছে। ভক্তি দার্শনিক ৰামানুচার্য্যই নির্গুণ মানে সকলো প্রকাৰৰ বেয়া গুণৰ অভাৱ এই অর্থ প্রকাশ কৰিছে। নিম্বার্কৰ মতে নির্গুণ মানে মঙ্গলময়। মুঠতে ৰামানুচার্য্য, বল্লভাচার্য আদিয়ে সগুণ ঈশ্বৰক পৰম সত্য ৰূপে মানি লৈ ভক্তি মত প্রতিষ্ঠাত নিয়োজিত হৈছে। ভগৱানে প্রয়োজন অনুসাৰে শুদ্ধ সত্ত্ব আকাৰ ধাৰণ কৰিব পাৰে বাবে তেওঁ সগুণ সাকাৰ। নিৰাকাৰ মায়াতীত ঈশ্বৰেই লোকানুগ্রহার্থে বা কার্য্যবশতঃ সাকাৰ ৰূপ পৰিগ্রহণ কৰে। লোকানুগ্রহ হ'ল— আধ্যাত্মিক কল্যাণৰ বাবে ঈশ্বৰ চিত্তই গ্রহণ কৰিব পৰা, নাম ল'ব পৰা ৰূপ ধাৰণ কৰি মানুহক অনুগৃহীত কৰে। আনহাতে দুষ্কৃতি বিনাশ কৰি সাধুসন্তসকলক উদ্ধাৰ কৰি ধর্ম সংস্থাপন এই বিশেষ কার্য্যৰ বাবেও ঈশ্বৰে সাকাৰ ৰূপ ধাৰণ কৰে।

সগুণ ভক্তি ধাৰাৰ ভক্তসকলে আৰাধ্য দেৱতা হিচাপে মধ্যযুগত বিষ্ণুৰ দুই প্রধান অৱতাৰ কৃষ্ণ আৰু ৰামক বিস্তৃতভাৱে উপাসনা কৰা দেখা যায়। সেয়েহে সগুণ ভক্তি ধাৰা দুই ভাগত বিভক্ত; কৃষ্ণভক্তিধাৰা আৰু ৰামভক্তিধাৰা। ৰামভক্তিধাৰাৰ কবি আৰু সাধকসকলে ৰামকেই পৰমপুৰুষ ভগৱান জ্ঞান কৰি তেওঁৰ প্রতি নিবেদন কৰা ভক্তিৰ জৰিয়তে মুক্তিৰ পথ প্রশস্ত হয় বুলি চিন্তা কৰে। তুলসীদাস ৰামভক্তিধাৰাৰ সর্বশ্রেষ্ঠ কবি। কৃষ্ণভক্তি ধাৰাৰ কবি আৰু সন্তসকলে কৃষ্ণকেই পৰম পুৰুষোত্তম ৰূপত প্রতিষ্ঠা কৰি তেওঁৰ প্রতি আগবঢ়োৱা ভক্তিৰ দ্বাৰা মোক্ষ প্রাপ্ত হয় বুলি উপলব্ধি কৰে। সূৰদাস, মীৰাবাঈ, শংকৰদেৱ, চৈতন্যদেৱ, বল্লভাচার্য, নন্দদাস, কৃষ্ণদাস, স্বীত স্বামী, গোবিন্দ স্বামী আদি কৃষ্ণভক্তিদাৰাৰ অন্তর্গত কবি সাধক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সত্ত্ব, ৰজ আৰু তম গুণৰ আধাৰত ভক্তিৰ শ্রেণী বিভাজন কৰা। তিনি প্রকাৰৰ সগুণ ভক্তিৰ চমু পৰিচয় আগবঢ়াওঁক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১.৬.২ নির্গুণ ভক্তিৰ স্বৰূপ

ব্রহ্মৰ নির্গুণ নিৰাকাৰ স্বৰূপক স্বীকাৰ কৰা সাধন-পদ্ধতিৰ নাম নির্গুণ ভক্তি। নির্গুণ ভক্তিৰ লগত নিৰাকাৰৰ প্রসংগ জড়িত হৈ আছে। তাত্ত্বিক দৃষ্টিত নির্গুণ ব্রহ্মৰ সম্পর্ক জ্ঞানৰ লগত। ই নিষ্কাম ভক্তি। ইয়াত কামনা-বাসনাৰ স্থান নাই। মুক্তিৰ বাঞ্ছায়ো

ইয়াত ঠাই নাপায়। নির্গুণ ভক্তিক অনন্যা ভক্তি বুলিও কোৱা হয়। অনন্যা ভক্তিৰ স্তৰত সাধকে ভগৱানৰ পৰা একোকেই পাবলৈ বাঞ্ছা নকৰে। একাগ্র চিত্তৰে এজন দেৱতাকে ভজনা কৰে। নির্গুণ ভক্তিৰ স্তৰত কোনো ফলৰ কামনা নকৰি মনৰ পৰা ভেদাভেদ ভাব দূৰ কৰি একান্তভাৱে মাথোন কৃষ্ণক ভজনা কৰা হয়। *গীতাৰ* ১৮শ অধ্যায়ত এই বুলি উল্লেখ আছে—

সর্ব ধর্মান পৰিত্যজ্য মামেকং শৰণং ব্রজ।
অহং তাং সর্বপাপেভ্যো মোক্ষয়িস্যামি সা শুচঃ।

অনন্যা ভক্তিৰ সাধকৰ শত্রু-মিত্র কোনো নাই, জাগতিক দুখ-বেদনায়ো তেওঁলোকক বিচলিত কৰিব নোৱাৰে তেওঁলোক সুখে দুখে সমান। এই ভক্তি সাধনৰ দ্বাৰা শোক মোহকে আদি কৰি সংসাৰৰ ছয় ৰিপুকো জয় কৰিব পাৰি। উদাহৰণ ঃ

"ইন্দ্রিয় সবক বশ্য কৰিলেক
সুখে দুঃখে ভৈলা সম।
একো কামে চিত্ত ছলিত ন পাৰে
সত্যসে বল পৰম।।
সংসাৰৰ ছয় উর্মিক জিনিল
শোক মোহ নিৰন্তৰ।।"

ভাগৱতৰ তৃতীয় স্কন্ধত কপিল মুনিয়ে মাতৃ দেৱহুতিক কোৱা কথাখিনিৰ দ্বাৰা নির্গুণ ভক্তিৰ স্বৰূপ নির্ণয় কৰিব পাৰি—

বদতি কপিল হৰি শুনা মহামতি।
একবিধ মাত্র পুনু নির্গুণ ভকতি।।
জ্ঞান কর্মে তীর্থে ব্রতে নকৰিয়া মন।
সুদৃঢ় বিশ্বাসে লৈয়ো মোহোত শৰণ।।
মোৰ গুণ গান মাত্র কৰিব শ্রৱণ।
নিষ্কামে মোহোত যায় নিমজয় মন।।
নির্গুণ ভকতি এহি কহিলো বুজাই।
মই সমে ইটো ভক্তি এৰা এৰি নাই।।

উক্ত কথাখিনিৰ মর্মার্থৰ দ্বাৰা স্পষ্ট হৈ পৰে যে নির্গুণ ভক্তিৰ স্তৰত জ্ঞান, কর্ম, তীর্থ, ব্রত আদি প্রয়োজনীয় নহয়। সুদৃঢ় বিশ্বাসেৰে হৰিত শৰণ লৈ কামনা-বাসনাৰ পৰা মুক্ত হৈ ঈশ্বৰৰ গুণানুকীর্ত্তন, শ্রৱণ কৰাটোৱেই নির্গুণ ভক্তি।

ভক্তিমার্গীয় গ্রন্থত নির্গুণা ভক্তিক জ্ঞানময়ী ভক্তি বুলিও কোৱা হয়। কামনা-বাসনাহীন হৈ বিষ্ণুৰ জ্ঞান লাভৰ বাবে সাধকে এইবিধ ভক্তিৰ সাধনাত ব্রতী হয়। সেয়েহে এই ভক্তিৰ নাম জ্ঞানময়ী ভক্তি। এই ভক্তিৰ দ্বাৰা বিষ্ণু জ্ঞান লাভ কৰিব পৰা যায়। পৰিৱর্তনশীল জগতখনৰ সৃষ্টি স্থিতি, লয়ৰ কাৰণ স্বৰূপ নির্গুণ ব্রহ্মই পৰমতত্ত্ব বা

পৰমাত্মা। সমস্ত জীৱজগত এই পৰমাত্মাৰে আভাস বা প্ৰতিবিম্ব। গতিকে জীৱ আৰু জগত পৰমাত্মাৰেই অংশস্বৰূপ। ভক্তই এই জগতৰ বাহিৰে ভিতৰে সকলোতে পৰমাত্মাৰ স্বৰূপ উপলব্ধি কৰি তেওঁৰ উপাসনাত ব্ৰতী হ'লে প্ৰত্যক্ষ ৰূপত বিষ্ণুজ্ঞান লাভ কৰে। এনে জ্ঞান লাভৰ দ্বাৰা জীৱৰ ব্ৰহ্মপ্ৰাপ্তি হোৱাৰ লগতে মুক্তিও লাভ হয়।

নিৰ্গুণ ভক্তিৰ স্তৰত সাধকে জগতৰ সমস্ত প্ৰাণীৰ মাজত ভগৱন্তৰ পৰম ৰূপ দৰ্শন কৰে আৰু পৰমানন্দ স্বৰূপ পৰমাত্মাৰ মাজত সমস্ত ভূতক প্ৰত্যক্ষ কৰে।

নিৰ্গুণ বা জ্ঞানময়ী ভক্তিত 'অহং' বা 'মই' ভাব প্ৰসাৰিত হৈ সকলো বস্তুতে আত্মবুদ্ধি হয়। তেতিয়া উপাসকে সমস্ত জীৱ-জগতকে বিষ্ণুময় দেখে।

মানুহৰ আত্মবুদ্ধি প্ৰসাৰিত হ'লে ঈশ্বৰ সহজে সন্তুষ্ট হয়। তৰু-তৃণ কীট-পতংগ আদি সমস্ত প্ৰাণীৰ প্ৰতি হিতসাধনত ব্ৰতী হ'ব পাৰিলেহে মানুহৰ আত্মবুদ্ধি প্ৰসাৰিত হয়। ভগৱত গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে যে তেওঁৰ মতে, জগতৰ সমস্ত ভূতৰ সুখ-দুখক নিজৰ সুখ-দুখৰ দৰে অনুভৱ কৰিব পৰাজনেই সৰ্বশ্ৰেষ্ঠ যোগী।

নিৰ্গুণ ভক্তিৰ উদয় হ'লে মনৰ সকলো গুণেই নোহোৱা হৈ যায়। তেতিয়া অন্তৰ নিৰ্মল হৈ দ্ৰৱীভূত হৈ পৰে। দ্ৰৱীভূত এই অন্তৰত নিৰ্গুণ ব্ৰহ্ম প্ৰতিবিম্বিত হ'লে সাধকে সমস্ত জগতকে বিষ্ণুময় দেখে।

বিষ্ণুময় দেখে যিটো সমস্ত জগতে
জীৱন্তে মুকুত হোৱে অচিৰ কালতে।

নিৰ্গুণ ভক্তিয়েই উত্তম ভক্তি। এইবিধ ভক্তিত সাধকে মুক্তিৰো কামনা নকৰে আৰু ভগৱানৰ লগত লীন হ'বলৈও বাঞ্ছা নকৰে। মাথো ভগৱানৰ চৰণ তলত ঠাই বিচাৰে। শংকৰদেৱে 'ভক্তিৰত্নাকৰ' গ্ৰন্থত এই উত্তম ভক্তিৰ স্বৰূপ এনেদৰে ব্যাখ্যা কৰিছে—

মুকুতিতো কৰি যেন ভকতি গৰিষ্ঠ অতি
কহোঁ শুনা সাৱধান মনে।
সাযুজ্য মোক্ষকো মোৰ নবাঞ্ছয় কদাচিত
আমাৰ একান্ত ভক্তগণে।
মোৰ পদ সেৱাতেসে সদায় পৰম ৰতি
মোৰ অৰ্থে যত চেষ্টা কৰা।

নিৰ্গুণ ভক্তিৰ লগত নিৰাকাৰৰ ধাৰণা জড়িত হৈ আছে। গতিকে এই নিৰ্গুণ, নিৰাকাৰ সৰ্বসাধাৰণৰ বাবে হৃদয়ংগম কৰা সহজ নহয়। নিৰ্গুণ ভক্তিৰ স্তৰত নিৰ্গুণ ঈশ্বৰৰ উপাসনাক অধিক গুৰুত্ব দিয়া বাবে সামাজিক উপযোগিতাৰ ক্ষেত্ৰত সগুণ ভক্তিৰ তুলনাত কম মহত্ত্বপূৰ্ণ বুলি ভাব হয় যদিও ভক্তৰ দৃষ্টিত সগুণ ভক্তিৰ লগতে নিৰ্গুণ ভক্তিয়েও গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে।

ভক্তিৰ ক্ষেত্রত সগুণ ভক্তিমার্গত নির্গুণ উপাসনাৰ প্রয়োজনীয়তা স্বীকাৰ কৰাৰ দৰে নির্গুণ ভক্তি মার্গতো সগুণ উপাসনাৰ আৱশ্যকতা উপলব্ধি কৰা দেখা যায়। মাধৱদেৱৰ *নামঘোষাত* নির্গুণ কৃষ্ণৰে গুণ গাইছে—

একান্ত ভকতসরে নির্গুণ কৃষ্ণৰ গুণ
গারে সদা বসিয়া যথাত
বৈকুণ্ঠকো পৰিহৰি যোগীৰ হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।।

নির্গুণ ভক্তিমার্গত সগুণ উপাসনাৰ আৱশ্যকতাৰ প্রসঙ্গত অদ্বৈতবাদী সাধক সম্প্রদায়ৰ ঈশ্বৰ সম্পর্কীয় ধ্যান-ধাৰণাৰ উল্লেখ কৰাটো প্রয়োজনীয়। অদ্বৈতবাদীসকলে নির্গুণ ব্রহ্মৰ সাধনাকহে পৰম সত্য ৰূপত প্রতিষ্ঠা কৰিছে। এওঁলোকৰ মতে পাৰমার্থিক স্বৰূপত ব্রহ্ম গুণাতীত নির্গুণ, নির্বিকাৰ যদিও উপাসনাৰ সুবিধাৰ বাবে তেওঁলোকে সগুণ সাকাৰ ঈশ্বৰৰ প্রয়োজনীয়তা স্বীকাৰ কৰিছে। উপাসনাৰ প্রয়োজনত বিষ্ণু, নাৰায়ণ, কৃষ্ণ, ৰামক পৰমেশ্বৰ বুলি কোৱাত আপত্তি নাই যদিও ঈশ্বৰৰ এই ৰূপ তেওঁলোকৰ মতে পাৰমার্থিক নহয়, মায়া আচ্ছাদিতহে। সাকাৰ ঈশ্বৰ আৰাধনাৰ ফলত চিত্তৰ পৰা ৰজঃ আৰু তম গুণ বিলোপ হৈ শুদ্ধ সত্ত্বৰ উদ্রেক হয় আৰু ভগৱান আকাৰে চিত্ত স্থিৰ হয়। অদ্বৈতবাদী সকলৰ মতে সগুণ সাকাৰ ৰূপৰ ভক্তিৰ দ্বাৰা ঈশ্বৰ প্রাপ্তিত মোক্ষ নহয়। ঈশ্বৰ প্রাপ্তি অর্থাৎ সগুণ সাকাৰ উপাসনাক সাধনাৰ এটা বিশেষ স্তৰ বুলিহে তেওঁলোকে গণ্য কৰে।

শ্রীশংকৰদেৱৰ একাদশ স্কন্ধ পদ *ভাগৱতত* নির্গুণা ভক্তিৰ স্বৰূপ অতি সহজ আৰু শুৱলাভাৱে বর্ণনা কৰা হৈছে।—

শুনিয়ো উদ্ধৱ আবে ৰহস্য ভকতি।
কৰিবা অভ্যাস সখি থিৰ কৰি মতি।।
বাহিৰে-ভিতৰে ইটো জানা জগতৰ।
পৰিপূর্ণভাৱে আছো জগত ঈশ্বৰ।।
জানি ইটো তত্ত্বকথা থিৰ কৰা চিত।
মোকেসে দেখিবা সখি সমস্তে প্রাণীত।।
আপোনাতো দেখিবা ঈশ্বৰ অন্তর্যামী।
জ্ঞান দৃষ্টি চাই মোক ফুৰিবা প্রণামি।।
ব্রাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যাৰ বুদ্ধি একতুল।।
নীচত সাধুত যাৰ ভৈল একজ্ঞান।
তাকেসে পণ্ডিত বুলি সি সি সর্বজান।।
বিশেষত মনুষ্যগণত যিটো নৰে।

কুকুৰ চণ্ডাল গৰ্দ্দভৰো আত্মা ৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।
সমস্তে ভূততে বিষ্ণু বুদ্ধি নুহি যাৰে।
কায়বাক্য মনে অভ্যাসিবা এহি ভাবে।।
সকলো প্ৰাণীক দেখিবাহা আত্মাসম।
উপায় মধ্যত ইটো আতি মুখ্যতম।।
নিৰ্গুণ ভকতি ইটো ধৰা মহামানী।
জানা সত্যে ইহাৰ অল্পৰো নাহি হানি।।
মুঠতে কামনা-বাসনা নথকা নিষ্কাম ভকতিকেই 'নিৰ্গুণ ভক্তি' বুলি কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ঃ নিৰ্গুণ ভক্তিৰ চমু পৰিচয় দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

১.৭ মহাপুৰুষীয়া ধৰ্মত ভক্তিৰ স্বৰূপ

'মহাপুৰুষ' শব্দটিৰ মূল হ'ল *ভাগৱত পুৰাণ* ।ইয়াত বিষ্ণুক 'মহাপৌৰুষিক' বুলি কোৱা হৈছে। বিষ্ণু ভক্তিৰ পথ অনুসৰণ কৰা শংকৰদেৱ আৰু মাধৱদেৱক পৰৱৰ্তী কালৰ চৰিতপুথিসমূহত 'মহাপুৰুষ' আখ্যা দিয়া হৈছিল। মহাপুৰুষ দুজনে তেওঁলোকৰ দ্বাৰা প্ৰচাৰিত ধৰ্মক নিজে 'মহাপুৰুষীয়া ধৰ্ম' বুলি কোৱা নাই। পৰৱৰ্তী কালতহে তেওঁলোকৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্মক 'মহাপুৰুষীয়া ধৰ্ম' বুলি কোৱা হৈছিল। শংকৰ-মাধৱকে ধৰি অসমৰ বৈষ্ণৱ ভক্ত কবিসকলৰ দ্বাৰা ৰচিত বিভিন্ন গ্ৰন্থ, কাহিনী, গীত, পদ ভনিতা আদিৰ মাজেৰে এই ধৰ্মৰ স্বৰূপ বা বৈশিষ্ট্যসমূহ প্ৰকাশিত হৈছে।

নিৰক্ষৰ জনসাধাৰণক ব্ৰহ্ম জ্ঞান প্ৰদানৰ লগতে মুক্তি পথৰ সন্ধান দিয়াটোৱেই বৈষ্ণৱ ধৰ্মৰ মূল উদ্দেশ্য আছিল। সেয়েহে এই ধৰ্মত নৱবিধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তন ভক্তিক শ্ৰেষ্ঠ স্থান দিছে। শ্ৰৱণ-কীৰ্ত্তনে ভক্তিৰ অন্যান্য স্তৰসমূহলৈ যাবৰ বাবে দুৱাৰ মুকলি কৰি দিয়ে। নৱবিধা ভক্তিৰ প্ৰতিটো স্তৰতে শ্ৰৱণ-কীৰ্ত্তন অপৰিহাৰ্য্য। এই শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰাই ভক্তই আত্মনিবেদনৰ স্তৰলৈ গৈ শৰণাগতি লাভ কৰিব পাৰে। মায়াৰ বন্ধন নোহোৱাকৈ নিৰ্গুণ ভক্তিৰ অৱস্থাতো শ্ৰৱণ-কীৰ্ত্তন ভক্তি চলি থাকিব পাৰে। সেয়েহে মহাপুৰুষীয়া ধৰ্মত শ্ৰৱণ কীৰ্ত্তনক শ্ৰেষ্ঠ স্থান দিয়া হৈছে। *কীৰ্ত্তন, দশম, ভক্তি ৰত্নাকৰ, ভক্তি প্ৰদীপ, নিমি নৱসিদ্ধ সংবাদ, নামঘোষা, ভক্তিৰত্নাৱলী, ভক্তিবিৰেক, ভাগৱতৰ অনুবাদ* আদি বৈষ্ণৱ গ্ৰন্থসমূহত শ্ৰৱণ-কীৰ্ত্তনৰ মহিমা ব্যক্ত কৰা হৈছে। এই প্ৰসংগত মহাপুৰুষজনাই কৈছে—

(১) যদ্যপি ভকতি নৱবিধ মাধৱৰ।
শ্ৰৱণ-কীৰ্ত্তন তাতো আতি শ্ৰেষ্ঠতৰ।।
(২) পূজা আদি যত ভক্তিৰ মধ্যত
শ্ৰৱণ-কীৰ্ত্তন সাৰ।
কথা শ্ৰৱণৰ নাম কীৰ্ত্তনৰ
সমান নাহিকে আন।

অসমৰ মহাপুৰুষীয়া ধৰ্মত দাস্য ভক্তিৰ ওপৰত বেছি গুৰুত্ব দিয়া দেখা যায়। শংকৰদেৱৰ *কীৰ্ত্তন, দশম, ৰৱগীত*কে আদি কৰি সমস্ত গ্ৰন্থতে দাস্য ভক্তিৰ উদাহৰণ বেছিকৈ পোৱা যায়। মাধৱদেৱৰ ৰচনাত দাস্য ভক্তিৰ লগতে একশৰণ বা শৰণাগতিৰ স্বৰূপ প্ৰকাশিত হৈছে। বৈকুণ্ঠ নাথ ভট্টাচাৰ্য্যৰ *ভক্তি-বিৱেক* গ্ৰন্থতো দাস্য ভক্তিৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। দাস্য ভাবৰ প্ৰকাশিত হোৱা এফাঁকি ৰৱগীত হ'ল—

জনমে জনমে হামু দাসকু দাস।
কেশৱ সবাহ ছোড়হু মোহ পাশ।।

এই ধৰ্মত বাৎসল্য ভক্তি স্বৰূপ নিৰ্ণয় কৰিব পাৰি। শংকৰদেৱৰ *কীৰ্ত্তন, দশম,* মাধৱদেৱৰ ৰৱগীত, অঙ্কীয়া নাটক শ্ৰীধৰ কন্দলীৰ *কাণখোৱা* পুথিত বাৎসল্য ভক্তিৰ উদাহৰণ প্ৰচুৰ। কৃষ্ণ বা গোপালৰ প্ৰতি নিজ সন্তানৰ দৰে স্নেহ উদয় বা জাগ্ৰত কৰাই বাৎসল্য ভক্তি। কৃষ্ণক জগোৱা সম্পৰ্কীয় ৰৱগীতসমূহত মাতৃ যশোদাৰ পুত্ৰ কৃষ্ণৰ প্ৰতি থকা স্নেহৰ চিত্ৰ প্ৰকাশিত মাধৱদেৱৰ ৰৱগীতৰ একাংশ হ'ল—

তেজৰে কমলাপতি পৰভাতে নিন্দ।
তেৰি চান্দ মুখ পেখোঁ উঠৰে গোৰিন্দ।।

ভাৰতীয় বৈষ্ণৱ সম্প্ৰদায়সমূহৰ 'নিৰ্গুণ ব্ৰহ্মৰ সগুণ উপাসনা' অসমৰ মহাপুৰুষীয়া ধৰ্মৰো মূল বৈশিষ্ট্য। ব্ৰহ্মৰ নিৰ্গুণ নিৰাকাৰ ৰূপ হৃদয়ত ধাৰণ কৰাটো সৰ্বসাধাৰণৰ কাৰণে সহজবোধ্য নহয়। সেয়ে মহাপুৰুষীয়া ধৰ্মত ভক্তসকলে সগুণ ৰূপত ব্ৰহ্মৰ উপাসনাক স্বীকৃতি দি আহিছে। এই সগুণ ব্ৰহ্মৰ উপাসনাৰ দ্বাৰা চিত্ত দৃঢ় হৈ উঠে আৰু পৰৱৰ্তী সময়ত নিৰ্গুণ ব্ৰহ্মৰ উপাসনা সম্ভৱ হয়।

মহাপুৰুষীয়া ধৰ্ম প্ৰধানকৈ *ভাগৱত পুৰাণ* আৰু *ভগৱদ্ গীতা* আশ্ৰয়ী। দুয়োখন শাস্ত্ৰৰ মাজেৰে কৃষ্ণ বা বিষ্ণুকে পৰমব্ৰহ্ম আৰু একমাত্ৰ উপাস্য দেৱতা হিচাপে বৰ্ণিত হৈছে। সেয়েহে একেশ্বৰবাদী এই ধৰ্মও কৃষ্ণভক্তি প্ৰধান। এই ধৰ্মত কৃষ্ণই পৰম ব্ৰহ্ম তথা একমাত্ৰ উপাস্য দেৱতা হিচাপে স্বীকৃতি লাভ কৰিছে। তদুপৰি শ্ৰীকৃষ্ণত এক শৰণ ভক্তিকেই মুক্তিৰ পৰম উপায় হিচাপে বিবেচিত হৈছে।

মহাপুৰুষীয়া ধৰ্মৰ ভক্তি হ'ল ৰসময়ী ভক্তি। ৰস, আনন্দ আৰু ভক্তি পৰস্পৰ সম্বন্ধযুক্ত। সেয়েহে ভক্তিক ৰস, আনন্দ বা পৰম সুখ স্বৰূপ বুলি ক'ব পাৰি। সাধু সন্ত বা সাধকসকলে ভক্তিৰ মাজেৰে পৰম আনন্দময় ঈশ্বৰক প্ৰাৰ্থনা কৰি পৰম আনন্দ লাভ কৰে।

এই ভক্তিত ভগৱানৰ গুণ বা প্রশংসাসূচক কথাকে অৱতাৰণা কৰা হয়। এইবিধ ভক্তিত মুক্তি সুখৰ কামনা নাথাকে। মায়া-মমতা, দুখ-কষ্টৰ পৰা পৰিত্রাণ বিচাৰি জনমে জনমে একমাত্র ভগৱানৰ চৰণত ঠাই পাবৰ বাবে কৰা গভীৰ ভক্তিয়েই হ'ল ৰসময় ভক্তি। ই নিষ্কাম ভক্তি। মাধৱদেৱে নামঘোষাত কৈছে—

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।

কীর্ত্তন ঘোষাত শংকৰদেৱে কৈছে—

নেলাগে লীন মুকুতি তথা।
নাহি হৰিপদ পঙ্কজ যথা।।
কর্ণৰ অমৃত হৰি চৰিত।
ভকতৰ মুখে শুনিব নিত।।

মহাপুৰুষীয়া ধর্মৰ ভক্তি বেদান্তৰ অদ্বৈতবাদী দর্শনৰ দ্বাৰা পৰিপুষ্ট। শংকৰদেৱকে আদি কৰি বৈষ্ণৱ সন্তসকলৰ কোনো দার্শনিক সিদ্ধান্তত উপনীত হোৱাৰ লক্ষ্য নাছিল যদিও তেওঁলোকৰ লেখনিৰ মাজেৰে ভক্তিতত্ত্ব প্রকাশ কৰিবলৈ লোৱাৰ সময়ত অদ্বৈতবাদৰ মত প্রকাশ পাইছে। শংকৰদেৱৰ ৰচনা সমূহৰ মূল আধাৰ গ্রন্থ হৈছে *ভাগৱত পুৰাণ* । *ভাগৱত পুৰাণত* পৰোক্ষভাৱে অদ্বৈতবাদৰ প্রভাৱ পৰিছে। অৱশ্যে শংকৰদেৱৰ লগত অনন্ত কন্দলী, ভট্টদেৱ, মাধৱদেৱ, গোপাল মিশ্র আদি বৈষ্ণৱ সন্তসকলৰ শ্রীধৰ স্বামীৰ টীকাৰ দ্বাৰা প্রভাৱিত হৈছিল। শ্রীধৰ স্বামী অদ্বৈতবাদী শংকৰাচার্য্য পন্থীৰ লোক। অদ্বৈতবাদৰ মতে জীৱ আৰু ব্রহ্মৰ মাজত কোনো পার্থক্য নাই। অবিদ্যা বা মায়াৰ বাবে জীৱ জগত আৰু ব্রহ্মৰ মাজত পার্থক্য দেখা যায়। প্রকৃত জ্ঞান লাভৰ দ্বাৰা ব্রহ্ম আৰু জীৱৰ অভিন্নতা বা একৰূপতা উপলব্ধি হয়। অবিদ্যা দূৰ হ'লে নির্গুণ ব্রহ্মৰ জ্ঞান হয়। তেতিয়া জীৱ আৰু ব্রহ্মৰ মাজত পার্থক্য নোহোৱা হৈ 'সোহ-হং' (মইেই ব্রহ্ম) ভাব জাগ্রত হয়। *ভক্তি ৰত্নাকৰ, নামঘোষা, কীর্ত্তন, ভাগৱতৰ অনুবাদ* প্রমুখ্যে অসমৰ বৈষ্ণৱ ধর্মীয় গ্রন্থসমূহত অদ্বৈতবাদৰ প্রভাৱ পৰিলক্ষিত হয়। উদাহৰণ —

তুমিসে কেৱলে সত্য সবে মায়াময়।
তুমি বিনে সত্য আন বস্তু নাহি কয়।।
এহি তযু তত্ত্বক যিজনে নজানয়।
এহি মহাদোষে ঘোৰ সংসাৰে ভ্রময় (ভক্তি ৰত্নাকৰ)

\- \- \- \- \-

তুমি প্রিয়তম জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক।।
তুমি কার্য্য কাৰণ সমস্ত চৰাচৰ।
সুৱর্ণ-কুণ্ডলে যেন নুহিকে অন্তৰ।। (কীর্ত্তন ঘোষা)

* * *

তুমিসে কেৱলে সত্য মিছা সবে আন।
জানি জ্ঞানী গণে কৰে হৃদয়ত ধ্যান।। (কীৰ্ত্তন-ঘোষা)

শংকৰদেৱৰ লগতে অন্যান্য বৈষ্ণৱ সন্তসকলৰ লেখনিৰ মাজেৰে বিশিষ্টাদ্বৈতবাদ আৰু দ্বৈতবাদো বিশেষভাৱে সংযোজিত হৈ থকা দেখা যায়। অদ্বৈতবাদৰ মতে জ্ঞানৰ দ্বাৰাহে মায়া নাশ কৰা হয়। কিন্তু বিশিষ্টাদ্বৈতবাদৰ মতে মায়া নাশ কৰি মুক্তি লাভৰ একমাত্ৰ উপায় হ'ল ভক্তি।

শৰণাগতিৰ দ্বাৰাহে ভগৱানৰ কৃপা লাভ সম্ভৱ হয়। গতিকে সগুণ, সবিশেষ সাকাৰ ব্ৰহ্মৰ উপাসনা স্বীকাৰ কৰা বৈশিষ্টাদ্বৈতবাদৰ প্ৰভাবো শংকৰদেৱৰ লিখনিত পৰা দেখিবলৈ পোৱা যায়। উদাহৰণ ঃ

খণ্ডিবাক লাগি পৃথিৱীৰ মহাভাৰ।
দৈৱকীৰ গৰ্ভে আসি ভৈলা অৱতাৰ।।
দুষ্ট ৰাজাগণক মাৰিলা কৰি লীলা।
সন্তক ৰাখিলা প্ৰভু ধৰ্ম্মক স্থাপিলা।। (কীৰ্ত্তন ঘোষা)

শংকৰদেৱে *কীৰ্ত্তন ঘোষাৰ* প্ৰথম অধ্যায়ৰ 'চতুৰ্বিংশতি অৱতাৰ বৰ্ণন' উল্লেখ কৰা "প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন/সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ" পদফাঁকিত বেদান্তৰ ব্ৰহ্মক সৰ্বপ্ৰথমে প্ৰণাম জনাই অদ্বৈতবাদী ধাৰণা প্ৰকাশ কৰিছে। অৱশ্যে তাৰ লগে লগে অৱতাৰবাদো মানি লৈছে। অৱতাৰ মানেই সাকাৰ। এইটো বিশিষ্টাদ্বৈতবাদৰ লক্ষণ। শংকৰদেৱৰ সাহিত্যৰ এই উদাহৰণৰ দ্বাৰা অৱশ্যে তেওঁক কোনো এটি দাৰ্শনিক মতবাদৰ প্ৰচাৰক বুলি ক'ব নোৱাৰি। প্ৰকৃততে ভক্তিধৰ্ম প্ৰচাৰৰ বাবে ভাগৱত পুৰাণকে আদি কৰি বিভিন্ন পুৰাণৰ পৰা সংগ্ৰহ কৰা সমলৰ আধাৰত পদ ৰচনা কৰোঁতে বেদান্তৰ বিভিন্ন দাৰ্শনিক মতবাদৰ লক্ষণ ইয়াত প্ৰকাশ পাইছে।

শুদ্ধ অন্তৰেৰে পৰমাত্মাৰ চিন্তা কৰিলে পৰমানন্দময় ব্ৰহ্মৰ কৰুণা লাভ কৰিব পাৰে। চিত্ত শুদ্ধিৰ একমাত্ৰ উপায় হ'ল ভক্তি। মুঠতে ভক্তিৰ দ্বাৰা চিত্ত শুদ্ধ কৰি আত্মা-পৰমাত্মাৰ সম্পৰ্ক উপলব্ধি কৰিব পাৰি। অৱশ্যে এই ভক্তি অব্যভিচাৰী হোৱাটো প্ৰয়োজনীয়। অন্য দেৱ-দেৱীৰ পূজা উপাসনাই ভক্তিক ব্যভিচাৰী কৰিব পাৰে। সেয়েহে মহাপুৰুষীয়া ধৰ্মত নানা দেৱ-দেৱীৰ উপাসনাৰ পৰিৱৰ্তে নিষ্কাম, একনিষ্ঠ, উত্তম ভক্তিৰে এক ঈশ্বৰ বিষ্ণুৰ উপাসনাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। *শ্ৰীমদ্ভাগৱতৰ* ২য় স্কন্ধত এই বিষয়ে এনেদৰে কোৱা হৈছে—

অন্য দেৱী-দেৱ নকৰিবা সেৱ।
গৃহো নপশিবা তাৰ।।
মূৰ্তিকো নচাইবা প্ৰসাদো নখাইবা।
ভক্তি হৈব ব্যভিচাৰ।।

মহাপুৰুষীয়া ধর্মত নিৰাকাৰ ঈশ্বৰৰ সাকাৰ ৰূপ সম্ভৱ নহয়। সেয়েহে এই ধর্মৰ ভক্তিৰ নিবেদনৰ ক্ষেত্রত মূর্তি পূজাৰ স্থান নাই। এই প্রসংগত মাধৱদেৱৰ *নামঘোষাৰ* এফাঁকি পদৰ উল্লেখ কৰা হ'ল—

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসর্জন।
এতাৱন্ত মূর্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।

মহাপুৰুষীয়া ধর্মত ভক্তি নিবেদনৰ ক্ষেত্রত চৈতন্য স্বৰূপ ঈশ্বৰ শ্রীকৃষ্ণৰ উপাসনাৰ ওপৰত গুৰুত্ব প্রদান কৰিছে। মহাপুৰুষৰ মতে একমাত্র চৈতন্য স্বৰূপ ঈশ্বৰক বাদ দি জড় ৰূপী অন্যান্য দেৱ-দেৱীক উপাসনা কৰাটো অদৰকাৰী। সেয়েহে *নামঘোষাত* কৈছে—

হৰিসে চৈতন্য আত্মা জ্ঞানময়
আৱৰে সমস্তে জড়।
বেদ-বেদান্তৰ সমস্ত শাস্ত্রৰ
এহিসে বিচাৰ বৰ।।
হে কৃষ্ণ তুমি মাত্র চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৱৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।।

মহাপুৰুষীয়া সাধন মার্গত নাম, দেৱ, গুৰু আৰু ভকত এই চাৰি বস্তুৰ গুৰুত্ব অপৰিসীম। এই আটাইকেইট ধর্ম, অর্থ, কাম আৰু মোক্ষ— এই চতুর্বর্গৰ লগত সম্পর্ক ৰক্ষা কৰে।

মহাপুৰুষীয়া ভক্তিধর্মৰ প্রধান অঙ্গ হ'ল নাম। হৰিনাম শ্রৱণ-কীর্ত্তনেই জীৱৰ মুক্তি আৰু ভক্তি সাধনৰ একমাত্র পথ। সেয়েহে এই ধর্মত নামৰ গুৰুত্ব অধিক। মাধৱদেৱৰ *নামঘোষাত* নামৰ অভিব্যক্তি ঘটিছে—

ইটো কলি যুগে হৰি নামে সাৰ।
নাম বিনে ভকতৰ গতি নাই তাৰ।।

দেৱতা হ'ল জ্ঞানৰ প্রতীক আৰু এই জ্ঞানৰ বিকশিত ৰূপ। মহাপুৰুষীয়া একশৰণীয়া ধর্মত শ্রীকৃষ্ণই হ'ল একমাত্র উপাস্য দেৱতা। *নামঘোষাত* কৃষ্ণৰ পৰা বিকশিত হোৱা দেৱত্বৰ ধাৰণা এনেদৰে প্রকাশিত হৈছে—

কৃষ হেন শব্দ ইটো পৃথিৱীবাচক ভৈলা
ন-আনন্দৰ প্রকাশয়।
দুইৰো এক পদ ভৈলে পৰম ব্রহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্র কয়।।

ভক্তিৰ গূঢ়তত্ত্ব বুজি পাবৰ বাবে সৎ, শাস্ত্রজ্ঞ আৰু উত্তম গুৰুৰ আৱশ্যক। মহাপুৰুষীয়া ধর্মত ধর্ম সাধনৰ বাবে গুৰুৰ প্রয়োজনীয়তা স্বীকাৰ কৰা হৈছে। কাৰণ গুৰু সেৱাৰ জৰিয়তেহে

হৰিৰ প্ৰতি ভক্তিৰ উদয় হয়। মহাপুৰুষীয়া সাহিত্যত ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ *ভক্তি ৰত্নাৱলী*ত গুৰু সেৱাৰ প্ৰয়োজনীতা এনেদৰে প্ৰকাশ কৰা হৈছে—

ভক্তি জ্ঞান দাতা গুৰু বিনে সেৱা নাই।
কহিলোহো প্ৰতি প্ৰতি তোমাত বুজায়।।
ইসৱ ধৰ্মত তুষ্ট নুহিকো সিমত।
যেন তুষ্ট হওঁ মই গুৰু ভজনত।।

মহাপুৰুষীয়া ধৰ্মৰ সাধন মাৰ্গৰ এবিধ প্ৰধান বস্তু হ'ল ভকত। শংকৰদেৱৰ আদৰ্শমতে নৱবিধা ভক্তি সমন্বিতে ভগৱান কৃষ্ণৰ 'গুণ নাম' শ্ৰৱণ কীৰ্ত্তন কৰা লোককে 'ভকত' বোলে। গুণ অনুসৰি শংকৰদেৱে ভক্তিৰত্নাকৰ পুথিত উত্তম, মধ্যম আৰু অধম এই তিনি শ্ৰেণীৰ ভকতৰ কথা উল্লেখ কৰিছে। এই ধৰ্মমাৰ্গ মতে ভকতৰ সঙ্গ ল'লে ঈশ্বৰক পাব পাৰি। মুক্তিকো বাঞ্ছা নকৰি ৰসময় ভক্তিৰে মাথো ভগৱানক ভক্তি নিবেদন কৰি পৰম সুখ লাভ কৰা ভকতৰ বিষয়ে মাধৱদেৱে নামঘোষাত এনেদৰে কৈছে—

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।

মহাপুৰুষীয়া ধৰ্মৰ ভক্তিৰ ক্ষেত্ৰত জাত-পাত, উচ্চ-নীচ ভেদ ভাব নাই। এই ধৰ্মত ভক্তিৰ ক্ষেত্ৰত ব্ৰাহ্মণ, চণ্ডাল সকলোৰে সম অধিকাৰ। ইয়াত একান্ত শুদ্ধ চিত্তেৰে এক ঈশ্বৰক উপাসনা কৰাৰ ওপৰতহে গুৰুত্ব দিয়া হয়—

কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাক লাগে কিক।।
স্মৰোক মাত্ৰ হৰি দিনে ৰাতি।
নবাছে ভকতি জাতি-অজাতি।। (পাষাণ্ড মাৰ্দন, কীৰ্ত্তন ঘোষা)

বিনয়, অহিংসা, দয়া, প্ৰেম, সহিষ্ণুতা আদি সৎ গুণ কৰ্ষণত গুৰুত্ব প্ৰদান মহাপুৰুষীয়া ভক্তিৰ উল্লেখযোগ্য বৈশিষ্ট্য। এনে গুণ আয়ত্ত কৰিব পাৰিলে ভগৱানৰ কৰুণা লাভ কৰিব পাৰি। মহাপুৰুষীয়া ধৰ্মৰ ভক্তিৰ এই সাৰমৰ্ম 'কীৰ্ত্তন'ত পোৱা যায়—

মই সাধু ইটো চোৰ হেন লজ্জা এৰি।
কুকুৰ-শৃগাল-গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সৱাকো পৰি কৰিবা প্ৰণাম।।
.....
.....
সমস্ত প্ৰাণীক দেখিবাহা আত্মসম।
উপায় মধ্যত ইটো আতি মুখ্যতম।।



জানি থোৱা ভাল

মহাপুৰুষীয়া ধর্ম গীতাৰ একশৰণ মতবাদৰ ওপৰত প্রতিষ্ঠিত। গীতাৰ একশৰণ, ভাগৱতৰ সৎসংগ আৰু সহস্র নাম খণ্ড, পদ্ম পুৰাণৰ পৰা নাম, এই তিনিটা প্রধান অঙ্গৰ আধাৰত মহাপুৰুষীয়া ধর্মই পৰিপুষ্টি লাভ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মহাপুৰুষীয়া ধর্মৰ ভক্তি সাধনত চাৰি বস্তুৰ গুৰুত্ব সম্পর্কে চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় ধর্ম সাধনাত ভক্তি আৰু ভক্তিতত্ত্বৰ ভূমিকা উল্লেখযোগ্য। কর্ম, জ্ঞান, যোগ আৰু ভক্তি— ঈশ্বৰ প্রাপ্তিৰ এই চাৰিটা সাধন মার্গৰ ভিতৰত ভক্তি মার্গ তুলনামূলকভাৱে সহজ আৰু সুগম।
- বৈষ্ণৱ উপাসক নাৰদ, শাণ্ডিল্যকে প্রমুখ্য কৰি বিভিন্ন ভক্তিসূত্রত ঈশ্বৰৰ প্রতি ভক্তৰ অন্তৰত উদয় হোৱা পৰম প্রেম, পৰম অনুৰক্তি, কোনো ফল লাভৰ আশা নকৰাকৈ ঈশ্বক অবিৰত ভজনা কৰাকে ভক্তি বুলি কোৱা হয়। ভক্তিৰ মূল লক্ষ্য হৈছে ভৌতিক জগতৰ পৰা মুক্তি অথবা জীৱিত অৱস্থাতে ভৌতিক মায়া মোহ আদি বান্ধোনৰ পৰা মুক্তি লাভ কৰি পৰমাত্মাৰ লগত বিলীন হোৱা।
- ভক্তিৰ বিভিন্ন গুণ, স্বৰূপ, প্রকাৰ, নৱবিধা ভক্তি, ভক্তিৰ শ্রেষ্ঠতা, একেশ্বৰবাদ, একশৰণৰ উপযোগীতা, গুৰু আৰু সৎসঙ্গৰ প্রয়োজনীয়তা আদি ভক্তিতত্ত্বৰ মূল কথা।
- ভক্তি প্রকৃততে ধর্মৰ দ্বাৰা সিক্ত এক গভীৰ অনুভৱ বা মানসিক অৱস্থা। এই অৱস্থাৰ বিভিন্ন স্তৰ আছে। ইয়াৰ চৰম স্তৰত উপনীত হ'ব পৰাজনেই প্রকৃত ভক্ত। এই স্তৰত উপনীত হোৱাজনৰ ভেদাভেদ, কামনা-বাসনা আদি একো নাথাকে। আনকি মুক্তিৰো বাঞ্ছা নাথাকে।
- ভক্তিৰ চৰম স্তৰত উপনীত হ'বলৈ সাধকসকলে নবিধ ভক্তিৰ মাজেৰে স্তৰে স্তৰে গতি কৰিব লাগিব। *শ্রীমদভাগৱত পুৰাণ* আৰু অন্যান্য ভক্তি শাস্ত্রত উল্লেখ কৰা এই ন বিধ বা নৱবিধা ভক্তি হ'ল শ্রৱণ, কীর্ত্তন, স্মৰণ, পাদসেৱন, অর্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন।

- আত্মনিবেদন ভক্তিৰ চৰম অৱস্থা। এই চৰম অৱস্থাৰ নামেই একশৰণ বা শৰণাগতি। ভগৱানৰ চৰণত শৰণ লোৱাই ভক্তি। আত্মনিবেদন স্তৰত ভক্তই নিজৰ বিদ্যা, মান-অভিমান, দেহ-মন-আত্মা সকলো ভগৱানৰ চৰণত সমর্পণ কৰে।
- স্তৰ অনুযায়ী ভক্তিক পৰাভক্তি বা সাধ্যভক্তি আৰু গৌণী ভক্তি বা সাধন ভক্তি। সাধ্য ভক্তিত ভক্তই কামনা-বাসনা ত্যাগ কৰে আনকি মুক্তি সুখকো বাঞ্ছা নকৰে। গৌণী ভক্তিত উপাসক, উপাস্য, পূজা দ্রব্য, পূজা বিধি আৰু মন্ত্র-জপ এই পাঁচোটাৰ দ্বাৰা ভগৱানক উপাসনা কৰা হয়।
- উদ্দেশ্য আৰু গুণ অনুসৰি ভক্তিক মূলতঃ দুই শ্রেণীত ভাগ কৰিব পাৰি— (১) সগুণ ভক্তি আৰু (২) নির্গুণ ভক্তি।
- সগুণ ভক্তি কামনাযুক্ত। এই ভক্তিত ভক্তই ব্রহ্মৰ সগুণ, সাকাৰ সবিশেষ ৰূপক পৰম সত্য ৰূপে স্বীকাৰ কৰি সগুণ ব্রহ্মৰ উপাসনাত ৰত হয়। সত্ব, ৰজঃ, তম গুণৰ আধাৰত সগুণ ভক্তিক সাত্ত্বিকী, ৰাজসী আৰু তামসী— এই তিনিটা স্তৰত ভাগ কৰা হয়।
- নির্গুণ ভক্তি নিষ্কাম ভক্তি। ইয়াত কামনা-বাসনাৰ স্থান নাই। আনকি এইবিধ ভক্তিত মুক্তিৰো কামনা কৰা নহয়। এইবিধ ভক্তিত ব্রহ্মৰ নির্গুণ, নিৰাকাৰ স্বৰূপক স্বীকাৰ কৰা হয়। নির্গুণ ব্রহ্মক কোনো গুণ, চিহ্ন বা লক্ষ্যৰ দ্বাৰা বুজাব নোৱাৰি।
- নির্গুণ ভক্তিক জ্ঞানময়ী ভক্তি বুলিও কোৱা হয়। কামনা-বাসনাৰ পৰা মুক্ত হৈ বিষ্ণুৰ জ্ঞান লাভ কৰিবৰ বাবে সাধকে নির্গুণ ভক্তিৰ সাধনাত ব্রতী হয় বাবেই ভক্তিমার্গীয় গ্রন্থত এইবিধ ভক্তিৰ নাম জ্ঞানময়ী ভক্তি। এই ভক্তিৰ দ্বাৰা বিষ্ণু জ্ঞান লাভ কৰিব পৰা যায়।
- মহাপুৰুষীয়া ধর্ম একেশ্বৰবাদৰ আধাৰত প্রতিষ্ঠিত। ই কৃষ্ণভক্তি প্রধান। কৃষ্ণই পৰম ব্রহ্ম, পৰমেশ্বৰ আৰু একমাত্র উপাস্য দেৱতা হিচাপে এই ধর্মত স্বীকৃতি লাভ কৰিছে। শ্রীকৃষ্ণত একশৰণ ভক্তিকেই জীৱৰ মুক্তিৰ একমাত্র উপায় হিচাপে বিবেচিত হৈছে।
- মহাপুৰুষীয়া ধর্মৰ ভক্তি হৈছে ৰসময়ী ভক্তি। এইবিধ ভক্তিত মুক্তি সুখৰ কামনা নকৰি মায়া-মমতা, দুখ-কষ্টৰ পৰা পৰিত্রাণ বিচাৰি ভগৱানৰ চৰণত আশ্রয় পাবৰ বাবেহে প্রার্থনা কৰা হয়। সেয়েহে এই ধর্মত ভক্তিক শ্রেষ্ঠ স্থান দিয়া হৈছে।
- মহাপুৰুষীয়া ধর্মত নৱবিধা ভক্তিৰ ভিতৰত শ্রৱণ-কীর্ত্তনক শ্রেষ্ঠ স্থান দিয়া হৈছে। তদুপৰি দাস্য আৰু বাৎসল্য ভক্তিৰ ওপৰতো বিশেষভাৱে গুৰুত্ব প্রদান কৰা হৈছে।
- মহাপুৰুষজনাৰ দ্বাৰা প্রচাৰিত ধর্ম মূলতঃ *শ্রীমদ্ভাগৱত* কেন্দ্রিক শ্রীধৰ স্বামীৰ টীকা সম্বলিত ভাগৱতৰ তত্ত্বৰ ভেটিত অসমীয়া সমাজৰ উপযোগীকৈ শংকৰদেৱে বৈষ্ণৱ ধর্মমত জনসাধাৰণৰ মাজত প্রচাৰ কৰিছিল। *ভাগৱত পুৰাণ* যিহেতু বেদান্ত দর্শনৰ দ্বাৰা পৰিপুষ্ট। গতিকে শংকৰদেৱৰ ধর্মমতৰ মাজেৰেও বেদান্তৰ দার্শনিক সূত্রসমূহ প্রকাশিত হৈছে। অৱশ্যে শংকৰদেৱকে আদি কৰি বৈষ্ণৱ সন্তসকলৰ বেদান্ত দর্শন ব্যাখ্যা কৰাটো উদ্দেশ্য নাছিল।

- মহাপুৰুষীয়া ধৰ্মত অব্যভিচাৰী ভক্তিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। অন্য দেৱ-দেৱীৰ পূজা উপাসনাই ভক্তিক ব্যভিচাৰী কৰিব পাৰে। সেয়েহে এই ধৰ্মত নানা দেৱ-দেৱীৰ উপাসনাৰ পৰিৱৰ্তে নিষ্কাম, একনিষ্ঠ উত্তম ভক্তিৰে এক ঈশ্বৰ বিষ্ণু বা কৃষ্ণৰ উপাসনাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।
- মহাপুৰুষীয়া সাধন মাৰ্গত নাম, দেৱ, গুৰু আৰু ভকত— এই চাৰিবস্তুৰ গুৰুত্ব অপৰিসীম।
- মহাপুৰুষীয়া ধৰ্মৰ ভক্তি-আচৰণৰ ক্ষেত্ৰত সৎসঙ্গ বা হৰিভকত আৰু সৎগুৰুৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰা হৈছে—
- বিনয়, অহিংসা, দয়া, প্ৰেম, সহিষ্ণুতা আদি সৎগুণ কৰ্ষণত গুৰুত্ব প্ৰদান মহাপুৰুষীয়া ধৰ্মৰ ভক্তি উল্লেখনীয় বৈশিষ্ট্য।



১.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। গোস্বামী, উপেন্দ্ৰ নাথ, (২০১৬) ঃ *বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকাব্য,* গুৱাহাটী ঃ মণিমানিক প্ৰকাশ।

২। গোস্বামী, মালিনী, (অনু), (২০০৫) ঃ *শ্ৰীমদ্ভগৱদ্গীতা,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩। চৌধুৰী, মেদিনী, (২০০২) ঃ *সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱৰ মূল্যায়ন,* গুৱাহাটী ঃ সুভদ্ৰা প্ৰকাশন।

৪। নাথ, প্ৰফুল্ল কুমাৰ, (২০১৭) ঃ *ভক্তিমাৰ্গ আৰু ভাৰতীয় ভক্তি সাহিত্যত এভুমুকি,* গুৱাহাটী ঃ বিশাল প্ৰকাশন।

৫। বৰ্মন, শিৱনাথ, (২০০৮) ঃ *শ্ৰীমন্ত শঙ্কৰদেৱ কৃতি আৰু কৃতিত্ব,* নগাঁও ঃ জাগৰণ সাহিত্য প্ৰকাশন।

৬। বায়ন, ভৱজিৎ, (২০১৬) ঃ *সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱৰ কীৰ্ত্তন ঘোষা,* গুৱাহাটী ঃ পাহি প্ৰকাশন।

৭। বেজবৰুৱা, লক্ষ্মীনাথ, (১৯৯০) ঃ *তত্ত্বকথা,* গুৱাহাটী ঃ লায়ৰ্ছ বুক ষ্টল।

৮। মজুমদাৰ, বিমল, (২০১১) ঃ *ভক্তি সাহিত্য,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৯। শৰ্মা, কুসুম চন্দ্ৰ, (২০১৭) ঃ *বৈষ্ণৱ ভক্তিবাদ ঃ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা,* গুৱাহাটী ঃ বান্ধৱ।

১০। শৰ্মা, তীৰ্থনাথ, (২০১৭) ঃ *ভক্তিবাদ,* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

১১। শৰ্মা, নবীন চন্দ্ৰ (সম্পাদক), (২০০৭) ঃ *শ্ৰীমদ্ভাগৱত,* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১.১০ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ শাণ্ডিল্য আৰু নাৰদৰ *ভক্তিসূত্র,* নাৰদৰ *পাঞ্চৰাত্র, উপনিষদ, ব্রহ্মসূত্র ভাষ্য, ভগৱদ্‌গীতা, ভাগৱত,* বেদব্যাস, গর্গঋষি, আচার্য্য কপিল, শ্রীমন্ত শংকৰদেৱৰ আদিৰ ভক্তি সম্পর্কীয় ব্যাখ্যা....ঈশ্বৰৰ প্রতি ভক্তৰ অন্তৰত উদয় হোৱা প্রেম, অনুৰক্তি, ...ভক্তিৰ লক্ষ্য, ভক্তি শব্দৰ আদিৰ চমু আলোচনা।

২নং প্রশ্নৰ উত্তৰ ঃ নাৰদ, শাণ্ডিল্যৰ ভক্তিসূত্রৰ ভক্তিৰ ব্যাখ্যা,..... নৱবিধা ভক্তিৰ পৰিচয়,.....ভক্তিত ভাবৰ স্থান..... ভক্তিৰ ক্ষেত্রত জাতি, ধর্ম, বর্ণৰ প্রভেদহীনতা..... সৎগুৰু আৰু সৎসঙ্গৰ প্রয়োজনীয়াত,.....ভক্তিৰ মুক্তিৰ স্থান সম্পর্কে চমু আলোচনা।

৩নং প্রশ্নৰ উত্তৰ ঃ সগুণ ভক্তিৰ স্বৰূপ..... সাত্ত্বিকী, ৰাজসী, তামসী ভক্তিৰ উদাহৰণসহ চমু আলোচনা।

৪নং প্রশ্নৰ উত্তৰ ঃ তাত্ত্বিক দৃষ্টিত নির্গুণ ভক্তিৰ সম্পর্ক,.....এই ভক্তিত কামনা, বাসনা, মুক্তিৰ স্থান..... নির্গুণ ভক্তি সাধকৰ-পৰমাত্মাৰ স্বৰূপ উপলব্ধি.... নির্গুণ ভক্তিত সগুণ উপাসনাৰ আৱশ্যকতা..... শংকৰদেৱৰ একাদশ স্কন্ধ পদ *ভাগৱতত* এইবিধ ভক্তিৰ স্বৰূপ বর্ণনা চমুকৈ আলোচনা।

৫নং প্রশ্নৰ উত্তৰ ঃ মহাপুৰুষীয়া ধর্মৰ পৰিচয়..... এই ধর্মত নাম, দেৱ, গুৰু আৰু ভকত এই চাৰিবস্তুৰ ধাৰণা উদাহৰণ সহ চমু আলোচনা কৰিব লাগিব।



১.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভক্তিৰ অর্থ ব্যাখ্যা কৰি ভাৰতীয় ভক্তিতত্ত্বৰ উৎপত্তি আৰু বিকাশ সম্পর্কে এটি চমু আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ নৱবিধা ভক্তি বুলিলে কি বুজে? নৱবিধা ভক্তিৰ স্বৰূপ চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ গুণ আৰু উদ্দেশ্য অনুসৰি ভক্তিক কি কি ভাগত ভাগ কৰিব? প্রতিটো ভাগৰ চমু পৰিচয় লিখক।

প্রশ্ন ৪ ঃ সগুণ ভক্তিৰ স্বৰূপ সম্পর্কে এটি প্রবন্ধ প্রস্তুত কৰক।

প্রশ্ন ৫ ঃ নির্গুণ ভক্তিৰ স্বৰূপ সম্পর্কে এটি আলোচনা প্রস্তুত কৰক।

প্রশ্ন ৬ ঃ মহাপুৰুষীয়া ধর্মত ভক্তিৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহ কেনেদৰে প্রকাশিত হৈছে চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ভাৰতীয় ভক্তি-সাহিত্যৰ পটভূমি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ভাৰতীয় ভক্তি-সাহিত্য
২.৪ বৈদিক আৰু উপনিষদীয় সাহিত্যত ভক্তি
২.৫ আলৱাৰসকলৰ ভক্তি
২.৬ শৈৱ ভক্তি-বৈষ্ণৱ ভক্তি-শাক্ত ভক্তি
২.৭ মধ্যযুগৰ ভক্তি সাহিত্য
২.৮ ভক্তি সাহিত্যৰ দার্শনিক পটভূমি
২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১০ অধিক জানিবলৈ
২.১১ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১.১২ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় ভক্তি সাহিত্য সম্পর্কে জানিব পাৰিব
- বেদ আৰু উপনিষদৰ বুকুত সিঁচৰতি হৈ থকা ভক্তিৰ বিভিন্ন ধাৰণাৰ লগত পৰিচিত হ'ব
- বৈষ্ণৱ ভক্তিবাদৰ লগতে শাক্ত আৰু শৈৱ ভক্তিৰ বিষয়েও জানিব পাৰিব
- বিশিষ্ট ভক্তি-আন্দোলন, উত্তৰ ভাৰত তথা দক্ষিণ ভাৰতকে ধৰি অসম পর্যন্ত বৈষ্ণৱ ভক্তিৰ ইতিকথা জানিব পাৰিব
- ভক্তি ধর্ম প্রচাৰ আৰু প্রসাৰত আলোৱাৰসকলৰ ভূমিকাৰ বিষয়েও জানিব পাৰিব

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ অন্তর্গত 'ভক্তি সাহিত্য' শীর্ষক পাঠ্যবিষয়ৰ অন্তর্গত এইটো দ্বিতীয় অধ্যায়। ইয়াৰ শিৰোনাম 'ভাৰতীয় ভক্তি সাহিত্যৰ পটভূমি'। ভাৰতীয় সাহিত্যৰ ভঁৰাল বিচাৰ কৰি চালে দেখা যায় যে প্রাচীন কালৰে পৰা ধর্মক কেন্দ্র কৰি বহু সাহিত্যৰ সূচনা হৈছে। ইতিহাসে ঢুকি নোপোৱা সময়ৰে পৰা ধর্মই সাহিত্যৰ মাজেদি জনসমাজত নিজৰ স্থিতি বর্তাই আছে। বেদ-বেদান্ত, পুৰাণ, উপনিষদ, মহাকাব্য আদি সকলো সাহিত্যই

ধৰ্মৰ আধাৰ গ্ৰন্থ হিচাপে যুগে যুগে প্ৰচাৰ হৈ আহিছে। জনসমাজৰ পথ-প্ৰদৰ্শক তথা জ্ঞানৰ সঞ্চয়ন এই পুথি-পাজি অবিহনে ভাৰতীয় সভ্যতা-সংস্কৃতি সকলো বিকল।

ভাৰতীয় ভক্তি সাহিত্যৰ এক দীঘলীয়া ইতিহাস আছে। সমগ্ৰ ভাৰতবৰ্ষত এই সাহিত্যৰাজিৰ সুকীয়া মূল্য আছে। ভক্তি সাহিত্যই ভাৰতীয় সভ্যতা-সংস্কৃতিৰ স্বৰূপ বহন কৰি আহিছে। বৈদিক আৰু উপনিষদীয় সাহিত্যত যি ভক্তিৰ ধাৰা আছে তাৰ পৰাই বৈষ্ণৱবাদৰ সূচনা হৈছে। বিশেষভাৱে বৈষ্ণৱ আন্দোলনে মধ্যযুগত সক্ৰিয় ৰূপ ধাৰণ কৰিছিল। বৰ্তমানেও প্ৰচলিত হৈ থকা বৈষ্ণৱ ধাৰাৰ বীজ তাৰ পৰাই গজালি মেলা। ইয়াৰ গুৰিতে আছিল আলোৱাৰসকল। তেওঁলোকে আৰম্ভ কৰা বৈষ্ণৱ ভক্তিবাদে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো এক জোৱাৰ সৃষ্টি কৰিছিল। এই জোৱাৰৰ ফলতে মধ্যযুগত বহু সাহিত্যৰ সৃষ্টি হয়, যাৰ বাবে সাহিত্যৰ ইতিহাসত মধ্যযুগৰ নাম সোণালী আখৰেৰে লিখা আছে। বৈষ্ণৱ ভক্তি সাহিত্যবোৰ আধ্যাত্মিক তত্ত্বৰ লগতে দাৰ্শনিক ভিত্তি অতি সৱলভাৱে প্ৰকাশ পায়। এই অধ্যায়ত ভাৰতীয় ভক্তি সাহিত্যৰ প্ৰায়বোৰ দিশ সামৰি আলোচনা কৰা হ'ব।

২.৩ ভাৰতীয় ভক্তি-সাহিত্য

গোটেই ভাৰতবৰ্ষ জুৰি বিস্তাৰ লাভ কৰা ভক্তি-আন্দোলনৰ গুৰি ধৰোঁতা ভক্তসকলে ভক্তি-ধৰ্ম প্ৰচাৰৰ লগে লগে সাহিত্য সৃষ্টিতো মনোনিৱেশ কৰে, কিয়নো ভক্তসকল বা ভক্তি-ধৰ্মৰ প্ৰচাৰকসকলে ধৰ্ম প্ৰচাৰৰ মূল মাধ্যম হিচাপে সাহিত্যক ব্যৱহাৰ কৰিছিল। সাহিত্যৰ মাজেৰেই তেওঁলোকে ভক্তিৰ স্বৰূপ ব্যাখ্যা কৰাৰ লগতে ৰীতি-নীতি, দৰ্শন, তাত্ত্বিক দিশ তথা মানৱীয় প্ৰমূল্যৰ ধাৰণাৰ কথাবোৰো প্ৰকাশ কৰিছিল। মূলতঃ বৈষ্ণৱ ভক্তি মাৰ্গৰ সন্তসকলে সাহিত্যক ভক্তি ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ ফলত শাক্ত— শৈৱ সাহিত্যৰ তুলনাত বৈষ্ণৱ ভক্তি সাহিত্যই বহু বিশালতা লাভ কৰে। ভাৰতবৰ্ষৰ প্ৰতিখন ঠাইতেই ভক্তি আন্দোলনৰ ফলত যি গীত, নাট, কাব্য আদিৰ ৰচনা হ'ল সেইবোৰেই প্ৰতিটো জাতিৰ মেৰুদণ্ড হিচাপে আজিও স্থিৰ হৈ আছে।

সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে তামিল ভাষাতেই পোন প্ৰথমে ভক্তি সাহিত্য ৰচিত হোৱাৰ কথা জানিব পাৰি। খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ এই সময়ছোৱাতে তামিল প্ৰদেশত ভক্তিৰ এক জাগৰণৰ সূচনা হৈছিল। এই জাগৰণক মুঠ বাৰগৰাকী আলৱাৰে সমগ্ৰ তামিল প্ৰদেশত বিয়পাই দিছিল। জনা যায় যে আলৱাৰসকল তামিল আৰু সংস্কৃত দুয়োটা ভাষাতেই পাৰ্গত আছিল। সেয়ে সংস্কৃত ভাষাৰ ৰচিত বেদ, উপনিষদ, মহাকাব্য, পুৰাণ আদিৰ ভাৱাৰ্থ উপলব্ধি কৰিব পাৰিছিল। খ্ৰীষ্টিয় ষষ্ঠৰ পৰা নৱম শতিকাৰ এই সময়ছোৱাক তামিল প্ৰদেশখনত ভক্তিকাল হিচাপে বিবেচনা কৰা হয়।

ভাৰতীয় ভক্তি-সাহিত্যৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে দক্ষিণ ভাৰতৰ ভক্তি জাগৰণে পোন প্ৰথমে লিখিত সাহিত্যৰ দুৱাৰ মুকলি কৰে। *নালায়িৰ দিব্য প্ৰবন্ধম্* ভক্তি আন্দোলনৰ ফলত সৃষ্টি হোৱা প্ৰথমখন ধৰ্ম গ্ৰন্থ। ইয়াৰ ৰচক আলৱাৰসকল। আলৱাৰসকলে ৰচনা কৰা

গীতৰ একত্ৰ সংগ্ৰহ হ'ল *নালায়িৰদিব্য প্ৰবন্ধম্*। দৰাচলতে আলৱাৰসকলে ৰচনা কৰা গীতসমূহ বহু শতিকা জুৰি ভক্তসকলৰ মুখে মুখে প্ৰচলিত হৈ আছিল। মৌখিকভাৱে প্ৰচলিত গীতবোৰক নৱম শতিকাৰ শেষৰ ভাগত নাথমুনি নামৰ এগৰাকী সন্তই বহু পৰিশ্ৰমৰ অন্তত সংগ্ৰহ কৰি সুন্দৰভাৱে সজাই একত্ৰ কৰে। সেয়েহে মুঠ বাৰগৰাকী আলৱাৰে ৰচনা কৰা চাৰি হাজাৰ পদ *নালায়িৰ দিব্য প্ৰৱন্ধম্* বোলা গ্ৰন্থখনত সুৰক্ষিত ৰূপত আছে।

ভাৰতীয় ভক্তি-সাহিত্যৰ ইতিহাসত কেইগৰাকীমান ধৰ্মগুৰুৰ নাম বিশেষভাৱে উল্লেখনীয়। তেওঁলোকৰ ভিতৰত শংকৰাচাৰ্য্য, ৰামানুজাচাৰ্য, ৰামানন্দ, কবীৰ, তুলসী দাস আৰু বল্লভাচাৰ্য উল্লেখযোগ্য। দক্ষিণ ভাৰতৰ পৰা ভক্তি সাহিত্যৰ সুঁতি এই সকল ভক্ত কবিৰ প্ৰচেষ্টাত চৌদিশে প্ৰচাৰ হয়। কিয়নো এওঁলোক আটায়ে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলক প্ৰতিনিধিত্ব কৰিছিল। যিদৰে শংকৰাচাৰ্যই ব্ৰহ্মসূত্ৰ, উপনিষদ আৰু গীতাৰ নতুন ভাষ্য ৰচনা কৰে। ঠিক একেদৰে ৰামানুজাচাৰ্যয়ো *শ্ৰীভাষ্য* নামৰ এখন ভক্তি গ্ৰন্থ ৰচনা কৰে। য'ত ৰামানুজাচাৰ্যৰ ভক্তি বিষয়ক সিদ্ধান্তবোৰক সংস্কৃত ভাষাত লিপিবদ্ধ কৰিছে। আনহাতে ৰামানন্দই সংস্কৃত আৰু হিন্দী দুয়োটা ভাষাতে ধৰ্মীয় উপদেশমূলক ভক্তি গীত ৰচনা কৰিছিল। কবীৰ দাসেও ভালে সংখ্যক ভজন ৰচনা কৰা বুলি জনা যায়। ভক্তি সাহিত্যৰ জগতত অধিক মূল্যৱান *ৰামচৰিত মানস* আৰু *বিনয় পত্ৰিকা* গ্ৰন্থৰ ৰচয়িতা তুলসী দাসক জনতাৰ কবি হিচাপে জনা যায়। তেওঁ দুয়োখন গ্ৰন্থই সকলোৰে মাজত যথেষ্ট আদৰ আৰু জনপ্ৰিয়তা লাভ কৰিছিল। এইসকলৰ বাহিৰেও গুৰু নানকৰ নাম সকলোৰে বাবে পৰিচিত। তেওঁৰ *গুৰু-গ্ৰন্থ চাহেৱত* তেওঁৰ সকলো বাণী লিপিবদ্ধ ৰূপত আছে। ধৰ্মৰ তুলনাত এই গ্ৰন্থত সাম্য আৰু মৈত্ৰী ভাৱৰ বাৰ্তাহে অধিক গুৰুত্ব সহকাৰে পোৱা যায়।

বল্লভাচাৰ্যৰ *অনু ভাষ্য* আৰু ভাগৱতৰ *সুবোধিনী* ব্যাখ্যা ভক্তি সাহিত্যৰ উল্লেখযোগ্য সংস্কৰণ। তেওঁ ধৰ্ম প্ৰচাৰৰ বাবেই এই পুথিবোৰ ব্ৰজাৱলী ভাষাত ৰচনা কৰিছিল। এই ভাষাক ব্ৰজাৱলী নুবুলি ব্ৰজভাষাহে বোলা হৈছিল। বল্লভাচাৰ্যৰ বাহিৰেও সূৰদাসৰ *সূৰ সাগৰ* ভক্তি সাহিত্যৰ এক মূল্যৱান সম্পদ। এই *সূৰ সাগৰ*ৰ আধাৰ গ্ৰন্থ হ'ল *শ্ৰীমদ্ভাগৱত* । ধৰ্ম গ্ৰন্থৰ আধাৰত ৰচিত গীত পদৰ সংগ্ৰহ যদিও *সূৰ সাগৰ* আবেদন আছিল সৰ্বকালীন আৰু চিৰন্তন। সেয়েহে জনসাধাৰণৰ মাজত এই গ্ৰন্থই সহজে আদৰ লাভ কৰিব পাৰিছিল। ভক্তি আন্দোলন আৰু তাৰ ফলত সৃষ্টি হোৱা ভক্তি সাহিত্যত মীৰাবাঈ এটা পৰিচিত নাম। দৰাচলতে মীৰাবাঈ মধ্যযুগীয় সাহিত্যৰ এগৰাকী খ্যাতিসম্পন্ন কবি আছিল। তেওঁ ধৰ্মৰ প্ৰচাৰক নহ'লেও তেওঁ দ্বাৰা ৰচিত কৃষ্ণ প্ৰেমৰ গীতবোৰ আজিও অমূল্য সম্পদ হৈ জিলিকি আছে। তেওঁ মাৰৱাৰী আৰু ব্ৰজভাষা সংমিশ্ৰিত ৰূপ এটা লৈ এই গীতবোৰ ৰচনা কৰিছিল। এই গীতবোৰেই বৰ্তমান ভজন হিচাপে মন্দিৰত কৃষ্ণক আৰাধনা কৰোঁতে গোৱা হয়।

এইবোৰৰ বাহিৰেও পূব ভাৰতৰ চৈতন্যদেৱ আৰু তেওঁৰ শিষ্যসকলেও ভক্তি সাহিত্যলৈ বহুবোৰ উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। সেইবোৰৰ ভিতৰত *ৰামায়ণ, মহাভাৰত, ভাগৱত, গীতা* আদি জাতীয় গ্ৰন্থৰ সংখ্যাই সৰহ। সংস্কৃত আৰু আঞ্চলিক ভাষাত সেই সময়ত ৰচিত এই গ্ৰন্থবোৰে ভক্তি-সাহিত্যৰ ভেটি যে সৱল কৰিছিল তাত সন্দেহৰ অৱকাশ নাই।

ভক্তি-সাহিত্য বিচাৰ কৰিলে অসমৰো এক সুকীয়া ইতিহাস আছে। পঞ্চদশ শতিকাতে শ্রীমন্ত শংকৰদেৱ আৰু তেওঁৰ প্রিয় শিষ্য মাধৱদেৱৰ নেতৃত্বত যি নৱবৈষ্ণৱ আন্দোলন সূচনা হৈছিল তাৰ ফলশ্রুতিতে ভক্তি সাহিত্যৰ এক স্বর্ণজৰীয়ে আজিও অসমীয়া সাহিত্যক ঘেৰি আছে। অসমত বৈষ্ণৱ ধর্ম প্রচাৰ আৰু প্রসাৰৰ বাবে মহাপুৰুষজনাই গীত, নাট, কাব্য আদিক মূল আহিলা হিচাপে গ্রহণ কৰিছিল। কৃষ্ণ ভক্তি প্রচাৰৰ বাবে ৰচনা কৰা সাহিত্যৰাজিয়ে আজিও অসমীয়া সাহিত্যৰ বৰঘৰ চহকী কৰি আহিছে। শংকৰদেৱ-মাধৱদেৱৰ বাহিৰেও তেওঁলোকৰ শিষ্য-প্রশিষ্যসকলেও গুৰু দুজনাৰ আদর্শক শিৰোগত কৰি পৰৱর্তী সময়ত সাহিত্য ৰচনা কৰিছিল। সেয়েহে অসমীয়া সাহিত্যৰ বুজন অংশ ভক্তি সাহিত্যই দখল কৰি আছে।

২.৪ বৈদিক আৰু উপনিষদীয় সাহিত্যত ভক্তি

ভাৰতবর্ষৰ প্রাচীনতম গ্রন্থ হৈছে *বেদ*। এই *বেদেই* হৈছে ভক্তিবাদ বা ভক্তি ধর্মৰ মূল উৎস *বেদ* শব্দৰ অর্থ হৈছে জ্ঞান, অর্থাৎ য'ৰ পৰা জ্ঞান আহৰণ কৰা হয় বা কৰিব পাৰি, সিয়েই বেদ। এক কথাত ক'বলৈ হ'লে *বেদ* জ্ঞানৰ সঞ্চয়ন বা ভঁৰাল। *বেদ* চাৰিখন—

১। *ঋক্‌বেদ।*

২। *যজু বেদ।*

৩। *সাম বেদ।*

৪। *অথর্ব বেদ।*

প্রতিখন বেদৰে প্রধানকৈ দুটা ভাগ আছে— এটাক পূর্ব মীমাংসা আৰু আনটোক উত্তৰ মীমাংসা বোলা হয়। ইয়াৰে পূর্ব-মীমাংসাত কর্মকাণ্ড কথা আৰু উত্তৰ মীমাংসাত জ্ঞান কাণ্ডৰ কথা আছে। সেয়ে *বেদৰ* ভাগ দুটাক কর্মকাণ্ড আৰু জ্ঞান কাণ্ড বুলিবও পাৰি। *বেদৰ* কর্মকাণ্ডৰ আকৌ দুটাকৈ ভাগ আছে—

ক) সংহিতা।

খ) ব্রাহ্মণ।

সংহিতাবোৰত স্তুতি, স্তুৰ আৰু প্রার্থনা আদিৰ বর্ণনা আছে। একেদৰে ব্রাহ্মণ খণ্ডত মন্ত্রৰ বিশদ আলোচনা থকাৰ লগতে যাগ-যজ্ঞ আদিৰ সবিশেষ বিধি-বিধানৰ বিৱৰণ পোৱা যায়। সাধাৰণভাৱে চালে দেখা যায় যে কর্মকাণ্ডেই মানুহক সাধাৰণভাৱে সুখেৰে জীৱন নির্বাহৰ উপায়ৰ জ্ঞান দিয়ে আৰু জ্ঞান কাণ্ডৰ ধার্মিক তাত্ত্বিক দিশৰ বিৱৰণ আছে যি মানুহক মোক্ষ বা নির্বাণ প্রাপ্তিৰ বাবে একান্ত প্রয়োজন। মুঠতে বেদত জীৱন নির্বাহৰ আচৰণৰ পৰা মুক্তি লাভ কৰালৈকে সকলোবোৰ দিশ সামৰি লোৱা হৈছে।

বেদসমূহৰ উত্তম মীমাংসা বা জ্ঞান কাণ্ডও আকৌ দুটা ভাগত বিভক্ত— এটাক আৰণ্যক আৰু আনটোক উপনিষদ বোলা হয়। দৰাচলতে বৈদিক যুগত ঋষি-মুনিসকলৰ মাজত তপ-যপ, যাগ-যজ্ঞৰ প্রতি প্রৱল ধাউতি আছিল; কিন্তু যাগ-যজ্ঞ আদি কর্মকাণ্ডৰ পৰা

তেওঁলোকৰ মন জ্ঞানযোগে বা জ্ঞানান্বেষণৰ প্ৰতি সলনি হ'ল, তেতিয়াই আৱণ্যক উৎপত্তি হয় বুলি জনা যায়। কিয়নো আৱণ্যক মুঠতে জ্ঞান, যোগ আৰু আধ্যাত্ম— এই তিনিটা দিশৰ ব্যাখ্যাৰে গঠিত হৈছে। ইয়াৰে তৃতীয় আধ্যাত্মিক দিশটোৰ ওপৰতে উপনিষদ প্ৰতিষ্ঠিত বুলিব পাৰি। উপনিষদত আত্মা-পৰমাত্মাৰ স্বৰূপ ব্যাখ্যা কৰাৰ লগতে বেদান্ত দৰ্শনৰ আন আন দিশবোৰো প্ৰতিফলিত হৈছে। উপনিষদৰ পাছৰ সময়ৰ ৰচনা পুৰাণবোৰতো ভক্তি ধৰ্মৰ বহুবোৰ দিশ সামৰা আছে।

উপনিষদবোৰো বেদৰে অংশ বিশেষ। বেদ আৰু উপনিষদবোৰ ভাৰতীয় ধৰ্মীয় আৰু সংস্কৃতিৰ দিশৰ স্থাপত্যত এক ঐতিহাসিক মূল্য বহন কৰি আহিছে। বেদ আৰু উপনিষদৰ বাণীতেই আজিৰ হিন্দু ধৰ্মৰ ৰৱভেটি নিৰ্মিত হৈছে। বৌদ্ধ, জৈন আদি সকলোবোৰ ধৰ্মৰ বিকাশত বেদ-উপনিষদৰ ধাৰ্মিক তত্ত্বক অতি গুৰুত্ব সহকাৰে ব্যাখ্যা কৰা হৈছে। হিন্দু ধৰ্মৰ মূল শাক্ত-শৈৰ-বৈষ্ণৱ ধৰ্মৰ আদি পাঠো ইয়াতেই নিহিত হৈ আছে। বৈষ্ণৱ ধৰ্মৰ মূল আৰাধ্য দেৱতা বিষ্ণুৰ অস্তিত্ব বেদৰ বুকুৰ পৰাই পুৰাণলৈ বৈ আছে। সেই বোঁৱতি সুঁতিতেই দ্বাদশ শতিকাৰ পৰৱৰ্তী কালৰ ধৰ্ম প্ৰচাৰকসকলে বেদান্ত দৰ্শনৰ গাত ভেজা দি বৈষ্ণৱ আন্দোলন সূচনা কৰে; যি আন্দোলনৰ ফলত ভক্তি সাহিত্যৰ সোণালী অধ্যায় আজিও জিলিকি আছে।

উদাহৰণ স্বৰূপে অসমৰ মধ্যযুগীয় ভক্তি সাহিত্যৰ কথাকে ক'ব পাৰি। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা বিৰচিত *কীৰ্ত্তন* আৰু *নামঘোষাৰ* জীৱজগত আৰু ব্ৰহ্মৰ স্বৰূপ আৰু মায়াৰ শক্তিৰ বিবিধ দিশৰ আলোচনা কৰা হৈছে। ইয়াত ব্ৰহ্ম আৰু জীৱৰ সম্পৰ্ক দাঙি ধৰা হৈছে। বেদান্ত দৰ্শনতো সৃষ্টিৰ মূলতে পৰম সত্তা ব্ৰহ্মৰ অস্তিত্ব স্বীকাৰ কৰা হৈছে। এই ব্ৰহ্ম সৎ, চিত, আনন্দময়, নিৰ্গুণ আৰু নিৰাকাৰ। জীৱ হৈছে ব্ৰহ্মৰ এক অংশ মাথোন। জীৱই নিজকে ব্ৰহ্মৰ অংশ বুলি চিনি নোপোৱাৰ বাবেই মায়াত মোহাচ্ছন্ন হৈ সংসাৰত জীয়াতু ভুগিবলগীয়া হয়। সেয়েহে শংকৰদেৱৰ *কীৰ্ত্তন*, বৰগীত আদিতো সংসাৰক 'গহীন বনৰ' লগত তুলনা কৰা দেখা যায়; য'ত কাম-ক্ৰোধ-লোভ-মোহত জীৱই সংসাৰ ক'ত নিজকে হেৰাই অনাই-বনাই ঘূৰে। এই মায়াৰ পৰা উদ্ধাৰৰ একমাত্ৰ উপায় হ'ল ঈশ্বৰৰ প্ৰতি ভক্তি। অন্যথা অবিদ্যাই জীৱৰ চকুত নিজৰ আৱৰণ সানি দিয়ে। ফলত মায়াকে প্ৰকৃত সত্য বুলি জীৱই ভোল যায়।

বেদ-উপনিষদৰ আধাৰত গঢ় লৈ উঠা সকলো সাহিত্যৰ মূল বিষয় হ'ল ভক্তি। সকলো ভক্তিৰ ভিতৰত এক ঈশ্বৰৰ ভক্তিৰ প্ৰভাৱ সৰহ। এই শ্ৰেণীৰ সকলো সাহিত্যতে বিষ্ণু বা বিষ্ণুৰ অৱতাৰ কৃষ্ণ, ৰাম আদিক আৰাধ্য হিচাপে লৈ ভক্তিমাৰ্গ দেখুওৱা হৈছে। আত্ম-পৰমাত্মা, ব্ৰহ্ম সত্য-জগত মিথ্যা আদি চিৰন্তন সত্যৰ ব্যাখ্যা আগবঢ়োৱা হয়। ফলস্বৰূপে জীৱই ঈশ্বৰত বিলীন হৈ ভক্তি কৰিবলৈ এটা সুন্দৰ পথ লাভ কৰে। এই সাহিত্যই সাধাৰণ জনসমাজত এক বান্ধোন হিচাপে পৰিগণিত হৈছে, যি এখন সমাজক শৃংখলাবদ্ধতা প্ৰদানত অনেক অৰিহণা যোগাইছিল বুলি নিঃসন্দেহে ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতীয় ভক্তি সাহিত্যৰ জাগৰণত প্রথমে ক'ত, কেতিয়া, কাৰ নেতৃত্ব আৰম্ভ হৈছিল, আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ ভাৰতীয় ভক্তি-সাহিত্যত অসমৰ সমসাময়িক স্থিতি বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

২.৫ আলৱাৰসকলৰ ভক্তি

ভক্তি সাহিত্যৰ ইতিহাসত আলৱাৰসকলৰ এক সুকীয়া স্থান আছে। আধুনিক ভাৰতীয় সাহিত্যসমূহৰ ভিতৰত তামিল ভাষাতেই পোন প্রথমে ভক্তি সাহিত্যৰ ৰচনা হোৱাৰ প্রমাণ পোৱা যায়। কেইগৰাকীমান আলৱাৰৰ প্রচেষ্টাত তামিল প্রদেশত খ্রীষ্টিয় ষষ্ঠ শতিকা মানত ভক্তিৰ এক জাগৰণ হৈছিল। খ্রীষ্টিয় ষষ্ঠ শতিকাত আৰম্ভ হোৱা এই জাগৰণ প্রায় খ্রীষ্টিয় নৱম শতিকামানলৈ তীব্র ৰূপত চলিছিল। এই সময়ছোৱাক তামিল প্রদেশত 'ভক্তিকাল' হিচাপে জনা যায়। এই ভক্তিকালৰ মূল গুৰিয়াল আছিল বাৰগৰাকী আলৱাৰ। তেওঁলোক বাৰগৰাকীয়ে আবির্ভাৱৰ সময় একে নহ'লেও বিভিন্ন সাক্ষ্য অনুসৰি খ্রীষ্টিয় চতুর্থ শতিকাৰ পৰা নৱম শতিকা ভিতৰতে বুলি জনা যায়। তেওঁলোাক যে সংস্কৃত ভাষাত পণ্ডিত আছিল তাত কোনো সন্দেহ নাছিল; কিয়নো তেওঁলোকে সংস্কৃত ভাষাত ৰচিত বেদ, উপনিষদ, গীতা আদি অধ্যয়ন পুংখানুপুংখভাৱে কৰিছিল। তেওঁলোকে ৰচনা কৰা গীত, পদ আদিত বেদ, উপনিষদৰ ভাবধাৰা স্পষ্ট ৰূপত প্রকাশ পাইছে। সংস্কৃত ভাষাত ৰচিত ধর্ম গ্রন্থৰ সাৰমর্ম নিজ আঞ্চলিক ভাষালৈ লৈ যোৱাৰ বাবে সেই ভাষাটোত বুৎপত্তি থকাও নিতান্তই আৱশ্যক। আলৱাৰসকল যিদৰে সংস্কৃত ভাষাত বিদ্বান আছিল, ঠিক একেদৰে তামিল ভাষা-সাহিত্যৰ পৰম্পৰাৰ লগতো পৰিচিত আছিল। ফলস্বৰূপে তেওঁলোকে ৰচনা কৰা প্রথম ভক্তি সাহিত্যৰ সোৱাদ সাধাৰণ তামিল লোকেও বিনা দ্বিধাই লাভ কৰিব পাৰিছিল।

দক্ষিণ ভাৰতেই আছিল ভক্তি সাহিত্যৰ প্রথম প্রকাশৰ স্থল। তামিল প্রদেশত আবির্ভাৱ হোৱা আলৱাৰসকলে ভক্তি ধর্মৰ প্রচাৰৰ বাবে সাহিত্যক মাধ্যম হিচাপে গ্রহণ কৰি এক শ্রেণীৰ ভক্তিগীত ৰচনা কৰিছিল। প্রথম অৱস্থাত এই গীত পদবোৰ কেইবা শতিকাজুৰি মৌখিকভাৱে চলি আছিল কিন্তু নৱম শতিকাৰ শেষৰফালে নাথমুনিয়ে সেই গীতসমূহক একত্র কৰি '*নালায়িৰদিব্য প্রৱন্ধম্*' নামে গ্রন্থৰ ৰূপ দিয়ে। গীতবোৰ বিশৃংখল ৰূপত সিঁচৰতি হৈ আছিল। নাথ-মুনিয়ে সিবোৰক ৰচোঁতাৰ নাম, বিষয়বস্তু আৰু ছন্দসজ্জাৰ ভিত্তিত শৃংখলাবদ্ধ কৰি পৃথক পৃথক নামকৰণেৰে '*নালায়িৰদিবও প্রবন্ধম্*'ত স্থান দিছে। সেয়ে তামিল ভাষাত ৰচিত '*নালায়িৰদিব্য প্রৱন্ধম্*' গ্রন্থখনকেই ভক্তি আন্দোলনৰ আদি গ্রন্থ আৰু আলৱাৰসকল এই আন্দোলনৰ ভিত্তিত প্রথম সাহিত্য ৰচোঁতা বুলি জনা যায়। '*নালায়িৰদিব্য প্রৱন্ধম্*' গ্রন্থত মুঠ চাৰি হাজাৰ পদ আছে। এই চাৰি হাজাৰ পদৰে ৰচত মুঠ বাৰগৰাকী আলৱাৰ বুলিয়েই জনা যায়।

আলৱাৰসকলৰ ভিতৰত প্ৰথম কবি হিচাপে 'পোয়গৈ আলৱাৰ'ৰ নাম লোৱা হয়। তেওঁ প্ৰায় এশটা পদ ৰচনা কৰিছিল আৰু সেই পদবোৰ ভক্তি উপদেশমূলক বুলি জানিব পাৰি। সেই এশ পদক 'মুদলতিৰুৱন্তাদি' নামে জনা যায়। দ্বিতীয় গৰাকী আলৱাৰ 'ভূতত্তালৱাৰ'; তেওঁ এশ পদ ৰচনা কৰিছিল আৰু তেওঁৰ দ্বাৰা ৰচিত পদবোৰত ভগৱন্ত পৰম গুণৱান, ভক্তিৰ অপাৰ মহিমা, ভগৱানত শৰণ, শৰণৰ ফল গতিৰ উপৰিও তেওঁ অনেক বৈষ্ণৱ মন্দিৰত স্তুতিও ৰচনা কৰিছিল। এই আটাইবোৰ 'তিৰুৱন্তাদি' নামে খ্যাত। তৃতীয়গৰাকী আলৱাৰ হ'ল— পেয়ালৱাৰ। তেওঁ ৰচনা কৰা এশ পদ 'মূণ্ট্রাম তিৰুৱন্তাদি' নামেৰে প্ৰৱন্ধম্‌ত সংগৃহীত হৈছে। এশকৈ পদ ৰচনা কৰা এই তিনিওগৰাকী আলৱাৰক একেলগে 'মুনিত্রয়' বুলিও কোৱা হয়। প্ৰথম, দ্বিতীয়, তৃতীয় হিচাপে বিবেচিত তিনিওগৰাকী আলৱাৰৰ পদবোৰ বিচাৰ কৰিলে দেখা যায় যে তেওঁলোকে এজন ঈশ্বৰৰ কথাকে বৰ্ণনা কৰিছে। ভগৱানৰ মহিমা যে অপাৰ, সকলো মানুহেই ভগৱানত শৰণ ল'লে এটা সুস্থিৰ জীৱন অতিবাহিত কৰিব পাৰে তাকেই আলৱাৰসকলে নিজৰ ধৰ্ম প্ৰচাৰৰ গীত-পদত উল্লেখ কৰিছে। সৰ্বসাধাৰণ মানুহবোৰৰ সংস্কৃত ভাষাৰ সম্যক জ্ঞান নথকাৰ বাবে আলৱাৰসকলৰ দ্বাৰা তামিল ভাষাত ৰচিত পদবোৰে সকলোকে ভক্তি ধৰ্ম আৰু ভগৱান সম্পৰ্কীয় কথাবোৰ বুজোৱাত সহায়ক হৈছিল। সেয়েহে হয়তো এই গীত পদবোৰ জনসমাজত দ্ৰুতগতিত সমাদৃত হৈ পৰিছিল।

মুনিত্রয়ৰ বাহিৰেও আন এগৰাকী আলোৱাৰ তিৰুমলিসঈৰ *নানমুখন তিৰুৱন্তাদি* আৰু *তিৰুচন্দবিৰুত্তম*নামৰ ৰচনাও '*নালায়িৰদিব্য প্ৰৱন্ধম্‌*'ৰ অংশ বিশেষ। এনেদৰে বাৰগৰাকী আলৱাৰে ৰচনা কৰা পদবোৰ সংগৃহীত ৰূপত আছে। শেষৰ জন আলৱাৰ হিচাপে পৰিগণিত হোৱা তিৰুমঙ্গৈৰ দ্বাৰা ৰচিত সৰ্বাধিক পদ ভক্তি ধৰ্মৰ প্ৰথম গ্ৰন্থ 'নালায়িৰদিব্য প্ৰৱন্ধম্‌ত স্থান পাইছে।

এনেদৰে চালে দেখা যায় যে ভাৰতীয় ভক্তি সাহিত্যৰ ইতিহাসত আলৱাৰসকলৰ সাহিত্যই দক্ষিণ ভাৰতীয় প্ৰেক্ষাপটত এটা যুগান্তকাৰী ঘটনা হিচাপে চিহ্নিত হৈছিল আৰু তাৰ প্ৰভাৱ ভাৰতৰ বাকীবোৰ প্ৰদেশলৈয়ো সম্প্ৰসাৰিত হৈছিল। আলৱাৰসকলৰ ভক্তি-সাহিত্যৰ এই পদক্ষেপে পৰৱৰ্তী সময়ত বৈষ্ণৱ ভক্তি সাহিত্যৰ জগতত পৰিৱৰ্তন আনিছিল; ফলস্বৰূপে শাক্ত আৰু শৈৱ সাহিত্যৰ তুলনাত বৈষ্ণৱ ভক্তি সাহিত্যই বুজন অংশ অধিকাৰ কৰিবলৈ সক্ষম হয়। কেৱল সেয়াই নহয়, আলৱাৰসকলৰ এই ভক্তিয়ে জনসমাজত ভক্তিৰ স্বৰূপো সলনি কৰিবলৈ সক্ষম হৈছিল। সাম্য আৰু শান্ত ভাৱধাৰাৰে ভক্তিৰ বাণীয়ে সমাজক সুন্দৰকৈ পৰিচালনা কৰি জাতিৰ হিত সাধন কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাৰতীয় ভক্তি সাহিত্যত আলৱাৰসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৪ ঃ '*নালায়িৰদিব্য প্ৰৱন্ধম্‌*' গ্ৰন্থৰ চমু পৰিচয় আগবঢ়াওক । (৫০টা শব্দৰ ভিতৰত)

.....

২.৬ শৈৱ ভক্তি-বৈষ্ণৱ ভক্তি-শাক্ত ভক্তি

অতি প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষত শৈৱ-শাক্ত আৰু বৈষ্ণৱ— এই তিনিওটা ধৰ্ম সমান্তৰালভাৱে চলি আহিছে। এই তিনিওটা ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, স্থাপত্য-ভাস্কৰ্য তথা বিভিন্ন পৌৰাণিক গ্ৰন্থ আদিৰ পৰা পাব পাৰি। হিন্দু ধৰ্মৰ প্ৰাচীন দেৱতাসকলৰ ভিতৰত শিৱ অন্যতম প্ৰধান দেৱতা বুলি জনা যায়। শিৱৰ যিদৰে বিভিন্ন নাম আছে; তেনেদৰে তেওঁৰ বিভিন্ন ৰূপৰ কল্পনাৰ কথা জানিব পাৰি। বিষ্ণুও তাৰ ব্যতিক্ৰম নহয়। দেৱতাসকলৰ ভিতৰত শ্ৰেষ্ঠ হিচাপে বিবেচিত বিষ্ণুৰ বহু অৱতাৰৰ কথা ধৰ্ম গ্ৰন্থসমূহে জানিবলৈ দিয়ে। শিৱক যিদৰে সহজে সন্তুষ্ট হোৱা দেৱতা বুলি হিন্দু সমাজে গণ্য কৰে; একেদৰে অতি খঙাল দেৱতা হিচাপেও তেওঁ আজিৰ সমাজতো চৰ্চিত। এই ক্ষেত্ৰত বিষ্ণুৰ মহিমা সুকীয়া। ধীৰ-স্থিৰ গহীন প্ৰকৃতিৰ বিষ্ণুৰ উপাসনা এহাতে সহজ আৰু আনহাতে কঠিনো।

পৌৰাণিক আখ্যান অনুযায়ী পৃথিৰীৰ সৃষ্টি-পালন-সংহাৰ আদিৰ মূলতে হ'ল ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ। ব্ৰহ্মাই সৃষ্টি কৰে, বিষ্ণুৱে পালন কৰে আৰু শিৱই সংহাৰ কৰে। তিনিওগৰাকী হিন্দু ধৰ্মৰ প্ৰধান দেৱতা হ'লেও শিৱৰ জনপ্ৰিয়তা আটাইতকৈ বেছি। বৰ্তমানো ভাৰতবৰ্ষৰ প্ৰতিটো অঞ্চলৰ শিৱ মন্দিৰ গণনাই সেই কথাকে সোঁৱৰাই দিয়ে। ঠিক এনেদৰে প্ৰাচীন ঐতিহ্যই অসমৰ সক্ৰিয় শাক্ত ধাৰাৰ বিষয়েও সততে জানিবলৈ দিয়ে। বিশেষভাৱে অসমত শাক্ত ধৰ্মৰ পৰম্পৰা অতি প্ৰাচীন। অসমৰ চৌপাশে থকা শক্তি পীঠসমূহে দেৱ-পূজা-অৰ্চনা মাহাত্ম্যৰ কথাকে কয়।

সমগ্ৰ ভাৰতবৰ্ষতে শৈৱ-শাক্ত দুয়োটা ধৰ্মীয় পন্থাই শক্তিশালী ৰূপত থকাৰ পাছতো বেদৰ বুকুৰ পৰা নিগৰি অহা ভক্তিয়েই মধ্য যুগত বৈষ্ণৱ ভক্তি আন্দোলন ৰূপে সমগ্ৰ ভাৰতবৰ্ষতে তোলপাৰ লগাই ভক্তিৰ এক সুকীয়া পৰিৱেশৰ গঢ় দিলে। যিদৰে শিৱ উপাসনা কৰাসকলক শৈৱ ভক্তি, দেৱী আৰাধনা কৰাকে শাক্ত ভক্তি আৰু বিষ্ণু অথবা বিষ্ণুৰ বিভিন্ন অৱতাৰ বা এজন মাত্ৰ ভগৱানক শ্ৰৱণ-কীৰ্ত্তন কৰাৰে বৈষ্ণৱ ভক্তি আন্দোলনৰ লক্ষ্য। এই তিনিও ধৰ্ম আৰু সেই ধৰ্ম প্ৰচাৰৰ বাবেই হওক অথবা নিজ উপাস্য দেৱতাৰ গুণানুকীৰ্ত্তন বা ঐশ্বৰিকত্ব প্ৰদৰ্শনেই হওক, মুঠতে বিভিন্ন পুথি-পাজিৰ ৰচনা হ'বলৈ ধৰে। এই আটাইবোৰ ৰচনাৰ মূল উৎস সংস্কৃত গ্ৰন্থ হ'লেও সময়ৰ গতিত ন ন ৰূপত স্থানীয় ভাষালৈও তাৰ সম্প্ৰসাৰণ ঘটে। এই ক্ষেত্ৰত বৈষ্ণৱ ভক্তি সাহিত্যৰ ইতিহাস সুকীয়া। কিয়নো বৈষ্ণৱ ভক্তি আন্দোলন আৰু ধৰ্ম প্ৰচাৰকসকলে এই ধৰ্ম প্ৰচাৰৰ বাবে সাহিত্যকেই একমাত্ৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ বাবে শৈৱ আৰু শাক্তৰ তুলনাত সাহিত্যিক দিশত বৈষ্ণৱ ভক্তি সাহিত্য অধিক চহকী। আনহাতে শাক্ত আৰু শৈৱ ভক্তি মাৰ্গতকৈ বৈষ্ণৱ ভক্তি মাৰ্গ সম্পূৰ্ণৰূপে পৃথক। শাক্ত ধৰ্মৰ বলি-বিধান, যাগ-যজ্ঞ, পূজা-অৰ্চনা আদিৰ বিপৰীতে বৈষ্ণৱসকলে ঈশ্বৰৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰিহে মোক্ষ লাভৰ কামনা কৰে।

শিৱ বৰ্ণনা *বেদৰ* সময়ৰ পৰাই পোৱা যায়; কিন্তু বেদ অনুসৰি শিৱ চৰিত্ৰৰ সলনিও মন কৰিবলগীয়া। *ঋকবেদত* ৰুদ্ৰ দেৱতা ধ্বংসৰ প্ৰতীক। *যজুৰ্বেদত* আকৌ তেওঁ জগতপতি হিচাপে বন্দিত হৈছে আৰু কৃষি, পশু, অৰণ্য, পৰ্বত আদিৰ লগত ৰুদ্ৰ দেৱতাৰ সম্পৰ্ক থকাৰ বৰ্ণনাও

আছে। ইয়াত শিৱ আৰু ৰুদ্ৰ অভিন্ন হিচাপেও ব্যাখ্যা দাঙি ধৰা হৈছে। *অথর্ব বেদত* আকৌ ৰুদ্ৰ আৰু শিৱৰ পৰিধি ব্যাপক। কিয়নো ইয়াত নানান দেৱতাক শিৱ-ৰুদ্ৰৰ লগত একীভূত কৰা হৈছে। ব্ৰাহ্মণ গ্ৰন্থসমূহ শিৱ দেৱতাৰ ক্ৰোধৰ পৰা উৎপত্তি হোৱা হেতুকে তেওঁক ৰুদ্ৰ হিচাপেও বন্দিত হোৱা বুলি উল্লেখ কৰিছে। *বেদত* ৰুদ্ৰ-শিৱৰ বহুবোৰ উল্লিখন আছে; একেদৰে *মহাভাৰততো* শিৱৰ এক সুকীয়া স্থান ৰক্ষিত হৈছিল। এহাতে যদি শিৱৰ সৌম-শান্ত প্ৰকৃতিৰ আনহাতে উগ্ৰ-ভয়ংকৰ ৰূপো প্ৰকাশিত হৈছে। শিৱক আৰাধনা কৰি বহু বীৰৰ জন্ম হৈছে আৰু কোনো বীৰৰ নিধনৰ কাহিনীও বৰ্ণিত হৈছে। শিৱৰ প্ৰতীক হিচাপে লিঙ্গ পূজা কৰাৰ পৰম্পৰা কিমান পুৰণি জনা নগ'লেও শিৱ উপাসনাৰ ঐতিহাসিক প্ৰমাণ খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাতে পোৱা যায়। আনহাতে খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাতে জনজাতীয় ৰজাসকলৰ মুদ্ৰাত শিৱৰ মূৰ্ত্তি আৰু লিঙ্গৰ ব্যৱহাৰৰ প্ৰমাণ পোৱা গৈছে। অসমৰ প্ৰেক্ষাপট বিচাৰ কৰিলে শৈৱ ধৰ্মৰ বিশালতাৰ পৰিচয় পোৱা যায়। নিধনপুৰ তাম্ৰ শাসনাৱলীৰ মতে সপ্তম শতিকাৰ কামৰূপৰ প্ৰৱল প্ৰতাপী ৰজা ভাস্কৰ বৰ্মা শৈৱ ভক্তিৰ পোষক আছিল। *মহাভাৰতৰ* সময়তো প্ৰাগ্‌জ্যোতিষপুৰৰ ৰজা ভগদত্ত শিৱৰ পৰম ভক্ত আছিল। দশম-একাদশ-শতিকাত ৰচিত '*কালিকা পুৰাণ*'ৰ মতে নৰকাসুৰৰ আগমন নোহোৱালৈকে কামৰূপ ৰাজ্যখন শিৱই নিজৰ কাৰণে গোপনে ৰাখিছিল। '*কালিকা-পুৰাণ*'ত শিৱ পূজা আৰু শিৱৰ মাহাত্ম্যৰ বৰ্ণনা আছে; সেই সময়ছোৱাত অসমত শৈৱ ধৰ্মই যথেষ্ট প্ৰতিপত্তি লাভ কৰিছিল।

পুৰণি অসমৰ নানা পুথি-পাজিত শিৱ পূজা সম্পৰ্কে বহু তথ্য পোৱা যায়। বৰ্তমান সময়ত শৈৱ সাধকসকলে বলি-বিধান কৰা দেখা নাযায় যদিও কোনো কোনো শিৱ মন্দিৰত শিৱ চতুৰ্দশীত বলি দিয়াৰ প্ৰথা আছিল বুলি বুৰঞ্জীয়ে জানিবলৈ দিয়ে। ইয়াৰোপৰি কোনো কোনো মন্দিৰত নটীৰ নাচৰ প্ৰথাও আছিল। সেইবোৰ বৰ্তমান ইতিহাস হৈ ৰৈছে। আহোম ৰজা শিৱ সিংহৰ মহিষী ফুলেশ্বৰী নেঘেৰিটিং শিৱ দৌলৰ নটী আছিল বুলি জানিব পাৰি। অসমৰ জনজাতীয় সমাজত বিবিধ প্ৰথাৰে শিৱক পূজা-অৰ্চনা কৰা সাম্প্ৰতিক সময়তো দেখিবলৈ পোৱা যায়। শিলালিপিৰ বুকুৰ পৰা আৰম্ভ কৰি আহোম যুগৰ বুৰঞ্জী সাহিত্যলৈকে শৈৱ ভক্তিৰ লগতে শৈৱ সাধনাৰ প্ৰথাৰ বিষয়ে জানিব পাৰি। যি প্ৰথাৰেই শিৱক আৰাধনা কৰা নহওঁক কিয়; শিৱ সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি যুগৰো এগৰাকী অতি পূজনীয় দেৱতা।

বিষ্ণুক মূল উপাস্য দেৱতা হিচাপে যিসকলে বিশ্বাস কৰে সেই সকলেই বৈষ্ণৱ পন্থী বুলিলে ভুল হ'ব। কিয়নো বৈষ্ণৱ ধৰ্মৰ ভগৱান বিষ্ণু আৰু তেওঁৰ প্ৰতিটো অৱতাৰকে ভক্তসকলে আৰাধনা কৰে। এই ক্ষেত্ৰত নাৰায়ণ, কৃষ্ণ, ৰাম আদি বিশেষভাৱে মন কৰিবলগীয়া। সাধাৰণতে বৈষ্ণৱ পন্থীসকলে নিৰাকাৰ ভগৱানক শ্ৰৱণ-কীৰ্ত্তনৰ যোগেদি আৰাধনা কৰে। কিন্তু সমগ্ৰ ভাৰতবৰ্ষতে এনে হোৱা দেখা পোৱা নাযায়। এজন ঈশ্বৰকে আৰাধনা কৰিলেও কোনোৱে যদি ৰাম অৱতাৰক মুখ্য স্থান দিছে, আন কোনোৱে আকৌ কৃষ্ণ অৱতাৰক মূল হিচাপে লৈ কৃষ্ণৰ লগতে ৰাধাকো উপাসনা কৰে।

অসমত বৈষ্ণৱ ভক্তি শঙ্কৰদেৱৰ সময়ৰ পৰাহে প্ৰচলন যেন লাগিলেও সি প্ৰকৃতাৰ্থত সত্য নহয়। শঙ্কৰদেৱে নতুন ৰূপতহে জনসাধাৰণৰ মাজত বৈষ্ণৱ ভক্তিৰ জাগৰণ কৰিবলৈ

প্ৰয়াস কৰিছিল কিয়নো শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ আগৰ সময় বহুকেইখন-শিলালিপিত বিষ্ণুৰ মূৰ্ত্তি পোৱা গৈছে। বৰগংগা শিলালিপিত (৫৫৩-৫৫৪ খৃঃ) কামৰূপৰ ৰজা ভূতিবৰ্মাই নিজকে বিষ্ণুৰ ভক্ত হিচাপে পৰিচয় দিছিল। খৃঃ ষষ্ঠ শতিকাৰ পৰা নৱম-দশম শতিকাৰ বুলি বিবেচনা কৰা বহুবোৰ বিষ্ণু মূৰ্ত্তি অসমৰ বিভিন্ন মঠ-মন্দিৰত উদ্ধাৰ হৈছে। কেৱল সেয়াই নহয় '*কালিকা-পুৰাণ*', '*যোগিনীতন্ত্ৰ*' আদিতো বিষ্ণু পূজাৰ প্ৰচলন থকাৰ কথা উল্লেখ আছে। অসমত শংকৰদেৱে বৈষ্ণৱ ধৰ্মক নতুনকৈ ভক্তিৰ অমিয়া মাতেৰে নৱ বৈষ্ণৱ ধৰ্ম হিচাপে প্ৰচাৰহে কৰিছিল। তেওঁৰ দ্বাৰা প্ৰচাৰিত নৱ-বৈষ্ণৱ ভক্তি মতে এক ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰি তেওঁকেই *পৰম ব্ৰহ্ম* ৰূপে, পৰমাত্মা ৰূপে, ভগৱান তথা সৃষ্টি-স্থিতি-প্ৰলয়ৰ নিয়ন্ত্ৰক স্বৰূপে গ্ৰহণ কৰা। বৈষ্ণৱসকলে নৱধা ভক্তি যেনে— শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন আদিৰ মাধ্যমেৰে ভক্তি ভাৱ প্ৰকাশ কৰাৰ পৰিপন্থী আছিল। এই নবিধ ভক্তি পৰস্পৰে পৰিপূৰক আৰু ইয়াৰ তাৎপৰ্য *শ্ৰীমদ্ভাগৱত পুৰাণত* সুন্দৰকৈ ব্যাখ্যা কৰা হৈছে। অসমৰ বৈষ্ণৱ পন্থীসকলে প্ৰধানতঃ শঙ্কৰদেৱক গুৰু হিচাপে গ্ৰহণ কৰি ভগৱান কৃষ্ণৰ নিৰাকাৰ স্তুতি কৰে। শঙ্কৰদেৱৰ বাহিৰেও আৰু বহুকেইগৰাকী গুৰু আছে; যিয়ে বৈষ্ণৱ ভক্তিকে সুকীয়া ধৰণে ব্যাখ্যা কৰিছে যদিও সকলোৰে ভঞ্জনীয় ভগৱন্ত কৃষ্ণ হোৱাটো লক্ষণীয় দিশ। বৈষ্ণৱ ভক্তি জগতত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে মধ্যযুগীয় বৈষ্ণৱ ধৰ্ম গুৰুসকলে কাব্য, ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ, অংকীয় নাট, বৰগীত, ভটিমা, নাম-প্ৰসংগ বিষয়ক পুথি ৰচনা কৰি বৈষ্ণৱ ভক্তিক সৱলভাৱে বিকশাই তুলিছিল। সেয়ে হয়তো আজিও অসমৰ আকাশে-বতাহে বৈষ্ণৱ ভক্তিৰসে সুৰধ্বনি তুলি অসমীয়াৰ জাতীয় গৌৰৱ বহন কৰি আছে।

সমগ্ৰ ভাৰতবৰ্ষতে দেৱী আৰাধনাৰ প্ৰাচীন পৰম্পৰা বিৰাজমান। শক্তি বা দেৱীৰ মূল বীজটো *বেদতে* আছিল। *পুৰাণৰ* যুগত বেদৰ দেৱীয়ে ৰূপ লাভ কৰে। সেই সম্পৰ্কে *কালিকা পুৰাণ, দেৱী পুৰাণ, মৎস্য পুৰাণ, লিংগ পুৰাণ,* যোগিনীতন্ত্ৰ আদিৰ দেৱী পূজা বা শক্তি সাধনাৰ বিষয়ে প্ৰকাশ পায়। আটাইবোৰ পুৰাণৰ ভিতৰত কালিকা পুৰাণৰ দেৱী মাহাত্ম্য প্ৰকাশৰ পৰা দেৱী পূজাৰ জনপ্ৰিয়তা বা সজাগতা অধিক পৰিমাণে বৃদ্ধি পাই বুলি জানিব পাৰি। এই *পুৰাণৰ* আধাৰত পৰৱৰ্তী সময়ত ৰচিত হয়। *পুৰাণ*সমূহৰ বাহিৰেও তন্ত্ৰশাস্ত্ৰসমূহেও দেৱী পূজাৰ মাহাত্ম্য প্ৰকাশ কৰিছিল। দেৱীৰ বিভিন্ন ৰূপৰ বিষয়ে শাস্ত্ৰত পোৱা যায়। ভগৱতী, চণ্ডী, কাত্যায়নী, উমা, পাৰ্বতী, মহিষমৰ্দিনী, কামাখ্যা, ভৈৰৱী, চামুণ্ডা, কালী, গৌৰী, তাৰা, চণ্ডিকা, মহামায়া, দশভূজা, ষোড়শভূজা, লক্ষ্মী, সৰস্বতী আদি দেৱীৰ বিভিন্ন ৰূপ। শাক্ত ধৰ্মৰ মূল উপাস্য হৈছে শক্তি অধিষ্ঠাত্ৰী দেৱী। শক্তিৰ উপাস্য দেৱী পূজা সেৱা কৰা সকলকে শাক্তধৰ্মী বোলা হয়। শাক্ত ধৰ্মৰ বহু বিধি-বিধান প্ৰাচীন কালৰে পৰা আজি পৰ্যন্ত সমগ্ৰ ভাৰতবৰ্ষতে প্ৰচলন হৈ আছে। কেইবাখনো বিখ্যাত তন্ত্ৰ শাস্ত্ৰত ভাৰতবৰ্ষৰ চাৰিখন প্ৰাচীন শক্তিপীঠৰ কথা কোৱা আছে। পূৰ্ণগিৰি, উড্ডিয়ান, জালন্ধৰ আৰু কামৰূপ পীঠ। এই আটাইকেইখনৰ ভিতৰত কামৰূপ পীঠক শ্ৰেষ্ঠ হিচাপে বিবেচনা কৰি মহাপীঠ বুলি অভিহিত কৰিছে। উল্লেখযোগ্য যে প্ৰাগ্‌জ্যোতিষপুৰৰ ৰজা নৰকাসুৰেই শক্তিৰ প্ৰথম সেৱক আছিল। তেওঁৰ ৰাজত্ব কালতেই অসমত দেৱী পূজাৰ প্ৰচলন

হৈছিল। পুৰাণ তথা তন্ত্রশাস্ত্রসমূহে প্রাচীন কামৰূপ শক্তি সাধনা আৰু সিদ্ধি লাভৰ প্রধান ক্ষেত্র হিচাপে নির্দেশ কৰিছিল। সেয়ে হয়তো এই প্রদেশত আন ঠাইৰ তুলনাত দীর্ঘকালীনভাৱে শাক্তধর্ম ব্যাপক ৰূপত প্রচলন হৈ আহিছে। নৰকাসুৰৰ দিনৰে পৰা আজিও অসমৰ প্রতিটো অঞ্চলতে শাক্ত ধর্মৰ বহুল প্রচলন মন কৰিবলগীয়া। এই প্রচলনত অসমত ৰাজত্ব কৰা সকলো সৰু-বৰ ৰজাৰ ভূমিকা অতুলনীয়। কিয়নো চুতীয়া ৰজা ৰত্নধ্বজ, আহোম ৰজা প্রতাপ সিংহ, শিৱ সিংহ আৰু তেওঁৰ তিনিওগৰাকী ৰাণী, কোচ ৰজা বিশ্বসিংহ আদিসকল শাক্ত ধর্মী আছিল। শাক্ত সাহিত্যৰ গৱেষক হৰিনাথ শর্মা দলৈয়ে তেওঁৰ '*শক্তি সাধনা* আৰু *শাক্ত সাহিত্য*' নামৰ গৱেষণাধর্মী' গ্রন্থত 'শক্তি দেৱী কেঁচাইখাতীৰ আগত পশু বলি দিয়াৰ উপৰিও নৰবলি পর্যন্ত দিয়া হৈছিল' বুলি উল্লেখ কৰিছে।

অসমত শঙ্কৰদেৱৰ আর্বিভাৱৰ পূর্বলৈকে শাক্ত ধর্মৰ বহুল প্রচলন আছিল। শঙ্কৰদেৱৰ পিতৃয়েও দেৱীক পূজা কৰাৰ প্রমাণ চৰিত পুথিয়ে বহন কৰে। আনহাতে শঙ্কৰদেৱক লগ পোৱাৰ আগলৈকে মাধৱদেৱো ঘোৰ শাক্ত ধর্মৰ সমর্থক আছিল বুলি জানিব পাৰি। বর্তমান সময়তো কালী, দুর্গা আৰু মনসা দেৱীৰ পূজা বলি বিধানৰে সৈতে প্রচলন হৈ আহিছে। শক্তি সাধনা বা শাক্ত ভক্তি যে বর্তমানো প্রচুৰ পৰিমাণে সমগ্র অসমত বর্তি আছে তাত কোনো সন্দেহ নাই। শাক্ত ধর্মক কেন্দ্র কৰিও বহুবোৰ সাহিত্যৰ সৃষ্টি হৈছে য'ত দেৱীৰ মাহাত্ম্য আৰু দেৱী পূজাৰ বিধি-বিধান সম্পর্কে বর্ণনা আছে। দেৱীৰ লগত জড়িত আখ্যান সম্বলিত এই সাহিত্যই ভক্তি সাহিত্যৰ ভঁৰাল নিঃসন্দেহে চহকী কৰিছে। বৈষ্ণৱ ভক্তি সাহিত্যৰ দৰে শাক্ত সাহিত্যইয়ো শাক্ত ভক্তি প্রকাশত গুৰুতৰ ভূমিকা গ্রহণ কৰি আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ শিৱৰ বিভিন্ন নামবোৰ উল্লেখ কৰি ভক্তিমার্গত শৈৱ ভক্তিৰ মাহাত্ম্য বিচাৰ কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৬ ঃ অসমৰ বৈষ্ণৱ ভক্তিৰ প্রচাৰ কেতিয়াৰ পৰা, কেনেকৈ হয় চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৭ ঃ দেৱী পূজা বা শাক্ত ধর্মৰ বিষয়ে চমুকৈ আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

২.৭ মধ্যযুগৰ ভক্তি-সাহিত্য

মধ্যযুগৰ ভক্তি-আন্দোলনৰ ইতিহাস বিচাৰ কৰিবলৈ হ'লে আমি দক্ষিণ ভাৰত বা তামিল প্রদেশলৈকে আঙুলিয়াব লাগিব। কিয়নো ভক্তি-সাহিত্যৰ প্রথম বীজ সেই প্রদেশতেই

অংকুৰিত হৈ সমগ্ৰ ভাৰতবৰ্ষলৈ বিস্তাৰিত হৈছিল। তামিল প্ৰদেশত মুঠ বাৰ গৰাকী আলৱাৰৰ নেতৃত্বত গঢ় লোৱা ভক্তি আন্দোলন আৰু সেই আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্যই সমগ্ৰ ভক্তি সাহিত্যৰ বুৰঞ্জীত এটা নতুন যুগৰ সূচনা কৰে। দৰাচলতে 'আলৱাৰ' শব্দটোৱে বাৰগৰাকী বৈষ্ণৱ ভক্তক বুজাইছিল। তেওঁলোকেই পোন প্ৰথমে ধৰ্ম প্ৰচাৰৰ বাবে সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। আলৱাৰসকল সংস্কৃত আৰু তামিল দুয়োটা ভাষাতেই বিদগ্ধ পাণ্ডিত্যৰ অধিকাৰী আছিল; সেয়ে মূল সংস্কৃত গ্ৰন্থক সৰ্বসাধাৰণৰ বাবে থলুৱা ভাষাত ৰচনা কৰিছিল। ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ তামিল প্ৰদেশত চলা এই ভক্তি জাগৰণৰ ফলত বহুবোৰ সাহিত্যৰ সৃষ্টি হয়। তামিল প্ৰদেশৰ এই বাৰ গৰাকী আলৱাৰৰ বাহিৰেও তাত শৈৱভক্ত নায়ানমৰেসকল আৰু বৈষ্ণৱ ভক্ত শংকৰাচাৰ্য আৰু ৰামানুজাচাৰ্যই সমগ্ৰ দাক্ষিণাত্যত নিজৰ ভক্তি আদৰ্শ প্ৰবাহিত কৰিছিল। মহাৰাষ্ট্ৰত ভক্তি আন্দোলনৰ মূল গুৰি ধৰোঁতা আছিল সন্ত জ্ঞানেশ্বৰ। তেওঁৰ এই আন্দোলনত পূৰ্ণ সহযোগিতা আগবঢ়াইছিল একনাথ, তুকাৰাম, ৰামদাস আদি বৈষ্ণৱ সাধকসকলে। নৱম শতিকামানত এই ভক্তি-আন্দোলনে উত্তৰ ভাৰতকো চুই যায়। দক্ষিণ ভাৰতত যি তামিল ভাষাত ভক্তি সাহিত্যৰ ৰচনা হৈছিল; উত্তৰ ভাৰতত ৰামানুজাচাৰ্যৰ শিষ্য ৰামানন্দই বৈষ্ণৱ ধৰ্মৰ সুকীয়া নীতিৰে হিন্দী ভাষাত সাহিত্যও ৰচনা কৰিবলৈ লয়। ৰামানন্দ বিষ্ণুৰ অৱতাৰ ৰামচন্দ্ৰৰ উপাসক আছিল। তেওঁৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ দুৱাৰ সকলোৱে বাবে মুকলি আছিল। ৰামানন্দক তুলসী দাস, কবীৰ দাস আদিয়ে সংগ প্ৰদান কৰি বৈষ্ণৱ ভক্তি-আন্দোলনৰ গতি তীব্ৰতৰ কৰাত সহায় কৰিছিল। তেনে সময়তে আন এগৰাকী প্ৰসিদ্ধ সন্তৰ আবিৰ্ভাৱ হয় যি গৰাকীয়ে হিন্দু ধৰ্ম আৰু ইছলাম ধৰ্মৰ সমাহৰণ কৰি শিখ ধৰ্ম নামেৰে এক নতুন যোৱাৰৰ সূচনা কৰে। শিখ ধৰ্মৰ প্ৰচাৰক গুৰু নানকে তেওঁৰ ধৰ্মীয় দিশৰ লগত জড়িত কৰি ধৰ্মীয় পুথি ৰচনা কৰি ধৰ্মৰ বাৰ্তা প্ৰচাৰ কৰিছিল বুলি জানিব পাৰি।

দক্ষিণ-উত্তৰ দিশৰ পিছৰ ভক্তি-আন্দোলনৰ প্ৰৱাহ ভাৰতৰ পূব দিশলৈ গতি কৰে। পূবৰ বংগদেশত চৈতন্যদেৱৰ আপ্ৰাণ চেষ্টাত বৈষ্ণৱ ভক্তিৰ এটা নিজৰা ব'বলৈ ধৰে। তেওঁ শ্ৰীকৃষ্ণক ভগৱান ৰূপে আৰাধনা কৰি চৌদিশে শ্ৰীকৃষ্ণ ভক্তি আৰু কৃষ্ণৰ ঐশ্বৰিক মহিমা প্ৰচাৰ কৰিছিল। ভক্তি ধৰ্ম প্ৰচাৰৰ বাবে 'সংকীৰ্ত্তন'কে তেওঁ একমাত্ৰ মাধ্যম হিচাপে বিবেচনা কৰিছিল। তেওঁৰ মতে 'সংকীৰ্ত্তন' হৈছে অতি সৰল আৰু পৰম উপায়। সমগ্ৰ বংগদেশকে চৈতন্যদেৱৰ এই ভক্তিয়ে চুই গৈছিল। অসমতো শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰকাশেৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত 'এক দেৱ এক সেৱ, এক বিনে নাই কেৱ' ধ্বনিৰে নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰে। তেওঁক সংগ দিয়ে প্ৰিয় শিষ্য মাধৱদেৱে। কলি যুগত ভগৱানৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰিলেই জীৱই মুক্তি বা মোক্ষ লাভ কৰিব পাৰে; তাৰ বাবে কোনো তপ-যপ, যাগ-যজ্ঞ আদিৰ প্ৰয়োজন নাই বুলি শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মই বিশ্বাস কৰে।

দক্ষিণ ভাৰতত আলৱাৰসকলে ভক্তি ধৰ্ম জনসমাজত বিলাই দিবলৈ যিদৰে তামিল ভাষাত গীত-পদ ৰচনা কৰিছিল; সেই সময়ছোৱাৰ আন আন ধৰ্ম প্ৰচাৰকেও ঠিক একেদৰে সাহিত্যকেই ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। ফলস্বৰূপে তামিল, হিন্দী, বাংলা আদি

ভাষাত বহুবোৰ ভক্তি-সাহিত্যৰ ৰচনা হয়। সাহিত্যৰ বুৰঞ্জীত মধ্যযুগৰ এক সুকীয়া স্থান আছে; কিয়নো এই সময়ছোৱাতে সর্বাধিক ভক্তিমূলক সাহিত্যৰ ৰচনা হোৱাৰ লগতে সাহিত্যৰ ন ন দিশো উন্মোচন হৈছিল। বিশেষকৈ অসমৰ মধ্যযুগীয় সাহিত্যৰ বিচাৰ কৰিলে দেখা যায় যে অসমৰ ইতিহাসত সোণালী আখৰেৰে লিখা এটা কালজয়ী অধ্যায়। পঞ্চদশ শতিকাত শংকৰদেৱ আৰু তেওঁ অনুগামীসকলে ভালদৰে উপলব্ধি কৰিছিল যে সংস্কৃত ভাষা নজনা অসমৰ চহা সমাজত ভক্তিৰ তাত্ত্বিক ব্যাখ্যাৰ বাবে সহজ বিকল্পৰ প্রয়োজন। যি বিকল্পই জনসমাজত ধর্মৰ লগতে মনোৰঞ্জন আৰু সামাজিক বান্ধোন সৱল কৰিব পাৰিব লাগিব। সেয়ে হয়তো সাহিত্যকে সেই বিকল্প হিচাপে লৈ আগবাঢ়ে। শঙ্কৰদেৱৰ এই ভক্তি-আন্দোলনত তেওঁৰ সমসাময়িক আন বহুকেইগৰাকী পণ্ডিতে সহায় আগবঢ়ালে। তেওঁলোকে বৈষ্ণৱ ধর্ম প্রচাৰৰ বাবে *ভাগৱত পুৰাণ, হৰিবংশ, বিষ্ণুপুৰাণ* আদিৰ পৰা বিষয়বস্তু বা সাৰভাগ গ্রহণ কৰি ভক্তি সাহিত্যৰ নতুন পট নির্মাণ কৰে।

অসমৰ ভক্তি-আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্যৰাজিক তলত দিয়া ধৰণৰে ভাগ কৰিব পাৰি—

ক) কাব্য ঃ কাব্য সাহিত্যৰ ভিতৰত শ্রীশ্রী শংকৰদেৱৰ '*হৰিচন্দ্র উপাখ্যান*', '*ৰুক্মিণী হৰণ*', '*বলিচলন*', '*অমৃত মন্থন*', '*অজামিল উপাখ্যান*', '*কুৰুক্ষেত্র*', মাধৱদেৱৰ '*ৰামায়ণৰ আদি কাণ্ড*,' '*ৰাজসূয় কাব্য*', অনন্ত কন্দলীৰ '*বৃত্রাসুৰ বধ*', '*মহীৰাৱণ বধ*', '*কুমৰ হৰণ*' আৰু ৰামসৰস্বতীৰ '*বধকাব্য*'সমূহ উল্লেখযোগ্য।

ভক্তিতত্ত্ব প্রকাশক গ্রন্থ ঃ এই শ্রেণীৰ তত্ত্বগধূৰ ভক্তি ৰসৰ গ্রন্থ প্রকাশত মূল অৰিহণা যোগাইছিল শংকৰদেৱ, মাধৱদেৱ আৰু ভট্টদেৱ প্রমুখ্যে সন্ত-কবিসকলে। শংকৰদেৱৰ '*ভক্তি প্রদীপ*', '*ভক্তি ৰত্নাকৰ*', '*নিমিনৱসিদ্ধ সংবাদ*', মাধৱদেৱৰ '*নামঘোষা*', '*জন্ম ৰহস্য*', '*ভক্তি ৰত্নাৱলী*', '*নাম মালিকা*', ভট্টদেৱৰ '*ভক্তি বিবেক*', '*কথাগীতা*', '*কথা ভাগৱত*', '*কথা ৰত্নাৱলী*', '*শৰণ মালিকা*', '*ভক্তিসাৰ*' আদিবোৰ মূল গ্রন্থ।

অংকীয়া নাট ঃ অসমত ভক্তি আন্দোলনৰ ফলস্বৰূপে অংকীয়া নাটৰ সৃষ্টি হয়। ভগৱান কৃষ্ণৰ মাহাত্ম্য প্রকাশেই আছিল এই নাটৰ প্রধান উদ্দেশ্য। অংকীয়া নাটবোৰক কেৱল মাত্র ধর্ম প্রচাৰৰ উদ্দেশ্যে ৰচিত ধর্মমূলক সাহিত্যৰ অংশীদাৰ কৰিলে ভুল কৰা হ'ব। কিয়নো যি সময়ত অসমৰ গ্রাম্যাঞ্চলৰ লোকৰ মাজত মনোৰঞ্জনৰ কোনো আহিলা নাছিল, তেনে এক সময়তেই শংকৰদেৱে অংকীয়া নাটৰ যোগেদি দৰিদ্র জনতাক মনোৰঞ্জন প্রদানৰ লগতে ভক্তি ধর্মৰ জ্ঞানো প্রদান কৰে। কেৱল সেয়াই নহয় অংকীয়া নাটৰ আৰম্ভণিৰ পৰা পৰিসমাপ্তিলৈকে যি প্রক্রিয়া পালিত হয়; সি নিঃসন্দেহে সমাজৰ বাবে সম্প্রীতিৰ এনাজৰী বুলিব লাগিব। শংকৰদেৱে সৃষ্টি কৰা নাটৰ উপৰিও মাধৱদেৱ আৰু তেওঁৰ পৰৱর্তী কেইবাগৰাকী বৈষ্ণৱ ভক্তই অংকীয়া নাট ৰচনা কৰে বুলি জানিব পাৰি। তথাপি চৰিত পুথিত পোৱা তথ্য অনুসৰি শংকৰদেৱৰ নাটকৰ সংখ্যা ছয়খন— 'পত্নী প্রসাদ', 'কালি দমন', 'কেলি গোপাল', 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ' আৰু 'ৰাম বিজয়'। মাধৱদেৱৰ দ্বাৰা ৰচিত পাঁচখন নাট ক্রমে— 'চোৰধৰা', 'পিম্পৰা

গুচোৱা', 'ভূমি লেটোৱা', 'ভোজন বেহাৰ', আৰু 'অর্জুন ভঞ্জন' অনন্ত কন্দলীৰ 'সীতাৰ পাতাল প্ৰৱেশ' আদি।

গীত ঃ বৈষ্ণৱ ভক্তি সাহিত্যৰ অভিন্ন অংগ এই গীতবোৰ। কেৱল মাত্ৰ মহাপুৰুষ শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ দ্বাৰা ৰচিত গীতবোৰৰে এক সুকীয়া আসন আছে। এই গীতবোৰৰ লক্ষণলৈ চাই পৰৱৰ্তী সময়ত 'বৰগীত' হিচাপে নামকৰণ কৰা হয়। বৰগীতৰ উপৰিও আন এক প্ৰকাৰৰ গীত আছে যাক 'ভটিমা' বুলি কোৱা হয়। শংকৰদেৱে- 'নাট ভটিমা', 'দেৱ ভটিমা' আৰু 'ৰাজ ভটিমা' নামে তিনি প্ৰকাৰৰ ভটিমাৰ প্ৰৱৰ্তন কৰিছিল। প্ৰিয় শিষ্য মাধৱদেৱে 'গুৰু ভটিমা' বুলি আৰু এক প্ৰকাৰৰ ভটিমাৰ সংযোগ কৰি চাৰি প্ৰকাৰৰ ভটিমাৰ পৰম্পৰা সৃষ্টি কৰে।

শংকৰদেৱে ৰচনা কৰা বৰগীতসমূহৰ ভিতৰত চৌত্ৰিশটা আৰু মাধৱদেৱে ৰচনা কৰা এশ সাতাৱনটা গীতে বৰ্তমানেও অসমৰ আকাশ-বতাহত ভক্তিভাৱৰ গুঞ্জন তুলি আছে।

নাম-প্ৰসঙ্গ ঃ শঙ্কৰী যুগৰ ভক্তি সাহিত্যৰ আৰু এক অনবদ্য সংযোজন হ'ল চৈধ্য প্ৰসংগৰ উপযোগী ভক্তি সাহিত্য। যি পুথিৰ পদ আওৰাই বৈষ্ণৱ ভক্তই আৰাধ্য দেৱক শ্ৰৱণ-কীৰ্ত্তন কৰে। সুৰ-তাল-লয়ৰে ভক্তিৰ নিজৰা বোৱা নাম প্ৰসংগৰ পুথিৰ ভিতৰত শংকৰদেৱৰ দ্বাৰা ৰচিত '*কীৰ্ত্তন*' আৰু '*গুণমালা*'ই প্ৰধান।

চৰিত সাহিত্য ঃ চৰিত সাহিত্যৰাজিকো মধ্য যুগীয় ভক্তি সাহিত্যৰ ভিতৰুৱা কৰিব পাৰি। কিয়নো ইয়াৰ সৃষ্টিৰ আঁৰতো আছিল বৈষ্ণৱ ভক্তি-আন্দোলন। মহাপুৰুষ শংকৰদেৱৰ তিৰোধানৰ পাছত বৈষ্ণৱ ভক্তসকলে গুৰুৰ অনুপস্থিতিত গুৰুৰ জীৱন বৃত্তান্ত বৰ্ণনা গাই গাই নিজকে সান্ত্বনা প্ৰদান কৰিছিল। চৰিত পুথি অনুসৰি যি 'চৰিত তোলা' প্ৰথাৰ পৰা চৰিত সাহিত্যৰ সৃষ্টি হয়; সেই 'চৰিত তোলা' প্ৰথাৰ প্ৰৱৰ্তক মাধৱদেৱ। মাধৱদেৱৰ পিছতেই আন আন সন্ত-মহন্তসকলেও এই প্ৰথাক পৰম্পৰাগতভাৱে আগবঢ়াই নিছিল। মৌখিক ৰূপত চলা এই প্ৰথাৰ পৰাই পৰৱৰ্তী সময়ত লিখিত ৰূপত চৰিত পুথিবোৰৰ ৰচনা হয়। চৰিত পুথি ৰচোঁতাসকলক ভিতৰত ৰামচৰণ ঠাকুৰ, ভূষণ দ্বিজ, দৈতাৰি ঠাকুৰ, ৰামানন্দ দ্বিজ, ৰাম ৰায় আদিসকলৰ নাম বিশেষভাৱে জনা যায়।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে মধ্যযুগত ভাৰতবৰ্ষৰৰ প্ৰায়বোৰ প্ৰদেশতে ভক্তি আন্দোলনৰ সূচনা হৈছিল আৰু সেই আন্দোলনৰ ভিত্তিতেই প্ৰান্তীয় ভাষাতেই একশ্ৰেণী ভক্তি সাহিত্যই গা কৰি উঠিছিল। যি সাহিত্যই সেই সময়ৰ জনসমাজতেই যে সমাদৰ লাভ কৰিছিল তেনে নহয়; বৰং মধ্য যুগৰ ভক্তি সাহিত্যই আজি একবিংশ শতিকাতো প্ৰতিখন প্ৰদেশতে এক পৰম্পৰা হিচাপে গৌৰৱ বহন কৰি আছে। ভক্তি সাহিত্য কেৱল সাহিত্যৰ বুৰঞ্জীৰ এটা অধ্যায় নহয়; ই জাতীয় ঐতিহ্যৰ বাহক।

২.৮ ভক্তি সাহিত্যৰ দাৰ্শনিক পটভূমি

সমগ্ৰ ভাৰতবৰ্ষ জুৰি চলা ভক্তি আন্দোলনৰ গুৰি ধৰোঁতাসকল একো গৰাকী একো পণ্ডিত-সন্ত আছিল। প্ৰতিগৰাকী সন্তই নিজা অধ্যয়ন, অভিজ্ঞাৰে নিৰ্দিষ্ট দৰ্শন আগত লৈ ধৰ্ম

প্ৰচাৰ কৰি নিজৰ লগতে আনকো সৎ পথ দেখুৱাইছিল। মধ্য যুগৰ ভাৰতবৰ্ষৰ চৌদিশৰ পৰিৱেশ ধৰ্মৰ নামত কম পৰিমাণে হ'লেও অৰাজক হৈ পৰিছিল। তেনে পৰিৱেশ-পৰিস্থিতি নিজ নিজ প্ৰদেশত এক ঈশ্বৰৰ আৰাধনা আৰু নীতি শিক্ষাৰ যোগেদি সমাজক শৃংখলিত কৰাও ভক্তি ধৰ্মৰ দ্বাৰা প্ৰকাশিত দৰ্শন উদ্দেশ্য আছিল।

ভক্তি সাহিত্যৰ দাৰ্শনিক স্থিতিৰ বিষয়ে জানিবলৈ হ'লে আমি পোন প্ৰথমে ভক্তি সাহিত্যৰ মূল আধাৰ সম্পৰ্কে জানিবই লাগিব; কিয়নো সমগ্ৰ ভাৰতবৰ্ষৰ যিকোনো প্ৰান্ততেই ভক্তি সাহিত্যৰ ৰচকসকলে পূৰ্বৰ সংস্কৃত সাহিত্যকে মূল ভেটি হিচাপে গ্ৰহণ কৰি আগবাঢ়িছিল। সকলো সাহিত্যতে বেদান্ত দৰ্শনেই স্পষ্ট; গতিকে ভক্তি সাহিত্যৰ দাৰ্শনিক পটভূমি বিচাৰ কৰিলে বেদান্ত দৰ্শন সম্পৰ্কে আলোচনা কৰা সমীচিন হ'ব।

ভাৰতীয় দৰ্শনক মূলতঃ দুই ভাগত ভগোৱা হৈছে— (ক) আস্তিক।

(খ) নাস্তিক।

ভাৰতীয় বেদৰ প্ৰামাণ্য স্বীকাৰ কৰা আৰু মানুহৰ মৃত্যুৰ পিছৰ জীৱন বিশ্বাস কৰাকে আস্তিক আৰু ইয়াৰ বিপৰীতে বেদৰ প্ৰামাণ্য আৰু মৃত্যুৰ পিছৰ জীৱন বিশ্বাস নকৰাকে নাস্তিক বোলে। আস্তিক দৰ্শনসমূহ বেদৰ কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ডক অৱলম্বন কৰি গঢ়ি উঠিছে আৰু তাৰ পৰাই ক্ৰমবিকাশ ঘটিছে।

মীমাংসা, বেদান্ত, সাংখ্য যোগ, ন্যায় আৰু বৈশেষিক এই ছয় দৰ্শনকে আস্তিক দৰ্শন বোলা হয়। বেদান্ত দৰ্শন বেদৰ জ্ঞান কাণ্ডক ভিত্তি কৰি গঢ়ি উঠিছে আৰু উপনিষদৰ শিক্ষাই হৈছে ইয়াৰ বুনিয়াদ। বেদান্ত দৰ্শনৰ মূল কথাবোৰ মহৰ্ষি বেদব্যাসে '*ব্ৰহ্মসূত্ৰ*'ত বিশেষভাৱে বৰ্ণনা কৰিছে। '*ব্ৰহ্মসূত্ৰ*'ৰ মূল কথাটো টীকা ভাষ্য আৰু ব্যাখ্যাৰ যোগেদি পৰৱৰ্তী সময়ত বিভিন্নজনে জগৎ আৰু জীৱ সম্পৰ্কে এক সিদ্ধান্তত উপনীত হৈছে। ভক্তি সাহিত্যৰ অন্যতম কাণ্ডাৰী শংকৰাচাৰ্য, ৰামানুজাচাৰ্য, বল্লভাচাৰ্য আদি সকলৰ বেদান্ত দৰ্শনৰ ঈশ্বৰ পৰম ব্ৰহ্মক বিশ্বাস কৰি ধৰ্মৰ খুটি স্থাপন কৰিছিল। শংকৰাচাৰ্য মূলত অদ্বৈতবাদী আছিল। তেওঁ ব্ৰহ্মসূত্ৰ, উপনিষদ আৰু গীতাৰ নতুন ভাষ্যও ৰচনা কৰে। আনহাতে ৰামানুজাচাৰ্য বিশিষ্টা দ্বৈতবাদৰ প্ৰৱৰ্তক। বিশিষ্টাদ্বৈতবাদৰ মতে জীৱ ব্ৰহ্মৰ প্ৰতিবিম্ব নহয় নাইবা নিত্যমুক্তও নহয়। জীৱ ব্ৰহ্মৰ অংশহে মাথোন। তেওঁৰ মতে সৎ ব্ৰহ্মৰ দ্বাৰা সৃষ্ট জগতো সত্য।

মধ্যযুগৰ ভক্তি ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সৃষ্টি হোৱা সাহিত্যৰাজিত প্ৰচাৰকসকলৰ দৰ্শন স্পষ্টকৈ প্ৰকাশ পাইছিল। অদ্বৈতবাদ, বিশিষ্টাদ্বৈতবাদ, দ্বৈতবাদ বা দ্বৈতাদ্বৈতবাদ দাৰ্শনিক ভিত্তি বেলেগ হ'লেও অদ্বৈতবাদ বাহিৰে তিনিওকে একীভূত কৰিব নোৱাৰা নহয়। সামান্যভাৱে অমিল থাকিলেও আটাইবোৰ বেদান্ত দৰ্শনৰ ওপৰতে প্ৰতিষ্ঠিত দৰ্শন। বেদান্ত দৰ্শনৰ সূত্ৰক দুটা মূলত ভগাব পাৰি। প্ৰথমটো হৈছে জগত আৰু ঈশ্বৰৰ মাজত কোনো পাৰ্থক্য নাৰাখি নিৰ্গুণ, নিৰাকাৰ, নিৰ্বিশেষ আৰু নিৰুপাধি ব্ৰহ্মৰ কথা চিন্তা কৰা অদ্বৈতবাদী মত আৰু দ্বিতীয়টো হৈছে জগত জীৱ আৰু ঈশ্বৰৰ মাজত পাৰ্থক্য ৰাখি সগুণ, সাকাৰ, সবিশেষ ব্ৰহ্মৰ কথা চিন্তা কৰা বিশিষ্টাদ্বৈতবাদী মত। মূলতঃ ব্ৰহ্ম নিৰ্গুণ নিৰাকাৰ হ'লেও ভক্তি বা উপাসনাৰ কাৰণে সগুণ সাকাৰ ব্ৰহ্মৰহে প্ৰয়োজন।

মধ্যযুগৰ অসমৰ ভক্তি সাহিত্যৰ দার্শনিক দিশৰ বিচাৰ কৰিলে আমি নৰ বৈষ্ণৱ ধর্মৰ প্রচাৰক শ্রীমন্ত শংকৰদেৱৰ সাহিত্যৰাজিলৈ আঙুলিয়াব লাগিব। এই ক্ষেত্রত এটা কথা কৈ থোৱা ভাল যে শংকৰদেৱৰ কোনো নির্দিষ্ট দার্শনিক মতবাদ প্রচাৰ কৰা উদ্দেশ্য নাছিল; বৈষ্ণৱ ভক্তি ধর্ম প্রচাৰহে তেওঁৰ প্রথম আৰু প্রধান আছিল। কিন্তু ভক্তিতত্ত্বৰ লগত দার্শনিক তত্ত্বৰ ওতঃপ্রোত সম্পর্ক। ভক্তি প্রকাশক আখ্যান বা কথাৰ মাজেৰে দার্শনিক মতবাদেই প্রকাশ পায়। যিহেতু শংকৰদেৱৰ লেখনিসমূহৰ আধাৰ গ্রন্থ *ভাগৱত পুৰাণ* আৰু *ভাগৱত পুৰাণত* পৰোক্ষভাৱে অদ্বৈতবাদ প্রভাৱ স্পষ্ট। সেই দিশৰ পৰা অসমৰ বৈষ্ণৱ ভক্তি সাহিত্যত অদ্বৈতবাদী দার্শনিক মতবাদৰ প্রভাৱ মন কৰিবলগীয়া। কিন্তু শংকৰদেৱ বিৰচিত '*কীর্ত্তন*'তে আমি আনবোৰ দর্শনো দেখা পাওঁ। যেনে—

অদ্বৈতবাদ ঃ

"তুমি প্রিয়তম জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক।।
তুমি কার্য্য কাৰণ সমস্ত চৰাচৰ।
সূৱর্ণ-কুণ্ডলে যেন নুহিকে অন্তৰ।।

\+ + + +

তুমিসে কেৱলে সত্য মিছা সবে আন।
জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান।।"

(হৰমোহন— '*কীর্ত্তন-ঘোষা*')

বিশিষ্ট অদ্বৈতবাদ ঃ

"খণ্ডিবাক লাগি পৃথিৱীৰ মহাভাৰ।
দৈৱকীৰ গর্ভে আসি ভৈলা অৱতাৰ।।
দুষ্ট ৰাজাগণক মাৰিলা কৰি লীলা।
সন্তক ৰাখিলা প্রভু ধর্মক স্থাপিলা।।

(শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ ঃ '*কীর্ত্তন-ঘোষা*')

দ্বৈতবাদ ঃ

প্রথমে প্রণামো ব্রহ্মৰূপী সনাতন।
সর্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
তযু নাভি কমলত ব্রহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যত।।

\- - - - - - -

আদি দৈত্য হিৰণ্যকশিপু বলিয়াৰ।
নৰসিংহ ৰূপে হিয়া বিদাৰিলা তাৰ।।

\- - - - - - -

কৃষ্ণৰ ৰহস্য জন্ম শুনা সৰ্ব্বজনে।
মোক্ষ পদ সাধে তাৰ শ্ৰৱণ-কীৰ্ত্তনে।।"

(চতুৰ্বিংশতি অৱতাৰ ঃ '*কীৰ্ত্তন-ঘোষা*')

দ্বৈতাদ্বৈতবাদ ঃ

"তোৰ যশে ব্যাপিবে জগতে।
ৰাত্রি দিনে মোক সুমৰন্তে।।
সবে কৰ্মবন্ধে হুইবা হীন।
অন্তকালে মোত যাইবা লীন।।
তোৰ মোৰ কথা যিটো নৰে।
তোক মোক সময়ত স্মৰে।।
সিয়ো জনে মোক পাইবে আসি।"

(প্ৰহ্লাদ চৰিত্ৰ ঃ *'কীৰ্ত্তন-ঘোষা'*)

ওপৰত বেদান্ত দৰ্শনৰ বিভিন্ন সূত্ৰৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়োজনত শংকৰদেৱৰ সাহিত্যৰ পৰা উদাহৰণ দাঙি ধৰা হৈছে। শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্মত নাৰায়ণ প্ৰধান আৰু তেওঁৰ অৱতাৰবোৰ উপাস্য। ভগৱানৰ নিৰাকাৰ ৰূপক তেওঁ আ�ৰধনা বা শ্ৰৱণ-কীৰ্ত্তন কৰিবলৈ ভক্তক উৎসাহ যোগাইছিল। এই গ্ৰন্থবোৰ দৰ্শন তেওঁ গ্ৰহণ কৰিছিল। এই দৰ্শন *বেদৰ* বুকুৰ পৰাই প্ৰৱাহিত হৈ সমস্ত মধ্যযুগৰ সাহিত্যক ছানি ধৰিছিল।



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ পৰা আমি ভাৰতীয় ভক্তি সাহিত্যৰ বিষয়ে সবিশেষ জানিব পাৰিলো। মধ্যযুগৰ সৃষ্টি এই সাহিত্যৰাজিয়ে ভাৰতীয় সভ্যতা-সংস্কৃতি আৰু ধৰ্মৰ ভেটিৰ অবিৰত প্ৰহৰী স্বৰূপ। ইবোৰ কেৱল শব্দৰ মণি-মুকুতা নহয়; ই এটা জাতিৰ জাতীয় সত্তা।
- উক্ত অধ্যায়টোৰ অধ্যয়নৰ পৰা বেদ আৰু উপনিষদৰ যুগৰ ধৰ্মৰ স্বৰূপ সম্পৰ্কে জনাৰ লগতে বেদৰ বিষয়ে সাধাৰণ জ্ঞান লাভ কৰিব পাৰি। বেদৰ ভাগ আৰু সেইবোৰৰ নিৰ্দিষ্ট বৈশিষ্ট্য আদিৰ বিষয়েও জনা গ'ল। ভাৰতীয় ভক্তি-সাহিত্যৰ পটভূমি নিৰ্মাণ উপনিষদবোৰৰ ভূমিকাৰ কথাও জানিব পৰা যায়।
- ভক্তি আন্দোলনৰ প্ৰথম অধ্যায় ক'ৰ পৰা কেনেকৈ আৰম্ভ হ'ল আৰু ইয়াৰ ফলত ক'ত, কেতিয়া প্ৰথম ভক্তি-সাহিত্যৰ উদ্ভৱ হ'ল সেই বিষয়ে উক্ত অধ্যায়টিয়ে সবিশেষ জানিবলৈ দিলে।
- অধ্যায়টোৰ যোগেদি শৈৱ শক্তি, শাক্ত ভক্তি আৰু বৈষ্ণৱ ভক্তিৰ বিষয়েও জানিব পৰা গ'ল। শিৱ আৰু শক্তি সাধনা কৰা সকলৰ ধৰ্মীয় দৰ্শন আৰু উপাসনাৰ ৰীতি আদিৰ বিষয়েও কিছু কথা জানিব পৰা গ'ল।

- মধ্যযুগত গঢ়ি উঠা ভক্তি-আন্দোলনে সাহিত্যক মাধ্যম হিচাপে লৈ ধর্ম প্রচাৰ কৰি জনসাধাৰণৰ মাজলৈ ধর্মীয় চিন্তাক লৈ যোৱাই নহয়; জাতিৰ জাতীয় সত্ত্বাও অতিকৈ শক্তিশালী ৰূপত গঢ় দিছিল ইত্যাদি কথাবোৰ অধ্যয়নৰ অন্তত জানিব পৰা গ'ল।



২.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। দলৈ, হৰিনাথ শর্মা (২০০৭); *অসমত শক্তি-সাধনা আৰু শাক্ত সাহিত্য,* নলবাৰী-অসম, পদ্মপ্রিয়া লাইব্রেৰীৰ হকে, শ্রী মীনা দেৱী।

২। গোস্বামী, উপেন্দ্র নাথ (১৯৭৫); *বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকথা;* গুৱাহাটী ঃ ওৰিয়েণ্টাল বুক কোম্পানী।

৩। মজুমদাৰ, বিমল (২০০৩); *ভক্তি সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪। শর্মা, কুসুম চন্দ্র (২০০৪); *বৈষ্ণৱ ভক্তিবাদ শংকৱদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা;* নলবাৰী ঃ হৈমন্তিকা।

৫। শর্মা, তীর্থনাথ (১৯৯৫); *ভক্তিবাদ;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৬। শাস্ত্রী, মনোৰঞ্জন (১৯৯১); *অসমৰ বৈষ্ণৱ দর্শনৰ ৰূপৰেখা;* গুৱাহাটী ঃ বাণীপ্রকাশ প্রাঃলিঃ।

৭। শর্মা, সতেন্দ্র নাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

২.১১ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ তামিল ভাষাতে ভক্তি সাহিত্যৰ সৃষ্টি হৈছিল.... কোনে সেই দিশত অৰিহণা যোগাইছিল.... কেনে ধৰণৰ অৰিহণা অন্যান্য সকলৰ অৱদানৰ কথা উল্লেখ।

২ নং প্রশ্নৰ উত্তৰ ঃ মধ্যযুগীয় অসমৰ ধর্মীয় স্থিতি..... সেই পৰিবেশত কেনে ধৰণৰ ভক্তি সাহিত্য সৃষ্টি হৈছিল তাৰ চমু লেখ।

৩ নং প্রশ্নৰ উত্তৰ ঃ আলৱাৰসকলৰ চমু পৰিচয়..... উল্লেখযোগ্য আলৱাৰ কেইজনৰ নাম আৰু কৃতিৰ চমু লেখ।

৪ নং প্রশ্নৰ উত্তৰ ঃ এই সংকলনখনৰ চমু পৰিচয় দি তাত সন্নিবিষ্ট বিষয়সমূহৰ কথা উল্লেখ কৰক।

৫ নং প্রশ্নৰ উত্তৰ ঃ শিৱৰ নামসমূহৰ উল্লেখ..... শিৱ পূজাৰ মাহাত্ম্য বর্ণনা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ অসমত বৈষ্ণৱ ধৰ্ম কেতিয়াৰ পৰা আৰম্ভ..... সময়ে সময়ে বৈষ্ণৱ ধৰ্মই পৰিগ্ৰহ কৰি বিভিন্ন ৰূপ..... উপাসনা পদ্ধতি ইত্যাদি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ দেৱী পূজাৰ উৎস..... দেৱীৰ বিভিন্ন ৰূপ.....যুগে যুগে দেৱী বন্দনা.....দেৱী পূজাৰ বৰ্ণনা।



২.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ দক্ষিণ ভাৰতত ভক্তি-আন্দোলন কোনে প্ৰচাৰ কৰিছিল? সেই সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ ভক্তি-সাহিত্য প্ৰথম গ্ৰন্থখনৰ নাম কি? গ্ৰন্থখনৰ লগত জড়িত ধৰ্মীয় মতটো আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ বেদ কেইখন আৰু কি কি? মধ্যযুগত ভক্তি সাহিত্যৰ বিস্তাৰত বেদৰ কিবা ভূমিকা আছিলনে?

প্ৰশ্ন ৪ ঃ বেদসমূহ আগত ৰচিত নে উপনিষদসমূহ আগতে ৰচিত? উপনিষদসমূহ পৰিচয় আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ অসমত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰথমে কোনে প্ৰৱৰ্তন কৰিছিল? সেই ধৰ্মমতৰ মূল লক্ষ্য কি?

প্ৰশ্ন ৬ ঃ অসমৰ শৈৱ ভক্তি আৰু শক্তি সাধনা সম্পৰ্কে প্ৰৱন্ধ যুগুত কৰক।

প্ৰশ্ন ৭ ঃ অসমত থলুৱা জনজাতি সমূহৰ মাজত শৈৱ শক্তি আৰু শাক্ত ভক্তি কিদৰে প্ৰবাহিত হৈ আছে বৰ্ণনা কৰক।

প্ৰশ্ন ৮ ঃ বেদান্ত দৰ্শন কি? ইয়াৰ মূল কথাখিনি নিজৰ ভাষাত চমুকৈ লিখক।

*** ***** ***

অধ্যায় ৩ ঃ ভাৰতীয় ভক্তি সাহিত্যৰ উৎপত্তি আৰু বিকাশ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ভাৰতীয় ভক্তি সাহিত্য ঃ সাধাৰণ আলোচনা

৩.৩.১ সংস্কৃত ভক্তি সাহিত্য

৩.৩.২ তামিল ভক্তি সাহিত্য

৩.৩.৩ মধ্যযুগীয় ভক্তি সাহিত্য

৩.৪ শাক্ত ভক্তি সাহিত্য

৩.৪.১ *পদ্মা পুৰাণ*

৩.৪.২ *মাৰ্কণ্ডেয় চণ্ডী*

৩.৪.৩ *শ্রীশ্রী চণ্ডী*

৩.৫ শৈৱ ভক্তি সাহিত্য

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় ভক্তি সাহিত্য সম্পর্কে ধাৰণা কৰিব পাৰিব
- সংস্কৃত আৰু তামিল ভক্তি সাহিত্য বিশেষকৈ কবীৰদাস, সূৰদাস, তুলসীদাস, শংকৰদেৱ, চৈতন্যদেৱ, মাধৱদেৱ আদিৰ ভক্তি সাহিত্য সম্পর্কে ধাৰণা কৰিব পাৰিব
- শক্তি, শৈৱ আৰু বৈষ্ণৱ ভক্তি সাহিত্য সম্পর্কে ধাৰণা কৰিব পাৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া পাঠ্যক্রমৰ ভাৰতীয় ভক্তি সাহিত্যৰ উৎপত্তি আৰু বিকাশ সম্পর্কীয় ধাৰণা প্রদান কৰিবলৈ যাওঁতে ভাৰতীয় ভক্তি সাহিত্যৰ সাধাৰণ পৰিচয় প্রদানৰ লগতে শৈৱ, শাক্ত আৰু বৈষ্ণৱ ভক্তি সাহিত্যৰ বিষয়ে চমু আলোচনা দাঙি ধৰা হৈছে। প্রাসঙ্গিকভাৱে মধ্যযুগৰ ভক্ত কবিসকলৰ বিষয়ে বহু আভাস দিয়া হৈছে।

৩.৩ ভাৰতীয় ভক্তি সাহিত্য ঃ সাধাৰণ আলোচনা

শাক্ত দর্শনৰ মতে শক্তিয়েই বিশ্বসৃষ্টিৰ মূল কাৰণ। সৃষ্টিৰ প্ৰতিটো অনুতেই শক্তি বিৰাজিত হৈ থাকে। শক্তিৰ ইচ্ছাতেই ভৌতিক জগতখনৰ সৃষ্টি হৈছে। এই শক্তি চিদ্ৰূপিনী, চৈতন্য স্বৰূপিনী।

শিৱপুৰাণৰ মতে মহাদেৱী সাক্ষ্যাৎ (পৰা) শক্তি আৰু মহাদেৱ শক্তিমান। সমস্ত জগত শক্তি আৰু শিৱৰ বিভূতি মাত্ৰ। দৰাচলতে শিৱ আৰু পার্বতী দুয়ো জগতৰ কর্ত্রী, দুয়ো এক আৰু অভিন্ন। শিৱৰ অনুৰূপ গুণৰাজিৰে গুণান্বিতা বাবেই পৰমাপ্ৰকৃতি বা শক্তিক শিৱৰ সহধর্মিনী আখ্যা দিয়া হৈছে। এই শক্তিয়েই প্ৰয়োজনবোধে স্থূল আৰু সূক্ষ্ম ৰূপ ধাৰণ কৰি বিবিধ ৰূপত অভিব্যক্ত হয়।

শিৱ প্ৰাকবৈদিক দেৱতা। তেওঁৰ দুটি ৰূপ সৃষ্টি প্ৰতীকৰ সৈতে জড়িত-বৃষভ আৰু লিঙ্গ। বৃষভে বীর্য, শক্তি তথা যৌনশক্তিৰ প্ৰতীক তাৎপর্য বহন কৰিছে। বৈদিক যুগৰ পৰৱর্তী সাহিত্যতো শিৱ উপাসকৰ সৈতে সৃষ্টিৰ কথাই জড়িত হৈ থকা দেখা যায়। পুৰাণ আৰু মহাভাৰতীয় সাহিত্যতো ভক্তসকলে স্বামী লাভ, সম্পদ লাভ, সন্তান লাভ আদি উদ্দেশ্য লৈয়েই শিৱ আৰু শক্তিক উক্ত প্ৰতীকৰ যোগেদি উপাসনা কৰিছিল।

'লিঙ্গ' শব্দটো অষ্ট্ৰিক মূলীয় আৰু ই সৃষ্টি ক্ৰিয়াৰ সৈতে সম্পর্কিত। শিৱ আৰু শক্তি উভয়েই কৃষি আৰু সৃষ্টিৰ দেৱতা। মার্কণ্ডেয় পুৰাণত দেৱীক শাকম্ভৰী ৰূপেৰে বর্ণনা কৰা হৈছে। তেওঁ অন্নপূর্ণাও। গতিকে জীৱৰ সুখ-সমৃদ্ধিৰ কাৰণে দেৱীৰ অপাৰ মহিমাৰ অতি প্ৰয়োজন। শিৱ-শক্তিৰ ঘনিষ্ঠ সম্পর্কই শৈৱধর্মত লিঙ্গ উপাসনাৰ পৰিপুষ্টিত সহায় কৰে।

প্ৰাচীন কামৰূপত প্ৰায় আটাইবোৰ জনজাতিৰ মাজতেই থলুৱা ৰূপত শিৱৰ উপাসনা কৰা হৈছিল। প্ৰাগজ্যোতিষৰ ৰজা ভগদত্ত, শোণিতপুৰৰ নৃপতি বাণ ৰজা শিৱ উপাসক আছিল। প্ৰাচীন অসমৰ তাম্ৰশাসনসমূহত বর্মন, শালস্তম্ভ, পাল প্ৰভৃতি ৰাজবংশৰ ৰজাসকলে শিৱ-উপাসনা কৰাৰ আভাস পোৱা যায়। পুৰণি কামৰূপত সাধাৰণতে লিঙ্গ ৰূপত শিৱৰ উপাসনা কৰা হৈছিল। শিৱলিঙ্গৰ বাহিৰেও ঈশান বা ঈশানেশ্বৰ, মহেশ বা মহেশ্বৰ লকুলীশ, নটৰাজ, ভৈৰৱ, উমা-মহেশ্বৰ আৰু হৰিহৰ ইত্যাদি ৰূপত শিৱক পূজা কৰা হৈছিল। পুৰণি কামৰূপ শিৱৰ সিদ্ধক্ষেত্ৰ ৰূপে প্ৰসিদ্ধ। নৰকাসুৰে প্ৰাগজ্যোতিষৰ ৰাজপাট আৰোহণ কৰাৰ আগৰে পৰা এই ৰাজ্য শিৱৰ লীলাভূমি আছিল বুলি *কালিকাপুৰাণত* উল্লেখ কৰা হৈছে। সেইবাবেই কামৰূপত দেৱী থানৰ তুলনাত শিৱৰ উপাসনা স্থল অধিক। *যোগিনীতন্ত্ৰতো* বিভিন্ন শিৱস্থানৰ বর্ণনা পোৱা যায়। শৈৱধর্মৰ দৰেই অসমৰ শাক্তধর্মৰ ঐতিহ্যও অতি প্ৰাচীন। মাতৃ উপাসক অষ্ট্ৰিক জাতিৰ সংস্কৃতিৰ প্ৰভাৱে মাতৃতন্ত্ৰ অথবা মাতৃ উপাসনাৰ ভেটি-নির্মাণ কৰিছিল বুলি ভবাৰ থল যথেষ্ট। অসমৰ জনজাতীয় সমাজত বিশেষকৈ কছাৰী, জয়ন্তীয়া, আহোম, চুটীয়া আদি জনগোষ্ঠীৰ মাজত লোকাচাৰ মতে নানা ৰূপত শক্তিপূজা কৰা হৈছিল। শঙ্কৰদেৱৰ উপৰিপুৰুষসকলো এসময়ত শাক্ত আছিল। পুৰণি অসমৰ শক্তি পীঠসমূহত বলি বিধান দি পূজা কৰা হৈছিল। কামাখ্যাৰ ভৈৰৱী মন্দিৰ আৰু কেচাইখাতীৰ আগত মানুহো বলি দিয়া হৈছিল। দেওশালসমূহত হাঁহ, পাৰ, ছাগলী, ম'হ আদি বলি দিয়া হৈছিল। শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ, মালিনী থান, ফুলবাৰী,

নীলাচলৰ কামাখ্যা, শিলঘাটৰ কামাখ্যা, নুমলিগড় আদিত অতি প্ৰাচীন কালৰে পৰাই শক্তিৰ পূজা কৰা হৈছিল।

শিৱসিংহৰ দিনত ৰজাই পৰ্বতীয়া গোঁসাইৰ দীক্ষা লৈ শাক্ত ধৰ্ম গ্ৰহণ কৰাৰ ফলত শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ শীতল সংঘৰ্ষ হ'বলৈ ধৰে। পৰ্বতীয়া গোঁসাইৰ আগমনে অসমৰ শক্তি উপাসনা পদ্ধতিলৈ পৰিবৰ্তনৰ জোৱাৰ আনে। পুৰণি অসমৰ দেৱী স্থানসমূহত পূৰ্বতে অনাৰ্য পদ্ধতিৰে পূজা চলিছিল।

আহোম ৰজাসকলৰ ভিতৰত প্ৰতাপসিংহই মাটিৰ প্ৰতিমা সজাই-দুৰ্গাপূজা কৰে। মাতৃপূজা বা শক্তিপূজা উৰ্ৰৰা বিশ্বাসৰ প্ৰতীক আৰু ইয়াৰ সৈতে কৃষিৰ সম্পৰ্ক আছে। উমা, পাৰ্বতী আৰু দুৰ্গাই ভাৰতীয় সংস্কৃতিত মাতৃপূজাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন হিচাপে প্ৰাধান্য লাভ কৰিছে। শক্তি নানান নামত আৰু ৰূপত পূজিতা।

অসমত বৈষ্ণৱ আদৰ্শও অতি প্ৰাচীন। তান্ত্ৰিক পূজা-পদ্ধতিতো বাসুদেৱ নাৰায়ণৰ উল্লেখ পোৱা যায়। বিষ্ণু বৈদিক দেৱতা। বেদত তেওঁ সূৰ্যৰে এক অভিব্যক্তি। এই বিষ্ণুৱেই কালক্ৰমত সাত্বতসকলৰ বাসুদেৱ, পঞ্চৰাত্ৰসকলৰ নাৰায়ণ, আভীৰসকলৰ গোপাল কৃষ্ণৰ লগত অভেদ হৈ শ্ৰেষ্ঠ দেৱতা ৰূপে থিয় দিছে।

প্ৰাকশংকৰী যুগৰ ভালেমান স্থাপত্য ভাস্কৰ্যত বৈষ্ণৱ ধৰ্মৰ অৱস্থিতিৰ প্ৰমাণ পোৱা গৈছে। উত্তৰ গুৱাহাটীৰ অশ্বাক্লান্তৰ অনন্তশায়ী বিষ্ণু, বৰপেটাৰ চতুৰ্ভুজ বিষ্ণু মূৰ্ত্তিৰ ভাস্কৰ্য ওখ খাপৰ। তদুপৰি হয়গ্ৰীৱ বিষ্ণু আৰু বাসুদেৱক তান্ত্ৰিক পদ্ধতিৰে পূজা কৰা হৈছিল। *কালিকাপুৰাণ, যোগিনীতন্ত্ৰত* উক্ত বাসুদেৱ আৰু হয়গ্ৰীৱ বিষ্ণু উপাসনাৰ তান্ত্ৰিক পদ্ধতিৰ উল্লেখ আছে।

অসমৰ ধৰ্মীয় ঐতিহ্যত মহাপুৰুষ শংকৰদেৱৰ ভূমিকা গুৰুত্বপূৰ্ণ। তেওঁ জাতিভেদ, বৰ্ণবৈষম্য দূৰ কৰি এখন সমতাপূৰ্ণ সমাজ গঠনৰ পোষকতা কৰিছিল। মহাপুৰুষীয়া ধৰ্মৰ মূল চাৰিবস্তু হৈছে নাম, দেৱ, গুৰু আৰু ভকত। শংকৰদেৱে জাতিভেদ অস্বীকাৰ কৰি ভোট, যৱন, গাৰো, মিৰি সকলোকে ভক্তিধৰ্মত স্থান দিছিল। তেওঁ নাট, গীত, ভাওনা আদিৰ মাধ্যমেৰে জাতি-ধৰ্ম-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে সকলোকে বৈষ্ণৱ ধৰ্মৰ ডোলেৰে বান্ধি ৰাখিছিল।

৩.৩.১ সংস্কৃত ভক্তি-সাহিত্য

বৈদিক যুগত যাগ-যজ্ঞৰ মাধ্যমেদি ধৰ্মীয় কাৰ্য সম্পাদন কৰা হৈছিল। বৈদিক যুগৰ পৰৱৰ্তী কালত সৃষ্টি হোৱা বিবিধ পু�ৰাণ-উপনিষদ আদিত জীৱাত্মা, পৰমাত্মা, মুক্তি আদি সম্পৰ্কীয় আলোচনাৰ আভাস পোৱা যায়। বৈদিক উপাসনা পদ্ধতি আছিল মূলতঃ ধ্যানযোগ কেন্দ্ৰিক।

ভাৰতীয় সনাতন ধৰ্ম আৰু সংস্কৃতিৰ ইতিহাস অতি প্ৰাচীন। ব্ৰাহ্মণ যুগৰ পৰা ধৰ্মৰ যোগেদি জনগণৰ মাজত সমন্বয়ৰ ভাবধাৰা বৃদ্ধিৰ কাৰণে প্ৰয়াস কৰা হৈছিল। ভাৰতীয় দৰ্শনৰ ঘাই উপজীব্য হ'ল উপনিষদ। ইয়াক আধাৰ হিচাপে লৈয়েই বেদান্ত দৰ্শনে বিকাশ লাভ কৰিছে। কিন্তু উপনিষদসমূহৰ মাজতো চিন্তাৰ ঐক্য দেখা নাযায়। বাদৰায়ণ ঋষিয়ে উপনিষদসমূহৰ ভাবধাৰাৰ মাজত সমন্বয় স্থাপনৰ কাৰণে ব্ৰহ্মসূত্ৰ ৰচনা কৰে আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই শঙ্কৰাচাৰ্যই বেদান্তৰ শাৰীৰিক ভাষ্য লিখে।

ৰামায়ণ, মহাভাৰত, পুৰাণ, সাহিত্য-ইত্যাদিত ৰামকথা আৰু কৃষ্ণকথাৰ বৰ্ণনা পোৱা যায়। *বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ, বায়ু পুৰাণ, কূৰ্ম পুৰাণ, ৱৰাহ পুৰাণ, অগ্নি পুৰাণ, ব্ৰহ্মপুৰাণ, গৰুড়ু পুৰাণ, স্কন্ধ পুৰাণ, পদ্মপুৰাণ* আৰু *ব্ৰহ্মবৈৱৰ্ত পুৰাণ* ইত্যাদিত ৰামকথাৰ উল্লেখ পোৱা যায়। যেতিয়াই কৰ্ম আৰু জ্ঞানৰ পৰিবৰ্তে ভক্তিৰ বিকাশ সাধিত হয় তেতিয়া বিষ্ণুৰ অৱতাৰ ৰূপত ৰামচন্দ্ৰৰ প্ৰতিষ্ঠা সম্ভৱ হৈ উঠে।

মহাভাৰতৰ পৰৱৰ্তী কালত কৃষ্ণই বিষ্ণু-নাৰায়ণ, পৰম ব্ৰহ্ম আদি ৰূপত প্ৰতিষ্ঠা লাভ কৰে। গীতাৰ আধাৰত কৃষ্ণ চৰিত্ৰৰ বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁ এক দাৰ্শনিক ব্যক্তিত্বৰ অধিকাৰী আছিল আৰু বেদ-বেদান্তৰ জ্ঞাতা স্বৰূপে পৰম দেৱত্বৰ পৰিচায়ক আছিল। পুৰাণসমূহৰ ভিতৰত *ভাগৱত পুৰাণত* কৃষ্ণৰ অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। পুৰাণৰ মতে কৃষ্ণ যোগেশ্বৰ, সচ্চিদানন্দ। *ভাগৱত পুৰাণ, হৰিবংশ, বিষ্ণু পুৰাণ, পদ্মপুৰাণ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ* আদিত শ্ৰীকৃষ্ণৰ মাহাত্ম্য বৰ্ণিত হৈছে। পুৰাণসমূহত কৃষ্ণৰ মাধুৰ্যময় আৰু ঐশ্বৰ্যময় দুয়োটা ৰূপৰে পৰিচয় পোৱা যায়।

সংস্কৃত কবি অশ্বঘোষৰ *ব্ৰহ্মচৰিতত* প্ৰথমে শ্ৰী কৃষ্ণলীলাৰ উল্লেখ পোৱা যায়। সংস্কৃত কাব্যশাস্ত্ৰৰ প্ৰসিদ্ধ গ্ৰন্থ ধন্যালোকৰ এটি শ্লোকতো কৃষ্ণৰ উল্লেখ পোৱা যায়। ইয়াৰ বাহিৰেও *'নাট্য দৰ্পন', 'অলংকাৰ কৌস্তুভ', 'কন্দৰ্পমঞ্জৰী', 'কৃষ্ণকৰ্ণামৃত', শ্ৰীশ্ৰীকৃষ্ণলীলামৃত* ইত্যাদি সংস্কৃত গ্ৰন্থত শ্ৰীকৃষ্ণৰ চৰিত্ৰ বৰ্ণিত হৈছে। জয়দেৱৰ *'গীত গোৱিন্দ' শ্ৰীকৃষ্ণৰ লীলা* সম্পৰ্কীয় এখনি প্ৰসিদ্ধ গ্ৰন্থ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতীয় ভক্তি-সাহিত্যত শিৰৰ স্থান কি? (১০০ শব্দৰ ভিতৰত)

.....

৩.৩.২ তামিল ভক্তি-সাহিত্য

ভাৰতীয় ভক্তি-সাহিত্যৰ প্ৰথম শুভাৰম্ভ ঘটে তামিল দেশত।

'ভক্তি দ্ৰাবিড় উপজৈ লায়া ৰামানন্দ।
পৰগট কিয়া কবীৰনে সপ্তদ্বীপ নৱখণ্ড।।'

তামিল দেশৰ পৰাহে পৰৱৰ্তী কালত ভক্তিধৰ্মই সমগ্ৰ ভাৰত বিয়পি পৰে। তামিল সাহিত্যৰ ইতিহাসৰ প্ৰথম কালছোৱাতে প্ৰসিদ্ধ বৈষ্ণৱ কবি আলৱাৰ আৰু শৈৱভক্ত কবি নায়নমাৰসকলৰ আবিৰ্ভাৱ হয় আৰু তেওঁলোকে ভক্তি সাহিত্যলৈ যথেষ্ট বৰঙণি যোগায়। সেইবাবেই খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ এই কালছোৱাক তামিল সাহিত্যৰ ভক্তিকাল আখ্যা দিছে। তামিল আলৱাৰসকলে বেদ, উপনিষদ আৰু

গীতাৰ ভাবধাৰাকে তামিল ভাষাত প্ৰচাৰ কৰিছিল যদিও গীতাত বৰ্ণনা কৰা তিনিবিধ মুক্তিমাৰ্গৰ ভিতৰত ভক্তিমাৰ্গকহে অধিক গুৰুত্ব দিয়া হৈছে।

আলৱাৰসকলৰ মতে বিষ্ণুৱেই একমাত্ৰ শ্ৰেষ্ঠ দেৱতা। সেয়ে তেওঁলোকে বহু দেৱতাৰ মাজত একমাত্ৰ এজন দেৱতাক প্ৰতিষ্ঠা কৰি ভক্ত আৰু ভগৱানৰ মাজত মধুৰ সম্পৰ্ক স্থাপনৰ ব্যৱস্থা কৰিছিল। পৰৱৰ্তী বৈষ্ণৱ সংস্কাৰকসকল তামিল আলৱাৰসকলৰ একেশ্বৰবাদৰ দ্বাৰা প্ৰভাৱিত হৈছিল বুলি অনুমান কৰিব পাৰি। 'নালৱিৰ দিব্যপ্ৰৱন্ধম'ক ভাৰতীয় ভক্তি-আন্দোলনৰ আদিগ্ৰন্থ আখ্যা দিব পাৰি।

আলৱাৰসকলৰ আন্দোলনকে নৱ-বৈষ্ণৱ ভক্তি-আন্দোলন আখ্যা দিব পাৰি। কিয়নো তাৰ আগলৈকে বৈষ্ণৱ ধৰ্ম মন্দিৰ-কেন্দ্ৰিক আছিল লগতে ভগৱানৰ পূজাৰ অধিকাৰ কেৱল উচ্চবৰ্ণৰ বাবেহে মুক্ত আছিল। আলৱাৰসকলে জাতি-ভেদৰ প্ৰাচীৰ আঁতৰাই ভক্তি-আন্দোলনৰ সূত্ৰপাত ঘটায়।

৩.৩.৩ মধ্যযুগীয় ভক্তি-সাহিত্য

শঙ্কৰাচাৰ্যই অদ্বৈতবাদী দৰ্শনেৰে বৈষ্ণৱ ভক্তি আন্দোলনক সুকীয়া মৰ্যাদা প্ৰদান কৰে। পৰৱৰ্তী কালত ৰামানুজে শঙ্কৰাচাৰ্যৰ অদ্বৈত আৰু মায়াবাদক স্বীকাৰ কৰি ভগৱানৰ প্ৰয়োজনীয়তাৰ বাণী জনগণৰ মাজত প্ৰচাৰ কৰে। ৰামানুজৰ পাছতেই মহাৰাষ্ট্ৰত জ্ঞানেশ্বৰ আৰু পৰৱৰ্তী কালত ৰামানন্দই ভক্তিধৰ্মৰ গুৰি বঠা ধৰি ভক্তিধৰ্মৰ সোঁত সমগ্ৰ ভাৰতত বিয়পাই দিয়ে। উত্তৰ ভাৰতত বল্লভাচাৰ্য, ধৰ্মদাস, মলুকাচাৰ্য, দাদু দয়াল, কবীৰদাস, সূৰদাস, তুলসীদাস, মীৰাবাঈ আদিয়ে ৰামভক্তি আৰু কৃষ্ণভক্তিৰ মাধ্যমেদি ভক্তিধৰ্মক জনপ্ৰিয় কৰি তোলে।

মায়া বা অবিদ্যাই আত্মজ্ঞানৰ প্ৰতিবন্ধক। সেয়ে ব্ৰহ্ম বা পৰমাত্মাৰ উপলব্ধি নহয়। মায়া বা অবিদ্যাই অসৎ জগতখনো সৎৰূপে প্ৰতিভাত কৰায়। ভাৰতীয় বৈষ্ণৱ আচাৰ্যসকল অদ্বৈতবাদী নহ'লেও শঙ্কৰাচাৰ্যৰ প্ৰভাৱৰ পৰা তেওঁলোক মুক্ত নহয়। সেয়ে মহাপুৰুষৰ লেখনিত মায়াবাদ, অদ্বৈতবাদ আদিৰ সঘন উল্লেখ পোৱা যায়। অৱশ্যে তেওঁলোক শংকৰাচাৰ্যৰ অদ্বৈতবাদতকৈ শ্ৰীধৰ স্বামীৰ টীকাৰ দ্বাৰাহে অধিকভাবে প্ৰভাৱিত হৈছে।

উত্তৰ ভাৰতৰ কবীৰদাস, সূৰদাস আৰু তুলসীদাসৰ দৰেই অসমতো শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ, অনিৰুদ্ধদেৱ আদিয়ে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি ভালেমান গীত-পদ ৰচনা কৰে। কবীৰদাসৰ দোহা, সূৰদাসৰ *সূৰসাগৰ*, তুলসীদাসৰ *ৰামচৰিত মানস* শঙ্কৰদেৱৰ *কীৰ্তনঘোষা, দশমস্কন্ধ ভাগৱত, ভক্তি-ৰত্নাকৰ, ভক্তি-প্ৰদীপ*, মাধৱদেৱৰ *নামঘোষা, ভক্তি-ৰত্নাৱলী, ৰাজসূয় কাব্য* আদিৰ লগতে ৰৱগীতসমূহ ভক্তি সাহিত্যৰ উল্লেখযোগ্য সমল। হৰিদেৱ আৰু দামোদৰদেৱেও ভক্তিগীত-পদ আদি ৰচনাৰ যোগেদি ভক্তিধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। গোপালদেৱৰ নাট, গীত আৰু তেওঁৰ শিষ্য অনিৰুদ্ধদেৱ, যদুমণি আদিৰ

গীত-পদ আদিয়ে মধ্যযুগৰ ভক্তি সাহিত্যক সমৃদ্ধ কৰিছিল। কবীৰদাস, তুলসীদাস আদিয়ে ৰামভক্তি ধাৰাৰ সমৃদ্ধিত বিশেষ অৰিহণা যোগাইছিল। ভাৰতীয় ৰামায়ণী সাহিত্যৰ সম্প্রসাৰণত তুলসীদাসৰ ৰামচৰিত মানসৰ গুৰুত্ব সর্বাধিক।

প্রচাৰেই শংকৰদেৱৰ ৰচনাৰ মূল প্রেৰণা আছিল। সেয়ে ৰচনাৰ বিভিন্ন স্থানত মূলৰ পৰা ফালৰি কাটি জনসাধাৰণৰ মনত ভগৱানৰ প্রতি ধাউতি আনিবৰ কাৰণে কৃষ্ণভক্তি প্রধান অংশবোৰ তেওঁ বহলাই বর্ণনা কৰিছিল আৰু ভক্তিধর্ম প্রচাৰত সহায়ক নোহোৱা অংশবোৰ চমুৱাই বর্ণনা কৰিছিল। এইবোৰে অসমীয়া জাতিৰ ধর্মীয়, সামাজিক আৰু সাংস্কৃতিক দিশত যথেষ্ট অৰিহণা যোগোৱা বুলি ক'ব পাৰি।

কবীৰদাস ঃ কবীৰদাস সন্তকাব্য ধাৰাৰ অন্তর্গত বিখ্যাত কবি, চিন্তাবিদ, দার্শনিক আৰু সমাজ সংস্কাৰক। তেওঁ মধ্যযুগৰ ভাৰতবাসীৰ মাজত ভক্তিধর্ম প্রচাৰৰ যোগেদি ধর্মীয় আৰু সামাজিক দিশত বৈপ্লৰিক পৰিবর্তনৰ সূচনা কৰিছিল। কবীৰৰ বাণীসমূহ অপূর্ব সাহিত্যিক ৰসেৰে সমৃদ্ধ। তেওঁ হিন্দু আৰু ইছলাম ধর্মৰ মাজত সমন্বয় স্থাপনৰ লগতে একেশ্বৰবাদত গুৰুত্ব আৰোপ কৰিছিল।

কবীৰদাসৰ বাণীসমূহ *বীজকত* সংকলিত হৈছে। তেওঁ মায়াক আদ্যাশক্তি আখ্যা দিছে। তেওঁৰ মতে মায়া ৰামৰেই শক্তি— 'তু মায়া ৰঘুনাথ কী খেলন চলী অহেড়ৈ।'

তেওঁৰ মতে মায়াৰ কার্য হৈছে সত্য তথা একত্বক ঢাকি ৰাখি বহুত্বক প্রতীত কৰোৱা, জীৱক মোহিত কৰি বিষয়াসক্ত কৰা আৰু ইন্দ্রিয় সুখৰ বাবে তৃষ্ণা জাগ্রত কৰোৱা। মায়াৰ বিচিত্র মোহিনী শক্তিৰ বাবেই মায়াক বৰ মধুৰ যেন লাগে। মানৱ শৰীৰৰ পতন হ'লেও মায়াৰ পৰা মুক্তি লাভ সম্ভৱ নহয়। তেওঁ জ্ঞান, যোগ আৰু প্রেমৰ অপূর্ব সমন্বয় সাধন কৰিছে যদিও তেওঁৰ চিন্তাধাৰাত প্রেমৰ অধিক প্রাধান্য লক্ষ্য কৰা যায়।

কবীৰৰ মতে ৰামৰ প্রেম অদ্ভুত ৰসায়ন। এই ৰস অতি মধুৰ যদিও ইয়াক পান কৰাটো অতি দুর্লভ। কোনোবাই যদি ভদৱৎ প্রেমৰ মহিমা পান কৰিছে, তেতিয়া তেওঁৰ নিচা আৰু কেতিয়াও নপলায়। ভগৱৎ প্রেমে মানৱ মনত প্রভাৱ বিস্তাৰ কৰা অহংভাবৰ পৰিসমাপ্তি ঘটাই প্রেমময় ঈশ্বৰৰ উপলব্ধিত সহায় কৰে।



জানি থোৱা ভাল

কবীৰদাস নিৰক্ষৰ আছিল। তেওঁৰ বাণীসমূহ ভক্তসকলে লিপিবদ্ধ কৰিছিল। 'বীজক'ত তেওঁৰ বাণীসমূহ সন্নিবিষ্ট হৈছে। সাখী, সৱদ আৰু কইমনী তেওঁৰ ৰচনাৰ সংকলন।

সূৰদাস ঃ হিন্দী সাহিত্যত কৃষ্ণভক্তি ধাৰাটোক সর্বতোপ্রকাৰে প্রবাহিত কৰা কবিসকলৰ ভিতৰত সূৰদাসৰ নামটো শ্রদ্ধাৰে উল্লেখ কৰিব লাগিব। সূৰদাসে সৰুতে

সঙ্গীত বিদ্যা আহৰণ কৰি ভক্তসকলৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। বল্লভাচাৰ্যৰ সান্নিধ্যলৈ অহাৰ পিছত তেওঁ সখ্য, বাৎসল্য আৰু মধুৰ ভাবৰ গীত ৰচনাত মনোনিবেশ কৰে। তেওঁৰ নামত কেইবাখনো গ্ৰন্থ পোৱা গৈছে। তাৰ ভিতৰত *সূৰ সাগৰ, সূৰ সাৰাৱলী, সাহিত্য লহৰী, সূৰ পাঁচিশী, সূৰ ৰামায়ণ, সূৰসাঠী, ৰাধা ৰসকেলি* আদি বিশেষভাবে উল্লেখযোগ্য।

জানি থোৱা ভাল



ভাৰতীয় কৃষ্ণভক্ত কবিসকলৰ ভিতৰত সূৰদাস অন্যতম। সমালোচকসকলে 'সূৰ সূৰ, তুলসী শশী'— অৰ্থাৎ সূৰদাসক সূৰ্যৰ সৈতে আৰু তুলসীদাসক চন্দ্ৰৰ সৈতে তুলনা কৰিছে।

সূৰদাসৰ কাব্য কৃষ্ণভক্তিপ্ৰধান। সূৰ সাগৰত ৰাধা-কৃষ্ণৰ অনেক লীলাৰ মনোৰম বৰ্ণনা পোৱা যায়। ভাগৱত পুৰাণৰ অনুকৰণত দ্বাদশ স্কন্ধত সমাপ্ত হ'লেও সূৰদাসৰ সূৰ-সাগৰত কবিৰ মৌলিকতা বিদ্যমান। এইখনি গ্ৰন্থত কবিয়ে ভগৱান শ্ৰীকৃষ্ণৰ শৈশৱ আৰু কৈশোৰৰ বিবিধ লীলাৰ আনুভূতিক চিত্ৰ অঙ্কন কৰিছে। তেওঁৰ কাব্যত শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ লগতে মাতৃ আৰু পুত্ৰৰ মাজৰ মধুৰ সম্পৰ্কৰ চিত্ৰ অঙ্কন কৰা হৈছে। ভক্তিৰ লগে লগে শৃঙ্গাৰৰ বৰ্ণনাতো কবিয়ে অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰিছে। প্ৰবাসজনিত বিৰহ প্ৰসঙ্গত *'ভ্ৰমৰ গীত'* সূৰকাব্যৰ উল্লেখযোগ্য নিদৰ্শন। ইয়াত আধ্যাত্মিকতাৰ লগতে কাব্যিকতাও বিদ্যমান।

সূৰদাসে পুষ্টিমাৰ্গীয় ভক্তি পদ্ধতি অনুসৰণ কৰিছিল। ভগৱৎ কৃপা লাভৰ কাৰণে সূৰদাসৰ ভক্তি পদ্ধতিত অনুগ্ৰহৰ প্ৰাধান্য অধিক।

মীৰাবাঈ ঃ মীৰাবাঈ এগৰাকী আগশাৰীৰ গীতিকাৰ আৰু কবি আছিল। তেওঁ আছিল চিতোৰৰ ৰাজ পৰিয়ালৰ সদস্যা। বিবাহৰ পিছত পতি-বিয়োগ ঘটাত একান্ত কৃষ্ণভক্ত কবিগৰাকীয়ে 'গিৰিধৰ গোপাল'ক পতি ৰূপে ঘোষণা কৰি কৃষ্ণৰ গীত গাই ধৰ্মীয় জীৱন যাপন কৰিছিল। ৰাজ পৰিয়ালৰ বাধা সত্ত্বেও তেওঁ সেই বাধা অতিক্ৰম কৰি সাধাৰণ জীৱন যাপন কৰিছিল। তেওঁৰ গীতত ভক্তিভাবৰ আকুলতা, গভীৰতা আৰু ঐকান্তিক নিষ্ঠাৰ পৰিচয় পোৱা যায়। মধ্যযুগীয় ভক্তি সাহিত্যৰ কৃষ্ণভক্তি ধাৰাটোক সমৃদ্ধ কৰাত মীৰাবাঈৰ ভজনসমূহৰ গুৰুত্ব সৰ্বাধিক। এইবোৰ অতি জনপ্ৰিয় আছিল আৰু বৰ্তমানো তাৰ জনপ্ৰিয়তা হ্ৰাস পোৱা নাই।

তুলসীদাস ঃ হিন্দী সাহিত্যৰ উল্লেখযোগ্য ৰামভক্ত কবি তুলসীদাসৰ 'ৰামচৰিত মানস'ৰ আগতে বিষ্ণুদাস, ঈশ্বৰদাস প্ৰভৃতি কবিয়ে কেইবাখনো গুৰুত্বপূৰ্ণ কাব্য ৰচনা কৰে। হিন্দী ৰামকাব্য পৰম্পৰাৰ বিকাশত স্বামী ৰামানন্দৰ ৰামায়ত সম্প্ৰদায়ৰ গুৰুত্ব অনস্বীকাৰ্য। *'ৰামৰক্ষাস্তোত্ৰ'* ৰামানন্দৰ উল্লেখযোগ্য ৰচনা। এই পৰম্পৰাৰে আন

এগৰাকী উল্লেখযোগ্য কবি হ'ল অগ্রদাস, যি ধ্যানমঞ্জৰী, ৰামভঞ্জন মঞ্জৰী আৰু পদাৱলী ৰচনা কৰিছিল।

তুলসীদাসৰ জন্ম হয় ৰাজাপুৰত। জনশ্রুতি অনুসৰি তুলসীদাসৰ পিতৃৰ নাম আছিল আত্মাৰাম ডুবে আৰু মাতৃৰ নাম আছিল হুসলী। আচার্য ৰামচন্দ্র শুক্লই তেওঁক সৰযুপাৰীণ ব্রাহ্মণ বুলিছে। তুলসীদাসে নৰহৰিদাসৰ তত্ত্বাৱধানত জ্ঞান ভক্তিৰ শিক্ষা লাভ কৰি দীনবন্ধু পাঠকৰ কন্যা ৰত্নাৱলীৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। পত্নীৰ দ্বাৰা ৰ্ভৎসনাৰ সন্মুখীন হৈ তেওঁ পার্থিৱ প্রেমৰ পৰিৱর্তে ভগৱৎ প্রেমৰ প্রতি গভীৰভাবে আকর্ষিত হৈ পৰে।

আচার্য ৰামচন্দ্র শুক্লই তুলসীদাসৰ মুঠ বাৰখন গ্রন্থৰ নাম উল্লেখ কৰিছে। তাৰ ভিতৰত *দোহাৱলী, কবিতাৱলী, ৰামায়ণ, গীতাৱলী, ৰামচৰিত মানস, ৰামজ্ঞা প্রশ্নাৱলী, বিনয়পত্রিকা, ৰামললানহছু পার্বতীমঙ্গল, জানকীমঙ্গল, বৰবৈ ৰামায়ণ, বৈৰাগ্য সন্দিপনী আৰু কৃষ্ণগীতাৱলী* উল্লেখযোগ্য। তুলসীদাসৰ ৰচনাত তাৰ বৈচিত্র দেখিবলৈ পোৱা যায়। ৰামচৰিতমানসত তুলসীদাসে ৰাম আৰু শিৱক পৰস্পৰৰ প্রতি ভক্ত ৰূপত অংকিত কৰিৰ শৈৱ আৰু বৈষ্ণৱ সম্প্রদায়ৰ মাজত সমন্বয় সাধন কৰিছিল। তেওঁৰ কাব্যত কবিয়ে ৰামচন্দ্রক ভগৱানৰ মানৱ অৱতাৰ ৰূপত প্রতিষ্ঠা কৰিবলৈ যত্ন কৰিছে। তেওঁৰ ৰচনাত কোনো কোনো ক্ষেত্রত ৰামক বিষ্ণুতকৈয়ো শ্রেষ্ঠ দেৱতা হিচাপে দেখুওৱা হৈছে। এগৰাকী ভক্তকবি হিচাপে কবিয়ে ৰামচৰিত মানসত ৰামচন্দ্রক এগৰাকী মুখ্য দেৱতা হিচাপে প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰাটো স্বাভাৱিক। ৰামচৰিত মানসত কবিগৰাকীৰ সমন্বয়ৰ অবিৰত প্রয়াস লক্ষ্য কৰা যায়। ৰামচন্দ্রৰ জীৱনৰ কার্যাৱলীৰ সৈতে আধ্যাত্মিক গুণাৱলীৰ সংযোগে গ্রন্থখনিৰ জনপ্রিয়তা বৃদ্ধিত সহায় কৰিছে।

শঙ্কৰদেৱ ঃ অসমৰ ধর্ম, সমাজ আৰু সংস্কৃতিৰ লগতে সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াই মধ্যযুগৰ অসমীয়া সমাজখনত বিশেষ ধর্মীয় পুনৰজাগৰণৰ সূচনা কৰোঁতা মহাপুৰুষ এগৰাকী আছিল শ্রীমন্ত শঙ্কৰদেৱ। তেওঁৰ পূর্বপুৰুষ চণ্ডীবৰ গৌড়দেশৰ পৰা কামৰূপলৈ প্রব্রজিত হৈছিল।

শঙ্কৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞাৰ দুগৰাকী পত্নী আছিল সত্যসন্ধ্যা আৰু অনুধৃতি। গোপেশ্বৰ শিৱক সন্তুষ্ট কৰি পুত্র লাভ কৰা বাবে কুসুম্বৰে পুতেকৰ নাম ৰাখিছিল শঙ্কৰ। সন্তৰাম দৈৱজ্ঞই জাতকৰ কোষ্ঠী গণনা কৰি তেওঁৰ নাম ৰাখিলে গঙ্গাধৰ (গুপ্ত নাম) আৰু শঙ্কৰ (প্রকাশ্য নাম)। শঙ্কৰদেৱৰ জন্মৰ কিছুদিন পিছত অনুধৃতিৰ এটি পুত্রসন্তান জন্ম হয় আৰু তেওঁৰ নাম ৰখা হয় বনগঞা।

সৰুতে পিতৃ বিয়োগ ঘটাত বুঢ়ীমাক খেৰসূতীয়ে শংকৰদেৱক লালন পালন কৰাৰ বাবে বুঢ়ীমাক খেৰসুতীৰ প্রভাৱ তেওঁৰ ওপৰত যথেষ্ট পৰিমাণে পৰে। খেল-ধেমালিৰ মাজতে শঙ্কৰদেৱে বাৰ বছৰ পাৰ কৰাৰ পিছত বুঢ়ীমাকে তেওঁক মহেন্দ্র কন্দলীৰ টোলত নামভর্ত্তি কৰি দিলে আৰু শুভদিন চাই তেওঁৰ বিদ্যাৰম্ভ কৰা হয়। অতি কম দিনৰ ভিতৰতে শঙ্কৰদেৱে চাৰিবেদ, চৈধ্য শাস্ত্র, ওঠৰ পুৰাণ, সংহিতা, ব্যাকৰণ, কাব্য, ৰামায়ণ, মহাভাৰত, কোটিল্যৰ অর্থশাস্ত্র আদিৰ জ্ঞান আয়ত্ব কৰে।

বৰ্ণমালা শিকিয়েই শঙ্কৰদেৱে 'কৰতল কমল' শীৰ্ষক কবিতা লিখাত গুৰু অতিশয় মোহিত হৈ তেওঁৰ নামৰ পিছত দেৱ শব্দটো সংযোগ কৰে।

ডাঙৰ হৈ শঙ্কৰদেৱে সামাজিক আৰু আধ্যাত্মিক উভয় দিশতে নেতৃত্ব প্ৰদান কৰিছিল। ১৪৮১ খ্ৰী.ত প্ৰায় ৩২ বছৰ বয়সত শংকৰদেৱ প্ৰথম বাৰৰ বাবে তীৰ্থ ভ্ৰমণলৈ যায়। তাৰ পিছতেই তেওঁ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ আৰু প্ৰসাৰত একাণপতীয়াভাবে মনোনিবেশ কৰে। তেওঁ শিৰোমণি ভূঞা পদ গ্ৰহণ নকৰি ঘৰতে এটি নামঘৰ নিৰ্মাণ কৰি হৰিনাম শ্ৰৱণ-কীৰ্তনত মনোনিৱেশ কৰে। তাৰ পাছতেই কছাৰীৰ উপদ্ৰৱত থাকিব নোৱাৰি উত্তৰ পাৰলৈ যায় যদিও তাতো ডফলা আৰু ভোটৰ উপদ্ৰৱ হোৱাত উজাই গৈ মাজুলীৰ ধুৰাহাটা-বেলগুৰিত আশ্ৰয় গ্ৰহণ কৰেগৈ। আহোম ৰাজ্যত কিছুদিন থকাৰ পিছত তেওঁ কোচ ৰাজ্যলৈ গমন কৰে। কোচৰজাই শঙ্কৰদেৱৰ সাহিত্যৰ উমান পাই ৰাজ্যত বসবাসৰ সুবিধা কৰি দিয়ে।

শঙ্কৰদেৱে ভাগৱত পুৰাণক আধাৰ হিচাপে লৈ নৱ-বৈষ্ণৱ ভক্তিধৰ্মৰ পাতনি মেলিছিল। ঈশ্বৰ উপাসনাৰ লগতে দয়া, প্ৰেম, সমতা আৰু মানৱীয় বৃত্তিসমূহৰ বিকাশ সাধনতো তেওঁ সমানেই গুৰুত্ব আৰোপ কৰিছিল। মাধৱদেৱৰ সৈতে লগ লাগি তেওঁ সাহিত্য সৃষ্টিতো বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল। তেওঁৰ ৰচনাসমূহ চমুকৈ এনেদৰে ভগাব পাৰি।

কাব্য ঃ *হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ, বলিছলন, অমৃত মন্থন, অজামিল উপাখ্যান* আৰু *কুৰুক্ষেত্ৰ*।

ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ ঃ *ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, নিমি নৱ সিদ্ধ সংবাদ* আৰু *অনাদি পাতন*।

অনুবাদমূলক ঃ *ভাগৱতৰ ১ম, ২য়, ষষ্ঠ (অজামিল উপাখ্যান মাত্ৰ)* ৮ম *(বলিছলন, অমৃত মন্থন), ১০ম, ১১শ স্কন্ধ আৰু উত্তৰাকাণ্ড ৰামায়ণ*।

অঙ্কীয়া নাট ঃ *পত্নীপ্ৰসাদ, কালিয়দমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাতহৰণ আৰু ৰামবিজয়* নাটক।

গীত ঃ বৰগীত, ভটিমা, টোটয় আৰু চপয়।

নাম-প্ৰসঙ্গ ঃ *কীৰ্তন ঘোষা* আৰু *গুণমালা* ।

শঙ্কৰদেৱ অঙ্কীয়া নাটৰ জন্মদাতা। তেওঁ ভক্তিধৰ্ম প্ৰচাৰৰ প্ৰধান আহিলা হিচাপে নাটক আৰু গীত ৰচনা কৰিছিল। তেওঁ প্ৰথম তীৰ্থযাত্ৰাকালত বদৰিকাশ্ৰমত 'মন মেৰি ৰাম চৰণাহি লাগু' শীৰ্ষক বৰগীতটি ৰচনা কৰে। *কীৰ্তন ঘোষা* হৈছে মহাপুৰুষ শংকৰদেৱৰ সাহিত্যিক জীৱনৰ শ্ৰেষ্ঠ কীৰ্তিস্তম্ভ। শংকৰদেৱে জীৱনৰ শেষ কালছোৱা কোচবেহাৰতে কটায়। ১৫৬৮ খ্ৰীষ্টাব্দত তেওঁ ইহলীলা সম্ৱৰণ কৰে।

বিষ্ণু প্ৰসাদ ৰাভাই শঙ্কৰদেৱক 'কৃষ্টিৰ আকৰ' বুলি অভিহিত কৰিছে। অসমৰ ধৈৰ্য, সমাজ, সুকুমাৰ কলা, আৰু সাহিত্যৰ ক্ষেত্ৰত মহাপৰুষ শঙ্কৰদেৱে যি দান দি গ'ল তাৰ তুলনা পাবলৈ নাই। তেওঁ জাতিভেদ, বৰ্ণ-বৈষম্য দূৰ কৰি গণতান্ত্ৰিক সমাজ গঠনৰ পোষকতা কৰিছিল।

চৈতন্যদেৱ ঃ মধ্যযুগীয় সগুণ ভক্তিধাৰাত কৃষ্ণভক্তিয়ে ভক্তসকলৰ মাজত বিশেষ প্ৰাধান্য লাভ কৰিছে। ভাগৱত পু�ৰাণত কৃষ্ণৰ গুৰুত্ব অধিক। পুৰাণসমূহত শ্ৰীকৃষ্ণৰ ঐশ্বৰ্যময় আৰু মাধুৰ্যময় ৰূপৰ বৰ্ণনা পোৱা যায়। ভাগৱত পুৰাণত ৰাধা চৰিত্ৰৰ উল্লেখ নাথাকিলেও মধ্যযুগৰ বিভিন্ন ভক্ত কবিৰ ৰচনাত ৰাধাই শ্ৰীকৃষ্ণৰ হলাদিনী শক্তি ৰূপত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। গৌড়ীয় বৈষ্ণৱ সম্প্ৰদায়ৰ প্ৰৱৰ্তক চৈতন্যদেৱে শ্ৰীকৃষ্ণক 'ব্ৰজেন্দ্ৰ কুমাৰ' নামেৰে অভিহিত কৰিছে।

চৈতন্যদেৱৰ মতে শ্ৰীকৃষ্ণই পৰমতত্ত্ব, পূৰ্ণজ্ঞান আৰু পূৰ্ণানন্দ স্বৰূপ। শ্ৰীকৃষ্ণৰ অনন্ত শক্তিৰ ভিতৰত ৰাধা হ'ল তেওঁৰ হলাদিনী শক্তি। '*চৈতন্য চৰিত্ৰামৃত*' গ্ৰন্থত উভয়ৰে স্বৰূপ তথা শক্তিৰ সাৱলীল বৰ্ণনা পোৱা যায়।

চৈতন্যদেৱৰ আবিৰ্ভাৱ হয় ১৪৮৬ খ্ৰীষ্টাব্দত আৰু মহাপ্ৰয়াণ ঘটে ১৫৩৩ খ্ৰীষ্টাব্দত। বঙ্গদেশৰ নবদ্বীপত তেওঁ জন্মগ্ৰহণ কৰে। তেওঁৰ আন এটা নাম গৌৰাঙ্গ।

'চৈতন্য চৰিত্ৰামৃত' চৈতন্যদেৱ ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত এখনি অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ। ১৫১০ খ্ৰীষ্টাব্দত ২৪ বছৰ বয়সত চৈতন্যদেৱে সন্ন্যাস ধৰ্মত দীক্ষা গ্ৰহণ কৰে আৰু দীক্ষাগুৰু কেশৱ ভা�ৰতীয়ে তেওঁৰ নাম ৰাখে কৃষ্ণচৈতন্য। তেওঁৰ ভক্তি ভাৱনাৰ আধাৰবিন্দু আছিল প্ৰেম, সমতা আৰু ভাবুকতা। তেওঁ নিজৰ নামত কোনো মত, পন্থ বা সম্প্ৰদায়ৰ সৃষ্টি কৰা নাছিল। বিভিন্ন সময়ত বিভিন্ন লোক তেওঁৰ সান্নিধ্যলৈ আহে আৰু পিছত চৈতন্য প্ৰৱৰ্ত্তিত মতৰ সৈতে একাত্ম হৈ যায়। চৈতন্য মতৰ দাৰ্শনিক সিদ্ধান্ত হৈছে 'অচিন্ত্য-ভেদাভেদ'। বলদেৱ বিদ্যাভূষণৰ 'গোবিন্দ-ভাষ্য'ত এই সিদ্ধান্তক ব্যাপক ধৰাতলৰ ওপৰত প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰা হৈছে। তেওঁ ঈশ্বৰ, জীৱ, প্ৰকৃতি, কাল আৰু কৰ্ম এই পাঁচোটা তত্ত্ব স্থিৰ কৰি ঈশ্বৰক সৰ্বজ্ঞ, স্বতন্ত্ৰ, মুক্তিদাতা, বিমূৰ্ত্তচৈতন্য আৰু বিষ্ণুস্বৰূপ বুলিছে। ঈশ্বৰ জগতৰ নিমিত্ত আৰু উপাদান কাৰণ। যিকোনো স্বৰূপতে তেওঁ অবিকৃত হৈ থাকে। মুক্তিৰ মুখ্য সাধন হৈছে ভক্তি যাৰ পাঁচোটা ভেদ বিদ্যমান; শান্ত, দাস্য, সখ্য, বাৎসল্য আৰু মধুৰ। মধুৰ ভাবত ভক্ত আৰু ভগৱানৰ মাজৰ সম্পৰ্ক স্ত্ৰী-পুৰুষৰ লেখীয়া। ৰাসলীলাৰ ভাবো এয়ে। বঙ্গীয় কবি চৈতন্যদেৱে এই মধুৰ ভাবকেই শ্ৰেষ্ঠ ভাব বুলিছে।

শ্ৰীকৃষ্ণ পূৰ্ণ আনন্দস্বৰূপ আৰু অনন্ত শক্তিৰ আধাৰ। তেওঁৰ এক হলাদিনী শক্তি আছে— ৰাধা এই শক্তিৰ ৰূপ। '*চৈতন্যচৰিত্ৰামৃত*' গ্ৰন্থত ৰাধা আৰু কৃষ্ণৰ স্বৰূপ আৰু শক্তিৰ বিস্তৃত বৰ্ণনা পোৱা যায়।

মাধৱদেৱ ঃ গোবিন্দগিৰি ভূঞাৰ ঔৰষত আৰু তেওঁৰ পত্নী মনোৰমাৰ গৰ্ভত ১৪১১ শকৰ জেঠ মাহৰ ৰবিবাৰে ৰাতি দুপৰত মাধৱদেৱৰ জন্ম হয়। দৈৱজ্ঞই গণনা কৰি জাতকৰ নাম ৰাখে মাধৱ। হৰিশিঙা বৰাৰ আশ্ৰয়তে কিছুদিন কটাই বৰাৰ মৃত্যুৰ পিছত তেওঁলোকে ঘাঘৰ মাজীৰ আশ্ৰয় গ্ৰহণ কৰে। তাতেই মাধৱদেৱৰ ভনীয়েক উৰ্বশীৰ জন্ম হয়। উৰ্বশী ডাঙৰ হোৱাত গয়াপাণি ভূঞা বা ৰামদাসলৈ বিয়া দি তেওঁলোক পুনৰ বাণ্ডুকালৈ উভটি যায়।

কিছুদিন পিছত মাকৰ টান নৰিয়া হোৱা বুলি গম পাই মাধৱদেৱ চিন্তিত হয় আৰু গোঁসানী পূজাৰ কাৰণে এযোৰ ছাগলী আনিবলৈ জোঁৱায়েকৰ হাতত টকা দিয়ে যদিও যথা সময়ত জোঁৱায়েকে ছাগলী আনি নিদিয়াত জোঁৱায়েকক টান কথা শুনোৱাত জোঁৱায়েকে শঙ্কৰদেৱৰ ধৰ্মৰ কথা কয় আৰু তেওঁৰ লগত কথা পাতিবৰ বাবে পৰামৰ্শ দিয়ে। পিছদিনা দুয়ো শংকৰদেৱৰ ওচৰলৈ গৈ ধৰ্ম আৰু শাস্ত্ৰ সম্পৰ্কীয় গভীৰ তৰ্কত লিপ্ত হয় আৰু অৱশেষত মাধৱদেৱে শঙ্কৰদেৱৰ ওচৰত বশ্যতা স্বীকাৰ কৰি তেওঁক গুৰু মানি লয়। তাৰ পাছতেই শঙ্কৰদেৱৰ ওচৰত শৰণ লৈ একনিষ্ঠভাৱে একশৰণ নামধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰিলে। সেই সময়ত মাধৱদেৱে এগৰাকী কায়স্থ কন্যাক জোৰোণ পিন্ধাই থৈছিল যদিও পিছত ঘৰ-সংসাৰতকৈ ধৰ্মৰ প্ৰতিহে অধিক মন ঢাল খোৱাত গুৰু সেৱা, ধৰ্মপ্ৰচাৰ আৰু ভগৱানৰ নাম-কীৰ্তনতেই জীৱনৰ বাকীবোৰ দিন পাৰ কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিলে।

শিষ্য হিচাপে মাধৱদেৱৰ গুৰুভক্তি আছিল অতুলনীয়। তেওঁ নিতৌ পুৱা-গধূলি গুৰুসেৱা কৰাৰ লগতে তেওঁৰ সকলো প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰিছিল। তীৰ্থভ্ৰমণৰ কালছোৱাতো মাধৱদেৱ গুৰুজনাৰ কাষতে থাকি তেওঁৰ প্ৰতি সেৱা আগবঢ়াইছিল। শংকৰদেৱ পাটবাউসীত থকা সময়ত মাধৱদেৱ আৰু নাৰায়ণ ঠাকুৰে বাৰাদিৰ পৰা গৈ শঙ্কৰদেৱৰ সেৱা কৰিছিল। মহাৰাজ নৰনাৰায়ণৰ অনুৰোধত শংকৰদেৱে তাঁতীকুছিত যি বৃন্দাবনী বস্ত্ৰ বোৱাইছিল, সেই কাৰ্যত মাধৱদেৱে যথেষ্ট সহায় কৰিছিল।

চিলাৰায়ৰ পত্নী ভুৱনেশ্বৰীৰ অনুৰোধ ৰক্ষাৰ্থে শংকৰদেৱৰ নিৰ্দেশত মাধৱদেৱে ৭০০ পদেৰে '*জন্মৰহস্য*' নামৰ শাস্ত্ৰখনি ৰচনা কৰিছিল। শংকৰদেৱ বেহাৰলৈ যোৱাৰ আগমুহূৰ্তত তেওঁ মাধৱদেৱক তাল, মালা, শক্তি, ভক্তি, বল, বীৰ্য, পৰাক্ৰম প্ৰভৃতি সকলোখিনি সমৰ্পণ কৰি গৈছিল। বেহাৰত থকা সময়তেই ১৪৯০ শকৰ ভাদ্ৰ মাহৰ শুক্লা দ্বিতীয়া তিথিত শঙ্কৰদেৱৰ মহাপ্ৰয়াণ ঘটে।

মাধৱদেৱে বাৰগৰাকী ধৰ্মাচাৰ্য নিয়োগ কৰি ধৰ্মপ্ৰচাৰৰ বাবে অনুপ্ৰাণিত কৰিছিল। শংকৰদেৱৰ দৰেই মাধৱদেৱেও কাব্য, নাটক, গীত আদি ৰচনা কৰি ভক্তিধৰ্ম আৰু সাহিত্যৰ পৰিপুষ্টিত অৰিহণা যোগায়। তেওঁৰ ৰচনাসমূহ এনেধৰণৰ ঃ *নামঘোষা, ভক্তি-ৰত্নাৱলী, জন্মৰহস্য, নামমালিকা, ৰাজসূয় কাব্য, আদিকাব্য ৰামায়ণ* ইত্যাদি। মাধৱদেৱে *অৰ্জুন ভঞ্জন, চোৰধৰা, পিম্পৰা গুছোৱা, ভোজন বেহাৰ, ভূমি লেটোৱা* আদি নাট ৰচনা কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত বৰগীতৰ সংখ্যা ১৫৭ টা। তেওঁ ৰচনা কৰা ভটিমাসমূহৰ ভিতৰত গুৰু ভটিমা বিশেষভাবে উল্লেখযোগ্য।

মাধৱদেৱ অকল ধৰ্মপ্ৰচাৰকেই নাছিল, তেওঁ আছিল কবি, গীতিকাৰ, নাট্যকাৰ, গায়ক, অভিনেতা আৰু এগৰাকী সমাজ সংস্কাৰক। ধৰ্মৰ জটিল তত্ত্ববোৰ তেওঁ অতি সাৱলীল ভাষাত জনসাধাৰণক বুজাই দিবলৈ সক্ষম হৈছিল।

দামোদৰদেৱ ঃ দামোদৰদেৱ শঙ্কৰদেৱতকৈ প্ৰায় দুকুৰি বছৰৰ কনিষ্ঠ আছিল আৰু তেওঁৰ জন্ম হৈছিল ১৪৮৮ খ্ৰীষ্টাব্দত। নীলকণ্ঠদাসৰ চৰিতপুথি মতে তেওঁৰ

পূৰ্বপুৰুষসকল কমতাৰ ৰজা দুৰ্লভনাৰায়ণৰ ৰাজত্বকালত অসমলৈ অহা সাতঘৰ ব্ৰাহ্মণৰ মাজৰে এঘৰ আছিল। এওঁলোকে প্ৰথমে হাজোত কিছুদিন থাকি পিছত ৰৱদোৱালৈ উঠি যায়। দামোদৰদেৱে ৰৱদোৱাৰ কলাপচন্দ্ৰ অধ্যাপকৰ ওচৰত শাস্ত্ৰজ্ঞান লাভ কৰে।

দামোদৰদেৱৰ পৰিয়ালটো বৈষ্ণৱ পৰম্পৰাত বিশ্বাসী আছিল। শংকৰদেৱ পাটবাউসীত থকা কালছোৱাত দামোদৰদেৱে শংকৰদেৱৰ কায চপাত তেওঁৰ ভক্তিৰ দৃঢ়তা দেখি শংকৰদেৱে তেওঁক আজ্ঞা দিছিল এনেদৰে ঃ

'ব্ৰাহ্মণ সজ্জন লোক যতেক আছয়
ভজায়ো সবাকে তুমি নাহিকে সংশয়।।'

শংকৰদেৱৰ নিৰ্দেশ অনুসৰি দামোদৰদেৱে পাটবাউসীত থান প্ৰতিষ্ঠা কৰি ধৰ্মপ্ৰচাৰত মনোনিবেশ কৰে। দামোদৰদেৱৰ মতে শংকৰদেৱ 'ভকতৰ কল্পতৰু' আৰু সেয়ে তেওঁ ৰামদাসৰ পৰিবৰ্তে শংকৰদেৱৰ ওচৰত শৰণ গ্ৰহণ কৰিছিল। অৱশ্যে ৰমানন্দ দ্বিজ আৰু চক্ৰপাণি বৈৰাগীৰ মতে গুৰুজনাৰ আজ্ঞানুসৰি দামোদৰে ৰামৰাম আতাৰ পৰা শৰণ লৈছিল।

দামোদৰদেৱৰ নামত কেৱল তিনিটা গীতৰ প্ৰচলন আছে। এই গীত কেইটাও ৰৱগীতৰ প্ৰভাৱ স্পষ্ট। দামোদৰদেৱৰ অন্যতম শিষ্য ভট্টদেৱে দামোদৰদেৱৰ আজ্ঞানুসৰি ভাগৱতকথা ৰচনা কৰিছিল।

দামোদৰদেৱৰ আন শিষ্যসকল আছিল বংশীগোপাল দেৱ, গোলাপ মিশ্ৰ, অৰ্জুনদেৱ আৰু ৰামৰায়।



জানি থোৱা ভাল

দামোদৰদেৱৰ পিতৃ সদানন্দ দ্বিজ এগৰাকী সংস্কৃতৰ পণ্ডিত আৰু মাতৃ সুশীলা দেৱী এগৰাকী ধৰ্মপ্ৰাণ মহিলা আছিল। ১৪১০ শকৰ ফাগুণ মাহৰ শুক্লা একাদশীত (১৪৮৮ খ্ৰীঃ) দামোদৰদেৱৰ জন্ম হয়। কলাপচন্দ্ৰ নামৰ নৱদ্বীপৰ ব্ৰাহ্মণ পণ্ডিতৰ তত্ত্বাৱধানত দামোদৰদেৱে শিক্ষাগ্ৰহণ কৰে। ৰামৰায়ৰ 'গুৰুলীলা'ৰ উল্লেখ অনুসৰি দামোদৰদেৱৰ দীক্ষাগুৰু এগৰাকী সিদ্ধ-সন্ন্যাসী ঃ

'আমিলন্ত নাৰদ সন্ন্যাসী
দামোদৰে আৰাধিলা ভক্তি ভাব কৰি।।
.....
জীৱ উদ্ধাৰিতে অক্ষ তত্ত্বজ্ঞান দিয়া
দীক্ষাজ্ঞান দিয়া ঋষি বৈকুণ্ঠে চলিলা।'

দামোদৰদেৱ নিজে কোনো গ্ৰন্থ ৰচনা কৰা নাছিল যদিও শিষ্যসকলক গ্ৰন্থ ৰচনাৰ বাবে প্ৰেৰণা যোগাইছিল।

হৰিদেৱ ঃ হৰিদেৱী পন্থৰ প্ৰৱৰ্তক হৰিদেৱ। হৰিদেৱৰ ভণিতা থকা কিছু গীত আৰু দুখনি পুথি সম্প্ৰতি পোহৰলৈ আহিছে। পুথি দুখনৰ নাম ক্ৰমে '*শৰণ সংহিতা*' আৰু '*ভক্তিৰস তৰঙ্গিনী*'। *শৰণ সংহিতাত* বিভিন্ন সংস্কৃত গ্ৰন্থৰ পৰা চয়ন কৰা মুঠ ২৭৮ টা শ্লোক আৰু তাৰ অসমীয়া পদ ভাঙনি আছে। দ্বিতীয়খনত সংস্কৃত সাহিত্যৰ পৰা অনা সৰ্বমুঠ ১০৯১ টা শ্লোক তেৰটা স্তৱকত সংকলিত হৈছে। অৱশ্যে হৰিদেৱৰ ৰচনাৱলীৰ প্ৰামাণিকতা সন্দেহৰ উৰ্দ্ধত নহয়। কিয়নো হৰিদেৱৰ বিষয়ে ৰচিত কোনো চৰিত পুথিতে হৰিদেৱে গ্ৰন্থ ৰচনা কৰাৰ উল্লেখ পোৱা নাযায়। আনহাতে বনগঞাগিৰিৰ নামত যিখন চৰিত পোৱা গৈছে, সেয়াও বিশ্বাসযোগ্য নহয়। কাৰণ, শংকৰ-মাধৱৰ পীড়িত কোনো লোকে চৰিত ৰচনা কৰাৰ তথ্য পোৱা নাযায়। তেনে স্থলত বনগঞাগিৰিৰ নামত সদ্য আৱিষ্কৃত চৰিত্ৰখনি সন্দেহৰ উৰ্দ্ধত নহয় বুলি মহেশ্বৰ নেওগকে ধৰি শংকৰী সাহিত্যৰ গৱেষকসকলে মতপোষণ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ মধ্যযুগৰ ভক্তি সাহিত্যলৈ অৱিহণা যোগোৱা ভক্ত কবিসকলৰ অৱদানৰ বিষয়ে চমুকৈ লিখক (১০০ শব্দৰ ভিতৰত)

.....

৩.৪ শাক্ত ভক্তিসাহিত্য

৩.৪.১ *পদ্মাপুৰাণ*

পদ্মাপুৰাণত সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী মনসাৰ কাহিনীভাগ বৰ্ণনা কৰা হৈছে। মনসাই সৰ্পভয় নিবাৰণ কৰে আৰু উপাসকক সকলো প্ৰকাৰৰ বিভূতি-বৈভৱ প্ৰদান কৰে বুলি জনসাধাৰণৰ মাজত বিশ্বাস প্ৰচলিত হৈ আহিছে।

বঙ্গীয় পণ্ডিত ক্ষিতিমোহন সেনে দাক্ষিণাত্যৰ '*মঞ্চমা*'ৰ পৰাই মনসা নামৰ উৎপত্তি হোৱা বুলি অভিমত দাঙি ধৰে। মাতৃতান্ত্ৰিক সমাজৰ প্ৰভাৱ দক্ষিণ ভাৰতত বিশেষকৈ কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, মহীশূৰ আদিত আজিও বিদ্যমান। *মঞ্চমা* সৰ্পদেৱী কিন্তু মনসা বিষহৰিণী, মানৱজাতিৰ দেৱী। গতিকে সুকুমাৰ সেনৰ মতে মঞ্চমাৰ পৰা মনসাৰ উৎপত্তি হোৱা নাই। বৌদ্ধ সাহিত্যত মনসাক বিষনাশিনী দেৱী হিচাপে স্বীকৃতি দিয়া হৈছে।

কোনো কোনোৰ মতে শিৱৰ মনৰ পৰা সৃষ্টি হোৱা দেৱীয়ে মনসা। *ব্ৰহ্মবৈৱৰ্তপুৰাণত* তেওঁক কাশ্যপৰ মানস কন্যা বোলা হৈছে। মাৰি-মৰকৰ অধিষ্ঠাত্ৰী ৰূপে মনসা দেৱীক কামৰূপৰ লোকে মাৰৈ বোলে। আনহাতে বড়োসকলে নাগপূজাক মাৰৈ পূজা বোলে।

পদ্মদলত জন্ম হোৱাৰ বাবে মনসা দেৱীৰ আন এটা নাম পদ্মা। জৈন ধৰ্মত পদ্মাৱতী বিষহৰিণী দেৱী ৰূপে খ্যাত। অসমীয়া পাঁচালী কবিসকলে মনসাক পদ্মা নামেৰে অভিহিত কৰিছে। অসমৰ মনসা কবিসকল হ'ল মনকৰ, দুর্গাবৰ আৰু সুকবি নাৰায়ণদেৱ।

মনসা শক্তিৰ দেৱী। এইগৰাকী দেৱীৰ অর্চনা কৰাৰ লগে লগে দেৱীৰ মহিমাময় ৰূপৰ গীত পদ গাই বর্ণনা কৰি দেওধনি নৃত্য অনুষ্ঠিত কৰা হয়।

মনকৰৰ কাব্যকৃতি হ'ল *পদ্মাপুৰাণ* বা *মনসা পুৰাণ বা মনসা কাব্য* বা *মনকৰী*। অৱশ্যে মনকৰে তেওঁৰ কাব্যকৃতিক '*পদুমাইৰ গীত*' বুলিহে উল্লেখ কৰিছে। সুকবি নাৰায়ণদেৱৰ *পদ্মাপুৰাণত* বর্ণিত মনসা জন্ম-বিষয়ক কাহিনীভাগৰ বৈসাদৃশ্য দেখা যায়। মনকৰে মনসা গীত ৰচনা কৰিলেও পঞ্চদেৱতাৰ প্রতি সমানেই শ্রদ্ধা প্রদর্শন কৰিছে।



জানি থোৱা ভাল

পদ্মাপুৰাণৰ সকলো খণ্ড একত্রে সম্পাদনা কৰি উলিয়ায় দৈৱচন্দ্র তালুকদাৰে। তেওঁ কেইবাখনো পুথি মিলাই গ্রন্থখনি সম্পাদনা কৰিছে। আনহাতে, ভাৰতচন্দ্র দাস আৰু প্রসন্ন কুমাৰ বৰুৱাই পদ্মাপুৰাণৰ অংশবিশেষেহে ছপা কৰি উলিয়ায়। নবীনচন্দ্র শর্মাই আধুনিক বিজ্ঞানসম্মত পদ্ধতিৰে সম্পাদনা কৰা *পদ্মাপুৰাণত* কেৱল 'ভাটীয়ালী' খণ্ডটোহে সন্নিবিষ্ট হৈছে। বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্রনাথ শর্মাই দুর্গাবৰৰ *পদ্মাপুৰাণৰ* লগতে মনকৰৰ একে বিষয়ৰ পুথি দুখনৰ খণ্ডিত অংশ *মনসা কাব্য* নামেৰে সম্পাদনা কৰি উলিয়ায়।

দুর্গাবৰে *পদ্মাপুৰাণত* একাধিক স্থানত বাহুবল শিকদাৰ নামৰ এগৰাকী ব্যক্তিৰ উল্লেখ কৰিছে। তেওঁ নীলগিৰি পাহাৰৰ নীলাচল গ্রামত থাকি *পদ্মাপুৰাণৰ* গীত ৰচনা কৰিছিল। তেওঁ *পদ্মাপুৰাণত* কমতাৰ ৰজা বিশ্বসিংহৰ বন্দনা কৰালৈ চাই বিশ্বসিংহৰ ৰাজত্বকালতে কাব্যখনি ৰচনা কৰিছিল বুলি ধাৰণা কৰিব পাৰি। পদ্মাপুৰাণ মনসাৰ মাহাত্ম্য বিষয়ক কাব্য য'ত চান্দো সদাগৰ আৰু বেউলাৰ আখ্যান বর্ণিত হৈছে আৰু বেউলাৰ কাহিনীৰ জৰিয়তে পদ্মাৰ মহিমা কীর্তন কৰা হৈছে। কাব্যখনত তেৰশ পদ আৰু ১৫৫ টা গীত আছে। লোককাব্যৰ বৈশিষ্টেৰে পৰিপূর্ণ দুর্গাবৰৰ পদ্মাপুৰাণ সাঙ্গীতিক দিশৰ পৰাও গুৰুত্বপূর্ণ। কাব্যবনত মানুহে দেৱতাৰ শাৰীলৈ উঠিছে আৰু দেৱতা মানুহৰ শাৰীলৈ নামি আহিছে।

মনসা কবিসকলৰ ভিতৰত সুকবি নাৰায়ণদেৱৰ *পদ্মাপুৰাণ* বৃহৎ আকৃতিৰ আৰু কাব্যখনত বিপ্র জানকীনাথ, বিপ্র ৰঘুনাথ আদি ভণিতা চকুত পৰে। কাব্যখনি অসমীয়া জনসাধাৰণৰ মাজত অতি জনপ্রিয়। সংস্কৃত *পদ্মাপুৰাণৰ* অনুবাদ নহ'লেও কাব্যখনি পুৰাণৰ আর্হিত ৰচনা কৰা হৈছে। ভাষাৰ সৰলতা আৰু অকৃত্রিম প্রকাশ ভঙ্গীয়ে কাব্যখনিক জনপ্রিয় কৰি তুলিছে। নামনি অসমৰ কথিত ভাষাই কাব্যখনিত স্থান পাইছে।



জানি থোৱা ভাল

মনকৰ, দুর্গাবৰ, পীতাম্বৰ আৰু সুকবি নাৰায়ণদেৱে ৰচনা কৰা গীত আৰু কাব্যসমূহক পাঁচালী সাহিত্যৰূপে জনা যায়। এওঁলোকৰ ৰচনা-সমূহ দুটা ভাগত বিভক্ত। প্রথম ভাগটো মনসা দেৱীৰ মাহাত্ম্য প্রকাশক; দ্বিতীয়টো ৰামায়ণ-মহাভাৰতৰ কাহিনী আধাৰিত।

পদ্মদলত জন্ম হোৱাৰ বাবে মনসাৰ আন এটি নাম পদ্মা। জৈনধর্মত পদ্মাৱতী বিষহাৰিণী দেৱী ৰূপে জনাজাত। অসমীয়া পাঁচালী কবিসকলে মনসাক পদ্মা নামেৰে অভিহিত কৰিছে।

৩.৪.২ *মার্কণ্ডেয় পুৰাণ*

পীতাম্বৰ কবিয়ে মুঠ পাঁচখন কাব্য ৰচনা কৰিছিল। তাৰ ভিতৰত উষা পৰিণয়, ভাগৱতৰ ১ম আৰু ১০ম স্বন্ধ, *মার্কণ্ডেয় পুৰাণ, নল-দময়ন্তী* আৰু *কুমৰহৰণ* কাব্য।

কোচবিহাৰৰ ৰাজকীয় গ্রন্থাগাৰত সংৰক্ষিত *মার্কণ্ডেয় পুৰাণত* চণ্ডীৰ অসুৰ বধৰ আখ্যান ভাগ বর্ণনা কৰা হৈছে। কাব্যখনিত কবিয়ে কুমাৰ সংগ্রাম সিংহৰ আদেশত ৰচনা কৰা বুলি উল্লেখ কৰিছে ঃ

‘কুমাৰ সংগ্রাম সিংহ আজ্ঞা পৰমাণে।
কাহে পীতাম্বৰ নাৰায়ণ পৰশনে।।’

কোচবিহাৰ গ্রন্থাগাৰত সংৰক্ষিত *মার্কণ্ডেয় পুৰাণত* কবিয়ে একেদৰে ৰচনাকালৰ ইঙ্গিত দিছে ঃ

‘পুৰাণাদি শাস্ত্রে সেহি ৰহস্য আছয়।
পণ্ডিতে বুঝম মাত্র অন্যে না বুঝম।।
একাৰণে শ্লোক ভাঙ্গি সবে বুঝিবাৰ।
নিজ দেশ ভাষা বন্দে ৰচিবো পয়াৰ।।
বেদপক্ষ বাণ আৰু শশাঙ্ক শকত।
আৰম্ভ কৰিলো মার্কণ্ডেয় কথা যত।।’

অর্থাৎ ১৫২৪ শক বা ১৬০২ খ্রীষ্টাব্দত গ্রন্থখনি ৰচিত। অৱশ্যে, এই সন্দর্ভত সমালোচকসকলৰ মাজত মতভেদ বিদ্যমান। অসমীয়া শাক্ত সাহিত্যৰ ক্রমবিকাশত পীতাম্বৰৰ মার্কণ্ডেয় চণ্ডীৰ গুৰুত্ব অনস্বীকার্য। অসমীয়া সাহিত্যৰ ইতিহাসত বিশেষকৈ *মার্কণ্ডেয় পুৰাণৰ* চণ্ডী আখ্যানৰ পদকর্তা হিচাপে তেওঁৰ নাম স্মৰণীয় হৈ ৰ’ব।

৩.৪.৩ *শ্রীশ্রী চণ্ডী*

ৰুচিনাথ বিপ্রই *শ্রীশ্রী চণ্ডী* নামৰ শাক্ত ধর্মীয় পুথি ৰচনা কৰে। তেওঁৰ পূর্ব পুৰুষ কন্দলিৰ ঘৰ আছিল লখিমপুৰ জিলাৰ নাৰায়ণপুৰত ঃ

'লৌহিত্যৰ উত্তৰ কুলত অনুপাম।
দেশ এক আছে নাৰায়ণীপুৰ নাম।।'

কবিয়ে চণ্ডীৰ পুথি লিখাৰ আগতে *কল্কি পুৰাণৰ* পদ ৰচনা কৰা বুলি উল্লেখ কৰিছে ঃ

'কল্কি পুৰাণৰ পদ কৰিলোহো আগে।
ৰচিলো চণ্ডীৰ পদ আগে অনুৰাগে।।'

কবিয়ে ৰুদ্রসিংহ মহাৰাজৰ সিংহাসন প্রাপ্তিৰ পিছত গ্রন্থ ৰচনা কৰে। গতিকে গ্রন্থখনি সপ্তদশ শতিকাৰ শেষ দশকৰ ৰচনা। কিয়নো ৰুদ্রসিংহই ১৬৯৬ খৃঃত সিংহাসন আৰোহণ কৰে।

ৰুচিনাথ কন্দলিৰ অসমীয়া আৰু সংস্কৃত উভয় ভাষাতেই বুৎপত্তি আছিল। তেওঁৰ চণ্ডীৰ পদৰ ভাঙনি মূলৰ অনুগত। অৱশ্যে প্রয়োজনবোধে তেওঁ *কালিকাপুৰাণ, ব্রহ্মবৈৱর্তপুৰাণ* আদিৰ পৰা কথা সংগ্রহ কৰি কাব্যখনিত সংযোগ কৰিছে। কবিয়ে মঙ্গলাচৰণত *মার্কণ্ডেয় পুৰাণৰ* কাহিনীৰ অৱলম্বনত *চণ্ডীকাব্য* ৰচনা কৰাৰ কথা উল্লেখ কৰিছে ঃ

'মার্কণ্ডেয় পুৰাণৰ স্তৱ সপ্তসতি।
পদবন্ধে ৰুচিনাথ বিপ্রে নিগদতি।।'

৩.৫ শৈৱ ভক্তিসাহিত্য

প্রাক শংকৰী যুগৰ কবি হেম সৰস্বতীয়ে হৰগৌৰী সংবাদৰ পদভাঙনি কৰিছিল। কিন্তু, গ্রন্থখনিৰ উল্লেখহে মাথো পোৱা যায়। ধুবুৰীৰ অজয় চন্দ্র চক্রৱর্তীৰ গৃহত পুথিখনি সংৰক্ষিত হৈ থকা বুলি উল্লেখ কৰিলেও বর্তমান পুথিখনি দুষ্প্রাপ্য। ইয়াত শিৱ-পার্বতীৰ কথোপকথনৰ মাধ্যমেদি যোগৰ তাত্ত্বিক ব্যাখ্যা দাঙি ধৰা হৈছে।

ৰুদ্রসিংহ এগৰাকী গীতিকাৰ আৰু গ্রন্থ প্রণেতা আছিল। তেওঁ পুৰাণৰ আৰ্হিত *শিৱপুৰাণ* এখনি ৰচনা কৰে।



জানি থোৱা ভাল

আহোম ৰজাসকলৰ ভিতৰত জয়ধ্বজ সিংহ আৰু ৰুদ্রসিংহ বিদ্যানুৰূপী ৰজা আছিল আৰু উভয়ে ভালেমান গীত ৰচনা কৰিছিল। ৰুদ্রসিংহ এগৰাকী শিৱভক্ত ৰজা আছিল আৰু তেওঁৰ শিৱপুৰাণত শৈৱধর্ম আৰু শিৱ-উপাসনাৰ বর্ণনা দাঙি ধৰা হৈছে।

আহোম ৰজাসকলৰ ভিতৰত প্রতাপসিংহই পোনপ্রথমে মহেশ্বৰ শিৱৰ উপাসনা কৰে বুলি জনা যায়। মহাপুৰুষ শঙ্কৰদেৱৰ উপৰিপুৰুষসকলেও শিৱ-উপাসনা কৰিছিল।



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভক্তি-সাহিত্যই শৈৱ, শাক্ত, বৈষ্ণৱ, গাণপত্য প্ৰভৃতি সকলো প্ৰকাৰৰ ভক্তিকেই সামৰি লয়। ভক্তি হৈছে পৰমেশ্বৰৰ প্ৰতি পৰম প্ৰেম বা অনুৰক্তি।
- পৰম ব্ৰহ্মক পুৰুষ ৰূপত কল্পনা কৰি শিৱ বা বিষ্ণুক অথবা তেওঁৰ অৱতাৰসমূহ বিশেষকৈ ৰামচন্দ্ৰ বা কৃষ্ণক পৰম পুৰুষ পৰমেশ্বৰ ৰূপত কৰা কল্পনাৰ পৰিণতিস্বৰূপে গঢ় লৈ উঠা ধৰ্মীয় আদৰ্শৰ ভিত্তিত শৈৱ, বৈষ্ণৱ প্ৰভৃতি ধৰ্মীয় শাখাই প্ৰকাশ লাভ কৰিছে। তেনেদৰে শক্তি বা মাতৃশক্তিক পৰম প্ৰকৃতি ৰূপত কল্পনা কৰি ভক্ত সমাজত চৰ্চিত হোৱা, শক্তিক ব্ৰহ্ম ৰূপত চিন্তা কৰাৰ পৰিণতিত শক্তিৰ প্ৰাধান্যজনিত শাক্তবিশ্বাসৰ জন্ম হৈছে। এই শক্তিয়েই দুৰ্গা, ভদ্ৰকালী, সৰস্বতী, লক্ষ্মী, মনসা বা পদ্মা, গৌৰী ইত্যাদি বিভিন্ন ৰূপত প্ৰকাশ লাভ কৰিছে। দেৱী দুৰ্গাৰ জন্ম, ৰূপ-ঐশ্বৰ্য, সংহাৰ মূৰ্ত্তি আদিক লৈ বিভিন্ন কাব্যাদি ৰচিত হৈছে।
- অসমত শাস্ত্ৰীয় উপাসনা পদ্ধতিৰ লগে লগে বিভিন্ন জনগোষ্ঠীৰ মাজত থলুৱা লোকাচাৰেৰে সম্পন্ন কৰা বিভিন্ন পূজা পদ্ধতিৰো প্ৰচলন আছে।
- ভক্তি সাহিত্যৰ মূল বীজ নিহিত হৈ আছে সংস্কৃত সাহিত্যত। সংস্কৃতৰ পুৰাণ, উপনিষদ আদিত নিহিত থকা ভক্তিমূলক কাহিনীবোৰেই পৰৱৰ্তী কালত আধুনিক ভাৰতীয় ভাষাবোৰলৈ বিভিন্ন সময়ত ভাঙনি কৰা হৈছে। *কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, হৰগৌৰী সম্বাদ, মাৰ্কণ্ডেয় পুৰাণ, ভাগৱত পুৰাণ, বিষ্ণুপুৰাণ, ব্ৰহ্মবৈৱৰ্তপুৰাণ, বায়ুপুৰাণ, পদ্মপুৰাণ, স্কন্ধপুৰাণ, নৃসিংহ পুৰাণ, শিৱ পুৰাণ, দেৱী পুৰাণ, দেৱী ভাগৱত, ব্ৰহ্মাণ্ড পুৰাণ, পদ্মাপুৰাণ* প্ৰভৃতি পুৰাণসমূহ হৈছে বিভিন্ন ভক্তিধৰ্ম প্ৰকাশক কাহিনীৰ মূল ভিত্তি।
- ভাৰতীয় ভক্তি সাহিত্যৰ শুভাৰম্ভ ঘটে তামিল দেশত। তামিল দেশৰ আলৱাৰ ভক্তসকলেই প্ৰথমে ভক্তিক দাৰ্শনিক ভেটিত প্ৰতিষ্ঠা কৰিবৰ কাৰণে চেষ্টা কৰে। তেওঁলোকে বিষ্ণুক শ্ৰেষ্ঠ দেৱতাৰূপে প্ৰতিষ্ঠা কৰাৰ লগতে বহুদেৱতাৰ মাজত এক দেৱতাৰ মত প্ৰতিষ্ঠা কৰি ভাৰতীয় ভক্তি সাহিত্যলৈ উল্লেখযোগ্য বৰঙনি আগবঢ়ায়। তেওঁলোকে বৈষ্ণৱ মঠকেন্দ্ৰিক ভক্তিধৰ্মক ভক্তি-আন্দোলনৰ যোগেদি জনগণৰ মাজলৈ সম্প্ৰসাৰিত কৰে আৰু ধৰ্মীয় গোড়ামি আঁতৰাই সকলোৰে বাবে ধৰ্মীয় উপাসনা পদ্ধতি সহজলভ্য কৰি তোলে।
- মধ্যযুগীয় ভক্তি-সাহিত্যৰ বিকাশ হয় দাক্ষিণত্যৰ পৰা। ভক্তি তামিল সাহিত্যৰ মাজেদি দাক্ষিণাত্যৰ পৰা ৰামানন্দ আদিৰ মাধ্যমেদি উত্তৰ ভাৰতলৈ সম্প্ৰসাৰিত হয়। ৰামানন্দ, কবীৰ, সূৰদাস, তুলসীদাস, মীৰাবাঈ, চৈতন্যদেৱ, শঙ্কৰদেৱ, মাধৱদেৱ আদিয়ে মধ্যযুগৰ ভক্তিধৰ্ম প্ৰচাৰ আৰু ভক্তি সাহিত্যৰ সম্প্ৰসাৰণত বিশেষ গুৰুত্ব আৰোপ কৰে।

- শাক্ত ভক্তি সাহিত্যৰ বিষয়ে *শ্রীশ্রীচণ্ডীৰ* লগতে *মার্কণ্ডেয় পুৰাণৰ* আভাস দাঙি ধৰা হৈছে।
- শৈৱ ভক্তিৰ বিষয়ে ৰুদ্রসিংহৰ '*শিৱ পুৰাণ*'ত আভাস সন্নিবিষ্ট কৰা হৈছে।



৩.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। গোস্বামী, হেমচন্দ্র (সম্পা.) ১৯২৪ ঃ *অসমীয়া সাহিত্যৰ চানেকি,* কলিকতা বিশ্ববিদ্যালয়

২। গোস্বামী, নাৰায়ণ চন্দ্র ১৯৮৫ ঃ *সত্রীয়া সংস্কৃতিৰ স্বর্ণৰেখা,* মাজুলী ঃ নতুন কমলাবাৰী সত্র

৩। দত্ত, অনিমা ১৯৫৫ ঃ *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দর্শন,* গুৱাহাটী ঃ দত্ত ব্রাডার্ছ

৪। নেওগ, মহেশ্বৰ ১৯৮৯ ঃ *শ্রীশ্রীমাধৱদেৱ,* শ্রীমন্ত শংকৰদেৱ সংঘ
নেওগ, মহেশ্বৰ ১৯৭০ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* ৩য় প্রকাশ

৫। (সম্পা.) ১৯৮৭ ঃ *গুৰুচৰিত-কথা,* গুৱাহাটী বিশ্ববিদ্যালয়

৬। (সম্পা.) ১৯৫৪ ঃ *দুর্গাবৰী গীতি-ৰামায়ণ,* গোলাঘাট

৭। (সম্পা.) ১৯৭৪ ঃ *প্রাচ্য শাসনাৱলী,* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ

৮। (সম্পা.) ১৯৮৯ ঃ *ভক্তিগীত সংকলন,* সাহিত্য অকাডেমি

৯। শর্মা, সত্যেন্দ্রনাথ ১৯৯১ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটী ঃ সৌমাৰ প্রকাশ

১০। শর্মা, সত্যেন্দ্রনাথ ১৯৭৬ ঃ *অসমীয়া নাট্য সাহিত্য,* গুৱাহাটী ঃ সৌমাৰ প্রকাশ

১১। গোস্বামী উপেন্দ্রনাথ ১৯৭২ ঃ *ভাষা আৰু সাহিত্য,* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ

১২। নাথ, প্রফুল্ল কুমাৰ ২০১২ ঃ *ভক্তিমার্গ আৰু ভাৰতীয় ভক্তি সাহিত্যত এভুমুকি,* গুৱাহাটী ঃ বিশাল প্রকাশ

১৩। নাথ, প্রফুল্ল কুমাৰ ২০১৪ ঃ *অসমৰ নৱবৈষ্ণৱ ভক্তিধর্ম আৰু মহাপুৰুষ শঙ্কৰদেৱ,* গুৱাহাটী ঃ এল এল পাব্লিকেচন

১৪। নাথ, প্রফুল্ল কুমাৰ ২০১৮ ঃ *শঙ্কৰদেৱ অধ্যয়নৰ ঐতিহ্য,* গুৱাহাটী ঃ কে কে পাব্লিকেচন

১৫। মহন্ত, বাপচন্দ্র (সম্পা.) ১৯৯২ ঃ *বৰগীত,* ষ্টুডেটচ্ ষ্ট'ৰচ

১৬। নাথ, ৰাজমোহন (সম্পা.) ১৯৪৩ ঃ *শঙ্কৰদেৱৰ বৰগীত,* চপলা বুকষ্টল, শ্বিলং

১৭। চলিহা, ভৱপ্রসাদ (সম্পা.) ১৯৮৭ ঃ *মাধৱদেৱৰ সাহিত্য,* শ্রীমন্ত শঙ্কৰদেৱ সংঘ

ইংৰাজী গ্রন্থ ঃ

1) Kanaklal Barua, 1978: *Early History of Kamrup,* Guwahati : Asom Sahitya Sabha

2) Choudhari P.C. 1960 : *The History of civilization of the people of Assam,* Guwahati : Assam Publication Board

3) Gait Edward, 1981 : *A History of Assam,* Calcutta
4) Goswami, Hemchandra (ed.) 1930 : *Descriptive Catalogue of Assamese manuscript,* Calcutta University
5) Chatterjee S.K. 1960 : *The place of Assam in the History and civilization of India,* Calcutta University
6) Winterniz, M. Vol. I, 1927, Vol. II, 1933 : *A History of Indian Literature,* Calcutta,
7) Bhandarkar R.G. 1996 : *Vaisnavism, saivism and minor religious systems,* Varanashi
8) Banerjee J.N. 1996 : *Puranic and Tantric Religion,* University of Calcutta
9) Kakati Banikanta 1948 : *The Mother Goddess Kamakhya,* G.U.
10) (ed.) 1951 : *Aspects of EarlyAssamese Literature,* G.U.

৩.৮ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্ৰশ্ন উত্তৰ ঃ বেদ-উপনিষদত বৰ্ণিত শিৱ মহিমা... ঐতিহাসিক যুগত শৈৱ ভক্তিয়ে কি ৰূপ পৰিগ্ৰহণ কৰিছিল.... সাহিত্যত শৈৱ ভক্তি আৰু শিৱ।

২ নং প্ৰশ্ন উত্তৰ ঃ মধ্যযুগৰ ভক্ত কমি কবীৰদাস, সূৰদাস, মীৰাবাঈ, তুলসীদাস, শঙ্কৰদেৱ, চৈতন্যদেৱ, মাধৱদেৱ দামোদৰ দেৱ, হৰিদেৱ আদিৰ চমু পৰিচয় দি তেওঁলোকে মধ্যযুগৰ ভক্তি সাহিত্যলৈ যি অৰিহণা যোগালে তাৰ চমু লেখ আগবঢ়াওক।



৩.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ সংস্কৃত আৰু তামিল ভক্তি-সাহিত্যৰ চমু পৰিচয় দিয়ক।

প্ৰশ্ন ২ ঃ মধ্যযুগীয় ভাৰতীয় ভক্তি সাহিত্যৰ আভাস দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ মধ্যযুগৰ সন্ত কবি হিচাপে কবীৰদাসৰ চমু পৰিচয় দিয়ক।

প্ৰশ্ন ৪ ঃ ৰামভক্ত কবি হিচাপে তুলসীদাসৰ কাব্য প্ৰতিভাৰ চমু আভাস দিয়ক।

প্ৰশ্ন ৫ ঃ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ কাব্য প্ৰতিভাৰ চমু আভাস দাঙি ধৰি মধ্যযুগৰ ভক্তি-সাহিত্যত তেওঁলোকৰ স্থান নিৰূপণ কৰক।

প্ৰশ্ন ৬ ঃ দামোদৰদেৱ আৰু হৰিদেৱৰ চমু পৰিচয় দিয়ক।

প্ৰশ্ন ৭ ঃ শাক্ত ভক্তি-সাহিত্য বুলিলে কি বুজে? মনসা কাব্য আৰু চণ্ডী কাব্যৰ আধাৰত বিচাৰ কৰক।

প্ৰশ্ন ৮ ঃ শৈৱ সাহিত্য কি? শৈৱ আৰু শাক্ত ধৰ্মৰ বিকাশত ভক্তি সাহিত্যৰ ভূমিকা নিৰূপণ কৰক।

প্ৰশ্ন ৯ ঃ **চমুটোকা লিখক ঃ**

শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰ দেৱ, হৰিদেৱ, চৈতন্যদেৱ, কবীৰদাস, সূৰদাস, তুলসীদাস, মীৰাবাঈ, *পদ্মাপুৰাণ, ভাগৱতপুৰাণ, শ্ৰীশ্ৰী চণ্ডী* ।

*** ***** ***

অধ্যায় ৪ ঃ অসমীয়া ভক্তি সাহিত্যৰ বৈশিষ্ট্য আৰু ধাৰা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অসমীয়া ভক্তি সাহিত্য ঃ চমু পৰিচয়
৪.৩.১ অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য
৪.৪ ভক্তি সাহিত্যৰ ধাৰা
৪.৪.১ সগুণ ভক্তিধাৰা
৪.৪.২ নিৰ্গুণ ভক্তিধাৰা
৪.৫ ভক্তি সাহিত্যৰ সামাজিক অভিব্যক্তি
৪.৬ নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনত ভক্তিৰ ভূমিকা
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.১০ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভক্তি সাহিত্য সম্পৰ্কে এটি স্পষ্ট ধাৰণা লাভ কৰিব
- ভক্তি সাহিত্যৰ সাধাৰণ ধাৰাসমূহৰ বিষয়ে জানিব
- সগুণ ভক্তিধাৰা আৰু নিৰ্গুণ ভক্তি ধাৰাৰ পৰিচয় লাভ কৰিব
- ভক্তি সাহিত্যৰ সৈতে সমাজৰ সম্পৰ্ক নিৰূপণ কৰিব পাৰিব
- ভক্তি সাহিত্যই জনসাধাৰণৰ আধ্যাত্মিক বিকাশত গ্রহণ কৰা ভূমিকা সম্পৰ্কে জানিব পাৰিব
- ৰামভক্তি আৰু কৃষ্ণ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব
- ভক্তিৰ যোগেদি সামাজিক পৰিৱৰ্তন কেনেদৰে সম্ভৱ সেই কথা আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ অন্তৰ্গত সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে যুগুত কৰা 'ভক্তি সাহিত্য' পাঠ্যবিষয়ৰ এইটো চতুর্থ অধ্যায়। অধ্যায়টোৰ নাম 'অসমীয়া ভক্তি সাহিত্যৰ

বৈশিষ্ট্য আৰু ধাৰা'। ইয়াৰ আমাৰ অধ্যায়কেইটাত ভক্তিনো কি, ভক্তিৰ স্বৰূপ, ভক্তিৰ বিকাশৰ লগত জড়িত নানান কথাৰ সম্ভেদ পালে। এই অধ্যায়টোত আমি অসমীয়া ভক্তি সাহিত্যৰ বিষয়ে পঢ়িবলৈ পাম।

৪.৩ অসমীয়া ভক্তি-সাহিত্য ঃ চমু পৰিচয়

অসমীয়া ভক্তি সাহিত্য বুলিলে প্ৰাক শংকৰী, শংকৰী আৰু শঙ্কৰোত্তৰ যুগৰ বিস্তৃত সাহিত্যৰাজিক সামৰি লয়। প্ৰাক শঙ্কৰী যুগতেই *ৰামায়ণ, মহাভাৰত,* পুৰাণ আদিৰ অনুবাদৰ যোগেদি ভাৰতীয় সাহিত্যৰ সৈতে অসমৰ জনসাধাৰণক পৰিচয় কৰাই দিয়াৰ প্ৰয়াস আৰম্ভ হয়। হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত্ৰত* ভক্তিৰ মাহাত্ম্য প্ৰকাশিত হৈছে। অনুৰূপভাৱে হৰিবৰ বিপ্ৰৰ যুদ্ধকাব্য কেইখনতো কৃষ্ণভক্তিৰ মাহাত্ম্যৰ পৰিচয় পোৱা যায়।



জানি থোৱা ভাল

প্ৰাক শংকৰী যুগৰ সময়ছোৱাত অসমত শৈৱ, শাক্ত প্ৰভৃতি ধৰ্মৰ যথেষ্ট প্ৰভাৱ আছিল। আনকি শঙ্কৰদেৱৰ সমসাময়িক কালছোৱাতো শাক্ত-তান্ত্ৰিক আৰু শৈৱধৰ্মই বিশেষ প্ৰাধান্য লাভ কৰিছিল। দৈতাৰি ঠাকুৰে লিখিছে ঃ

'ইদেশত পূৰ্বকালে নাছিল ভকতি।
নানাধৰ্ম ধৰ্ম লোকে কৰিল সম্প্ৰতি।।
নানা দেৱ পূজয় কৰয় বলিদান।
জান ছাগ পাৰ কাটে অসংখ্য প্ৰমাণ।।'

(গুৰুচৰিত, পদ ৭৪২)

গতিকে শঙ্কৰদেৱৰ পূৰ্বতে বৈষ্ণৱ, শৈৱ, শাক্ত আদি ধৰ্মীয় সাধন-পদ্ধতি মূলতঃ তান্ত্ৰিক আচাৰৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছিল। সেই সময়ৰ তান্ত্ৰিক বৈষ্ণৱ পন্থৰ বিষয়ে মাধৱদেৱে এনেদৰে লিখিছে ঃ

'অন্ন লানি কিছু নকৰে বিচাৰ
জাতিকুল ভৈল ভ্ৰষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়
বেদ পথ কৰি নষ্ট।।'

শঙ্কৰী যুগত এফালেদি *ভাগৱত পুৰাণ, হৰিবংশ* আদিৰ অনুবাদ, আনহাতেদি মনসাকাব্যৰ সৃষ্টিৰ যোগেদি বৈষ্ণৱ আৰু শাক্তভক্তিৰ নিদৰ্শন পৰিস্ফুট হয়। শঙ্কৰোত্তৰ কালছোৱাত শৈৱ আৰু শাক্ত সাহিত্যই বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। শংকৰদেৱৰ সমসাময়িক পীতাম্বৰৰ চণ্ডী আখ্যান আৰু পৰৱৰ্তী কালত ৰুদ্ৰসিংহৰ *শিৱপুৰাণ, ৰমানন্দ দ্বিজ, ৰুচিনাথ কন্দলি* আদিৰ *মাৰ্কণ্ডেয় পুৰাণ* আৰু *শ্ৰীশ্ৰীচণ্ডী* আদিয়ে শৈৱ ভক্তিধাৰাৰ বিকাশত অৰিহণা যোগায়। আনহাতে মঞ্জনৰ

মধুমালতীৰ অনুবাদ, *চাহাপৰী উপাখ্যান* আৰু আজানপীৰকে প্ৰমুখ্য কৰি অন্যান্য চুফীবাদী কবিসকলৰ জিকিৰ জাতীয় গীতে এই ধাৰাৰ বিকাশত বিশেষ অৰিহণা যোগায়।

ভক্তি হৈছে ভগৱানৰ প্ৰতি পৰম অনুৰক্তি। সেয়ে ভক্তিক পৰম প্ৰেমৰূপা বুলি কোৱা হৈছে। ভক্তিয়ে ভগৱানৰ যিকোনো সাকাৰ আৰু নিৰাকাৰ ৰূপৰ উপাসনাৰ আভাস দাঙি ধৰে।

ভগৱানক লাভ কৰিবৰ কাৰণে যুগ যুগ ধৰি ভক্ত সমাজত বিভিন্ন পথ অৱলম্বন কৰা দেখা যায়। জ্ঞান, কৰ্ম, যোগ আৰু ভক্তি প্ৰভৃতি মাৰ্গ বা সাধন পদ্ধতিৰ ভিতৰত ভক্তিকেই স্থান দিয়া হৈছে। ভক্তিধৰ্মত ভক্ত আৰু ভগৱানৰ মাজত নিবিড় সম্পৰ্ক স্থাপন হোৱা দেখা যায়।

ভক্তি বুলিলে যিকোনো উপাস্য দেৱতাৰ ভক্তিক বুজায়। গতিকে শৈৱ, শাক্ত, বৈষ্ণৱ ইত্যাদি সামান্য প্ৰভেদ থাকিলেও ভক্তি পৰম প্ৰেমৰূপা।


অসমত বৈষ্ণৱ আদৰ্শ অতি প্ৰাচীন। খ্ৰীষ্টাব্দ পঞ্চম শতিকামানৰ পৰাই অসমত বৈষ্ণৱ ধৰ্মৰ ধাৰাবাহিক ইতিহাস পোৱা যায়। প্ৰাক-শঙ্কৰী যুগৰ ভালেমান স্থাপত্য-ভাস্কৰ্যত বৈষ্ণৱ ধৰ্মৰ অৱস্থিতি প্ৰকাশ পোৱা হৈছে। নৱম আৰু দশম শতিকাৰ দেওপানিৰ ৰবাহ বিষ্ণুমূৰ্তি, দশম-একাদশ শতিকাৰ ডিব্ৰুগড়ত পোৱা পিতলৰ বিষ্ণুমূৰ্ত্তি, শিৱসাগৰত পোৱা শিলৰ মূৰ্ত্তি, অষ্টম-নৱম শতিকাৰ শুক্ৰেশ্বৰ বিষ্ণু জনার্দন মূৰ্ত্তি আদিৰ কথা এই প্ৰসঙ্গত উল্লেখনীয়।

শঙ্কৰদেৱৰ পূৰ্বতে অসমত সাত্ত্বত ধৰ্ম, সনাতন ধৰ্ম, বৈষ্ণৱ ধৰ্ম ইত্যাদি বিভিন্ন ৰূপত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল। সেই বাবেই মহাপুৰুষ শঙ্কৰদেৱ প্ৰচাৰিত ধৰ্মক নৱ-বৈষ্ণৱ ধৰ্ম আখ্যা দিয়া হৈছে।

শঙ্কৰদেৱে জাতিভেদ, বৰ্ণ-বৈষম্য দূৰ কৰি ভক্তিৰ যোগেদি এখন সমতাপূৰ্ণ সমাজ গঠনৰ পোষকতা কৰিছিল। ভক্তিৰ যোগেদি জনসাধাৰণৰ মানসিক উৎকৰ্ষ সাধনৰ কাৰণে তেওঁ কেইবাগৰাকীও ধৰ্মাচাৰ্য নিয়োগ কৰিছিল। তেওঁ জনজাতীয় মূলৰ গাৰো, মিৰি, ভোট, নগা আদি সকলো লোককে বৈষ্ণৱ ধৰ্মৰ অংশীদাৰ কৰিছিল। শঙ্কৰদেৱৰ ধৰ্মমতত নাৰায়ণ চৈতন্যময় শুদ্ধৰূপ হৰি আৰু তেঁৱেই 'সৰ্ব অবতাৰৰ কাৰণ নাৰায়ণ'।

অসমত শৈৱ আৰু শাক্ত ধৰ্মৰ পৰম্পৰা অতি প্ৰাচীন। মহাভাৰতৰ যুগৰে পৰাই ইয়াত শৈৱ আৰু শাক্ত উপাসনাৰ আভাস পোৱা যায়। নৰকাসুৰৰ ৰাজ্যভিষেকৰ সময়ত এই দেশত অধিষ্ঠাত্ৰী দেৱীৰ মৰ্যাদা লাভ কৰিছিল কামাখ্যাই। অৱশ্যে গুপ্ত ৰূপত শিৱৰ উপাসনাও সমানেই চলিছিল। পুৰণি অসমৰ ৰাজত্ব কৰা বৰ্মন, শালস্তম্ভ, পাল, আহোম, কোচ আদি ৰাজবংশৰ ৰজাসকলে শৈৱ আৰু শাক্তধৰ্মৰ পৃষ্ঠপোষকতাৰ ভূমিকা গ্ৰহণ কৰিছিল। গতিকে দেখা যায় যে শৈৱ আৰু শাক্তধৰ্ম পুৰণি কামৰূপৰ অতি প্ৰাচীন ধৰ্ম আছিল। অসমত থকা শৈৱ মঠ আৰু দেৱীমন্দিৰসমূহে এই কথাৰ সাক্ষ্য বহন কৰিছে।

কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, হৰগৌৰী সংবাদ, দৰং ৰাজবংশাৱলী ইত্যাদি গ্ৰন্থত বিভিন্ন প্ৰসংগত অসমত প্ৰচলিত বিভিন্ন ধৰ্মীয় পৰম্পৰাৰ প্ৰসঙ্গৰ অৱতাৰণা কৰা হৈছে। পুৰণি অসমৰ শিলালিপি আৰু তাম্ৰলিপিসমূহতো তাৰ প্ৰচুৰ সাখ্য পোৱা যায়।



জানি থোৱা ভাল

পুৰণি কামৰূপত দেৱীপূজাৰ বহুল প্ৰচলন আছিল। ভদ্ৰা, ভদ্ৰকালী, কালী, কৰালী, কামাখ্যা, পাৰ্বতী, চণ্ডী, দুৰ্গা আদি বিভিন্ন নামেৰে দেৱীক পূজা কৰা হৈছিল। *যোগিনীতন্ত্ৰৰ* মতে 'কামৰূপ হ'ল দেৱীক্ষেত্ৰ। ইয়াৰ সমান ঠাই ক'তো নাই। আন ঠাইত দেৱী বিৰল, কামৰূপত এওঁ ঘৰে ঘৰে ঃ'

কামৰূপং দেৱীক্ষেত্ৰং কুত্ৰাপি তৎ সমং ন চ।
অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।। (২/৬/১৫০)

যোগিনীতন্ত্ৰৰ মতে পুৰণি অসমত শিৱলিঙ্গৰ সংখ্যা আছিল কোটিতকৈয়ো অধিক। চৰিতপুথিৰ মতে শংকৰদেৱৰ জন্মৰ আগতে পিতৃ কুসম্বুৰে শিঙৰীৰ গোপেশ্বৰ শিৱ মন্দিৰত শিৱপূজা কৰিছল। সেয়ে তেওঁৰ নাম ৰখা হৈছিল শঙ্কৰ ঃ

'শঙ্কৰৰ বৰত পুত্ৰ লভিলন্ত।
এতেকে শঙ্কৰৰ নামক থৈলন্ত।।'

৪.৩.১ অসমীয়া ভক্তি-সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য

- ভক্তি সাহিত্য সাৰ্বজনীন মানৱীয় আবেদনৰ ওপৰত প্ৰতিষ্ঠিত।
- ভক্তি সাহিত্যই মানুহৰ নৈতিক আৰু আধ্যাত্মিক বিকাশ সাধন কৰি মানৱীয় অনুভূতিসমূহৰ বিকাশ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- আন্তৰিক ভক্তি আৰু প্ৰেমৰ যোগেদি ঈশ্বৰ লাভৰ প্ৰয়াস ভক্তি সাহিত্যৰ মনকৰিবলগীয়া বৈশিষ্ট্য।
- মধ্যযুগীয় ভক্তি সাহিত্যৰ মূল আধাৰ হ'ল *ভাগৱত পুৰাণ* আৰু *ভাগৱত গীতা*। তাৰ লগে লগে *বিষ্ণুপুৰাণ, হৰিবংশ, পদ্মপুৰাণ, বায়ুপুৰাণ* ইত্যাদিয়ে ভক্তি সাহিত্যৰ শ্ৰীবৃদ্ধিত বিশেষ ভূমিকা গ্ৰহণ কৰে।
- ভক্তি সাহিত্য মূলতঃ অনুবাদমূলক আৰু ই মূলতঃ সংস্কৃত সাহিত্যত বৰ্ণিত ভক্তি সাহিত্যৰ ক্ৰমবিৱৰ্তিত ৰূপ।
- ভক্তি সাহিত্যত সাধাৰণতে আৰাধ্য দেৱতাৰ নাম শ্ৰৱণ-কীৰ্তনত অধিক গুৰুত্ব দিয়া দেখা যায়।
- ভক্তি কবিসকলে গুৰুৰ ওপৰত অধিক প্ৰাধান্য প্ৰদান কৰাৰ বাবে সংসাৰ পৰা পৰিত্ৰাণ লাভৰ কাৰণে গুৰুৰ ওপৰত নিৰ্ভৰশীল হোৱা দেখা যায়। মাধৱদেৱেও গুৰুক ভকতৰ কল্পতৰু আখ্যা দিছে। নৱবৈষ্ণৱ ভক্তিধৰ্মৰ সম্প্ৰসাৰণত শংকৰদেৱ-মাধৱদেৱৰ আদি গুৰুসকলৰ প্ৰাধান্য সৰ্বাধিক।
- ভক্তি সাহিত্যত ঈশ্বৰ প্ৰাপ্তিৰ বাবে শাস্ত্ৰ নিৰ্দেশিত চাৰিটা মূল পথ— কৰ্ম, জ্ঞান, যোগ আৰু ভক্তিৰ ভিতৰত ভক্তিক ঈশ্বৰ লাভৰ প্ৰশস্ত পথ আখ্যা দিয়া হৈছে।

- কর্মজ্ঞান আৰু যোগতকৈ ভক্তিৰ পথ প্রশস্ত বুলি ভক্তি সাহিত্যত বর্ণনা কৰা হৈছে। সেইবাবেই কবীৰ, সূৰদাস, তুলসীদাস, মীৰাবাঈ, শংকৰদেৱ, মাধৱদেৱ আদি ভক্ত-কবিসকলৰ ৰচনাত ভক্তিৰ প্রশংসা কৰা দেখা যায়।
- মধ্যযুগীয় ভক্ত কবিসকলে বাহ্যিক আচাৰ আৰু ক্রিয়াকাণ্ডতকৈ ভক্তিক অধিক প্রাধান্য দিয়া দেখা যায়। ভক্তিয়েই মুক্তি লাভৰ প্রধান হেতু বুলি তেওঁলোকে বর্ণনা কৰিছে।
- ভক্ত-কবিসকলে ভোগ-বিলাসত নিমজ্জিত হৈ পার্থিৱ জীৱন নিষ্ফল নকৰিবৰ কাৰণে সকীয়াই দিয়াৰ লগতে ভক্তিপৰায়ণ হ'বৰ কাৰণে আহ্বান জনাইছে। তেওঁলোকৰ ৰচনাৰ মাজেদি তপ-জপ-যাগ-যজ্ঞতকৈ ভক্তিকেই মুক্তি লাভৰ প্রশস্ত পথ হিচাপে দেখুওৱা হৈছে।
- সামাজিক আৰু ধার্মিক ক্ষেত্রত সমন্বয়ৰ ভাৱনা এইবিধ সাহিত্যৰ মূল বৈশিষ্ট্য। ভক্ত-কবিসকলে বিভিন্ন ধার্মিক, সামাজিক আৰু ধর্মীয় চিন্তাধাৰাৰ মাজত সমন্বয় স্থাপনৰ প্রয়াস কৰিছিল। সগুণ আৰু নির্গুণ, ৰামভক্তি আৰু কৃষ্ণভক্তি ধাৰাৰ মাজত সমন্বয় এই ক্ষেত্রত উল্লেখযোগ্য।
- ভক্তি-সাহিত্যত ঈশ্বৰ প্রাপ্তিৰ বাবে আত্মিক উন্নতিত গুৰুত্ব দিয়া হৈছে। সকলো ধৰণৰ পার্থিৱ কামনা-বাসনাৰ অন্ত পেলাই ভগৱানৰ ওচৰত একান্তভাৱে কৰা আত্মসমর্পণৰ যোগেদি ভৱ-সাগৰৰ পৰা পৰিত্রাণ লাভ কৰিব পাৰি।
- ভগৱানৰ প্রতি ঐকান্তিক নিষ্ঠা আৰু একান্ত ভক্তিৰ যোগেদিহে ভগৱান প্রাপ্তি সম্ভৱ বুলি ভক্তি-সাহিত্যত বর্ণনা কৰা দেখা যায়।
- ভক্তি-সাহিত্যই এক নতুন সামাজিক আৰু আধ্যাত্মিক আলোড়নেৰে সঞ্জীৱিত ধর্ম-কর্মৰ বিভীষিকা দূৰ কৰি নতুন সামাজিক চৈতন্য জাগৰণৰ কাৰণে ভক্ত-কবিসকলে কৰা প্রয়াসৰ পৰিণতিস্বৰূপে মধ্যযুগত বিপুল সংখ্যক কাব্য, গীত, নাটক আদি ৰচিত হয়।
- ভাৰতীয় জাতীয় জীৱনৰ দুষ্কৃতি নাশ কৰি সংস্কৃতিৰ প্রতিষ্ঠাৰ কাৰণে ভক্ত-কবিসকলে প্রয়াস কৰিছিল আৰু বর্ণ বৈষম্য আঁতৰাই এখনি শ্রেণীহীন সমাজৰ পোষকতা কৰিছিল।
- ভক্ত-কবিসকলে বিষ্ণুমাহাত্ম্য প্রকাশক গ্রন্থৰ অনুবাদৰ লগতে ভক্তিৰ প্রধান উপযুক্ত বিষয়বস্তুক অৱলম্বন কৰি কাব্য, গীত, নাট, ভটিমা, দোহা, ভজন আদি ৰচনা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভক্তি সাহিত্যৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

৪.৪ ভক্তি সাহিত্যৰ ধাৰা

ভক্তিধর্ম মূলতঃ ভাৱনামূলক আৰু ইয়াৰ বিভিন্ন শাখা প্রশাখা আছে। ভাৰতীয় ভক্তিধর্মৰ ধাৰা আৰু নির্গুণ ভক্তিধর্মৰ ধাৰা— এই দুই ধাৰাতে ব্রহ্মৰ নির্গুণ নিৰাকাৰ স্বৰূপক স্বীকাৰ কৰি সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিলে। সেইসকল ভক্তকবিক নির্গুণ ধাৰাৰ অন্তর্ভুক্ত কৰা হৈছে। আনহাতে যিসকলে ব্রহ্মৰ সগুণ ৰূপকেই পৰম সত্যৰূপে কল্পনা কৰি সগুণ ব্রহ্মৰ উপাসনাত মনোনিৱেশ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে, তেওঁলোকক সগুণ ধাৰাৰ ভিতৰত ধৰা হৈছে। নির্গুণ ভক্তিধাৰাক পুনৰ দুটা ভাগত বিভক্ত কৰা হৈছে জ্ঞানাশ্রয়ী শাখা আৰু প্রেমাশ্রয়ী শাখা। জ্ঞানাশ্রয়ী শাখাৰ কবিসকলে জ্ঞানৰ ওপৰত আৰু প্রেমাশ্রয়ী শাখাৰ কবিসকলে প্রেমৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা দেখা যায়। জ্ঞানাশ্রয়ী শাখাৰ উল্লেখযোগ্য কবিসকল হ'ল— কবীৰ দাস, ৰৈদাস, দাদুদয়াল, মলুকদাস ইত্যাদি। প্রেমাশ্রয়ী শাখাৰ কবিসকল মূলতঃ চুফী কবি, তেওঁলোক হ'ল মঞ্জন, জায়সী, কুতুবুন, উস্মান ইত্যাদি।

সগুণ ভক্তিধাৰাৰ দৰেই নির্গুণ ভক্তিধাৰাৰো দুটা শাখা আছে— কৃষ্ণভক্তি ধাৰা আৰু ৰামভক্তি ধাৰা। যিসকল কবিয়ে ৰামকেই পৰমপুৰুষ ভগৱান জ্ঞান কৰি তেওঁৰ প্রতি প্রদর্শন কৰা ভক্তিৰ যোগেদি মুক্তিৰ পথ প্রশস্ত বুলি কাব্যাদিত বর্ণনা কৰি এটি নতুন কাব্যধাৰাৰ সৃষ্টি কৰিলে, তেওঁলোক ৰামভক্তি কাব্যধাৰাৰ অন্তর্গত। তুলসীদাস আৰু ধাৰাৰ সর্বশ্রেষ্ঠ কবি। আন এদল কবিয়ে শ্রীকৃষ্ণকেই পুৰুষোত্তম ৰূপত প্রতিষ্ঠা কৰি তেওঁৰ ভক্তিৰ জৰিয়তে মুক্তিৰ পথ প্রশস্ত বুলি কাব্যাদিত বর্ণনা কৰিলে আৰু ভক্তিধর্ম প্রচাৰত মনোনিৱেশ কৰিলে। তেওঁলোকৰ ভিতৰত সূৰদাস, মীৰাবাঈ, শঙ্কৰদেৱ, চৈতন্যদেৱ আদি বিশেষভাৱে উল্লেখযোগ্য।

৪.৪.১ সগুণ ভক্তিধাৰা

সগুণ ভক্তিধাৰাক ৰামভক্তিধাৰা আৰু কৃষ্ণ ভক্তিধাৰা এই দুটা ভাগত বিভক্ত কৰা হৈছে।

প্রাক ঐতিহাসিক যুগৰে পৰা আৰম্ভ কৰি আধুনিক যুগলৈকে ৰামচন্দ্রৰ শক্তি আৰু সৌন্দর্যই জনমানসত গভীৰ প্রভাৱ বিস্তাৰ কৰি আহিছে। বাল্মিকী ৰামায়ণত শ্রীৰামচন্দ্রৰ মহৎ গুণাৱলীৰ চিত্র অংকিত হৈছে। মহাভাৰতৰো বিভিন্ন ঠাইত প্রসঙ্গক্রমে ৰামায়ণৰ উল্লেখ পোৱা যায়। মহাভাৰতৰ বাহিৰেও বিভিন্ন আখ্যান-উপাখ্যান, পুৰাণ সাহিত্য, বৌদ্ধ আৰু জৈন সাহিত্য আদিত ৰামকথাৰ প্রসঙ্গৰ উল্লেখ পোৱা যায়।

বৈষ্ণৱ ভক্তিমার্গৰ বিকাশৰ পৰম্পৰাত ৰামানুজ, ৰামানন্দ প্রভৃতি বৈষ্ণৱ আচার্যসকলে ৰামকথাক দার্শনিক ভিত্তিত প্রতিষ্ঠা কৰি ভক্তিৰ পথ সহজসাধ্য কৰি তোলে। ৰামভক্তি ধাৰাৰ প্রধান প্রচাৰক বাৰগৰাকী আলৱাৰৰ ভিতৰত কাটকোপক ৰামচন্দ্রৰ পাদুকাৰ অৱতাৰ হিচাপে মানি অহা হৈছে। তেওঁৰ ৰচনা *তিৰুৱায়মেৱলিতেই* সর্বপ্রথম ৰামভক্তিৰ বর্ণনা পোৱা যায়। বৈষ্ণৱ সম্প্রদায়সমূহৰ ভিতৰত শ্রী আৰু ব্রহ্ম সম্প্রদায়ৰ আচার্যসকলে ৰামভক্তিধাৰাৰ সম্প্রসাৰণত বিশেষ ৰৰঙণি যোগায়।

শ্রী সম্প্রদায়ৰ প্রথম আচার্য শ্রী ৰঙ্গনাথ মুনিয়ে আলৱাৰ সন্তসকলৰ মাজত প্রচলিত গীত পদবোৰক সংকলিত কৰে আৰু তেওঁৰ পৰৱর্তী আচার্য পুণ্ডৰীকাক্ষ, ৰামমিশ্র, যমুনাচার্য আদিয়ে ৰামভক্তিধাৰাক অধিক জনপ্রিয় কৰি তোলে। সেইদৰে ব্রহ্মা সম্প্রদায়ৰ ভক্তি পৰম্পৰাৰ সম্প্রসাৰণত মাধৱাচার্যই বিশেষ গুৰুত্ব আৰোপ কৰে। ৰাঘৱানন্দৰ শিষ্য ৰামানন্দই ৰামভক্তিক যুগোপযোগী কৰি উত্তৰ ভাৰতত ৰামভক্তিৰ প্রচাৰ কৰে। ভক্তি ভাৱনাৰ যোগেদি সামাজিক ঐক্য স্থাপনত ৰামানন্দই উল্লেখযোগ্য ভূমিকা গ্রহণ কৰিছিল।

আধুনিক ভাৰতীয় আর্যভাষাসমূহত ৰামচন্দ্রৰ ঐশ্বর্য, লীলা আৰু মাধুর্যৰ বিষয়ে ভালেমান কাব্য ৰচিত হৈছে। তুলসীদাস হিন্দী সাহিত্যৰ উল্লেখযোগ্য ৰামভক্তি কবি। এই পৰম্পৰাৰ আন এগৰাকী কবি হ'ল অগ্রদাস। এওঁ অলংকাৰ শাস্ত্রৰ বিদগ্ধ পণ্ডিত আছিল আৰু কেইবাখনো শাস্ত্র ৰচনা কৰিছিল। তুলসীদাসে *ৰামচৰিত মানসকে* ধৰি মুঠ বাৰখন গ্রন্থ ৰচনা কৰি ৰামভক্তি কাব্যধাৰাক প্রতিষ্ঠা কৰি যায়। *ৰামচৰিত মানসত* তুলসীদাসে ৰাম আৰু শিৱক পৰস্পৰৰ প্রতি ভক্ত ৰূপত অঙ্কিত কৰি বৈষ্ণৱ আৰু শৈৱ সম্প্রদায়ৰ মাজত সমন্বয় সাধন কৰিছিল। তুলসীদাসৰ সমকালীন ৰামভক্ত কবিসকলৰ ভিতৰত নাভাদাসৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ দ্বাৰা ৰচিত *ভক্তমালা* ভক্তি সাহিত্যৰ অন্য এখন সর্বশ্রেষ্ঠ গ্রন্থ। তেওঁৰ পাছতেই আন এগৰাকী উল্লেখযোগ্য ৰামভক্ত কবি হ'ল কেশৱ দাস। তেওঁ কেইবাখনো গ্রন্থ ৰচনা কৰে। তাৰ ভিতৰত *ৰামচন্দ্রিকা* ৰামভক্তি পৰম্পৰাৰ এখনি অতি বিখ্যাত গ্রন্থ।

তুলসীদাসৰ সমকালীন ৰামভক্তিধাৰাৰ অন্যান্য কবিসকলৰ ভিতৰত নাভাদাস আৰু অগ্রদাসৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মৈথিলীচৰণ গুপ্তৰ *সাকেততে* ৰামভক্তিক বিশ্বজনীন ৰূপ দিয়াৰ প্রয়াস লক্ষ্যণীয়।তেওঁ ৰামক মানৱ ৰূপত গ্রহণ কৰি ৰামচন্দ্রৰ আদর্শ গৃহস্থী জীৱনৰ চিত্র অঙ্কন কৰিছে।

ভক্তকবিসকলৰ এচামে নির্গুণ নিৰাকাৰ ব্রহ্মোপাসনাৰ পৰা আঁতৰি একমাত্র ভগৱানৰ চৰণতেই দাসৰূপে শৰণ লৈছিল আৰু সেয়ে ৰাম বা কৃষ্ণক একান্ত আৰাধ্য দেৱতা হিচাপে গণ্য কৰি তেওঁৰ শীল, সৌন্দর্য, ৰূপ গুণ আদিৰ মনোহাৰী চিত্র অঙ্কনৰ প্রয়াস কৰিছিল।

সগুণ ভক্তিধাৰাৰ ভক্তকবিসকলৰ আৰাধ্য দেৱতাৰ ভিতৰত ভগৱান শ্রীকৃষ্ণই এক বিশেষ স্থান লাভ কৰিছে। ভাৰতীয় পু�ৰাণসমূহত সগুণ ব্রহ্মা ৰূপে কৃষ্ণৰ সর্বাধিক বর্ণনা পোৱা যায়।

মানৱ ৰূপেই মহাভাৰতত বর্ণিত কৃষ্ণৰ প্রাৰম্ভিক ৰূপ। পৰৱর্তী কালত এই গ্রন্থই পৰিবর্ধিত ৰূপ লাভ কৰাত কৃষ্ণই বিষ্ণু, নাৰায়ণ, পৰমব্রহ্মা আদি ৰূপত প্রতিষ্ঠা লাভ কৰে। মহাভাৰতৰ কৃষ্ণ যদুবংশীয় ক্ষত্রিয়। মহাভাৰত আৰু গীতাৰ পাছতেই পু�ৰাণসমূহত কৃষ্ণ চৰিত্রৰ বিকাশৰ এক বিশেষ ধাৰা পৰিলক্ষিত হয়।

কোনো কোনো পুৰাণৰ মতে কৃষ্ণ ভগৱানৰ পূৰ্ণ অৱতাৰ। *ভাগৱত পুৰাণত* শ্ৰীকৃষ্ণৰে গুৰুত্ব অধিক। সকলো বেদেই শ্ৰীকৃষ্ণক আৰাধনা কৰে। সমস্ত সাধনা তপস্যা আৰু গতিৰ মূল লক্ষ্যও তেৱেঁই। পুৰাণৰ মতে তেওঁ যোগেশ্বৰ, সচ্চিদানন্দ, অবিনাশী। এয়ে ভাগৱতৰ মত। ইয়াৰ বাহিৰেও *ভাগৱতপুৰাণ, হৰিবংশ বিষ্ণুপুৰাণ, পদ্মপুৰাণ* ইত্যাদিত শ্ৰীকৃষ্ণৰ মাহাত্ম্যৰ বৰ্ণনা পোৱা যায়।

পুৰাণসমূহত শ্ৰীকৃষ্ণৰ দুটা ৰূপ পোৱা যায়। ঐশ্বৰিক আৰু মাধুৰ্যময়। ঐশ্বৰিক ৰূপৰ যোগেদি তেওঁ দৈত্য-দানৰ, অসুৰ, ৰাক্ষস আদি দমন কৰি লোকৰক্ষকৰ ভূমিকা গ্ৰহণ কৰিছে। মাধুৰ্যময় ৰূপৰ যোগেদি লোকৰঞ্জনৰ উদ্দেশ্য মধুৰ ভাৱনাৰ নানান লীলা সম্পন্ন কৰি ভক্তসকলৰ মনত অপাৰ আনন্দ প্ৰদান কৰিছে।

ভাৰতীয় সাহিত্যত কবি অশ্বঘোষৰ *'ব্ৰহ্মচৰিত'*ত প্ৰথম শ্ৰীকৃষ্ণলীলাৰ উল্লেখ পোৱা যায়। হাল বিৰচিত *গাহা সত্তসঈ*তো কৃষ্ণৰ চিত্ৰ অঙ্কিত হৈছে। দ্বাদশ শতিকাৰ পৰৱৰ্তী কালত ৰচিত ভালেমান কাব্যত কৃষ্ণ চৰিত্ৰৰ উল্লেখ পোৱা যায়। তাৰ ভিতৰত বোপদেৱৰ *হৰিলীলা* আৰু বেদান্তদেশিক *যাদৱাভ্যুদয়ৰ* নাম এই ক্ষেত্ৰত উল্লেখযোগ্য। ষষ্ঠদশ শতিকাৰ ৰূপগোস্বামী, সনাতন গোস্বামী আৰু জীৱ গোস্বামীয়ে কৃষ্ণভক্তিক শাস্ত্ৰীয় ৰূপ প্ৰদানৰ প্ৰয়াস কৰে। ৰূপগোস্বামী বিৰচিত *উজ্জ্বল নীলমণি* হৰিভক্তি ৰসামৃত সিন্ধু আৰু, সনাতন গোস্বামীৰ ষট্‌সন্দৰ্ভ আদি গ্ৰন্থই কৃষ্ণভক্তি ধাৰাক শাস্ত্ৰীয় ৰূপত প্ৰতিষ্ঠা কৰে।

বিদ্যাপতিৰ সময়ৰে পৰাই ভাৰতীয় সাহিত্যত কৃষ্ণকাব্যৰ সূচনা হয় আৰু বিদ্যাপতিয়ে ৰাধাকৃষ্ণ বিষয়ক ভালেমান গীত-পদ ৰচনা কৰে। তেওঁৰ পদাৱলীত সৰসতা, কোমলতা আৰু আকৰ্ষণীয়তা বিদ্যমান।

আচাৰ্য বল্লভৰ মতে পূৰ্ণ-পুৰুষোত্তম, পৰমব্ৰহ্ম কৃষ্ণই জগতৰ নিমিত্ত কাৰণ আৰু জগতত লীলা প্ৰচাৰৰ বাবেই তেওঁ অৱতাৰ ধাৰণ কৰে। তেওঁ শুদ্ধাদ্বৈত দৰ্শনৰ ভিত্তিত ব্ৰজমণ্ডলত কৃষ্ণভক্তি ধাৰাক প্ৰতিষ্ঠিত কৰে। বল্লভাচাৰ্যই তিনিবিধ সাধনমাৰ্গৰ ভিতৰত পুষ্টিমাৰ্গকেই শ্ৰেষ্ঠ আখ্যা দিছে। তেওঁৰ দ্বাৰা প্ৰৱৰ্ত্তিত পুষ্টিমাৰ্গৰ উল্লেখযোগ্য কবিসকল হ'ল— কৃষ্ণদাস, সূ�ৰদাস, পৰমান্দ দাস, কুম্ভন দাস, গোবিন্দ স্বামী, নন্দ দাস, ছীত স্বামী আৰু চতুৰ্ভুজ দাস।

নিম্বাৰ্ক সম্প্ৰদায়ত ৰাধাকৃষ্ণৰ যুগল উপাসনাৰ বিধান প্ৰচলিত। এনে উপাসনাৰ মূল স্ৰোত হৈছে কৃষ্ণ-ব্ৰহ্ম। এই সম্প্ৰদায়ৰ কেইবাজনো কবিয়ে ব্ৰজভাষাত কৃষ্ণভক্তি বিষয়ক ভালেমান গীত-পদ ৰচনা কৰে। ৰাধা বল্লভ সম্প্ৰদায়ত ৰাধাইহে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। এই সম্প্ৰদায়ত শ্ৰীকৃষ্ণৰ উপাস্য নাম 'ৰাধাবল্লভ'। হৰিদাসী সম্প্ৰদায়ত হৰিদাসে নিকুঞ্জবিহাৰী শ্ৰীকৃষ্ণৰ গুণগান কৰিছে। গৌড়ীয় সম্প্ৰদায়ৰ প্ৰৱৰ্তক চৈতন্যদেৱে শ্ৰীকৃষ্ণক ব্ৰজেন্দ্ৰ কুমাৰ নামেৰে অভিহিত কৰিছে। তেওঁৰ মতে কৃষ্ণই পৰমতত্ত্ব, পূৰ্ণজ্ঞান তথা পূৰ্ণানন্দ স্বৰূপ।

কৃষ্ণভক্তি ধাৰাক জনপ্রিয় ৰূপত প্রতিষ্ঠা কৰাত হিন্দী কবি সূৰদাসৰ ভূমিকা সর্বাধিক। তেওঁৰ নামত কেইবাখনো গ্রন্থ পোৱা গৈছে। তেওঁৰ কাব্য কৃষ্ণভক্তিপ্রধান। *সূৰসাগৰত* ৰাধাকৃষ্ণৰ লীলাৰ অনেক মনোৰম বর্ণনা পোৱা যায়।

কৃষ্ণভক্ত কবিসকলে কৃষক ব্রহ্মৰূপত প্রতিষ্ঠা কৰি থৈ গৈছে। কৃষ্ণই সগুণ ব্রহ্ম, গতিকে তেওঁক উপাসনা কৰা উচিত। তেওঁৰ বাহিৰে অন্যত্র জীৱনৰ গতি নাই। মধ্যযুগীয় বৈষ্ণৱ সম্প্রদায়সমূহৰ ভিতৰত কৃষ্ণভক্তি শাখাৰ এটি উল্লেখযোগ্য সম্প্রদায় হৈছে ৰাধা-বল্লভ সম্প্রদায়। এই সম্প্রদায়ত প্রেমকেই ভক্তিৰ মূলধাৰা ৰূপে স্বীকাৰ কৰা হৈছে। এই প্রেমত ভক্তি সিদ্ধান্তৰ কোনো বিধি-নিষেধ মানি চলা নহয়। ৰামেই এই সম্প্রদায়ৰ উপাসনাৰ মূল আধাৰ। গতিকে বাহ্যিক বিধি-নিষেধক অস্বীকাৰ কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ মধ্যযুগৰ ভক্তিধাৰাত সগুণ ভক্তি ধাৰাৰ অন্তর্গত সম্প্রদায়সমূহৰ চমু পৰিচয় দিয়ক। (১৫০টা শব্দৰ ভিতৰত)

.....

ৰাধা-কৃষ্ণৰ নিত্যবিহাৰৰ শৃঙ্গাৰাত্মক পদ্ধতিৰ বর্ণনাই মাধুর্যভক্তিৰ সাৰ। ৰাধা-কৃষ্ণ বৃন্দাবন আৰু বৃন্দাবনৰ সহচৰীসকলক একেডালি প্রেমৰ সূতিৰে বান্ধি ৰাখি ৰাধা কৃষ্ণৰ নিকুঞ্জলীলাৰ বর্ণনা কৰাই এই ভক্তি পদ্ধতিৰ মূল কথা।

চৈতন্য মতৰ প্রৱর্তক চৈতন্যদেৱৰ জন্ম হয় বঙ্গদেশৰ নৱদ্বীপত। কেশৱ ভাৰতীৰ ওচৰত দীক্ষা গ্রহণ কৰি তেওঁ চৈতন্যদেৱ ৰূপে পৰিচিত হয়। তেওঁৰ ভক্তিমার্গ প্রেম, মমতা আৰু ভাবুকতাৰে পৰিপূর্ণ। অসমত মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ আৰু তেওঁলোকৰ শিষ্য-প্রশিষ্যসকলে ভক্তিধর্মৰ সম্প্রসাৰণ কৰে আৰু কৃষ্ণভক্তি ধাৰাটো বিকশিত কৰি তুলিবৰ কাৰণে *কীর্ত্তনঘোষা, নামঘোষা, ভক্তি-ৰত্নাকৰ, ভক্তি-ৰত্নাৱলী, ভক্তি-প্রদীপ আদি বিবিধ গ্রন্থ ৰচনা কৰে। এনেদৰেই কৃষ্ণভক্তি ধাৰাটোৱে সমগ্র ভাৰত জুৰি প্রচাৰ লাভ কৰে।*

৪.৪.২ নির্গুণ ভক্তিধাৰা

নির্গুণ ভক্তিধাৰা জ্ঞানাশ্রয়ী আৰু প্রেমাশ্রয়ী— এই দুই ধাৰাত বিভক্ত। ইয়াৰে জ্ঞানাশ্রয়ী শাখাটোক বুজাবৰ কাৰণে পাৰিভাষিক শব্দ ৰূপে 'সন্তকাব্য' শব্দটিৰ প্রয়োগ কৰা দেখা যায়। সন্তকাব্যৰ ৰচকসকল প্রায়েই সমাজৰ নিম্নশ্রেণীৰ লোক আছিল আৰু তেওঁলোক প্রায়েই উচ্চবর্গৰ হিন্দুসকলৰ দ্বাৰা লাঞ্ছিত হ'বলগীয়াত পৰিছিল। সেয়েহে তেওঁলোকৰ কাব্যত জাতিভেদ, বর্ণবৈষম্য, ব্রত উপাসনা, তীর্থযাত্রা, ৰোজা-নামাজ আদি বাহ্য আচৰণৰ প্রতি তীব্র বিৰোধ লক্ষ্য কৰা হয়। ধর্মীয় উদাৰতা, সহিষ্ণুতা,

অহিংসা, গুৰুভক্তি আৰু সদাচাৰৰ প্ৰাধান্য এই ধাৰাৰ সন্তসকলৰ জীৱনৰ অপৰিহাৰ্য অঙ্গৰূপে বিবেচিত হৈছিল।

বাহ্যিক আচাৰৰ পৰিৱৰ্তে ভাৱনাৰ ওপৰত গুৰুত্ব নিৰ্গুণ উপাসনাৰ পৰম প্ৰতিপাদ্য বিষয়। নিৰ্গুণ ব্ৰহ্মৰ উপাসক স্বৰূপে কেতিয়াবা তেওঁলোকে সগুণ ঈশ্বৰৰ নাম উল্লেখ কৰিলেও ই ব্ৰহ্মৰ নামান্তৰ মাত্ৰ। সন্তকাব্য পৰম্পৰাৰ এগৰাকী উল্লেখযোগ্য কবি হৈছে কবীৰদাস। এইগৰাকী কবিৰ ৰচনাত নিৰ্ভীকতা, স্পষ্টবাদিতা আৰু ধৰ্মীয় উদাৰতাৰ পৰিচয় স্পষ্ট। তেওঁৰ সমসাময়িক আন এগৰাকী প্ৰতিভাশালী কবি ৰৈদাসে তিনিখন গ্ৰন্থ ৰচনা কৰি সন্তকাব্যৰ ধাৰাটো পৰিপুষ্ট কৰি তোলে। শিখ সম্প্ৰদায়ৰ গুৰুনানক, দাদুপন্থ পন্থৰ প্ৰৱৰ্তক দাদুদয়াল, নামদেৱ, সুন্দৰদাস, মলুক দাস, ধৰম দাস, সহজোবাঈ, দয়াবাঈ আদি সন্তকবিয়ে জ্ঞানাশ্ৰয়ী ধাৰাটো পৰিপুষ্ট কৰে।

নিৰ্গুণ ভক্তিধাৰাৰ প্ৰেমাশ্ৰয়ী শাখাৰ কবিসকল মুখ্যতঃ চুফী কবি। পৰৱৰ্তী কালত প্ৰেমমাৰ্গৰ মাধ্যমেদি ঈশ্বৰৰ উপাসনা কৰা মুছলমান সাধকক বুজাবৰ বাবেও এই শব্দটো প্ৰয়োগ কৰা হয়। চুফী কাব্যক প্ৰেম কাব্য, প্ৰেমাখ্যান কাব্য, চুফী কাব্য আদি নামেৰে জনা যায়। গতিকে দেখা যায় যে এইধাৰাৰ কাব্যত প্ৰেমে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। অৱশ্যে এই প্ৰেমৰ ধাৰণা পৰম্পৰাগত শৃঙ্গাৰ ভাৱনাৰ পৰা পৃথক।

ভক্তিকালৰ প্ৰেমাখ্যান পৰম্পৰাগত মৃগাৱতী, মধুমালতী, পদ্মাৱতী, চিত্ৰাৱলী, ৰসৰতন আদিয়ে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। এই ধাৰাৰ কবিসকলে তেওঁলোকৰ কাব্যত প্ৰণয়ৰ গভীৰ ৰূপ চিত্ৰণৰ লগে লগে প্ৰাসঙ্গিকভাৱে ভাৰতীয় দৰ্শন, পুৰাণ, জ্যোতিষ, কামশাস্ত্ৰ, বুদ্ধবিদ্যা, সঙ্গীতশাস্ত্ৰ আদিৰো আলোচনা কৰিছে। হংসাৱলীকেই এই ধাৰাৰ প্ৰথম কাব্য আখ্যা দিব পাৰি। মুল্লা দাউদ বিৰচিত *চান্দ্ৰায়ণ* এই ধাৰাৰ দ্বিতীয় উল্লেখযোগ্য কাব্য। দামোদৰ কবিৰ *পদ্মাৱতী কথা,* ঈশ্বৰ দাসৰ *'সত্যৱতী কথা',* কুতুবনৰ *'মৃগাৱতী',* গজপতি ৰচিত 'কামকন্দলা', জায়চীৰ 'পদ্মাৱত' আদি এই ধাৰাৰ উল্লেখযোগ্য কাব্য।

৪.৫ ভক্তি-সাহিত্যৰ সামাজিক অভিব্যক্তি

সকলো শ্ৰেণীৰ লোকক হিন্দুধৰ্মৰ ভিতৰত থাকিবলৈ উপযোগী সমল দিয়া আৰু আনকো হিন্দুধৰ্ম ল'বলৈ আকৰ্ষণ কৰা আৰু ইছলামৰ লগত সংঘৰ্ষৰ কাৰণ হ্ৰাস কৰা— এই তিনিটা সমস্যা প্ৰতি লক্ষ্য ৰাখি প্ৰাচীন কালৰে পৰা ক্ষীণভাৱে হ'লেও প্ৰবাহিত হৈ থকা ঐকান্তিক বৈষ্ণৱ, ভক্তিমাৰ্গক সণ্ঢালনিভাৱে প্ৰৱৰ্তন কৰিবলৈ ধৰ্ম সংস্কাৰকামীসকলে মনোনিৱেশ কৰে। বিষ্ণুৰ প্ৰতি ঐক্যান্তিক নিষ্ঠা আৰু ভক্তিৰ যোগেদি ভক্তিমাৰ্গত মুক্তি লাভ সম্ভৱ। সেইবাবেই ভক্তিমাৰ্গত জাতি-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলো লোককে সমান অধিকাৰ প্ৰদান কৰা হৈছে।

মহাপুৰুষ শংকৰদেৱে পঞ্চদশ শতিকাৰ শেষৰ ফালে এই ধৰ্মৰ পাতনি মেলে আৰু সমাজত নৈতিক আদৰ্শ, আধ্যাত্মিক সাধনা আদিৰ জৰিয়তে প্ৰতিপত্তি বিস্তাৰ কৰে। উত্তৰ ভাৰতত

সূৰদাস, কবীৰদাস, তুলসীদাস আদিৰ দৰেই অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে আগত ৰাখি সাহিত্য সৃষ্টিৰ লগে লগে নাটক, গীত, অভিনয় আদিৰ মাধ্যমেদি সমাজখন সংগঠিত কৰি তোলে।

ভক্তিধৰ্ম প্ৰচাৰেই শংকৰদেৱৰ ৰচনাৰ মূল প্ৰেৰণা আছিল আৰু সেয়ে ৰচনাৰ বিভিন্ন স্থানত মূলৰ পৰা ফালৰি কাটি জনসাধাৰণৰ মনত ভগৱানৰ প্ৰতি ধাউতি আনিবৰ বাবে কৃষ্ণভক্তিপ্ৰধান অংশবোৰ বহলাই বৰ্ণনা কৰিছিল।

নিৰক্ষৰ জনসাধাৰণক ব্ৰহ্মজ্ঞান প্ৰদান কৰি ভক্তিৰ জৰিয়তে মুক্তিৰ পথ প্ৰশস্ত কৰাত ভক্তকবিসকলে গুৰুত্ব প্ৰদান কৰিছিল। সেইবাবেই নৱবিধা ভক্তিৰ অন্তৰ্গত শ্ৰৱণ-কীৰ্তনত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। ভগৱানৰ কৰুণা লাভৰ কাৰণে ভক্তকবিসকলে নিজকে ভগৱানৰ একান্ত দাস হিচাপে অহংকাৰশূন্য অন্তৰৰে ভগৱানৰ উপাসনা কৰিছিল। মানৱীয় গুণৰাজিৰ বিকাশ সাধনৰ যোগেদি বিনয়, দয়া, সত্যবাদিতা, সহিষ্ণুতা, পৰোপকাৰ আদি গুণৰ বিকাশ সাধন কৰি সমাজৰ কল্যাণ সাধন কৰাই আছিল এই ধৰ্মৰ প্ৰধান উদ্দেশ্য। সমাজৰ হিত বা মঙ্গলৰ উদ্দেশ্যে ভক্তকবিসকলে সেৱাৰ মনোভাৱ গ্ৰহণ কৰিছিল আৰু একান্ত ভক্তিৰ জৰিয়তে সমাজত ন্যায় আৰু শান্তি প্ৰতিষ্ঠাৰ প্ৰয়াস কৰিছিল।

জানি থোৱা ভাল



বৈষ্ণৱ কবিসকলে শিৱক বিষ্ণুৰ বৈৰীৰূপে জল্পনা কৰাতকৈ বিষ্ণুৰ সৈতে অভিন্ন ৰূপত প্ৰতিষ্ঠাৰ বাবেহে প্ৰয়াস কৰা দেখা যায়। কীৰ্তনৰ হৰমোহনত শঙ্কৰদেৱে শিৱৰ মুখেদি পাৰ্বতীক এনেদৰে প্ৰবোধ দিছে ঃ

‘হৰিসে পৰস দেৱ হৰিকেসে কৰোঁ সেৱ
স্ৰজন্তা পালন্তা সবে হৰি।’

নৱ-বৈষ্ণৱ ধৰ্মই শাক্ত-তান্ত্ৰিক আদৰ্শৰ ঘোৰ বিৰোধিতা কৰিছিল যদিও দুই-এটি-তান্ত্ৰিক উপাদনো বৈষ্ণৱ ধৰ্মত প্ৰৱেশ নকৰাকৈ থকা নাই। তন্ত্ৰশাস্ত্ৰৰ দেহতত্ত্বৰ সাৰ কথাখিনি শঙ্কৰদেৱে মানি লৈছে। তন্ত্ৰৰ মতে মানৱ দেহতেই সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড বিৰাজ কৰিছে ঃ

‘দেহৰ মহিমা আবে শুনিয়ে ৰেকতে।
ব্ৰহ্মাণ্ডৰ গুণ মান আছে শৰীৰতে।।’

(নলাদি পাতন, পদ-১৯১)

এনে কাৰণতে বৈষ্ণৱ ধৰ্মৰ পাঁৰ লৈ সত্ৰসমূহৰ ছত্ৰছায়াতে ৰীতিয়া, অৰীতিয়া, ভিতৰপকীয়া, পকাসেৱা, ৰাতিথোৱা ইত্যাদি বিভিন্ন নামেৰে শাক্ত-তান্ত্ৰিক আচাৰে অসমৰ সমাজ জীৱনত খোপনি পুতিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ভক্ত কবিসকলে সমাজৰ আধ্যাত্মিক উৎকর্ষৰ বাবে কি কৰিছিল? (১০০টা শব্দৰ ভিতৰত)

.....

৪.৬ নৈতিক আৰু আধ্যাত্মিক উৎকর্ষ সাধনত ভক্তিৰ ভূমিকা

ভক্তিধর্ম নৈতিকতাৰ ওপৰত প্রতিষ্ঠিত। নৈতিক জীৱন যাপন অবিহনে আধ্যাত্মিকতাৰ গভীৰত প্রৱেশ কৰাটো সম্ভৱ নহয়। ভক্তকবিসকলে সেয়েহে বিনয় ভাবক সততে গুৰুত্ব দিছিল। গুৰুভক্তিৰ জৰিয়তে মানৱীয় অনুভূতিৰাজি বিকশিত কৰি সত্য, প্রেম, ন্যায়, অহিংসা আদিৰ উৎকর্ষ সাধন কৰাটো সম্ভৱ।

শংকৰদেৱ সমসাময়িক সমাজখনৰ সামাজিক আৰু অর্থনৈতিক বিকাশৰ বাবে সততে প্রয়াস কৰিছিল। মানুহৰ মাজৰ পৰা অন্ধবিশ্বাস, কুসংস্কাৰ আদি দূৰ কৰি হিংসা-বিদ্বেষৰ অৱসান ঘটাই সামন্তবাদী সমাজ-ব্যৱস্থাৰ পৰিৱর্তন সাধন কৰিছিল। তেওঁ সামাজিক অৰাজকতা আৰু বিশৃংখলাৰে পৰিপূর্ণ সমাজখনক সুসংগঠিত কৰি সমন্বয়ৰ ডোলেৰে বান্ধি জাতীয় জীৱনক শক্তিশালী কৰি তুলিছিল। দয়া, ক্ষমা, পৰোপকাৰ, সাধুতা, উদাৰতা, সত্যবাদিতা আদি মহান গুণসমূহৰ বিকাশ সাধন কৰি জনসাধাৰণক নৈতিক আৰু আধ্যাত্মিক জীৱন যাপনৰ প্রতি উৎসাহিত কৰিছিল। তেওঁৰ চিন্তা আৰু আদর্শৰ মাজতে নিহিত হৈ আছে মানৱ আৰু মানৱ সমাজৰ প্রতি কল্যাণকামী মনোভাৱ।

শংকৰদেৱ এগৰাকী মানৱতাবাদী পুৰুষ আছিল আৰু সেয়ে মানৱীয় মূল্যবোধক তেওঁ সততে গুৰুত্ব প্রদান কৰিছিল। সমাজৰ পিছপৰা আৰু শোষিতজনক মুক্তিৰ পথ প্রদর্শন কৰাৰ লগতে মানুহক মানুহ হিচাপে জীয়াই থকাৰ বাবে উপযুক্ত পথ প্রদর্শন কৰাত তেওঁ অগ্রণী ভূমিকা গ্রহণ কৰিছল। তেওঁ আজীৱন মানৱ কল্যাণৰ প্রয়াস কৰিছিল আৰু জীৱ মাত্রেই ঈশ্বৰৰ অংশ বুলি উপলব্ধি কৰি জীৱ-জন্তুৰ প্রতিও দয়াৰ ভাব পোষণ কৰিবলৈ উপদেশ দিছিল।

শংকৰদেৱে জাতিভেদ, বর্ণবৈষম্য দূৰ কৰি এখন শ্রেণীহীন সমাজ গঠন কৰিবলৈ প্রয়াস কৰিছিল আৰু তাৰ বাবে সামাজিক ব্যৱধান দূৰ কৰি সকলোকে আধ্যাত্মিক উৎকর্ষ সাধনৰ কাৰণে অনুপ্রাণিত কৰিছিল। মহাপুৰুষ শংকৰদেৱৰ চিন্তাধাৰা ভাৰতীয় আধ্যাত্মিকতাৰ ওপৰত প্রতিষ্ঠিত। তেওঁ মানুহৰ বদ-অভ্যাস ত্যাগ কৰি সমস্ত প্রাণীকে বিষ্ণুবুদ্ধি কৰিবলৈ পৰামর্শ প্রদান কৰিছিল।

‘হেনজানি অসুৰ স্বভাৱ এৰি।
সমস্ত প্রাণীকে পূজা বিষ্ণুবুদ্ধি কৰি।।’

মানুহৰ মহত্ব প্রতিষ্ঠাৰ কাৰণেই শংকৰদেৱে ধর্মক আধাৰ স্বৰূপে গ্রহণ কৰিছিল। মানৱতা আৰু মানৱ সমাজৰ কল্যাণ সাধনেই আছিল তেওঁৰ জীৱনৰ প্রধান ব্রত।

হৰিভক্তিয়ে মনুষ্য জীৱনক সার্থক কৰে আৰু সেয়াই পৰম্পদ লাভৰ একান্ত উপায়। সেয়ে শংকৰদেৱে আধ্যাত্মিকতাৰ আশ্রয় লৈ অমূল্য মানৱ জীৱনক পৰিপূর্ণ কৰি তুলিবলৈ আহ্বান জনাইছে ঃ

'দুর্লভ মনুষ্য জন্ম নকৰা নিস্ফল।
চিন্ত মনে মাধৱৰ চৰণ কমল।
হৰিসে সবাৰো আত্মা বান্ধৱ ঈশ্বৰ।
মায়াময় ইটো পুত্র-ভার্যা কলেৱৰ।' ইত্যাদি

সেইবাবেই মোহাচ্ছন্ন জীৱনৰ কল্পতৰু স্বৰূপ হৰিভক্তিৰ আশ্রয় গ্রহণ কৰিবৰ বাবে শংকৰদেৱে ভক্তসকলৰ প্রতি আহ্বান জনাইছে।



জানি থোৱা ভাল

ভক্তিধর্মত বিনয় আৰু সংযমৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। মানৱীয় গুণসমূহৰ বিকাশ সাধন কৰি মানুহে চিত্তশুদ্ধি আৰু ৰিপুদমনৰ যোগেদি সুখী আধ্যাত্মিক জীৱন লাভ কৰিবলৈ সক্ষম হয়। চিত্তৰ চঞ্চলতাই মানুহৰ পার্থিৱ দুখ-দুর্গতিৰ মূল কাৰণ। সেইবাবেই শঙ্কৰদেৱে লিখিছে ঃ

'কদমদল জল চিত্ত চঞ্চল
থিৰ নোহো তিল এক।' ইত্যাদি।

বিনয়, সংযম, দয়া, ক্ষমা, সত্যবাদিতা, প্রেম, নিঃস্বার্থতা ইত্যাদি মানৱীয় গুণৰাজিৰ বিকাশ সাধন কৰি মানুহ দেৱতালৈ উন্নীত হ'ব পাৰে। মধ্যযুগৰ ভক্ত কবিসকলে মানৱীয় উদাৰতাত গুৰুত্ব দি হৰিভক্তিৰ দুৱাৰ সর্বসাধাৰণৰ কাৰণে মুকলি কৰি দিছিল।



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভক্তি-সাহিত্য সার্বজনীন মানৱীয় আবেদনৰ ওপৰত প্রতিষ্ঠিত আৰু ভক্তকবিসকলে জাতিভেদ-বর্ণ-বৈষম্য আঁতৰাই সমাজত শান্তি প্রতিষ্ঠাৰ প্রয়াস কৰিছিল। মধ্যযুগৰ ভক্তি আন্দোলনে কেইবা শ বছৰ ধৰি ভাৰতীয় জীৱনত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। আন্তৰিক প্রেম, ভক্তি আৰু নিষ্ঠাৰ যোগেদি ভগৱানৰ কৃপা লাভ সম্ভৱ বুলি বাহ্যিক আচাৰ-আচৰণৰ বিৰোধিতা কৰি ভক্তিধর্মই জনসাধাৰণৰ মনত স্থায়ী প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।
- ভক্তিধর্ম সগুণ আৰু নির্গুণ ভক্তি ধাৰাত বিভক্ত হৈ মধ্যযুগৰ ভক্তিসাহিত্যক পৰিপুষ্ট কৰে। মধ্যযুগৰ ভক্তিধর্মৰ মূল আধাৰ হ'ল *ভাগৱত পুৰাণ* আৰু *ভাগৱত গীতা*। তাৰ লগে লগে দুখনি মহাকাব্য আৰু পুৰাণসমূহৰ ভূমিকা আছিল অতি গুৰুত্বপূর্ণ। *ভাগৱত পুৰাণৰ* লগে লগে *বিষ্ণুপুৰাণ, হৰিবংশ, পদ্মপুৰাণ, বায়ুপুৰাণ* আদিৰ ভূমিকা এইক্ষেত্রত উল্লেখযোগ্য।

- ভক্তিসাহিত্য সংস্কৃত সাহিত্যৰ মাজেদি আহি বৌদ্ধ আৰু জৈন সাহিত্যৰ লগতে আধুনিক ভাৰতীয় সাহিত্যলৈ অনুবাদৰ যোগেদি সম্প্রসাৰিত হয়।
- ভক্তিমার্গত নৈতিক আৰু আধ্যাত্মিক জীৱন যাপনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। তাৰ লগে লগে মানৱীয় অনুভূতিৰাজিৰ বিকাশ সাধনৰ যোগেদি আৰাধ্য দেৱতাৰ উপাসনাৰ মাজেদি শ্ৰৱণ-কীর্তনক আদর্শ হিচাপে গ্রহণ কৰিবলৈ পৰামর্শ দিয়া হৈছে।
- আচৰণৰ বিৰোধিতা, ঐক্যান্তিক নিষ্ঠা আৰু গুৰুভক্তিৰ মাধ্যমেদি মুক্তি লাভৰ হেতুকে ভক্তিক গুৰুত্ব দিবলৈ সোঁৱৰাই দিয়া হৈছে।
- ভক্তি সাহিত্যত সমন্বয়ৰ ভাৱনা বিদ্যমান। বিভিন্ন দর্শন, ধর্মীয় চিন্তাৰ মাজত সমন্বয় সাধনৰ যোগেদি ভক্তিধর্মত উদাৰতাৰ আৰ্হি গ্রহণ কৰা হৈছে।
- ভক্তিধর্মই ভাৰতীয় জাতীয় জীৱনৰ দুষ্কৃতি নাশি সংস্কৃতি প্রতিষ্ঠাত গুৰুত্ব প্রদান কৰিছিল। সেয়ে কাব্য, নাট, গীত আদিৰ মাধ্যমত জনসাধাৰণৰ মানসিক উৎকর্ষ সাধনত গুৰুত্ব দিয়া হৈছিল।
- সগুণ ভক্তিধাৰা পৰৱর্তী কালত ৰামভক্তিধাৰা আৰু কৃষ্ণভক্তি ধাৰা এই দুই ভাগত বিভক্ত হয়। দুয়োটা ধাৰাতেই বিপুল সাহিত্যৰাজিৰ সৃষ্টি হয়। ভক্তকবিসকলে নির্গুণ নিৰাকাৰ সাধনৰ পৰা আঁতৰি আহি ৰাম বা কৃষ্ণৰ ৰূপ গুণ, ঐশ্বর্য আৰু সৌন্দর্যক আধাৰ হিচাপে লৈ তেওঁলোকক পৰমপুৰুষ পৰমেশ্বৰ ৰূপত প্রতিষ্ঠা কৰিবলৈ কৰা প্রয়াসৰ পৰিণতি স্বৰূপে এই দুই ভক্তিধাৰাই মধ্যযুগত বিশেষ গুৰুত্ব লাভ কৰে।
- নির্গুণ ভক্তিধাৰাই সন্তকাব্য আৰু চুফী কাব্যৰ মাজেদি বিকাশ লাভ কৰে। দুয়োটা ধাৰাতেই পর্যাপ্ত পৰিমাণে সাহিত্যৰ সৃষ্টি হয়।
- ভক্তিধর্মৰ সামাজিক দিশটো যথেষ্ট তাৎপর্যপূর্ণ। সকলো শ্রেণীৰ লোককে ভক্তিধর্মৰ অংশীদাৰ কৰিবৰ কাৰণে ভক্তিকবিসকলে প্রয়াস কৰিছিল। জাতি-ভেদ-বর্ণ-বৈষম্য আঁতৰাই এখনি শ্রেণীহীন সমাজ গঠনৰ পোষকতা কৰিছিল। হিন্দু আৰু মুছলমানৰ মাজৰ সংঘর্ষ হ্রাস কৰি আনকি জনজাতি মূলৰ লোকসকলকো বিশ্বাস আৰু আস্থাত লৈ নৱবৈষ্ণৱ ভক্তিধর্মৰ অংশীদাৰ কৰা হৈছিল।



৪.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। গোস্বামী, উপেন্দ্রনাথ; (১৯৭৮) ঃ *ভাষা আৰু সাহিত্য,* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ

২। নাথ, ৰাজমোহন; (১৯৫০) ঃ *শাণ্ডিল্যৰ ভক্তি সূত্র,* শ্বিলং ঃ চপলা বকু ষ্টল

৩। নাথ, ৰাজমোহন; (১৯৫০) ঃ *ভক্তি ৰত্নাকৰ,* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী

৪। নাথ, প্রফুল্ল কুমাৰ; (২০১৭) ঃ *ভক্তিমার্গ আৰু ভাৰতীয় ভক্তিসাহিত্যত এভুমুকি,* গুৱাহাটী ঃ বিশাল প্রকাশন

৫। নেওগ, মহেশ্বৰ; (১৯৮৬) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটী ঃ চন্দ্র প্রকাশ

৬। নেওগ, মহেশ্বৰ; (১৯৮৫) ঃ *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি,* ৪র্থ সংকলন, মহেশ্বৰ নেওগ স্মৃতি ন্যাস

৭। নেওগ, ডিম্বেশ্বৰ; (১৯৭৭) ঃ *যুগনায়ক শংকৰদেৱ,* গুৱাহাটী ঃ শুৱনি প্ৰকাশ

৮। নাথ, প্ৰফুল্ল কুমাৰ (সম্পাদনা); (২০১৪) ঃ *অসমৰ নৱবৈষ্ণৱ ভক্তিধৰ্ম আৰু মহাপুৰুষ শংকৰদেৱ,* গুৱাহাটী ঃ এন এল পাব্লিকেশ্বন

৯। নাথ, প্ৰফুল্ল (সম্পাদক); (২০১৭) ঃ *শংকৰদেৱ অধ্যয়নৰ ঐতিহ্য,* গুৱাহাটী ঃ কে কে পাব্লিকেশ্বন

১০। শৰ্মা, সতেন্দ্ৰনাথ; (১৯৮৪) ঃ *পুৰাণি সাহিত্য অধ্যয়ন, ১ম সংকলন,* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ

১১। শাস্ত্ৰী, মনোৰঞ্জন; (১৯৯১) ঃ *অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা,* জাৰ্নাল এম্পোৰিয়াম

ইংৰাজী গ্ৰন্থ ঃ

1. Bhandarkar R.G (1996) : *Vaisnavism, Saivism and Minor Religious system;* Varanashi.
2. Neog, Mahaswar (1965) : *Sankardeva and his Times, Early History of Vaisnava faith and Movement in Assam,* G.U.

৪.৯ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ শাখা ৪.৪ ৰ যি কোনো দুটা বা তিনিটা শাৰী উল্লেখ কৰিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মধ্যযুগৰ ভক্তি সাহিত্যলৈ অৰিহণা যোগোৱা বিভিন্ন সগুণ ভক্তিধাৰাৰ পন্থাৰ নামোল্লেখ..... সেই সমূহৰ চমু পৰিচয় আৰু প্ৰত্যেক পন্থাই ভক্তি সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ উল্লেখ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মধ্যযুগীয় ভক্ত কবিসকলে সমাজৰ লোকসকলক ভক্তি মাৰ্গলৈ আনিবলৈ কেনে ধৰণৰ প্ৰয়াস কৰিছিল....জনগণৰ মনত আধ্যাত্মিক চেতনাৰ জাগৃতিৰ বাবে তেওঁলোকে লোৱা পদক্ষেপ।



৪.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ভক্তিধৰ্মৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি কি? চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ ভক্তি সাহিত্যৰ প্ৰধান ধাৰাসমূহ কি কি? প্ৰতিটো ধাৰাৰে চমু আভাস দিয়ক।

প্ৰশ্ন নং ৩ ঃ সগুণ ভক্তিধাৰাৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন নং ৪ ঃ ভক্তি সাহিত্যৰ সামাজিক অভিব্যক্তি সম্পৰ্কে এটি চমু আভাস দিয়ক।

প্ৰশ্ন নং ৫ ঃ নৈতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনত ভক্তি সাহিত্যৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ৫ ঃ ভক্তিতাত্ত্বিক গ্রন্থ হিচাপে *কীর্ত্তন-ঘোষা*

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ *কীর্ত্তন-ঘোষা*ৰ বিষয়বস্তু

৫.৪ *কীর্ত্তন*ৰ বিভিন্ন অধ্যায়ৰ মূল আৰু ৰচনা কাল

৫.৫ *কীর্ত্তন-ঘোষা*ত সংগ্রহ আৰু সম্পাদক

৫.৬ *কীর্ত্তন-ঘোষা*ত প্রতিফলিত ভক্তিতত্ত্ব

৫.৭ *কীর্ত্তন-ঘোষা*ত প্রকাশিত ৰস

৫.৮ *কীর্ত্তন-ঘোষা*ৰ সাহিত্যিক সৌন্দর্য

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১০ অধিক জানিবলৈ

৫.১১ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৫.১২ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *কীর্ত্তন-ঘোষা*ৰ বিষয়বস্তুৰ বিষয়ে জানিব পাৰিব
- *কীর্ত্তন-ঘোষা*ৰ বিভিন্ন অধ্যায়ৰ মূল আৰু তাৰ ৰচনাকাল সম্পর্কে জ্ঞাত হ'ব
- *কীর্ত্তন-ঘোষা*ৰ অন্তৰালত থকা ভক্তিতত্ত্ব সম্পর্কে আভাস পাব
- *কীর্ত্তন-ঘোষা*ৰ ছন্দ, অলংকাৰ, ৰস আদি সাহিত্যিক সৌন্দর্যৰ ধাৰণা লাভ কৰিব
- *কীর্ত্তন-ঘোষা*ৰ মাজেৰে প্রকাশিত শংকৰদেৱৰ কাব্য-প্রতিভা, গভীৰ দার্শনিক চিন্তা-চর্চা সম্পর্কে আভাস লাভ কৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মায়িসকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'ভক্তি সাহিত্য'ৰ এইটো পঞ্চম অধ্যায়। অসমীয়া বৈষ্ণৱ সাহিত্যৰ চাৰিপুথিৰ ভিতৰত *কীর্ত্তন-ঘোষা* অন্যতম। মহাপুৰুষ শঙ্কৰদেৱে বৈষ্ণৱ ধর্ম প্রচাৰৰ অর্থে যি সমূহ গীত-মাত, কাব্য-নাট, তত্ত্বমূলক ৰচনা সৃষ্টি কৰি থৈ গৈছে তাৰ ভিতৰত উৎকৃষ্ট হ'ল তেওঁৰ *কীর্ত্তন-ঘোষা* পুথিখন। *ভাগৱত পুৰাণ*খনক আধাৰ হিচাপে লৈ *কীর্ত্তন*ৰ পদ ঘোষাসমূহ ৰচনা কৰিছিল যদিও *ভাগৱত*ৰ বাহিৰেও *মহাভাৰত, বেদ, পুৰাণ-উপপুৰাণ* আদিৰ পৰাও সমল সংগ্রহ কৰি

শঙ্কৰদেৱে *কীর্ত্তন-ঘোষাৰ* খণ্ডসমূহ ৰচনা কৰিছিল। বৈষ্ণৱ ধর্মৰ সকলো আদর্শ *কীর্ত্তন-ঘোষাত* প্রতিফলিত হৈছে। জনপ্রিয়তাৰ ফালৰ পৰা *কীর্ত্তন-ঘোষাৰ* গুৰুত্ব অধিক। *কীর্ত্তন-ঘোষাত* মুঠ সাতাইশ টা খণ্ড আছে। তাৰে তিনিটা খণ্ডক বাদ দি বাকী সমূহ ভাগৱত পু�ৰাণৰ পৰাই সংগৃহীত।

মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্য ৰচনাৰ প্রধান উদ্দেশ্য আছিল ভক্তিধর্ম প্রচাৰ কৰা। *কীর্ত্তন-ঘোষাখন* আখ্যান মূলক কাব্য আৰু তাৰ মাজেৰেই ভক্তিৰসৰ নিজৰা প্রবাহিত হৈছে। চাৰিবেদ, অষ্টাদশ পুৰাণ, উপনিষদ এই সকলোতে ভগৱান কৃষ্ণৰ নাম গুণ *কীর্ত্তনৰ* মাজেৰে জীৱই ভৱ সংসাৰৰ পৰা উদ্ধাৰ পোৱাৰ গতি নিৰূপণ কৰা হৈছে। *কীর্ত্তনৰ* বিভিন্ন অধ্যায়ৰ মাজতো ভগৱান কৃষ্ণৰ নাম-গুণ শ্রৱণ, কীর্ত্তন, স্মৰণ, অর্চন, বন্দন, সেৱন আদিৰ মাজেৰে এই সংসাৰৰ পাপ-তাপ আদিৰ পৰা উদ্ধাৰ পাব পাৰি তাৰ ব্যাখ্যা দাঙি ধৰা হৈছে। *কীর্ত্তন-ঘোষাৰ* আখ্যানসমূহৰ মাজেৰে সাম্যবাদ, সমাজ সংস্কাৰৰ মনোভাব, লোক শিক্ষা আদিও প্রকাশ পোৱাত এখনি আদর্শ গ্রন্থ হিচাপেও পুথিখন গৃহীত হৈছে।

আমাৰ এই আলোচনাত *কীর্ত্তন-ঘোষাৰ* বিষয়বস্তুসমূহৰ আভাস পোৱাৰ লগতে তাৰ মূল, ৰচনা কাল, সংগ্রহ আৰু সম্পাদনা সম্পর্কে পৰিচয় লাভ কৰিব। ভক্তি ধর্ম প্রচাৰেই মুখ্য উদ্দেশ্য হ'লেও শঙ্কৰদেৱৰ কাব্যিক প্রতিভাৰ গুণত পুথিখন সাহিত্যিক সৌন্দর্যৰে পূর্ণ হৈ উঠিছে। এই অধ্যায়ত *কীর্ত্তন-ঘোষাত* প্রকাশিত ৰস সম্পর্কেও আভাস লাভ কৰিব লগতে ভাৱ-ভাষা, ছন্দ-অলংকাৰ আদি সম্পর্কেও পৰিচয় লাভ কৰিব। ঘৰুৱা ভাষা শব্দ প্রয়োগ, উপমা আদিয়ে শঙ্কৰদেৱৰ কাব্যিক প্রতিভা প্রকাশৰ লগতে *কীর্ত্তন-ঘোষাক* পাঠক-শ্রোতাৰ জনপ্রিয় গ্রন্থ হিচাপেও স্বীকৃতি প্রদান কৰা হৈছে।

৫.৩ *কীর্ত্তন-ঘোষাৰ* বিষয়বস্তু

মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্য প্রতিভাৰ শ্রেষ্ঠ নিদর্শন *কীর্ত্তন-ঘোষা*। অসমৰ বৈষ্ণৱ ধর্মৰ 'চাৰি পুথি'ৰ ভিতৰত শংকৰদেৱৰ *কীর্ত্তন-ঘোষা* আৰু *দশম স্কন্ধ* আৰু মাধৱদেৱৰ *নামঘোষা* আৰু *ভক্তি ৰত্নাৱলীক* শ্রেষ্ঠ স্থানত ৰখা হৈছে। শংকৰদেৱৰ *কীর্ত্তন-ঘোষাৰ* স্থান অন্যন্য আৰু সর্বোৎকৃষ্ট। লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ লেখনীত *কীর্ত্তন-ঘোষা* সম্পর্কে এনেদৰে প্রকাশ কৰিছে— 'ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাবৰ মাধুর্য ভক্তি দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে *কীর্ত্তন* ৰচিত।'

কীর্ত্তন-ঘোষাত মুঠ ২৭টা খণ্ড আছে। ইয়াৰে 'উৰেষা বর্ণন', 'নামাপৰাধ' আৰু 'পাষণ্ড মর্দন'ৰ বাহিৰে বাকী আটাইকেইটা খণ্ডৰে বিষয়বস্তু *ভাগৱত পুৰাণৰ* আখ্যানেৰে ৰচিত। 'উৰেষা বর্ণন' *ব্রহ্মপুৰাণ*ৰ পৰা, 'নামাপৰাধ' *পদ্মপুৰাণৰ* পৰা আৰু 'পাষণ্ড মর্দন' খণ্ডটি *ভাগৱত, বিষ্ণুধর্মোত্তৰ আগম, বৃহন্নাৰদীয় পুৰাণ, পদ্ম পুৰাণ* আৰু *সুত সংহতিৰ* পৰা আহৰণ কৰা হৈছে। ভক্তিধর্মৰ বিভিন্ন তাত্ত্বিক দর্শন এই আখ্যানবোৰৰ পৰা সংগ্রহ কৰি শংকৰদেৱে *কীর্ত্তন-ঘোষাৰ* ঘোষাসমূহ ৰচনা কৰিছে। প্রতিটো খণ্ড কেবাটাও কীর্ত্তনৰ সমষ্টিৰ আধা�ৰত ৰচিত। প্রতিটো *কীর্ত্তন* এটা ঘোষৰ দ্বাৰা আৰম্ভ কৰি পদসমূহ সংযোগ কৰি কীর্ত্তন কৰা হয়। একো একোটা খণ্ড দুটাৰ পৰা

আৰম্ভ কৰি বিশটামান কীর্ত্তনৰ সমষ্টিৰ। নিষ্কাম ভক্তি, দাস্য ভাৱ, প্রসাদ তত্ত্ব, সৎসংগ তত্ত্ব, অৱতাৰ তত্ত্বৰ পৰা বেদান্ত দর্শন, শিশুলীলা, ৰাসলীলা আদি বিভিন্ন কাহিনী কীর্ত্তনৰ খণ্ডবোৰত প্রকাশ পাইছে। তলত কীর্ত্তনৰ খণ্ডসমূহৰ বিষয়বস্তুসমূহৰ চমু আভাস দাঙি ধৰা হ'ল—

(১) চতুর্বিংশতি অৱতাৰ বর্ণন ঃ এই খণ্ডটিত অৱতাৰ তত্ত্ব প্রকাশ হৈছে। চাৰিটা ঘোষা বা কীর্ত্তনত বিষয়বস্তু বর্ণনা কৰা হৈছে। নাৰায়ণ কৃষ্ণৰ চব্বিশ টা অৱতাৰ ইয়াত উল্লেখ কৰা হৈছে। অৱতাৰসমূহ এনে ধৰণৰ — (১) মৎসৰূপে প্রলয় জলৰ পৰা চাৰিবেদ উদ্ধাৰ (২) কুর্মৰূপে মন্দৰ পর্বত পিঠিত ধাৰণ (৩) বৰাহ ৰূপে পৃথিৰী উদ্ধাৰ (৪) নৰসিংহৰূপে হিৰণ্যকাশিপু বধ (৫) বামন ৰূপে বলিক ছলনা কৰি (৬) পৰশুৰাম ৰূপে ক্ষত্রিয়ক নিধন (৭) ৰামৰূপে পিতৃ সত্য পালন (৮) হলিৰাম ৰূপে বীৰ নিধন (৯) বুদ্ধ অৱতাৰত বামানয় শাস্ত্রৰে মোহিত কৰা (১০) কল্কি অৱতাৰত ম্লেছ বধ সনত কুমাৰ ৰূপে (১১) পৃথু ৰজাক তত্ত্বজ্ঞান (১২) নাৰদ ৰূপে পঞ্চৰাত্র তন্ত্র প্রচাৰ (১৩) নৰ-নাৰায়ণ ৰূপে কামদেৱৰ দর্প চূর্ণ (১৪) কপিল ৰূপে দেৱাহুতিক উদ্ধাৰ (১৫) দত্তাত্রেয় ৰূপত যোগৰ কথা বর্ণনা (১৬) যজ্ঞ ৰূপে দেৱতাৰ ৰজা (১৭) মনু ৰূপে ত্রিজগত পূজা (১৮) ঋষভ ৰূপে পৃথিৰী ভ্রমণ তথা পৰম জ্ঞানৰ পথ দাতা (১৯) ধন্বন্তৰি ৰূপে বৈদ্য শাস্ত্র প্রকাশ (২০) মোহিনী ৰূপে দেৱতাক অমৃত পান। (২১) ব্যাস ৰূপে শাস্ত্র ৰচনা (২২) চতুর্ভূজ ৰূপে গজেন্দ্রক গ্রাহৰ পৰা উদ্ধাৰ (২৩) হয়গ্রীৱ ৰূপে নাসিকাৰ পৰা বেদ প্রকাশ (২৪) ধ্রুৱ ৰূপে ত্রৈলোকৰ পূজা— এনেদৰে শংকৰদেৱে নাৰায়ণৰ চব্বিশ অৱতাৰৰ বর্ণনাৰে অধ্যায়টি সম্পূর্ণ কৰিছে।

(২) নামাপৰাধ ঃ এই খণ্ডটিত দুটা কীর্ত্তন আছে। পদ্মপু�ৰাণৰ স্বর্গখণ্ডৰ পৰা ইয়াৰ বিষয়বস্তু লোৱা হৈছে। মহাপুৰুষ জনাই কৃষ্ণ নামৰ মাহাত্ম্যৰ কথাকে এই খণ্ডটিত বর্ণনা কৰিছে। কলিযুগত হৰি নাম বিনে আন গতি নাই। ব্রহ্মাৰ চাৰি পুত্র আৰু নাৰদৰ মাজত হোৱা কথোপকথনৰ মাজেৰে হৰিনামৰ মাহাত্ম্য কথন এই খণ্ডটিৰ বিষয়।

(৩) পাষণ্ড মর্দন ঃ এই খণ্ডটিত চাৰিটা ঘোষা বা কীর্ত্তনেৰে হৰি নাম কীর্ত্তনৰ শ্রেষ্ঠতা বর্ণনা কৰিছে। কলিকালত হৰি নামহে উদ্ধাৰ কৰে, হৰি কীর্ত্তনক নিন্দা কৰা জনৰ অধোগতি, সকলো ধর্মতকৈ হৰি নামৰ শ্রেষ্ঠতা আৰু একেবাৰে শেষত হৰিভক্তিৰ শ্রেষ্ঠতা এই খণ্ডটিত সামৰা হৈছে।

(৪) ধ্যান বর্ণন ঃ এই খণ্ডটিত দুটা ঘোষা-বা কীর্ত্তন আছে। বৈকুণ্ঠৰ অপৰূপ বর্ণনা আৰু নাৰায়ণৰ পাদ যুগলৰ পৰা মস্তকলৈকে ৰূপৰ বর্ণনা দি স্থিৰ মনে ভক্তই হৃদয়ত ধ্যান কৰি পৰম ভক্তিৰ সাধনা পোৱাৰ কথাকে এই খণ্ডটিৰ মূল বিষয়বস্তু।

(৫) অজামিল উপাখ্যান ঃ চাৰিটা ঘোষা-কীর্ত্তনৰ সমষ্টি। ইয়াতো হৰিনামৰ মাহাত্ম্য বর্ণনা কৰা হৈছে। ব্রাহ্মণ অজামিলে বেশ্যাত পতিত হৈ দহ পুত্রক জন্ম দি নানান মহাপাপ কৰে যদিও মৃত্যুৰ সময়ত সৰু পুত্র নাৰায়ণৰ নাম লৈ সমস্ত পাপৰ পৰা মুক্ত হোৱাৰ বর্ণনা যমদূত, বিষ্ণুদূত, যম ৰজাৰ দূতৰ আগত কর্তব্যৰ কথা আৰু নামৰ মাহাত্ম্যৰ বর্ণনা আদিৰ মাজেৰে নামৰ মাহাত্ম্য কথন কৰা হৈছে। ভাৰতবর্ষত মনুষ্য জীৱন লাভ কৰি হৰিনাম লোৱাটোকে বাঞ্ছা কৰিছে।

(৬) প্ৰহ্লাদ চৰিত ঃ এই খণ্ডটি বাইশটা কীৰ্ত্তনেৰে পূৰ্ণ। কৃষ্ণ ভক্তিৰ মাহাত্ম্য এই খণ্ডটিত প্ৰকাশ পাইছে। বিষ্ণু ভক্ত প্ৰহ্লাদক আশীষ বৰ্ষণ কৰি নৰাসিংহ ৰূপী বিষ্ণুৰে হিৰণ্যকশিপুক বধ কৰি হৰিৰ— বিষ্ণুৰ মহিমা প্ৰকাশ কৰিছে। ভাগৱতৰ আখ্যানৰ কথাকে শংকৰদেৱে কীৰ্ত্তনতো ব্যাখ্যা কৰিছে।

(৭) গজেন্দ্ৰ উপাখ্যান ঃ এই খণ্ডটিত তিনিটা ঘোষা বা কীৰ্ত্তন আছে। গজেন্দ্ৰ আৰু গ্ৰাহৰ যুদ্ধ, ত্ৰিকূট পৰ্বতৰ বৰ্ণনা, সৰোবৰৰ বৰ্ণনা আদিৰ মাজেৰে আৰু হৰিৰ শৰণাপন্ন হোৱাৰ বৰ্ণনাৰে এই অধ্যায়টিৰ বিষয়বস্তু সামৰা হৈছে।

(৮) হৰমোহন ঃ দহটা ঘোষা বা কীৰ্ত্তনেৰে এই খণ্ডটি ৰচিত হৈছে। ভগৱান বিষ্ণুৰে মোহিনী ৰূপ ধাৰণ কৰি দেৱতাসকলক অমৃত ভোগ কৰোৱাৰ বাবে হৰই সেই নাৰী ৰূপ দৰ্শনৰ ইচ্ছা প্ৰকাশ কৰাৰ কাৰণতে এই খণ্ডটিৰ সৃষ্টি। ভক্ত আৰু ভগৱানৰ লীলা আখ্যানটিৰ মাজেৰে প্ৰকাশ হৈছে। কামাতুৰ লোককো যে হৰি ভক্তিৰ মাধ্যমেৰে জ্ঞান দিব পাৰি তাকেই আখ্যানটিত প্ৰকাশ পাইছে।

(৯) বলিছলন ঃ পাঁচটা ঘোষা বা কীৰ্ত্তনেৰে এই খণ্ডটি সমৃদ্ধ। বলি ৰজাৰ ৰাজ্যত হৰি নামৰ প্ৰচলন, ৰজা বলিয়ে হৰি নামৰ গুণত সকলো মায়াক দমন, বলি ৰাজ্যত সকলোৰে হৰি নাম কীৰ্ত্তন— এয়ে খণ্ডটিৰ বিষয়বস্তু।

(১০) শিশুলীলা ঃ এই খণ্ডটিত এঘাৰটা কীৰ্ত্তন সন্নিবিষ্ট। ভগৱান শ্ৰীকৃষ্ণৰ জন্মৰ কাহিনীৰে আৰম্ভ হৈ গোকুলত কৃষ্ণৰ শিশুলীলাৰ কাহিনী এই খণ্ডটিৰ বিষয়বস্তু। ভক্তজনৰ মনত আনন্দ-ভক্তিৰ বাবেই তেওঁৰ অন্তহীন লীলা কাৰ্যৰ সমাপন দেখুৱা হৈছে।

(১১) ৰাসক্ৰীড়া ঃ ওঠৰটা ঘোষা বা কীৰ্ত্তনেৰে এই খণ্ডটি ৰচিত জীৱাত্মা আৰু পৰমাত্মাৰ লীলা মালাৰ মূল ৰাসক্ৰীড়া। তেনে লীলাকে দেখুৱাবলৈ বৃন্দাবনত মনুষ্যৰূপে কৃষ্ণই গোপীসকলৰ সৈতে শৰত কালত অতি বিতোপন পূৰ্ণিমা ৰাতি ৰাসক্ৰীড়া কৰিছিল। নিবৃত্তি পথৰ দুৱাৰ কৃষ্ণ ভক্তিৰ মাজেৰে দেখুৱাবলৈ গুৰুজনাই শৃংগাৰ ৰসযুক্ত ৰাসক্ৰীড়া খণ্ডটি ৰচনা কৰিছিল।

(১২) কংসবধ ঃ এই খণ্ডটিত পোন্ধৰটা ঘোষা বা কীৰ্ত্তন আছে। ভাগৱতৰ কংসবধৰ কাহিনীটো ইয়াত শংকৰদেৱে চমুকৈ বৰ্ণনা কৰিছে। নাৰদ ঋষিয়ে কৃষ্ণই কেশীদৈত্যক বধ কৰা কীৰ্ত্তনেৰে আৰম্ভ কৰি কৃষ্ণৰ মথুৰা গমন, গোপীসকলৰ বিলাপ, অক্ৰূৰৰ জলত স্নান, বলোৰাম-কৃষ্ণৰ মথুৰা দৰ্শন, সুদামাৰ কৃষ্ণ ভক্তি, কুজীৰ সুন্দৰ শৰীৰ লাভ, কুবলয় হস্তীৰ লগত কৃষ্ণ-বলৰামৰ যুঁজ, চানুৰ মুস্তিকৰ যুদ্ধ, কংসবধ, উগ্ৰসেনৰ ৰাজপাট গ্ৰহণ, বসুদেৱ-দৈৱকীৰ মুক্তি আদি পোন্ধৰটা কীৰ্ত্তনেৰে এই খণ্ডটি সামৰা হৈছে।

(১৩) গোপী-উদ্ধৱ সংবাদ ঃ এই খণ্ডটিত মাত্ৰ এটা কীৰ্ত্তনত কৃষ্ণ-বিৰহত ব্যাকুল গোপীসকলক কৃষ্ণই সান্ত্বনা দিবলৈ পৰম-বান্ধৱ উদ্ধৱক বৃন্দাবনলৈ প্ৰেৰণ কৰা, উদ্ধৱৰ নন্দ-যশোদাকে আদি কৰি গোপীসকলক প্ৰবোধ দিয়া আৰু উদ্ধৱৰ ঈশ্বৰৰ নাম স্মৰণ কৰি সংসাৰ পাৰ কৰিবলৈ উপদেশ দিয়া আদিৰ মাজেৰে আখ্যান সামৰা হৈছে। একে বিষয় লৈ তেওঁ বৰগীতো ৰচনা কৰিছিল।

(১৪) কুজীৰ বাঞ্ছা পূৰণ ঃ এটা মাত্ৰ কীৰ্ত্তনতে মাত্ৰ সাধাৰণ সেৱাতে কৃষ্ণ কেনেদৰে সন্তুষ্ট হয় তাৰ ব্যাখ্যা গুৰুজনাই দাঙি ধৰিছে। কুজীৰ কৃষ্ণ প্ৰেম আৰু মনুষ্য মূৰ্ত্তিক আলিংগন কৰি সংসাৰৰ পাপ-তাপৰ পৰা নিস্কৃতি লাভ পৰম আনন্দ লভা সৈৰিন্ধীৰ বাঞ্ছা পূৰণ কৰাৰ আখ্যান এই কীৰ্ত্তনত পোৱা যায়।

(১৫) অক্ৰুৰৰ বাঞ্ছা পূৰণ ঃ এই খণ্ডটোত এটা কীৰ্ত্তন আছে। কংসবধৰ পাছত কৃষ্ণ-বলৰামে অক্ৰুৰৰ গৃহত উপস্থিত হৈ অক্ৰুৰৰ পৰা যথাযোগ্য সেৱা লাভ কৰিছে। ভক্তৰ শ্ৰেষ্ঠত্ব এই কীৰ্ত্তনটিত প্ৰকাশ পাইছে। ভক্ত-ভগৱানৰ পৰম আত্মীয়তাও ইয়াত প্ৰকাশ পাইছে। ঘোষাটিৰ শেষৰ পিনে অক্ৰুৰক হস্তিনাপুৰৰ পৰা পঞ্চ পাণ্ডৱৰ বাতৰি আনিবলৈ অনুৰোধ কৰি তেওঁৰ পৰা ৰাম কৃষ্ণই বিদায় লৈছে।

(১৬) জৰাসন্ধৰ যুদ্ধ ঃ *ভাগৱত পুৰাণৰ* আধাৰত তিনিটা কীৰ্ত্তনত জৰাসন্ধৰ সৈতে কৃষ্ণৰ তিনিবাৰ যুদ্ধ হোৱাৰ বৰ্ণনা দিছে। লগতে যুদ্ধৰ হাতী, সৈন্য, ৰথ আদিৰো বৰ্ণনা কৰিছে। কীৰ্ত্তনৰ মাজেৰে কলিযুগৰ লোকে কৃষ্ণৰ সেৱাৰ মাজেৰেহে যেন ফল লাভ কৰিব পাৰে আৰু মহাযজ্ঞ, দান, তপস্যা আদিও যে ৰাম-কৃষ্ণৰ নামৰ সমান নহয় তাকে প্ৰচাৰ কৰিছে।

(১৭) কালযৱন বধ ঃ শংকৰদেৱে দুটা ঘোষা বা কীৰ্ত্তনৰ মাজেৰে কাহিনী সমাপ্ত কৰিছে। কালযৱনৰ তিনি কোটি ম্লেছ সেনাৰে দ্বাৰকা আক্ৰমণ, কৃষ্ণৰ দ্বাৰা সাগৰৰ মাজত দ্বাৰকা নিৰ্মাণ, দ্বাৰকাৰ সুন্দৰ বৰ্ণনা, কালযৱনৰ সন্মুখেৰে কৃষ্ণ-বলো�ৰামৰ গমন, কৃষ্ণৰ ৰূপৰ বৰ্ণনা, কালযৱনৰ কৃষ্ণক আক্ৰমণ, মচুকুন্দৰ কাষেৰে কৃষ্ণৰ পৰ্বতলৈ গমন আৰু মুচুকুন্দক কৃষ্ণ বুলি ভাবি গোৰ মৰাত কালযবন মুচুকুন্দৰ দৰ্শনত ভস্ম হোৱা *ভাগৱতৰ* আখ্যানৰ আধাৰতে শঙ্কৰদেৱে এই খণ্ডটি ৰচনা কৰিছে।

(১৮) মুচুকুন্দৰ স্তুতি ঃ এই খণ্ডটি চাৰিটা কীৰ্ত্তনত সমাপ্ত। অসুৰৰ হাতৰ পৰা দেৱতাসকলক ৰক্ষা কৰা মান্ধাতাৰ পুত্ৰ মুচুকন্দই দেৱতাসকলৰ পৰা টোপনি কামনা কৰা, টোপনিৰ পৰা জগোৱাজনক ভস্ম কৰা, কালযবনে তেওঁক জগোৱাত কালযবন ভস্ম হোৱা আদি আখ্যান কীৰ্ত্তনৰ মাজেৰে ব্যাখ্যা কৰা হৈছে। পাছত কৃষ্ণৰ বৰত তেওঁ দ্বিজত্ব আৰু মোক্ষ লাভ কৰিছে। কলিযুগ আৰম্ভ হোৱাত কৃষ্ণক আৰাধনা কৰা আদিৰ বৰ্ণনা উক্ত কীৰ্ত্তনত পোৱা যায়।

(১৯) স্যমন্তক হৰণ ঃ এই খণ্ডটিত নটা কীৰ্ত্তন বা ঘোষা আছে। সূৰ্যৰ পৰা সত্ৰাজিতে স্যমন্তক মণি পাই অহংকাৰী হৈ উঠে। আনকি কৃষ্ণই বিচাৰোতেও তেওঁ নিদিলে। পিছত ভায়েক প্ৰসেনে মণিটো নি মৃগয়াত মৃত্যু বৰণ, জাম্বৱন্তৰ দ্বাৰা মণি হৰণ, জাম্বৱন্তক পৰাস্ত কৰি মণি গ্ৰহণ, জাম্বৱন্তৰ কৃষ্ণ ভক্তি, জাম্বৱতীক কৃষ্ণৰ বিবাহ, কৃষ্ণৰ সপত্নীক দ্বাৰকালৈ আগমন, সত্ৰাজিতক স্যমন্ত মণি প্ৰদান আদি আখ্যানৰ মাজেৰে এই খণ্ডটি সমাপ্ত হৈছে। কৃষ্ণ ভক্তিৰ মাহাত্ম্য নটা কীৰ্ত্তনৰ মাজেৰে বৰ্ণনা কৰা হৈছে।

(২০) নাৰদৰ কৃষ্ণ দৰ্শন ঃ এই খণ্ডটিত পাঁচটা কীৰ্ত্তন আছে। ভগৱান কৃষ্ণৰ গৃহী জীৱনৰ চিত্ৰ গুৰুজনাই দাঙি ধৰিছে। বিশ্বকৰ্মাৰ দ্বাৰা নিৰ্মিত গৃহত নাৰদে কৃষ্ণক বিভিন্ন ৰূপত দেখা পালে আৰু কৃষ্ণৰ দ্বাৰা আপ্যায়িতও হৈছে। শঙ্কৰদেৱে পৰম দেৱতা কৃষ্ণক গৃহস্থী ৰূপত দেখুৱাই গৃহস্থীসকলৰ মনত কৃষ্ণ ভক্তি জগাই তোলাটোৱেই এই খণ্ডটিৰ উদ্দেশ্য।

(২১) বিপ্রপুত্র আনয়ন ঃ চাৰিটা কীর্ত্তনৰ মাজেৰে শংকৰদেৱে কৃষ্ণ ভক্তিৰ মাহাত্ম্য বর্ণনা কৰিছে। দ্বাৰকাৰ বিপ্ৰৰ দশপুত্রক নাৰায়ণে কৃষ্ণ আৰু অর্জুনক লগ পোৱাৰ মানসেৰে এই কার্য কৰিছিল। কৃষ্ণ আৰু অর্জুনে বিপ্ৰৰ পুত্র বিচাৰি নাৰায়ণৰ গৃহ পাইছিল। আনকি অর্জুনো মৃত্যুৰ হাতৰ পৰা ৰক্ষা পৰিল। পৰম পুৰুষ শ্রীকৃষ্ণৰ অপাৰ মহিমা বর্ণনা কৰি পাঠক-শ্রোতাক অনাবিল আনন্দ দিয়া এই কীর্ত্তনৰ উদ্দেশ্য।

(২২) দামোদৰ বিপ্রোপাখ্যান ঃ চাৰিটা কীর্ত্তনত সমাপ্ত এই খণ্ডটিত দৰিদ্র সখা দামোদৰে ফটাকানিৰ টোপোলাত নিয়া চিৰা খাই তেওঁক অতুল বৈভৱৰ গৰাকী পতাৰ কথা কাহিনীত ব্যক্ত হৈছে। ভক্তজনৰ সকলো কামনা-বাসনা পূর্ণ কৰাৰ গুৰিতে ভগৱান কৃষ্ণ, ভক্তসকল ভগৱানৰ হৃদয়তত থাকে তাকে গুৰুজনাই কীর্ত্তনত প্রকাশ কৰিছে।

(২৩) দৈৱকীৰ পুত্র আনয়ন ঃ তিনিটা কীর্ত্তনত সমাপ্ত কৰা এই খণ্ডটিতো ভগৱান কৃষ্ণৰ মহত্ত্ব প্রকাশ কৰা হৈছে। দৈৱকীৰ ছয় পুত্রক কৃষ্ণ-বলোৰামে সুতলত বলিৰ পৰা ছয় পুত্রক আনি দৈৱকীক প্রদান কৰাত দৈৱকীৰ স্তন পান কৰি ছয় পুত্রই মুক্তি লাভ কৰি স্বর্গলৈ গমন কৰে। দৈৱকীয়েও বিষ্ণুৰ মহিমাৰ বিষয়ে জ্ঞাত হ'ল। ভগৱান কৃষ্ণৰ অনন্ত মহিমা গুৰুজনাই এই খণ্ডটিত ব্যাখ্যা কৰিছে।

(২৪) বেদস্তুতি ঃ তিনিটা কীর্ত্তনৰ মাজেৰে শংকৰদেৱে ভক্তি তত্ত্বৰ কথা ব্যাখ্যা কৰিছে। এই খণ্ডটিৰ আধাৰ ভাগৱতৰ শ্রীধৰীয় টীকা সহ। বেদসমূহৰ দ্বাৰা সর্বজ্ঞ, সর্বব্যাপী নাৰায়ণক স্তুতি কৰা হৈছে। হৰি কীর্ত্তনৰ বাহিৰে তপ, জপ, তীর্থ, স্নান, যজ্ঞ একোৰে মাহাত্ম্য নাই। ঈশ্বৰৰ গুণ গাই য'ত ভক্তসকলে বাস কৰে সেয়াই পূণ্যভূমি। ভক্তিকে এই খণ্ডটিত শ্রেষ্ঠ বুলি মহাপুৰুষজনাই নানা যুক্তিৰে কীর্ত্তন কৰি গৈছে।

(২৫) লীলামালা ঃ ভগৱান কৃষ্ণৰ লীলামালাৰ কীর্ত্তন সাতটা কীর্ত্তনৰ মাজেৰে এই খণ্ডটিত প্রকাশ কৰা হৈছে। কৃষ্ণৰ জন্মৰ পৰা বিপ্রপুত্র আনয়ন, কালিয় দমনৰ পৰা কংস বধ, অক্রুৰৰ দ্বাৰা কৃষ্ণক মথুৰালৈ নিয়াৰ পৰা উগ্রসেনৰ সিংহাসন লাভ, গর্গ ঋষিৰ পৰা নৱগুণ গ্রহণৰ পৰা অষ্টমহিষীৰ কথা, নৰকাসুৰ বধৰ পৰা কৃষ্ণৰ ইন্দ্রপ্রস্থ গমন, ভীমৰ দ্বাৰা জৰাসন্ধ বধৰ পৰা দন্তবক্র বধলৈ, বিপ্র দামোদৰৰ বিপুল বৈভৱ লাভৰ পৰা কৃষ্ণ অৱতাৰত নানান লীলামালা প্রদর্শনৰ ব্যাখ্যা কীর্ত্তন আৰু শ্রৱণৰ মাজেৰে গ্রহণ কৰা এই খণ্ডটিৰ উদ্দেশ্য।

(২৬) শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ ঃ এই খণ্ডটিত ঊনৈশটা ঘোষা বা কীর্ত্তন আছে। ভগৱান কৃষ্ণৰ সর্বব্যাপীৰূপ, কর্মবন্ধনৰ একমাত্র উপায় বৈষ্ণৱৰ সংগ গ্রহণ, প্রভাস যাত্রাৰ প্রচেষ্টা উদ্ধৱৰ প্রার্থনা, দেৱতাৰ স্তুতি, বলৰাম-কৃষ্ণৰ বৈকুণ্ঠ প্রয়াণৰ বর্ণনা, যদু নাৰীসকলৰ কৰুণ বিলাপ, অর্জুনৰ বিলাপ, যদু নাৰী বালক-বৃদ্ধক ইন্দ্রপ্রস্থলৈ প্রেৰণ, পঞ্চ পাণ্ডৱৰ বিলাপ আদিৰ বর্ণনা এই খণ্ডটিৰ মুখ্য বিষয়। ভগৱান কৃষ্ণৰ লীলা মালা, কৃষ্ণ স্মৰণ-কীর্ত্তন-মহিমা বর্ণন আদিৰে পাঠক-শ্রোতাৰ আনন্দ প্রদানেই এই খণ্ডটিৰ মূল কথা।

(২৭) উৰেষা বর্ণন ঃ এই খণ্ডটিত একৈশটা ঘোষা বা কীর্ত্তন আছে। গুৰুজনাই দ্বিতীয়বাৰ তীর্থ ভ্রমণৰ পাছত এই কীর্ত্তন চোৱা কৰে। ইন্দ্রদুম্ন্য ৰজাৰ বলৰাম-কৃষ্ণ-সুভদ্রাৰ মূর্তি নির্মাণৰ

কাহিনী ইয়াত বর্ণনা কৰা হৈছে। ভক্তিতত্ত্ব আৰু পুর্ণজন্মতত্ত্ব আদিৰ ব্যাখ্যা ইয়াত দাঙি ধৰা কৰিছে। ভক্তি ধর্ম- হৰি ভক্তিৰ বাহিৰে তীর্থ, স্নান, দান আদিৰ মহত্ত্ব যে নাই তাকো ইয়াত সন্নিবিষ্ট হৈছে। জগন্নাথ মন্দিৰ দর্শন কৰি গুৰুজনাৰ যি জ্ঞান ভক্তিৰ অনুপ্রেৰণা জাগে তাকে মূলৰ পৰা পৃথক নকৰি কাব্যিক ভাষাৰে আখ্যান হিচাপে ঠাই দিছে। 'উৰেষা বর্ণন'ক শংকৰদেৱৰ প্রথম কীর্ত্তন বুলি চৰিত পুথিসমূহে দাঙি ধৰে যদিও মাধৱদেৱে কীর্ত্তন ঘোষাৰ শেষৰ ফালে এই খণ্ডটি সংযোগ কৰিছে।

ভাগৱতৰ তাৎপর্য ঃ

সূর্য পুৰাণ দশম স্কন্ধ ভাগৱতৰ তাৎপর্য দুটা কীর্ত্তনত গুৰুজনাই সমাপ্ত কৰিছে। কৃষ্ণৰ বাহিৰে আন কোনো শ্রেষ্ঠ দেৱতা নাই— ভাগৱতৰ দশম স্কন্ধৰ তাৎপর্যত এই কথাকে স্পষ্টভাৱে কোৱা হৈছে। হৰি বিনে আন গতি নাই। হৰি নামে সকলো পাপ হৰণ কৰে। পুণ্য লাভৰ একমাত্র উপায় হ'ল হৰিনাম। কলিযুগত হৰি নামেই সংসাৰ তাৰণৰ একমাত্র পথ। সেয়ে মহাপুৰুষ শংকৰদেৱে পুণ্যৰ ফলত জন্ম লাভ কৰা এই মানৱ জীৱনত হৰি নাম— কৃষ্ণ সেৱাই যে একমাত্র জীৱন তাৰণৰ পথ তাকে উপদেশ দি ভক্তিধর্মৰ মাহাত্ম্য প্রচাৰ কৰিছে।

উক্ত খণ্ডসমূহৰ বিষয়বস্তুত ভগৱান কৃষ্ণৰ মহিমা প্রচাৰ কৰি ভক্তিধর্মৰ পথ শ্রৱণ-কীর্ত্তনৰ মাজেৰে জন-সমাজত প্রচাৰ কৰিবলৈ মহাপুৰুষ শংকৰদেৱে প্রচেষ্টা কৰিছিল।

৫.৪ *কীর্ত্তন*ৰ বিভিন্ন অধ্যায়ৰ মূল আৰু ৰচনা কাল

মহাপুৰুষ শংকৰদেৱে বিভিন্ন সংস্কৃত গ্রন্থৰ পৰা বিষয়বস্তু সংগ্রহ কৰি *কীর্ত্তন-ঘোষা* ৰচনা কৰিছে। বিভিন্ন গ্রন্থৰ পৰা সাৰ সংগ্রহ কৰি স্ত্রী, শূদ্র-সর্বসাধাৰণ সকলো শ্রেণীৰ লোকে বুজিব পৰাকৈ তেওঁ ৰচনা কৰা *কীর্ত্তন-ঘোষাক* 'মৌচাক' বুলিব পাৰি। শ্রৱণ আৰু কীর্ত্তনেই শংকৰদেৱৰ ধর্মৰ মূল সাধনা। শংকৰী ধর্মৰ প্রধান বিশেষত্বই হ'ল ভক্তি। সেয়েহে মহাপুৰুষজনাৰ ভক্তি ধর্মৰ আদর্শ গ্রন্থ হিচাপে *কীর্ত্তন-ঘোষাই* শ্রেষ্ঠ স্থান লাভ কৰিছে।

কীর্ত্তন-ঘোষাৰ অধ্যায়সমূহ বেছিভাগেই ভাগৱত পুৰাণৰ পৰা সংগৃহীত। ভাৰতবর্ষত ভাগৱত পুৰাণৰ জনপ্রিয়তা অতি বেছি। এখনি উত্তম ভক্তি শাস্ত্র ৰূপেও *ভাগৱত পুৰাণ*ৰ জনপ্রিয়তা অধিক। *ভাগৱত পুৰাণ*ৰ বাহিৰেও *পদ্মপুৰাণ, বিষ্ণু ধর্মোত্তৰ, আগম, বৃহন্নাৰদীয় পুৰাণ, সুত সংহিতা, ব্রহ্মপুৰাণ* আদি বিভিন্ন পুৰাণ- গ্রন্থৰ আধাৰত *কীর্ত্তন-ঘোষা* ৰচনা কৰা হৈছে।



জানি থোৱা ভাল

অষ্টাদশ পুৰাণৰ ভিতৰত *ভাগৱত পুৰাণক* 'পুৰাণসূর্য' বুলি কোৱা হয়। পুৰাণখনত ১৮,০০০ শ্লোক অন্তর্ভুক্ত আছে।

শংকৰী সাহিত্যৰ সাধক-গৱেষক বাপচন্দ্ৰ মহন্তই *কীৰ্ত্তন-ঘোষা*ৰ খণ্ডসমূহক তিনিটা ভাগত ভাগ কৰিছে। তেনে ভাগ তিনিটা এনেধৰণৰ— (১) লীলা বিষয়ক (২) লীলাহীন প্ৰাৰ্থনা, তত্ত্ব আৰু ব্যৱস্থা প্ৰধান (৩) অন্য কাহিনী আৰু তীৰ্থ ব্যৱস্থা প্ৰধান। তলত এই তিনিটা ভাগৰ অন্তৰ্ভুক্ত খণ্ডসমূহ দাঙি ধৰা হ'ল—

(১) লীলা বিষয়ক ঃ

চতুৰ্বিংশতি অৱতাৰ বৰ্ণন, প্ৰহ্লাদ চৰিত, গজেন্দ্ৰ উপাখ্যান, হৰমোহন, শিশুলীলা, ৰাসক্ৰীড়া, কংসবধ, গোপী উদ্ধৱ সংবাদ, কুজীৰ বাঞ্ছা পূৰণ, অক্ৰূৰৰ বাঞ্ছা পূৰণ, জৰাসন্ধ যুদ্ধ, কালযৱন বধ, মুচুকুন্দৰ স্তুতি, স্যমন্ত হৰণ, নাৰদৰ কৃষ্ণ দৰ্শন, বিপ্ৰপুত্ৰ আনয়ন, দামোদৰ বিপ্ৰ উপাখ্যান, দৈৱকীৰ পুত্ৰ আনয়ন, লীলা মালা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ।

(২) লীলাহীন প্ৰাৰ্থনা, তত্ত্ব আৰু ব্যৱস্থা প্ৰধান ঃ

নামপৰাধ, পাষণ্ডমৰ্দন, ধ্যান বৰ্ণন, অজামিল উপাখ্যান, বলিছলন, বেদস্তুতি, তাৎপৰ্য।

(৩) অন্য কাহিনী আৰু তীৰ্থ-ব্যৱস্থা প্ৰধান ঃ

ঊৱেষা-বৰ্ণনা।

উক্ত খণ্ডসমূহৰ ভিতৰত 'উৱেষা বৰ্ণন' *কীৰ্ত্তন-ঘোষা*ৰ প্ৰথম কীৰ্ত্তন বুলি চৰিতকাৰসকলে উল্লেখ কৰিছে। মহাপুৰুষ মাধৱদেৱে এই খণ্ডটিক *কীৰ্ত্তন-ঘোষা*ৰ শেষত সংযোগ কৰিছে বুলি জনা যায়। ইতিমধ্যে উল্লেখ কৰা হৈছে যে *কীৰ্ত্তন-ঘোষা*ৰ বেছিভাগ খণ্ডৰ ওপৰতে ভাগৱত পু�ৰাণৰ প্ৰভাৱ অধিক। 'নামাপৰাধ', 'পাষণ্ড মৰ্দন' আৰু 'ঊৱেষা বৰ্ণন' এই তিনিটা খণ্ডৰ বাহিৰে বাকী আটাইকেইটা খণ্ড ভাগৱত পু�ৰাণৰ আখ্যানৰ ওপৰত আধা�ৰিত। দ্বাদশ স্কন্ধ ভাগৱত পু�ৰাণৰ পৰা কিছুমান আখ্যান বাছি লৈ নিজস্ব কাব্য কুশলতাৰে শংকৰদেৱে *কীৰ্ত্তন-ঘোষা* পুথিখন ৰচনা কৰে। তলত *কীৰ্ত্তন-ঘোষা*ৰ খণ্ডসমূহৰ আধাৰ গ্ৰন্থৰ বিৱৰণ দাঙি ধৰা হ'ল— কীৰ্ত্তনৰ 'চতুৰ্বিংশতি অৱতাৰ বৰ্ণন'ৰ মূল ভাগৱত পু�ৰাণৰ ১ম, ২য় আৰু ৮ম স্কন্ধৰ পৰা আহৰণ কৰা হৈছে। ইয়াত কৃষ্ণক 'ব্ৰহ্মৰূপী সনাতন' আৰু 'সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ' বুলি মহাপুৰুষ জনাই উল্লেখ কৰিছে। 'প্ৰহ্লাদ চৰিত' খণ্ডটিৰ আধাৰ ভাগৱত পুৰাণৰ ৩য় (তৃতীয়) স্কন্ধ (১৫শ আৰু ১৬শ অধ্যায়) আৰু ৭ম স্কন্ধ। (২য়ৰ পৰা ১০ম অধ্যায়) কৃষ্ণ ভক্তি মাহাত্ম্যয়েই এই খণ্ডটিৰ বিশেষ আকৰ্ষণ। ৮ম স্কন্ধ ভাগৱতৰ আধাৰত 'গজেন্দ্ৰ উপাখ্যান' খণ্ডটি ৰচনা কৰা হৈছে। মূলৰ ২য় অধ্যায়ৰ পৰা ৪র্থ অধ্যায়লৈ গজেন্দ্ৰ উপাখ্যানৰ কাহিনীৰ বৰ্ণনা আছে। কিন্তু মূলৰ বিস্তৃত ১৪২টা শ্লোকৰ সংক্ষিপ্ত আকাৰত মাথোন ৩৮টা পদৰ মাজতে গুৰুজনাই 'গজেন্দ্ৰ উপাখ্যান'ৰ কাহিনী পূৰ্ণ কৰিছে। মূল ভাগৱতৰ বিস্তৃত বৰ্ণনা কীৰ্ত্তনত পাবলৈ নাই। তাকেই শংকৰদেৱৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰ প্ৰতিভাত হৈছে। 'অজামিল উপাখ্যানে *ভাগৱত পুৰাণ*ৰ ৬ষ্ঠ খণ্ডৰ ১ম, ২য় আৰু ৩য় অধ্যায়ত থকা অজামিল উপাখ্যানৰ কাহিনীৰ ভিত্তিতে কীৰ্ত্তনত এই আখ্যান মহাপুৰুষ জনাই সন্নিবিষ্ট কৰিছে। কৃষ্ণৰ নামৰ মহিমা এই খণ্ডটিৰ প্ৰধান তাৎপৰ্য। আনহাতে 'ধ্যান বৰ্ণন' খণ্ডটিৰো ভাগৱতৰ ৩য় স্কন্ধৰ আধাৰত ৰচিত। কিন্তু ভাগৱতৰ প্ৰভাৱ তাত সামান্যভাৱে পৰিছে। খণ্ডটিত শংকৰদেৱৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰ অধিক। 'হৰমোহন' খণ্ডৰ আধাৰো ৮ম খণ্ড

ভাগৱত পুৰাণ। ৮ম স্কন্ধৰ দ্বাদশ অধ্যায়ত হৰমোহন খণ্ডৰ বৰ্ণনা পোৱা যায়। মূলৰ বহুত কথাই শংকৰদেৱে নিজস্ব প্ৰতিভাৰে কীৰ্ত্তনত প্ৰকাশ কৰিছে। 'হৰমোহন'ৰ উপবনৰ বৰ্ণনাত কবিৰ কলা-কুশলী মনৰ প্ৰভাৱ পৰিস্ফুট হৈছে। নাৰীৰূপৰ বৰ্ণনা আৰু কবি প্ৰসিদ্ধিসমূহৰ মাজেৰে কবিৰ মৌলিক প্ৰতিভা বিকশিত হৈছে।

'শিশুলীলা' খণ্ডৰো আধাৰ গ্ৰন্থ *ভাগৱত পুৰাণ*। *ভাগৱতৰ* দশম স্কন্ধৰ তৃতীয় অধ্যায়ৰ আধাৰত কীৰ্ত্তনত ইয়াৰ বিষয়বস্তু কীৰ্ত্তন কৰা হৈছে। 'শিশুলীলা'ত শিশু কৃষ্ণৰ মোহন মুৰুতি ৰূপ আৰু ব্ৰজলীলাৰ কাহিনী আছে। মূলতকৈ শংকৰদেৱৰ ৰচনাত মাতৃ যশোদাৰ সাৰ্বজনীন মাতৃৰূপ আৰু শিশু কৃষ্ণৰ সাৰ্বজনীন শিশু চৰিত্ৰ ৰূপ বেছি মনোহৰ ৰূপত ফুটি উঠিছে। 'ৰাসক্ৰীড়া' খণ্ডটিও ভাগৱতৰ দশম স্কন্ধৰ আধাৰত ৰচিত। খণ্ডটিত শৃংগাৰ ৰসৰ প্ৰাধান্য থাকিলেও শংকৰদেৱৰ ৰচনাত ই নিৰ্মল ভক্তিৰসত উপনীত হৈছে। ইয়াৰ বাহিৰেও 'কংসবধ', 'গোপী উদ্ধৱ সংবাদ', 'কুব্জীৰ বাঞ্ছা পূৰণ', 'অক্ৰুৰৰ বাঞ্ছা পূৰণ', 'জৰাসন্ধ যুদ্ধ', 'কালযৱন বধ', 'মুচুকুন্দৰ স্তুতি', 'স্যমন্ত হৰণ', 'নাৰদৰ কৃষ্ণ দৰ্শন', 'বিপ্ৰপুত্ৰ আনয়ন', 'দামোদৰ বিপ্ৰ উপাখ্যান', 'দৈৱকীৰ পুত্ৰ আনয়ন', 'লীলা মালা', 'বেদস্তুতি' আদি *ভাগৱতৰ* দশম স্কন্ধৰ আধাৰত শংকৰদেৱে নিজস্ব প্ৰতিভাৰে কীৰ্ত্তন কৰি পুথিখন ৰচনা কৰিছে। 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ' খণ্ডটি *ভাগৱতৰ* একাদশ স্কন্ধৰ আধাৰত ৰচিত। এই খণ্ডটিত শংকৰদেৱে কৰুণ ৰসৰ সমাহাৰ দেখুৱাইছে। ভগৱান কৃষ্ণৰ আগত মৃত্যুৰ কথা চিন্তা কৰি উদ্ধৱৰ মনত যি শোকাভিভূত আবেগ উথলি উঠিছে সিয়ে পাঠক আৰু শ্ৰোতাৰ মনতো কৰুণ ৰসৰ উদ্ৰেক ঘটাইছে। 'স্যমন্ত হৰণ', 'নাৰদৰ কৃষ্ণ দৰ্শন', 'হৰমোহন', 'দৈৱকীৰ পুত্ৰ আনয়ন', 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ', 'অজামিল উপাখ্যান' আদি খণ্ডৰ মাজেৰে শংকৰদেৱে ভগৱান কৃষ্ণৰ মহিমামণ্ডিত ৰূপটো প্ৰকাশ কৰিছে। 'নামাপৰাধ' খণ্ডটি *পদ্মপুৰাণৰ* পৰা লোৱা হৈছে। *পদ্মপুৰাণৰ* অন্তৰ্গত সৃষ্টি, ভূমি, স্বৰ্গ, পাতাল, উত্তৰ এই পাঁচোটা খণ্ডৰ স্বৰ্গ খণ্ডৰ আখ্যানৰ ওপৰত ভিত্তি কৰি শংকৰদেৱে 'নামাপৰাধ' খণ্ডটি ৰচনা কৰিছে। 'পাষণ্ড মৰ্দন' খণ্ডটিৰ মূল হ'ল *ভাগৱত, বিষ্ণু ধৰ্মোত্তৰ আগম, বৃহন্নাৰদীয় পুৰাণ, পদ্মপুৰাণ* আৰু *সুত সংহিতা*। লগতে *ভাগৱতত পুৰাণ*ৰো কিছু শ্লোকৰ প্ৰভাৱ পৰাত তেনেদৰে 'বলিছলন'তো 'সূৰ্য পুৰাণ'— *ভাগৱতৰ* তেনে প্ৰভাৱ পৰা দেখা নাযায়। 'উৰেষা বৰ্ণন' খণ্ডটি *ব্ৰহ্মপুৰাণ* আৰু *স্কন্ধ পুৰাণৰ* আখ্যানক লৈ ৰচিত। শংকৰদেৱে নিজেই 'উৰেষা বৰ্ণন'ৰ বিষয়বস্তু *ব্ৰহ্মপুৰাণৰ* আধাৰত ৰচনা কৰা বুলি উল্লেখ কৰি গৈছে।

মহাপুৰুষ শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে বিভিন্ন গীত, পদ, কাব্য, নাট, তত্ত্বমূলক ৰচনা আদি সময়ে সময়ে লিখি প্ৰচাৰ কৰি ধৰ্মৰ পথ সুগম কৰি তুলিছিল। *কীৰ্ত্তন-ঘোষাৰ* ঘোষাসমূহো তেওঁ বিভিন্ন সময়ত ৰচনা কৰিছিল। শংকৰদেৱৰ মহাপ্ৰয়াণৰ সময়ত তেনে ঘোষাসমূহ ভিন্ ভিন্ ঠাইত সিঁচৰতি হৈ আছিল। শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ অৰ্থে ঘোষাবোৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত ৰচনা কৰিছিল। নাম-প্ৰসংগৰ উপযোগীকৈ ৰচনা কৰা শংকৰদেৱৰ *কীৰ্ত্তন-ঘোষাৰ* ৰচনা ক্ৰম সম্পৰ্কত বিভিন্ন সমালোচকে বিভিন্ন মতামত দাঙি ধৰিছে। কথা গুৰু চৰিত মতে শংকৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণৰ পাছত জগদীশ মিশ্ৰৰ পৰা শ্ৰীধৰ স্বামীৰ

টীকা সম্বলিত *ভাগৱত* পুথিখন পাই *কীর্ত্তন-ঘোষা*ৰ খণ্ডসমূহ ৰচনা কৰিবলৈ আৰম্ভ কৰিছিল। 'কথা গুৰু চৰিত'ত এই কথাৰ উল্লেখ আছে। দৈত্যাৰি ঠাকুৰৰ 'শংকৰদেউ মাধৱদেউ' চৰিত পুথিতো ভাগৱতৰ পদ শুনাৰ পাছত শংকৰদেৱে কীর্ত্তন পুথি ৰচনা কৰিছিল বুলি জনা যায়। লক্ষ্মীনাথ বেজবৰুৱায়ো জগদীশ মিশ্রৰ পৰা ভাগৱত শুনাৰ পাছতহে শংকৰদেৱে কীর্ত্তন পুথি ৰচনা কৰিছিল বুলি মত প্রকাশ কৰিছে। কীর্ত্তনৰ ঘোষাসমূহৰ ক্রম শংকৰদেৱে ৰচনা কৰা মতে পুথিত সন্নিৱিষ্ট হোৱা দেখা নাযায়। ৰামচৰণ ঠাকুৰে বিভিন্ন ঠাইৰ পৰা সংগ্রহ কৰি সেইবোৰ একেলগে কীর্ত্তন পুথি আকাৰে একেলগ কৰে। সাহিত্যিক সমালোচক মহেশ্বৰ নেওগে কীর্ত্তন পুথিৰ খণ্ডসমূহৰ ৰচনা কালৰ এটি বিভাজন কৰি গৈছে। তলত কীর্ত্তন পুথিৰ ৰচনা কালৰ বিভাজন দাঙি ধৰা হ'ল—

(১) আদি বা বাৰভূঞা ৰাজ্যত কটোৱা কালছোৱা ডেকা বয়সৰ চপলতা তথা সমৃদ্ধিৰে ভৰা কাল (১৪৩৮ খৃষ্টাব্দলৈ বিস্তৃত)। এই সময়ছোৱাত শংকৰদেৱে উৰেষা বর্ণন (বৰদোৱাত থকা সময়ত), হৰমোহন, অজামিল উপাখ্যান, প্রহ্লাদ চৰিত, বলিছলন, গজেন্দ্র উপাখ্যান, চতুর্বিংশতি অৱতাৰ বর্ণন, ধ্যান বর্ণন আদি কীর্ত্তনৰ ঘোষা ৰচনা কৰে।

(২) মধ্য বা অসম ৰাজ্যত কটোৱা কাল— অশান্তি, বিৰোধ, আত্মসমালোচনা আৰু শেহান্তৰত অগ্রসৰৰ কাল (১৪৩৮ শকৰ পৰা ১৪৬৫ শকমানলৈ) এই কালছোৱাত মহাপুৰুষ জনাই পাষণ্ড-মর্দন, নামাপৰাধ, শিশুলীলা, ৰাসক্রীড়া, কংসবধ, গোপী উদ্ধৱ সংবাদ, কুব্জীৰ বাঞ্ছা পূৰণ, অক্রূৰৰ বাঞ্ছা পূৰণ আদি বিভিন্ন কীর্ত্তনৰ ঘোষা ৰচনা কৰে।

(৩) শেষ বা কোচ ৰাজ্যত কটোৱা কাল— অপেক্ষাকৃত শান্তি, ভক্তি আন্দোলনৰ সম্পূর্ণতা লাভ আৰু শংকৰদেৱৰ পূর্ণতম মনোবিকাশৰ কাল (১৪৬৫ শক মানৰ পৰা ১৪৯০ শকলৈ)— এই কালছোৱাত শংকৰদেৱে কীর্ত্তনৰ 'জৰাসন্ধ যুদ্ধ', 'কালযৱন বধ', 'মুচুকুন্দৰ স্তুতি', 'স্যমন্ত হৰণ', 'নাৰদৰ কৃষ্ণ দর্শন', 'বিপ্রপুত্র আনয়ন', 'দামোদৰ বিপ্র আখ্যান', 'দৈৱকীৰ পুত্র আনয়ন', 'বেদ স্তুতি', 'লীলামালা', 'শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ', 'ভাগৱতৰ তাৎপর্য' আদি বিভিন্ন ঘোষা বিভিন্ন সময়ত ৰচনা কৰিছিল। বৰদোৱা, ধুৰাহাট আৰু পাটবাউসীত থকা কালছোৱাত কীর্ত্তন পুথিৰ খণ্ডবোৰ ৰচনা কৰিছিল যদিও তেওঁৰ জীৱনকালত এই ঘোষাসমূহ একত্রিত কৰি সংকলন হোৱা নাছিল। ইয়াৰ উপৰিও 'ৰুক্মিণীৰ প্রেম কলহ' আৰু 'ভৃগু পৰীক্ষা' খণ্ড দুটিও শংকৰদেৱৰ নামত থকা দেখা যায়। ৰামচৰণ ঠাকুৰে কীর্ত্তন ঘোষা পুথিখন সংকলন কৰাৰ সময়ত 'ৰুক্মিণীৰ প্রেম কলহ' খণ্ডটি পোৱা নাছিল। মাধৱদেৱে যদিও ৰামচৰণক কীর্ত্তনৰ খণ্ডসমূহ বিচাৰি আনি সংকলন কৰাৰ দায়িত্ব দিছিল, ৰামচৰণ ঠাকুৰে উক্ত খণ্ডটি বিচাৰি পোৱা নাছিল। কথা গুৰু চৰিতত আছে— "দেখি গুৰুজনে আগবাঢ়ি মাথাত কৈ আনি পাচদিনা হৰি গৃহত মেলি চাই দেখে, যি ছোৱা য'ত দিব হ'ব লাগে সেই ক্রমে হৈছে, দিছে। অমৃত মন্থনৰ প্রেমকলহৰ কীর্ত্তনহে জইতা কছাৰীত থাকিল নেপালে।" খণ্ডটি বিচাৰি নোপোৱাত মাধৱদেৱে খেদ কৰা নাছিল। মাধৱদেৱে হেনো কৈছিল— "নাপালা ভালেই হ'ল সি যি ঠাইলৈ যাব লাগে, গ'ল।" লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ 'শ্রী শ্রী শংকৰদেৱ আৰু শ্রী শ্রী মাধৱদেৱ' (পৃঃ ১৯২) গ্রন্থত এই কথাৰ উল্লেখ কৰি গৈছে।

ইয়াৰ বাহিৰেও 'ভৃগু পৰীক্ষা' নামৰ এটি কীর্ত্তন শংকৰদেৱৰ নামত পোৱা যায়। 'ৰুক্মিণীৰ প্রেম কলহ'ৰ দৰে এই খণ্ডটিও তলখাপৰ বুলি সমালোচকসকলে মন্তব্য প্রকাশ কৰিছে।

ৰামচৰণ ঠাকুৰে সংকলন কৰা *কীর্ত্তন-ঘোষা*ত শংকৰদেৱে ৰচনা কৰা কীর্ত্তনসমূহৰ উপৰিও ৰত্নাকৰ কন্দলীৰ 'সহস্র নাম বৃত্তান্ত' খণ্ডটিও সংযোগ কৰা হৈছে। ভগৱান কৃষ্ণৰ নামৰ মহিমা খণ্ডটিৰ মাজেৰে প্রকাশ পোৱা বাবেই মাধৱদেৱে ৰামচৰণ ঠাকুৰক এই খণ্ডটি *কীর্ত্তন-ঘোষা*ৰ অন্তর্গত কৰাৰ বাবে আজ্ঞা দিছিল বুলি অনুমান কৰিব পাৰি। শ্রীধৰ কন্দলিৰ 'ঘুনুচা কীর্ত্তন' খণ্ডটিত কোনো কোনো *কীর্ত্তন-ঘোষা*ত পোৱা যায়। লক্ষ্মীনাথ বেজবৰুৱাই এই খণ্ডটিক কীর্ত্তনৰ ভিতৰত সোমাবৰ উপযুক্ত নহয় বুলি মন্তব্য দাঙি ধৰিছে।

ৰামচৰণ ঠাকুৰে বিভিন্ন ঠাইৰ পৰা *কীর্ত্তন-ঘোষা*ৰ বিভিন্ন খণ্ডসমূহ সংগ্রহ কৰি কীর্ত্তন পুথিখন সংকলন কৰিলে। এই সাঁচিপাতৰ পুথিখনকে ১৮৭৬ চনত হৰিবিলাস আগৰৱালাই আধুনিক ছপাযন্ত্রত ছপাই প্রকাশ কৰি এক মহৎ কার্য সম্পাদন কৰিলে।

৫.৫ *কীর্ত্তন-ঘোষা*ৰ সংগ্রহ আৰু সম্পাদনা

মহাপুৰুষ শংকৰদেৱে ভক্তিধর্ম প্রচাৰৰ উদ্দেশ্যে শ্রৱণ-কীর্ত্তনৰ মাধ্যম হিচাপে *কীর্ত্তন-ঘোষা* পুথিখন ৰচনা কৰিছিল। তুলসী দাসৰ *ৰাম চৰিত মানস*ৰ দৰে শংকৰদেৱৰ *কীর্ত্তন-ঘোষা*ৰ স্থানো অতি উচ্চ। গুৰুজনাই ১৪৮১ খৃষ্টাব্দত তীর্থ ভ্রমণ কৰিবলৈ গৈছিল। বত্রিশ বছৰ বয়সত তেওঁ ভাৰতবর্ষৰ বিভিন্ন ঠাইত বাৰ বছৰ কাল তীর্থ ভ্রমণ কৰি ফুৰিছিল। সেই সময়ছোৱাতে পুৰী-বাৰানসী আদি ঠাইত ভক্তসকলৰ ধর্মীয় গীতসমূহ শুনাৰ তেওঁ সুযোগ পাইছিল। *কীর্ত্তন-ঘোষা*ৰ 'পাষণ্ড মর্দন' অধ্যায়ত তেওঁ এই কথাৰ উল্লেখ কৰি গৈছে। ১৪৯৩ খৃষ্টাব্দত তীর্থ ভ্রমণৰ পৰা ঘূৰি আহি তেওঁ আলিপুখুৰীত থাকিবলৈ লয়। তেতিয়া তেওঁৰ বয়স ৪৪ বছৰ। ৪৫ বছৰ বয়সত তেওঁ দ্বিতীয় বিবাহ কৰে। আলিপুখুৰী আৰু গজলাসুতিত ষোল্লটা বছৰ কটাই ষাঠি বছৰ বয়সত পুনৰ বৰদোৱালৈ ঘূৰি আহি বৰদোৱাত সত্র স্থাপন কৰে। তাতেই *কীর্ত্তন-ঘোষা*ৰ ভালে সংখ্যক খণ্ড তেওঁ ৰচনা কৰে। শংকৰদেৱে একেখন ঠাইত থাকি একে সময়তে লেখাৰি নিছিগাকৈ *কীর্ত্তন-ঘোষা*ৰ খণ্ডসমূহ ৰচনা কৰা নাছিল। বিভিন্ন ঠাইত থাকি তেওঁ *কীর্ত্তন*ৰ খণ্ডসমূহ ৰচনা কৰি শ্রৱণ-কীর্ত্তনৰ মাজেৰে ভক্তি ধর্মৰ প্রচাৰ কৰিছিল। শংকৰদেৱৰ জীৱন কালত বৰদোৱাৰ পৰা কোচবিহাৰলৈ *কীর্ত্তন-ঘোষা*ৰ ভিন্ ভিন্ খণ্ড ভিন্ ভিন্ অঞ্চলত ভিন্ন পুথি ৰূপে প্রচলিত হৈ আহিছিল।

*কীর্ত্তন-ঘোষা*খন শংকৰদেৱৰ অতি প্রিয় গ্রন্থ আছিল। দৈত্যাৰি ঠাকুৰৰ চৰিত পুথি মতে ভূঞাসকলৰ লগত কছাৰীসকলৰ বিৰোধ চলি থকাত শংকৰদেৱ আদি কৰি ভূঞাসকলে বৰদোৱাৰ পৰা আহি গাংমৌত থাকিবলৈ লৈছিল। গাংমৌলৈ লৰালৰি কৰি পলাই আহোঁতে কীর্ত্তনখন এৰি আহিছিল। কিন্তু শংকৰদেৱে নিজ প্রাণলৈকো আওকাণ কৰি কছাৰীসকলৰ বাধাকো নেওঁচি তেওঁ *কীর্ত্তন*ৰ খণ্ডসমূহ উদ্ধাৰ কৰি পলাই গৈছিল। শংকৰদেৱ বৰদোৱাত থকা সময়ছোৱাতে এই আক্রমণ হৈছিল আৰু শংকৰদেৱে খণ্ডসমূহ লৈ আহিছিল। বৰদোৱাত থকা

সময়তে *কীর্ত্তন*ৰ কাম তেওঁ আৰম্ভ কৰিছিল। *কীর্ত্তন-ঘোষা* পুথিখন মহাপুৰুষ জনাই বৰদোৱাত আৰম্ভ কৰি পাটবাউসীত সমাপ্ত কৰিছিল যদিও সিঁচৰতি হৈ থকা ঘোষাবোৰ একত্ৰ কৰাৰ আগতে কোচবেহাৰলৈ যাব লগা হৈছিল। তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱক পুথিখনৰ সংকলনৰ দায়িত্ব দিয়া হৈছিল। কিন্তু মাধৱদেৱো কোচবেহাৰলৈ যোৱাত ভাগিনীয়েক ৰামচৰণ ঠাকুৰক *কীর্ত্তন-ঘোষা*ৰ সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰা হয়। চৰিত পুথিত এই কথা সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে। শংকৰদেৱৰ জীৱিত কালতে তেওঁৰ শিষ্যসকলে ঘোষাবোৰ আওৰাবলৈ হাজো, দক্ষিণকুল, বৰনগৰ, বৰপেটা, কালজাৰ আদি বিভিন্ন ঠাইলৈ নিছিল। সেইবাবে ঘোষাবোৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ আছিল। মাধৱদেৱৰ আজ্ঞা অনুসৰি ভাগিনীয়েক ৰামচৰণ ঠাকুৰে অশেষ কষ্ট কৰি ঘোষাবোৰ সংগ্ৰহ কৰিছিল। 'কথাগুৰু চৰিত'ত এই বিষয়ে এনেদৰে উল্লেখ আছে—

"আৰু ৰামচন্দ্ৰক বোলে মোৰ গুৰুজনে কীর্ত্তন ঘোষাখিনি গোটাব দিছিল, নুৰাইলোঁ গুৰুবাক্য ৰাখিব। তই গোটাই নিবি।"

মাধৱদেৱৰ আজ্ঞা পাই ৰামচৰণ ঠাকুৰে অশেষ কষ্ট স্বীকাৰ কৰি বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা *কীর্ত্তন*ৰ খণ্ডবোৰ একত্ৰিত কৰে। ৰামচৰণ ঠাকুৰে কীর্ত্তনৰ খণ্ডবোৰ একত্ৰিত কৰি কোচবেহাৰলৈ গৈ মাধৱদেৱক *কীর্ত্তন-ঘোষা*খন নিবেদন কৰে। ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ কার্যত মাধৱদেৱ অতি আনন্দিত হয়। *কথা গুৰুচৰিত*ত আছে—

"আৰু ৰামচৰণ ঠাকুৰ গ'ল বেহাৰে। পাই সেৱা কৈলে গৈ। বার্তা সবাৰে সুধিলে। সুধি বোলে ৰামচৰণ কীর্ত্তন-ঘোষা পুথিখন আনিছানে গোটাই? বোলে অনা হৈছে। হৈছে হে।"

ৰামচৰণে বিজয়পুৰত সোমাই যাওতে বিজয়পুৰৰ হৰিকৃষ্ণ আতৈয়ে পুথিখন কেইদিনমানৰ বাবে ৰাখিছিল। ৰামচৰণ ঠাকুৰৰ মুখত সকলো বার্ত্তা পাই মাধৱদেৱে দুজন ভকতক সোনকালে পঠিয়াই দিয়াত ভকত কেইজনে বেগাই গৈ *কীর্ত্তন-ঘোষা*খন লৈ আহি সন্ধিয়া মাধৱদেৱৰ ওচৰ পালে। মাধৱদেৱে ৰামচৰণৰ কামত অভিভূত হৈ *কীর্ত্তন-ঘোষা*খন সভক্তিৰে ল'লে। কথা গুৰুচৰিতত এইদৰে উল্লেখ আছে—

"দেখি গুৰুজনে আগবাঢ়ি গৈ মাথাত কৈ আনি থৈ পাচদিনা হৰিগৃহত মেলি চাই দেখে, যি ছোৱা য'ত দিব হ'ব লাগে সেই ক্ৰমে হৈছে, দিছে।"

ৰামচৰণৰ কামত সন্তুষ্টি লাভ কৰি মাধৱদেৱে হেনো কৈছিল—

"পাছে প্ৰশংসাকৈ বোলে মোৰ গুৰুজনে গোটাব দিছিল, মই নুৰাইলোঁ, গুৰুবাক্য পৰি আছিল, সার্থক ভাগিন ধন, গুৰুবাক্য ৰাখিলে মোৰ।"

এনেদৰে ৰামচৰণ ঠাকুৰে অ'ত ত'ত সিঁচৰতি হৈ থকা *কীর্ত্তন*ৰ খণ্ডসমূহ সংগ্ৰহ কৰি *কীর্ত্তন-ঘোষা*ৰ সম্পাদনা পূৰ্ণ কৰিছিল। শংকৰদেৱৰ জীৱন কালত সম্পাদন নোহোৱা মহৎ কার্য এনেদৰেই মাধৱদেৱৰ আজ্ঞাত ৰামচৰণ ঠাকুৰে সমাধা কৰিছিল। ১৫৯৪ খ্ৰীষ্টাব্দৰ মার্চ-এপ্ৰিলৰ পৰা ১৫৯৬ খ্ৰীষ্টাব্দৰ মে-জুন মানৰ ভিতৰত *কীর্ত্তন-ঘোষা*খন সম্পাদিত হয় বুলি সমালোচকসকলে মত দাঙি ধৰে। *কীর্ত্তন-ঘোষা*ৰ ৰচনাসমূহ শংকৰদেৱে ৰচনা কৰা ক্ৰম অনুসাৰে হোৱা নাই। ৰামচৰণ ঠাকুৰে 'চতুৰ্বিংশতি অৱতাৰ বর্ণন'ক আগত ৰাখি 'উৰেষা বর্ণন'ক শেষত স্থান দিছে।

ৰামচৰণ ঠাকুৰে সংকলন কৰা *কীর্ত্তন-ঘোষা*ত 'ৰুক্মিণীৰ প্ৰেম কলহ' খণ্ডটি পোৱা নাযায়। *কীর্ত্তন-ঘোষা*ত এই খণ্ডটি বিচাৰি নোপোৱাত মাধৱদেৱে ৰামচৰণক হেনো কৈছিল— "নাপালা ভালেই হ'ল, সি যি ঠাইলৈ যাব লাগে গ'ল।" ৰামচৰণ ঠাকুৰৰ সম্পাদিত *কীর্ত্তন-ঘোষা*ত ৰত্নাকৰ কন্দলীৰ 'সহস্ৰ নাম বৃত্তান্ত' খণ্ডটি আছে। কোনো কোনো কীর্ত্তন পুথিত শ্ৰীধৰ কন্দলীৰ 'ঘুনুচা কীর্ত্তন' খণ্ডটি সংযোজিত হোৱা দেখা যায়। লক্ষ্মীনাথ বেজবৰুৱাই এই খণ্ডটিৰ ৰচনা কীর্ত্তনৰ প্ৰধান লক্ষণেৰে বিবৰ্জিত বুলি মত প্ৰকাশ কৰিছে। মুঠতে বিভিন্ন গ্ৰন্থৰ আধাৰত ৰচনা কৰা শংকৰদেৱৰ *কীর্ত্তন-ঘোষা*ৰ খণ্ডসমূহ একত্ৰিত কৰি সংগ্ৰহ আৰু সম্পাদনাৰে ৰামচৰণ ঠাকুৰে এক মহৎ কাৰ্য সাধন কৰিলে। অসমৰ বৈষ্ণৱ সাহিত্যৰ অনুপম গ্ৰন্থ হিচাপে ১৮৭৬ চনত হৰিবিলাস আগৰৱালাই *কীর্ত্তন-ঘোষা* পুথিখনক আধুনিক ছপাশালত ছপাই প্ৰকাশ কৰি উলিয়ায়।

৫.৬ *কীর্ত্তন-ঘোষা*ত প্ৰতিফলিত ভক্তিতত্ত্ব

কীর্ত্তন-ঘোষা প্ৰধানকৈ এখন আখ্যান প্ৰধান গ্ৰন্থ। *কীর্ত্তন-ঘোষা* মহাপুৰুষ শংকৰদেৱৰ ধৰ্মীয় আৰু সাহিত্যিক জীৱনৰ অক্ষয় কীর্ত্তি স্বৰূপ। কীর্ত্তন পুথিখন অকল শংকৰদেৱৰ সাহিত্যৰ ভিতৰতে নহয়, বৈষ্ণৱ ধৰ্মৰ চাবি পুথিৰ ভিতৰতো অন্যতম। *কীর্ত্তন*ৰ বিভিন্ন খণ্ডৰ আখ্যানসমূহৰ মাজেৰে ভক্তিতত্ত্বৰ প্ৰাধান্য ঘোষণা কৰা হৈছে। ভক্তিৰ মূল আদৰ্শসমূহ জনসাধাৰণৰ আগত কীর্ত্তনৰ মাজেৰে দাঙি ধৰি ভক্তসকলৰ নীতি-আচাৰ, বিধানসমূহ উপস্থাপন কৰিছে। ভক্তিৰ সহায়তে ভক্তই পৰমার্থিক শান্তি লাভ কৰিব পাৰে। ভক্তিৰ মাধ্যমেৰে ভগৱান সন্তুষ্ট হয় আৰু ভক্তৰ সৈতে মিলিত হয়। ভক্তজনে সম্পূৰ্ণভাৱে আত্মসমৰ্পণ কৰিছে। ভক্তিয়ে পূৰ্ণতা লাভ কৰে। ভক্তিৰ ক্ষেত্ৰত কোনো জাতি, বৰ্ণ, লিংগৰ ভেদ নাই। জীৱ মাত্ৰেই ভক্তিৰ পথ গ্ৰহণ কৰিব পাৰে। আনহাতে, ভক্তিৰ ক্ষেত্ৰত ধন-ঐশ্বৰ্য আদিৰো কোনো প্ৰয়োজন নাই। 'প্ৰহ্লাদ চৰিত্ৰ'ত কোৱা হৈছে এনেদৰে—

নলাগে ভক্তিত দেৱদ্বিজ ঋষি হইবে।
নলাগে সম্ভুত শাস্ত্ৰ বিস্তৰ জানিবে।।
তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।

(পদ-৩৮০)

*কীর্ত্তন-ঘোষা*ৰ সমল *পদ্মপুৰাণ, বৃহন্নাৰদীয় পুৰাণ, সুত সংহিতা, ভাগৱত বিষ্ণু ধর্মোত্তৰ আগম, ব্ৰহ্মপুৰাণ*আদিৰ পৰাও লোৱা হৈছে যদিও সৰহভাগ খণ্ডৰেই সমল *শ্ৰীমদ্ভাগৱত পুৰাণ*ৰ পৰা লোৱা। *পদ্মপুৰাণ*ত ভগৱান কৃষ্ণৰ নাম স্মৰণৰ দ্বাৰা মনৰ সকলো অপৱিত্ৰতা দূৰ হয় বুলি কোৱা হৈছে। *ভাগৱত পুৰাণ*ত হিৰণ্যকশিপুক ভক্ত প্ৰহ্লাদে ভক্তিৰ প্ৰকাৰৰ বিষয়ে কৈছে—

শ্ৰৱণং কীর্ত্তনং বিষ্ণোঃ স্মৰণং পাদসেৱনম।
অচনং ৱন্দনং দাস্যং সখ্যমাত্মনিৱেদনম।।

(ভাগৱত পুৰাণ- ৭/৫/২৩)

কীৰ্ত্তনৰ প্ৰহ্লাদ চৰিততো আছে—

শ্ৰৱণ-কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুৰ
কৰিব দেহা অৰ্পণ।।

(পদ- ৩৪০।।)

ভগৱান কৃষ্ণৰ নাম শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্যভাৱ, সখ্য আৰু আত্মনিবেদন এই ন বিধ হৈছে ভক্তিৰ লক্ষণ। ইয়াকে নবধা ভক্তি আখ্যা দিয়া হৈছে। এই নবধা ভক্তিৰ ভিতৰত আকৌ শ্ৰৱণ-কীৰ্ত্তন উৎকৃষ্ট বুলি কোৱা হৈছে। ভাগৱতৰ দ্বিতীয় স্কন্ধত কোৱা আছে—

পূজা আদি যত ভক্তিৰ মধ্যত
শ্ৰৱণ কীৰ্ত্তন সাৰ।
কথা শ্ৰৱণৰ নাম কীৰ্ত্তনৰ
সমান নাহিকে আন।।

(ভাগৱত পুৰাণ- ২/৫২-৫৩)

কীৰ্ত্তন পুথিতো ইয়াৰ অনুৰণন শুনা যায়—

শ্ৰৱণ কীৰ্ত্তন কৰিবেক নিৰন্তৰ
সমস্ত ভূতকে দেখিবেক নাৰায়ণ।

আকৌ,

শ্ৰৱণ-কীৰ্ত্তনে যাৰ অভ্যাস।।
নচাৱন্ত হৰি তাহাৰ পাশ।।

(পাষণ্ড মৰ্দন-পদ- ১৩৩)

শংকৰ গুৰুয়ে কীৰ্ত্তনৰ মাজেৰে কলিত কীৰ্ত্তন কৰিলেও ভগৱানৰ সহায় লাভ কৰিব পাৰি বুলি উল্লেখ কৰিছে— আকৌ, চাৰিও বেদৰ সাৰ যে অকল ভক্তিৰ মাধ্যমতহে পোৱা যায় তাকে কৈছে—

ভকতিত পৰে ধৰ্ম নাহি সংসাৰত।
চাৰিও বেদৰ জানা এহি সাৰতত্ত্ব।

(ৰাসক্ৰীড়া-পদ- ১০০৭)

ভক্তজনে যেতিয়া ভক্তিৰ মাধ্যমেৰে বিষ্ণুজ্ঞান লাভ কৰে, সেই ভক্তিকেই নিৰ্গুণা ভক্তি বুলি কোৱা হয়। ভগৱানৰ দুই ৰূপ-এক হ'ল পুৰুষোত্তম-বিশ্বৰ সকলোৰে তেওঁ গৰাকী আৰু সকলো ভূততে তেওঁ বিলীন হৈ আছে— এই দুই ৰূপকে এক জ্ঞান কৰি অৰ্চনা কৰা— অনুভৱ কৰাই হ'ল বিষ্ণুজ্ঞান। মানৱ জীৱনৰ সৰ্বদেহ মন ভগৱান, পৰম-পুৰুষ কৃষ্ণত সমৰ্পণ কৰি, ভক্তি সহকাৰে তেওঁক হৃদয়ত ধ্যান কৰিলে জীৱই মুক্তি লাভ কৰিব পাৰে। 'স্যমন্তক হৰণ' খণ্ডত আছে—

মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।
(স্যমন্তক হৰণ-পদ- ১১৩)

মহাপুৰুষ শংকৰদেৱে নবধা ভক্তিৰ নিদর্শন কীর্ত্তন পুথিৰ বিভিন্ন আখ্যানৰ মাজেৰে উপস্থাপন কৰিছে। কীর্ত্তনৰ প্রতিটো খণ্ডই একোটা স্বয়ং সম্পূর্ণ আখ্যান। শংকৰদেৱে বিভিন্ন সময়ত বিভিন্ন ঠাইত এই খণ্ডসমূহ ৰচনা কৰিছিল। প্রতিটো খণ্ডৰ মাজেৰে নবধা ভক্তিৰ আদর্শ-নীতি জ্ঞান প্রতিফলিত হোৱা দেখা যায়।

'চতুর্বিংশতি অৱতাৰ' খণ্ডত নির্গুণ নাৰায়ণৰ বিভিন্ন সময়ত সগুণ আকাৰৰ কথা বর্ণনা কৰা হৈছে। খণ্ডটিৰ মাজেৰে যিজন সনাতন ব্রহ্ম, যিজন বিশ্বৰ স্রষ্টা, তেওঁ যে গোটেই বিশ্ব ব্রহ্মাণ্ড বিয়পি আছে, তেওঁৰ সগুণ আকাৰ বর্ণনা কৰি সর্ব অৱতাৰৰ কাৰণ যে নাৰায়ণ তাক ঘোষণা কৰিছে। ভগৱানৰ নাম, গুণ আৰু তেওঁৰ লীলা মালাৰ শ্রৱণ আৰু কীর্ত্তন যে সর্বোৎকৃষ্ট তাকো উল্লেখ কৰিছে। 'নামাপৰাধ' আৰু 'পাষণ্ড মর্দন' খণ্ডত হৰি বা কৃষ্ণ নামৰ মহিমা বর্ণনা কৰা হৈছে। হৰিৰ নাম কীর্ত্তনৰ দ্বাৰা সাতোটা কার্য সাধন হয়। সেই সাতোটা কার্য হ'ল— পদ খণ্ডন, মহাপূণ্য লাভ, বিষয়ত বিৰক্ত ভাৱ, কৃষ্ণৰ প্রতি ভক্তি, বৈষ্ণৱ জ্ঞান, মায়া তাৰণ আৰু শেষত ভগৱান হৰিৰ ভক্তিত লীন। 'নামাপৰাধ'ত আছে—

নামেসে কৰিবে পৰম সিদ্ধি।
হৰিৰ নাম জগতৰ নিধি।।
(পদ- ৫৯)

'অজামিল উপাখ্যান'ত পাপী অজামিলে মৰণ কালত অজ্ঞাতসাৰেই কনিষ্ঠ পুত্র নাৰায়ণৰ নাম লোৱা মাত্রকেই সকলো পাপৰ পৰা মুক্ত হৈ মুক্তি লাভ কৰিছে। ভগৱান কৃষ্ণকে একমাত্র মূল বুলি হৃদয়ত ধ্যান কৰিলেই সংসাৰৰ সকলো পাপ-তাপৰ পৰা পৰিত্রাণ পাব পাৰি। 'ধ্যান বর্ণন' খণ্ডত তাকেই ঘোষাৰ মাজেৰে উল্লেখ কৰা হৈছে। 'গজেন্দ্র উপাখ্যান'তো ভক্তিৰ শ্রেষ্ঠত্ব দেখুওৱা হৈছে। বিষয়, অহংকাৰ ত্যাগ কৰি হৰিক ভক্তি কৰিলে ভগৱানো ভক্তৰ অধীন হৈ তেওঁক মুক্তি দান কৰে তাকেই খণ্ডটিৰ দেখুওৱা হৈছে। ভক্তি সকলোৰে বাবে সমান। তাত জাতি, বর্ণ, লিংগ, ধর্ম একো নাই। ব্রহ্ম বধ গুৰু বধ, পিতৃ-মাতৃ বধ কৰা পাপীজনেও হৰি কীর্ত্তনৰ মাজেৰে পূণ্য লভিব পাৰে। *কীর্ত্তনৰ* 'প্রহ্লাদ চৰিত্র' খণ্ডটিত ন বিধ ভক্তিৰ নিদর্শন প্রকাশ পাইছে। 'প্রহ্লাদ চৰিত' প্রহ্লাদৰ চৰিত্রৰ মাজেৰে কৃষ্ণ ভক্তি মাহাত্ম্য, ভক্তৰ লক্ষণ তথা ভাগৱত ধর্মৰ শিক্ষা পোৱা যায়। তপ-জপ, যজ্ঞ আদিত কৈ কৃষ্ণৰ লীলামালা শ্রৱণ-কীর্ত্তন কৰাটোহে কলিযুগৰ মানুহৰ বাবে উত্তম। 'প্রহ্লাদ চৰিত'ত আছে—

তপ জপ যজ্ঞ দান সৰে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।
(পদ- ৩৮০।।)

ভগৱানৰ পৰম সত্যক উপলব্ধি কৰিবলৈ জ্ঞানতকৈ ভক্তিৰ মাহাত্ম্যহে অধিক তাকো আখ্যানটিৰ মাজেৰে উল্লেখ কৰা হৈছে। উত্তম ভক্ত আৰু ভক্তিৰ স্বৰূপো আখ্যানটিৰ মাজেৰে

প্রকাশ পাইছে। মাতৃৰ গর্ভতে নাৰদ মুনিৰ পৰা হৰিৰ কথা শ্ৰৱণ কৰি পাছলৈ কীর্ত্তন-স্মৰণ ভক্তিৰ মাজেৰে আত্ম শুদ্ধি হৈ প্রহ্লাদে সকলোকে বিষ্ণুময় দেখে। পাছত ফটিক স্তম্ভৰ মাজত বিষ্ণু থকাৰ কথা প্রহ্লাদে পিতৃ হিৰণ্যকশিপুক কোৱাত তেওঁ স্ফটিক স্তম্ভ ভাগি পেলায় আৰু তাৰ পৰা বিষ্ণু আবির্ভাৱ হৈ দৈত্যৰাজক বধ কৰে। ভগৱানে ভক্তিক ৰক্ষা কৰাৰ লগতে বৈৰীজনকো মুক্তি দিয়াৰ নিদর্শন আখ্যানটিৰ মাজেৰে প্রতিফলিত হৈছে। 'দামোদৰ বিপ্র আখ্যানো' ভক্তিৰসেৰে পূর্ণ। দৰিদ্রজনৰ মনতো ভক্তি ধর্মৰ মাজেৰে দাৰিদ্রতা মোচন কৰি আনন্দৰ জোৱাৰ অনাৰ ইংগিত আছে। এনে আনন্দৰ কাৰণে ভক্তিধর্মৰো প্রসাৰ ঘটাইছিল।

কীর্ত্তনৰ 'হৰমোহন' আৰু 'ৰাসক্রীড়া' খণ্ড ঘাইকৈ শৃংগাৰ ৰসাত্মক যদিও শৃংগাৰ ৰসৰ পৰা মুক্ত হৈ নির্মল ভক্তিত প্রৱেশ কৰাৰ ধাৰণাহে তাত প্রকাশ হৈছে। 'হৰমোহন'ত ব্রহ্ম সত্য, জগত মিথ্যা, কথাষাৰৰ সত্যতা প্রমাণিত হৈছে—

তুমিসে কেৱল সত্য মিছা সবে আন।
জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান।।
(।। পদ- ৫২২।।)

কীর্ত্তনৰ 'হৰমোহন' খণ্ড আৰু 'মুচুকুন্দৰ স্তুতি' খণ্ডত উত্তম ভক্ত আৰু ভক্তিৰ নিদর্শন উল্লেখ কৰা হৈছে। কৃষ্ণ কথা শ্ৰৱণৰ মাজেৰে মোক্ষপদ লভিব পাৰি আৰু হৰিনাম কীর্ত্তনৰ মাজেৰে সমস্ত পাপৰ পৰা পৰিত্রাণ লাভ কৰিব পাৰি।

হৰিৰ কীর্ত্তন কৰিয়া পাপৰ
মুণ্ডত মাৰিয়ো কৰি।
আন কাম এৰি বোলা হৰি হৰি
পলাওক পাতক ছাড়ি।।
(মুচুকুন্দৰ স্তুতি-পদ- ১৩৯০।।)

'কুজীৰ বাঞ্ছা পূৰণ' আৰু 'অক্রুৰৰ বাঞ্ছা পূৰণ' খণ্ড দুটিতো ভগৱান হে ভক্তৰ অধীন আৰু ভক্তিৰ বাবে ধন-সম্পদৰ নিষ্প্রয়োজন তাক উল্লেখ কৰা হৈছে। 'স্যমন্তক হৰণ'তো জাম্বৱন্তৰ ভক্তিত ভগৱান সন্তুষ্ট হৈছে। 'গোপী উদ্ধৱ সংবাদ' খণ্ডটিৰ মাজেৰেও শ্রেষ্ঠ ভক্তিৰ নিদর্শন দাঙি ধৰা হৈছে। গোপীনীসকলে কাম মনোভাৱেৰে ভগৱানক পূজা কৰিও শ্রেষ্ঠা ভক্তা হিচাপে পৰিগণিত হৈছে। চাৰিবেদ, অষ্টাদশ পুৰাণ, ভাগৱত আদি শাস্ত্রত আৰু সনক, সনন্দ আদি মুনিসকলে ভগৱান কৃষ্ণৰ নাম, গুণ-কীর্ত্তনৰ মাজেৰেহে যে সংসাৰৰ পাপ-তাপৰ পৰা উদ্ধাৰ পাব পাৰি সেই কথা 'বেদস্তুতি' খণ্ডত বেদৰ মাজেৰে প্রকাশ কৰা হৈছে। ঈশ্বৰেই জগত সৃষ্টিৰ কাৰণ। জীৱ-জগতৰ মাজত মায়াৰ সৃষ্টি। কিন্তু ঈশ্বৰ মায়াতীত, পৰম নিয়ন্তা, নিত্য-মুক্ত, তেওঁ সর্বজ্ঞ, সর্বকর্তা মায়াই আৱৰি ৰাখে বাবেই মানুহে সত্য-অসত্যৰ মাজত প্রভেদ ধৰিব নোৱাৰে। মুকুট আৰু কুণ্ডল আৰু সোণৰ মাজত পার্থক্য নথকাৰ দৰে জীৱ আৰু ঈশ্বৰৰ মাজতো কোনো পার্থক্য নাই। 'বেদস্তুতি' খণ্ডত কোৱা হৈছে—

তুমি সত্য ব্রহ্ম তোহ্মাত প্রকাশে
জগত ইটো অসন্ত।
জগততে সদা তুমিয়ে প্রকাশা
অন্তর্যামী ভগৱন্ত।।

(।। পদ- ১৬৬২।।)

'শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ' খণ্ডতো ভগৱান- ব্রহ্মই যে সত্য বাকী ব্রহ্ম আৰু জীৱ অভেদ এই কথা প্রকাশ কৰা হৈছে। এই সকলো মায়া বা অবিদ্যাৰ দ্বাৰা সিদ্ধ সংসাৰৰ বন্ধনৰ পৰা মুক্তি লাভ কৰিবলৈ হ'লে হৰি ভক্তিৰ বাহিৰে আন কাম নাই। *কীর্ত্তন-ঘোষা*ৰ প্রতিটো খণ্ডতে আছে হৰিনাম শ্রৱণ-কীর্ত্তনৰ মাহাত্ম্য।

*কীর্ত্তন*ৰ 'শিশুলীলা' খণ্ডৰ কৃষ্ণ সাধাৰণ মানৱ শিশু হ'লেও তেওঁৰ লীলা অসীম। ভক্তৰ বান্ধৱ আৰু ভক্তবিৰোধীসকলৰ শত্রু হিচাপে তেওঁ কার্য সম্পাদন কৰিছে। চক্রবাত, পুতনা ৰাক্ষসী, বকাসুৰ আদিক বধ, কালীয়দমন, কংস বধ আদি কার্যৰ দ্বাৰা সন্তক পালন আৰু দুষ্টক দমন নীতি প্রকাশ হৈছে। মহাপুৰুষ শংকৰদেৱে সংকটৰ পৰা সাধাৰণ শ্রেণীক উদ্ধাৰ কৰি এখন মানৱ সমাজ গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। ভগৱান কৃষ্ণৰ প্রতি ভক্তিৰ আনুগত্য প্রচাৰ কৰি এখন বৃহৎ সমাজ গঢ়াৰ আঁচনি গুৰুজনাই পৰিকল্পনা কৰিছিল।

কীর্ত্তন-ঘোষা মূলতঃ এখনি আখ্যানমূলক ভক্তিকাব্য। সাধাৰণতে *কীর্ত্তন-ঘোষা*ক নাম প্রসংগৰ শ্রেণীত থ'ব পাৰি। কীর্ত্তনৰ অর্থ কীর্তি বা গুণৰ কীর্ত্তন কৰা। 'ঘোষা' আৰু 'পদ'ৰ মাজেৰে কীর্ত্তনৰ সমষ্টি। প্রতিটো খণ্ড কেবাটাও কীর্ত্তনৰ সমষ্টি আৰু প্রতিটো কীর্ত্তন-ঘোষাৰে আৰম্ভ কৰি পাছত পদ কীর্ত্তন কৰা হয়। ভগৱান কৃষ্ণৰ নাম, লীলা গুণ আদিৰ উচ্চাৰণেই কীর্ত্তন। বিভিন্ন সময়ত ৰচিত কীর্ত্তনৰ ভিন্ ভিন্ খণ্ডৰ মাজেৰে শংকৰদেৱে ভগৱান কৃষ্ণৰ মাহাত্ম্য ব্যাখ্যা কৰাৰ লগতে শ্রৱণ-কীর্ত্তনকে ধৰি নবধা ভক্তিৰ নিদর্শন কীর্ত্তনৰ মাজেৰে দাঙি ধৰিছে। সেই সময়ৰ সমাজৰ সংকীর্ণতা, অনৈক্য, ব্রাহ্মণ্যবাদ আদিক আঁতৰাই হৰিনামৰ শ্রৱণ-কীর্ত্তনৰ মাজেৰে শূদ্র-অন্ত্যজ আজি নিম্ন শ্রেণীক আকোঁৱালি এখন সংস্কাৰপূর্ণ সমাজ গঢ়ি তোলাটো আছিল মহাপুৰুষ জনাৰ কাম্য। কীর্ত্তনৰ আখ্যানসমূহৰ মাজেৰে নীতি বা ধর্মৰ শিক্ষা দিয়াটোৱেই তেওঁৰ উদ্দেশ্য আছিল। মুঠতে, *কীর্ত্তন-ঘোষা* পুথিখনক অসমীয়া জাতীয় জীৱনৰ সর্বশ্রেষ্ঠ ভক্তিতত্ত্বমূলক পুথি হিচাপে স্বীকৃতি দিব পাৰি।

৫.৭ *কীর্ত্তন-ঘোষা*ত প্রকাশিত ৰস

কীর্ত্তন-ঘোষা শংকৰদেৱৰ কাব্য প্রতিভাৰ শ্রেষ্ঠ নিদর্শন। বৈষ্ণৱ সাহিত্যৰ চাৰি পুথিৰ ভিতৰত ই এখন অন্যতম শ্রেষ্ঠ গ্রন্থ। এই বিষয়ে আগতে উল্লেখ কৰা হৈছে। কৃষ্ণ ভক্তি প্রচাৰ আৰু প্রসাৰ মূল উদ্দেশ্য হ'লেও *কীর্ত্তন-ঘোষা* সাহিত্যিক গুণেৰেও সমৃদ্ধ। আমাৰ এই আলোচনাত *কীর্ত্তন-ঘোষা*ত ৰস সম্পর্কে আলোচনা কৰিম। ৰসতত্ত্বৰ দিশৰ পৰা আলোচনা কৰিলে *কীর্ত্তন-ঘোষা*ত ভাৰতীয় অলংকাৰ শাস্ত্রত উল্লেখ কৰা নৱৰসৰ আস্বাদন অনুভৱ কৰিব পাৰি।

ৰস হ'ল এটা বিশেষ অৱস্থা আৰু ইয়াৰ সাধাৰণ অর্থ হ'ল সোৱাদ। 'সাহিত্য দর্পন'ৰ ৰচয়িতা বিশ্বনাথ কবিৰাজৰ মতে— "বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাৱৰ সহযোগত অভিব্যক্ত ৰতি আদি স্থায়ীভাৱেই হ'ল ৰস।" আলংকাৰিকসকলৰ মাজত সাহিত্যত ৰস সম্পর্কে মতভেদ থকা দেখা যায়। 'নাট্য শাস্ত্ৰ'ৰ প্ৰণেতা ভৰতমুনিয়ে শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক বীভৎস আৰু অদ্ভুত এই আঠ প্ৰকাৰ ৰসৰ বিষয়ে উল্লেখ কৰি গৈছে। পৰৱৰ্তী কালত অভিনৱ গুপ্ত আদি আলংকাৰিকসকলে শান্ত ৰসকো ৰসৰ অন্তর্গত কৰি ন প্ৰকাৰৰ ৰসৰ কথা উল্লেখ কৰিছে। মধ্যযুগত বৈষ্ণৱ কবিসকলে উক্ত নৱৰসৰ লগতে ভক্তিৰসকো স্থান দিছে। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে তেখেতসকলৰ সকলো ৰচনাতে ভক্তিক ৰস বুলি উল্লেখ কৰিছে বুলি সমালোচক সত্যেন্দ্ৰ নাথ শর্মাই মন্তব্য দাঙি ধৰিছে। সত্যেন্দ্ৰ নাথ শর্মাৰ মতে শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ আদিৰ দ্বাৰা ভক্তৰ হৃদয়ত উদয় হোৱা স্থায়ী ভাৱ, কৃষ্ণৰতিক বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাবৰ যোগেদি আস্বাদিত হৈ ভক্তিৰসত পৰিণত হয়। *কীৰ্ত্তন-ঘোষা*ৰ বিভিন্ন আখ্যানৰ মাজত বিভিন্ন ৰসৰ উদ্ৰেক ঘটিলেও ভক্তিৰসৰ অনাবিল আনন্দই পাঠক-শ্ৰোতাক ভক্তিৰসত নিমজ্জিত কৰি ৰাখে। ভক্তি হ'ল ভগৱানৰ প্ৰতি থকা প্ৰেম বা ৰতি। কীৰ্ত্তন পুথিৰ ঘোষাবোৰত ভগৱানৰ প্ৰতি ভক্তি বা ৰতি ভাৱ উদয় হোৱা বাবে তাত ভক্তিৰসৰো উদয় হৈছে। বৈষ্ণৱৰ সকলোতকৈ প্ৰিয়বস্তু ভগৱান কৃষ্ণ, সেয়েহে তেওঁলোকৰ ৰতি 'কৃষ্ণৰতি'। কৃষ্ণ ৰতি বা প্ৰেম হৃদয়ত ধ্যান কৰি ভক্তসকল ভক্তিৰসত নিমজ্জিত হোৱা দেখা যায়।

*কীৰ্ত্তন-ঘোষা*ত ভক্তিৰস আস্বাদন কৰিলেও ইয়াৰ আখ্যানসমূহৰ মাজেৰে পাঠক-শ্ৰোতাই আন ৰসসমূহো আস্বাদন কৰি আনন্দ লাভ কৰে। জ্ঞান নাথ বৰাদেৱে মন্তব্য দিছে— "কীৰ্ত্তনত হর্ষ-বিষাদ, প্ৰেম-বিৰহ, ক্ৰোধ-ক্ষমা আদিয়ে জুমুৰি পাতিছে, ইয়াত নৱ-ৰসৰ মিলন হৈছে। উদাহৰণ স্বৰূপে 'হৰমোহন' ৰাসক্ৰীড়া আদিত শৃংগাৰ ৰস, হিৰণ্যকশিপু-নৰসিংহৰ যুদ্ধ, কংস বধ, জৰাসন্ধ যুদ্ধ, কালযৱন বধ আদিত বীৰ ৰস, পুতনাৰ কার্য, নৰসিংহৰ ভৈৰৱ মূর্ত্তিৰ ব্যাখ্যাত ভয়ানক ৰস, কৃষ্ণৰ অন্তর্ধানৰ পাছত 'ৰাসক্ৰীড়া' অধ্যায়ত, 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ'ত কৰুণ ৰস, 'হৰমোহন' অধ্যায়ত হৰৰ কামুক অৱস্থাত আৰু 'দামোদৰ বিপ্ৰ' আখ্যানত হাস্যৰস, 'অজামিল উপাখ্যান' আৰু পুতনাৰ ৰূপ বর্ণনাত বীভৎস ৰস, নৰসিংহৰ আবির্ভাব, নাৰদৰ কৃষ্ণ দর্শন, 'শিশুলীলা'ত যশোদাৰ বিশ্বৰূপ দর্শনত অদ্ভুত ৰস, হিৰণ্যকশিপুৰ ক্ৰোধান্বিত অৱস্থাৰ বর্ণনাত ৰৌদ্ৰৰস, 'কুজীৰ বাঞ্ছা পুৰণ' 'হৰমোহন', 'কালীয় দমন', 'বলিছলন' আদিত শান্ত ৰসৰ উদ্ৰেক ঘটিছে।

তলত *কীৰ্ত্তন-ঘোষা*ৰ খণ্ডবোৰৰ মাজেৰে নৱ ৰস কি দৰে প্ৰকাশ পাইছে আলোচনা কৰা হ'ল—

(১) শৃংগাৰ ৰস ঃ *কীৰ্ত্তন-ঘোষা*ৰ তিনিটা খণ্ডত শৃংগাৰ ৰসৰ উদ্ৰেক ঘটিছে। সেইকেইটা হ'ল 'গজেন্দ্ৰ উপাখ্যান', 'হৰমোহন' আৰু 'ৰাসক্ৰীড়া'। 'গজেন্দ্ৰ উপাখ্যান'ত গজেন্দ্ৰই হস্তিনীসকলৰ লগত কৰা কাম-কেলিৰ যোগেদি (পদ ৪৯১-৪৯২), 'হৰমোহন'ত বিষ্ণুৰ মোহিনী ৰূপত শিৱৰ কামনা-বাসনাৰ যোগেদি (পদ ৫৪৭-৫৪৯), 'ৰাসক্ৰীড়া'ত কৃষ্ণ আৰু গোপীনীসকলৰ

মিলনৰ যোগেদি (পদ ৮৪৩-৮৪৪) সম্ভোগ শৃংগাৰৰ বিকাশ ঘটিছে। আলিংগন, চুম্বন, মিলন আদিৰ মাজেৰে শৃংগাৰ ৰসৰ সৃষ্টি হৈছে।

(২) হাস্য ৰস ঃ অৱস্থা আৰু কার্যৰ অসংগতি ঘটিলেই হাস্য ৰসৰ সৃষ্টি হয়। কথা-বার্তা, শাৰীৰিক অংগী-ভংগী, পোছাক-পৰিচ্ছদ আদিৰ বিকৃতিৰ মাধ্যমেৰে হাস্যৰস উদ্ভৱ হয়। কীৰ্ত্তন-পুথিত হাস্য ৰসৰ মাত্রা কম। তথাপি 'হৰমোহন' খণ্ডত (পদ- ৫৭৩) মহাদেৱে মোহিনী ৰূপত মুগ্ধ হৈ নিজৰ কাপোৰ আদি ত্যাগ কৰিবলগীয়া হয়। তাত হাস্য ৰসৰ সৃষ্টি হৈছে। তেনেদৰে 'শিশুলীলা' খণ্ডতো (পদ ১২-৮১৩) শৰীৰৰ বিভিন্ন স্থানত পিন্ধা অলংকাৰ-বস্ত্রৰ ব্যৱহাৰে হাস্য ৰসৰ সৃষ্টি কৰিছে। 'দামোদৰ বিপ্র উপাখ্যান'তো হাস্যৰস সৃষ্টি হৈছে।

(৩) কৰুণ ৰস ঃ *কীৰ্ত্তন-ঘোষা*ৰ দুটা খণ্ডত কৰুণ ৰসৰ উদ্রেক ঘটিছে। কৰুণ ৰসৰ স্থায়ী ভাৱ হ'ল শোক। *কীৰ্ত্তন*ৰ 'ৰাসক্রীড়া' খণ্ডত (পদ ৯১০-৯১১) কৃষ্ণ অন্তর্ধান হোৱাৰ পিছত গোপীসকলৰ মনত হোৱা বিৰহ বেদনাত, 'গাপী উদ্ধৱ সংবাদ' খণ্ডত শ্রীকৃষ্ণৰ অৱর্তমানও গোপীসকলৰ মনত উদয় হোৱা বিৰহত, 'শিশুলীলা' খণ্ডতো (পদ ৭৭৭) আৰু 'শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ' খণ্ডত (পদ- ১৮৪৪) উদ্ধৱৰ মনত হোৱা শোকৰ মাজেৰে কৰুণ ৰসৰ উদ্রেক হৈছে। 'স্যমন্তক হৰণ' খণ্ডতো (পদ-১৪৪৬) কৰুণ ৰসৰ আভাস পোৱা যায়।

(৪) বীৰ ৰস ঃ *কীৰ্ত্তন-ঘোষা*ৰ প্রায়বোৰ আখ্যানত বীৰ ৰস প্রকাশ পাইছে। বীৰত্ব পূর্ণ সংলাপ, যুদ্ধৰ বর্ণনা আদিত বীৰ ৰসৰ প্রাদুর্ভাৱ দেখা যায়। *কীৰ্ত্তন*ৰ প্রায়বোৰ খণ্ডতে বিষ্ণু, বিষ্ণু ভক্তৰ লগত অসুৰ-দানৱৰ সংঘাত বা বিৰোধৰ বাবে যুদ্ধৰ বর্ণনা থকা দেখা যায়। 'প্রহ্লাদ চৰিত্র' হিৰণ্যকশিপু আৰু নৰসিংহৰ মাজৰ যুদ্ধ (পদ ৪০৬-৪০৭) কংস বধ খণ্ডৰ (পদ- ১১৯৭-১১৯৮), স্যমন্তক হৰণ (পদ ১৪২৮-২৯), জৰাসন্ধ বধ (পদ- ১৩২০-১৩২১), কালযৱন বধ আদি খণ্ডৰ মাজেৰে বীৰ ৰসৰ প্রাদুর্ভাৱ ঘটিছে।

(৫) ৰৌদ্র ৰস ঃ ৰৌদ্র ৰসৰ স্থায়ীভাৱ ক্রোধ। শত্রু ৰৌদ্র ৰসৰ আলম্বন বিভাব আৰু উদ্দীপন বিভাব হ'ল শত্রুৰ দ্বাৰা প্রকাশিত আচৰণ।



জানি থোৱা ভাল

সাহিত্য দর্পনৰ মতে—

ৰৌদ্রঃ ক্রোধস্থায়িভাৱো ৰক্তো ৰুদ্রাধিদৈৱতঃ।
আলম্বনমৰিস্তস্য তচ্চেষ্টোউদ্দীপনং মতম্।।

(সাহিত্য দর্পন- ৩/২২৭)

*কীৰ্ত্তন-ঘোষা*ত ৰৌদ্র ৰসৰ প্রকাশ ঘটা দেখা যায়। বিশেষকৈ 'প্রহ্লাদ চৰিত্র' খণ্ডটিত বিষ্ণুভক্ত প্রহ্লাদক বিভিন্ন উপায়েৰে বধ কৰিব খুজিও অপাৰগ হোৱাত বিষ্ণু বিদ্বেষী হিৰণ্যকশিপুয়ে যি ক্রোধৰ প্রকাশ কৰিছে তাত ৰৌদ্র ৰসৰ সৃষ্টি হৈছে (পদ- ২৯৪, পদ- ৩৩৬ আদি)।

(৬) ভয়ানক ৰস ঃ ভয়ৰ বা ত্রাসৰ ভাৱ সৃষ্টি কৰাতেই ভয়ানক ৰসৰ উদ্ভৱ হয়। ইয়াৰ স্থায়ী ভাৱ ভয়। গাৰ নোম শিয়ৰি উঠা, ঘাম ওলোৱা, কঁপনি উঠা আদি ভয়ানক ৰসৰ কাৰণ।

কীর্ত্তনৰ বিভিন্ন ঠাইত এনে ভয়ানক ৰসৰ সৃষ্টি হৈছে 'শিশুলীলা' খণ্ডৰ (বাহী ২৪- পদ ৭২৫), প্ৰহ্লাদ চৰিত্ৰ (পদ ৪০২-৪০৪) অজামিল উপাখ্যান আদিত ভয়ানক ৰসৰ উদাহৰণ পোৱা যায়।

(৭) বিভৎস ৰস ঃ জুগুপ্সা যি ৰসৰ স্থায়ীভাৱ তাতে বীভৎস ৰসৰ সৃষ্টি হয়। *কীৰ্ত্তন-ঘোষা*ৰ ভালেসংখ্যক খণ্ডত এনে বীভৎস ৰস প্ৰকাশ দেখা যায়। কীৰ্ত্তনৰ 'হৰমোহন' খণ্ডত মহাদেৱে মোহিনী নাৰীৰ পিছে পিছে দৌৰি যাওঁতে বাঘ ছাল সুলকি উলংগ হৈ পৰা (পদ-৫৫২), 'মুচুকুন্দ স্তুতি'ত প্ৰাণ এৰাৰ পাছত শৰীৰত বিষ্ঠা-পলু আদি উৎপন্ন হোৱা (পদ-১৩৮৫), 'অজামিল উপাখ্যান'ত অজামিলে বেশ্যাৰ পদগামিনী হোৱা কথাত (পদ, ১৭৪) 'শিশুলীলা'ত পুতনা ৰাক্ষসীৰ ৰূপ বৰ্ণনাত (পদ- ৬৫০) বীভৎস ৰসৰ প্ৰকাশ ঘটিছে।

(৮) অদ্ভুত ৰস ঃ অস্বাভাৱিক বা অলৌকিক বৰ্ণনাত অদ্ভুত ৰসৰ সৃষ্টি হয়। অদ্ভুত ৰসৰ স্থায়ীভাৱ বিস্ময়। কীৰ্ত্তন পুথিৰ কেবাটাও খণ্ডত ইয়াৰ প্ৰকাশ ঘটিছে। 'শিশুলীলা' খণ্ডত শিশু কৃষ্ণৰ লীলা মালাত পদ (৬৬৯-৬৭২), 'প্ৰহ্লাদ চৰিত্ৰ'ৰ বিষ্ণুৰ নৰসিংহ অৱতাৰত (পদ ৪০১-৪০৪), 'নাৰদৰ কৃষ্ণ দৰ্শন' আদি খণ্ডত অদ্ভুত ৰসৰ প্ৰকাশ হোৱা দেখা যায়।

(৯) শান্ত ৰস ঃ শম অথবা গভীৰ নিৰাসক্তি বা নিস্পৃহ অৱস্থাত হোৱা ভাৱৰ পৰা শান্ত ৰস সৃষ্টি হয়। শান্ত ৰসৰ স্থায়ীভাৱ শম। শান্ত ৰসৰ বিষয়ে আলংকাৰিকসকলে মত প্ৰকাশ কৰিছে এনেদৰে—

"শান্ত শমস্থায়িভাৱ উত্তমপ্ৰকৃতিৰ্মতঃ।"

(সাহিত্য দৰ্পন-৩/২৪৫)

*কীৰ্ত্তন-ঘোষা*ৰ বিভিন্ন ঘোষা বা কীৰ্ত্তনৰ মাজেৰে ভগৱান কৃষ্ণৰ নাম-গুণ কীৰ্ত্তন কৰা হৈছে। কীৰ্ত্তনৰ 'প্ৰহ্লাদ চৰিত্ৰ' খণ্ডত এই ৰসৰ প্ৰকাশ অনুভূত হৈছে। কৃষ্ণই একমাত্ৰ ভজনীয় দেৱতা। আন সকলো মিছা (পদ- ৩৫৭-৩৫৮)। আকৌ, নৰসিংহৰ ভয়ংকৰ ৰূপৰ পাছত ব্ৰহ্মাৰ আদেশত আৰু প্ৰহ্লাদৰ স্তুতিত শান্ত ৰসৰ উদ্ৰেক হৈছে (পদ- ৪৪২-৪৪৩)

এনেদৰে *কীৰ্ত্তন-ঘোষা*ৰ বিভিন্ন খণ্ডৰ মাজেৰে নৱৰসৰ উদ্ভৱ হৈছে। কিন্তু এই সকলো ৰসেই গৈ অৱশেষত ভক্তিৰসত নিমজ্জিত হৈছে। মহাপুৰুষ শংকৰদেৱে *কীৰ্ত্তন-ঘোষা*ৰ আখ্যানসমূহৰ মাজেৰে ভক্তিধৰ্মৰ প্ৰচাৰ কৰিবলৈ প্ৰচেষ্টা চলাইছিল। ভগৱানৰ প্ৰতি ঐকান্তিক ভক্তি থাকিলে সংসাৰৰ সকলো পাপ-তাপৰ পৰা মুক্তি লাভ কৰিব পাৰি। *কীৰ্ত্তন-ঘোষা*ত ভক্তিৰসেই মুখ্য স্থান লাভ কৰিছে— আন ৰসবোৰ গৌণ হিচাপে স্থান পাইছে। হৰিনাম কীৰ্ত্তনৰ মাজেৰে সকলো আপদ-বিপদৰ পৰা ৰক্ষা পাব পাৰি। তপস্যা, যাগ-যজ্ঞৰ মাজেৰে যি ফল পোৱা যায় হৰিনাম কীৰ্ত্তনৰ ফল ততোধিক। *কীৰ্ত্তন*ৰ খণ্ডসমূহৰ মাজেৰে ভক্তিৰসৰ নিজৰা প্ৰবাহিত হৈছে। 'গজেন্দ্ৰ উপাখ্যান'ত শাৰীৰিক বিপদৰ পৰা পৰিত্ৰাণ, 'কুজীৰ বাঞ্ছা পূৰণ'ত কুব্জপা নাৰীৰ কামনা সিদ্ধি, 'দামোদৰ বিপ্ৰ আখ্যান'ত হৰিৰ কৃপাত অতুল বৈভৱ লাভ আদিৰ মাজেৰে ভক্তিৰসৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰা হৈছে। *কীৰ্ত্তন-ঘোষা*ৰ মাজেৰে মহাপুৰুষ শংকৰদেৱে ভগৱান কৃষ্ণৰ নাম-কীৰ্ত্তনেই ভক্তিৰ একমাত্ৰ পথ বুলি ঘোষণা কৰি গৈছে।

৫.৮ *কীর্ত্তন-ঘোষা*ৰ সাহিত্যিক সৌন্দর্য

কীর্ত্তন-ঘোষা প্রধানকৈ আখ্যান প্রধান গ্রন্থ। কীর্ত্তনৰ এই আখ্যানসমূহ ৰূপকধর্মী। প্রতিটো আখ্যানৰ মাজেৰে ভগৱান শ্রীকৃষ্ণৰ সাকাৰ ৰূপৰ বিভিন্ন লীলামালা প্রকাশিত হৈছে। কীর্ত্তনৰ আখ্যানসমূহৰ কথা বস্তু *ভাগৱত পুৰাণ*কে আদি কৰি বিভিন্ন সংস্কৃত গ্রন্থৰ পৰা আহৰণ কৰা হৈছে যদি মহাপুৰুষজনাৰ সৃষ্টিশীল কলা নৈপুণ্যৰ গুণত কীর্ত্তনখন সাহিত্যিক সৌন্দর্যৰে পৰিপূর্ণ হৈ উঠিছে। *কীর্ত্তন-ঘোষা*ৰ প্রতিটো খণ্ড কেবাটাও কীর্ত্তনৰ সমষ্টি আৰু এই প্রতিটো কীর্ত্তন নির্দিষ্ট এটি ঘোষাৰে আৰম্ভ কৰি ঘোষাটি বাৰে বাৰে গাই পিছৰ পদসমূহ কীর্ত্তন কৰি যায়। এই কথা আগতে উল্লেখ কৰি অহা হৈছে।

কীর্ত্তন-ঘোষা মহাপুৰুষ শংকৰদেৱৰ ধর্মীয় আৰু সাহিত্যিক জীৱনৰ অক্ষয় কীর্তি। বৈষ্ণৱ সমাজত *কীর্ত্তন-ঘোষা*ৰ জনপ্রিয়তা সর্বাধিক। অকল ধর্ম প্রচাৰৰ ক্ষেত্রতে নহয়, সাহিত্যিক গুণৰ ফালৰ পৰাও কীর্ত্তন পুথিৰ জনপ্রিয়তা অসমীয়া সমাজত সর্বাধিক। কীর্ত্তনৰ মাজেৰে শংকৰদেৱে অকল ধর্ম প্রচাৰেই কৰিছিল এনে নহয়, নীতি শিক্ষাৰ উপাদানেৰে সংস্কৃতিবান জাতি এটাকো গঢ় দিবলৈ যত্ন কৰিছিল। মহাপুৰুষ জনাৰ কবি প্রতিভাৰ শ্রেষ্ঠ নিদর্শন *কীর্ত্তন-ঘোষা*ৰ মাজতে ব্যাপ্ত হৈ আছে। সত্যেন্দ্র নাথ শর্মাৰ ভাষাত— "বিষয়বস্তুৰ মনোৰম প্রকাশে, ছন্দৰ বৈচিত্র আৰু লালিত্যই, ভাৱ উজ্জীৱিত কৰিব পৰা উপযুক্ত শব্দ ব্যৱহাৰে আৰু সকলোৰে ওপৰত ভক্তিৰ মধুৰ প্রলেপে কীর্ত্তনখনক ল'ৰা, ডেকা আৰু বুঢ়া সকলো শ্রেণীৰ লোকৰ প্রিয় কৰি তুলিছে।"

আকৌ লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত— "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাবৰ মাধুর্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীর্ত্তন ৰচিত। কীর্ত্তনৰ ভাষাৰ কবিত্বময় সৌন্দর্য, ক্ষিপ্রতা আৰু দৃঢ়তা, বর্ণনাৰ সৌন্দর্য আৰু জটিল কথাৰ সর্বজন গ্রাহ্য সৰল অথচ সুক্ষ্ম প্রকাশ লক্ষণীয় বিষয়।"

প্রাচীন আলংকাৰিকসকলেও সাহিত্য-কাব্যৰ লগত সৌন্দর্যৰ অঙ্গাঙ্গী সম্পর্কক স্বীকাৰ কৰি গৈছে। ভাষা-শব্দৰ মাধুর্য প্রকাশ, ছন্দৰ লালিত্য, ৰসৰ পয়োভৰ, অলংকাৰৰ প্রয়োগ আদিৰ সমাবেশেৰে সাহিত্যই পাঠক-শ্রোতাক অনাবিল আনন্দ সাগৰত মজি থাকিবলৈ অনুপ্রেৰণা যোগায়।



জানি থোৱা ভাল

প্রাচীন আলংকাৰিকৰ মতে—

ৰমনীয়ার্থ প্রতিপাদকঃ শব্দঃ কাব্যম্।।

মুঠতে ভাং-ভাষা, ছন্দ-অলংকাৰ, ৰস-ধ্বনি আদিৰ সুপ্রয়োগে সাহিত্য-কাব্যৰ সাহিত্যিক মূল্যৰ লগতে সৌন্দর্য বৃদ্ধি কৰে। মহাপুৰুষ শংকৰদেৱ বিৰচিত *কীর্ত্তন-ঘোষা*ৰ মাজতে এনেবোৰ

গুণ সন্নিৱিষ্ট হোৱা হেতুকে *কীর্ত্তন-ঘোষা* অসমীয়া সাহিত্যৰ এক অনুপম গ্রন্থ হিচাপে স্বীকৃত হৈ আহিছে। তলত *কীর্ত্তন-ঘোষা*ৰ সাহিত্যিক সৌন্দর্যৰ এটি আভাস দিবলৈ প্রয়াস কৰা হ'ল—

কবি-সাহিত্যিকসকলৰ কল্পনা-অনুভূতিৰ দ্বাৰা নিসৃত চিন্তা-চেতনাই ভাব সমৃদ্ধ হৈ সাহিত্যত প্রৱেশ কৰে। ভাৱৰ গভীৰতা অনুসৰি সাহিত্যিক সৌন্দর্য বিকশিত হয়। মহাপুৰুষ শংকৰদেৱৰ *কীর্ত্তন-ঘোষা* এখন স্বতন্ত্র কাব্য কোষ। ২৭ টা খণ্ডৰ বিভিন্ন বিষয়বস্তুৰে ই সমৃদ্ধ। সুৰ লগাই বাৰে বাৰে ভগৱান কৃষ্ণৰ নাম-কীর্ত্তন-শ্রৱণৰ মাজেৰে ভক্তি ধর্মৰ প্রসাৰত কীর্ত্তনৰ ভূমিকা অপৰিসীম। বিভিন্ন খণ্ডৰ মাজেৰে ভগৱানৰ বিভিন্ন অৱতাৰৰ বর্ণনা কৰি, বিভিন্ন ৰসৰ উদ্‌গীৰণ কৰি শেষত ভক্তিৰস বিমল আনন্দত পাঠক-শ্রোতাক নিমজ্জিত কৰিব পাৰিছে। *কীর্ত্তন-ঘোষা*ৰ হর্ষ-বিষাদ, প্রেম-বিৰহ, ক্রোধ-ক্ষমা-দয়া আদি বিভিন্ন ভাবে পুথিখনক সাহিত্যিক মর্যাদা প্রদান কৰিছে।

ভাষা ঃ *কীর্ত্তন-ঘোষা*ৰ ভাষা অতি সমৃদ্ধ আৰু সার্বজনীন। যাৰ ফলত পুথিখনে জনপ্রিয়তাৰ উচ্চ শিখৰত স্থান পাইছে। সংস্কৃতৰ এগৰাকী বিদগ্ধ পণ্ডিত হোৱা সত্বেও স্ত্রী, শূদ্র, অন্ত্যজাতি- অশিক্ষিত লোকৰ মাজত বৈষ্ণৱ ধর্ম প্রচাৰ কৰিবলৈ তেওঁ সর্বসাধাৰণৰ কথিত ভাষাকেই কীর্ত্তন পুথিত প্রয়োগ কৰিছিল। উদাহৰণ স্বৰূপে—

নাৰদে দিলন্ত তিনি কতপা।
নমানিব আক কোননো লপা।।

(পাষণ্ড মর্দন- পদ- ৮৩)

আকৌ, সংস্কৃত 'কটাহ' শব্দৰ লগত 'ফুটিল' শব্দৰ সংমিশ্রণেৰে তৎসম শব্দৰ প্রয়োগ কৰিছে। ফলত থলুৱা শব্দৰ ভাণ্ডাৰ বৃদ্ধি হৈ সাহিত্যিক মূল্যৰো প্রসাৰ ঘটিছে।

কীর্ত্তনৰ ভাষাত ব্যঞ্জনাধর্মীতাও আছে। আধুনিক অসমীয়া ভাষাৰ নিদর্শনো তাত আছে। জতুৱা-ঠাঁচ, প্রবাদ-পটন্তৰ, প্রত্যয়, বিভক্তি আদিৰ লগতে কীর্ত্তনত ব্যৱহৃত শব্দ সম্ভাৰ অতি চহকী। ইয়েই সাহিত্যিক সৌন্দর্য বৃদ্ধিত সহায়ক হৈছে। ধর্ম শিক্ষা, নীতি-শিক্ষা আদি বিভিন্ন গ্রন্থৰ পৰা সংগ্রহ কৰি থলুৱা কথিত ভাষাত সুৰ লগাই ৰচনা কৰি *কীর্ত্তন-ঘোষা* পুথিখনত গুৰুজনাই সাহিত্যিক গুণ সন্নিৱিষ্ট কৰিছিল। অসমীয়া জতুৱা ঠাঁচ আৰু গ্রাম্য জীৱনৰ বাক্যৰীতি আৰু শব্দৰ ব্যৱহাৰে পদবোৰ মনত ৰখাৰ বাবেও সহজ হৈ পৰিছে।

ছন্দ ঃ কীর্ত্তনৰ ভাষাক প্রাণোচ্ছল কৰি তুলিছে ছন্দই। ঘোষা-পদ আদিত উপযুক্ত শব্দ ব্যৱহাৰ কৰি সুৰ আৰু লয়ৰে তাত গীতিধর্মীতা প্রদান কৰা হৈছে। (ধর্ম সিংহ ডেকা- ছন্দ আৰু অলংকাৰ) গ্রন্থ কৈছে— "মানুহৰ হৃদয়ত অনির্বচনীয় আৱেগ আৰু অনুভূতি জগাই তুলি আলোড়নৰ সৃষ্টি কৰিব পৰা সুসংহত আৰু সুনিয়ন্ত্রিত মাধুর্যপূর্ণ, স্পন্দনময় ধ্বনি প্রবাহৰ বৈচিত্র্যপূর্ণ বিন্যাসেই ছন্দ'ই তেওঁৰ কীর্ত্তনত ছন্দৰ বৈচিত্র্য চমৎকাৰী। পদ, দুলড়ী, ছবি, লেচাৰি আদি ছন্দৰ বাহিৰেও সংস্কৃত 'ছন্দস্' শব্দৰ পৰা 'ছন্দ' শব্দৰ উৎপত্তি হৈছে—



জানি থোৱা ভাল

ভাৰতীয় আলংকাৰিকসকলে ৰসক কাব্যৰ আত্মা আৰু ছন্দক কাব্য শৰীৰৰ অলংকাৰ বুলি অভিহিত কৰিছে।

ঝুনা বা একাৱলী, ঝুমুৰী বা গজপতি, কুসুম মালা আদি নানা ছন্দই কীর্ত্তনৰ কাব্যিক সৌন্দর্য দুগুণে বৃদ্ধি কৰিছে। সমালোচক ডিম্বেশ্বৰ নেওগে কীর্ত্তনৰ ছন্দৰ প্রসংগত মন্তব্য দাঙি ধৰিছে এনেদৰে—

"কালিদাসৰ কুমাৰসম্ভৱ বা ৰঘুবংশ, মিল্টনৰ স্বর্গহৰণ বা পুনঃ স্বর্গলাভ বোলা অমৰ কাব্যবোৰতো *কীর্ত্তন-ঘোষা*ৰ নিচিনাকৈ ভাৱ বা ৰসৰ সলনিৰ লগে লগে উপযোগী ছন্দৰ অৱলীলা দেখিবলৈ পোৱা নাযায়।" *কীর্ত্তন-ঘোষা*ত মুঠ ছয়বিধ ছন্দৰ প্রয়োগ দেখা যায়। প্রতিটো ছন্দৰ প্রয়োগতে মহাপুৰুষজনাৰ সাহিত্যিক সৌন্দর্যৰ স্ফুৰণ ঘটিছে। কীর্ত্তনত প্রয়োগ হোৱা ছন্দৰ আৰু তাৰ সৌন্দর্য এনে ধৰণৰ— পদ বা পয়াৰ। যেনে —

প্রথমে প্রণামো ব্রহ্মৰূপী সনাতন।
সর্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
(চতুর্বিংশতি অৱতাৰ)

এনেদৰে, পোন্ধৰটা আখৰযুক্ত দীর্ঘ পয়াৰৰো প্রয়োগ আছে। কীর্ত্তনৰ 'হৰমোহন' খণ্ড (পদ ৫৩৪) স্যমন্তক হৰণ খণ্ডত (পদ-১৪৩৬) লঘু ত্রিপদী বা দুলড়ী ছন্দৰ প্রয়োগ ঘটিছে। তেনেদৰে 'বলিছলন' (পদ-৬২২) আৰু 'হৰমোহন' খণ্ডত (পদ-৫৩৪) ছবি ছন্দৰ প্রয়োগ ঘটিছে। দুলড়ী বা ত্রিপদী ছন্দত লিখা হৰমোহনৰ উপবনৰ বর্ণনাত ফুলে ফুলে সুশোভিত হৈ যি পৰিৱেশৰ প্রতিফলন ঘটাইছে সি কবিৰ কাব্যিক প্রতিভাৰ নিদর্শন দাঙি ধৰিছে। তেনেদৰে বেদান্ত দর্শনৰ অদ্বৈতবাদৰ গভীৰ তত্ত্বমূলক কথাও ছন্দৰ মাজেৰে ভাৱ-ভাষা অক্ষুণ্ণ ৰাখি যি সাহিত্যিক সৌন্দর্যৰ সৃষ্টি কৰিছে সেয়াই *কীর্ত্তন-ঘোষা*ক অধিক জনপ্রিয় কৰি তুলিছে। উদাহৰণ—

মুকুট কুণ্ডল যেন সুৱর্ণৰ ভিন্ন নুহি
মিছা মাত্র নাম-ৰূপ যত।
অহংকাৰ পঞ্চভূত তোমাত পৃথক নুহি
প্রভু পৰমার্থ বিচাৰত।।
(বেদস্তুতি-পদ)

গুৰুজনাই বিষয়বস্তুৰ ভাৱ অনুসাৰে পদ, দুলড়ী, ছবি, ঝুমুৰী বা গজপতি, ঝুনা বা একাৱলী, দিগক্ষৰ আদি বিবিধ ছন্দৰ উপস্থাপনৰে কীর্ত্তনৰ ভাষাক প্রাণৱন্ত কৰি তুলিছে। ছন্দৰ এনে লয়যুক্ত বর্ণনাই পাঠক-শ্রোতাৰ অন্তৰত সাহিত্য ৰস পান কৰিবলৈ সুযোগ দিছে। *কীর্ত্তন-ঘোষা*ৰ আকর্ষণৰ মূলতে আছে গ্রন্থখনৰ বহু মাত্রিক ছন্দ।

ৰস ঃ আগৰ খণ্ডটিত *কীর্ত্তন-ঘোষা*ৰ ৰস সম্পর্কে আলোচনা কৰা হৈছে। ৰস হ'ল এটি বিশেষ অনুভূতি এটি বিশেষ অৱস্থা। ভাৰতীয় অলংকাৰ শাস্ত্রত ভক্তিৰসৰ কথা স্বীকাৰ কৰা হোৱা নাই। মধ্যযুগত ভক্তি আন্দোলনৰ জোৱাৰ আৰম্ভ হোৱাত নাটক, কাব্য আদিত প্রকাশ পোৱা ৰসৰ মাজেৰে ভক্তিৰসকো ৰস শাৰীত স্থান দিয়া হৈছে। কীর্ত্তনৰ বিভিন্ন খণ্ডৰ মাজেৰে নৱৰসৰ সমাহাৰ ঘটিছে। উদাহৰণ স্বৰূপে হৰমোহন, ৰাসক্রীড়া আদি খণ্ডত শৃংগাৰ ৰস, শিশুলীলাত আৰু নাৰদৰ কৃষ্ণ দর্শনত অদ্ভুত ৰস, প্রহ্লাদ চৰিতত নৰসিংহ আৰু হিৰণ্যকশিপুৰ যুদ্ধ, কংসবধ, জৰাসন্ধ বধ, কালযৱন বধ আদি খণ্ডৰ মাজেৰে ভয়ানক ৰস আৰু বীৰ ৰস, ৰাসক্রীড়াত কৃষ্ণৰ অন্তর্ধানত আৰু শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণত উদ্ধৱৰ মনত উদয় হোৱা শোকৰ মাজেৰে কৰুণ ৰস, হৰমোহনত দেৱাদিদেৱ হৰৰ কামবিহ্বল অৱস্থা, অজামিলৰ ব্যভিচাৰ, পুতনাৰ ৰূপ বর্ণনাত আৰু দামোদৰ বিপ্র আখ্যানত ক্রমে বিভৎস আৰু হাস্যৰস, প্রহ্লাদ চৰিতত হিৰণ্যকশিপুৰ তর্জন-গর্জনত ৰৌদ ৰস; আকৌ, কুজীৰ বাঞ্ছাপুৰণ, হৰমোহন, বলিছলন, কালীয় দমন, গজেন্দ্র উপাখ্যান, মুচুকুন্দৰ স্তুতি আদি খণ্ডত শান্ত ভক্তি ৰসৰ উদয় হৈছে। এনেবোৰ ৰসৰ মাজেৰে কীর্ত্তনৰ কাহিনী বর্ণনাত শ্রৱণ আৰু কীর্ত্তনৰ মাজেৰে পাঠক আৰু শ্রোতাই বিমল আনন্দ লাভ কৰিছে। কীর্ত্তনৰ সাহিত্যিক সৌন্দর্য বৃদ্ধিত কীর্ত্তনৰ নৱৰস প্রধান উপাদান হৈ পৰিছে।

অলংকাৰ ঃ সাহিত্যক ৰমনীয় কৰি তুলিবৰ বাবে যি ৰহণ প্রয়োগ কৰা হয় তাকেই সাধাৰণ অর্থত অলংকাৰ বুলি কোৱা হয়। প্রকৃত অর্থত সৌন্দর্যই হ'ল অলংকাৰ। আচার্য ভামহৰ মতে অলংকাৰবিহীন কমনীয় মুখমণ্ডল যি দৰে শোভা নাপায়, তেনেদৰে ৰূপক আদি অলংকাৰবিহীন সাহিত্য কর্মৰো শোভা প্রকাশ নাপায়—

ৰূপকাদিৰ লংকাৰস্তস্যান্যৈর্বহুধোদিতঃ।
ন কান্তমপি নির্ভূষং ৱিভাতি ৱনিতামুখম।।

(কাব্যালংকাৰ- ১/১৩)

দণ্ডী, ভামহ, ৱামন, ৰুয্যক, আনন্দবর্দ্ধন, কবিৰাজ ৰাজশেখৰ, ভোজ, মম্মট, বিশ্বনাথ কবিৰাজ আদি আলংকাৰিকসকলেও কাব্য বা সাহিত্যৰ সৌন্দর্যকে অলংকাৰ বুলি মত প্রকাশ কৰি গৈছে। আদি কবি বাল্মিকীয়েও ৰামায়ণ মহাকাব্যত অলংকাৰৰ প্রয়োগ সাধন কৰিছে। ভাৰত মুনিৰ নাট্যশাস্ত্রতো অলংকাৰৰ প্রয়োগ আছে। অপ্রমাদী কবি মাধৱ কন্দলীৰ অনূদিত ৰামায়ণতো অলংকাৰৰ সার্থক প্রয়োগ ঘটিছে।

শংকৰদেৱৰ *কীর্ত্তন-ঘোষা*তো অলংকাৰৰ সুপ্রয়োগে কীর্ত্তনৰ সাহিত্য গুণৰ সৌন্দর্য বৃদ্ধি কৰিছে। লগতে এক মহৎ শিল্পকলা হিচাপেও স্থিতি লাভ কৰিছে। অলংকাৰ দুই প্রকাৰৰ— শব্দালংকাৰ আৰু অর্থালংকাৰ। কীর্ত্তনত বর্ণনা বিষয়ক অধিক আকর্ষণীয় কৰি তুলিবলৈ ক'ৰবাত শব্দালংকাৰ আৰু ক'ৰবাত অর্থালংকাৰৰ প্রয়োগ হৈছে। ইয়াৰে কিছুমান ঘৰুৱা জীৱনৰ পৰা আহৰণ কৰা আৰু কিছুমান গুৰুজনাৰ স্বপ্রতিভাৰ স্বতঃস্ফূর্তভাৱে নিসৃত হোৱা। শব্দালংকাৰে শব্দৰ মাধুর্য বৃদ্ধি কৰে, আনহাতে অর্থালংকাৰে শব্দৰ অর্থক বিভুষিত কৰি তোলে। কীর্ত্তনত অনুপ্রাস, অন্ত্যানুপ্রাস, যমক, শ্লেষ প্রভৃতি শব্দালংকাৰ আৰু উপমা, ৰূপক, ভ্রান্তিমান, প্রতীপ,

নিশ্চয়, সন্দেহ, উল্লেখ, অতিশয়োক্তি, সমাসোক্তি, স্বভাৱোক্তি আদি অর্থালংকাৰৰ পয়োভৰ আছে। কীর্ত্তন পুথিত উল্লেখ থকা কেইটামান অলংকাৰ আৰু তেনে অলংকাৰসমূহে কীর্ত্তন পুথিৰ সাহিত্যিক সৌন্দর্য বৃদ্ধিত কেনেদৰে সহায় কৰিছে তাক দাঙি ধৰা হ'ল—

(ক) শব্দালংকাৰ ঃ

অনুপ্রাস ঃ সদৃশ ব্যঞ্জন বর্ণক ওচৰা-ওচৰিকৈ প্রয়োগ কৰি বাক্যক মনোৰমভাৱে উপস্থাপন কৰাকে অনুপ্রাস অলংকাৰ বোলা হয়। উদাহৰণ—

শেৱালি নেৱালি পলাস পাৰলি
পাৰিজাত যুথি-জাই।
বকুল বন্দুলি আছে ফুলি ফুলি
তাৰো সীমা সংখ্যা নাই।। (হৰমোহন- পদ ৫৩৫)

অন্ত্যানুপ্রাস ঃ কবিতাৰ চৰণৰ শেষ বর্ণৰ মিল থকাটোৱেই অন্ত্যানুপ্রাস। শব্দৰ এনে মিলৰ বাবে এক লয়ৰ সৃষ্টি হয় আৰু পাঠক শ্রোতাৰ মনত আনন্দৰ পৰশ পেলায়। উদাহৰণ ঃ

মৎসৰূপে অৱতাৰ ভৈলা প্রথমত।
উদ্ধাৰিলা বেদ প্রভু প্রলয় জলত।।
সত্যব্রত ৰাজাক দেখাইল নিজ মায়া।
নধৰিলে সমুদ্রে তোমাৰ মৎস কায়া।।
(চতুর্বিংশতি অৱতাৰ বর্ণন)

যমক ঃ সার্থক-নিৰর্থকভাৱে স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহৰ পুনৰুক্তি হ'লে তাক যমক অলংকাৰ বোলা হয়। কীর্ত্তনত এনে যমক অলংকাৰৰ উদাহৰণ এনেধৰণৰ—

ৰাম বনমালী গোপাল বনমালী
(কংসবধ-পদ-৮৭)

এনে উদাহৰণ আৰু অনেক তুলি ধৰিব পাৰি। ইয়াৰ বাহিৰেও বক্রোক্তি, শ্লেষ আদি শব্দালংকাৰেও কীর্ত্তনৰ কাব্যশোভা বৃদ্ধি কৰিছে।

(খ) অর্থালংকাৰ ঃ শব্দালংকাৰৰ দৰে অর্থালংকাৰৰ সুপ্রয়োগেও কীর্ত্তনৰ কাব্য শোভা তথা সাহিত্যিক সৌন্দর্য বৃদ্ধি কৰিছে। তলত কীর্ত্তনত থকা অর্থালংকাৰৰ কিছু আভাস দাঙি ধৰিবলৈ প্রয়াস কৰা হ'ল।

উপমা ঃ স্পষ্ট, উজ্জ্বল আৰু বিশেষত্ব সম্বলিত সাদৃশ্যই উপমা। সাহিত্য দর্পনত আছে—

'সাম্যং ৰাচ্যমৱৈধম্য ৰাক্যৈক্য উপমাদ্বয়ো।'
(সাহিত্য দর্পন- ১০/১৪)

কীর্ত্তনৰ আখ্যানসমূহত এনে উপমাৰ উদাহৰণ অনেক। উদাহৰণ স্বৰূপে—

সর্পে হেন ধৰিল ইন্দুৰ।
নিশৱদ দানৱ দন্দুৰ।।
****

নখে হিয়া বিদাৰিলা।।
যেহেন সর্পক পাৰে ভিৰি।
গৰুড়ে পেহ্লাইলা ঠোঁটে ছিৰি।।
(প্রহ্লাদ চৰিত-পাদ- ৪১৩-৪১৪)

বক্ষস্থলে মুকুতাৰ হাৰ।
আকাশী গংগাৰ যেন ধাৰ।।
(কংসবধ-পদ ১০৬০)

শংকৰদেৱ উপমা প্রয়োগত অতি সিদ্ধহস্ত আছিল। *কীর্ত্তন- ঘোষা*ৰ বাহিৰেও তেওঁ অন্যান্য ৰচনাতো উপমা অলংকাৰৰ প্রয়োগে তেওঁৰ সাহিত্যৰাজিক অপূর্ব সৌন্দর্য প্রদান কৰিছে।

উল্লেখ ঃ কোনো এটা বস্তুক বিভিন্ন দৃষ্টিকোণৰ পৰা চাই বিভিন্ন ৰূপে কল্পনা কৰাকে উল্লেখ অলংকাৰ বোলে (তীর্থ নাথ শর্মা- সাহিত্য বিদ্যা পৰিক্রমা)। কীর্ত্তনৰ কংসবধ আখ্যানত কৃষ্ণই যেতিয়া কংসবধৰ বাবে মথুৰালৈ গৈছিল তেতিয়া তেওঁক বিভিন্নজনে ভিন্ ভিন্ ৰূপত দেখিছিল আৰু সেয়াই উল্লেখ অলংকাৰ। উদাহৰণ ঃ

কৰিলা প্রকাশ ৰামে সমে সমাজত।
দেখৈ দশ প্রকাৰে কৃষ্ণক সিবেলাত।।
মালে বোলে কিনো ব্রজময় কলেৱৰ।
অন্যজনে বোলে এহেন্তেসে নৰবৰ।।
(কংস বধ- ১১৮১)

ওপৰৰ আলোচনাত *কীর্ত্তন-ঘোষা*ত উল্লেখ থকা কেইটামান শব্দালংকাৰ আৰু অর্থালংকাৰৰ হে উদাহৰণ দাঙি ধৰা হৈছে। ইয়াৰ বাহিৰেও উৎপ্রেক্ষা, নিদর্শনা, অতিশয়োক্তি, অর্থান্তৰ-ন্যাস, প্রতীপ, সংসৃষ্টি, বিৰোধাভাস আদি বিভিন্ন অলংকাৰে কীর্ত্তনৰ সাহিত্যিক সৌন্দর্য বৃদ্ধিত সহায়ক হৈছে।

*কীর্ত্তন- ঘোষা*ৰ সাহিত্যিক সৌন্দর্য প্রকাশ পাইছে ইয়াৰ বিষয়বস্তুৰ মনোৰম উপস্থাপনৰ মাজেৰে। মহাপুৰুষ জনাই ভাগৱত পুৰাণ আৰু অন্যান্য বিভিন্ন সংস্কৃত গ্রন্থৰ পৰা সাৰ সংগ্রহ কৰি নিজস্ব প্রতিভাৰে তাক অসমৰ মাটি-পানীৰে সজাই তুলিছে। ল'ৰা-বুঢ়া, শিক্ষিত-অশিক্ষিত, পুৰুষ-নাৰী সকলোৰে ওপৰত *কীর্ত্তন-ঘোষা*ই প্রভাৱ বিস্তাৰ কৰিছে। সত্যেন্দ্র নাথ শর্মাই লিখিছে— "বিষয়বস্তুৰ মনোৰম প্রকাশে, ছন্দৰ বৈচিত্র্য আৰু লালিত্যই, তাৰ উজ্জীৱিত কৰিব পৰা উপযুক্ত শব্দৰ ব্যৱহাৰে আৰু সকলোৰে ওপৰত ভক্তিৰ মধুৰ প্রলেপে কীর্ত্তনক ল'ৰা, ডেকা, বুঢ়া সকলো লোকৰ প্রিয় কৰি তুলিছে।" *কীর্ত্তন- ঘোষা*ৰ মৌলিক ৰূপটো প্রকাশ পাইছে ইয়াৰ কাব্যৰূপ, গীতিধর্মী ৰূপ আৰু কাহিনীসমূহৰ মাজেৰে প্রকাশ পোৱা কৃষ্ণ ভক্তিৰ মাহাত্ম্য প্রতিষ্ঠাত। লক্ষ্মীনাথ বেজবৰুৱাই এই ক্ষেত্রত এনেদৰে মন্তব্য কৰিছে—

"পৃথিৱীৰ যতবোৰ সুন্দৰ ধর্মগ্রন্থ আছে, আমাৰ শংকৰদেৱ বিৰচিত কীর্ত্তন সেইসকলৰ ভিতৰত শিৰৰ মুকুট।" (অতুল চন্দ্র হাজৰিকা (সম্পাদক) বেজবৰুৱা গ্রন্থাৱলী, সাহিত্য প্রকাশ, ১৯৮৮, গুৱাহাটী)

*কীর্ত্তন- ঘোষা*ৰ সাহিত্যিক সৌন্দর্য প্রকাশ পাইছে অসমৰ বিনন্দীয়া প্রকৃতিৰ ৰূপ বর্ণনাৰ মাজেৰে। পুৰাণ, মহাভাৰত আদিৰ কাহিনীসমূহক অসমীয়া মাটি, পানী, সংস্কৃতিৰ ৰহণেৰে সজাই *কীর্ত্তন-ঘোষা*ৰ ঘোষা-পদৰ মাজেৰে তাৰ ৰূপ অসমীয়াৰ প্রাণত স্থাপিত কৰিছে। কথিত ভাষাৰ প্রয়োগ আৰু ঘৰুৱা চিত্র বর্ণনাই কীর্ত্তনৰ কাব্যশোভা অটুট ৰখাত সহায় হৈছে। 'উৰেষা বর্ণন'ত ৰজা ইন্দ্রদ্যুম্ন ৰজাৰ সাংসাৰিক জীৱনৰ চিত্র ঘৰুৱা ভাষাৰে শংকৰদেৱে এনেদৰে উপস্থাপন কৰিছে—

জল যন্ত্র চক্রে জৰীবদ্ধ হয়া
খণ্ড ঘট যেন মত।
কতো উর্দ্ধগতি কতো অধোগতি
কতোহো থাকো মধ্যত।।
(উৰেষা বর্ণন, পদ-৯৬)

ব্যক্তিৰ সামাজিক জীৱনৰ অৱস্থা সহজ-সৰল, ঘৰুৱা ভাষাত প্রকাশিত উক্ত ঘোষাই পাঠকৰ অন্তৰ আহ্লাদিত কৰি তোলে।

*কীর্ত্তন-ঘোষা*ৰ উপদেশধর্মী নীতি বাক্যই সমাজ সংস্কাৰ কৰাৰ লগতে ইয়াৰ সাংগীতিক ছন্দই ভক্তি সাগৰত ডুবি পাঠক-শ্রোতাক একতাৰ ডোলেৰে বন্ধাত সহায় কৰে। মানৱতাবাদী ধাৰণাও কীর্ত্তনৰ সৌন্দর্য বৃদ্ধিৰ কাৰণ। *ভাগৱত পুৰাণ*ৰ ভগৱান শ্রীকৃষ্ণৰ লীলা-মালা আদি মানৱী দর্শনৰ মাজেৰে প্রকাশ কৰি পাঠক-শ্রোতাক আনন্দ ৰসত নিমজ্জিত কৰাব পাৰিছে। ইয়াৰ বাহিৰেও সাম্য, মৈত্রী, আদর্শৰ ভাৱনাও কীর্ত্তন পুথিত ঘোষিত হৈছে। জ্ঞান নাথ বৰাই *কীর্ত্তন-ঘোষা*ৰ আলোচনাত উল্লেখ কৰিছে—

"কীর্ত্তনৰ অপাৰ ক্ষমতা। গোটেই দেশ, গোটেই জাতি ইয়াৰ পেটৰ ভিতৰত।"

সমাজ সংগঠন, সংস্কাৰ আৰু ধর্ম, কলা, শিল্প সাধনাৰ আদর্শ আৰু তাৎপর্যৰে পূর্ণ কীর্ত্তনৰ সাহিত্যিক সৌন্দর্য অতি অনুপম, সর্বকালৰ, সর্বজন গৃহীত বুলি স্বীকাৰ কৰিব পাৰি।



৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *কীর্ত্তন-ঘোষা* মহাপুৰুষ শংকৰদেৱৰ ধর্মীয় আৰু সাহিত্যিক জীৱনৰ অক্ষয় কীর্তি স্বৰূপ। *কীর্ত্তন-ঘোষা* প্রধানকৈ আখ্যান প্রধান গ্রন্থ। *কীর্ত্তন-ঘোষা*ক নাম-প্রসংগৰ শ্রেণীত ৰখা হৈছে। কাব্য কলাৰ দিশৰ ফালৰ পৰাও *কীর্ত্তন-ঘোষা* পুথিখন এখনি স্বতন্ত্র কাব্য কোষ।
- *কীর্ত্তন-ঘোষা*ত মুঠ সাতাইশ টা খণ্ড পোৱা যায়। প্রতিটো খণ্ড স্বয়ং সম্পূর্ণ। চৰিত পুথি মতে মহাপুৰুষ জনাই বিভিন্ন ঠাইত বিভিন্ন সময়ত কীর্ত্তনৰ খণ্ডসমূহ ৰচনা কৰিছিল। মাধৱদেৱৰ আজ্ঞানুসৰি ভাগিনীয়েক ৰামচৰণ ঠাকুৰে খণ্ডসমূহ সংগ্রহ কৰি *কীর্ত্তন-ঘোষা*খন সম্পাদনা কৰিছিল।

- *কীর্ত্তন-ঘোষা*ৰ তিনিটা খণ্ডৰ বাহিৰে বাকীকেইটা ভাগৰত পুৰাণৰ পৰা সংগৃহীত। প্ৰতিটো খণ্ডৰ মাজেৰে ভক্তিৰ শ্ৰেষ্ঠত্ব আৰু ভগৱানৰ মহিমা ঘোষিত হৈছে। নৱ-বিধা ভক্তিৰ ভিতৰত হৰিনাম শ্ৰৱণ-কীৰ্ত্তনক ইয়াত শ্ৰেষ্ঠত্ব প্ৰদান কৰা হৈছে। পাপী-তাপী সকলো শ্ৰেণীৰ লোকে হৰিনাম শ্ৰৱণ-কীৰ্ত্তনৰ মাধ্যমেৰে মায়াময় সংসাৰৰ বাধা-বিঘিনিৰ পৰা পৰিত্ৰাণ পাব পাৰে।
- কীৰ্ত্তন পুথিৰ সাহিত্যিক ৰস পুথিখনৰ অন্যতম বৈশিষ্ট্য। বিষয়বস্তুৰ লগত সংগতি ৰাখি বিভিন্ন ৰসৰ পয়োভৰ পুথিখনত থকা দেখা যায়। সাহিত্যৰ নৱ ৰসৰ প্ৰতিটো ৰসৰ ভাৱ খণ্ডসমূহত প্ৰকাশ পাইছে যদিও মূলতঃ সকলো ৰসেই শেষত ভক্তিৰসৰ বিমল সাগৰত নিমজ্জিত হৈছে।
- কীৰ্ত্তন পুথিৰ ছন্দ, অলংকাৰ, ভাৱ-ভাষা আদিয়ে পুথিখনৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। পদ, দুলড়ী, ছবি, ঝুনা আদি বিভিন্ন ছন্দ সজ্জাই আৰু ঘৰুৱা ভাষা, জতুৰা ঠাঁচ আদিৰ ব্যৱহাৰে সকলো শ্ৰেণীৰ লোকৰ বাবে কীৰ্ত্তন পুথিখন বোধগম্য হৈছে। অলংকাৰৰ প্ৰয়োগেও কীৰ্ত্তন পুথিখনৰ সাহিত্যিক সৌন্দৰ্য বৃদ্ধি কৰিছে।
- কীৰ্ত্তন পুথিৰ বিভিন্ন খণ্ডৰ মাজেৰে নৈতিক আদৰ্শ, শিক্ষা, দুষ্টক দমন আৰু সাধু-সন্তক পালন, সৎসঙ্গ সাম্যবাদী চিন্তাধাৰা, গণতান্ত্ৰিক মূল্যবোধ, লালিত্য গুণ আদিৰ পৰিচয় আমি লাভ কৰিব পাৰোঁ।
- বিভিন্ন সংস্কৃত গ্ৰন্থৰ পৰা বিষয়বস্তুসমূহ সংগ্ৰহ কৰি ৰচনা কৰিলেও অসমৰ মাটি-পানী, ভাৱ-ভাষাৰে সমৃদ্ধ কৰা কীৰ্ত্তন পুথিৰ মাজেৰে মহাপুৰুষ জনাৰ স্বকীয় প্ৰতিভাৰ কথাও আমি জানিব পাৰোঁ।



৫.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। গোস্বামী, যতীন্দ্ৰ নাথ (২০০২); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ অসম বুক ডিপো।

২। ডেকা, ধৰ্মসিংহ (১৯৮৪); *ছন্দ আৰু অলংকাৰ;* গুৱাহাটী ঃ অসম বুক ডিপো।

৩। দত্ত বৰুৱা, হৰি নাৰায়ণ (সম্পাঃ); (১৯৭০); *কীৰ্ত্তন ঘোষা আৰু নামঘোষা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৪। নেওগ, ডিম্বেশ্বৰ (১৯৯৩); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ শুৱনি প্ৰকাশ।

৫। নেওগ, মহেশ্বৰ (১৮৮৬); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬। পাঠক, দয়ানন্দ আৰু মজুমদাৰ বিমল (সম্পাঃ); (২০১৬); *জাতীয় সংহতিলৈ শংকৰদেৱৰ অৱদান;* ওড়িশা ঃ শ্ৰীশংকৰদেৱ সংস্কৃতি সমাজ, পুৰী প্ৰকল্প।

৭। বর্মন, শিৱনাথ (সম্পাঃ); (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী;* উত্তৰ গুৱাহাটী ঃ আনন্দ ৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৮। বায়ন, ভবজিৎ (২০১৪); *সর্বভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱৰ কীর্ত্তন ঘোষা;* গুৱাহাটী ঃ পাহি প্রকাশ।

৯। ভকত, দ্বিজেন্দ্র নাথ (১৯৯৮); *কীর্ত্তন ঃ এক সমীক্ষাত্মক আলোচনা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১০। শইকীয়া বৰা, ইন্দিৰা (২০০৫); *বৈষ্ণৱ সাহিত্যৰ অধ্যয়ন;* গুৱাহাটী ঃ বাণী প্রকাশ।

১১। শইকীয়া, নগেন, (সম্পাঃ) (২০১২); *বেজবৰুৱা ৰচনাৱলী, (২য় খণ্ড),* গুৱাহাটী ঃ বনলতা।

১২। শর্মা, কুসুম চন্দ্র (২০১৭); *বৈষ্ণৱ ভক্তিবাদ ঃ শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা;* গুৱাহাটী ঃ বান্ধৱ।

১৩। শর্মা, তীর্থনাথ (১৯৯১); *সাহিত্য বিদ্যা পৰিক্রমা;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৪। শর্মা, সত্যেন্দ্র নাথ (২০০৮); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আখ্যান প্রধান গ্রন্থ হিচাপে *কীর্ত্তন-ঘোষা* পুথিখন আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



ঃ *কীর্ত্তন-ঘোষাৰ* মাজেৰে প্রকাশ পোৱা ভক্তিৰস সম্পর্কে আলোচনা কৰক (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৩ ঃ *কীর্ত্তন-ঘোষাৰ* সাহিত্যিক সৌন্দর্য বিচাৰ কৰক (১৫০টা শব্দৰ ভিতৰত)

.....

৫.১১ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ মহাপুৰুষ শংকৰদেৱৰ *কীর্ত্তন-ঘোষা* আখ্যানমূলক ভক্তি কাব্য..... ইয়াৰে তিনিটা খণ্ডৰ বাহিৰে বাকীখণ্ডসমূহ *ভাগৱত পুৰাণৰ* পৰা সংগৃহীত..... ভক্তি ধর্ম প্রচাৰৰ বাবে আখ্যানসমূহ মনোৰমভাৱে প্রকাশ কৰিছে..... আখ্যানসমূহ চমুকৈ আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ অলংকাৰ শাস্ত্রত ন বিধ ৰসৰ উল্লেখ আছে..... মধ্যযুগত ৰচিত ভক্তি সাহিত্যসমূহৰ মাজেৰে ভক্তিৰসকো স্বীকাৰ কৰি লোৱা হয়..... কীর্ত্তন-*ঘোষাত*

শৃংগাৰ, বীৰ, হাস্য, কৰুণ ভয়ানক, ৰৌদ্ৰ, বীভৎস, অদ্ভুত, শান্ত ৰস আদি প্ৰকাশ পাইছে ..... তেনে ৰস সমূহ ভক্তিৰসত বিলীন হৈছে..... আলোচনা কৰিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ কীৰ্ত্তন মহাপুৰুষ শংকৰদেৱৰ কবিত্ব প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন..... প্ৰেম...বিৰহ, হৰ্ষ-বিষাদ, ভাষাৰ লালিত্য..... ছন্দ..... অলংকাৰ..... ভাবৰ মাধুৰ্য.....ক্ৰোধ..... দয়া.....আদি বিভিন্ন দিশ সামৰি আলোচনা আগবঢ়াব লাগিব।



৫.১৩ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মহাপুৰুষ শংকৰদেৱৰ সাহিত্যকৃতিৰ এটি পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ মহাপুৰুষ শংকৰদেৱৰ *কীৰ্ত্তন-ঘোষা*ৰ খণ্ডসমূহৰ বিষয়বস্তু সম্পৰ্কে এটি আভাস দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ *কীৰ্ত্তন-ঘোষা*ৰ অন্তৰ্গত বিষয়বস্তুসমূহৰ মূল আৰু সেই খণ্ডসমূহৰ ৰচনা কাল সম্পৰ্কে এটি আভাস দাঙি ধৰক।

প্ৰশ্ন ৪ ঃ *কীৰ্ত্তন-ঘোষা*ত প্ৰতিফলিত ভক্তিতত্ত্ব সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুৰ্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ *কীৰ্ত্তন* ৰচিত।" উক্ত কথাযাৰ যথাৰ্থভাৱে আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ *কীৰ্ত্তন-ঘোষা*ত প্ৰকাশিত ৰস সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৭ ঃ *কীৰ্ত্তন-ঘোষা*ৰ সাহিত্যিক সৌন্দৰ্য বিশ্লেষণ কৰি এটি প্ৰৱন্ধ যুগুত কৰক।

প্ৰশ্ন ৮ ঃ অসমীয়া সাহিত্যৰ এখনি মহৎ গ্ৰন্থ হিচাপে *কীৰ্ত্তন-ঘোষা*ৰ এটি সমীক্ষাত্মক আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৬ ঃ *কীৰ্ত্তন-ঘোষা* ঃ অজামিল উপাখ্যান আৰু বলিছলন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ অজামিল উপাখ্যানত ভক্তিতত্ত্ব
৬.৪ বলিছলন আখ্যানত ভক্তিতত্ত্ব
৬.৫ দুয়োটা খণ্ডৰ ৰচনাশৈলীৰ তুলনা
৬.৬ দুয়োটা খণ্ডৰ মাজেৰে প্ৰকাশিত ভক্তিৰ মাহাত্ম্য
৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.১০ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *কীৰ্ত্তন-ঘোষা*ৰ অন্তৰ্গত অজামিল উপাখ্যানৰ ভক্তিতত্ত্ব সম্পৰ্কে অৱগত হ'ব
- *কীৰ্ত্তন-ঘোষা*ৰ অন্তৰ্গত বলিছলন খণ্ডটিৰ ভক্তিতত্ত্বৰ বিষয়ে জানিব পাৰিব
- অজামিল উপ্যাখ্যান আৰু বলিছলন খণ্ড দুটিৰ ৰচনাশৈলী সম্পৰ্কে পৰিচয় লাভ কৰিব
- অজামিল উপাখ্যান আৰু বলিছলন খণ্ড দুটিৰ মাজেৰে প্ৰকাশিত হৰিনামৰ শ্ৰৱণ-কীৰ্ত্তনৰ মাহাত্ম্য সম্পৰ্কে ধাৰণা কৰিব পাৰিব
- খণ্ড দুটিৰ মাজেৰে মহাপুৰুষ শংকৰদেৱৰ সৃজনী প্ৰতিভাৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ অন্তৰ্গত 'ভক্তি সাহিত্য' পাঠ্যবিষয়ৰ এইটো ষষ্ঠ অধ্যায়। এই অধ্যায়টিত আপুনি *কীৰ্ত্তন-ঘোষা*ৰ অন্তৰ্গত অজামিল উপাখ্যান আৰু বলিছলন খণ্ড দুটিত ভক্তিৰ মাহাত্ম্য সম্পৰ্কে পৰিচয় লাভ কৰিব। আগৰ অধ্যায়টিত আপুনি *কীৰ্ত্তন-ঘোষা*ৰ বিভিন্ন খণ্ডসমূহৰ বিষয়ে এটি সম্যক ধাৰণা লাভ কৰিলে।

এই অধ্যায়টিত আপুনি *কীৰ্ত্তন-ঘোষা*ৰ অন্তৰ্গত অজামিল উপাখ্যান আৰু বলিছলন খণ্ড দুটিৰ অধ্যয়ন কৰিব। *কীৰ্ত্তন-ঘোষা* পুথিখনৰ অন্তৰ্গত সাতাইশ টা খণ্ডৰ ভিতৰত অজামিল উপাখ্যান আৰু বলিছলন খণ্ড দুটিও অন্যতম উল্লেখযোগ্য আখ্যান। দুয়োটা খণ্ডতে হৰিনামৰ মাহাত্ম্য ঘোষণা কৰা হৈছে।

অজামিল উপাখ্যানত হৰি নাম কীর্ত্তনৰ মাজেৰে পাপী-তাপী সকলোৱে যে এই সংসাৰৰ দুখ-দুর্দশাৰ পৰা পৰিত্রাণ পাব পাৰে তাকেই প্রকাশ কৰা হৈছে। মনুষ্য জন্ম লাভ কৰি হৰি নাম শ্রৱণ-কীর্ত্তন কৰিলেহে মোক্ষ পদ লাভ কৰিব পাৰি। অজামিলে নাৰায়ণৰ নাম স্মৰণ কৰি কেনেদৰে সকলো পাপৰ পৰা মুক্তি লাভ কৰিলে তাৰ আভাস পাব।

বলিছলন খণ্ডতো বলিৰ বিষ্ণু ভক্তিৰ মাজেৰে বিষ্ণু-হৰিৰ মাহাত্ম্য প্রকাশ কৰা হৈছে। খণ্ডটিত হৰিনামৰ শ্রৱণ-কীর্ত্তনৰ মাহাত্ম্য ঘোষণা কৰা হৈছে। চন্দ্র-সূর্য থাকে মানে বলিৰাজৰ যশৰাজি যে বিয়পি থাকিব তাক আখ্যানটিৰ মাজেৰে বর্ণনা কৰা হৈছে। দুয়োটি খণ্ডৰ বর্ণনা ভক্তিপ্রধান। শংকৰদেৱে নৱবিধা ভক্তিৰ ভিতৰত হৰিনামৰ শ্রৱণ-কীর্ত্তনৰ ওপৰতে অধিক গুৰুত্ব দিছে। হৰিনামে সকলো পাপ-তাপৰ পৰা যে ৰক্ষা কৰিব পাৰে খণ্ড দুটিৰ মাজেৰে প্রতিফলিত হৈছে। ভাৱ-ভাষা, ছন্দ-অলংকাৰ আদিৰে পূর্ণ খণ্ড দুটিয়ে পাঠক-শ্রোতাৰ অন্তৰত ভক্তিৰ ঘৰ উদ্রেক কৰিব পাৰিছে। এই অধ্যায়টিত অজামিল উপাখ্যান আৰু বলিছলন খণ্ড দুটিৰ মাজেৰে প্রতিফলিত ভক্তিৰ বিষয়ে অধ্যয়ন কৰিব।

৬.৩ অজামিল উপাখ্যানত ভক্তিতত্ত্ব

কীর্ত্তনৰ অজামিল উপাখ্যান খণ্ডটি ভাগৱত পুৰাণৰ ষষ্ঠ স্কন্ধৰ উপৰিও প্রথম তিনিটা অধ্যায়ৰ কাহিনীৰ আধাৰত ৰচিত। ভগৱান কৃষ্ণৰ নামৰ মাহাত্ম্য প্রকাশ এই খণ্ডটিৰ মাজেৰে অতি সুন্দৰ ৰূপত প্রকাশ পাইছে। মহাপুৰুষ শংকৰদেৱে ভগৱানৰ নাম মাহাত্ম্যৰ মাজেৰে বৈষ্ণৱ ধর্মৰ বিভিন্ন উপদেশ এই খণ্ডটিৰ মাজেৰে প্রদান কৰিছে। উদাহৰণ স্বৰূপে—

হৰিনামে সবে পাতক দহৱৈ
জ্ঞানে বা অজ্ঞানে বোলৈ।
যেন হুতাশনে শুখানি কাষ্ঠক
আতি অপ্রয়াসে পোলৈ।।
প্রমাদত থাকি যিটো হৰি বোলৈ
সিয়ো সবে দুখ তৰৈ।
যেন মহৌষধি নজানি ভুঞ্জিলে
তাৰো গর্ভৰোগ হৰৈ।। (পদ-১৮৬)

গুৰুজনাই অজামিল উপ্যাখ্যানৰ দুটা— এটা চমু আৰু এটা বহল পৰিসৰৰ আখ্যান সম্পন্ন কৰিছে। কীর্ত্তনত তাৰে চমু ভাগহে আছে। চাৰিটা ঘোষাত আখ্যানটি সামৰা হৈছে। ইয়াৰে চাৰিটা ঘোষাত মুঠ ৪২ টা পদ আছে। ভাগৱত পুৰাণৰ মূল অজামিল উপাখ্যানৰ চমু বর্ণনাৰে কীর্ত্তনত অজামিল উপাখ্যান খণ্ডটি উপস্থাপন কৰা হৈছে।

বাৰভূঞা ৰাজ্যত কটোৱা সময়ছোৱাত শংকৰদেৱে কীর্ত্তনৰ কেবাটাও খণ্ড ৰচনা কৰিছিল। তাৰ ভিতৰত অজামিল উপাখ্যানো অন্যতম। নামৰ মহিমাকে মুখ্য হিচাপে লৈ অজামিলৰ পৰিচয়, যমদূত বিষ্ণুদূত আদিৰ বর্ণনাৰে প্রথম ঘোষা বা কীর্ত্তনটি আৰম্ভ কৰা হৈছে। অজামিল

প্ৰথমতে ব্ৰাহ্মণ জাত আছিল যদিও বেশ্যাৰ সংগত পৰিল। অজামিলৰ ঔৰষত সেই বেশ্যাৰ গৰ্ভতে দহজন পুত্ৰৰ জন্ম হ'ল। তাৰে কনিষ্ঠ পুত্ৰ নাম ৰখা হৈছিল নাৰায়ণ। কীৰ্ত্তনত আছে—

বিপ্ৰৰ ঔৰষে বেশ্যাৰ গৰ্ভত
দশ পুত্ৰ জাত ভৈল।।
আতি দায়াতৰে কনিষ্ঠ পুত্ৰৰ
নাৰায়ণ নাম থৈল।।

[পদ-১৭৪]

বেশ্যাৰ সংগত পৰি অজামিল সৎ বাহ্মণ হৈয়ো জাতি-কুল সকলো ত্যাগ কৰিলে। পুত্ৰ-ভাৰ্যা আদিক পোহপাল কৰি যত মহাপাপ সকলো তেওঁ মূৰ পাতি ল'বলগীয়াত পৰিল। অধৰ্ম কৰিয়ে তেওঁৰ আয়ুসো লাহে লাহে শেষ অৱস্থালৈ আহিল। অজামিলৰ মৃত্যু সন্নিকটত তিনিজন যমদূতে পাপীৰূপী অজামিলৰ আত্মাক বান্ধি নিবলৈ আহিল। যমদূতৰ কলা-কৃষ্ণ বৰ্ণ শৰীৰ, থুলন্তৰ জংঘা, অজামিলক বান্ধি নিবলৈ হাতত জৰী, লোৰ টাঙোন, চকু বক্ৰ কৰা চেহেৰা আদিৰ বৰ্ণনাই যমদূতৰ ভয়ংকৰ ছবি এখনি পাঠক-শ্ৰোতাৰ মনৰ আগত দাঙি ধৰিছে। যমদূতৰ তেনে ভয়ংকৰ অৱস্থা দেখি অজামিলে ভয়তে চেতন হেৰাই কনিষ্ঠ পুত্ৰ নাৰায়ণক কাতৰভাৰে মাতিলে—

ভয়ে অজামিলে পুত্ৰক ডাকিল
আইস নাৰায়ণ বুলি।

[পদ-১৭৬।।]

নাৰায়ণৰ নাম লোৱা মাত্ৰকে চাৰিজন সুদৰ্শন বিষ্ণুদূত আহি যমদূতৰ হাতৰ পৰা অজামিলৰ বান্ধ মোকলাই দি তেওঁক মুক্ত কৰিলে। শংকৰদেৱে বিষ্ণুদূতৰ মনোমুগ্ধকাৰী ৰূপৰ বৰ্ণনাও অধ্যায়টিত অতি সুন্দৰভাৱে উপস্থাপন কৰিছে। কীৰ্ত্তনত উল্লেখ কৰা বিষ্ণুদূতৰ সৌন্দৰ্য, পৰিহিত সাজ-পাৰ, অলংকাৰৰ বৰ্ণনা অতি চমৎকাৰী। বিষ্ণুদূতে যমদূতক খেদি অজামিলৰ বান্ধোন ছিঙি বৈকুণ্ঠলৈ লৈ যোৱা কথা আখ্যানটিত বৰ্ণোৱা হৈছে।

কীৰ্ত্তনৰ অজামিল উপাখ্যান অধ্যায়টিৰ মাজেৰে হৰিনামৰ মাহাত্ম্য প্ৰকাশৰ লগতে ভাৰতীয় দৰ্শনৰ দিশো প্ৰতিফলিত হৈছে। পাপী অজামিলে এবাৰ মাত্ৰ নাৰায়ণৰ নাম উচ্চাৰণ কৰা মাত্ৰকে সমস্ত পাপৰ পৰা মুক্তি লাভ কৰি বৈকুণ্ঠলৈ যাব পাৰিছে। বিষ বুলি অমৃত পান কৰিলে অমৃতৰে সুফল পোৱাৰ দৰে অজামিলেও শুদ্ধে বা অশুদ্ধে পুত্ৰ নাৰায়ণৰ নাম উচ্চাৰণ কৰি মুক্তি লাভ কৰি বৈকুণ্ঠত গতি পাইছে। হৰিৰ নাম কীৰ্ত্তন কৰি মহাপাপীয়েও পাপৰ পৰা পৰিত্ৰাণ পায়। জ্ঞানে বা অজ্ঞানে যিজনে হৰিৰ নাম লয় তেওঁ যমৰ যাতনা, দুখৰ পৰাও পৰিত্ৰাণ পায়। আখ্যানটোৰ দ্বিতীয় ঘোষাত বিষ্ণুদূতৰ দ্বাৰা নামৰ মাহাত্ম্য কথন কৰা হৈছে।

হৰিনাম কীৰ্ত্তনৰ দ্বাৰা চিত্তৰ শোধন হয়— পাপ দূৰ হয়। অগ্নিয়ে শুকান কাঠক অতি অনায়াসে দহন যিদৰে কৰে, তেনেদৰে জানি বা নাজানি হৰিনাম কীৰ্ত্তন কৰিলেও পাপ নাশ হয়। অজামিলে মৃত্যুৰ সময়ত নাৰায়ণ নাম স্মৰণ কৰা মাত্ৰকে সকলো পাপৰ পৰা মুক্ত হ'ল।

মৰিবাৰ বেলা ইটো অজামিলে
নাৰায়ণ নাম লৈল।
কোটি জনমৰ যত মহাপাপ
তাৰো প্রায়শ্চিত্ত ভৈল।।
(পদ-১৮২)

"চিত্তৰ শোধন হৰিৰ কীর্ত্তন" ফলত মহাপাপী জনৰো যে উদ্ধাৰৰ উপায় নিশ্চিত অজামিল উপাখ্যানে তাৰ নিদর্শন দাঙি ধৰিছে।

অজামিল উপাখ্যানৰ তৃতীয় ঘোষাতো নামৰ মহিমাৰ কথা বর্ণনা কৰা হৈছে। হৰি নাম বিনা যমদূতৰ শাস্তি নিশ্চিত। যিজনে ধর্ম, অর্থ, কাম, মোক্ষ বিচাৰে তেওঁৰ বাবে হৰি নামে সকলো সহজলভ্য কৰি তুলিব পাৰে। যিজনে হৰি নাম কীর্ত্তন-শ্রৱণ কৰে তেওঁ আন তীর্থলৈ যোৱাৰো প্রয়োজন নাই। উদাহৰণ স্বৰূপে—

ধর্ম অর্থ কাম যিটো অভিলাষে
যি চাৱৈ মোক্ষৰ পথ।
সিয়ো হৰিনাম কীর্ত্তন কৰিয়া
পাৱৈ সব মনোৰথ।।
(পদ-২০১)

অজামিল উপাখ্যানৰ নীতি শিক্ষাৰো স্থান আছে। মানুহে বিবেকৰ অধীন হৈ সৎ ভাব, সৎ কর্ম, সৎ চিন্তা আদি কৰিব পাৰে, কিন্তু যেতিয়া ইন্দ্রিয়ৰ অধীন হৈ পৰে তেতিয়া নানা ধৰণৰ কুপ্রবৃত্তিয়ে মানুহৰ মন অধিকাৰ কৰি বহে। অজামিল ব্রাহ্মণো আদিতে এজন সৎ-চিন্তা সম্পন্ন ব্যক্তি আছিল। কিন্তু ঈন্দ্রিয় আসক্তিত তেনে গুণ লোপ পাই তেওঁ ঘোৰ পাপ কর্মত লিপ্ত হৈ বিবেকহীন হৈ পৰে।

খণ্ডিত কর্মফল বিশ্বাসী ভাৰতীয় দর্শনৰ কথাও উল্লেখ আছে। অজামিলে পূর্বতে কৰি অহা সৎ কর্মৰ বাবে পিছৰ জীৱনত অসৎ প্রবৃত্তিত লিপ্ত হ'লেও পুত্র নাৰায়ণৰ নাম উচ্চাৰণ কৰি বৈকুণ্ঠগামী হ'ব পাৰিছে। প্রকৃততে ঈশ্বৰৰ নামেই হওক বা পুত্রৰ নামেই হওক 'নাৰায়ণ' এই নাম উচ্চাৰণ কৰি অজামিলৰ পূর্বৰ সমস্ত পাপ নির্মূল হ'ল।

অজামিল উপাখ্যান খণ্ডিৰ মাজেৰে বৈষ্ণৱ ধর্মৰ ভক্তিতত্ত্ব প্রচাৰ কৰা হৈছে। ভক্তিয়েই বৈষ্ণৱ ধর্ম দর্শনৰ মূল ভেটি। ভগৱান কৃষ্ণৰ নাম ভক্তি সহকাৰে অন্তৰত আৰাধনা কৰিলেই সকলোৱে মুক্তি লাভ কৰিব পাৰে। 'স্যমন্তক হৰণ'ত আছে—

ভাই মুখে ৰাম বোলা হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।
(পদ-১১৩)

অজামিল উপাখ্যান আখ্যানটোত ভক্তিমার্গৰ তত্ত্ব কথাত নিহিত হৈ আছে। যমদূত আৰু বিষ্ণুদূতৰ তর্ক-যুক্তি, বিষ্ণুদূতৰ নামৰ মাহাত্ম্য কথন আদিত তেনে ভক্তিতত্ত্ব সোমাই

আছে। গুৰুজনাই খণ্ডটিৰ মাজেৰে ভগৱান নাম, ভক্তি আদিৰ মহিমা প্ৰকাশ কৰি মানৱ জীৱন সুখী আৰু সাৰ্থক কৰিবলৈও অনুপ্ৰেৰণা যোগাইছে। স্মৰণ ভক্তিৰ পৰাকাষ্ঠা অজামিল উপাখ্যান খণ্ডটিত ঘোষিত হৈছে।

৬.৪ বলিছলন আখ্যানত ভক্তিতত্ত্ব

'বলিছলন' খণ্ডটি ভাগৱত পুৰাণৰ অষ্টম খণ্ডৰ শেষ অধ্যায়ৰ আধাৰত ৰচনা কৰা হৈছে। একেটা কাহিনীক লৈ শংকৰদেৱে বলিছলন কাব্যখনো ৰচনা কৰে। কাব্যখনত বামন পুৰাণৰ প্ৰভাৱ কিছু পৰিমাণে পৰিলক্ষিত হয়। মহাপুৰুষ শংকৰদেৱে কীৰ্ত্তনত সংক্ষিপ্তভাৱে আখ্যানটিৰ ৰূপ দিছে। খণ্ডটিত পাঁচটা কীৰ্ত্তন আৰু তেত্ৰিশটা পদৰ মাজেৰে আখ্যান ভাগৰ বৰ্ণনা কৰা হৈছে। সুতল পুৰীত বলিয়ে হৰি ভক্তি প্ৰচাৰ কৰি, বলিৰ ভক্তি ৰাজ্যৰ বৰ্ণনাৰে কাহিনী ভাগ পৰিপূৰ্ণ হৈছে। বলিয়ে সুতল পুৰীত কেনেদৰে হৰি ভক্তিৰ মহিমা প্ৰচাৰ কৰিছিল, তাক গুৰুজনাই মৌলিক প্ৰতিভাৰে সৃষ্টি কৰি ভক্তজনৰ হৃদয়ত ভক্তিৰসৰ নিজৰা বোৱাইছিল। আখ্যানটিৰ মাজেৰে হৰি নাম কীৰ্ত্তনৰ মাহাত্ম্য প্ৰকাশ কৰি নৱধা ভক্তিৰ শ্ৰেষ্ঠ শ্ৰৱণ আৰু কীৰ্ত্তনৰ মহিমা বৰ্ণনা কৰিছে। বাৰভূঞা ৰাজ্যত কটোৱা সময়ছোৱাতে বলিছলন খণ্ডটি ৰচনা কৰিছিল বুলি গৱেষক-সমালোচকসকলে মত দাঙি ধৰে। শংকৰদেৱে 'গজেন্দ্ৰ উপাখ্যান', 'হৰমোহন' আৰু বলিছলন খণ্ডকেইটি বৰদোৱাত থকা সময়ছোৱাতে ৰচনা কৰিছিল বুলি কোৱা হয় যদিও 'কথা গুৰু চৰিত'ত 'গজেন্দ্ৰ উপাখ্যান' আৰু 'বলিছলন' খণ্ডৰ উল্লেখ নাই।

ভগৱানে বামন অৱতাৰ ধা�ৰণ কৰি দেৱতাসকলৰ মংগলৰ অৰ্থে বলিক ছলনা কৰি সুতল পুৰীলৈ পঠালে। সুতল পুৰীত বলিয়ে সকলো বিষয়-বাসনা পৰিত্যাগ কৰি ভগৱান ভক্তিত মন-প্ৰাণ সমৰ্পণ কৰিলে। ভক্তিৰ পৰাকাষ্ঠা প্ৰকাশ পোৱাৰ লগতে ভক্তিবাদেও এই স্তুতিত ভুমুকি মাৰিছে। বলিয়ে বিষ্ণুভক্তিৰ বলত বৈকুণ্ঠতকৈও অধিক শ্ৰেষ্ঠ স্থান সুতলত বসতি কৰিবলৈ অনুগ্ৰহ লাভ কৰিছিল।



জানি থোৱা ভাল

সপ্ত পাতাল ঃ অতল, বিতল, সুতল, তলাতল, পাতাল, মহাতল, ৰসাতল।

সুতল হৈছে এখন পৱিত্ৰ ঠাই— য'ত সৰ্বদা ভগৱান বিষ্ণুৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন হৈ থাকে। স্বয়ং ভগৱান বিষ্ণু তাত বিৰাজমান হৈ থাকে।

এই খণ্ডটিত পাদ সেৱনৰ তাৎপৰ্য প্ৰতিফলিত হৈছে। সুতল পুৰীত মাধৱৰ সুদৰ্শন চক্ৰই সভাসদৰ ভূমিকা পালন কৰিছে। বলিৰ ভক্তিত বশ্যতা মানি ভগৱান বিষ্ণুয়ে হাতত গদা লৈ দুৱাৰ ৰক্ষী হৈ থাকিব ধৰিলে। ত্ৰিভুবনত বলিৰ সমান ভাগ্যবান আৰু কোনো নোহোৱা হ'ল।

সদায়ে থাকন্ত দামোদৰ যাৰ কাছে।
বলিসম ভাগ্যৱন্ত আন কোন আছে।।
(পদ- ৬২০)

বিষ্ণুৱে শ্যাম-বৰণীয়া অনুপম শৰীৰ, পদ্মলোচন, কৰ্ণত কুণ্ডল, ডিঙিত কৌস্তুভমণি আৰু বৈজয়ন্তী মালা, শিৰত কিৰীটি, হাতত কেয়ুৰ-কংকণ, ভৰিত নুপুৰ, ককালত পীতবস্ত্র-মেখেলা আদিৰে সুশোভিত হৈ বলিৰ আগত সর্বদা বিদ্যমান হ'ব ধৰিলে। ভগৱান বিষ্ণুৰ এনে দৰশনত বলিৰ মন পৱিত্র হৈ পৰে। শৰীৰ ৰোমাঞ্চিত হৈ বলিয়ে হাতত তাল লৈ কৃষ্ণ গুণ গায়, নৃত্য কৰে, কৃষ্ণ প্রেমাকুল হৈ কেতিয়াবা হাঁহে, কান্দে, মুর্চাও যায়। বলিৰ ভক্তিত ভগৱান বিষ্ণুয়ে নিজেও আশ্চর্য প্রকাশ কৰে। বলিৰ কৃষ্ণ ভক্তি ইমানেই প্রগাঢ় যে কৃষ্ণ নাম তেওঁ প্রতি মুহূর্ততে কীর্ত্তন কৰে। বিষ্ণুৰ পাদ সেৱন কৰি বলিয়ে মায়াকো জিনিব পাৰিছে। বলিছলনত আছে—

মাধৱৰ পাৱত অর্পিলা আপোনাক।
বলিসে জিনিল ইটো দুর্জয় মায়াক।।
এহি বুলি পুষ্প বৰিষন্ত ঘনে ঘন।
বোলা হৰি হৰি সবে সভাসদ গন।
(পদ-৬২১)

কীর্ত্তনৰ 'বলিছলন' খণ্ড তেওঁৰে 'বলিছলন কাব্য'ৰ অংশ বিশেষ। কীর্ত্তনৰ বলিছলন খণ্ডতো বলিৰাজৰ ভক্ত জীৱনৰ কথা বর্ণনা কৰা হৈছে। মহাপুৰুষ শংকৰদেৱে ভক্তিৰ বর্ণনাৰ মাজেৰে বৈষ্ণৱ ধর্ম প্রচাৰৰ পথ সুগম কৰি তুলিছিল।

বলিছলন খণ্ডত দেখুওৱা হৈছে যে যিজনে বলিৰ ৰাজ্যত বিষ্ণুৰ বিদ্রোহ-আচৰণ কৰে তেওঁক বিষ্ণুৰ সুদর্শন চক্রই খেদি নানা শাস্তি বিহে। ইপিনে অসুৰ স্বভাৱ ত্যাগ কৰি বলি ৰাজ বৈষ্ণৱ ভক্তিত পীড়িত হোৱাত তেওঁৰ সভাসদ-দৈত্যসকলে দৈত্যৰাজ বলিৰ বুদ্ধি ভ্রষ্ট হোৱা বুলি ভাবি নিজ নিজ গৃহাভিমুখে গমন কৰে—

কুল ধর্মে ভৈল হীন যেন বাতুলৰ চিহ্ন
ইহাৰ সেৱাত নাহি ফল।
হেন কানাকানি কৰি উঠি গৈলা ঘৰাঘৰি
কতো কতো দানৱ নিষ্কল।।
(পদ-৬২৪)

*কীর্ত্তন-ঘোষা*ত নৱবিধা ভক্তিৰ শ্রৱণ-কীর্ত্তনক গুৰুত্ব দিয়া হৈছে। বলিছলন খণ্ডতো হৰিনাম শ্রৱণ-কীর্ত্তনকে অধিক গুৰুত্ব দিয়া হৈছে। কিয়নো, হৰিনাম শ্রৱণ-কীর্ত্তনে মনত আনন্দ প্রদান কৰে, পাপ বিমোচন কৰে।

শ্রৱণে আনন্দ কৰে কীর্ত্তনে পাতক হৰে
হৰি-নাম মুকুতি-দায়ক।

সেয়েহে বলি ৰাজে দৈত্যসকলক হৰিনামক অৱজ্ঞা নকৰিবলৈ অনেক বুজনি দিলে। কিন্তু ফল নধৰিল। সুদর্শন চক্রই দৈত্যসকলক খেদি খেদি দৈত্যপুৰীত প্রৱেশ কৰিলে আৰু

কাৰোবাৰ শিৰছেদন, কাৰোবাৰ নাক-কাণ, কাৰোবাৰ কঁকাল-হাত-ভৰি আন কাৰোবাৰ আকৌ জিভা ছেদ কৰিলে। পৰিত্রাণৰ উপায় নেদেখি বাকী থকা দৈত্যগণে বলিৰ মান্যতা স্বীকাৰ কৰি বলিত শৰণ ল'লে। বলিয়ে তেওঁলোকক হৰিনামৰ মাহাত্ম্যৰ কথা বুজায় আৰু হৰিনাম স্মৰণ কৰাই তেওঁক মুক্তি লাভ কৰাৰ বাবেও প্রার্থনা জনায়—

কৃপাময় দৈত্যপতি শিক্ষা দেন্ত প্রতি প্রতি
শুনিয়োক সমস্তে দানৱ।
যিটো হৰি কথা কৱে হৰি নাম সদা লৱে
সিসে মোৰ পৰম বান্ধৱ।।

বলিয়ে হৰিনাম স্মৰণ কৰা জনৰ, হৃদয়ত হৰিনাম ৰূপ ধ্যান কৰা জনৰ নিজকে ভৃত্যৰো ভৃত্য বুলি পৰিচয় দিছে।

সুতল পুৰীত-বলিৰ ৰাজ্যত কটোৱালৰ নির্দেশনাত হৰি নাম বিৰোধীসকলক নানা শাস্তি বিহাৰ ফলত সকলোৱে হৰি নামেৰে পুৰীখন জয় জয়কাৰ কৰি তুলিলে।

বলিছলন খণ্ডৰ দ্বিতীয়, তৃতীয়, চতুর্থ আৰু পঞ্চম কীর্ত্তনত বলিৰাজৰ ভক্তিৰ মাজেৰে মহাপুৰুষ শংকৰদেৱে বিষ্ণু ভক্তি প্রচাৰৰ ঘোষণা কৰিছে মাথোন। বলিৰ বিষ্ণু ভক্তিৰ মাজেৰে চন্দ্র, সূর্য থাকে মানে তেওঁৰ হৰি ভক্তিৰ আকুলতা-আদর্শ সংসাৰত ৰৈ যাব বুলিও খণ্ডটিৰ মাজেৰে প্রকাশ কৰা হৈছে। খণ্ডটিৰ মাজেৰে ভক্ত বৎসলতাৰ ছবিও প্রতিফলিত হৈছে। মুঠতে গুৰুজনাই তেওঁৰ স্ব প্রতিভাৰ গুণেৰে হৰিনামৰ মাহাত্ম্য বলিছলন খণ্ডটিৰ মাজেৰে প্রকাশ কৰিছে। পঞ্চম কীর্ত্তনৰ শেষত মোক্ষৰ নিদান স্বৰূপ অমৃত সমান কৃষ্ণ কথা স্মৰণ, শ্রৱণ-কীর্ত্তনৰ মাজেৰে হৰিৰ নাম-গুণ ঘোষণা কৰিবলৈ গুৰুজনাই সকলোকে আহ্বান জনাইছে—

হেন অনুমানি কৃষ্ণৰ কাহিনী
শুনিয়া হয়ো সন্তোষ।
আন কাম এড়ি সমজ্যায়ে বেড়ি
কৰিয়োক হৰি ঘোষ।।

কীর্ত্তনৰ কাহিনীৰ মাজেৰে ভক্তিতত্ত্ব ঘোষণা কৰা হৈছে। ভগৱান নাম স্মৰণ-শ্রৱণ-কীর্ত্তনৰ মাজেৰে জীৱই মুক্তি লাভ কৰিব পাৰে আৰু সকলোতে সিদ্ধি লাভ কৰিব পাৰে তাকেই মহাপুৰুষ শংকৰদেৱে খণ্ডটিৰ মাজেৰে প্রকাশ কৰিছে।

৬.৫ দুয়োটা খণ্ডৰ ৰচনাশৈলীৰ তুলনা

অসমীয়া ভক্তি সাহিত্যসমূহৰ ভিতৰত মহাপুৰুষ শংকৰদেৱৰ *কীর্ত্তন-ঘোষা* অন্যতম। ২৭টা স্বয়ং সম্পূর্ণ আখ্যান বা কাহিনীৰে ই পূর্ণ। সমগ্র ভাৰতৰ ধর্মীয় গ্রন্থসমূহৰ মাজত গীতা-ভাগৱতে যি স্থান লাভ কৰিছে শংকৰদেৱৰ *কীর্ত্তন-ঘোষা*ও তেনে স্থান লাভ কৰিছে। *কীর্ত্তন-ঘোষা*ৰ মাজেৰে নাম-ধর্মৰ শ্রেষ্ঠত্ব প্রতিফলিত হৈছে। কীর্ত্তনৰ আখ্যানসমূহৰ মাজেৰে ভগৱান

বিষ্ণু-কৃষ্ণৰ নাম-গুণ আদিৰ মহিমা প্ৰকাশ কৰি মহা মহা পাতকীকো পাপ-তাপ পৰা উদ্ধাৰ কৰাৰ নিদৰ্শন দাঙি ধৰা হৈছে। কীৰ্ত্তনৰ তিনিটা খণ্ডক বাদ দি বাকী আটাইকেইটা খণ্ডৰে আধাৰ গ্ৰন্থ হৈছে *ভাগৱত পু�ৰাণ*। *ভাগৱত পুৰাণ*ৰ ভগৱান কৃষ্ণৰ লীলা-মাহাত্ম্যৰ সাৰ সংগ্ৰহ কৰি নিজস্ব কাব্যিক প্ৰতিভাৰে মহাপুৰুষ জনাই কীৰ্ত্তনৰ পদসমূহ ৰচনা কৰিছিল।

*কীৰ্ত্তন-ঘোষা*ৰ অজামিল উপাখ্যান আৰু বলিছলন আখ্যানতো ভগৱান বিষ্ণু-কৃষ্ণৰ মহিমাকে প্ৰদৰ্শন কৰা হৈছে। দুয়োটা খণ্ডৰে আধাৰ গ্ৰন্থ ভাগৱত পুৰাণ। অজামিল উপাখ্যানটি ভাগৱত পুৰাণৰ ষষ্ঠ স্কন্ধৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় অধ্যায়ৰ আধাৰত ৰচিত। আকৌ, বলিছলন আখ্যানটিও ভাগৱতৰ অষ্টম স্কন্ধৰ আধাৰত ৰচিত। ভাগৱত পুৰাণৰ ভক্তিতত্ত্বকে বৈষ্ণৱ ধৰ্মত স্বীকাৰ কৰি লোৱা হৈছে।

দুয়োটা খণ্ড মহাপুৰুষ শংকৰদেৱে আদি বাৰভূঞা ৰাজ্যত কটোৱা কাল-অৰ্থাৎ ১৪৩৮ শকলৈকে এই সময়ছোৱাত ৰচনা কৰিছিল। দুয়োটা খণ্ডই গুৰুজনাই বৰদোৱাত থাকোঁতে ৰচনা কৰিছিল বুলি চৰিতকাৰসকলে ক'ব খোজে।

কীৰ্ত্তন-ঘোষা পুথিখনৰ খণ্ডসমূহ কাহিনী বা আখ্যানমূলক ভক্তিকাব্য। তেনে স্থলত অজামিল উপাখ্যান আৰু বলিছলন আখ্যানৰো বিষয়বস্তু কাহিনী বা আখ্যানমূলক ভক্তিকাব্য। মহাপুৰুষজনাই দুয়োটা খণ্ডৰে একোখনকৈ সুকীয়া কাব্য পুথিত ৰচনা কৰিছে। কীৰ্ত্তন পুথিত তাৰ সাৰ অংশ পদ-ঘোষাত সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ আৰু সুৰীয়াকৈ গাব পৰাকৈ ৰচনা কৰিছে। অজামিল উপাখ্যান আৰু বলিছলনৰ ঘোষাবোৰকো সুৰীয়াকৈ বাৰে বাৰে গোৱাৰ ফলত ভক্তিৰসৰ উদ্ৰেক হৈছে।



জানি থোৱা ভাল

ঘুষ্ ধাতুৰ পৰা ঘোষা শব্দ নিষ্পন্ন হৈছে। ঘোষা শব্দৰ অৰ্থ (পুনঃ পুনঃ) আবৃত্তি। অৰ্থাৎ বাৰে বাৰে সুৰ লগাই গোৱা।

*কীৰ্ত্তন-ঘোষা*ৰ প্ৰতিটো খণ্ডৰ মাজেৰে ভক্তিতত্ত্বৰ মহিমা ঘোষিত হৈছে। প্ৰতিটো খণ্ডতে এই পৰম তত্ত্ব প্ৰকাশিত হৈছে। পৰমতত্ত্ব ঘোষিত হোৱা এনে অমৃত বৰশা কথাই সৰ্বসাধাৰণৰ মনত এক বিমল আনন্দ প্ৰকাশ কৰিছে। অজামিল উপাখ্যান আৰু বলিছলনত ভক্তিতত্ত্বৰ চৰম আস্থা নিদেৰ্শিত হৈছে আৰু পাঠকে বিমল ভক্তিৰস পান কৰিবলৈ অগ্ৰসৰ হৈছে। অজামিল উপাখ্যানত চাৰিটা কীৰ্ত্তনত মুঠ বিয়াল্লিছটা পদ আছে। ভাগৱত পুৰাণৰ আধাৰত ৰচনা কৰিলেও চতুৰ্থ কীৰ্ত্তনত প্ৰকাশ কৰা বিষ্ণুৰ নামৰ মহিমা কীৰ্ত্তনত শংকৰদেৱৰ স্বকীয় প্ৰতিভাৰ স্বাক্ষৰ ফুটি উঠিছে। আনহাতে, বলিছলনত পাঁচটা কীৰ্ত্তনত মুঠ তেত্ৰিশটা পদ আছে। ভাগৱত পুৰাণৰ পৰা সাৰ সংগ্ৰহ কৰি ৰচনা কৰাৰ কথা শংকৰদেৱে নিজেই উল্লেখ কৰিছে—

কৃষ্ণৰ কিংকৰে ভনিল শংকৰে
ভাগৱত পদচয়।।
(বলিছলন-পদ-৬৪০)

ভক্তিতত্ত্ব প্রকাশক পুথি হিচাপে কীর্ত্তনৰ স্থান অনন্য যদিও ইয়াৰ সাহিত্যিক সৌন্দর্যৰ বাবে কীর্ত্তন পুথি একক আৰু গ্রন্থখনি শংকৰদেৱৰ সাহিত্যিক জীৱনৰ শ্রেষ্ঠতম কীর্ত্তি। এনে ক্ষেত্রত অজামিল উপাখ্যান আৰু বলিছলন খণ্ড দুটিৰ সাহিত্যিক সৌন্দর্য তথা খণ্ড দুটিৰ সাহিত্যিক মূল্য স্বীকাৰ কৰিব নোৱাৰি।

দুয়োটা খণ্ডতে ৰচনাশৈলীত সাহিত্যিক সৌন্দর্য বিদ্যমান। বেজবৰুৱাৰ ভাষাত— "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাবৰ মাধুর্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতাই কীর্ত্তন ঘোষাক অলৌকিক সৌন্দর্য দান কৰিছে।" অজামিল উপ্যাখান আৰু বলিছলন খণ্ড দুটিও ইয়াৰ ব্যতিক্রম নহয়। ভাৱ, ভাষা, ছন্দ, অলংকাৰ, ৰস আদিৰে পূর্ণ দুয়োটা খণ্ডতে শংকৰদেৱৰ ৰচনাশৈলীৰ পূর্ণ প্রতিভাৰ স্বাক্ষৰ প্রস্ফুটিত হৈছে।

ভাবৰ মাধুর্য, আবেগ, চিন্তা চেতনাই কীর্ত্তনৰ কাব্য শোভা বৃদ্ধি কৰিছে। কীর্ত্তনৰ অন্তর্গত অজামিল উপাখ্যান-বলিছলন গুৰুজনাৰ উচ্চস্তৰীয় ভাৱ বিকশি উঠিছে। নামধর্মৰ ওপৰত গুৰুত্ব প্রদান কৰি ভক্তিধর্মৰ ভাৱধাৰা দুয়োটা খণ্ডতে মূর্ত্ত হৈ উঠিছে। ভগৱান বিষ্ণুৰ নাম-কীর্ত্তন দুয়োটা খণ্ডৰে অন্তর্নিহিত ভাৱ।

*কীর্ত্তন-ঘোষা*ৰ ভাষা সার্বজনীন। মূল সংস্কৃত গ্রন্থৰ পৰা সাৰ সংগ্রহ কৰি ৰচনা কৰিলেও খণ্ডসমূহ অসমীয়া ভাৱ-ভাষাৰে তাক সমৃদ্ধ কৰি তুলিছে। উদাহৰণ—

হৰি হেন ইটো দুগুটি অক্ষৰ
জিহ্বা অগ্রে থাকে যাৰ।
গংগা গয়া কাশী প্রয়াগ সেতুক
যাইবাক নলাগৈ তাৰ।।
(অজামিল উপাখ্যান-পদ-২০৪)

বলিছলনতো এনে ভাৱ-ভাষাৰ প্রয়োগ আছে। তৎসম, তদ্ভৱ, থলুৱা শব্দ, ঘৰুৱা শব্দ, আর্যভিন্ন শব্দ, উপমা-অলংকাৰ আদিয়েও দুয়োটা খণ্ডৰে সাহিত্যিক সৌন্দর্য বৃদ্ধি কৰিছে।

কীর্ত্তনৰ এই খণ্ড দুটাত বিষ্ণু দূত আৰু ভগৱান বিষ্ণুৰ ৰূপৰ বর্ণনাও সুন্দৰ। প্রকৃতিৰ ৰূপ বিষ্ণুদূত আৰু বিষ্ণুৰ ৰূপত অংকিত কৰিছে যেনে ঃ

নাসাতিল ফুল অধৰ ৰাতুল
দান্ত মুকুতাৰ পান্তি।
শিৰত ৰত্নৰ কিৰীটি কর্ণত
মকৰ কুণ্ডল জ্বলে
(অজামিল উপাখ্যান-পদ-১৭৮-১৭৯)

তেনেদৰে বলিছলনত—

শ্যামল শৰীৰ শিৰে কিৰীটি উজ্বল।
কমললোচন চাৰু মকৰ কুণ্ডল।।
কণ্ঠত কৌস্তভ কৰে কংকণ কেয়ুৰ।
কটিত মেখলা পদ পংকজে নুপুৰ।।

(বলিছলন-পদ-৬১২)

প্রবাদ-প্রবচনৰ ব্যৱহাৰো দুয়োটা খণ্ডতে দেখা যায়।

(১) যেন হুতাশনে শুখান কাষ্ঠক
আতি অপ্রয়াসে পোৰৈ

(অজামিল উপাখ্যান-পদ-১৮৬)

(২) বিষ্ণুৰ চক্রৰ নভৈল ভাগৰ
হস্তী যেন মাৰৈ মাখি।

(বলিছলন-পদ-৬২৯)

পদ, দুলড়ী, ছবি আদি ছন্দৰ ব্যৱহাৰেও দুয়োটা খণ্ডৰ সাহিত্যিক সৌন্দর্য বৃদ্ধি কৰিছে। অজামিল উপাখ্যানৰ কাহিনী দুলড়ী ছন্দত ৰচিত। আনহাতে, বলিছলনৰ কাহিনী পদ বা পয়াৰ, ছবি আৰু দুলড়ী ছন্দত ৰচিত।

*কীর্ত্তন -ঘোষা*ত অলংকাৰৰ প্রয়োগেও ইয়াৰ সৌন্দর্যত সুৱগা চৰাইছে। প্রতিটো খণ্ডতে প্রয়োগ হোৱা শব্দালংকাৰ আৰু অর্থালংকাৰে কাহিনীৰ ভাৱ-ভাষাক ৰমনীয় কৰি তুলিছে। অজামিল উপাখ্যান আৰু বলিছলন খণ্ডতো উপমা, ৰূপক, শ্লেষ আদি অলংকাৰে খণ্ড দুটিৰ শোভা বর্দ্ধন কৰিছে। বিষ্ণুদূতৰ ৰূপ বর্ণনাত, বলিৰাজৰ সুতল পুৰীত বিষ্ণুৰ সুন্দৰ ৰূপে কাব্যিক সৌন্দর্য বর্দ্ধনত সহায়ক হৈছে।

উপমা, ৰূপক আদি অলংকাৰৰ সহায়েৰে ভক্তিৰ মাহাত্ম্য প্রকাশ কৰাত কীর্ত্তনৰ আখ্যানসমূহে পাঠক আৰু শ্রোতাৰ হৃদয় বিগলিত কৰি তুলিব পাৰিছে। অজামিল উপাখ্যান আৰু বলিছলন দুয়োটা খণ্ডতে এনে ৰচনাশৈলীয়ে আখ্যান দুটিক সমৃদ্ধ কৰি তুলিছে।

*কীর্ত্তন-ঘোষা*ৰ আখ্যানসমূহৰ মাজেৰে নৱ ৰসৰ উদ্রেক হৈছে। কিন্তু এই আটাইবোৰ ৰসেই ভক্তিৰসত বিলীন হৈছে। অজামিল উপাখ্যান আৰু বলিছলনতো ভক্তিৰসৰ প্রাধান্যই অধিক। অজামিল উপাখ্যানত ভগৱানৰ নামৰ মাহাত্ম্য আৰু বলিছলন খণ্ডটিত ভগৱান কৃষ্ণৰ শ্রৱণ-কীর্ত্তন আদি ভক্তি ধর্মৰ বিভিন্ন দিশ প্রতিভাত হৈছে। দুয়োটা খণ্ডৰে মূল হ'ল নৱবিধা ভক্তিৰ শ্রৱণ-কীর্ত্তনৰ প্রাধান্য। দুয়োটা খণ্ডতে শ্রৱণ-কীর্ত্তনৰ মাজেৰে ভক্তিৰ মাহাত্ম্য পাঠক-শ্রোতাৰ মনত প্রৱলভাৱে প্রকটিত হৈছে। কীর্ত্তন পুথিৰ আখ্যানসমূহ ভক্তি সাহিত্যৰ উৎকৃষ্ট নিদর্শন। উক্ত দুয়োটা খণ্ডতো ভক্তিৰ প্রাধান্য দেখুওৱা হৈছে। অজামিল উপাখ্যানত অজামিলে পুত্রৰ নামেই হওক বা ভগৱানৰ নামেই হওক 'নাৰায়ণ' নাম স্মৰণ কৰি সকলো পাপৰ পৰা নিস্তাৰ লাভ কৰিলে। হৰিৰ নাম স্মৰণে সকলো পাপ নাশ কৰে—

চিত্তৰ শোধন হৰিৰ কীর্ত্তন
পাপৰ আলু উভঞ্জে।।

(অজামিল উপাখ্যান-পদ-১৮৪)

অজামিল উপাখ্যানটিৰ মাজেৰে হৰিনামৰ মাহাত্ম্য প্ৰকাশ কৰিবৰ বাবে অজামিলৰ মৰণ কালৰ অৱস্থাটো উপস্থাপন কৰা হৈছে। অজামিল পূৰ্ব কালত সৎ, জ্ঞানী, সদাচাৰী লোক আছিল। সেয়েহে কনিষ্ঠ পুত্ৰৰ নাম ৰাখিছিল 'নাৰায়ণ'। জীৱনৰ পিছৰ কালছোৱাত বেশ্যাৰ সংগত পৰি জাত, কূল, সংগ সকলোতে ব্যভিচাৰে দেখা দিলে। মৃত্যুৰ বিভীষিকা উপস্থিত হ'লত কনিষ্ঠ পুত্ৰ নাৰায়ণক উপাই নাপাই মতাত তেওঁ সকলো পাপৰ পৰা নিষ্কৃতি লাভ কৰিলে। বিষ্ণুদূত উপস্থিত হৈ যমদূতৰ পৰা তেওঁক বৈকুণ্ঠলৈ লৈ গ'ল। প্ৰৱল অগ্নিয়ে শুকান কাঠক পুৰি চাৰখাৰ কৰাৰ দৰে হৰিনাম উচ্চাৰণে তেওঁৰ সমস্ত পাপ নিৰ্মূল কৰিলে। আখ্যানটিত কৰ্মফল বিশ্বাসী ভাৰতীয় দৰ্শনৰ স্বৰূপো প্ৰকাশ পাইছে। অজামিল প্ৰথমে যিহেতু এজন সৎ ব্যক্তি, সদাচাৰী ব্ৰাহ্মণ আছিল গতিকে পূৰ্বকালৰ সৎ কৰ্মৰ ফল, ঈশ্বৰ আৰাধনাৰ সুফল জ্ঞানে বা অজ্ঞানে 'নাৰায়ণ' নাম উচ্চাৰণ কৰি লাভ কৰিলে। হৰিনামৰ মাহাত্ম্য, শ্ৰৱণ-কীৰ্ত্তনৰ প্ৰাধান্য আখ্যানটিৰ মাজেৰে সুন্দৰভাৱে প্ৰকাশ পাইছে।

তেনেদৰে, বলিছলন আখ্যানটিতো হৰিনাম কীৰ্ত্তনৰ মাহাত্ম্য তথা শ্ৰৱণ-কীৰ্ত্তনৰ প্ৰাধান্য বৰ্ণনা কৰা হৈছে। বলিয়ে সুতল পুৰীত ভোগ-বাসনা সকলো ত্যাগ কৰি ভগৱানৰ ভক্তিত নিমজ্জিত হোৱাৰ লগতে দৈত্যকুলৰ সকলোকে হৰিনামত মত্ত হ'বলৈ আহ্বান জনাইছে। বলিৰ ভক্তিত আনকি ভগৱান বিষ্ণুৱে হাতত গদা লৈ দুৱৰী হৈ থাকিল। সুদৰ্শন চক্ৰই সভাসদ ৰূপে থাকিল। দৈত্যৰ স্বভাৱ এৰি হৰি ভক্তিত মন-প্ৰাণ সপি দিয়া বলিৰ স্বভাৱত দৈত্যসকল অসন্তুষ্টি প্ৰকাশ কৰিবলৈ ধৰিলে। কিন্তু দেখা গ'ল হৰি বিৰোধীসকলক বিষ্ণুৰ সুদৰ্শন চক্ৰই খেদি খেদি নানা শাস্তি দিলে। ফলত তেওঁলোকেও হৰিত শৰণ ল'লে। বলিৰাজে তেওঁলোকক এনেদৰে বুজনি দিলে যে— যিজনে হৰিৰ নাম স্মৰণ কৰে, তেওঁলোক মোৰ মৰম বান্ধৱ। তোমালোকেও অসুৰ স্বভাৱ পৰিত্যাগ কৰি হৰিত শৰণ লোৱা। কাৰণ-যিজনে হৰিনাম স্মৰণ কৰে, হৃদয়ত হৰিৰ ৰূপ ধ্যান কৰে— মই তেওঁৰ ভৃত্যৰো ভৃত্য। বলিৰাজে দিবা-নিশাই, শয়নে-সপোনে হৰিনাম শ্ৰৱণ-কীৰ্ত্তন কৰি চন্দ্ৰ-দিবাকৰ থাকে মানে যশ ৰাখি গৈছে। মহাপুৰুষ শংকৰদেৱেও বলিছলন খণ্ডটিৰ সামৰণিত কৃষ্ণ ভক্তিত ধ্যান দি হৰিধ্বনিৰে মোক্ষ লাভ কৰিবলৈ আহ্বান জনাইছে।

নৱবিধা ভক্তিত শ্ৰৱণ-কীৰ্ত্তনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। এনে ভক্তিত ভগৱানো ভক্তৰ অধীন হৈ পৰে। অজামিল উপাখ্যান আৰু বলিছলন আখ্যানত তাৰেই প্ৰকাশ ঘটিছে।

কীৰ্ত্তনৰ অন্তৰ্গত আখ্যানসমূহত ভগৱান কৃষ্ণৰ নাম-কীৰ্ত্তনৰ মাজেৰে ভক্তৰ হৃদত ভক্তিৰ নিজৰা বোৱাইছে। গুৰুজনাই অজামিল উপাখ্যান আৰু বলিছলন খণ্ড দুটিৰ মাজেৰে ভগৱান কৃষ্ণৰ নাম-গুণ, ভক্তি, সৎ সংগ আদিৰ মহিমা প্ৰকাশ কৰিছে। ভগৱানৰ ওচৰত আত্মনিবেদন কৰি মোক্ষ লাভ কৰাৰ উপদেশ দিছে। কিয়নো হৰি নামেহে সকলোকে সংসাৰৰ পাপ-তাপৰ পৰা উদ্ধাৰ কৰি মানৱ জীৱন সার্থক কৰি তুলিব পাৰে।

৬.৬ অজামিল উপাখ্যান আৰু বলিছলন আখ্যানৰ (খণ্ড দুটাৰ) মাজেৰে প্ৰকাশিত ভক্তিৰ মাহাত্ম্য

কীৰ্ত্তন-ঘোষা পুথিখন আখ্যানমূলক ভক্তিকাব্য। দ্বাদশ স্কন্ধ ভাগৱত পুৰাণৰ পৰা কাহিনী কিছুমান নিৰ্বাচন কৰি মহাপুৰুষ শংকৰদেৱে তেওঁৰ কুশলী হাতৰ পৰশেৰে তাক নিজস্বভাৱে সজাই তুলিছে।

অজামিল উপাখ্যান আৰু বলিছলন আখ্যানত ভক্তিৰ মাহাত্ম্য আলোচনা কৰাৰ আগতে ভক্তি বা ভক্তিৰ স্বৰূপ জনাটো বাঞ্ছনীয়।

ভক্তি পদৰ অৰ্থ হৈছে সেৱা। ভক্তি শব্দই সাধাৰণ অৰ্থত ভগৱানৰ সেৱা বুজায়। সংস্কৃত 'ভজ্' ধাতুৰ লগত 'ক্তিন্' প্ৰত্যয় যোগ হৈ 'ভক্তি' পদটি গঠিত হৈছে। ঈশ্বৰ বা ভগৱানৰ প্ৰতি কোনো ফল বাঞ্ছা নকৰাকৈ ঈশ্বৰক প্ৰাৰ্থনা কৰাকে অৰ্থাৎ ঈশ্বৰৰ প্ৰতি থকা অনুৰক্তিকে ভক্তি বুলি কোৱা হয়। ভক্তিৰ দ্বাৰা মনত পৰম জ্ঞানৰ উদয় হয় আৰু ভক্তই পাৰ্থিৱ বস্তুলৈ আকাংক্ষা নকৰা হয়। কীৰ্ত্তনত এই কথাৰ উল্লেখ আছে—

তুমিসে কেৱলে সত্য মিছা সবে আন।
জানি জ্ঞানীগণে কৰৈ হৃদয়ত ধ্যান।।
নমাগোহো সুখ ভোগ নলাগৈ মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি।।

(হৰমোহন-পদ-৫২২)

মহাপুৰুষ শংকৰদেৱে তেওঁৰ *কীৰ্ত্তন-ঘোষাত* ভক্তিৰ স্বৰূপ সম্পৰ্কে উল্লেখ কৰিছে যে কৰ্তব্যপৰায়ণ ৰাজকৰ্মচাৰীয়ে নিজৰ কথা চিন্তা নকৰি যিদৰে নিস্বাৰ্থভাৱে ৰজাৰ সেৱা কৰে, ভগৱানৰ প্ৰতি ভক্তিও তেনে হোৱাটো বাঞ্ছনীয়।

বৈষ্ণৱসকলৰ মাজত ভগৱান শ্ৰীকৃষ্ণয়ে হ'ল প্ৰধান উপাস্য দেৱতা। ভগৱান কৃষ্ণ কৰুণাময়— তেওঁ জীৱক কৃপাদৃষ্টি কৰে। কৃষ্ণই সকলোৰে ভক্তিক আকৰ্ষণ কৰে— সেইবাবেই তেওঁ কৃষ্ণ অৰ্থাৎ "কৰ্ষতি সৰ্বং কৃষ্ণঃ।"



জানি থোৱা ভাল

'কৃষ্' ধাতুৰ পাছত 'নক্' প্ৰত্যয় সংযোগ কৰি (কৃষ্ + নক্) 'কৃষ্ণ' শব্দটি সম্পন্ন হৈছে।

কীৰ্ত্তন-ঘোষাৰ মাজেৰে নাম ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰকাশ পোৱাৰ লগতে ভগৱান কৃষ্ণৰ বিভিন্ন লীলা মালাৰ মাজেৰে ভক্তিৰ শ্ৰেষ্ঠত্বও প্ৰকাশ পাইছে। গুৰুজনাই ভগৱানৰ চৰণত সেৱা ভক্তি আগবঢ়াই জীৱক মোক্ষ লাভ কৰিবলৈ আহ্বান জনাইছে। ভক্তিধৰ্মৰ বিভিন্ন তত্ত্ব কীৰ্ত্তন ঘোষা পুথিখনৰ বিভিন্ন আখ্যানৰ মাজেৰে মনোৰমভাৱে প্ৰকাশ পাইছে। নিষ্কাম ভক্তি, প্ৰসাদ তত্ত্ব,

অৱতাৰ তত্ত্ব, সৎ সংগ তত্ত্ব, দাস্য ভাৱ, মায়া বিনাশৰ উপায় স্বৰূপে ভক্তি, বেদান্ত দর্শন, শিশুলীলা, ৰাসলীলা আদি বিভিন্ন দিশ আখ্যানসমূহৰ মাজেৰে প্ৰবাহিত হৈছে।

ভাগৱত পুৰাণত ন প্ৰকাৰৰ ভক্তিৰ উল্লেখ আছে। ইয়াক নৱধা ভক্তি বুলি কোৱা হয়—

শ্ৰৱণং কীৰ্ত্তনং বিষ্ণোঃ স্মৰণ-পাদ সেৱনম।
অৰ্চনং ৱন্দনং দাস্যং সখ্যমাত্মনিৱেদনম।।

(ভাগৱত পুৰাণ-৭/৫/২৩)

অৰ্থাৎ শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য ভাৱ, সখ্য আৰু আত্ম নিবেদন— এই ন প্ৰকাৰ ভক্তিৰ লক্ষণ। *কীৰ্ত্তন- ঘোষা*তো ইয়াৰ প্ৰতিফলন দেখা যায়। পূৰ্বৱৰ্তী অধ্যায়ত নৱবিধা ভক্তিৰ বিষয়ে আলোকপাত কৰা হৈছে। প্ৰহ্লাদ চৰিত খণ্ডটিত ভক্তিৰ এই ন-প্ৰকাৰৰ কথা উল্লেখ আছে। উদাহৰণ—

শ্ৰৱণ-কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুৰ
কৰিব দেহা অৰ্পণ।।
নৱবিধ ভক্তি বিষ্ণুত আচৰৈ
সেহিসে পাঠ উত্তম।।

(প্ৰহ্লাদৰ চৰিত পদ-৩৪০)

*কীৰ্ত্তন- ঘোষা*ৰ অন্যান্য খণ্ডৰ বাহিৰেও অজামিল উপাখ্যান আৰু বলিছলনতো ভক্তিৰ মাহাত্ম্য প্ৰকাশ পাইছে। অজামিল উপাখ্যানৰ কাহিনীত ভগৱানৰ নামৰ মাহাত্ম্য প্ৰকাশ পাইছে। গুৰুজনাই হৰিনামৰ মাহাত্ম্য প্ৰদৰ্শন কৰিবৰ বাবেই অজামিল উপাখ্যানত মহাপাপী অজামিলৰ মৰণ কালৰ আখ্যানৰ বৰ্ণনা কৰিছে। ইতিমধ্যে আলোচনা কৰা হৈছে যে ভগৱান কৃষ্ণই ভক্তক কৃপা দৃষ্টি কৰে। বৈষ্ণৱৰ মতে এনে কৃপায়ে প্ৰসাদ তত্ত্ব। *কীৰ্ত্তন- ঘোষা*ৰ বিভিন্ন খণ্ডৰ মাজেৰে এনে প্ৰসাদ তত্ত্বৰ প্ৰতিফলন ঘটিছে। অজামিল উপাখ্যানত মৰণ কালত জ্ঞাত বা অজ্ঞাতসাৰে কনিষ্ঠ পুত্ৰ 'নাৰায়ণ'ক যমদূতৰ ভয়ংকৰ ৰূপ দেখি ভীতি বিহ্বল হৈ মতা বাবেই অজামিলে যমদূতৰ হাতৰ পৰা নিস্তাৰ লভি বিষ্ণুদূতৰ প্ৰসাদ লাভ কৰিছে। মৰণমুখী অজামিল বিপ্ৰৰ মুখত হৰিৰ কীৰ্ত্তন বাণী শুনি যমদূতক খেদি বিষ্ণুদূত উপস্থিত হৈছিল—

নাৰায়ণ নাম বুলিবাৰ পদে
নিস্তাৰিল অজামিল।
বিষ্ণুক চিন্তিয়া চতুৰ্ভুজ ৰূপে
বৈকুণ্ঠত আৰোহিল।।

(অজামিল উপাখ্যান পদ-১৮৮)

জ্ঞানে বা অজ্ঞানে 'নাৰায়ণ' নাম উচ্চাৰণ কৰা মাত্ৰকে অজামিলে সকলো পাপ-তাপৰ পৰা নিস্তাৰ পালে। অগ্নিয়ে শুকান কাঠক অনায়াসে পুৰি পেলোৱাৰ দৰে হৰি নামেও পাপক অনায়েসে হৰণ কৰে। আখ্যানটোত এই কথা সুন্দৰ উদাহৰণেৰে দাঙি ধৰিছে—

হৰিনামে সবে পাতক দহৰৈ
জ্ঞানে বা অজ্ঞানে বোলৈ।
যেন হুতাশনে শুখান কাষ্ঠক
আতি অপ্রয়াসে পোলৈ।।
(অজামিল উপাখ্যান পদ-১৮৬)

আখ্যানটিৰ মাজেৰে দাস্য ভাবৰো উদ্রেক হৈছে—

মাধৱৰ মতি হোৱৈ তাক প্রতি
যিমতে কৰৈ নির্য্যাণ।
আন প্রায়শ্চিত্তে পৱিত্র কৰিবে
নোৱাৰৈ তাৰ সমান।।
(অজামিল উপাখ্যান পদ-১৮৪)

হৰিনাম কীর্ত্তনত দেশ, কাল, নিয়ম-নীতিৰ প্রসংগ নাই হৰিনাম ভক্তি সহকাৰে হৃদয়ত আৰাধনা কৰিলে পাপী-তাপী সকলোৱে মুক্তি পাব। অজামিল উপাখ্যানত নামৰ মাহাত্ম্য ইমানেই বেছি যে ঈশ্বৰৰ নামেই হওক বা পুত্রৰ নামেই হওক 'নাৰায়ণ' নাম উচ্চাৰণ কৰা বাবেই অজামিলৰ সকলো পাপ নাশ হ'ল।

প্রমাদত থাকি যিটো হৰি বোলৈ
সিয়ো সবে দুখ তৰৈ।
যেন মহৌষধি নজানি ভুঞ্জিলে
তাৰো গর্ভৰোগ হৰৈ।।
(অজামিল উপাখ্যান পদ-১৮৬)

*কীর্ত্তন-ঘোষা*ৰ ঘোষাসমূহৰ মাজেৰে ভগৱান কৃষ্ণক দুষ্টক দমন কৰোঁতা শাসকৰ প্রতিভূ ৰূপেও চিত্রিত কৰা হৈছে। অজামিল উপাখ্যানত মৰণমুখী বিপ্র অজামিলৰ মুখত হৰিৰ কীর্ত্তন বাণী শুনি যমদূতক খেদি মাৰি বিষ্ণুদূত উপস্থিত হৈছিল। যমদূত আৰু বিষ্ণুদূতৰ মাজত যুক্তি তর্কৰ অৱতাৰণা হ'ল। অজামিলে মহা পাপ কৰাৰ বাবে প্রায়শ্চিত ভুঞ্জিবৰ বাবে যমপুৰীলৈ যোৱা উচিত— এয়া হ'ল যমদূতৰ যুক্তি। আনহাতে, বিষ্ণুদূতৰ যুক্তি মতে নাৰায়ণৰ নাম উচ্চাৰণ কৰি সকলো পাপৰ পৰা মুক্ত হৈ অজামিলে পূণ্য লাভ কৰি বৈকুণ্ঠলৈ— অর্থাৎ বিষ্ণুপুৰীলৈ যোৱা উচিত। এই কথা লৈয়ে যমদূত আৰু বিষ্ণুদূতৰ মাজত তর্কযুদ্ধ।

হৰিৰ কীর্ত্তনে মহা পাতকক
যিমতে কৰে নির্য্যাণ।
আন প্রায়শ্চিত্তে পৱিত্র কৰিবে
নোৱাৰৈ তাৰ সমান।
(অজামিল উপাখ্যান, পদ-১৮৪)

কিয়নো মহা পাতকীকো হৰি কীর্ত্তনৰ বাহিৰে আন একোয়ে প্রায়শ্চিত্ত কৰিব নোৱাৰে। বিষ্ণুদূতে যমদূতৰ হাতৰ পৰা অজামিলক ৰক্ষা কৰি হৰি নাম কীর্ত্তনৰ গুণ ব্যাখ্যা কৰিছে।

যমদূত আৰু বিষ্ণুদূতৰ যুক্তি তর্কৰ মাজেৰে নিবৃত্তি মার্গৰ শ্রেষ্ঠত্ব ঘোষণা কৰা হৈছে। যমদূত আৰু বিষ্ণুদূতৰ যুক্তি তর্কৰ মাজেৰে ভক্তিতত্ত্বও ঘোষিত হৈছে। অজামিল উপাখ্যানৰ দ্বিতীয় ঘোষাটোত বিষ্ণুদূতৰ দ্বাৰা নামৰ মাহাত্ম্য কথন বর্ণনা কৰা হৈছে। হৰিনাম কীর্ত্তনে মহাপাপী-পাপক যিদৰে পৰিত্রাণ কৰিব পাৰে আৰু তাৰ দ্বাৰাই পাপীকো পবিত্র কৰে, শাস্ত্র বা আন কোনো প্রায়শ্চিত্ত বা আন বিধানে তাক পৰিত্রাণ কৰিব নোৱাৰে। আনকি যমদূতেও গোচৰ দিয়া দূতৰ আগত নাৰায়ণ যে জগতৰ ঈশ্বৰ আৰু তেওঁৰ আজ্ঞাতে যম ৰজাই প্রজাক পালন কৰে তাক নিবেদন কৰিলে। ভক্তিতত্ত্বৰ গুপুত কথাও যে হৰি ভক্তি আৰু সেই হৰি ভক্তিৰ নীতি আচৰণ কৰিলে দুর্লভ মুকুতি থিতাতে লাভ কৰিব পাৰি তাকো ইয়াত উল্লেখ কৰা হৈছে—

পৰম গুপুত হৰিনাম ধর্ম
জানি আছো শুদ্ধভাৱে।
যাক আচৰিলে ঠাৱতে বসিয়া
দুর্লভ মুকুতি পাৱে।।

(অজামিল উপাখ্যান, পদ-১৯২)

হৰিৰ ভক্তি যে মনুষ্য জীৱনৰ শ্রেষ্ঠ ধর্ম তাকো যমৰজাই দূতৰ আগত নিবেদন কৰিছে। পাপী অজামিলে 'নাৰায়ণ' নাম উচ্চাৰণ কৰি পৰম গতি লাভ কৰাৰ লগতে নিজ বংশ-কুল উদ্ধাৰ কৰি যমৰো দায় এৰালে।

তৃতীয় কীর্ত্তনতো হৰিনামৰ মহিমা বর্ণনা কৰা হৈছে। হৰিনাম বিনা মহাযোগীজনো ভ্রষ্ট হ'ব পাৰে। আনহাতে, হৰি গুণ কীর্ত্তন কৰোঁতাজনৰ বাবে গংগা, গয়া, কাশী, প্রয়াগ-সেতু আদি তীর্থক্ষেত্রলৈ যোৱাৰো কোনো প্রয়োজন নাই। হৰিনাম যিজনে সর্বদা স্মৰণ কৰে-মুখত থাকে তেতিয়াই শতকোটি পাপ তৎক্ষণাতে ভস্ম হৈ যায়। চতুর্থ কীর্ত্তনত হৰিনামৰ-ভক্তিধর্মৰ মাহাত্ম্য এনেদৰেই প্রকাশ কৰা হৈছে যে ব্রহ্মচাৰী, গৃহবাসী, বনবাসী, সন্ন্যাসী, যতী যিমানেই নাথাকক হৰি নামৰ বিনা কোনেও পৰম গতি লাভ কৰিব নোৱাৰে। আকৌ, হৰি নামৰ মাহাত্ম্য এনেকুৱা যে সূর্য্য গ্রহণত এক কোটি ধেনু ব্রাহ্মণক দান দিলেও নতুবা প্রয়াগ-গংগাৰ জলত দশ-কল্পমান বাস কৰিলেও নাইবা অযুত সম্পাদন কৰি মেৰুৰ সমান সোণ দান দিলেও গোবিন্দ কৃষ্ণ নামৰ একশত ভাগ ৰেণুৰ সমানো নহয়। হৰি ভক্তিৰ মাহাত্ম্যৰ এনে বর্ণনা কৰি কীর্ত্তনত আকৌ হৰিৰ নামৰ মাহাত্ম্য প্রকাশ এনেদৰে কৰিছে—

হৰি হেন ইটো দুগুটি অক্ষৰ
উচ্চাৰিলে একবাৰ।
মোক্ষৰ পথক যাইবাক লাগিয়া
সিয়ে ভৈল কাচপাৰ।

(অজামিল উপাখ্যান, পদ-২১২)

অজামিল উপাখ্যানত কর্মফলবাদী ভাৰতীয় দর্শনৰ কথাও নিহিত আছে। কর্মৰ ফল সদায় দীর্ঘস্থায়ী। অজামিলৰ পূর্বৰ কার্য-কর্মত সৎ-সদাচাৰী, সৎ কর্মৰ ফল আছিল। পিছৰ কর্ম-

কাণ্ডত হৰি গুণ বিৰোধী অসৎ আচৰণ কৰিলেও হৰি নামৰ মাহাত্ম্যৰ গুণত পুত্ৰ নাৰায়ণৰ নাম উচ্চাৰণ কৰা হেতুকে সমস্ত পাপৰ পৰা তেওঁ নিস্কৃতি পালে। অজামিল আদিতে সৎ স্বভাৱৰ, বিবেকী সদাচাৰী লোক আছিল। গতিকে মৰণ কালত তেওঁ পূৰ্বৰ সৎ কৰ্মৰ ফল ভোগ কৰিলে। অজামিল উপাখ্যানটিৰ তাৎপৰ্য এয়ে যে জ্ঞানে বা অজ্ঞানে পুত্ৰ নাৰায়ণৰ নাম উচ্চাৰণ কৰাৰ বাবে। আকৌ, জীৱনৰ আদি ছোৱাত সৎ জীৱন, সৎ আচৰণ, ঈশ্বৰৰ সাধনা কৰাৰ বাবে। কীৰ্ত্তন ঘোষাত নৱবিধা ভক্তিৰ পৰাকাষ্ঠা ঘোষিত হ'লেও হৰিনাম শ্ৰৱণ-কীৰ্ত্তনৰ গুৰুত্ব অধিক। অজামিল উপাখ্যানতো ইয়াৰ প্ৰতিফলন ঘটিছে। হৰিনাম শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰা ধৰ্ম-অৰ্থ-মোক্ষ এই চতুৰ্বৰ্গ সাধিত হয়।

ধৰ্ম অৰ্থ কাম যিটো অভিলাষে
যি চাৰৈ মোক্ষৰ পথ।
সিয়ো হৰিনাম কীৰ্ত্তন কৰিয়া
পাৰৈ সৱ মনোৰথ।।

(অজামিল উপাখ্যান, পদ-২০১)

মুঠতে অজামিল উপাখ্যানৰ মাজেৰে মহাপুৰুষ শংকৰদেৱে হৰিনামৰ শ্ৰৱণ-কীৰ্ত্তনৰ মাজেৰে ভক্তিৰ মাহাত্ম্যৰ প্ৰকাশ দাঙি ধৰিছে।

অজামিল উপাখ্যানৰ দৰে বলিছলন উপাখ্যানতো হৰিভক্তিৰ মাহাত্ম্য প্ৰকাশ পাইছে। পূৰ্বৰ এটি শাখাত বলিছলন উপাখ্যানত ভক্তিতত্ত্বৰ বিষয়ে কোৱা হৈছে। মহাপুৰুষ শংকৰদেৱে কীৰ্ত্তনৰ বিভিন্ন আখ্যানৰ মাজেৰে ভক্তিধৰ্মৰ মূল আদৰ্শসমূহ সকলো শ্ৰেণীৰ মানুহে বুজিব পৰাকৈ উপস্থাপন কৰিছে। ভক্তিৰ দ্বাৰাহে ভগৱান সন্তুষ্ট হয়। আকৌ, ভক্তিৰ ক্ষেত্ৰত জাতি, বৰ্ণ, লিংগ ভেদৰ স্থান নাই আৰু ভক্তিৰ বাবে ধন ঐশ্বৰ্যৰো প্ৰয়োজন নাই। আনহাতে নৱবিধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তন যে শ্ৰেষ্ঠ তাকো কীৰ্ত্তনৰ খণ্ডসমূহৰ মাজেৰে প্ৰকাশ কৰা হৈছে। ভগৱানৰ নাম শ্ৰৱণ-কীৰ্ত্তন কৰিলে বাকীবোৰ দিশো ভক্তৰ মনত প্ৰৱেশ কৰিব— সমস্ত পৃথিৱীতে নাৰায়ণক লাভ কৰিব। পাষণ্ড মৰ্দন-খণ্ডটিতো আছে—

শ্ৰৱণ-কীৰ্ত্তনে যাৰ অভ্যাস।
নছাৰন্ত হৰি অহাৰ পাশ।।

(পাষণ্ড মৰ্দন, পদ-১৩৩)

মহাপুৰুষ শংকৰদেৱৰ কীৰ্ত্তন পুথিৰ অন্তৰ্গত বলিছলন খণ্ডটিতো ভক্তিতত্ত্বৰ মাহাত্ম্য বিভিন্ন পদৰ মাজেৰে প্ৰতিফলিত হৈছে। বলিয়ে বিষ্ণুৰ বামন অৱতাৰৰ দ্বাৰা ছলনাত পৰি সুতল পুৰীত বিষ্ণুৰাজ্য স্থাপন কৰিলে। বিষ্ণুৰ আশীৰ্বাদত বৈকুণ্ঠতকৈয়ো অধিক শ্ৰেষ্ঠ সুতল পুৰীত বলিয়ে ৰাজ্য পাতিবলৈ অনুগ্ৰহ লাভ কৰিলে। বলিছলন খণ্ডটিত নিৰ্গুণ ভক্তিৰ লক্ষণ প্ৰকাশ পাইছে। নিৰ্গুণ ভক্তিত কামনা-বাসনাৰ গোন্ধ নাথাকে। বলিৰাজে প্ৰতি মুহূৰ্ততে হৰিনাম স্মৰণ

কৰি মায়াকো বশ কৰিব পাৰিছে। বলি ৰজাই বিষ্ণু ভক্তিৰ যোগেদি বিষ্ণুজ্ঞান লাভ কৰিছে। এই বিষ্ণু জ্ঞানেই জ্ঞানময়ী ভক্তি অথবা নির্গুণা ভক্তি। গোটেই বিশ্বব্রহ্মাণ্ডতে যিজন ব্যাপ্ত হৈ আছে আৰু সকলোৰে দেহত জীৱাত্মা ৰূপে বিৰাজ কৰিছে। বিষ্ণুক উপলব্ধি কৰিয়ে বলিয়ে বিষ্ণু জ্ঞান লাভ কৰিছে। বলিৰাজে বিষ্ণু ভক্তিত আত্মনিবেদন কৰিছে। আত্মনিবেদন ভক্তিৰ চৰম অৱস্থা। ভক্তই নিজৰ দেহ-প্রাণ মন আত্মাক ভগৱানৰ চৰণত সমর্পণ কৰিলে সেই ভক্তিত চৰম অৱস্থা লাভ কৰা বুজায়। এনে ভক্তিকে আত্মনিবেদন বুলিব পাৰি।



জানি থোৱা ভাল

ভক্তিক দুটা ভাগত ভাগ কৰা হয়— সুগুণ ভক্তি আৰু নির্গুণ ভক্তি।
সগুণ ভক্তি — কামনা-বাসনাযুক্ত।
নির্গুণ ভক্তি — কামনা-বাসনাহীন।

ভক্তি হ'ল পৰম পুৰুষার্থ। ভক্তিৰ মাজেৰে আনন্দ লাভ কৰিলে ভক্তৰ মনত কামনা-বাসনাৰ ভাব নাইকিয়া হয়। বলিৰাজে বিষয় সুখ সকলো বাদ দি মাথো বিষ্ণুৰ নামকে শ্ৰৱণ-কীর্ত্তন কৰে। কৃষ্ণ ভক্তিত গদ্ গদ্ হৈ বলিয়ে প্রতি মুহূর্ততে কীর্ত্তন কৰে। যাৰ ফলত স্বয়ং বিষ্ণুয়ো হাতত গদা লৈ বলিৰাজৰ সুতল পুৰীত দুৰাৰ ৰক্ষীৰ ভূমিকা পালন কৰিছে। আখ্যানটিত ভগৱানক তেওঁৰ ভক্তসকলৰ প্রতি কৃপাশীল বুলি দেখুওৱা হৈছে। খণ্ডটিত ভক্তিৰ মাহাত্ম্য এনেদৰে দেখুওৱা হৈছে যে বলিয়ে কৃষ্ণৰ ভক্তিত ইমানেই ব্যাকুল হৈ পৰিছে যে কেতিয়াবা হাতত তাল লৈ কৃষ্ণৰ নাম কীর্ত্তন কৰে, কৃষ্ণৰ গুণ গায়, কৃষ্ণ ভক্তিত মতলীয়া হৈ নৃত্য কৰে, কেতিয়াবা হৰিষ মনে হাঁহে আকৌ কেতিয়াবা হুকহুকাই কান্দে, মুর্চ্ছা যায়। এনে অৱস্থাত বলি ৰাজ্যৰ দৈত্য-দানৱসকলেও কীর্ত্তন আৰম্ভ কৰে। ভক্তিৰ বলেৰে বলিয়ে জগতখনকে পৰিত্র কৰি তোলে— হৰিয়ো বলিৰ ভক্তিত বিস্মিত হৈ পৰে। কীর্ত্তনত আছে—

জগতকে পৰিত্র কৰন্ত দৈত্যপতি।
হৰিয়ো বিস্ময় দেখি বলিৰ ভকতি।।

(বলিছলন।। পদ-৬১৯)

বলি ৰাজ্যত বিষ্ণুবিৰোধী লোকক বিষ্ণুৰ সুদর্শন চক্রই খেদি খেদি কাৰোবাৰ মুণ্ড ছেদ কৰিছে, কাৰোবাৰ নাক, কাণ, জিভা, বুকু ছেদ কৰিছে। ফলত বিষ্ণু দ্রোহী দৈত্যসকলেও বিষ্ণুৰ বশ্যতা স্বীকাৰ কৰি হৰি নাম শ্ৰৱণ-কীর্ত্তনেৰে সুতলপুৰী বিষ্ণুপুৰীত পৰিণত কৰিছে। নৱবিধা ভক্তিৰ নির্গুণ হৰিৰ নাম-গুণ শ্ৰৱণ-কীর্ত্তন কৰি দৈত্যকূলে মোক্ষ লাভ কৰিছে। নৱবিধা ভক্তিৰ স্মৰণ ভাবো খণ্ডটিত প্রকাশ পাইছে। ভগৱানৰ নাম মনত স্মৰণ কৰা, তেওঁৰ ৰূপ হৃদয়ত ধ্যান কৰা— অর্থাৎ ভগৱানৰ নাম-গুণ তেওঁৰ ৰূপ হৃদয়-চিত্তেৰে চিন্তা কৰায়ে হ'ল স্মৰণ। বলিয়ে বিষ্ণুদ্রোহী দৈত্যসকলক হৰি গুণৰ কথা বুজাইছে। অসুৰ স্বভাৱ এৰি হৰি ভকতিত দেহ-মন

অর্পণ কৰিবলৈকো আহ্বান জনাইছে। দাস্য ভক্তিৰ স্বৰূপো বলিৰাজৰ হৰি ভক্তিত প্রকাশ পাইছে এনেদৰে—

মুখে হৰি নাম স্মৰৈ হৃদয়ত ৰূপ ধৰৈ
তাহাৰ ভৃত্যৰো মই ভৃত্য।।
(বলিছলন, পদ-৬৩৩)

বলিছলন খণ্ডটিৰ মাজেৰে ভক্তিতত্ত্বৰ পাদসেৱনৰ তাৎপর্যও প্রতিষ্ঠিত হৈছে। ভক্তই দাস্য ভাৱত একান্ত চিত্তে হৃদয়ত ভগৱানৰ পাদ যুগল সেৱা কৰাৰ মানসিকতাত পাদসেৱনৰ ভাৱ প্রকাশ পায়। পাদ সেৱনৰ জৰিয়তে ভক্তজনৰ অন্তৰত দাস্য, সখীত্ব আৰু আত্মনিবেদনৰ ভাব প্রকাশ হৈ উঠে। বলিৰ বিষ্ণু ভক্তিৰ মাজেৰে মাধৱৰ পাদ যুগলত নিজকে অর্পণ কৰি দুর্জয় মায়াৰ পৰা নিস্তাৰ পোৱাৰ নিদর্শন দাঙি ধৰা হৈছে। বলি ৰাজ্যত আনকি হৰি গুণ নোলোৱা সকল শাস্তি বিহাৰ বিধানো প্রদান কৰা হৈছে। সেয়েহে দৈত্যকূলৰ মাজত হৰি নামৰ প্রসাৰে ব্যাপকতা লাভ কৰিছে। মহাপুৰুষ শংকৰদেৱে লিখিছে—

সুদৃঢ় ভকতি ভাৱে দৈত্যপতি
কৰিলা কর্ম নির্মূল।
সংসাৰক তৰি পুৰুষ উদ্ধাৰি
নিস্তাৰিল দৈত্যকূল।।
(বলিছলন, পদ-৬৩৮)

শংকৰদেৱে বলিৰ হৰি ভক্তিৰ মাজেৰে বলিৰ হৰি ভক্তিৰ আদর্শ, যশৰাশি সংসাৰত চন্দ্র-দিবাকৰ থাকে মানে বিয়পি থাকিব বুলি প্রকাশ কৰিছে।

ভক্তিযোগ সকলো যোগতকৈ শ্রেষ্ঠ। সনাতন ধর্মৰ মূল পথ চাৰিটা। যেনে ঃ কর্ম, জ্ঞান, যোগ আৰু ভক্তি। এই চাৰিটাৰ ভিতৰত ভগৱানৰ চৰণ তথা কৰুণা লাভৰ সহজ আৰু উত্তম উপায় হৈছে ভক্তি। মনৰ অজ্ঞানতা দূৰ কৰিবৰ বাবে ভক্তিৰ বাহিৰে আন উপায় বা পথ নাই। অনেক তপ-সাধনা-যাগ-যজ্ঞৰ ফল মাথোন ভক্তিৰ জৰিয়তেহে পাব পাৰি। শ্রীমদ্ভাগৱতত আছে—

ভক্তিহীন নৰে যত কর্ম কৰে
সকলে বিফল হয়।
তপ জপ গণ যাত সমর্পণ।
বিনে ফল নধৰয়।।
(শ্রীমদ্ভাগৱত দ্বিতীয় স্কন্ধ, পদ-৫২)

ভক্তিতত্ত্ব দর্শন প্রকাশক গ্রন্থ ৰূপে *কীর্ত্তন-ঘোষা*ৰ আখ্যানসমূহ অনন্য। ভক্তিৰ মাজেৰেই জীৱই মায়াৰ পৰা মুক্ত হ'ব পাৰে। শ্রৱণ-কীর্ত্তন ভক্তিৰ শ্রেষ্ঠ পথ। কীর্ত্তনৰ অন্যান্য আখ্যানসমূহতো হৰি নামৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰা হৈছে। অজামিল উপাখ্যান আৰু বলিছলন আখ্যানতো হৰি নামৰ শ্রৱণ-কীর্ত্তনৰ মাহাত্ম্য প্রকাশ কৰি ভক্তিৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অজামিল উপাখ্যানৰ বিষয়বস্তু সম্পর্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ অজামিল উপাখ্যানত হৰি ভক্তিৰ শ্রৱণ-কীর্ত্তনৰ মহিলা সম্পর্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৩ ঃ বলিছলন খণ্ডটিৰ বিষয়বস্তু সম্পর্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *কীর্ত্তন-ঘোষা* পুথিখনত মুঠ ২৭টা খণ্ড পোৱা যায়। প্রতিটো খণ্ড একোটা স্বয়ং সম্পূর্ণ আখ্যান। *কীর্ত্তন-ঘোষা*ৰ অন্তর্গত অজামিল উপাখ্যান আৰু বলিছলন খণ্ড দুটিও একো একোটা স্বয়ং সম্পূর্ণ আখ্যান।
- অজামিল উপাখ্যান আৰু বলিছলন দুয়োটা খণ্ডৰে আধাৰ গ্রন্থ ভাগৱত পুৰাণ।
- দুয়োটা খণ্ডৰ মাজেৰে হৰিনামৰ মাহাত্ম্য ঘোষণা কৰা হৈছে। নৱ-বিধা ভক্তিৰ ভিতৰত শ্রৱণ-কীর্ত্তনকে খণ্ড দুটাত গুৰুত্ব প্রদান কৰা হৈছে। পাপী অজামিলে হৰিনাম স্মৰণৰ মাজেৰে মহাপাপৰ পৰা উদ্ধাৰ হৈছিল। বলিৰাজৰ হৰি ভক্তিৰ মাজেৰে চন্দ্র-দিবাকৰ থাকে মানে তেওঁৰ যশৰাশি বিয়পি থকাৰ কথাও আমি জানিব পাৰোঁ।
- ভাৱ-ভাষা, ছন্দ-অলংকাৰ আদিয়ে দুয়োটা খণ্ডতে সাহিত্যিক সৌন্দর্য প্রদান কৰিছে। বিষয়বস্তুৰ লগত সংগতি ৰাখি ভক্তিৰসকে খণ্ড দুটাৰ মাজেৰে প্রকাশ কৰা হৈছে। উপমা আদিৰ সার্থক প্রয়োগৰ বিষয়েও আমি জানিব পাৰোঁ।
- মহাপুৰুষ শংকৰদেৱে দুয়োটা খণ্ডৰে সুকীয়াকৈ দুখনি কাব্য গ্রন্থও ৰচনা কৰিছে। *কীর্ত্তন-ঘোষা*ত চমুকৈ খণ্ড দুটাৰ মাজেৰে হৰিনামৰ শ্রেষ্ঠত্ব প্রকাশ কৰা হৈছে।



৬.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। ডেকা, ধৰ্মসিংহ (১৯৮৪); *ছন্দ আৰু অলংকাৰ;* গুৱাহাটী ঃ অসম বুক ডিপো।

২। দত্ত বৰুৱা, হৰি নাৰায়ণ (সম্পাঃ) (১৯৭০); *কীৰ্ত্তন-ঘোষা আৰু নামঘোষা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৩। বৰ্মন, শিৱনাথ (সম্পাঃ); (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী;* উত্তৰ গুৱাহাটী ঃ আনন্দ ৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সন্থা।

৪। বায়ন, ভবজিৎ (২০১৪); *সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱৰ কীৰ্ত্তন ঘোষা;* গুৱাহাটী ঃ পাহি প্ৰকাশ।

৫। ভকত, দ্বিজেন্দ্ৰ নাথ (১৯৯৮); *কীৰ্ত্তন ঃ এক সমীক্ষাত্মক আলোচনা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬। মজুমদাৰ, বিমল (২০১৭); *ভক্তি সাহিত্য ঃ* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭। শইকীয়া, নগেন (সম্পাঃ) (২০১২); *বেজবৰুৱা ৰচনাৱলী (২য় খণ্ড);* গুৱাহাটী ঃ বনলতা।

৮। শৰ্মা, তীৰ্থনাথ (১৯৯১); *সাহিত্য বিদ্যা পৰিক্ৰমা;* গুৱাহাটী ঃ বাণীপ্ৰকাশ প্ৰাইভেট লিমিটেড।

৬.১০ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্ন উত্তৰ ঃ মহাপুৰুষ শংকৰদেৱৰ *কীৰ্ত্তন-ঘোষা*ৰ অন্তৰ্গত অজামিল উপাখ্যান ভাগৱত পু�ৰাণৰ আধাৰত ৰচিত। ভাগৱত পু�ৰাণৰ ৬ষ্ঠ স্কন্ধৰ..... অধ্যায়ৰ বিষয়বস্তু অজামিল উপাখ্যানত ..... বৰ্ণিত। হৰিনামৰ মাহাত্ম্য ..... প্ৰকাশ পাইছে।

২ নং প্ৰশ্ন উত্তৰ ঃ *কীৰ্ত্তন-ঘোষা*ৰ আখ্যানসমূহৰ মাজেৰে নৱ-বিধা ভক্তিৰ প্ৰকাশ ঘটিছে।..... শ্ৰৱণ-কীৰ্ত্তনৰ গুৰুত্ব অধিক। অজামিল উপাখ্যানত..... হৰি ভক্তিৰ মহিমা ..... শ্ৰৱণ-কীৰ্ত্তন.....জ্ঞানে বা অজ্ঞানে..... ভগৱানৰ নাম স্মৰণ আদিত ভক্তিতত্ত্বৰ প্ৰকাশ ঘটিছে।

৩ নং প্ৰশ্ন উত্তৰ ঃ *কীৰ্ত্তন-ঘোষা*ৰ অন্তৰ্গত বলিছলন খণ্ডটি ভাগৱত পুৰাণৰ আধাৰত ৰচিত। ভগৱান পুৰাণৰ ..... অষ্টম স্কন্ধৰ বিষয়বস্তু কীৰ্ত্তনত সামৰা হৈছে।..... বলিৰাজৰ..... সুতলপুৰীত ভগৱান বিষ্ণুৰ হৰিনাম..... শ্ৰৱণ-কীৰ্ত্তন..... সুতলপুৰীত বিষ্ণুৰ অৱস্থান..... দৈত্যসকলৰ বিষ্ণুত শৰণ..... শ্ৰৱণ-কীৰ্ত্তনৰ মাহাত্ম্য আদি বৰ্ণনা কৰিব লাগিব।



৬.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মহাপুৰুষ শংকৰদেৱৰ *কীৰ্ত্তন-ঘোষাৰ* খণ্ডসমূহৰ এটি আভাস দাঙি ধৰক।

প্ৰশ্ন ২ ঃ অজামিল উপাখ্যানত প্ৰকাশ পোৱা ভক্তিতত্ত্ব সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ বলিছলন আখ্যানৰ মাজেৰে বিষ্ণু-ভক্তিৰ মাহাত্ম্য কিদৰে প্ৰকাশ পাইছে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ অজামিল উপাখ্যান আৰু বলিছলন খণ্ডটিত প্ৰকাশ পোৱা শ্ৰৱণ-কীৰ্ত্তনৰ মহিমা সম্পৰ্কে এটি আভাস দাঙি ধৰক।

প্ৰশ্ন ৫ ঃ অজামিল উপাখ্যান আৰু বলিছলন খণ্ডটিৰ সাহিত্যিক সৌন্দৰ্য নিজৰ ভাষাৰে ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ অজামিল উপাখ্যান আৰু বলিছলন খণ্ড দুটিৰ মাজেৰে মহাপুৰুষ শংকৰদেৱৰ সাহিত্যিক প্ৰতিভা সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ৭ ঃ ভক্তি তাত্ত্বিক গ্রন্থ হিচাপে *নামঘোষা*

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ *নামঘোষা*ৰ আধাৰ গ্রন্থ

৭.৪ *নামঘোষা*ত গুৰু ভক্তিৰ মাহাত্ম্য

৭.৫ *নামঘোষা*ত মাধৱদেৱৰ আত্মলঘিমা

৭.৬ *নামঘোষা*ত কৃষ্ণভক্তিৰ মাহাত্ম্য

৭.৭ *নামঘোষা*ত গুৰুদেৱ-নাম-ভকত আদিৰ তত্ত্ব

৭.৮ *নামঘোষা*ৰ সাহিত্যিক সৌন্দর্য্য

৭.৯ *নামঘোষা*ৰ ভক্তি তত্ত্ব

৭.১০ *নামঘোষা*ৰ অন্তর্নিহিত দর্শন

৭.১১ *নামঘোষা*ৰ অনুবাদ ৰীতি

৭.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১৩ অধিক জানিবলৈ

৭.১৪ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৭.১৫ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ ইতিহাস বৈষ্ণৱ যুগৰ শ্রেষ্ঠ অন্যতম সাহিত্যিক মাধৱদেৱৰ লগত পৰিচয় আৰু তেওঁৰ সাহিত্য ৰাজিৰ সম্যক পৰিচয় লাভ কৰিব
- মধ্যযুগৰ ভক্তি আন্দোলনৰ ফলশ্রুতিত অসমত শঙ্কৰদেৱ প্রচাৰিত বৈষ্ণৱ ধর্মৰ প্রচাৰ আৰু প্রসাৰত মাধৱদেৱৰ ভূমিকা সম্বন্ধে আলোচনা কৰিব পাৰিব
- শ্রেষ্ঠ ভক্ত কবি হিচাপে মাধৱদেৱৰ সাহিত্যৰাজিৰ শ্রেষ্ঠতম সৃষ্টি *নামঘোষা*ৰ সম্যক পৰিচয় লাভ কৰিব
- মাধৱদেৱৰ জীৱন দর্শন, *নামঘোষা*ত প্রতিষ্ঠিত বৈষ্ণৱ ধর্মৰ ভক্তি তত্ত্ব সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- মাধৱদেৱৰ পাণ্ডিত্য আৰু কাব্যিক প্রতিভাৰ ফলশ্রুতিত *নামঘোষা*ৰ আধ্যাত্মিক ধ্রুপদী গ্রন্থৰূপে সার্বজনীনতা আৰু মানৱীয় জীৱনৰ প্রকৃত ধর্ম সম্পর্কত যি শিক্ষা প্রদান কৰি গ'ল তাৰ আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ অন্তর্গত সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা প্রথম পাঠ্যবিষয় 'ভিক্তি সাহিত্য' শিৰোনামাৰ এই পাঠ্যবিষয়ৰ এইটো সপ্তম অধ্যায়। *নামঘোষা* বৈষ্ণৱ যুগৰ অন্যতম শ্রেষ্ঠ সাহিত্যিক মাধৱদেৱৰ অসমীয়া জাতীয় জীৱনলৈ অপূর্ব দান। বৈষ্ণৱ ধর্ম, দর্শন, সাহিত্য আৰু সঙ্গীতৰ সমন্বয়ত সৃষ্টি হোৱা *নামঘোষা*ই সার্বজননীন বিশ্ব সাহিত্যত এখনি ধ্রুপদী গন্থৰূপেও স্বীকৃত হৈছে। ভক্তি তাত্ত্বিক গ্রন্থ হিচাপে *নামঘোষা*ই পৰমার্থ বিচাৰৰ জটিল আধ্যাত্মিক তত্ত্বক প্রাঞ্জল কাব্যিক অভিব্যঞ্জনাৰে সমগ্র মানৱ সমাজক আকর্ষণ আৰু উপকৃত কৰিবলৈ সমর্থ হৈছে।

শঙ্কৰদেৱৰ পৰম ভক্ত মাধৱদেৱে আধ্যাত্মিক আৰু সাহিত্যিক জীৱনত যিবোৰ গ্রন্থ প্রণয়ন কৰি বৈষ্ণৱযুগৰ স্বর্ণসৌধ নির্মাণ কৰিছিল সেই সকলোবোৰৰ ভিতৰত *নামঘোষা*ই সর্বশ্রেষ্ঠ। শঙ্কৰদেৱৰ দ্বাৰা প্রচাৰিত বৈষ্ণৱ ধর্ম বা একশৰণ নামধর্মৰ মূল ভিত্তি ভক্তিৰ মহিমা প্রকাশৰে এখনি উচ্চ মানদণ্ডৰ ভক্তিকাব্য ৰূপে স্বীকৃতি লাভ কৰিছে।

ষষ্ঠদশ শতিকাৰ শেষভাগত মাধৱদেৱে নামধর্ম প্রচাৰৰ উদ্দেশ্যে গুৰু শঙ্কৰদেৱৰ আজ্ঞা আৰু পৰামর্শ মতে জীৱনৰ শেষভাগত মহিমামণ্ডিত এই ভক্তি কাব্যখনি ৰচনা কৰে। পাণ্ডিত্য আৰু সৃজনাত্মক মৌলিক প্রতিভাৰ অপূর্ব স্বাক্ষৰ *নামঘোষা* গ্রন্থখনি মাধৱদেৱৰ জীৱনজোৰা ভক্তি ধর্মক্ষেত্র কর্ষণৰ সর্বোৎকৃষ্ট ফল। *নামঘোষা*ৰ *'নাম'* শব্দটোৱে ভাৱ প্রধান অংশ আৰু 'ঘোষা' শব্দটোৱে ক্রিয়াত্মক অংশৰ পৰিচয় দিছে। ভক্তি সাধন মার্গত *'সাধন'* আৰু *'সাধ্য'*— উভয় স্তৰতে নামৰ মাহাত্ম্য ঘোষণা হৈছে বাবেই গ্রন্থনৰ নাম *নামঘোষা* ৰখা যেন লাগে। *নামঘোষা*ক সংক্ষেপে 'ঘোষা' বুলিও কোৱা হয়। ইয়াৰ 'নাম শব্দটোৱে কেৱল হৰিনাম বা ভগৱানৰ নামকহে বুজাইছে। অর্থাৎ ভগৱান শ্রীকৃষ্ণৰ নামসমূহ আৰু তেওঁৰ লীলাকহে বুজিব লাগিব। তেনেকৈ 'ঘোষা' শব্দটোও তাৎপর্যপূর্ণ। সংস্কৃত 'ঘুষ' (ডাঙৰৈ বা উচ্চ স্বৰে প্রকাশ কৰা)— ঘুষ + অ + আৰ পৰা ঘোষা হৈছে। 'ঘোষ' মানে 'নাদ'। 'নদ' শব্দে 'ঘঞা' অর্থাৎ 'ধ্বনি'। 'নাম উচ্চাৰণৰ লগত 'নাদ' বা 'ঘোষ'ৰ সুক্ষ্মভাৱে দৃঢ় সম্বন্ধ আছে। ভগৱানৰ নাম পুনঃ আবৃত্তিৰ কথা আছে বাবেই এই গ্রন্থৰ নাম *নামঘোষা* । *নামঘোষাত* এহেজাৰ এটি ঘোষা আছে বাবে ইয়াক *'হেজাৰী ঘোষা'* বুলিও কোৱা হয়।

নামঘোষা মাধৱদেৱৰ জীৱনৰ শেষ বয়সৰ ৰচনা বাবে ইয়াক 'মহাপ্রস্থানিক গীত' বুলিও কোৱা হয়। *গুৰুচৰিত কথা* মতে মাধৱদেৱ যেতিয়া সাম্প্রদায়িক উৎপীড়নত কামৰূপ ৰাজ্য এৰি গৈ কোচবিহাৰৰ অন্তর্গত ভেলাডোৱাৰত সত্র পাতি আছিল তেতিয়া সমগ্র জীৱনজুৰি শঙ্কৰদেৱৰ লগত কটোৱা ভক্ত জীৱনৰ অভিজ্ঞতাৰে শঙ্কৰদেৱৰ উপদেশ অনুসৰি *নামঘোষা* গ্রন্থখন ৰচনা কৰে। বৈষ্ণৱ ধর্ম সম্পর্কীয় সকলো প্রশ্নৰ সমাধান *নামঘোষা*তে আছে বুলি মাধৱদেৱে নিজে কৈ গৈছে— "গুৰু সেৱাকৈ যি পালো তাকে ঘোষাতে থৈছো; অনেক শাস্ত্র বিচাৰি যি ৰসতত্ত্ব পালো তাকো ঘোষাতে থৈছো। এতেকে পদার্থে, ভাৱার্থে, তত্ত্বার্থে, নিজার্থে, গূঢ়ার্থে, পৰমার্থে,

অন্তজোৱা সৈতে, সন্তৰ কৃপাত পাব, আমাক সম্পূর্ণ দেখিবা।"(গুৰুচৰিত কথা, ছেদ ৯২৭, ১ম সংস্কৰণ)

*নামঘোষা*ত নামধর্মৰ তাত্ত্বিক কথাসমূহ শৰণ, ভজন, নমস্কাৰ, উপদেশ, আত্ম উপদেশ, আত্মনিন্দা, বস্তুপ্রকাশ, প্রশংসা, খেদ, ভাগৱত প্রশংসা আদি সাতত্রিশ টা পটলত ভাগ কৰিছে। কোনো কোনো পটলৰ পুনৰাবৃত্তি হৈ শিৱোনামৰ সংখ্যা নব্বৈ হৈছেগৈ। সংস্কৃত 'পটল' শব্দৰ মূল অর্থ হৈছে ৰাশি, সমূহ, গোট (Unit) *'নামঘোষা'*ৰ আৰম্ভণী যি ৰসময়ী ভকতিত হৈছে, সেই ৰসময়ী ভকতি আদ্যন্ত *নামঘোষা*ত ৰৈ গৈছে। *নামঘোষা*ত বাণীকান্ত কাকতীয়ে তিনিটা ভাৱৰ ধাৰা মিহলি হৈ থকা বুলি কৈছে ঃ পুণ্যশ্লোক শঙ্কৰ স্মৃতি, আত্মলঘিমা আৰু কৃষ্ণ ভক্তিৰ মাহাত্ম্য)। এই তিনিওটা ভাৱৰ ধাৰাৰ মূল কাৰণ হৈছে তত্ত্বক হৃদয়ৰ অনুভূতিলৈ ৰূপান্তৰ কৰি নিজকো দ্রৱীভূত কৰিব পৰা ৰসময়ী ভক্তিৰ আবেগ।

৭.৩ *নামঘোষা*ৰ আধাৰ গ্রন্থ

*নামঘোষা*ৰ এহেজাৰ ঘোষাৰ ভিতৰত আধাখিনিহে মাধৱদেৱৰ নিজা বা মৌলিক। বাকীখিনি ৩১ খনতকৈয়ো অধিক সংস্কৃত গ্রন্থৰ পৰা শ্লোকৰ সাৰ বা তত্ত্ব সংগ্রহ কৰি ভক্তিৰ মাধ্যমেদি কাব্যছন্দৰ বৈচিত্র্যৰ মাজেদি সুৰৰ যাদুস্পর্শৰে *নামঘোষা*ক নির্মাণ কৰে। সংসাৰৰ ক্লেশ কষ্টৰ পৰা মানৱৰ পৰিত্রাণৰ উপায় প্রদান কৰিবলৈ নাম, দেৱ, গুৰু, ভকতৰ মাহাত্ম্য উদ্ধাৰৰে সৃষ্টিৰ ৰহস্য উদ্‌ঘাটন কৰিব। ভক্ত কবিজনাই বিভিন্ন উৎসৱৰ পৰা সমল সংগ্রহ কৰিছিল। এনে আধাৰ গ্রন্থ সমূহ হ'ল—বিষ্ণুপুৰীৰ *ভক্তি ৰত্নাৱলী, ভাগৱত পুৰাণ, শ্রীমদ্ভাগৱত গীতা,* শ্রীধৰ স্বামীৰ *ভাৱার্থদীপিকা, ভক্তি ৰত্নাকৰ, স্কন্ধ পুৰাণ, পদ্মপুৰাণ, পাণ্ডবীয় গীতা, মহাভাৰত* (উদ্যোগ পর্ব), *নৰসিংহ পুৰাণ, বৈষ্ণৱা মৃতলহৰী, মোহমুদগৰ, ব্রহ্মাণ্ডপুৰাণ, গৰুড় পুৰাণ, সিদ্ধান্তপ্রদীপ, গীতগোবিন্দম, নাৰদ সংহিতা, বহন্নাৰদীয় পুৰাণ, ভৱিষ্যৎপুৰাণ, বামনপুৰাণ, মৎস পুৰাণ, ভক্তিবিবেক* আদি। মুঠতে সমগ্র *'নামঘোষা'* গ্রন্থখনত ২৪৫ টা শ্লোকৰ অনুবাদ আছে। তাৰে বেছিভাগ শ্লোক ভাগৱত পুৰাণ আৰু *শ্রীমদ্ভাগৱত গীতা*ৰ পৰা সংগৃহীত। *ভাগৱত পুৰাণ*ৰ শ্রীধৰ স্বামীৰ *ভাগৱত ভাৱার্থ দীপিকা*ৰ ভাষ্যখনি শঙ্কৰদেৱৰ লগতে মাধৱদেৱেও অনুসৰণ কৰিছিল। দুয়োজনৰ মতে *ভাগৱত পুৰাণ* হ'ল সমস্ত বেদান্তৰ সাৰ। এই কথা মাধৱদেৱে *নামঘোষা*ৰ উপদেশ অংশত দিছে।—

সমস্ত বেদান্ত সাৰ মহাভাগৱত শাস্ত্র
ইয়াৰ অমৃত ৰস পাই।
পৰম সন্তোস পান কৰিলে যিজনে তাৰ
অন্যত্র ৰসত ৰাতি নাই।। ১৮।।

নামঘোষা গ্রন্থৰ আৰম্ভণি 'ভজন' শিৱোনামৰ ঘোষাটি বিষ্ণুপুৰী সন্ন্যাসী ৰচিত। *'ভক্তি ৰত্নাৱলী'*ৰ স্বকৃত 'কান্তিমালাটীকাৰ মুক্তাৱলি নিস্পৃহা — নিত্যং শৰণ্যং ভজে।। এই মঙ্গলচাৰণ শ্লোকটিৰ অনুবাদ। ইয়াৰ ভাৱানুবাদ এনে স্পষ্ট যে মূল সংস্কৃত শ্লোক তত্ত্বটোৱে ঘোষণাশাস্ত্রত

এখনি নিখুঁত চিত্রৰূপ ধাৰণ কৰিছে। এই প্ৰথম আৰু দ্বিতীয় ঘোষাটোৱে *নামঘোষা* গ্ৰন্থৰ মূল প্ৰতিপাদ্য বিষয়টোৰ অৱতাৰণা কৰিছে। 'মুক্তিটো নিস্পৃহ যিটো ঘোষাফাঁকিতে গুৰু, ভকত, ভকতি উপাস্য দেৱতা যদুপতি (কৃষ্ণ) আৰু ভজন প্ৰণালীৰ সাৰভূত তত্ত্ব প্ৰকাশ পাইছে। এইদৰে *নামঘোষা* সৃষ্টিৰ ক্ষেত্ৰত মাধৱদেৱৰ বিস্তৃত অধ্যয়ন আৰু পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। বিভিন্ন শাস্ত্ৰৰ সাৰোদ্ধাৰ কৰি মাধৱদেৱে ভক্তি কাব্য *নামঘোষা* নিৰ্মাণ কৰে। মৌমাখিয়ে মৌচাক নিৰ্মাণ কৰোতে যি অপূৰ্ব কলা-কৌশল ব্যৱহাৰ কৰে মাধৱদেৱেও নিজস্ব প্ৰতিভা আৰু নন্দনতাত্ত্বিক যাদুৰে ছবি, দুলড়ী, লেছাৰী, শৰণ ছন্দ, নামছন্দৰে বিভিন্ন সুৰ তাল লয়ত ঘোষিব পৰা পদ চৰণ আৰু ভক্তসকলে সহজে অনুধাৱন কৰিব পৰাকৈ আকৰ্ষণীয় ৰূপত *নামঘোষা*ত নিয়োগ কৰিছে। সেয়ে *নামঘোষা* এখনি তাত্ত্বিক অনুবাদ গ্ৰন্থ হ'লেও বিশ্বজনীন শ্ৰেষ্ঠ সাহিত্যত পৰিণত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *নামঘোষা*ৰ আধাৰত গ্ৰন্থ কি? (৫০টা শব্দৰ ভিতৰত)

.....

৭.৪ *নামঘোষা*ত গুৰু ভক্তিৰ মাহাত্ম্য

*নামঘোষা*ৰ বহু ঠাইত গুৰু মাহাত্ম্যৰ বৰ্ণনা আছে। বৈষ্ণৱ ভক্তি মাৰ্গত গুৰুৰ স্থান সকলোতকৈ ওপৰত। অসমৰ বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যত শঙ্কৰ-মাধৱৰ মিলন গুৰু শিষ্যৰ এক অপূৰ্ব মণি-কাঞ্চন সংযোগ। মৌলিক প্ৰতিভা, শাস্ত্ৰ, অধ্যয়ন আৰু জ্ঞানত মাধৱদেৱ শঙ্কৰতকৈ কোনো গুণে কম নাছিল। প্ৰথম সাক্ষাতত মাধৱদেৱে তিনি প্ৰহৰ বেলা শঙ্কৰদেৱৰ লগত তৰ্কত অৱতীৰ্ণ হৈছিল আগম শাস্ত্ৰজ্ঞানৰ আধাৰত। শেষত যেতিয়া শঙ্কৰদেৱে ভাগৱতৰ 'যথা তৰোমূল' শ্লোকটি মাতিলে, তেতিয়াহে মাধৱদেৱৰ অজ্ঞানতা দূৰ হ'ল, প্ৰকৃত পথৰ সন্ধান পালে। তেতিয়াই শ্ৰীমন্ত শঙ্কৰদেৱক গুৰু মানি ওৰেটো জীৱন ঐকান্তিক নিষ্ঠা আৰু যত্নৰে গুৰু সেৱা কৰি ওৰেটো জীৱন পাৰ কৰিলে আৰু জগতক শিষ্যত্বৰ চৰম নিদৰ্শন দাঙি ধৰিলে। মাধৱদেৱৰ বাবে গুৰু শঙ্কৰ কি আছিল সেইয়া তেওঁৰ 'জয় গুৰু শঙ্কৰ, সৰ্ব গুণাকৰ' গুৰু ভটিমাটিয়েই স্পষ্ট কৰি তুলিছে। *নামঘোষা*ৰ প্ৰথম ঘোষা 'মুক্তিটো নিস্পৃহ যিটো' ভজনটিত গুৰুভক্তিৰ প্ৰচ্ছন্নৰূপ নিগৰি থকা দেখা যায়। গুৰু ভক্তিৰ জৰিয়তেহে আধ্যাত্মিক উৎকৰ্ষ সাধন হয়। সংসাৰত মায়া বা অবিদ্যা ভেদ কৰি ভগৱন্তক লাভ কৰাৰ একমাত্ৰ সহজ নিষ্কন্টক পথ বা উপায় হ'ল ভক্তি। ভক্তিমাৰ্গৰ পাৰমাৰ্থক তত্ত্ব জ্ঞানৰ দ্বাৰাই ভকতৰ মনৰ শঙ্কা আঁতৰাব পৰাজনহে প্ৰকৃত গুৰু। সৎগুৰুৰ ওচৰত আত্মসমৰ্পণ কৰি নামবস্তু গ্ৰহণ কৰা অতি প্ৰয়োজনীয়। শঙ্কৰদেৱ আছিল তেনে এগৰাকী তত্ত্ব পুৰুষ আৰু প্ৰকৃত গুৰু। সেয়ে *নামঘোষা*ত মাধৱদেৱে প্ৰকাশ কৰিছে—

শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি ।। ৩৫।।

আকৌ—

শ্রীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।। ৩৭৫।।

*নামঘোষা*ৰ গুৰুমাহাত্ম্যত মাধৱদেৱে হৰিভক্তি পন্থৰ উপদেশ দি দুখময় সংসাৰ পাৰ কৰোঁতা গুৰুৰ ঋণ পৰিশোধ কৰিবলৈ সেৱাৰ বাহিৰে যে অন্য উপায় নাই সেই কথা উল্লেখ কৰিছে—

যিটো মহামতি গুৰুজনে হৰিভক্তি পন্থ উপদেশ
দিয়া দুখময় সংসাৰ পাৰ কৰে।
হেনয় পৰম গুৰু ঋণ শুজিবাক প্রতি জানানিষ্ঠ
অন্যস উপায় নাহি অঞ্জলিত পৰে।। ৬৮০।।

*নামঘোষা*ৰ 'বস্তু প্রকাশ' খণ্ডত মাধৱদেৱে গুৰু শংকৰদেৱক সম্পূর্ণৰূপত প্রকাশ কৰিছে—

'হৰি নাম ৰসে বৈকুণ্ঠ প্রকাশে
প্রেম অমৃতৰ নদী।
শ্রীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে
বহে ব্রহ্মাণ্ডক ভেদি।। ৩৭১।।

কৃষ্ণ প্রেম ভক্তিৰ অমৃত 'নামৰস' কেৱল বৈকুণ্ঠতহে আছিল। অর্থাৎ মধ্যযুগত গুপ্ত হৈ থকা সংস্কৃত শাস্ত্রসমূহ মাতৃ ভাষালৈ অনুবাদ কৰি পৰম গুৰজনাই অন্ধকাৰ অজ্ঞানতা আঁতৰাই সমাজলৈ পৰম জ্ঞান কঢ়িয়াই আনে। অর্থাৎ হৰিনাম প্রেম অমৃতৰ নদী বৈকণ্ঠৰ পৰা লোকসমাজলৈ বোৱাই আনে গুৰু শঙ্কৰদেৱে। সেয়েহে *নামঘোষা*ত উচ্চস্বৰে গুৰুলৈ পৰম স্বীকৃতি জনাই মাধৱদেৱে গাইছে—

পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেড়া
অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিল।। ১০০।।

গুৰু ব্রহ্মা, গুৰু বিষ্ণু, গুৰুদেৱ মহেশ্বৰ। গুৰু সাক্ষাত পৰম ব্রহ্ম তস্মৈ শ্রীগুৰুৱে নমঃ। এই শ্লোকৰ সাৰতত্ত্বৰে মাধৱদেৱে *নামঘোষা*ৰ গুৰু ভক্তিৰ মাহাত্ম্য এইদৰে হৃদয়ৰ গভীৰ উপলব্ধিৰে প্রকাশ কৰিছে—

হৰি যেন অতি কৃপাময় ভক্ত গুৰুজনো সেহি নয়
দুয়োজন এক শৰীৰত মাত্র ভিন্ন।
কৃপাৰসে তুষ্ট হুয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজগুণে তুষ্ট দুয়ো অহঙ্কাৰে হীন।। ৬৮৪।।

এইদৰে মাধৱদেৱে অতুলনীয় গুৰু ভক্তিৰ কথাৰে বিভিন্ন ঘোষা অলঙ্কৃত কৰি *নামঘোষা*ত গুৰু মাহাত্ম্যক উচ্চ স্বৰে ঘোষণা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ *নামঘোষা*ত উল্লেখ থকা গুৰু ভক্তি কি? (১০০টা শব্দৰ ভিতৰত)

.....

৭.৫ *নামঘোষা*ত মাধৱদেৱৰ আত্মলঘিমা

*নামঘোষা*ৰ আলোচনা প্রসঙ্গত বাণীকান্ত কাকতিয়ে যি তিনিটা ভাৱধাৰাৰ কথা কৈছিল তাৰ ভিতৰত মাধৱদেৱৰ আত্মলঘিমা অন্যতম। বিস্তৃত অধ্যয়নেৰে সর্বশাস্ত্র বিশাৰদ হৈয়ো মাধৱদেৱ আছিল পাণ্ডিত্য-অভিমানশূণ্য, নিৰহংকাৰী নির্মল ব্যক্তিত্বৰ অধিকাৰী। আনহাতে বিষয় বাসনাই গ্রাস কৰিব নোৱাৰা আদর্শ সংযমী আৰু সংগ্রামী মহাপুৰুষ মাধৱদেৱৰ দাস্য ভক্তি বা আত্মলঘিমা অতি প্রকট আৰু অন্তৰৰ নিভৃত কোণৰ পৰা নির্গৰিত। সেয়েহে *নামঘোষা*ত মাধৱদেৱৰ আত্মলঘিমা, আত্ম নিবেদন, গুৰু ভক্তি, গুৰু সেৱা আৰু দাস্য ভক্তিয়ে চৰম বিকাশ লাভ কৰিছে।

মাধৱদেৱে কিন্তু ভগৱানক জগতৰ নাথ বা স্বামী ৰূপে গ্রহণ কৰি নিজকে তেওঁৰ ভৃত্য বুলি সেৱা আগবঢ়াইছে। সেয়ে তেওঁ নিজকে দাসকু দাস, দীন-হীন মাধৱ, মুৰখমতি, দাসৰো দাস, ভৃত্যৰো ভৃত্য বুলি পৰিচয় দিছে। *নামঘোষা*ৰ সৰহ সংখ্যক ঘোষাতে দাস্য ভক্তিৰ আভা দেখা যায়। ভক্ত কবিজনাই যেন আজীৱন কৃষ্ণৰ দাস হিচাপে আত্মসমর্পণ কৰি দাস্য ভাৱৰ মহাসাগৰত অৱগাহন বর্ণৰ পৰম শান্তি লাভ কৰিছে। তেওঁ নিজকে অনাথ, আশ্রয়হীন দুৰাচাৰ, মূঢ়মতি, অধম বুলি ভগৱন্তৰ কৃপা বিচাৰিছে, আশ্রয় বিচাৰিছে—

'মই অনাথক দয়া কৰহু পৰমানন্দ
দাস বুলি ধৰিয়ো মনত
থৈয়া নিজ ভৃত্যৰ সঙ্গত।
আঙ্গুলি মুখত কৰো দান্তে তৃণ তুলি ধৰো
কেশ চিণ্ডি দিও চৰণত।। ৭০।।

*নামঘোষা*ত ইশ্বৰৰ নাম মহিমা প্রকাশ কৰাৰ লগে লগে মাধৱদেৱৰ দৈন্য স্পষ্ট ৰূপত প্রকাশ কৰি ভক্তিশাস্ত্র খনিকে ভকতৰ প্রাণ স্পন্দন স্বৰূপ কৰি থৈ গৈছে।

'মোৰ সম পাপী লোকে নাহিকেই তিনি লোক
তুমি সম নাহি পাপ হাৰী।
ইজানি গোবিন্দ মোক যেন যুৱাই কৰিয়োক
তুৱা পদে কৰোহা গোহাৰি।। ১৩৬।।

এনে আত্মলঘিমা সূচক ভাৱ প্রকাশ কৰাটো শুদ্ধ, নিস্পৃহ ভক্ত নহ'লে সঁচাকৈয়ে কঠিন। প্রার্থনাসূচক ঘোষা চৰণত ভক্ত কবিজনাই দাস্য ভাৱৰ চূড়ান্ত ৰূপ দিছে। যেনে—

মই দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ।। ১৮৩ ।।

আকৌ,

'নাজানোহো আৱাহন নাজানোহো বিসর্জন
পূজামন্ত্র নাজানো কিঞ্চিত
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণত
মোৰ গতি সাধিবে উচিত।। ১৩৯।।

এদিৰে অনাসক্ত, ভক্তকবি মাধৱদেৱৰ আত্মলঘিমাই কৈ অন্ত কৰিব নোৱাৰি। গোটেই ঘোষা শাস্ত্রখনত আদিৰ পৰা অন্তলৈকে প্রায়বোৰ ঘোষাৰ মাজত দাস্যভাৱৰ বোঁৱতী সুঁতি অন্তঃশ্রোতা ফাল্গু নদীৰ দৰে বৈ আছে। *'নামঘোষা'*ত মাধৱদেৱৰ দাস্যভাৱ অতি বিনয়সূচকভাৱে প্রকাশ পাইছে আৰু ইয়াকে মাধৱদেৱৰ আত্মলঘিমা বোলা হৈছে।

৭.৬ *নামঘোষা*ত কৃষ্ণ ভক্তিৰ মাহাত্ম্য

কৃষ্ণতত্ত্ব বা কৃষ্ণভক্তিয়েই *নামঘোষা*ৰ মূল প্রতিপাদ্য বিষয়। মাধৱদেৱে তেওঁৰ হৃদয়ত নিগৰিত প্রগাঢ় ভক্তিৰে *'নামঘোষা*ৰ বিভিন্ন ঘোষাত পূর্ণব্রহ্ম কৃষ্ণৰ প্রকৃত স্বৰূপ, তত্ত্ব আৰু মাহাত্ম্যৰ ব্যাখ্যা আগবঢ়াইছে। ভাগৱতৰ 'কৃষ্ণস্তু ভগৱান স্বয়ম' আৰু শ্রীমদ্ভাগৱত গীতাৰ কৃষ্ণক পৰম ব্রহ্ম ৰূপে প্রতিষ্ঠাপিত তত্ত্বক ভক্ত কবি মাধৱদেৱে তেওঁৰ কালজয়ী ভক্তি কাব্য *নামঘোষা*ত যদুপতি, দৈৱকীনন্দন শ্রীকৃষ্ণক নিৰাকাৰ নির্গুণ ৰূপত অংকিত কৰি তাৰ জৰিয়তে পৰম ব্রহ্মৰ তত্ত্ব আৰু ভক্তিৰ অবিস্মৰণীয় বাণী ব্যক্ত কৰিছে।

*নামঘোষা*ৰ আৰম্ভণিতে ভক্তপ্রেমীক তত্ত্বদর্শী মাধৱদেৱে পৰম পুৰুষ শ্রীকৃষ্ণক এনেদৰে ভজন কৰিছে—

'সমস্ত মস্তক মণি নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি ।। ১।।

আকৌ লগতে কৈছে—

যাৰ ৰাম কৃষ্ণ নাম নাৱে ভৱসিন্ধু তৰি
পাৱে পৰমপদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপসা কৰোহো হৃদয়ত।।২।।

উদ্ধৃত প্রথম ঘোষাফাঁকিত চৰাচৰ জগতৰ সমস্ত দেৱতা, ঋষি, মুনি, সিদ্ধ, পাৰিষদ আদি সকলোৰে শিৰৰ ভূষণ ভকত বৎসল দেৱ যদুপতি কৃষ্ণক ভজনা কৰাৰ কথা কৈছে।

দ্বিতীয়ফাঁকি ঘোষাত সদানন্দ, সনাতন ৰাম-কৃষ্ণ নামধাৰী পূর্ণমূর্তি কৃষ্ণদেৱক উপাসনা কৰি জীৱই পৰম্পদ বা মুক্তি লভিব পাৰে।

পূর্ণ ব্রহ্মমূর্ত্তি কৃষ্ণ আকৌ সকলো অৱতাৰৰো কাৰণ—

'মৎস, কুর্ম নৰসিংহ বামন পৰশুৰাম
হলিৰাম বৰাহ শ্রীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৰে কৰোহো প্রণাম।।৩।।

এইজন কৃষ্ণদেৱে অৱতাৰ ধাৰণ কৰি দুষ্টক দমন আৰু সন্তক পালন কৰি আছে।

এইদৰে ভক্ত কবিজনাই *'নামঘোষা*ৰ আৰম্ভণিতেই হৃদয়ৰ ভক্তিৰে কৃষ্ণতত্ত্ব উন্মোচন কৰি পিছলৈ ক্রমে বিভিন্ন ঘোষাত পূর্ণব্রহ্ম কৃষ্ণৰ স্বৰূপ, তত্ত্ব আৰু মাহাত্ম্যৰ ব্যাখ্যা দিছে।

*নামঘোষা*ত কৃষ্ণ ভক্তি মাহাত্ম্য অতি বিশদভাৱে আলোচিত হৈছে। মাধৱদেৱে 'কৃষ্ণ' শব্দৰ ব্যুৎপত্তিগত অর্থ দেখুৱাই মূর্তিমন্ত আনন্দস্বৰূপ পৰমব্রহ্ম ৰূপে বর্ণনা কৰিছে—

'কৃষ্ং হেন শব্দ ইটো পৃথিৱীবাচক ভৈল
ণ আনন্দত প্রৱর্তয়
দুইৰো এক পদ ভৈলে পৰম ব্রহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্র কয়।। ১৪০।।

*নামঘোষা*ৰ বিভিন্ন ঠাইত কৃষ্ণক চৈতন্য স্বৰূপ আৰু সুমধুৰ মঙ্গল, অব্যক্ত, মূর্তিশূণ্য, সর্বধর্ম, অনুপম আৰু সকলো নিগম তত্ত্বৰ সাৰ, শুদ্ধ আত্মা, নিত্য, সত্য, বুদ্ধ আৰু অখণ্ডিত জ্ঞান, শান্ত, চিদানন্দ, অনন্ত মহিমণ্ডিত, ভকতৰ ইষ্ট আৰু জগতৰ গুৰু বুলি সৰল অথচ গভীৰ তত্ত্বপূর্ণ বক্তব্যৰে ব্যক্ত কৰিছে।

ঈশ্বৰ বা ভগৱানৰ পৰিচয় দিয়া জটিল দার্শনিক কর্ম। কিন্তু মাধৱদেৱে *'নামঘোষা'*ত দুটা শাৰীত এইদৰে ঈশ্বৰৰ সংজ্ঞা নিৰূপণ কৰিছে—

"প্রকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।।"

উপৰোক্ত তত্ত্বৰ বিস্তৃতি ঘটাই মাধৱদেৱে ঈশ্বৰ নির্ণায়ক আন এটি ঘোষাও ৰচনা কৰিছে। "ঈশ্বৰ সৃষ্টি স্থিতি অন্তকাৰী সর্বশ্রেষ্ঠ দেৱতা ঃ কৃষ্ণ বিনে শ্রেষ্ঠ দেৱ নাহি আৰ" বর্ণনাৰে অনাদি অনন্ত, নির্গুণ, অথচ গুণৰ নিয়ন্ত্রক, জন্ম মৃত্যু ৰহিত, সুন্দৰ, সনাতন গুণনিধি আদি কৃষ্ণতত্ত্বৰ মাহাত্ম্য বিশ্লেষণ কৰিছে। সেইদৰে *নামঘোষা*ৰ 'নমস্কাৰ'ৰ শেষত দৈৱকীনন্দন কৃষ্ণক নাৰায়ণ তত্ত্ববোধৰে শৰণ মাগিছে—

হে কৃষ্ণ তযু পাৰে পশিলো শৰণ।
মই অনাথৰ নাথ তুমি নাৰায়ণ।।

শেষত দেখা যায় সমগ্র *নামঘোষা*ৰ বিভিন্ন ঘোষাত ব্যাপ্ত হৈ থকা কৃষ্ণভক্তি তত্ত্বৰ সামগ্রিক ৰূপক ভক্ত কবিজনাই তেওঁৰ অমৰ সৃষ্টিৰ এটি ঘোষাত উচ্চস্বৰে যেন প্রকাশ কৰিছে—

'কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৱো অধিকাৰী
কৃষ্ণ বিনে শ্রেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগত সাৰ।। ৫৮৮।।

অর্থাৎ জীৱৰ সকলো দুঃখ হৰণ কৰোঁতা একমাত্র দেৱতা কৃষ্ণ, তেৱেঁই কাল মায়াদিৱো অধিকাৰী। কৃষ্ণৰ বাহিৰে আন কোনো শ্রেষ্ঠ দেৱতা নাই। তেৱেই সৃষ্টি, স্থিতি অন্তকাৰী দেৱ। তেওঁৰ বাহিৰে আন কোনো দ্বিতীয় জন নাই। এতেকে বিষ্ণুৱেই সমস্ত জগতৰ সাৰ বুলি জানিবা।

এইদৰে মাধৱদেৱে *নামঘোষা*ত কৃষ্ণদেৱ তত্ত্বক মহিমামণ্ডিত ৰূপত প্রতিষ্ঠা কৰিছে।

৭.৭ *নামঘোষা*ত গুৰুদেৱ-নাম-ভকত আদিৰ তত্ত্ব

বৈষ্ণৱ ধর্মৰ মূল চাৰিবস্তু গুৰু, ভকত, নাম, দেৱৰ তত্ত্ব মাধৱদেৱে *নামঘোষা*ত নির্দেশ কৰি গৈছে। বেদান্তৰ সাৰ মহাভাগৱতত দেৱৰ উত্তম কৃষ্ণ, গুৰুৰ উত্তম শঙ্কৰগুৰু, মন্ত্রৰ উত্তৰ নাম, কর্মৰ উত্তম ঈশ্বৰসেৱা বৈষ্ণৱ ধর্মৱো এই সৈদ্ধান্তিক মত মাধৱদেৱে কর্তৃত্বসম্পন্ন শাস্ত্রৰ ভিত্তিত প্রতিষ্ঠা কৰিছে। সেয়েহে ক'ব পাৰি যে *নামঘোষা* মাধৱদেৱৰ অমৰ সৃষ্টিত গুৰুদেৱ-নাম-ভকত এই চাৰিও তত্ত্বৰ মমার্থে সমাবেশ ঘটিছে।

*নামঘোষা*ৰ প্রথমটি ঘোষা 'ভজন'ত গুৰু, ভকত, নাম, দেৱৰ তত্ত্ব প্রতিফলিত হয়। প্রথমটি ঘোষাতে কোৱা হৈছে যে কামনা-বাসনাহীন আনকি মুক্তিতো নিস্পৃহ ৰসময়ী ভক্তিৰে কৰা শ্রৱণ কীর্তনত সদানন্দ কৃষ্ণৰ লীলা-মালা, গুণ-গৰিমা সততে নিমজ্জিত, যিজনৰ প্রেমময়ী ভক্তিত 'সমস্ত মস্তক মণি' স্বয়ং ভগৱানো বশ হয়, তেনে ভক্তহে গুৰুৰ বাবে যোগ্য। 'গুৰু' শব্দৰ অর্থ তাৎপর্যপূর্ণ। 'গু' পদে 'গুহা' বা অন্ধকাৰ। 'ৰ' পদে 'ৰশ্মি' বা 'পোহৰ'? এই মায়াময় গুহা অন্ধকাৰ ৰূপী সংসাৰৰ পৰা যিজনাই পোহৰৰ বাট দেখুৱাই দিব পাৰে প্রকৃতার্থত সেইজনাই গুৰু। গুৰু অবিহনে কোনো কার্যই সিদ্ধি নহয়। 'গুৰু'ৰ নির্দেশত ভগৱন্তক উপাসনা কৰিলেহে সংসাৰ বন্ধনৰ পৰা মুক্ত হ'ব পাৰি। ভৱসাগৰ পাৰ হ'ব পৰা নৌকাৰ কাণ্ডাৰী হ'ল গুৰু। গুৰুৰ উপদেশ লৈ সৎসঙ্গত থাকি ভগৱন্তৰ চৰণত একান্তমেন শৰণাপন্ন হ'লে ভকত বৎসল ভগবানে ভক্তক উদ্ধাৰ কৰাটো নিশ্চিত। সেয়েহে দ্বিতীয় ঘোষাত কৈছে—

'যাৰ ৰাম কৃষ্ণ নাম নাৱে ভৱ সিন্ধু তৰি
পাৱে পৰম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰো হৃদয়ত।। ২।।

জগতখন হ'ল অসাৰ, অনিত্য। ভগৱন্ত হ'ল নিত্য, শুদ্ধ, নির্মল আৰু নির্গুণ। ভগৱন্তই মায়া বা অবিদ্যাৰ জৰিয়তে অসন্ত জগতখনক সন্ত ৰূপত প্রকাশ কৰে, যাৰ বাবে 'ৰচিত সর্পৰ ভ্রম' হোৱাৰ দৰে জীৱই সংসাৰখনতে সর্বস্ব বুলি মজি থাকে। এই অসাৰ অসত্যৰ সন্ধান পাবলৈ

হ'লে গুৰুভক্তিৰ জৰিয়তে আধ্যাত্মিক উৎকর্ষ সাধন হ'ব লাগিব। মায়া বা অবিদ্যাৰ আভৰণ ভেদ কৰি ভগৱন্তক লাভ কৰাৰ একমাত্র সুগম পথ হ'ল ভক্তি। সমস্ত শাস্ত্রৰ সাৰোদ্ধাৰ কৰি শ্রীমন্ত শঙ্কৰদেৱে জীৱ তৰণৰ হেতু ভকতিৰ ভাণ্ডাৰ প্রকাশ কৰিলে। পবিত্র ভকতিৰ অমিয়া জনগণক পান কৰাই যিজনা গুৰুৱে উপাসনা, আৰাধনা আৰু মোক্ষপ্রাপ্তিৰ সন্ধান দিলে সেইজন গুৰু গুৰুৰো পৰম গুৰু। সেয়েহে সম্যকভাৱে মাধৱদেৱে *নামঘোষাত* ব্যক্ত কৰিছে—

'শ্রীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।। ৩৭৫।।

এইদৰে *নামঘোষাৰ* 'বস্তু প্রকাশ' অধ্যায়ত গুৰু তত্ত্বৰ প্রকাশ অতি তাৎপর্যপূর্ণভাৱে ভক্তসকলৰ কল্পতৰু শ্রীশঙ্কৰৰ কথা কোৱা হৈছে। বৈকুণ্ঠত 'কল্পতৰু' নামে এজোপা বৃক্ষ আছে। এই কল্পতৰু বৃক্ষ সর্বকাম সফল কৰে। শ্রীমন্ত শঙ্কৰ ভক্তসকলৰ কল্পতৰু গুৰু। ভাগৱতৰ চাৰিবস্তু *নামঘোষা* ঘোষাৰো চাৰিবস্তুৰ অন্য এক প্রকাশ হ'ল 'দেৱ'। ভাৰতীয় সংস্কৃতিয়ে 'তেত্রিশ কোটি দেৱতা'ৰ অস্তিত্ব স্বীকাৰ কৰিলেও অসমৰ বৈষ্ণৱ ধর্মত 'অনন্ত কোটি ব্রহ্মাণ্ডৰ হৰি অধিকাৰী' এজন দেৱতাৰ অস্তিত্বকহে স্বীকাৰ কৰিছে। সেইজনেই কৃষ্ণ দেৱতা। সকলো দুখ, সুখ, সৃষ্টি স্থিতি আৰু লয়ৰ অধিকাৰী হ'ল কৃষ্ণ দেৱতা। ভাগৱত পুৰাণ, 'কৃষ্ণস্তু ভগৱান স্বয়ম' সাৰ সংগ্রহেৰে নির্মাণ কৰা *নামঘোষাত* ব্রহ্মা আৰু হৰৰো উপাস্য দেৱতা একমাত্র প্রাণকর্তা পৰমশক্তি পুৰুষোত্তম কৃষ্ণদেৱতাৰহে জয়গান গাইছে—

'কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্রেষ্ঠ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগত সাৰ।। ৫৮৮।।

লগতে *'নামঘোষাত* মাধৱদেৱে ইয়াকো প্রকাশ কৰিছে যে বিষ্ণু বা কৃষ্ণভক্তিৰ বাহিৰে অন্য দেৱতাক পূজা সেৱা কৰিলে নিস্ফল হৰি নাম অর্থাৎ একান্ত ভক্তিৰে ভগৱানক স্মৰণ কৰিব পাৰিলেই পৰম ধর্ম সাধন হয়। দেৱৰো দেৱতা দৈৱকী নন্দন কৃষ্ণ। তেওঁৰ গুণ নামেই পৰম ধর্ম।

শঙ্কৰদেৱৰ *কীর্ত্তন, দশম,* আৰু মাধৱদেৱৰ *নামঘোষা, ৰত্নাৱলীক* মহাপুৰুষীয়া ধর্ম অর্থাৎ একশৰণ হৰি নাম ধর্মৰ 'চাৰি বেদ' বা চাৰি খুটি' বোলা হয়। শ্রীমন্ত শঙ্কৰৰ হাতত গুৰু আৰু দেৱতত্ত্ব প্রকাশ পাইছে। মাধৱদেৱে পুৰুষত প্রকাশ পাইছে নাম আৰু ভকত তত্ত্ব। সেয়েহে চাৰি শাস্ত্রৰ *কীর্ত্তনত* গুৰুতত্ত্ব আৰু *দশমত* দেৱতত্ত্ব— *নামঘোষাত* নামতত্ত্ব আৰু ৰত্নাৱলীত ভকত তত্ত্ব শক্তিশালীভাৱে প্রকাশি উঠিছে। ইয়াতে ভক্তসকলে শঙ্কৰ মাধৱ অভেদ্য ৰূপত *কীর্ত্তন-দশম* শ্রীমন্ত শঙ্কৰৰ মূর্ত্তি স্বৰূপ আৰু *ঘোষা ৰত্নাৱলী* শ্রী মাধৱ পুৰুষৰ মূর্ত্তি স্বৰূপ ভাৱত গ্রহণ কৰিছে।

মাধৱদেৱৰ *নামঘোষা* নামতত্ত্ব প্ৰকাশক এখনি আদৰ্শ গ্ৰন্থ। মাধৱদেৱে ঘোষাসমূহক অনেক ভাগত ভাগ কৰিছে যদিও নামান্বয়, নাম মহিমা আদি অনেক পটলত বিশেষভাৱে নাম মাহাত্ম্যক ব্যক্ত কৰা দেখা যায়। তদুপৰি শৰণছন্দ বা ঘোষা ছন্দ আৰু নামছন্দ বা পটলসমূহতো নাম মহিমাকে প্ৰকাশ কৰিছে। 'নাম' দুটি অক্ষৰৰ এটি শব্দ আৰু অৰ্থসূচক শব্দই নাম। নামঘোষাত 'নাম' দুটি অক্ষৰৰ এটি শব্দ আৰু অৰ্থসূচক শব্দই নাম। *নামঘোষা*ত 'নাম শব্দই ভগৱন্তৰ নামক বুজাইছে। যিজনে চৰাচৰ ব্ৰহ্মাণ্ডৰ গৰাকী, যিজন নিৰ্গুণ, নিৰাকাৰ, নিত্য, সত্য, বুদ্ধ পৰমানন্দ বিষ্ণুৰ নাম। এই নাম অনাদি অনন্ত। ভগৱন্তৰ নাম লৈ অন্ত কৰিব নোৱাৰি। ব্ৰহ্মাই চাৰিমুখে, অনন্তই সহস্ৰ মুখেও নামৰ সংখ্যা ক'ব নোৱাৰিলে। শিৱই সহস্ৰনাম, ব্ৰহ্মাদি দেৱগণে অষ্টোত্তৰ শতনাম আৰু বেদে অষ্ঠ প্ৰকাৰৰ নামৰ স্বৰূপ প্ৰকাশ কৰিলে। কিন্তু প্ৰকৃততে ইশ্বৰৰ নামত প্ৰকৃত সংখ্যা কোনেও জানিবলৈ সক্ষম নহ'ল। মাধৱদেৱে *নামঘোষা* গ্ৰন্থখনিত ১৬৪ টি নামৰ উল্লেখ কৰিছে। আমি সাধাৰণতে ব্যৱহাৰ কৰা নামৰ উপৰিও অনেক নামৰ উপস্থাপন কৰিছে ঈশ্বৰৰ গুণ, যশ, কাৰ্যকাৰণ তথা কাৰক সূচকভাৱে। ভক্ত কবিজনাই হৃদয়ৰ গভীৰ আবেগ, ভক্তি আৰু কৰুণ আবেদনৰ বিভিন্ন ঘোষাৰ পংক্তিত প্ৰায়োগিক ৰূপত ব্যৱহাৰ কৰিছে তাৰ দ্বাৰা ঘোষাৰ অৰ্থই প্ৰাঞ্জল কৰি তোলা নাই, লগতে নাম মাহাত্ম্যও প্ৰকাশ কৰিছে। বেদ-বেদান্ত, উপনিষদ আদি ধৰ্ম গ্ৰন্থৰ মূল উদ্দেশ্য আৰু লক্ষ্যই হৈছে ভগৱানৰ নামৰ মাহাত্ম্য প্ৰকাশ কৰা। *নামঘোষা*ও নামতত্ত্ব বিচাৰমূলক এখনি আদৰ্শ গ্ৰন্থ।

চাৰি বস্তুৰ আন এক প্ৰকাশ হ'ল ভকত। 'ভ' মানে ভগৱন্ত ভয় বিমোচন, 'ক' মানে কৃষ্ণ ভক্তি আৰু 'ত' মানে তৰণৰ উপায় কৃষ্ণত শৰণ। ভকত ভগৱন্তৰ অতি প্ৰিয়। এই কথা শ্ৰীকৃষ্ণই নিজ মুখে গীতাত কৈছে যে ভগৱন্ত ভক্তৰ অধীন, ভকত বৎসল। তেওঁ নিৰাকাৰ, চৰাচৰ যদিও ভকতৰ ওচৰত বন্দী। ভকতে যি কামনা কৰে ভগৱন্তই অচিৰেই তাক পূৰণ কৰে।

মাধৱদেৱৰ *নামঘোষা*ত এই সম্পৰ্কত কোৱা হৈছে—

'একান্ত ভকত সৱে নির্গুণ কৃষ্ণ গুণ
গাৱে সদা বাসিয়া যথাত।
বৈকুণ্ঠকো পৰিহাৰ যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাতি।।

কিন্তু ভকতৰ ভক্তিপূৰ্ণ হয় সাধু বা সৎসঙ্গত, অৰ্থাৎ ভক্তৰ সংসৰ্গতহে সৎসঙ্গ অবিহনে ভকতি অপূৰ্ণ। সত্য, দয়া, ক্ষমা ভকতিৰ মূলমন্ত্ৰ। মাধৱপুৰুষে *নামঘোষা*ত ব্যক্ত কৰিছে—

মহন্তৰ সঙ্গে হৰি কথা ৱসে
মনক জিনিয়ো ভাই।
মায়াক তৰিয়া হৰিক পাইবাৰ
উপায় আৱৰ নাই।।

এইদৰেই মাধৱদেৱৰ *নামঘোষা*ত গুৰু দেৱ নাম ভকতৰ তত্ত্ব অতি সহজ সৱল আৰু প্ৰাঞ্জলভাৱে বিভিন্ন ঘোষাত পৰিস্ফুট হৈ উঠিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ 'ভকত' শব্দটো বিশ্লেষণ কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

৭.৮ *নামঘোষাৰ* সাহিত্যিক সৌন্দর্য্য

নামঘোষা মাধৱদেৱৰ সাহিত্যিক জীৱনৰ শ্রেষ্ঠ কীর্ত্তনস্তম্ভ। আধ্যাত্মিক শাস্ত্রৰূপেও শ্রেষ্ঠত্ব দাবী কৰিব পৰা গ্রন্থ *নামঘোষাৰ* সাহিত্যিক মূল্য অপৰিসীম। সভ্যতা, সংস্কৃতি আৰু জীৱন পদ্ধতিত চহকী এটা জাতিৰ পৰিচয় পোৱা যায় সেই জাতিৰ সাহিত্য সম্পদত। বিশ্বজনীনতা উৎকৃষ্ট সাহিত্যৰ এক লক্ষণ। দেশ কাল ভেদে মানুহৰ জীৱন পদ্ধতি, ভাষা বেলেগ হ'লেও চিন্তা, আবেগ, অনুভূতিৰ ক্ষেত্রত সকলো মানুহেই একে। সাহিত্যই যিহেতু মানুহৰ আবেগ অনুভূতি আৰ স্বভাৱিক প্রকাশ কৰে সেয়ে বিনা দ্বিধাই ক'ব পাৰি যে ভক্তি সাহিত্য বা আধ্যাত্মিক শাস্ত্র বিশ্বজননী আৰু সার্বজনীন।

ভক্তি সাহিত্যক কোনো জাতীয় সীমাৰ ভিতৰত আৱদ্ধ ৰাখিব নোৱাৰি। *নামঘোষা* দৰাচলতে এখনি বিশ্ব সাহিত্যৰ সার্বজননী শ্রেষ্ঠ ভক্তি সাহিত্য। সাহিত্যক প্রধানভাৱে দুটা ভাগত ভগাব পাৰি। জ্ঞানৰ সাহিত্য আৰু শক্তিমন্তৰ সাহিত্য। জ্ঞানৰ সাহিত্যই পাঠকৰ মনত জ্ঞানৰ পৰিসৰ বৃদ্ধি মানৱ সমাজক ব্যৱহাৰিক তথ্য প্রযুক্তিৰ প্রগতিত অগ্রসৰ কৰে। আনহাতে শক্তিমন্তা বা প্রাণৰ সাহিত্যৰ লক্ষ্য হ'ল পাঠকৰ হৃদয় মন আলোকিত কৰি বৌদ্ধিক প্রজ্ঞাৰ পোহৰ বিলোৱা। মাধৱদেৱে সত্য, সুন্দৰৰ আবেগসনা বৌদ্ধিক অনুভূতিক মৌলিক সৃজনাত্মক শিল্প প্রতিভাৰে আধ্যাত্মিক জীৱনৰ অভিজ্ঞতাক 'নামঘোষাত উপস্থাপন কৰিছে। যাৰ ফলত উৎকৃষ্ট আধ্যাত্মিক ৰস সাহিত্যৰূপে 'নামঘোষাই স্বীকৃতি পাবলৈ সক্ষম হৈছে। বিনোৱা ভাৱেই নামঘোষাৰ ওপৰত এইদৰে মন্তব্য কৰিছিল—'ই বিশ্বৰ সর্বোৎকৃষ্ট ধর্ম গ্রন্থবোৰৰ ভিতৰত অন্যতম। ইয়াত থকা 'সেৱা ৰসসাৰ' পৃথিৱীৰ অন্য গ্রন্থত বিৰল। আমাৰ লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল—'পৃথিৱীৰ সু-সভ্য দেশত এনে এখন Sricture বা শাস্ত্র ওলোৱা নাই যাক আমাৰ 'নামঘোষা' শাস্ত্রখনৰে সৈতে একেশাৰীত ঠগিত থব পাৰি। ইয়াত কোনো কাহিনী পোৱা নাযায় বা শাত্রখন বর্ণনাত্মক নহয়। কৃষ্ণভক্তি তত্ত্বৰ ওপৰত ৰচিত গ্রন্থখনত মাধৱদেৱে পাণ্ডিত্য, শৈল্পিক প্রতিভাৰে নিগুর্ণ, নিৰাকাৰ, ভগৱন্তৰ নামৰ মহিমাকেই প্রাঞ্জল ভাৱে প্রকাশ কৰিছে। বৈষ্ণৱধর্মৰ ওপৰত লিখা এনে এখনি অনুপম তাত্ত্বিক পুথি ভাৰতবর্ষ নালাগে বোধকৰো বিশ্বতে বিৰল।

নামঘোষাৰ অধিকাংশ ঘোষাক উত্তম কবিতাৰ শ্রেণীত পেলাব পাৰি। ধর্মৰ বিষয় বস্তুৰে পুথিখন আগবঢ়ালেও এই কবিতাবোৰ যেন এজন ৰহস্যবাদী কবিৰ অকৃত্রিম অনুভূতিৰ নিজৰা। *নামঘোষাত* ধর্ম প্রচাৰৰ মনোভাৱতকৈ ভক্ত হৃদয়ৰ গভীৰ আৰু সুদৃঢ় আত্মবিলোপনৰ

সুৰে সৰগী সৌন্দৰ্য দান কৰিছে। সকলো সৌন্দৰ্য্যৰে একক সত্ত্বাক সন্ধান কৰি ৰহস্যবাদী ভক্ত কবিজনাই প্ৰিয়তম আত্মাৰ পৰম দেৱতাৰ সৌন্দৰ্যত দ্ৰৱীভূত হৈ যাবলৈ সক্ষম হৈছে। এইখিনিতেই মাধৱদেৱৰ ব্যক্তিত্বক বাদ দি *নামঘোষাৰ* শ্ৰেষ্ঠ সাহিত্যৰোৰ আলোচনা সম্পূৰ্ণ কৰিব নোৱাৰি।

নামঘোষাৰ বিষয় বস্তু দাৰ্শনিক তত্ব হোৱা বাবে অতি বিশাল আৰু গভীৰ। মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম দৰ্শনৰ চূড়ান্ত সাৰ সংগ্ৰহ। পণ্ডিত ভক্ত কবি, ছান্দসিক মাধৱদেৱে তেওঁৰ অমস সৃষ্টি *নামঘোষাত* সমালোচক বাণীকান্ত কাকতিয়ে সেয়েহে মন্তব্য কৰিছে যে সাহিত্য হিচাপে *নামঘোষাৰ* মূল্য ইয়াৰ গভীৰ ভক্তিৰসত। এই দৃষ্টিভঙ্গীৰেই বিনোৱাজীয়েও পুনঃ কৈছিল— *নামঘোষা* নিঃসন্দেহে অতি উচ্চ ভাৱ আৰু সাহিত্যৰ সকলো তত্ত্ব বিশিষ্ট এখন উচ্চমানৰ সাহিত্য। সঁচাকৈয়ে মহৎ ধ্ৰুপদী গ্ৰন্থখনিৰ কাব্যিক সৌন্দৰ্য অতুলনীয় আৰু অনুপম।

নামঘোষাৰ কিছু সংখ্যক ঘোষা বিভিন্ন সংস্কৃত শাস্ত্ৰৰ শ্লোকানুবাদ হ'লেও কাব্যখনিৰ কোনখিনি অনুবাদ আৰু কোনখিনি কবিজনাৰ স্বকীয় সৃষ্টি তাৰ পাৰ্থক্য ধৰিব নোৱাৰি। কিছুমান ঘোষা পংক্তিত শ্লোকৰ মূলৰো অধিক কবিত্ব, লালিত্য, মাধুৰ্য আৰু ভক্তি উচ্ছাসৰ শব্দ চাতুৰ্য্যৰ পদ বিন্যাস দেখিবলৈ পোৱা যায়। *নামঘোষাৰ* পটল বিভাজন গ্ৰন্থখনিৰ নিজা বৈশিষ্ট্য। ঘোষা সমূহে ৩৭ টা পটলত বিভাজিত। সেইবোৰ ভজন, নমস্কাৰ, উপদেশ, নিন্দা, প্ৰাৰ্থনা, মহিমা, আত্মউপদেশ, বস্তুপ্ৰকাশ, প্ৰশংসা, অনুধিতা, নাম, পৰমাৰ্থসাৰ, হৰবাৰ, নামান্বয়, খেদ, ইশ্বৰ নিৰ্ণয় ইত্যাদি। আকৌ এই ৩৭ টা ভাগৰ পনৰাবৃত্তি ঘটি প্ৰায় ৯০/৯১ ভাগত সমস্ত গ্ৰন্থখনি বিভাজিত হৈছে।

প্ৰাচীন ভাৰতীয় আলঙ্কাৰিকসকলৰ মতে কাব্যিক সৌন্দৰ্য লুকাই থাকে কবিতাৰ ৰস, অলঙ্কাৰ, ছন্দসজ্জা আৰু ভাৱ-ভাষাৰ সুগম প্ৰয়োগত। ৰসহীন কাব্য কেতিয়াও সাৰ্থক কাব্য বা কবিতা হ'ব নোৱাৰে। *নামঘোষাত* ভক্তিৰসৰ প্লাৱন নামিছে। ত্ৰয়োদশ শতিকাত ভক্তিৰসিক বোপদেৱে ভক্তিকো ৰস হিচাপে স্বীকৃতি দিছে। তেওঁৰ *'মুক্তাফল'* নামৰ গ্ৰন্থত শৃংগাৰ, হাস্য, কৰুণ, বীৰ আদি ন বিধ ৰসৰ যোগেদি ভক্তিৰস আস্বাদন কৰিব পাৰি বুলি কৈছে। মাধৱদেৱে বাৎসল্য, দাস, ভক্তি ৰসৰ যোগেদি তেওঁৰ সাহিত্যৰাজিত পাঠকক অৱগাহন কৰাইছে। সেই বাৰেই বাণীকান্ত কাকতিয়ে এইদৰে মন্তব্য কৰে 'এপিনে যেনেকৈ মাধৱদেৱে নিজৰ ৰচিত গীত, নাট আদিত বাৎসল্য ভক্তিৰ পকাষ্ঠা দেখুৱাইছে আনপিনে তেনেকৈ *নামঘোষাতো* হৃদয়ৰ আবেগ ঢালি দি দাস্যভাৱক কবিত্বৰ চৰম সীমালৈ লৈ গৈছে। বাৎসল্য ৰসৰ উদয়াচলত আবিৰ্ভূত হৈ দাস্যভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্য প্ৰতিভা মাৰ গৈছে। *নামঘোষা* গ্ৰন্থখনি এখনি ভক্তিৰসৰ কাব্য, সেইকথা মাধৱদেৱে গ্ৰন্থৰ আৰম্ভণিতেই ঘোষণা কৰিছে। সাৰ্থক সাহিত্যৰ এইটো এটা প্ৰধান লক্ষণ।

কাব্যিক সৌন্দৰ্যৰ বিচাৰত ৰসৰ পিছতেই অলংকাৰৰ স্থান। অলংকাৰৰ সুষম প্ৰয়োগে কাব্যৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰে। অলংকাৰৰ প্ৰয়োগে ভাৱ প্ৰকাশ কৰা শব্দক কাব্যত অধিক প্ৰভাৱশালী কৰে। তদুপৰি অলংকাৰ প্ৰয়োগত বাক্য আৰু ভাৱ স্পষ্টৰূপত ধৰা দিয়ে। উদাহৰণ স্বৰূপে "শ্ৰীমন্ত শঙ্কৰ/ হৰি ভকতৰ/ জানা যেন কল্পতৰু /তাহান্ত বিনাই/ নাই নাই নাই/আমাৰ পৰম গুৰু।" এই ঘোষাফাকিত শ্ৰীমন্ত শঙ্কৰদেৱ ভকতৰ বাবে বৈকুণ্ঠৰ কল্পতৰু সদৃশ। ইয়াত

'কল্পতৰু' বৃক্ষক উপমা হিচাপে গ্রহণ নকৰি আন উপমাৰে বুজাবলৈ গ'লে গুৰুজনাৰ স্বৰূপ ইমান সুন্দৰ আৰু ব্যাপক নহ'লহেঁতেন। মাধৱদেৱে এনেদৰে *নামঘোষাত* যথোপযুক্ত অলঙ্কাৰ প্রয়োগ কৰি গ্রন্থখনিৰ নান্দনিক দিশত চাৰুত্ব বা মনোহাৰিত্ব প্রদান কৰিছে।

ৰস আৰু অলংকাৰৰ সমানেই ছন্দয়ো কাব্যৰ সৌন্দর্য বৃদ্ধিত বিশেষভাৱে অৰিহণা যোগায়। অনুপ্রাস আদি শব্দালংকাৰৰ দৰেই ছন্দয়ো কাব্যক গীতৰ মাধুর্য দান কৰে। কাব্যৰ ছন্দ হ'ল শব্দ বিন্যাসৰ ফলত ওপজা এক প্রকাৰ সৌন্দর্য। শব্দবিন্যাসৰ বেলিকা কবিয়ে সংযম, বাধা বা বিৰতিৰ সৃষ্টি কৰে, যাৰ ফলত কাব্য শ্রুতিমধুৰ হৈ পৰে। পূর্বকবি মাধৱ কন্দলি, শঙ্কৰদেৱৰ পদাঙ্ক অনুসৰণ কৰি মাধৱদেৱে পুৰণি সাহিত্যত ব্যৱহৃত পদ, ছবি, দুলড়ী, লেছাৰী এই চাৰিটা ছন্দসজ্জা ব্যৱহাৰ কৰাৰ উপৰিও ঘোষা ছন্দ আৰু নাম ছন্দ নামে দুটা ছন্দৰ শব্দ বিন্যাসৰ কৌশল মাধৱদেৱৰ নিজস্ব। মাধৱদেৱৰ জীৱন ছন্দৰ ধ্বনি এই ঘোষা ছন্দ আৰু নাম ছন্দৰ মাজত নিহিত হৈ আছে। এনে ছন্দত ৰচিত ঘোষাসমূহ তেওঁৰ ভক্তি বিগলতি হৃদয়ৰ পৰা নিগৰি ওলোৱা ভগৱৎ প্রেমৰ মন্দাকিনীৰ অফুৰন্ত প্রৱাহ।

এইদৰে *নামঘোষাৰ* সামগ্রিক দিশ পর্যালোচনা কৰি চালে দেখা যায় যে *নামঘোষা* মূলতঃ তত্ত্বপ্রধান আধ্যাত্মিক গ্রন্থ হ'লেও নন্দনতাত্ত্বিক দিশতো ছন্দৰ ঝংকাৰ, ভাষাৰ মাধুর্য, ভাৱৰ প্রসাৰতা আৰু মাধৱদেৱৰ ভক্তিকাতৰ কৰুণ আকূতিয়ে এখন সফল আৰু উৎকৃষ্ট বিশ্বজনীন ভক্তি সাহিত্যৰ ৰূপ দিছে।

৭.৯ *নামঘোষাৰ* ভক্তি তত্ত্ব

ভক্তিতত্ত্ব প্রকাশক গ্রন্থ হিচাপে *নামঘোষা* অতুলনীয়। ভক্তিত্ত্ব হ'ল সনাতন হিন্দু ধর্মৰ এটি প্রধান তত্ত্ব। অতি সহজভাৱে ক'বলৈ হ'লে ঈশ্বৰৰ প্রতি একান্ত প্রেম বা অনুৰাগেই হ'ল ভক্তি। আত্মনিবেদন ভক্তি তত্ত্বৰ মূল কথা। বৈষ্ণৱ ধর্ম পৰম্পৰা মতে ভক্তজনে শ্রৱণ-কীর্ত্তনেৰে ভক্তিৰ আখৰা আৰম্ভ কৰি আত্ম নিবেদনেৰে ভকতিৰ চূড়ান্ত অৱস্থাত উপনীত হয়। *নামঘোষাত* ভক্তি ধর্মৰ তত্ত্ব প্রকাশিত হৈছে।

হৰিভক্তিৰ পাৰমার্থিক তত্ত্ব লাভ হয়। এই সম্পর্কত মাধৱদেৱে *নামঘোষাত* কৈছে—

'হৰিভক্তি ৰাজমার্গ গুৰু পদ নাম চন্দ্র প্রকাশিত
শ্রুতি জননীৰ পদ পথ অনুসৰি।। ৬২৩।।

হৰিভক্তিক ৰাজমার্গ বা ৰাজপথ বোলা হৈছে। এই ৰাজপথত 'গুৰুপদ' আৰু 'শ্রুতিত জননীৰ পদ' হে অনুসৰণ কৰি খোজ দিব লাগিব। ৰাজপথ সকলো পথৰ ভিতৰতে শ্রেষ্ঠ, সেইদৰে হৰি ভক্তিও শ্রেষ্ঠ।

গুৰু ভক্তি পৰায়ণ মাধৱদেৱে শঙ্কৰদেৱৰ ধর্মৰ তত্ত্ব, সাহিত্যৰ তত্ত্ব আৰু জীৱন তথা জগত সম্পর্কে গ্রহণ কৰা দৃষ্টিভঙ্গীৰ পৰা ক'তো সামান্যভাৱেও আঁতৰি যোৱা নাই। ভাগৱত পুৰাণৰ মূল সত্ত্বা 'কৃষ্ণস্তু ভগবান স্বয়ম' সৰোগত কৰি শঙ্কৰদেৱে লক্ষ্য প্রাপ্তিৰ যি পন্থা নিৰূপন কৰিছিল সি তাত্ত্বিক দার্শনিকৰ জ্ঞানপথ নহয়; নতুবা কর্মকাণ্ডৰ পূজা উপাসনাও নহয়। সেই পথ

হ'ল অবিচল বিশ্বাসৰ ভেটিত প্রতিষ্ঠিত ভক্তিৰ এক শৰণ ধর্ম। 'কৃষ্ণ' শব্দৰ বুৎপত্তিগত অর্থ হ'ল পৃথিৱীৰ আনন্দৰ কাৰণ। শ্রীকৃষ্ণৰ মূল লক্ষ্য হ'ল বেদান্তৰ ব্রহ্ম আৰু সেই নিগুর্ণ নিৰাকাৰ ব্রহ্মক উপলব্ধি কৰাৰ ঘাই আধাৰ হ'ল সগুণ, সাকাৰ কৃষ্ণ। সগুণ ঈশ্বৰৰ ধ্যানৰ মাজেৰে নিগুর্ণ ব্রহ্মৰ জ্ঞান ঈশ্বৰৰ ওচৰত ভক্তিৰে আত্মনিবেদন কৰিব পাৰিলেহে সম্ভৱ। আত্মসমর্পণৰ মাজেৰেই পৰম ব্রহ্মাৰ মিলন সংঘটনা ভাগৱতী, নামধর্মৰ মূল কথা।

'তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।

আকৌ— কৃষ্ণ মোৰ গতি মতি কৃষ্ণত ভকতি প্রীতি
কৃষ্ণ পাৱে নিমজ্জক মন।। ৯৭।।

উপনিষদৰ যি তত্ত্ব শঙ্কৰদেৱে ভাগৱতী বৈষ্ণৱ ধর্মৰ মাজত অতি নিভৃত স্থানত থৈ গ'ল। এই তত্ত্বই মাধৱদেৱৰ সকলো ৰচনাৰ বিশেষকৈ *নামঘোষাৰ* ঘাই তত্ত্ব।

'সকলো উপনিষদ ধেনু দোগ্ধা ভৈলা তানে নন্দসুত
তাব বৎস ভৈল কুণ্ডীসূত ধনঞ্জয়।
দুগ্ধ ভৈল মহা গীতামৃত কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধি সকলে সন্তোষ পান কৰায় ।। ৬৬৯।।

মাধৱদেৱৰ *নামঘোষাই* শংকৰ প্রৱর্তিতে বৈষ্ণৱ ধর্মৰ তত্ত্ব, মত আৰু পন্থ এই তিনিওকে প্রতিষ্ঠা কৰাৰ লগতে ভক্তিবিৰোধীসকলৰ সকলো যুক্তি খণ্ডন কৰি বৈষ্ণৱ ধর্ম নিষ্কণ্টক কৰি গৈছে। *নামঘোষাৰ* উপদেশৰ মাজত এই তত্ত্ব আৰু পন্থ পৰিস্ফুট হৈছে।

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিক তাঙ্ক
ব্যাপকত কিবা বিসর্জন।
এতাৱত মূর্ত্তিশূণ্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰ মন।। ৮।।

সকলো সাধন মার্গৰ চৰম লক্ষ্য হ'ল মুক্তি। এই মুক্তি সকলো সাধকৰ পৰম পুৰুষার্থ। কিন্তু বৈষ্ণৱ ধর্মত একান্ত ভকতসকলে মুক্তি সুখকো বাঞ্ছা নকৰে। কেৱল ৰসময়ী ভক্তিহে বাঞ্ছা কৰে। *নামঘোষাৰ* প্রথম ঘোষাতেই তেনে মুক্তিকো নিস্পৃহ ভকত জ্ঞানকহে প্রণাম কৰিছে মাধৱদেৱে। *নামঘোষাৰ* ঈশ্বৰ ভক্তিৰ ওচৰত মুক্তি বা নির্বাণ গৌণ হৈ পৰিছে। এই ঘোষাতে আৰম্ভ হ'ল ত্রিধাৰা গ্রোত— গুৰুভক্তি অর্থাৎ গুৰু শঙ্কৰস্মৃতি, কৃষ্ণভক্তি মাহাত্ম্য আৰু যি ভক্তিত কৃষ্ণও ভকতৰ বশ হয়, সেই ভক্তিৰ বাবে মাধৱদেৱৰ অনুনয় বিনয়। এইদৰে মাধৱদেৱে *নামঘোষাৰ* প্রথম চাৰিটা ঘোষাতে গুৰ ভকত নাম দেৱ তত্ত্ব'ৰ লগতে একান্ত ভকতৰ নাম গুণ কীর্তনৰ মহিমাও ব্যাখ্যা কৰিছে।

শ্রৱণ, কীর্ত্তন, স্মৰণ, অর্চন, পদসেৱন, দাস্য, সখিত্ব, বন্দন আৰু আত্মনিবেদন এই নৱবিধি ভক্তিৰ ভিতৰত মহাপুৰুষ শঙ্কৰদেৱে বৈষ্ণৱ ধর্মত শ্রৱণ-কীর্ত্তনক শ্রেষ্ঠ স্থান দিছে। মাধৱদেৱেও *নামঘোষাত* শ্রৱণ-কীর্ত্তনৰ শ্রেষ্ঠতা বহুকেইটা ঘোষাত উচ্চস্বৰে প্রকাশ কৰিছে।

'শুনা সভাসদচয় নেৰিবা শাস্ত্ৰৰ লয়
হৰি গুণ ভাগৰত সাৰ।
সাধু সংগ অনুসৰা শ্ৰৱণ-কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ।। ৩৮।।

বৈষ্ণৱ ধৰ্মত অৱতাৰবাদ স্বীকাৰ কৰা হৈছে। ভগৱতগীতাৰ 'যদা যদাহি ধৰ্মস্য গ্লানিভৱতি ভাৰত' শ্লোকৰ দ্বাৰা দেখুওৱা হৈছে যে যেতিয়া অসৎ শক্তিয়ে মানৱীয় মূল্যবোধক ধ্বংস কৰিব বিচাৰে, তেতিয়াই ভগৱন্তই তেওঁৰ পৰম বিভূতিৰে দুষ্টক দমন আৰু শান্তক পালন কৰিবলৈ অৱতাৰ ধা�ৰণ কৰে। শঙ্কৰদেৱে *কীৰ্ত্তন-ঘোষাৰ* আৰম্ভণিতে চতুৰ্বিংশতি অৱতাৰ বৰ্ণনা কৰাৰ দৰেই মাধৱদেৱে *নামঘোষাৰ* প্ৰথম পৰ্যায়তে দশ অৱতাৰৰ কথা বৰ্ণনা কৰিছে—

মৎস কুৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলিৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম।। ৩।।

বৈষ্ণৱ ধৰ্মৰ 'একশৰণ তত্ত্ব' শংকৰদেৱৰ দৰেই মাধৱদেৱেও *নামঘোষাত* একশৰণ তত্ত্ব' গুৰুত্ব আৰোপ কৰিছে—

'হৰিপদে সেৱা নকৰে নিমিত্তে
মায়ায়ে বান্ধি ফুৰাৱে।
তাৱত মায়াক নকৰে ৰহিত
শৰণ নলয় যাৱে।। ১৮২।।

অৰ্থাৎ যেতিয়ালৈকে জীৱই ভগৱন্তৰ অভয় চৰণত একান্তভাৱে শৰণাপন্ন নহয়, তেতিয়ালৈকে মায়াৰ বন্ধন ছেদ কৰি মুক্ত হ'ব নোৱাৰে। আকৌ মাধৱদেৱে *নামঘোষাত* প্ৰসাদতত্ত্বৰো সম্ভেদ দিছে—

'যেবে হৰি পদে শৰণ পশিয়া
হৰি নাম লৱেমুখে।
হৰিৰ প্ৰসাদ পাৱয় সিজনে
মায়াকো তৰয় সুখে।। ৩৬৭।।

নামঘোষাৰ বহু ঘোষাত সৎ সংগৰ মাহাত্ম্যও প্ৰকাশ পাইছে। সাধু মহন্তৰ সংগত হৰি কথা শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰা জীৱই মায়াৰ বন্ধন ছেদ কৰিবলৈ সক্ষম হয়।

মহন্তৰ সংগে হৰি কথা ৰসে
মনক জিনিয়া ভাই।
মায়াক তৰিয়া হৰিক পাইবাৰ
উপায় আৱৰ নাই।। ২১৪।।

এইদৰে *নামঘোষাৰ* বিশ্লেষণত দেখা যায় যে *নামঘোষাত* মাধৱদেৱৰ শক্তি-ভক্তি তত্ত্ব, আবেগ সকলোৰে এটি মধুৰ সমন্বয়ত *নামঘোষা* এখনি কালজয়ী উৎকৃষ্ট ভক্তিতাত্ত্বিক গ্ৰন্থৰূপে পৰিগণিত হৈছে।

৭.১০ *নামঘোষা*ৰ অন্তর্নিহিত দর্শন

বেদান্তৰ ব্রহ্মবাদ মাধৱদেৱৰ *নামঘোষা*ৰ ঘাই আধাৰ। বেদান্ত মানে বেদৰ অন্ত য'ত বেদৰ সাৰ কথাবোৰকে মন্থন কৰি অধিকতৰ গভীৰ আৰু বিস্তৃত ৰূপ দিয়া হৈছিল। সেয়েহে সামগ্রিকভাৱে উপনিষদসমূহে উমৈহতীয়াভাৱে যি মতবাদ বা দর্শনৰ ৰূপ দিছিল সেই দর্শনেই 'বেদান্ত দর্শন'। *নামঘোষা*ত বেদান্তৰ ব্রহ্মক কৃষ্ণ ৰূপে দেখুওৱা হৈছে অর্থাৎ কৃষ্ণই ব্রহ্ম।

বেদান্তৰ মায়াক ব্রহ্মৰ অংশ বুলি এই মায়াক কেতিয়াও অবিদ্যা আৰু কেতিয়াবা অজ্ঞানতা বোলা হৈছে। বেদান্তই মোক্ষ প্রাপ্তিৰ সর্বোত্তম উপায় বুলি ব্রহ্মজ্ঞানত নির্দেশ কৰিছে। মাধৱদেৱে *নামঘোষা*ত মোক্ষ প্রাপ্তিৰ বাবে জ্ঞানক স্বীকাৰ কৰিও মোক্ষ লাভৰ ক্ষেত্রত ঈশ ভক্তিতহে গুৰুত্ব দিয়া দেখা যায় —

পৰম নিপুণ সৱে বুজিয়া শাস্ত্রৰ তত্ত্ব
হৰিপদ পঙ্কজে ভজিয়া।
হৰি কীর্ত্তনৰ মহা নির্ভয় আনন্দে মজি
থাকে সুখে মুকুতি তেজিয়া।। ৯১।।

বেদান্তত স্পষ্ট হৈ পৰা শৰণ তত্ত্বকে *নামঘোষা*ত স্থান দিয়া হৈছে। আত্মনিবেদনৰ যোগেদি ভগৱানক শৰণ প্রাপ্তিত *নামঘোষা*ৰ ভক্তিবাদ প্রশস্ত হৈ উঠিছে। মায়াৰ বন্ধনৰ পৰা মুক্ত হ'বৰ বাবেও শৰণ অপৰিহার্য। *নামঘোষা*ত মাধৱদেৱে উল্লেখ কৰিছে—

হৰি নাম কীর্ত্তনত নাহি কাল দেশ পাত্র
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱল হৰিৰ নাম
কীর্ত্তনে কৰন্তে হোৱে সিদ্ধি।। ২৮।।

বেদান্ত দর্শনৰ ধ্যান মাহাত্ম্যক মাধৱদেৱে *নামঘোষা*ত একেদৰেই ৰাখিছে। সর্বব্যাপ্ত ব্রহ্মক হৃদয়ত ধ্যান কৰিলে ব্রহ্মোপলব্ধি সহজ হয়। উপনিষদত 'ভক্তিবাদে' পোখা মেলিছিল যদিও ইয়াৰ পূর্বে ঋকসংহিতাৰ বিষ্ণুস্তুতিতে ভক্তিৰ বীজ লুকাই আছিল। বিষ্ণুস্তুতিৰ বীজটো উপনিষদ যুগত গভীৰ স্পষ্ট হৈ পৰিল। মাধৱদেৱৰ সমগ্র *নামঘোষা*খনেই ভক্তিবাদী গ্রন্থ। *নামঘোষা*ত পৰম দুর্লভ ঈশ্বৰক একমাত্র ভক্তিয়েহে বশ কৰিব পাৰে বুলি স্পষ্টকৈ কৈছে। ইয়াত জ্ঞান, কর্ম, যাগ-যজ্ঞ সকলো সাধন ব্যৱস্থাৰ উর্ধত ভক্তিয়েহে সর্বোত্তম সাধন ব্যৱস্থা ৰূপে গৃহীত হৈছে।

*নামঘোষা*ৰ শ্রৱণ-কীর্ত্তনৰ গূঢ়ার্থ ব্রহ্মজ্ঞানৰ লগত জড়িত। হৰি কথা শ্রৱণ কীর্ত্তনৰ যোগেদি ব্রহ্মজ্ঞান, আত্মজ্ঞান, জগত আৰু ব্রহ্মৰ অনিত্যতা আৰু নিত্যতা সম্পর্কে জ্ঞান হয়। সেইবাবেই শ্রৱণ কীর্ত্তনৰ গুৰুত্ব অপৰিসীম। *নামঘোষা*ত ঈশ্বৰৰ নামৰ মাহাত্ম্য প্রদর্শন কৰি নামকেই ঘোষিবলৈ কৈছে। দার্শনিক অর্থত শ্রৱণ আৰু নামতত্ত্ব বেদান্তৰ *বৃহদাৰণ্যক উপনিষদ* আৰু *নামঘোষা* উভয়তে একে।

এইদৰে আলোচনা কৰিলে দেখা যায় যে *'নামঘোষা*ৰ ব্রহ্ম, মায়া, মোক্ষ, শৰণ, ধ্যান, গুৰুভক্তি, নাম আদি বিশিষ্ট দিশসমূহৰ উৎস বেদান্ত দর্শন আৰু ভাগৱত পুৰাণৰ মূল তত্ত্ব 'কৃষ্ণস্তু ভগবান স্বয়ম্'। পণ্ডিত শাস্ত্রবিশাৰদ ভক্ত কবি, ছান্দসিক, সংগীতজ্ঞ মাধৱদেৱে এই

তাত্ত্বিক দর্শনক স্থানবিশেষে লোকসমাজৰ উপযোগীকৈ সহজ সৰল ৰূপ দি মৌলিক সৃজনী প্রতিভাৰে ৰসামৃত কৰি ভক্ত সমাজলৈ আগবঢ়ায়। ফলস্বৰূপে *নামঘোষা*ত তত্ত্ব অথাৎ দর্শন আৰু ৰসৰ অপূর্ব সমন্বয় ঘটিছে।

৭.১১ *নামঘোষা*ৰ অনুবাদ ৰীতি

শঙ্কৰ মাধৱ গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ অসমত ধর্ম, সাহিত্য, সংস্কৃতিৰ ক্ষেত্রত এক নৱজাগৰণৰ সৃষ্টি কৰিবলৈ দুয়োজনে ধর্ম প্রচাৰৰ অর্থে গীত-পদ, কাব্য, নাটক আৰু তত্ত্বমূলক গ্রন্থ ৰচনা কৰি বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছিল। সমগ্র সৃষ্টিৰাজিৰ ভিতৰত শঙ্কৰদেৱৰ কীর্ত্তন, দশম আৰু মাধৱদেৱৰ ঘোষা, ৰত্নাৱলী শ্রেষ্ঠ গ্রন্থ যাক একশৰণ নাম ধর্মৰ চাৰি খুঁটি বুলি আখ্যা দিয়া হয়। উল্লিখিত ঘোষা অর্থাৎ, *নামঘোষা* মাধৱদেৱৰ আধ্যাত্মিক আৰু সাহিত্যিক জীৱনৰ শ্রেষ্ঠ কীর্ত্তিস্তম্ভ স্বৰূপ। শ্রেষ্ঠ সাহিত্য ৰূপেও *নামঘোষা*ই বিশ্বজননীনতাৰ পৰিচয় দিবলৈ সক্ষম হয়।

চৰিত পুথি মতে শঙ্কৰদেৱৰ আজ্ঞা মতে মাধৱদেৱে *নামঘোষা* গ্রন্থখনি লিখিবলৈ লয়। এহেজাৰ এটা ঘোষা সন্নিবিষ্ট গ্রন্থখন সম্পূর্ণ কৰিবলৈ মাধৱদেৱক ডেৰকুৰি বছৰ সময় লাগিছিল। কিছু সংখ্যক ঘোষা শংকৰদেৱৰ জীৱিত কালত আৰু সৰহখিনি তেৰাৰ মৃত্যুৰ পিছত সুন্দৰীদিয়াত লিখে যদিও সম্পূর্ণ কৰিছিল ভেলাদুৱাৰত। *নামঘোষা* সকলো সাহিত্যিক গুণৰে সমৃদ্ধ অন্যতম শ্রেষ্ঠ তত্ত্বমূলক গ্রন্থ।

*নামঘোষা*ত আৰম্ভণিৰ পৰা ৬৮৩ নং ঘোষালৈকে সংস্কৃত ভাষাত ৰচিত বিভিন্ন আধাৰ গ্রন্থৰ নির্বাচিত ২৪০ টা শ্লোক অসমীয়ালৈ অনুবাদৰ যোগেদি ভাৱার্থ প্রকাশ ৰূপত গ্রহণ কৰিছিল। বাকী ৬৮৪ ৰ পৰা ১০০১ নং ঘোষা মাধৱদেৱৰ সম্পূর্ণ মৌলিক সৃষ্টি। নামধর্ম প্রচাৰৰ উপযোগী হোৱাকৈ মাধৱদেৱে অনুবাদৰ উৎস হিচাপে অধ্যয়ন কৰা গ্রন্থসমূহ হৈছে শ্রীমদ্ভাগৱত পুৰাণ, শ্রীধৰ স্বামীৰ ভাগৱত ভাৱার্থ দীপিকা, বিষ্ণুপুৰী সন্নাসীৰ *ভক্তি ৰত্নাৱলীৰ কান্তিমালা টীকা, পাণ্ডৱগীতা, শঙ্কৰাচার্য্যৰ মোহমুদগৱ, ভগৱতগীতা, ব্রহ্মপুৰাণ, পদ্মপুৰাণ, বৃহন্নাৰদীয় পুৰাণ, বিষ্ণুপুৰাণ, কমল পুৰাণ, স্কন্ধ পুৰাণ, মহাভাৰত, ব্রহ্মাণ্ড পুৰাণ*ইত্যাদি। অনূদিত ২৪০ টা শ্লোকৰ ভিতৰত ৯৮ টা শ্লোকেই *ভাগৱত পুৰাণৰ* পৰা সংগৃহীত।

উল্লিখিত তথ্যৰ পৰা এই কথা স্পষ্ট হয় যে *নামঘোষা* মাধৱদেৱৰ সম্পূর্ণ অনুবাদ গ্রন্থ নহয়, আংশিক অনুবাদ গ্রন্থহে। দ্বিতীয়তে অনুবাদ ৰীতিৰ ক্ষেত্রতো মাধৱদেৱে সাৰানুবাদ অর্থাৎ ২৪০ টা শ্লোকৰ মূলাত্মক নামঘোষাত ভাৱার্থ প্রকাশক হিচাপে প্রয়োগ কৰিছে। বৈষ্ণৱ সাহিত্য ৰচনাৰ প্রসঙ্গত শঙ্কৰদেবে মাধৱদেৱক কৈছিল 'মূল ৰাখিব পাৰিলে সজ'। এই নীতিয়ে অনুবাদ গ্রন্থৰ নির্মাণত স্রষ্টাৰ মৌলিক সৃজনাত্মক ক্ষমতাৰ বাবে বাধাৰ সৃষ্টি নকৰা নহয়। কিন্তু মাধৱদেৱে *নামঘোষা* সৃষ্টিৰ ক্ষেত্রত এই বাধা জয় কৰিছিল। *নামঘোষা* সৃষ্টিৰ অন্তৰালত মাধৱদেৱৰ গভীৰ আৰু বিস্তৃত অধ্যয়নে আৰু ভগৱৎ প্রেম ভক্তিৰ ঐকান্তিক সাধনাৰে প্রাপ্ত জীৱন অভিজ্ঞতাক মৌলিক সৃজনাত্মক প্রতিভাৰ সমন্বয়ৰে *নামঘোষা*ক এক অনন্য ৰূপ দিবলৈ সক্ষম হৈছিল।

মাধৱদেৱে নিজে *নামঘোষা*প্রসঙ্গত কৈছে 'মই গুৰু সেৱাকৈ যি পালো ঘোষাতে থৈছো; অনেক শাস্ত্র বিচাৰি যি ৰসতত্ত্ব পালো তাকো ঘোষাত থৈছো ; আৰু পৰমাত্মা হৈছে হৃদিত থাকি যি বুদ্ধি দিলে তাকো মই ঘোষাতে থৈছো। (গুৰু চৰিত কথা, ছেদ ৯২৭)। নামঘোষা পঢ়োতে বা গাওতে ক'ৰবাৰ অনুবাদ পঢ়া যেন সমুলি নালাগে। কবিজনাৰ হৃদয়ৰ পৰা নিগৰি বৈ অহা অমৃত প্রেমময় ৰস নিজৰা যেনহে অনুভূত হয়। বিভিন্ন ফুলৰ মৌ সংগ্রহ কৰি মৌমাখিয়ে যিদৰে মৌচাক নির্মাণ কৰে, ঠিক তেনেকৈ কবিজনাই যাদুকৰী কৌশলেৰে ঘোষা শাস্ত্রখনি নির্মাণ কৰিছিল। মূল শ্লোকৰ তত্ত্ব অক্ষুন্ন ৰাখি ভাৱানুবাদৰ মাজেদি যি পদ ভাঙনি, সেয়া এনে স্বতঃস্ফূর্ত আৰু স্বাভাৱিক যে *নামঘোষা*ৰ পদচৰণৰ সুৰ মাধুর্য্য আৰু ভক্তিৰ মুচ্ছনাই মূল সংস্কৃত শ্লোকসমূহকো ম্লান কৰি পেলাইছে।

উদাহৰণস্বৰূপে মাধৱদেৱৰ 'ব্রহ্মা আদি কৰি জীৱ যত ৰাম ৰাম ৰাম ৰাম' ঘোষাফাঁকিৰ মূল *গৰুড় পুৰাণৰ* সংস্কৃত শ্লোক ঃ "ব্রহ্মা দি তৃণপর্যন্তং ভূৱগ্রাম চতুর্বিধং। চৰাচৰ মিদং প্রসূগুং যষ্য মায়ামা।।" অনূদিত ঘোষা চৰণত সুৰকাৰ মাধৱদেৱে 'ৰাম' শব্দৰ পাঁচ বাৰকৈ ব্যৱহাৰ কৰি লেছাৰী ছন্দত ৰূপ দিছে। কথা বস্তুৰ 'মায়া শয্যাৰ উপমা কবিৰ স্বকীয় কল্পনা। ভাবানুবাদ ক্রমে স্পষ্ট যে মূল সংস্কৃত তত্ত্বটিয়ে ঘোষা শাস্ত্রৰ অপূর্ব চিত্রৰূপ ধাৰণ কৰিছে। মহান কবিৰ মহান প্রতিভা অবিহনে এনে মৌলিকত্ব অনুবাদত সম্ভৱ নহয়।

দার্শনিক তত্ত্বসমূহৰ মাজে মাজে গুৰু শঙ্কৰৰ গুণ-গৰিমাৰ কথা সভক্তিৰে উপস্থাপন কৰি মাধৱদেৱে নিজা গুৰুভক্তি আৰু অভিজ্ঞতা সমূহ সোণৰ আঙঠিত বাখৰ খজাদি খাজি অপূর্ব কাব্যৰীতিৰ পৰিচয় দিছে। সেয়েহে *নামঘোষা* এখনি গভীৰ ভক্তিতত্ত্ব নিৰূপক গ্রন্থ হৈয়ো সর্ব কালৰ মানৱ সমাজৰ গ্রহণীয় শ্রেষ্ঠ সাহিত্যত পৰিণত হৈছে।

কাব্যানুভূতি আৰু কবিতাৰ কাৰিকৰী দিশত মাধৱদেৱ আছিল সূক্ষ্মদর্শী। সৰল, কোমল ব্যঞ্জনাময় শব্দচয়নেৰে অন্তৰৰ ভাৱনা আৰু ভক্তিৰ তত্ত্বক *নামঘোষা*ৰ বিভিন্ন ঘোষাত সুসমন্বয় ঘটাইছিল। সঁচাকৈয়ে মাধৱদেৱৰ অনুবাদ আছিল চমকপ্রদ, মৌলিক কবিতাৰ দৰেই সেইবোৰৰ ব্যঞ্জনা। অদ্ভুত কথা যে মূলৰ শ্লোকৰ ভাঙনি কৰোতে মূলৰ শব্দই কবিয়ে শব্দ বহুৱাই যায়; সেই তৎসম শব্দবোৰে কিন্তু ভাষাক ভাৰাক্রান্ত নকৰে, বৰং জতুৱা অসমীৰ দৰে প্রকাশিত পদবোৰ পাঠক-গায়কৰ কণ্ঠত আৰু মনত গলি লীন হৈ যায়। তলত দিয়া *'পাণ্ডবীগীতা'ৰ* শ্লোকটি আৰু তাৰ অনুবাদ ভাষাটি চালে দেখা যায়—মূলশ্লোক ঃ কৃষ্ণ ! ত্বদীয়পদ পঙ্কজ পঞ্জৰান্তে

অদ্যৈৱ মে ৱিশতু মানস ৰাজহংসং
প্রাণ প্রয়ান সময়ে কয়ংৱাত পিত্তৈঃ
কণ্ঠাৱৰো ধর্নাৱধৌ স্মৰণ কুতস্তে।।

মাধৱদেৱে লেছাৰি ছন্দত এটি স্তৱকৰ ভিতৰতে অতি সংবেদনশীলকৈ সকলো প্রকাশ কৰিছে—

হে কৃষ্ণ তজু পাদপদ্ম পঞ্জৰ ভিতৰে মোৰ মন
ৰাজহংস পশি থাকোক সুখে সর্বথা।
প্রাণ প্রয়াণৰ সময়ত কফ বাত পিত্ত আদি যত
কণ্ঠ নিৰোধনে তোমাৰ স্মৰণ কথা।। ৬৬৪।।

ঘোষাফাঁকিত দেখা গৈছে মূলৰ একো কথা বাদ পৰা নাই, মূলৰ শব্দৰ অনুৰণণো বাজি থাকিল, মূলৰ প্রতি শব্দৰ ভাৱো মৌলিক কবিতাৰ দৰে অব্যাহত থাকিল। আন এটি উদাহৰণ তলত দাঙি ধৰা হ'ল।

মূল শ্লোক ঃ নাহং ৱিপো ন চ নৰপতির্নাপি বৈশ্যো ন শূদ্রো
নো ৱা ৱণী ন ঢ গৃহপতিনৌ ৱনস্থো যতির্ৱা।
কিন্তু প্রোদ্য নিখিল পৰমানন্দ পূর্ণামৃতাব্ধে
গোপী ভুর্তঃ পদ কমলয়োর্দাসানুদাস ঃ।

নামঘোষা ঃ

নোহো জানা আমি চাৰিজাতি চাৰিও আশ্রমী নোৱো আজি
নোহো ধর্মশীল দানব্রত তীর্থ গামী।
কিন্তু পূর্ণানন্দ সমূদ্রৰ গোপী ভক্ত পদ কমলৰ
দাসৰো দাস তান দাস ভৈলো আমি।। ৬৭১।।

উক্ত ঘোষাফাঁকিৰ অনুবাদ প্রসংগত মহেশ্বৰ নেওগে কয় যে উল্লিখিত শ্লোকটিৰ পুনর্জন্ম ঘটিছে মাধৱদেৱৰ *নামঘোষা*ৰ উল্লিখিত ঘোষাটিৰ যোগেদি।

মূল শ্লোকত থকা সামান্য গদ্যগন্ধিতাও মাধৱদেৱৰ ঘোষা ফাকিত নিৰন্তৰ কবিতা হৈ পৰিছে আৰু প্রকাশৰ ভঙ্গীতো এক যেন ৰহস্য সোমাই পৰিছে। 'দাসানুদাস ঃ' শব্দটোত দাস্যৰ আৰু এটি মাত্রা বঢ়াই দিয়াত অনুভৱ গাঢ়তা বাঢ়িছে। বিশেষকৈ লেছাৰি ছন্দৰ ঘোষাখিনিত এনে ভাবে গাঢ় অনুভৱ ব্যঞ্জিত হয়। তেনেদৰে আত্মনিন্দা, কাকুতি শীর্ষক ঘোষাখিনিত এফালে বৈদ্যান্তিক সিদ্ধান্তবোৰৰ স্পর্শ আৰু আনফালে দাস্য ভক্তিৰ কাতৰ নিবেদন কৰুণ হৈ প্রকাশ পাইছে। মাধৱদেৱৰ অপূর্ব প্রতিভাৰ কাৰণে অনুবাদৰ ছাঁ থকা আৰু মৌলিক ঘোষাখিনিৰ ভেদাভেদ নির্ণয় কৰা টান হৈ পৰিছে। তত্ত্ব আৰু ৰসৰ অপূর্ব সমন্বয়ৰ 'সৃষ্টি নামঘোষা' এখনি শ্রেষ্ঠ আধ্যাত্মিক কাব্য আৰু চিৰায়ত ৰস সাহিত্য। এনেবোৰ বৈশিষ্ট্যৰ বাবেই সন্ত বিনোৱাজীয়ে *নামঘোষা*ক তেওঁৰ প্রথম আই 'গীতা'ৰ সমকক্ষ এখনি গ্রন্থ বুলি শিৰত তুলি লৈছিল। আংশিক অনুবাদ হ'লেও পণ্ডিত আৰু সুকবি মাধৱদেৱৰ প্রতিভাই *নামঘোষা*ক বিশিষ্ট আকর্ষণীয় ৰূপ প্রদান কৰিছে।



৭.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়ৰ বিভিন্ন শাখা-উপশাখাত মাধৱদেৱৰ *নামঘোষা*ৰ বিস্তৃত বিশ্লেষণাত্মক অধ্যয়ন আগবঢ়োৱাৰ ফলত *নামঘোষা* গ্রন্থখনক সম্যক ৰূপত আমি জানিলোঁ।
- *নামঘোষা* গ্রন্থখনি আংশিক অনুবাদ গ্রন্থ ৰূপে বিভিন্ন আধাৰ গ্রন্থবোৰৰ পৰিচয় পোৱা গ'ল। তেওঁৰ অভূতপূর্ব মৌলিক প্রতিভাৰে অনুবাদক সৃজনাত্মক পুন নির্মাণৰ চমৎকাৰ উদাহৰণ দাঙি ধৰি মাধৱদেৱৰ পাণ্ডিত্য আৰু অনুবাদ ৰীতিৰ জ্ঞান দিয়ে।

- এক শৰণ বৈষ্ণৱ ধর্মৰ চাৰি বস্তু গুৰু-দেৱ-নাম-ভকতৰ বিশ্লেষণ *নামঘোষা*ৰ বিভিন্ন উদাহৰণেৰে প্ৰাঞ্জলভাৱে বুজাই দিয়া হৈছে।
- *নামঘোষা* ভক্তিতত্ত্বপ্ৰধান গ্ৰন্থ ৰূপে প্ৰতিপাদিত বিভিন্ন দিশ অৱতাৰবাদ, প্ৰসাদ তত্ত্ব, মায়াবাদ, ভক্তিৰ মহত্ব, ঈশ্বৰ ভক্তিৰ মাহাত্ম্য, শ্ৰৱণ কীৰ্ত্তনৰ প্ৰাধান্য আদি সহজ সৰলভাৱে এই অধ্যায়ত বৰ্ণনা কৰা হৈছে।
- একশৰণ বৈষ্ণৱ বা নামধর্মৰ দর্শন, *নামঘোষা*ৰ অন্তর্নিহিত দর্শন আলোচনা কৰোতে ফুটি উঠিছে। তদুপৰি বেদান্ত দর্শনৰ অদ্বৈতবাদ, নির্গুণ ব্রহ্ম, ব্রহ্ম, পৰমব্রহ্মৰ আলোচনাৰে *নামঘোষা*ৰ তাত্ত্বিক দিশটো এই অধ্যায়ত ফুটি উঠিছে।
- *নামঘোষা*ৰ সাহিত্যিক নন্দনতাত্ত্বিক সৌন্দর্যৰ বিশ্লেষণৰ দ্বাৰা দেখুওৱা শ্ৰেষ্ঠ সার্বজনীন বিশ্বসাহিত্যৰ মাজত *নামঘোষা*ক নির্ণয় কৰি অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ সমৃদ্ধিশালী ৰূপ বিচাৰি পোৱা যায়।



৭.১৩ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। দত্ত বৰুৱা, হৰিনাৰায়ণ (১৯৭০); *সটীক নামঘোষা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

২। দাস, ইলাৰাম (২০১৪); *নামঘোষা ৰসামৃত কৃষ্ণ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩। দাস, হৰমোহন (সম্পা) (১৯৫৭); *মহাপুৰুষ মাধৱদেৱৰ নামঘোষা (হিন্দী ইংৰাজী অনুবাদসহ);* কলিকতা।

৪। নাথ,জীৱকান্ত (সম্পা) (২০০২); *নামঘোষাৰ সমীক্ষান্তক অধ্যয়ন* ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ ।

৫। চলিহা, ভৱ প্ৰসাদ (সম্পা) (১৯৮৯); *মাধৱদেৱ আৰু সংস্কৃতি* ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।

৬। নেওগ, মহেশ্বৰ (১৯৮৯); *শ্ৰীশ্ৰীমাধৱদেৱ* ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।

৭। শইকীয়া,পূর্ণানন্দ(১৯৯০); *মাধৱদেৱ ভক্তি সাহিত্য;* গুৱাহাটী ঃ বৰা প্ৰকাশন।

৮। দাস, কৈলাশ আৰু কলিতা মৰল, ৰজিতা (সম্পা)(২০০৬); *অসমীয়া ভক্তি সাহিত্য;* শ্ৰীমন্ত শংকৰদেৱ সংঘ।

৯। শালৈ,পদ্মৰাম (১৯৯৭); *ভক্তিধর্ম আৰু ভক্তি কাব্যত এভুমুকি;* গুৱাহাটী বিশ্ববিদ্যালয় ঃ ছাৰ্ভিছ বুক ছেল্‌ছ।

১০। দত্ত, অনিমা (২০০৩); *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দর্শন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১১। নাথ, প্রফুল্ল কুমাৰ (২০১২); *ভক্তি মার্গ আৰু ভাৰতীয় ভক্তি সাহিত্যত এভুমুকি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১২। মজুমদাৰ, বিমল (১৯৯৯); *ভক্তিসাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭.১৪ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ *নামঘোষা* কাৰ ৰচনা তাৰ উল্লেখ.....কি কি মূলৰ পৰা *নামঘোষাৰ* সাৰ গ্রহণ কৰা হৈছে তাক চমুকৈ লিখিব।

২ নং প্রশ্নৰ উত্তৰ ঃ ইয়াত মাধৱদেৱে তেওঁৰ গুৰু শঙ্কৰদেৱৰ কথা কৈছে.....গুৰু ভক্তিৰ জৰিয়তে ব্যক্তিৰ মানসিক তথা আধ্যাত্মিক উৎকর্ষ সাধন কৰা.....তাৰ চমু ব্যাখ্যা।

৩ নং প্রশ্নৰ উত্তৰ ঃ *নামঘোষাত* উল্লেখ থকা চাৰি বস্তুৰ অন্যতম 'ভকত'.....ভকত শব্দৰ অন্তর্গত প্রত্যেকটো বর্ণৰ অর্থ ব্যাখ্যা কৰিব।



৭.১৫ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভক্তি তাত্ত্বিক গ্রন্থ হিচাপে *নামঘোষাৰ* ওপৰত এটি প্রৱন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ *নামঘোষাৰ* সাহিত্য গুণ উদ্ধাৰ কৰি মাধৱদেৱৰ প্রতিভা সম্পর্কে এটি নিবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ *নামঘোষাৰ* দার্শনিক ভিত্তি কি? *নামঘোষাৰ* বিভিন্ন ঘোষাত প্রতিফলিত হোৱা ঘোষাৰ অন্তর্নিহিত দর্শনৰ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ *নামঘোষাত* ব্যাখ্যা কৰা গুৰুভক্তিৰ মহিমা আৰু মাধৱদেৱৰ আত্মলঘিমা কেনেদৰে প্রদর্শিত হৈছে বিচাৰ কৰক।

প্রশ্ন ৫ ঃ *নামঘোষাৰ* মাজেদি প্রতিফলিত হোৱা কৃষ্ণ ভক্তি বিচাৰ কৰক।

প্রশ্ন ৬ ঃ *নামঘোষাত* বর্ণিত গুৰু-দেৱ-নাম-ভকতৰ তাত্ত্বিক বিচাৰ দাঙি ধৰক।

*** ***** ***

অধ্যায় ৮ ঃ *নামঘোষা*ৰ উপদেশ আৰু নিন্দা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ *নামঘোষা*ত উপদেশৰ তাৎপর্য
৮.৪ *নামঘোষা*ত নিন্দাৰ তাৎপর্য
৮.৫ *নামঘোষা*ত হৰি ভক্তিৰ মাহাত্ম্য
৮.৬ *নামঘোষা*ত সংসাৰ তাৰণৰ উপায়
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *নামঘোষা* বৈষ্ণৱ ভক্ত সমাজৰ ভক্তি দর্শনৰ মাজেদি জীৱন চর্য্যাৰো যে এখন দিগদর্শনকাৰী গ্রন্থ তাৰ পৰিচয় লাভ কৰিব। কিয়নো মাধৱদেৱে *নামঘোষাত* উপদেশ, নমস্কাৰ, প্রার্থনা, আত্ম উপদেশ, বস্তুপ্রদেশ, নিবেদন, খেদ, অনুনাথনা, ইশ্বৰ নির্ণয়, যুগধর্ম, পৰমার্থ আদি নানান বিষয়ৰ উত্থাপন কৰিছে। সেই বিষয়ে আলোচনা আগবঢ়াব পাৰিব
- এই অধ্যয়ত উপদেশ আৰু নিন্দা শীর্ষক ঘোষাৰ মাজেদি মানুহৰ অধ্যাত্মিক জীৱনত আগবাঢ়ি যাবলৈ দিয়া পৰামর্শ আৰু মানৱজীৱনৰ প্রমূল্য উপলব্ধি কৰিব নোৱাৰা বাবে প্রকাশ কৰা আক্ষেপ আলোচনা কৰিব পাৰিব
- উপদেশ, আত্ম উপদেশ, নিন্দা শীর্ষ ঘোষাসমূহ বিশ্লেষণ কৰি ভক্ত কবিজনাই মানৱক আগবঢ়োৱা পৰামর্শসমূহ বিশ্লেষণ কৰিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ অষ্টম অধ্যায়ত আপুনি মহাপুৰুষ মাধৱদেৱৰ *নামঘোষা*ৰ পৰিচয় লাভ কৰিলে। এই অধ্যায়টোত *নামঘোষা*ৰ উপদেশ আৰু নিন্দা' শীর্ষক বিষয়ৰ আলোচনাই গুৰুত্ব লাভ কৰিছে। *নামঘোষা*ৰ বিভিন্ন তাত্ত্বিক বিশ্লেষণৰ লগতে বক্তসকলৰ বাবে আগবঢ়োৱা মানৱ জীৱনৰ প্রমূল্য তথা আধ্যাত্মিক জীৱনৰ অগ্রসৰ হ'বলৈ আগবঢ়োৱা উপদেশৰ বিষয়েও পঢ়িবলৈ পাব।

ইতিমধ্যে সপ্তম অধ্যায়ৰ অধ্যয়নত আমি মাধৱদেৱৰ *নামঘোষা*ৰ তত্ত্ব, দৰ্শন, সাহিত্যিক গুণৰাজিৰ পৰিচয় পালোঁ। এই অধ্যায়ত সেই *নামঘোষা*ৰ 'উপদেশ' আৰু 'নিন্দা' শীৰ্ষক ঘোষাসমূহৰ লগত আমি পৰিচিত হ'ম। লগতে ঘোষাসমূহৰ বিশ্লেষণে মানৱজীৱনৰ দুখ ক্লেশ আদি ত্রিতাপৰ পৰা পৰিত্রাণ, কেনেকৈ ঈশ্বৰত শৰণ লৈ হৰি নাম-কীৰ্ত্তনৰে মুক্তি পাব পাৰি তৰো উপায় ভক্তসমাজৰ প্রতি আগবঢ়াব। মাধৱদেৱৰ ঘোষাসমূহৰ মাজেদি প্রকাশিত বক্তব্যসমূহ কেৱল ধর্মৰ বাবেই নহয়, সামাজিক জীৱনৰ বাবেও অতি প্রয়োজনীয়। বাস্তৱ জীৱনৰ অজস্র মহত্ত্বম উপলব্ধিও *নামঘোষা*ৰ এই ঘোষাসমূহৰ বিশ্লেষণৰ দ্বাৰা প্রকাশিত হ'ব।

৮.৩ *নামঘোষা*ত উপদেশৰ তাৎপর্য

নামঘোষা পৰমভক্ত কবি মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ অভিজ্ঞতাৰ ছন্দোময় প্রকাশ। ভক্তিগ্রন্থ হিচাপে এখন শ্রেষ্ঠ গ্রন্থ *নামঘোষা*ত একশৰণ নাম ধর্মৰ চাৰিবৱস্তু গুৰু, ভকত, নাম দেৱৰ মাহাত্ম্য তথা স্বৰূপ বিশ্লেষণৰ লগতে সংসাৰ চক্রত মায়াৰ দ্বাৰা আবৃত মানুহে কেনেকৈ পৰিত্রাণ পাব পাৰে, এই সম্পর্কতো বিভিন্ন ঘোষাৰ মাজেদি বিশ্বৰ মানৱ সমাজক জ্ঞান দি থৈ গৈছে। সেয়েহে অসমৰ সমাজ জীৱনত *নামঘোষা*ৰ প্রভাৱ অপৰিসীম। *নামঘোষা*ই সৎসঙ্গৰ মহিমা দান কৰাৰ উপৰি সদাচাৰ, নৈতিক জ্ঞান আৰু আধ্যাত্মিক উৎকর্ম সাধানৰ শিক্ষা আগবঢ়ায়। মাধৱদেৱৰ এই উপদেশমূলক ঘোষা 'উপদেশ' শীৰ্ষক শাখাত অতি সুন্দৰকৈ বর্ণনা কৰি গৈছে। এই উপদেশমূলক ঘোষাসমূহে মানৱক শুদ্ধ পথৰ সন্ধান আৰু নির্দেশ দি মানবীয় গুণেৰে বিভূষিত হোৱাৰ পথ উন্মুক্ত কৰে।

উপদেশ, আত্ম-উপদেশ, মহিমাযুক্ত উপদেশ আদি শিতানত মাধৱদেৱে এক কৃষ্ণদেৱত শৰণ গ্রহণ কৰি তেওঁৰ গুণ নাম শ্রৱণ-কীৰ্ত্তন কৰি আজি সুগম পথ ভক্তিৰে আগবাঢ়িব পাৰি 'উপদেশ' শিতানৰ ঘোষাত অতি মুকলিভাৱে সহজ সৰল ৰূপত মানৱ সমাজে অনুধাৱন কৰিব পৰাকৈ বর্ণনা কৰা হৈছে। বিভিন্ন ঘোষাৰ মাজেদি আগবঢ়োৱা বক্তব্যত সর্বাধিক গুৰুত্ব দিয়া হৈছে মানুহে মনক জয় কৰাৰ ওপৰত। উদাহৰণস্বৰূপে *নামঘোষা*ৰ ২৩০ নং ঘোষাত কৈছে—

"হৰি পদে ধৰ অন্যায় নকৰে
দুর্জন মন পামৰ।
সাক্ষী হুয়া হৰি হিয়াৰ ভিতৰে
আছাদেৱ দণ্ডধৰ।। ২৩০।।

এইদৰে *নামঘোষা*ত ধর্মীয় আনুষ্ঠানিকতাৰ অন্তৰালত ভক্তৰ কতর্ব্য হিচাপে দিয়া উপদেশৰ উপৰিও মানৱ সমাজৰ সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱন সঞ্চালিত কৰিব পৰা বিভিন্ন ঘোষা বিশ্লেষণ কৰিলে তলত উল্লেখ কৰা গুৰুত্বপূর্ণ দিশসমূহ প্রতিফলিত হয়।

প্রথমে, পামৰ মনক জয় কৰি হৃদয়ৰ পৰা কপটভাৱে সমুলঞ্চে পৰিহাৰ কৰা। শুদ্ধভাৱ, শুদ্ধচিতে, দৃঢ়তা আৰু আনন্দৰে কৃষ্ণ নাম শ্রৱণ-কীর্তন কৰা।

যিটোজনে শুদ্ধভাৱে হৰিত শৰৎ লৈয়া
হৰিক সুহৃদ বুলি আছে।
হৰিৰ প্ৰসাদে সিটো, বিঘ্নিৰ মুণ্ডত ভৰি
দিয়া হৰি গুণ গায়া নাচে।। ৬।।

অৰ্থাৎ যিজন লোকে শুদ্ধ চিত্তে হৰিত শৰণ লৈ হৰিক পৰম সুহৃদ বুলি বিশ্বাস কৰে, হৰিৰ কৃপাত সিজনে সকলো বিঘিনিক অতিক্ৰম কৰি হৰিগুণ গাই আনন্দত নাচে।

সংসাৰত জন্ম গ্ৰহণ কৰি মানুহে জীৱনত নানা দুখ, ক্লেশ ভোগ কৰিব লাগে। জীৱনৰ এই দুখ ক্লেশবোৰ তিনি ভাগত ভাগ কৰিব পাৰি। এই তিনি তাপ হৈছে— আধিভৌতিক, আধিদৈৱিক আৰু আধ্যাত্মিক। পশু-পক্ষী, জীৱ-জন্তু, ভূত পিশাচ আদিৰ পৰা যি দুখ তাপ পোৱা যায় তাক আধিভৌতিক তাপ বোলে। পানী, বতাহ, ঠাণ্ডা, গৰম আদি প্ৰাকৃতিক দুৰ্যোগবোৰৰ পৰা যি দুখ তাপ পোৱা যায় আধিদৈৱিক তাপ বোলে। জ্বৰ, তাপ, পীড়া, নানা প্ৰকাৰৰ বেমাৰ-আজাৰৰ পৰা পোৱা শাৰীৰিক তাপ আৰু কাম, ক্ৰোধ, লোভ, মোহ, বিষাদ, শোক, দ্বেষ, ঈৰ্ষা আদি মানসিক তাপবোৰক আধ্যাত্মিক তাপ বোলা হয়। এই ত্ৰিতাপৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লেও এক ঈশ্বৰত শৰণ লোৱা প্ৰয়োজন। সেয়েহে মাধৱদেবে ঘোষাত কৈছে—

আত্মনাশ হেতু কাম, ক্ৰোধ লোভ
নৰকৰ তিনি দ্বাৰ।
জানি আক তেজি কেৱলে কৃষ্ণৰ
ভকতিক কৰা সাৰ।। ২০৯
আকৌ বিষয় সম্বন্ধ সুখ সমস্ত যোনিতে পায়
হৰিসেৱা একো স্থানে নাই।
হৰিৰ সেৱাৰ যোগ্য কেৱলে মনুষ্য তনু
জানি ফুৰা হৰি গুণ গাই ।। ২৯।।

সেয়েহে কাম, ক্ৰোধ, লোভ-মোহ এই তিনি ৰিপুক দমন কৰিবলৈ কায় মন বাক্যে জীৱনৰ ধৰ্ম— কৰ্তব্য-কাম কৰি ধৰ্ম পথত বিচৰণ কৰিব লাগে। ইন্দ্ৰিয়সমূহক সংযত কৰি মানৱীয় কৰ্মত আত্মনিয়োগ কৰিব লাগে। পাষণ্ড আচাৰ বা হিংসা, দ্বেষ, অকাৰ্য, আচাৰ পৰিহাৰ কৰিবলৈ সাধু-সঙ্গৰ আশ্ৰয়ৰ প্ৰয়োজন। সেইয়াও ঘোষাত অতি হৃদয়গ্ৰাহীভাৱে উপদেশ দিছে—

'শুনা সভাসদচয় নেৰিবা শাস্ত্ৰৰ নয়
হৰি গুণ ভাগৱত সাৰ।
সাধু সঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ।। ৩৪।।

আকৌ কৈছে—

'মৰণ্ডৰ সঙ্গে হৰিৰ কথা ৰসে
মনক ভজিয়া ভাই।
মায়াক এৰিয়া হৰি পাইবাৰ
উপায় আৱৰ নাই।। ২১৪।।

মানুহৰ মন আছে, বুদ্ধি আছে, বিবেকো আছে। মন-বুদ্ধি বিবেকেৰে মানুহে প্ৰকৃত সত্য উপলব্ধি কৰিব পাৰে নে নোৱাৰে তাকে পৰীক্ষা কৰিবলৈ যেন ভগৱানে মানুহক সংসাৰত মায়া জাপি দিছে। মায়াৰ বাবেই জগতখন প্ৰপঞ্চময়। এনে মায়াৰ পৰা মুক্ত হোৱাৰ কামনাৰে মাধৱদেৱে আত্মউপদেশ শীৰ্ষক ঘোষাত ব্যক্ত কৰিছে—

'মায়াৰ নিগ্ৰহে মই পৰম আতুৰ ভৈলো
প্ৰাণ যদুপতি জীৱন যদুপতি।
অনাথৰ নাথ হৰি তুমি কৃপাময় বিনে
মোৰ আৰু নাহি আন গতি।। ৬৫।।

ভক্তি পন্থাৰ সৰ্বমূল হৈছে ভগৱান কৃষ্ণৰ চৰণত শৰণ গ্ৰহণ। ভগৱন্তৰ ওচৰত শৰণ লৈ সকলো পাপী তাপীয়ে ভৱা সিন্ধু পাৰ হৈ পৰম্পদ মুক্তি লাভ কৰি পাৰে। সেয়ে কৃষ্ণক বা ভগৱানক হৃদয়ত স্থাপন কৰি ভক্তি অৰ্থ নিবেদনেৰে কৰ্ম কৰি যোৱাটো মনুষ্য জীৱনৰ পালনীয় পবিত্ৰ কৰ্ত্তব্য। এনে জীৱন চৰ্য্যাৰ বাবে আত্ম অনুশাসন মানি চলা আদি প্ৰয়োজনীয়। আত্ম অনুশাসন সম্ভৱ হয় হৰিক ভজনা কৰিহে। অজ্ঞান আন্ধাৰৰ পৰা মুক্ত হৈ জ্ঞানৰ সম্ভেদ পালেহে মানুহে এই জীৱনৰ ৰহস্য তত্ত্ব বুজি পায়। অজ্ঞান আন্ধাৰত ডুব গৈ থকা মানুহে এই ঐহিক জীৱনৰ সুখ-সম্পদ, ঐশ্বৰ্য্য, বিত্ত, পুত্ৰ, কন্যা পৰিবাৰকে মুখ্য বুলি ডুবি থাকে। সম্পদ কালৰ সোণালী মুহূৰ্তত ঈশ্বৰক মনত পেলাবলৈ সময়ো নাই, বুজিও নাপায়, প্ৰয়োজনীয়তাও অনুভৱ নকৰে। ইয়াকে বুজাবলৈ মাধৱদেৱে ঘোষাত শুনাবলৈকে প্ৰকাশ কৰিছে—

"ক্ষুদ্ৰ সুক্ষে বহু আশা কৰি
ভৱকুপে জীৱ আছে পৰি
কাল সৰ্পে দংশি হৰিল চেতন তাৰ। ৬৬৫

এনে বিপৰ্য্যয়ৰ একমাত্ৰ উপায় পশুৰ যোগ্য বৈষয়ীক সুখ আৰু আনন্দ পৰিহাৰ কৰি কৃষ্ণৰ গুণ নাম শ্ৰৱণ কীৰ্তন কৰা, অজ্ঞানতা দূৰ কৰি আত্ম অনুশাসনেৰে মানবীয় কৰ্মত প্ৰবৃতে হোৱা। সেয়ে মাধৱদেৱৰ *নামঘোষা* গ্ৰন্থত মহিমাযুক্ত উপদেশ অন্তৰ্ভুক্ত কৰিছে। এনে উপদেশত ভক্তসকলক নামৰ মহিলা, গুৰুৰ মাহাত্ম্য, ভক্তিৰ মাহাত্ম্য, হৰি ভক্তিৰ বিভিন্ন উপায় তথা ফলাফল আদি উপযুক্তভাৱে *নামঘোষাত* অন্তৰ্ভুক্ত কৰিছে। এইবোৰ মাধৱদেৱৰ মৌলিক সংযোজন, এইবোৰৰ ব্যাখ্যা অনুধাৱন নকৰাকৈ ভক্তি ধৰ্মৰ প্ৰকৃত স্বৰূপ বুজা সম্ভৱ নহয়। মানৱ জীৱনৰ প্ৰমূল্যক মাধৱদেৱে তেওঁৰ উদ্দেশ্যমূলক ঘোষাসমূহৰ মাজেদি ৰক্ষিত কৰিবলৈ চেষ্টা কৰিছে। যিটো মানৱ ব্যক্তিজীৱন আৰু সমাজ জীৱনলৈ মাধৱদেৱৰ অমূল্য অৱদান।

৮.৪ *নামঘোষাত* নিন্দাৰ তাৎপৰ্য

নামঘোষা মাধৱদেৱৰ ভক্তি তত্ত্ব সৰ্বস্ব গ্ৰন্থ হ'লেও দেখা যায় যে এই গ্ৰন্থ উপদেশমূলকো। যাৰ বাবে *নামঘোষাক* আৱেগমূলক ভক্তি কাব্যও বুলিব পাৰি। কাৰণ ইয়াত কবি প্ৰাণৰ ব্যক্তিগত আৱেগ অনুভূতি মৰ্মস্পৰ্শী ৰূপত প্ৰকাশ পাইছে।

মায়ামোহৰ জালত আৱদ্ধ হৈ মানৱে সৎ পথৰ সন্ধান পাবলৈ অক্ষম হয়। *নামঘোষা*ৰ ২২২ নং ঘোষাত মাধৱদেৱে উপযুক্ত উপমাসহ এই কথা বুজাবলৈ চেষ্টা কৰিছে—

'যম কাল মায়া মৃত্যুৱে বেঢ়িয়া
আছে বাঘজানি কৰি
হেনয় জীৱক কোনে ৰাখিবেক
বিনে কৃপাময় হৰি।। ২২২।।

মায়াৰ আকর্ষণক বাঘজালিৰ লগত তুলনা কৰিছে। বাঘৰ সন্মুখত পৰিলে বাঘৰ কিবা এক সম্মোহিনী শক্তিৰ প্ৰভাৱত পৰি লৰচৰ কৰিব নোৱাৰা অৱস্থা হয়, এয়ে বাঘজালি। মায়াৰ ক্ষেত্ৰতো সেই একে কথা। যম, কাল, মায়া, মৃত্যুৱে বাঘজালি কৰি আৱদ্ধ ৰখা জীৱক কৃপাময় হৰি বিনে উদ্ধাৰ কৰোতা আন কোনো নাই। মাধৱদেৱৰ আত্মোলব্ধি বিনে এনে ব্যঞ্জনা সম্ভৱ নহয়। ভক্তিৰ প্ৰাৰম্ভিক প্ৰয়োজনেই হৈছে আত্ম উপলব্ধি। মাধৱদেৱ *'নামঘোষা'*ত অনুশোচনা, শঙ্কা, খেদ, আত্মনিন্দা, নিন্দা, বিৰক্তি আদি পৰিচ্ছেদৰ ঘোষাসমূহত আত্মোলব্ধিৰ সহায়ত নিজৰ হীনতা, অজ্ঞানতা দূৰ কৰি পৰম পুৰুষৰ মহত্ব উপলব্ধি কৰি ভগৱন্তৰ চৰণত আত্মসমর্পণৰ ওপৰত বিশেষ গুৰুত্ব দিছে। আত্মজ্ঞান লাভ কৰি মানৱাত্মাৰ হৈ খেদ প্ৰকাশ কৰিছে মহাকবি মাধৱদেৱে—

'মনুষ্য যোনিৰ কৰ্ম্মে নিঃশেষ যোনিত ফুৰি
দীনবন্ধু দামোদৰ এ
হৰি হৰি বাৰে বাৰে ভুঞ্জিলো নাহি পাৰ।
দীনবন্ধু কতবা ভুঞ্জিলো অপাৰ
ইবেলি তোমাৰ দুই চৰণে শৰণ লৈলো
দীনবন্ধু দামোদৰ এ
হৰি হৰি নকৰিবা মোক পৰিহাৰ।
প্ৰাণবন্ধু চৰণত ৰাখিয়ো ইবাৰ হৰি এ ।। ৭৫৭।।

এই ক্ষেদ বা ক্ষোভৰ অন্তত যি আত্ম উপলব্ধি ঘটিছে তাৰ বলত নিন্দা, আত্মনিন্দা স্বাভাৱিক হৈ উঠিছে। মানৱী জন্ম ধৰি পশুৰ যোগ্য কৰ্ম কৰাজন নিন্দাৰ যোগ্য—

সমস্তৱে আদি নৱতনু উদ্যম কৌটিয়ে নপায় পুনু
কোনো ভাগ্যোদয়ে পায়া নাৱ দৃঢ় আতি।
গুৰু ভৈলা তাত কর্ণধাৰ কৃষ্ণ ভৈলা অনুকূল বায়ু
তথাপি সংসাৰ নতৰয় আত্মঘাতী।। ৬২৪।।

এনে আত্ম উপলব্ধিৰেহে আত্মনিন্দা সম্ভৱ। এই আত্মনিন্দাই মনৰ মল দূৰ কৰে আৰু পৰমার্থতত্ত্ব লাভৰ পথ প্ৰশস্ত কৰে। আত্মনিন্দাই মানৱক আত্মসচেতন কৰে, পৰমপদৰ সন্ধান দিয়ে আৰু ঈশ্বৰ প্ৰাপ্তি সম্ভৱ কৰি তোলে। মাধৱদেৱে ৭৫১নং ঘোষাত আত্মনিন্দা শিৰোনামৰে আত্ম বিশ্লেষণৰ দ্বাৰা মানুহৰ অজ্ঞানতাৰ কথা প্ৰকাশ কৰিছে—

'তুমি প্ৰাণ প্ৰিয়তম ঃ সুহৃদ পৰম দেৱ
প্ৰাণবন্ধু পীতাম্বৰ এ
তুমিসে কেৱলে আত্মা মোৰ।
তোমাক নজানি জড় মিছা শৰীৰক মঞি
প্ৰাণবন্ধু পীতাম্বৰ এ
আত্মা বুলি ভৈলো সেৱা চোৰ।
প্ৰাণবন্ধু কিনো মঞি অজ্ঞানী দুৰ্ঘোৰ হৰি এ ।। ৭৫১।।

পৰমাত্মা সম্বন্ধে এনে ৰহস্যবাদী উপলব্ধি হোৱা হেতুকেই তেওঁৰ পৰম ৰসময় ভগৱন্তৰ চৰণ ছায়াত আকুলভাৱে আশ্ৰয় প্ৰাৰ্থনা কৰি একান্ত 'শৰণ' বাঞ্ছা কৰিছে—

ইবাৰ কৰুণাময় ঃ হৰি কমলাপতি ঃ
মোকে নছাৰিবা নাৰায়ণ।
অৰুণ চৰণ তলে ঃ হৰি কমলপতিঃ
সত্যে সত্যে পশিলো শৰণ।।

এইদৰে নিন্দা, আত্মনিন্দা শীৰ্ষক ঘোষাসমূহৰ দ্বাৰা মাধৱদেৱে সমগ্ৰ মানৱৰ হৃদয় স্পৰ্শ কৰি পৰম জ্ঞানৰ সন্ধান দি মানৱ সমাজক উপকৃত কৰিছে।

৮.৫ *নামঘোষাত* হৰি ভক্তিৰ মাহাত্ম্য

নামঘোষা এখনি সাৰ্থক ভক্তি তত্ত্বৰ গ্ৰন্থ। ইয়াত বৰ্ণিত ঈশ্বৰ ভক্তি তত্ত্ব' 'কৃষ্ণৰ ভক্তিয়েই হ'ল 'হৰি নাম প্ৰেমৰস'। হৰিভক্তিত পাৰমাৰ্থিক 'তত্ত্ব লাভ হয়। হৰি ভক্তিৰ বাবে অনুকৰণ কৰিব লগা বিভিন্ন পথ সন্ধান দান নামঘোষাৰ মূল লক্ষ্য বা উদ্দেশ্য। *নামঘোষা*ৰ নামান্বয়ত ভগৱানক বিভিন্ন নামৰ অন্বয় কৰি সেই নামসমূহৰ মাজেদি হৰি ভক্তি বা কৃষ্ণ ভক্তিৰ মাহাত্ম্য ঘোষিত হৈছে। 'কৃষ্ণ' নামৰ 'কৃষ্ণ' শব্দই পৃথিৱী আৰু 'ন' ই-আনন্দ বুজায়। 'কৃষ্ণ' আৰু 'ন' লগ লাগি পৰম ব্ৰহ্মৰূপ 'কৃষ্ণ' নাম হৈছে, যি কেৱল পৰম আনন্দকে বুজায়। সেইদৰে 'ৰাম' শব্দই ৰসন কৰা, আনন্দ লভা বুজায়। এক ঈশ্বৰকে যোগীসকলে ধ্যান কৰি আনন্দ লভে। গতিকে 'ৰাম' পদে পৰম ব্ৰহ্মৰূপে 'কৃষ্ণ' নাম হৈছে, যি কেৱল পৰম আনন্দকে বুজায়। সেইদৰে 'ৰাম শব্দই' ৰমন কৰা, আনন্দ লভা বুজায়। এক ঈশ্বৰকে যোগীসকলে ধ্যান কৰি আনন্দ লভে। গতিকে 'ৰাম' পদে পৰমব্ৰহ্মকে বুজাইছে। সেইদৰেই ঈশ্বৰৰ নাম লোৱাৰ লগে লগে সকলো দুখ হৰণ কৰে কাৰণে ঈশ্বৰক হৰি বোলাও হয়। এইদৰে হৰি, কৃষ্ণ, বিষ্ণু, ৰাম, ইত্যাদি শতসহস্ৰ নামেৰে ভগৱানৰ মাহাত্ম্যক *নামঘোষাত* বৰ্ণনা কৰা হৈছে। সেয়ে হৰিভক্তিৰ মাহাত্ম্য মানে কৃষ্ণভক্তিৰ মাহাত্ম্য।

এই সম্পৰ্কত আগৰ অধ্যায়ত আলোচনা কৰা হৈছে। আপুনি এই সম্পৰ্কত আগৰ অধ্যায়ত কৃষ্ণভক্তি মাহাত্য শীৰ্ষক কথাখিনিত চকু ফুৰাব পাৰে।

৮.৬ *নামঘোষাত সংসাৰ তাৰণৰ উপায়*

সংসাৰত মায়াৰ বশৱৰ্তী হৈয়েই মানুহে মায়াৰ ৰচনা জগত প্ৰপঞ্চকে সত্য বুলি জ্ঞান কৰি পৰিশেষত নানা প্ৰকাৰ দুখ ভোগ কৰে। মাধৱদেৱে *নামঘোষাত* সংসাৰৰ ত্ৰিতাপক্লিষ্ট জীৱক (আগৰ অধ্যায়ত ত্ৰিতাপ সম্পৰ্কে বিশ্লেষণ কৰা হৈছে) সকলো প্ৰকাৰ সংসাৰৰ দুখ নিবাৰণৰ উপায় অৰ্থাৎ সংসাৰ তাৰণৰ উপায় দিছে। পৰমব্ৰহ্মৰ স্বৰূপ আবৃত কৰি বিক্ষেপণ শক্তিৰে মিছা জগতৰ ধাৰণা বহন কৰি প্ৰপঞ্চময় জগত আৰু সংসাৰ নিয়ন্ত্ৰণ কৰিছে। কপট গুণযুক্ত মায়াক অবিদ্যা আৰু ঈশ্বৰক সহযোগী ৰূপে সংসাৰ সৃষ্টি আৰু পালনত সহায় কৰাৰ বাবে প্ৰকৃতি বুলিও কয়। *নামঘোষাৰ* বিভিন্ন ঘোষাত মায়াক এক ৰহস্যময়ী শক্তিৰূপে বৰ্ণনা কৰে যিয়ে জীৱক সংসাৰত অবিৰাম দুখ আৰু যন্ত্ৰণা দিয়ে।

এই সংসাৰ দুখৰ পৰা জীৱৰ সহজে নিস্তাৰ নাই। জন্ম-মৃত্যুৰ চক্ৰত জীৱ আৱৰ্তিত হৈ থাকে। ব্ৰহ্মপোলব্ধি নোহোৱালৈকে জীৱই পুনঃ পুনঃ জন্ম লৈ নিকাৰ ভুঞ্জে। যেতিয়ালৈকে জীৱই অবিদ্যা বা অজ্ঞান আন্ধাৰ ফালি সংসাৰৰ অনিত্যতা সম্পৰ্কে সচেতন নহয় তেতিয়ালৈকে জীৱই নিজকে পৰম ব্ৰহ্মৰ অংশ বুলি উপলব্ধি কৰিব নোৱাৰে। এই মায়া তৰণৰ উপায় স্বৰূপে *নামঘোষাত* একান্ত ভক্তিকে সাৰোগত কৰিছে।

নমো নমো নাৰায়ণ প্ৰসন্ন হয়োক হৰি
কৰিয়োক মায়াৰ নিৰ্মাণ
আপোনাৰ মহিমাক আপুনি বেকত কৰি
জীৱক কৰিয়ো পৰিত্ৰাণ।।

আনহাতে আকৌ ভগৱানত আত্মসমৰ্পন নকৰালৈকে মায়াই লগ এৰা নিদিয়ে।

তাৱত মায়াত নতৰে হৰিত
শৰণ নলৱে যেৱে।।

মায়া শব্দটোৰ ধাতুগত অৰ্থ 'মা' নিষেধবাচক, 'য়া' প্ৰাপ্তি বাচক। অৰ্থাৎ যি প্ৰাপ্ত হৈয়ো নাপাই, সেয়ে মায়া। মায়া ঐশী শক্তি, যাৰ লক্ষণ নাই অৰ্থাৎ জগতৰূপ কাৰ্য আছে। মায়া নাথাকিলে মুক্তি স্বতঃসিদ্ধ অৱস্থা হ'লহেতেন। *নামঘোষাত* ঈশ্বৰৰ মায়া সম্পৰ্কে ব্যক্ত কৰিছে—

হে কৃষ্ণ তুমি মাত্ৰ চৈতন্যস্বৰূপ নিত্য
সত্য শুদ্ধ, জ্ঞান অখণ্ডিত।
আৱৰ যথেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।।

নামঘোষাৰ মতে এক কৃষ্ণত শৰণ গ্ৰহণ নকৰিলে মায়াৰ পৰা হাত সাৰিব নোৱাৰি। কেৱল ভকতিৰ যোগেদিহে কৃষ্ণৰ কৃপাত আত্মজ্ঞান লাভ হ'ব পাৰে। অবিদ্যাক নাশ কৰি আত্মজ্ঞান লাভ কৰিলেহে নিজ শৰীৰটোক আত্মা বুলি থকা ভাৱ দূৰ হ'ব? অৰ্থাৎ দেহ (গহৰ ভাৱৰ পৰা ওপৰলৈ উঠি সমস্ত প্ৰাণী আৰু সমস্ত ভূততে এক আত্মা মাত্ৰ বিৰাজ কৰা দেখিব লাগিব।

জীৱাত্মা পৰমাত্মাৰ অংশ ৰূপে এই ভাৱ যেতিয়া উদয় হ'ব, তেতিয়াই মানুহ আধ্যাত্মিক স্তৰলৈ উন্নীত হয়।

অনাত্মা দেহক আত্মা বুদ্ধি কৰি হৰি হৰি হৰি এ তুমি পৰমাত্মা ইশ্বৰে ভৈলো বঞ্চিত।।
তোমাক নজানি জড় মিছা শৰীৰক মই
প্ৰাণ প্ৰভু পীতাম্বৰ এ
আত্মা বুলি ভৈলো সেৱা চোৰ।

যিজনে কেৱল নিজৰ দেহটোক নিজৰ একমাত্ৰ পৰিচয় বুলি ভাবি থাকে, তেওঁ নিজৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিব নোৱাৰে। আধ্যাত্মিক স্তৰলৈ যোৱাৰ প্ৰথম উপায় হৈছে ইন্দ্ৰিয় সংযম। যি ইন্দ্ৰিয় সংযম কৰিব নোৱাৰে তেওঁ কাম, ক্ৰোধ, লোভ, মোহ আদি ৰিপুবিলাকৰ কবলত থাকে। ইন্দ্ৰিয়বিলাকে মনত প্ৰবল প্ৰভাৱ বিস্তাৰ কৰে। সেয়ে মন ইন্দ্ৰিয়ৰ দাস হ'লে আত্মজ্ঞান কেতিয়াও লাভ হ'ব নোৱাৰে। আধ্যাত্মিকতা মনৰ সংস্কৃতি। কায়মনোবাক্যে পূণ্য সংযমী হ'ব পাৰিলেহে আধ্যাত্মিকতাত আগবাঢ়িব পাৰে। কি প্ৰক্ৰিয়াৰে কেনেদৰে মনক নিয়ন্ত্ৰণ কৰি ভগৱানৰ প্ৰতি একান্ত ভক্তিৰ অৱস্থানলৈ নি সংযমী হ'বৰ বাবে সাধনাৰ প্ৰয়োজন এই সম্পৰ্কতো মাধৱদেৱৰ *'নামঘোষা'*ৰ ৮৯/৯০ ঘোষাত জিভা, ৯১ নং ঘোষাত কাণ, ৯২ নং ঘোষাত মন, ৯৩ নং ঘোষাত হৃদয়, ৯৪ ত বুদ্ধি, ৯৫ ত অহংকাৰ, আৰু ৯৬ ত চিত্ত সকলোবোৰ ইন্দ্ৰিয় সুখৰ পৰা আঁতৰি হৰি ভক্তি সুখী হ'ব বাবে আহ্বান জনাইছে।

হৰি ভক্তি সম্পৰ্কতো মাধৱদেৱে কৈছে—

হৰিত শৰণ লৈয়া যিটো জন এ
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ
সিটো মহাজনে অতি মহাসুখে তৰে।। ৭১৫।।

এইদৰে বিভিন্ন ঘোষাৰ মাজেদি মাধৱদেৱে মানৱ সমাজক সংসাৰ তাৰণৰ উপায় নিৰ্দেশ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *নামঘোষা*ৰ অসমীয়া সমাজ জীৱনলৈ কি অৱদান আছে? (৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ *নামঘোষা* ক'ত কেনেকৈ আত্ম মূল্যায়ন। (১০০টা শব্দৰ ভিতৰত)

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ পৰা আমি জানিব পাৰিলোঁ যে নামঘোষা এখনি তাত্ত্বিক গ্ৰন্থই নহয়, এখনি উৎকৃষ্ট শ্ৰেষ্ঠ সাহিত্য। সাৰ্বজনীন শ্ৰেষ্ঠ সাহিত্যই যিদৰে সমাজক পথ নিৰ্দেশ কৰে, ঠিক কেনেকৈ নামঘোষাৰ উপদেশমূলক ঘোষা সমূহে মানৰ সমাজক পথ নিৰ্দেশ দিছে।
- নামঘোষাত ভক্তিৰ বিভিন্ন তত্ত্বসমূহ ব্যাখ্যা কৰাৰ উপৰিও এক শৰণ বৈষ্ণৱধৰ্মৰ ধ্বজা বহন কৰি ভক্ত সমাজক আধ্যাত্মিক পথলৈ আনিবলৈ সক্ষম হৈছে।
- এই অধ্যায়নৰ উপদেশ, নিন্দা শীৰ্ষক ঘোষাসমূহৰ ব্যাখ্যাৰে মানৱ জীৱনৰ মহত্ব প্ৰদৰ্শন কৰি এনে মহৎ জীৱন লাভ কৰা মানুহে নিজস্ব কৰ্মনাশৰে মনুষ্য জীৱন বিফল কৰাত ক্ষোভ প্ৰকাশ কৰিছে। সেয়েহে 'খেদ', উপদেশ'ৰ যোগেদি আত্ম উপলব্ধিৰ পাঠ মানৱ সমাজক দিছে।
- আত্ম উপলব্ধি নোহোৱালৈকে মানুহ আধ্যাত্মিক স্তৰলৈ উন্নীত হ'ব নোৱাৰে। সেয়েহে বিভিন্ন ঘোষাৰ যোগেদি হৰি ভক্তিৰ মাহাত্ম্য দেখুৱাইছে। হৰি ভক্তিৰ দ্বাৰা কেনেকৈ অবিদ্যাক নাশ কৰি ব্ৰহ্মা, পৰম ব্ৰহ্মাৰ জ্ঞান আয়ত্ব কৰিব পাৰি আৰু তাৰ দ্বাৰা ইন্দ্ৰিয়াসক্ত ৰিপুবোৰক দমন কৰি সংসাৰত মনুষ্য জীৱন সফল কৰিব পাৰি, তাৰ সম্ভেদ দিছে বিভিন্ন ঘোষাই। এইদৰে মানৱ জীৱনৰ প্ৰমূল্যত গুৰুত্ব দি সংসাৰ তাৰণৰ উপায় স্বৰূপ বিভিন্ন উপায় এই অধ্যায়ৰ বিষয় বস্তুৱে সামৰিছে।



৮.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। দত্ত বৰুৱা,হৰিনাৰায়ণ (১৯৭০); *সটীক নামঘোষা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

২। দাস, ইলাৰাম (২০১৪); *নামঘোষা ৰসামৃত কৃষ্ণ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩। দাস, হৰমোহন (সম্পা) (১৯৫৭); *মহাপুৰুষ মাধৱদেৱৰ নামঘোষা (হিন্দী ইংৰাজী অনুবাদসহ);* কলিকতা।

৪। নাথ, জীৱকান্ত (সম্পা) (২০০২); *নামঘোষাৰ সমীক্ষান্তক অধ্যয়ণ* ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ ।

৫। চলিহা, ভৱ প্ৰসাদ (সম্পা)(১৯৮৯); *মাধৱদেৱ আৰু সংস্কৃতি* ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।

৬। নেওগ, মহেশ্বৰ (১৯৮৯); *শ্ৰীশ্ৰীমাধৱদেৱ* ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ।

৭। শইকীয়া,পূর্ণানন্দ(১৯৯০); *মাধৱদেৱ ভক্তি সাহিত্য;* গুৱাহাটী ঃ বৰা প্রকাশন।

৮। দাস, কৈলাশ আৰু কলিতা মৱল, ৰজিতা (সম্পা) (২০০৬); *অসমীয়া ভক্তি সাহিত্য;* শ্রীমন্ত শংকৱদেৱ সংঘ।

৯। শালৈ, পদ্মৱাম (১৯৯৭); *ভক্তিধর্ম আৰু ভক্তি কাব্যত এভুমুকি;* গুৱাহাটী বিশ্ববিদ্যালয় ঃ ছার্ভিছ বুক ছেল্ছ।

১০। দত্ত, অনিমা (২০০৩); *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দর্শন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১১। নাথ, প্রফুল্ল কুমাৰ (২০১২); *ভক্তি মার্গ আৰু ভাৱতীয় ভক্তি সাহিত্যত এভুমুকি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১২। মজুমদাৰ, বিমল (১৯৯৯); *ভক্তিসাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৮.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ নামঘোষাৰ তাত্ত্বিক দিশটোৰ উপৰিও মানুহৰ ব্যক্তি আৰু সমাজ জীৱনলৈ আগবঢ়োৱা শিক্ষাৰ এটি দিশ আছে।

২ নং প্রশ্নৰ উত্তৰ ঃ শ্রেষ্ঠ সাহিত্য গুণেৰে সমৃদ্ধ *নামঘোষা* উপদেশ, আত্মপদেশ, নিন্দা, খেদ, আত্ম নিন্দা আদি বিভিন্ন শিতানত মাধৱদেৱে কেনেদৰে আত্মোপলব্ধিৰে শিক্ষা প্রদান কৰিছে। সেই দিশত আলোকপাত কৰিলেই হ'ব।



৮.১০ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ *নামঘোষা* গ্রন্থৰ 'উপদেশ' শীর্ষক অধ্যায়ত অন্তর্ভুক্ত ঘোষাৰ উদ্ধৃতি দি মাধৱদেৱৰ বক্তব্য বিচাৰ কৰক।

প্রশ্ন নং ২ ঃ *নামঘোষাত* নিন্দা'ৰ তাৎপর্য বিচাৰ কৰক।

প্রশ্ন নং ৩ ঃ *নামঘোষাত* মানৱৰ প্রতি কি বার্তা প্রেৰণ কৰিছে?

প্রশ্ন নং ৪ ঃ *নামঘোষাত* বর্ণিত ঘোষাৰ উদ্ধৃতি দি হৰি ভক্তিৰ মাহাত্ম বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৯ ঃ ভট্টদেৱৰ *কথা ভাগৱত* ঃ সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ভট্টদেৱৰ পৰিচয়

৯.৪ ভট্টদেৱৰ সাহিত্য প্ৰতিভা

৯.৫ *কথা-ভাগৱত* আৰু ভট্টদেৱৰ গদ্যৰীতি

৯.৬ *কথা-ভাগৱততে* ভট্টদেৱৰ পাণ্ডিত্য আৰু ব্যক্তিত্ব

৯.৭ *কথা-ভাগৱততে* প্ৰকাশিত ভক্তি তত্ত্ব

৯.৮ *কথা-ভাগৱত* আৰু অসমীয়া গদ্য পৰম্পৰা

৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.১০ অধিক জানিবলৈ

৯.১১ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.১২ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভট্টদেৱৰ সময়, জীৱন আৰু সাহিত্য কীৰ্তি সম্পৰ্কে শিক্ষাৰ্থীসকল পৰিচিত হ'ব
- অসমীয়া সাহিত্যৰ ইতিহাসত ভট্টদেৱৰ এক ঐতিহাসিক পৰিচয় আছে তাক আলোচনা কৰিব পাৰিব
- কথা-ভাগৱত, কথা-গীতা আৰু কথা-ৰত্নাৱলীৰ যোগেদি যে ভট্টদেৱে সাহিত্যৰ মাধ্যম হিচাপে পোন প্ৰথমতে অসমীয়া ভাষাৰ গদ্য প্ৰতিষ্ঠা কৰে তাক জানিব পাৰিব।

৯.২ পৰিচয়

সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা তৃতীয় ষান্মাসিকৰ দ্বিতীয় পাঠ্যবিষয় 'ভক্তি সাহিত্য'ৰ এইটো নৱম অধ্যায়। এই অধ্যায়টোৰ অধ্যয়নৰ বিষয় অসমীয়া গদ্য সাহিত্যৰ জনক বৈকুণ্ঠনাথ ভট্টাচার্য। চমুকৈ জনপ্ৰিয় ৰূপত পৰিচিত ভট্টদেৱে গদ্য সাহিত্যৰ প্ৰথম স্বাক্ষৰ বহণ কৰে কথা-ভাগৱত অনুবাদ কৰি। ভাগৱত এখনি অতি প্ৰসিদ্ধ আৰু জনপ্ৰিয় পুৰাণ। ইয়াত বিশেষভাৱে পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰকাশিত হৈছে। এই ভক্তি প্ৰধান তাত্ত্বিক গ্ৰন্থৰ সাৰ গ্ৰহণ কৰি ভট্টদেৱে কথা-ভাগৱত অতি সৰলৰূপত গদ্যভাষাৰে প্ৰকাশ কৰে।

ভাগৱত-পুৰাণৰ বিষয়-বস্তু ভক্তিতত্ত্ব আৰু পৰমব্ৰহ্ম তত্ত্বৰ দাৰ্শনিক গভীৰ বিষয়বস্তুক সহজ-সৰল অসমীয়া কথা বা গদ্যত প্ৰকাশ কৰি লোক সমাজৰ মাজত প্ৰচাৰ কৰা ভাগৱত কথাও এই অধ্যায়ত আলোচিত হ'ব।

৯.৩ ভট্টদেৱৰ পৰিচয়

অসমীয়া সাহিত্যৰ ইতিহাসত স্বৰ্ণযুগৰূপে খ্যাত মধ্যযুগৰ বৈষ্ণৱ সাহিত্য- শংকৰোত্তৰ কালৰ এজন প্ৰতিভাশালী কবি সাহিত্যিকৰ আছিল বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্য বা ভট্টদেৱ (খৃঃ ১৫৫৮-১৬৩৮)। ভট্টদেৱ অসমীয়া গদ্য সাহিত্যৰ পিতৃ স্বৰূপ অর্থাৎ গদ্য সাহিত্যৰ জনক ৰূপে পৰিচিত। ভট্টদেৱৰ সমসাময়িক যুগ আছিল পদ্য বা ছন্দৰ যুগ অর্থাৎ সাহিত্য ৰচনাৰ প্ৰচলিত মাধ্যম আছিল পদ্য বা ছন্দ। কিন্তু ভট্টদেৱে যথেষ্ট সাহস আৰু পাৰদর্শিতাৰে দেখুৱাই গ'ল যে মানুহে ব্যৱহাৰিক দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ৰকথা বা গদ্যতো সাহিত্য সৃষ্টি হ'ব পাৰে। আনকি সুদূৰ ষোড়শ শতিকাতে গীতা আৰু ভাগৱতৰ দৰে ভক্তি তাত্ত্বিক দার্শনিক গ্ৰন্থৰো গদ্য ৰূপত অনুবাদ কৰি অসমীয়া ভাষা সাহিত্যক ভাৰতীয় আন আন প্ৰাদেশিক ভাষাৰ সাহিত্যৰ মাজত গদ্য সাহিত্যৰ সৌধ নির্মাণ কৰিলে। ফলস্বৰূপে অসমীয়া ভাষা সাহিত্যৰ ইতিহাসত এখনি স্মাৰক আসন লাভ কৰিবলৈ সক্ষম হ'ল।

ভট্টদেৱৰ আচল নাম বৈকুণ্ঠনাথ ভট্টাচার্য। এই ১৫৫৮ খৃঃত কামৰূপ জিলাৰ বৰনগৰৰ ওচৰৰ ভেৰাগ্ৰামত জন্ম গ্ৰহণ কৰে। নীলকণ্ঠ দাস কৃত 'দামোদৰ চৰিত' মতে ভট্টদেৱৰ জন্ম বজালী অঞ্চলৰ বিছনকুছিত। ৰামৰায়ৰ *'গুৰুলীলা'* মতে তেওঁৰ জন্ম ভেৰাগ্ৰামত বুলি কোৱা হয়। তেওঁৰ পিতৃৰ নাম কবি সৰস্বতী আৰু মাতৃৰ নাম আছিল তাৰাদেৱী। শ্ৰীচন্দ্ৰ ভাগৱতীৰ পৰিনাতি ভট্টদেৱ পৰাশৰ গোত্ৰীয় ব্ৰাহ্মণ আৰু পিতৃ শ্ৰী চন্দ্ৰ ভাৰতী ওৰফে কবি সৰস্বতীও বিখ্যাত পণ্ডিত আছিল। বৰনগৰৰ গোপালদেৱ নামৰ শাস্ত্ৰ বিশাৰদ পণ্ডিত এজনৰ সংস্কৃত টোলত বিদ্যার্থী হিচাপে বৈকুণ্ঠ নাথে অলপ দিনৰ ভিতৰতে ব্যাকৰণ, কাব্য, স্মৃতি, ভাগৱত, দর্শন আদি অধ্যয়ন কৰিব পৰা সংস্কৃত ভাষাৰ জ্ঞানৰ লগে লগে শাস্ত্ৰ জ্ঞানতো বিশেষ ব্যুৎপত্তি লাভ কৰিবলৈ সক্ষম হয়। এদিন তেওঁ এখন বিৰাট সভাত তেওঁৰ স্বভাৱসুলভ বাগ্মিতা আৰু মধুৰ ভঙ্গীৰে ভাগৱত ব্যাখ্যা কৰি সকলো লোককে আকর্ষণ কৰিছিল। তেতিয়াৰে পৰা সমাজে তেওঁক 'ভাগৱত ভট্টাচার্য' উপাধি দিয়ে। ভাগৱত শাস্ত্ৰত অগাধ পাণ্ডিত্য আৰু লোক সমাজক সহজ সৰলভাৱে বুজাই দিব পৰা তেওঁৰ প্ৰখৰ প্ৰতিভা দেখি লোক সমাজে তেওঁক'ব্যাসদেৱো' বুলিছিল। পিছলৈ লাহে লাহে ভট্টদেৱ নামেই জনপ্ৰিয় হৈ পৰিল। সেই সময়তে তেওঁ বিবাহপাশত আৱদ্ধ হৈ সংসাৰীও হয়।

পিছত পিতাকৰ কথামতে পাটবাউসীলৈ গৈ গুৰু দামোদৰদেৱত শৰণ লয়। গুৰু দামোদৰদেৱ আৰু ভট্টদেৱৰ সংযোগো বৈষ্ণৱ যুগৰ শংকৰ মাধৱৰ 'মণিকাঞ্চন সংযোগ'ৰ দৰে অসমীয়া জাতি, সংস্কৃতি আৰু ভাষা-সাহিত্যলৈ এক অপূর্ব সংযোগ। দামোদৰ দেৱ যেতিয়া পৰীক্ষিত নাৰায়ণ ৰজাৰ ৰোষত পৰি কামৰূপ ৰাজ্য এৰি কোচবিহাৰলৈ যাব লগা হয়, তেতিয়া

ভট্টদেৱক তেওঁৰ নিজ পাটবাউসী সত্ৰত ভাগৱতী পাতি সত্ৰৰ ভাৰ দি গৈছিল আৰু লগতে যাবৰ সময়ত দিয়া আন আন উপদেশৰ লগতে গদ্যভাষাত অর্থাৎ কথা ৰূপত এখন ভাগৱত ৰচনা কৰিবলৈ কয়। সেই মতেই ভট্টদেৱে টীকা ভাষ্য অনুসৰণ কৰি অশেষ কষ্ট আৰু সাধনাৰে ভাগৱতৰ চমু আৰু সৰল গদ্যৰূপ দি দ্বাদশ স্কন্ধ ভাগৱত অনুবাদ কৰে। ভট্টদেৱৰ সৃষ্টিৰাজিৰ যোগেদি প্ৰকাশিত হোৱা পাণ্ডিত্য, সৃজনীক্ষম প্ৰতিভা আৰু শাস্ত্ৰজ্ঞানৰ ব্যুৎপত্তি তথা ব্যাখ্যাৰ অসাধাৱণ ক্ষমতা দেখি পণ্ডিত সমাজে 'কবিৰত্ন' উপাধিও দিয়ে।

অসমীয়া সাহিত্যলৈ ভট্টদেৱৰ অৱদান অতুলনীয় আৰু অমৰ। সাহিত্যৰ ইতিহাসত ভট্টদেৱৰ কীর্তিস্তম্ভ হ'ল— কথা-ভাগৱত, কথা-গীতা আৰু কথা-ৰত্নাৱলী। ইয়াৰোপৰি অসমীয়া ভাষাত লিখা গ্ৰন্থ নন্দোৎসৱ, প্ৰসাদমালা, সাত্বত তন্ত্ৰ আৰু বিষ্ণু সহস্ৰনাম। সংস্কৃত ভাষাত লিখা গ্ৰন্থ হ'ল— ভক্তিসাৰ, ভক্তি বিবেক, ভাগৱত অধিকৰণ আৰু শৰৎ মল্লিকা। দামোদৱদেৱৰ প্ৰিয় শিষ্যৰূপে পাটবাউসীত ধর্ম প্ৰচাৰ কৰাৰ উপৰিও তেওঁ ব্যাসকুছিত এখন সত্ৰও স্থাপন কৰে। সমাজত শিক্ষা বিস্তাৰ কৰি সমাজ সংস্কাৰকৰ ভূমিকাৰেও ভট্টদেৱে পৰম নিষ্ঠা আৰু অক্ষুণ্ণ গৌৰৱৰে জীৱন অতিবাহিত কৰিছিল। জীৱনৰ শেষ দিনলৈকে কর্তব্য সম্পাদন কৰি ১৬৩৮ খৃঃত যোগী পুৰুষৰ দৰে ভট্টদেৱে ইহলীলা সম্ৱৰণ কৰে।

৯.৪ ভট্টদেৱৰ সাহিত্য প্ৰতিভা

অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভট্টদেৱৰ অতুলনীয় সাহিত্যিক অৱদানৰে অসমীয়া গদ্য সাহিত্যৰ জনক ৰূপে এখনি চিৰস্মৰণীয় আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। সংস্কৃত ভাষাত ব্যুৎপত্তি লাভ কৰা প্ৰখৰ আৰু প্ৰত্যুৎপন্নমতি এই প্ৰতিভাশালী সাহিত্যিকজনাই জীৱনজোৰা সাধনাৰে অসমীয়া সমাজ আৰু সাহিত্যৰ সেৱা কৰিছিল। তেওঁৰ অমৰ সৃষ্টি *কথা-ভাগৱত, কথা-গীত, কথা-ৰত্নাৱলী*ৰ উপৰিও প্ৰসংগমালা, সাত্ত্বিতক তন্ত্ৰ, বিষ্ণু সহস্ৰ নাম, নন্দোৎসৱ গ্ৰন্থৰ যোগেদি শংকোত্তৰ সমাজ আৰু সাহিত্যত ভক্তি ধর্মৰ প্ৰচাৰ আৰু প্ৰসাৰত ভট্টদেৱে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। সংস্কৃত ভাষাত ৰচিত *'ভক্তি-বিৱেক'* গ্ৰন্থখনিও এখনি অতি উচ্চস্তৰৰ ভক্তি তাত্ত্বিক গ্ৰন্থ। বিভিন্ন শাস্ত্ৰৰ সাৰ সংগ্ৰহ কৰি বৈষ্ণৱ ধর্মৰ মতাদর্শ সুপ্ৰতিষ্ঠিত কৰিবলৈ ভট্টদেৱে এই প্ৰকৰণ গ্ৰন্থখনি ৰচনা কৰিছিল। ভক্তি বিবেকৰ মূল পাঠৰ যোগেদি একশৰণীয়া ধর্মমতৰ আভাস পাব পাৰি। লগতে ভক্তি ধর্মৰ মূল ভজনীয় বিষ্ণুৰ নাম মাহাত্ম্য, শ্ৰৱণ-কীর্তনৰ যোগেদি ভগৱৎ প্ৰাপ্তি কথা জ্ঞাত হয়। ইয়াৰোপৰি ভক্তিসাৰ, ভাগৱত অধিকৰণ, শৰণমালিকা আদি সংস্কৃত ভাষাৰ গ্ৰন্থসমূহৰ যোগেদি ভট্টদেৱে একশৰণ ভাগৱতী ধর্মৰ দামোদৰীপন্থী বিষ্ণুভক্তিৰ কথা প্ৰচাৰ কৰিছিল। সোমাপতি দেৱশর্মাই তেওঁৰ *'দেৱ দামোদৰ গুৰু'* গ্ৰন্থত ভট্টদেৱ বিৰচিত গ্ৰন্থৰূপে *গুৰু বংশাৱলী, দামোদৰ ব্যাখ্যান, বৰগীত* আৰু *সত্ত নির্ণয়* এই চাৰিখন গ্ৰন্থৰ নামো সংযোগ কৰিছে। উপৰোক্ত প্ৰকাশিত অপ্ৰকাশিতসমূহ গ্ৰন্থৰাজিৰ যোগেদি শাস্ত্ৰ বিশাৰদ ভট্টদেৱৰ পাণ্ডিত্য আৰু সাহিত্য প্ৰতিভাৰ পৰিচয় পোৱা যায়।

শংকৰদেৱৰ পৰৱৰ্তী যুগত একশৰণীয়া ভাগৱতী ধর্ম তিনিটা পন্থাত বিভক্ত হয়। মহাপুৰুষীয়া, দামোদৰীয়া আৰু হৰিদেৱী। দামোদৰীয়া শাখাটো পণ্ডিতী শাখা। দামোদৰদেৱে আৰু তেওঁৰ বহুতো শিষ্য পণ্ডিতে আগৰ তান্ত্রিক মতৰ শাস্ত্রৰ বচন বৈষ্ণৱী মার্গত শাস্ত্রৰ বচনৰে প্রতিষ্ঠা কৰি ভাগৱতী ধর্মৰ গুৰুত্ব প্রতিষ্ঠা কৰে। দামোদৰদেৱে ধর্মপ্রচাৰৰ কাৰণে প্রয়োজনীয় ভক্তি তাত্ত্বিক গ্রন্থসমূহৰ ৰচনাৰ বাবে তেওঁৰ প্রতিভাশালী শিষ্য কেইজনমানক দামোদৰপন্থী ভক্তিধর্মৰ প্রচাৰত সহায় হ'ব পৰাকৈ গ্রন্থ ৰচনা কৰিবৰ বাবে নিয়োজিত কৰে। সেয়েহে তেওঁ ভাগৱত শাস্ত্রত ব্যুৎপত্তি লাভ কৰা ভট্টদেৱক ধর্ম প্রচাৰৰ আন আন উপদেশৰ লগতে কথাৰূপত এখনি ভাগৱত ৰচনা কৰিবলৈ নিয়োগ কৰে। ভট্টদেৱে সংস্কৃত ভাষাৰ গ্রন্থৰাজি অধ্যয়ন কৰাৰ উপৰিও ভাগৱতৰ বিভিন্ন টীকা ভাষ্য অধ্যয়ন আৰু অনুসৰণ কৰি ভাগৱতৰ প্রথম স্কন্ধ প্রথমে অনুবাদ কৰি গুৰু দামোদৰদেৱক দেখুৱালে। প্রথম স্কন্ধ ভাগৱত অনুবাদ চাই দামোদৰদেৱে বিশাল, ব্যাপক আলোচনাযুক্ত ভাগৱতৰ সলনি চমু আৰু সৰল কথাৰূপ দিবলৈহে ভট্টদেৱক উপদেশ দিলে, যাতে ভাগৱতৰ জটিল তত্ত্ব কথা লোক সমাজৰ অল্প শিক্ষিত আৰু অশিক্ষিত জনসাধাৰণে সহজে বুজিব পাৰে। পিছত ভট্টদেৱে মূল *ভাগৱত পুৰাণ*ৰ প্রত্যেক স্কন্ধৰ একোটা চমু সাৰাংশ ৰচনা কৰি *দ্বাদশ স্কন্ধ ভাগৱতক* সম্পূর্ণ *কথা-ভাগৱতত* ৰচনা কৰে। এই প্রসংগত *গুৰুলীলাত* কোৱা হৈছে—

'প্রভু দামোদৰৰ আজ্ঞায়ে মহাসন্ত।
শ্লোক ভাঙি ভাগৱত কথা কৰিলন্ত।।
অবিৰোধে স্ত্রীশূদ্রে চাণ্ডালে পঢ়য়।
সংক্ষেপিয়া কথাৰূপ কৈলা মহাশয়।।'

এইদৰে অসমীয়া গদ্য সাহিত্যৰ সৃষ্টিৰ ক্ষেত্রত দেখা যায় যে গদ্য সাহিত্যৰ সৃষ্টিত ভট্টদেৱ আছিল যন্ত্র আৰু যন্ত্রী আছিল গুৰু দামোদৰদেৱ। গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগেৰে সৃষ্টি হোৱা— *কথা-ভাগৱতেই* অসমীয়া গদ্য সাহিত্যৰ প্রথম নিদর্শন। প্রতিভাশালী পণ্ডিত কবি সাহিত্যিক ভট্টদেৱে কেৱল কথা-ভাগৱতৰ সৃষ্টিতেই ক্ষান্ত নাথাকি তাৰ পিছতে *কথা-গীতা, কথা-ৰত্নাৱলী* লিখি অসমীয়া গদ্য সাহিত্যক নতুন মাত্রা প্রদান কৰিলে। সুদূৰ ষোড়শ শতিকাতে অসমীয়া গদ্য সাহিত্যৰ সুদৃঢ় ভেটি প্রতিষ্ঠিত হ'ল। ভাৰতৰ আন আন প্রান্তীয় ভাষাৰ গদ্য সাহিত্য বহু পিছতহে আৰম্ভ হয়।

কথা-ভাগৱতৰ সৃষ্টিত ভট্টদেৱে কথা-বস্তুৰ বাবে ভিন্ন টীকা ভাষ্যৰ সহায় ল'লেও অসমীয়া ভাষাৰ গদ্যৰূপ সৃষ্টি কৰিবলৈ সংস্কৃত তৎসম শকৰ লগে লগে বহুতো তদ্ভৱ শব্দৰ নির্মাণ কৰিছে। যাৰফলত অসমীয়া ভাষাই সাহিত্যিক মাধ্যমৰ মর্যাদাপ্রাপ্ত হৈছে। 'কথা-গীত'ত লেখতে শংকৰী, ভাস্কৰী, দামোদৰী আৰু শ্রীধৰী এই চাৰিটা টীকা আলোচনা কৰি গীতাৰ তত্ত্বমূলক বিষয়বস্তু প্রকাশ কৰিবলৈ চেষ্টা কৰিছে। ইয়াৰ ভিতৰত ভক্তিপ্রধান শ্রীধৰী টীকাৰ প্রভাৱ যথেষ্ট। ভট্টদেৱে কথা-ভাগৱত, কথা-গীতা দামোদৰদেৱৰ জীৱিত অৱস্থাতেই সম্পূর্ণ কৰে। ১৯২০ শকত দামোদৰদেৱ স্বর্গীয় হয়। সেই হিচাপে ষোড়শ শতিকাৰ আৰম্ভণিতে এই দুয়োখন গ্রন্থ ৰচিত বুলি ক'ব পাৰি।

ভট্টদেৱে অসমীয়া সাহিত্য জগতৰ কেৱল গদ্য সাহিত্যৰ জনক ৰূপেই নহয়, গদ্য সাহিত্যৰ ত্রিস্তম্ভ কথা-গীত, কথা-ভাগৱত, কথা-ৰচনাৱলীৰ ভাৰতৰ সাহিত্য ইতিহাসত অসমীয়া গদ্য সাহিত্যক পোনপ্রথমে প্রতিষ্ঠিত কৰিলে। তেওঁৰ আন আন সৃষ্টিৰাজিয়েও অসমীয়া সমাজ আৰু সাহিত্যক উপকৃত কৰিছিল। আজীৱন ভক্তি সাধক এই কবি সাহিত্যিক জনাই সাৱস্বত নিৱন্তৰ সাধাণাৰে অসমৰ সমাজ আৰু সংস্কৃতিত ন-দিগন্তৰ প্রক্ষেপ কৰিছিল। ইয়াৰ মূলতে আছিল শাস্ত্রবিশাৰদ পণ্ডিতজনাৰ অফু�ৰন্ত প্রতিভা আৰু সাধনা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভট্টদেৱৰ জীৱন আৰু সাহিত্য কৃতিৰ বিষয়ে লিখক। (২০০টা শব্দৰ ভিতৰত)

.....

৯.৫ কথা-ভাগৱত আৰু ভট্টদেৱৰ গদ্যৰীতি

মহাপুৰুষ গুৰু দামোদৰদেৱৰ প্রিয় শিষ্য আছিল বৈকুণ্ঠনাথ ভট্টাচার্য। সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত জনাই আহৰণ কৰা ভাগৱতৰ ব্যুৎপত্তিৰ লগতে স্বভাৱসুলভ বাগ্মিতা আৰু মধুৰ ভংগীৰে ভাগৱত ব্যাখ্যা কৰি জন সমাজক মুগ্ধ কৰিব পাৰিছিল। তাৰ বাবে সমাজে তেওঁক ভাগৱত ভট্টাচার্য উপাধি দিয়ে। ভট্টদেৱৰ এই পাণ্ডিত্য আৰু প্রতিভা লক্ষ্য কৰি গুৰু দামোদৰদেৱে তেওঁক ভাগৱতৰ কথা-বস্তুক আৱাল-বৃদ্ধ-বণিতা সকলোৱে বুজিব পৰাকৈ গদ্য ভাষাত সৃষ্টি কৰিবলৈ আদেশ দিয়ে। গুৰুৰ আদেশ শিৰোধার্য কৰি পোনপ্রথমে ভট্টদেৱে এক গদ্যশৈলী নির্মাণ কৰি *'কথা-ভাগৱত'* সৃষ্টি কৰে। এইদৰে *'কথা-ভাগৱত'*ৰ যোগেদি ভট্টদেৱে অসমীয়া ভাষাত প্রথম গদ্য ভাষাৰ জন্ম দিবলৈ সক্ষম হ'ল। ভট্টদেৱৰ আগলৈকে অসমীয়া সাহিত্যৰ চর্চা হৈছিল পদ বা পদ্য ভাষাৰ যোগেদি। 'কথা-ভাগৱত'ৰ যোগেদি ভট্টদেৱে সোড়শ শতিকাতে প্রমাণ কৰি দেখুৱালে যে কথা বা গদ্যভাষাও সাহিত্যৰ মাধ্যম হ'ব পাৰে। এই অধ্যায়ত ভট্টদেৱৰ সাহিত্য প্রতিভা আৰু পাণ্ডিত্যৰ বিষয়ে আলোচনা কৰা হ'ব। ভট্টদেৱৰ সাধাৰণ পৰিচয়ৰ উপৰিও কথা-ভাগতৰ দর্শনৰ যোগেদি ভট্টদেৱৰ ভক্তিতত্ত্বৰ প্রকাশিত হয়। তাৰ বাবে ভট্টদেৱে শ্রীধৰ স্বামীৰ টীকা ভাষ্যক অনুসৰণ কৰিছিল। তদুপৰি ভট্টদেৱৰ গদ্যৰীতি, ভাষা আৰু সাহিত্যিক প্রতিভাৰে সমুজ্জ্বল ব্যক্তিত্বক আলোচনা কৰা হ'ব।

ভট্টদেৱে দ্বাদশ স্কন্ধ ভাগৱত ১৫১৫ শকৰ পৰা ১৫১৯ শক (১৫৯৩ খৃঃ - ১৫৯৭ খৃঃ) অসমীয়া গদ্যত ভাঙনি কৰে বুলি হেমচন্দ্র গোস্বামীয়ে *কথা-গীতাৰ* ভূমিকাত কৈ গৈছে। লগতে ইয়াকো কৈছে যে 'অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কার্যত ভট্টদেৱ যন্ত্র মাথোন, যন্ত্রী আছিল দামোদৰদেৱ।' অর্থাৎ গুৰু দামোদৰদেৱৰ আজ্ঞা, অনুপ্রেৰণাতে ভট্টদেৱে পোনপ্রথমতে প্রথম স্কন্ধ ভাগৱত অসমীয়া গদ্য ভাঙনি কৰি দামোদৰদেৱক দেখুৱালত দামোদৰদেৱে পঢ়ি চাই কয়—

'কিন্তু এতখানি, বহু কথা ভৈলে, পুথিও হৈবে বৰ।'
বাহুয় কন্ধৰ, কথাক লিখিতে, লাগিবে পাত বিস্তৰ।।
এতেকে ইয়াক, কহিতে নপাৰি, নকৰিবে কেহো যত্ন।
সংক্ষেপ কৰিয়া, সাৰ মাত্ৰ লৈয়া, কৰা কথা কবিৰত্ন।।

ইয়াৰ পিছত পাটবাউসীলৈ ঘূৰি আহি গুৰুৰ আজ্ঞামতে 'সংক্ষেপ কৰিয়া, সাৰ মাত্ৰ লৈয়া' ভট্টদেৱে দ্বাদশ স্কন্ধ ভাগৱত ১৫১৫ শকৰ পৰা ১৫১৯ শকৰ ভিতৰত (১৫৯৩ খৃঃ-১৫৯৭ খৃঃ) অসমীয়া গদ্যত ভাঙনি কৰিছে বুলি পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে 'কথা-গীতা'ৰ ভূমিকাত কৈ গৈছে।

ভট্টদেৱৰ আগলৈকে কোনো লেখকে গোটেই দ্বাদশ স্কন্ধ ভাগৱত অকলে নিজস্বভাৱে অনুবাদ কৰা দেখা নাযায়। বিভিন্নজন কবিয়ে বিভিন্ন স্কন্ধহে পদ্যত অনুবাদ কৰিছিল। ভাগৱতৰ বিভিন্ন অংশ নিজা অভিৰুচি আৰু কা�ৰণত অনুবাদ কৰাৰ বাবে ৰচনাৰীতিৰ সামঞ্জস্য ৰক্ষিত হোৱা দেখা নাযায়।

ভট্টদেৱৰ কথা-ভাগৱতে সেই যুগৰ লোক সমাজৰ সৰ্ব সাধাৰণৰ বাবে আধ্যাত্মিক জ্ঞানৰ পথকেই মুকলি কৰি দিয়া নাছিল। তাৰোপৰি গদ্য সাহিত্যৰ সৃষ্টিৰে পৰৱৰ্তী লেখক সকলৰ বাবেও পথ মুকলি কৰি দিছিল। তেওঁৰ সৰল ৰচনা-ৰীতি, চুটি চুটি বাক্য বিশিষ্ট লেখনি আৰু কথোপকথন মূলক ৰচনাভংগীয়ে পৰৱৰ্তী চৰিতকাৰসকলক প্ৰভাৱান্বিত কৰিছিল। কথা-ভাগৱত সৃষ্টিতে থমকি নৰৈ উদ্যোগী, পণ্ডিত কবিজনাই *'কথা-গীতা', 'কথা-ৰত্নাৱলী'*ও লিখি উলিয়ায়। তিনিওখন গ্ৰন্থৰে বিষয়বস্তু দার্শনিক তত্ত্ব সম্বলিত হোৱা স্বত্বেও ভট্টদেৱে অশেষ চেষ্টা, সাধনা আৰু প্ৰতিভাৰ সমন্বয়ত নিজস্ব গদ্যশৈলীৰে সৰ্বসাধাৰণে বুজিব পৰাকৈ সহজ-সৰল গদ্যভাষাৰ সৃষ্টি কৰিলে। সেয়া সঁচাকৈয়ে অসমীয়া সাহিত্যৰ ইতিহাসত এক চমৎকাৰ সংযোজন। লগতে ভাৰতীয় প্ৰাদেশিক সাহিত্যৰ ভিতৰতে প্ৰাচীনতম অমূল্য সম্পদ ৰূপে পৰিগণিত হ'ল।

ভট্টদেৱে 'কথা-ভাগৱত'ৰ আৰম্ভণিতে লিখিছে— 'মঞি অল্পমতি তথাপি শ্ৰীদামোদৰৰ আজ্ঞায়ে সন্তসৱৰ অনুমোদনে টীকা ভাষ্য অনুসৰি সংক্ষেপ প্ৰকাৰে নিৱন্ধো।' যি সময়ত ভাগৱত পুৰাণৰ নিচিনা গভীৰ তত্ত্ব শাস্ত্ৰ এখনৰ গ্ৰন্থক সম্পূৰ্ণৰূপত গদ্য ভাষাত লিখিব লগা হৈছিল সেই সময়ত ভট্টদেৱৰ আগত অসমীয়া কোনো লিখিত গদ্যৰ আৰ্হিও নাছিল। সেই সময়ত সকলো সাহিত্য পদ্যত লিখাৰেই নিয়ম আছিল। শংকৰদেৱৰ অংকীয়া নাটৰ সংলাপ বা বচনত এক লয়যুক্ত গদ্য ব্যৱহাৰ হৈছিল যদিও, সেয়া প্ৰকৃত অসমীয়া ভাষা নহয়, অসমীয়া ব্ৰজাৱলীহে আছিল। তদুপৰি লোক সমাজত ব্যৱহৃত ফকৰা যোজনা, জতুৱা ঠাঁচ আদিৰে পৰিপূৰ্ণ জনসাধাৰণৰ কথিত ভাষাতো ভাগৱতৰ নিচিনা আধ্যাত্মিক তত্ত্বৰ কথাবোৰ প্ৰকাশ কৰাও সম্ভৱ নহয়। আনহাতে মূল সংস্কৃত ভাষাৰ তৎসম শব্দৰে ভাৰাক্ৰান্ত কৰি ভাগৱতৰ কথা ৰূপ দিলে সৰ্বসাধাৰণৰ বাবে দুৰ্বোধ্য হৈ পৰে। আনহাতে সম্পূৰ্ণ কথিত ভাষাত লিখিলে ভাগৱতৰ মানদণ্ডও ৰক্ষিত নহয়, লগতে ভাগৱতৰ প্ৰতি জনসাধাৰণৰ শ্ৰদ্ধাভাৱ কমিবও পাৰে। এনে সন্ধিক্ষণত ভট্টদেৱে অতি দূৰদর্শিতাৰে অসমীয়া গদ্য ভাষাৰ সৃষ্টিত বিভিন্ন সমস্যা সমাধান কৰি এক গদ্যৰীতিৰ জন্ম

দিলে। ভট্টদেৱে তেওঁৰ পূৰ্বৱৰ্তী প্ৰাকশংকৰী যুগৰ পৰা কবিসকলে তেওঁলোকৰ কাব্যদিত ব্যৱহাৰ কৰি অহা ভাষাৰ শব্দাৱলী গ্ৰহণ কৰিলে। লগতে সমাজত সদ্য ব্যৱহৃত কামৰূপী ভাষাৰ শব্দ সমূহকো স্থান বিশেষে সংগতি ৰক্ষা কৰি ব্যৱহাৰ কৰিব পৰাকৈ নিৰ্বাচিত ৰূপত গ্ৰহণ কৰিলে। গদ্য ৰচনা কৰিবলৈ যিহেতু ব্যাকৰণসন্মত বাক্যবিন্যাস প্ৰকৰণৰ নিয়ম আগত ৰাখিব লাগে তাৰ বাবে সংস্কৃত ব্যাকৰণৰ নিয়ম প্ৰধানভাৱে অৱলম্বন কৰি উক্ত শব্দাৱলীৰে একপ্ৰকাৰ গহীন আৰু কিছু পৰিমাণে কৃত্ৰিম গদ্যৰ সৃষ্টি কৰি লয়। 'খালন্ত', 'বোলন্ত' আদি যুক্ত ব্যঞ্জনান্ত ক্ৰিয়া আৰু তৎসম শব্দৰ সঘন প্ৰয়োগে ভট্টদেৱী গদ্যশৈলীক গহীন কৰি তোলাৰ লগতে অলপ কৃত্ৰিমো কৰি তুলিছে। অৱশ্যে এইটোও স্বীকাৰ্য্য যে এনে গহীন ভাষাৰ মাজেদি গীতা-ভাগৱত আদিয়ে গদ্যৰূপ লোৱাত গ্ৰন্থ কেইখনৰ যথোচিত গাম্ভীৰ্য ৰক্ষা পৰিছে। আকৌ ভট্টদেৱৰ গদ্যশৈলীত ঘৰুৱা শব্দ বা জতুৱা ঠাচ একেবাৰে নাই বুলিও ক'ব নোৱাৰি। তেওঁৰ সমগ্ৰ গ্ৰন্থখন পঢ়োতাজনে দেখিবলৈ পাব— স্থানবিশেষে সংস্কৃতীয়া শব্দৰ। কাষত শ্ৰুতি-মাধুৰ্য নকমোৱাকৈ অসমীয়া ঘৰুৱা শব্দৰ ব্যৱহাৰে ভট্টদেৱী গদ্যশৈলী সৌষ্ঠৱপূৰ্ণ কৰি তুলিছে। কোনো ঠাইত জতুৱা ঠাচৰ ব্যৱহাৰেও ভট্টদেৱৰ গদ্যশৈলী মনোৰম আৰু যথার্থ অর্থ প্ৰকাশক কৰি তুলিছে। উদাহৰণ স্বৰূপে কথা ভাগৱতৰ পৰা কেইটামান ব্যৱহাৰ মন কৰক। থানথিত (৭/৭), আলাসতে, দেওদি, আলগতে (১০/৪৪), ঘাৰ মোচাৰি (১০/৩৬/৩৭), কাণাকাণি (১০/৫৬) ইত্যাদি।

প্ৰত্যক্ষ আৰু পৰোক্ষ- এই দুয়োবিধ উক্তিৰ ব্যৱহাৰ *'কথা-ভাগৱত'*ৰ গদ্যত থাকিলেও প্ৰত্যক্ষ উক্তিৰেই প্ৰাধান্য লক্ষ্য কৰা যায়। 'অৰে', 'হে' আদিৰ দ্বাৰা সাধাৰণতে প্ৰত্যক্ষ উক্তি আৰম্ভ হৈছে। যেনে ঃ 'আকাশ বাণী বোলয় ঃ অৰে কংস যাক ৰথত লৈয়া যাস ঃ এইৰ অষ্টম গৰ্ভে তোক বধিবেক (১০/১) 'কেহো বোলে ঃ হে সখী-সৱ ঃ লগত শ্ৰীকৃষ্ণ বাৰ্তা পুছা' (১০-৩০) ইত্যাদি। বহুবচন বুজাবৰ বাবে তেওঁ 'সৱ' আৰু 'গণ' শব্দৰ ব্যৱহাৰ কৰিছে। 'সৈতে'ৰ পৰিবৰ্তে 'সমে'ৰ ব্যৱহাৰ দেখা যায়। নিষেধাৰ্থক 'ন' আকাৰ নোহোৱাকৈ প্ৰায়ে ব্যৱহাৰ কৰা দেখা যায়। ক'ৰবাত আকৌ আকাৰৰ সংযোগো হৈছে। কিছুমান ক্ৰিয়াৰ দুটাকৈ ৰূপ ব্যৱহাৰ কৰিছে। নাম ধাতুৰ প্ৰয়োগো *'কথা ভাগৱত'*ৰ নানা ঠাইত দেখা যায়। ভট্টদেৱৰ গদ্যৰ স্থানবিশেষে প্ৰথমাদি সাতটা বিভক্তিৰ চিন যথাক্ৰমে 'এ', 'ক', 'দ্বাৰা', 'অক', 'পৰা', 'ৰ' আৰু 'ত'ৰ ব্যৱহাৰ আৰু স্থান বিশেষে আকৌ আধুনিক ৰূপ দেখা যায়। কামৰূপী কথিত ভাষাৰ নানান শব্দৰ প্ৰয়োগে দৃঢ়ভাৱে প্ৰমাণ কৰে যে ভট্টদেৱৰ গদ্যৰ ভাষা তদানীন্তন কথিত ভাষাৰ পৰা সম্পূৰ্ণৰূপে বেলেগ হোৱা নাছিল, লগতে ভাষাই আধুনিকীকৰণৰহে বাট কাটিছিল। লগতে এইটোও স্বীকাৰ কৰিব লাগিব যে কথিত ভাষাৰ যিকোনো ৰূপ সাহিত্যিক ৰচনাত হুবহু বহুৱাব নোৱাৰি। অর্থাৎ এতিয়া গদ্য সাহিত্যৰ মানদণ্ড নির্ণয় কৰিবলৈ গ'লে দেখা যায় সাহিত্যৰ ভাষা আৰু কথিত ভাষাৰ মাজত পার্থক্য আছে। যিমানেই প্ৰসিদ্ধ সাহিত্যিক নহওক, জনপ্ৰিয় সাহিত্যিক নহওক তেওঁৰ ভাষা যৎসামান্য হ'লেও কৃত্ৰিম হয়। অর্থাৎ লোক ব্যৱহাৰত মানুহে মুখেৰে যি কথা কয়, কলাত্মক সৃষ্টিশীল সাহিত্যত তেনে উকাৰূপত ভাষাৰ ব্যৱহাৰ নহয়।

শ্ৰীধৰী টীকাৰ অৱলম্বনত ভক্তিৰস অমৃত অটুট ৰাখি কথা-বস্তু প্ৰতিপাদনৰ পৌৰাণিক গাম্ভীৰ্য ৰক্ষা কৰি বিদগ্ধ, শাস্ত্ৰজ্ঞ পণ্ডিত ভট্টদেৱে পৰিমিত ভাষাৰ মাজেদি এক নিজস্ব শৈলীত

ভাগৱতৰ গদ্যৰূপ দিছে এক নিজস্ব গতত, য'ত ভাগৱতৰ সাৰ কথা লুপ্ত হোৱাও নাই, আনহাতে জনসাধাৰণেও ভাগৱতৰ ভক্তি ৰস অমৃত বুজিব নোৱাৰাও নহয়। লিখিত গদ্যৰ আৰ্হি আগত নোহোৱাকৈয়ে যথাসম্ভৱ ব্যাকৰণৰ নিয়মেৰে লোক সমাজে বুজি উঠাকৈ ভট্টদেৱে যি শৃংখলিত গদ্য-ভাষা সৃষ্টি কৰিলে সেয়া পৰৱৰ্তী লেখক সকললৈ গদ্যত সাহিত্য ৰচনাৰ বাবে পথ প্ৰদৰ্শন কৰিলে। লগতে সাৰ্থক সৃষ্টি সেই গদ্যই ৰূপ দিয়া গ্ৰন্থ কেইখনৰ মূল্য কেৱল অসমীয়া সাহিত্যতে নহয় ভাৰতীয় প্ৰাদেশিক সাহিত্যৰ ক্ষেত্ৰতো অমূল্য সম্পদ হৈ পৰিল। এইক্ষেত্ৰত ভট্টদেৱৰ প্ৰচেষ্টা, সাধনা আৰু পাণ্ডিত্য তথা প্ৰতিভা চিৰদিনৰ বাবে স্বীকৃত হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ অসমীয়া গদ্য সাহিত্যৰ স্ৰষ্টা ৰূপে ভট্টদেৱৰ চমু মূল্যায়ন কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৯.৬ *কথা-ভাগৱতত* ভট্টদেৱৰ পাণ্ডিত্য আৰু ব্যক্তিত্ব

ভট্টদেৱৰ পাণ্ডিত্য আৰু ব্যক্তিত্ব নিৰ্ণয় কৰিবলৈ গ'লে আমি প্ৰথমতে ভট্টদেৱৰ বংশ পৰিচয়, ল'ৰালিকাল আৰু শিক্ষাৰ্থী জীৱনলৈ মন কৰিব লাগিব। ভট্টদেৱৰ জন্ম হৈছিল পৰাশৰ গোত্ৰীয় এটি নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালত। শ্ৰী চন্দ্ৰ ভাগৱতীৰ পৰিনাতি আছিল ভট্টদেৱ। পিতৃ কবি সৰস্বতীও বিখ্যাত পণ্ডিত আছিল আৰু মাতৃৰ নাম আছিল তাৰাদেৱী। অনুমান কৰিব পাৰি যে এটি সুন্দৰ সাত্বিক পৰিৱেশত ভট্টদেৱৰ জন্ম, লালন-পালন আৰু শৈশৱ কাল অতিবাহিত হৈছিল। সুব্যক্তিত্ব গঠনৰ বাবে এনে পৰিৱেশ, পাৰিপাৰ্শ্বিকতা আৰু পণ্ডিত বংশৰ সু-পুত্ৰৰূপে পাব লগা শৈশৱৰ শিক্ষা তথা আদৰ্শই ভট্টদেৱৰ ব্যক্তিত্বক সুগঢ়িত ৰূপ দিছিল। তদুপৰি ভট্টদেৱৰ শিক্ষা জীৱন অতিবাহিত হৈছিল বৰনগৰ অঞ্চলৰ গোপালদেৱ নামৰ শাস্ত্ৰ বিশাৰদ পণ্ডিত এজনৰ তত্ত্বাৱধান। গোপালদেৱৰ সংস্কৃত টোলত বিদ্যাৰ্থী ৰূপে ভৰ্তি হোৱা বৈকুণ্ঠনাম ওৰফে ভট্টদেৱে ইমান সুন্দৰকৈ সংস্কৃত ভাষা জ্ঞান আয়ত্ব কৰিছিল যাৰ ফলত অলপ দিনৰ ভিতৰতে তেওঁ কাব্য, স্মৃতি, ব্যাকৰণ, ভাগৱত দৰ্শন আদি শাস্ত্ৰসমূহ অধ্যয়ন আৰু অনুধাৱন কৰিব পাৰিছিল। আনকি ভট্টদেৱ অতি কম দিনৰ ভিতৰতে শাস্ত্ৰ বিশাৰদ হৈ ভাগৱতৰ আধ্যাত্মিক তত্ত্বজ্ঞানতো ব্যুৎপত্তি লাভ কৰিবলৈ সক্ষম হ'ল। ভট্টদেৱৰ পাণ্ডিত্যপূৰ্ণ আৰু ব্যক্তিত্বপূৰ্ণ জীৱনৰ সফলতা পৰ্যবেক্ষণ কৰিলে দেখা যায় যে ভট্টদেৱৰ জীৱনৰ ভাগ্য, সুযোগ আৰু সুবিধাৰ ঋজু সংযোজন ঘটিছিল। আনহাতে ব্যক্তি হিচাপেও ভট্টদেৱ কৰ্মযোগী, সাধক আৰু সত্যনিষ্ঠ সেৱক হোৱাৰ বাবে সকলোবোৰৰ সমাহাৰত ভট্টদেৱে এটি সুস্থ-সৱল ব্যক্তি জীৱন কটোৱাৰ বাদেও সূক্ষ্মতিক্ষ্ম প্ৰতিভাৰ বিকাশ ঘটাই এজন শ্ৰেষ্ঠ সাহিত্যিক ৰূপে সমাজৰ ধৰ্ম, সাহিত্য, সমাজ জীৱন আৰু সংস্কৃতিৰ পূজাৰী ৰূপে অনবদ্য অৱদান আগবঢ়াবলৈ সক্ষম হ'ল।

ভট্টদেৱৰ সাহিত্যিক আধ্যাত্মিক জীৱনৰ গতি পথৰ দিক্‌দর্শন হ'ল গুৰু দামোদৰদেৱৰ দীক্ষা গ্ৰহণ কৰিবলৈ গৈ সৎগুৰু দামোদৰদেৱক লগ পোৱাৰ পৰা। সংস্কৃত ভাষা আৰু ভাগৱৎ শাস্ত্ৰত বুৎপত্তি লাভ কৰি প্ৰথমতে বৈকুণ্ঠনাথে বৰনগৰ অঞ্চলত ভাগৱত পাঠ কৰি সাধাৰণ ৰাইজক ভাগৱতৰ তাৎপর্য বুজাই ফুৰিছিল। এদিন এখন বিৰাট সভাত তেওঁৰ স্বভাৱসুলভ বাগ্মিতা আৰু মধুৰ ভংগীৰে ভাগৱত ব্যাখ্যা কৰি সকলোকে মোহিত কৰি পেলোৱাত সমাজে থেওঁক 'ভাগৱত ভট্টাচার্য' উপাধি দিয়ে। পিছলৈ তেওঁ ভট্টদেৱে নামেই খ্যাত হ'ল। সেই সময়তে তেওঁ বিয়া কৰাই গার্হস্থ্য জীৱনতো প্ৰৱেশ কৰিলে।

পিছত পিতাকৰ কথামতে পাটাবাউসীলৈ গৈ গুৰু দামোদৰদেৱৰ শৰণ লয়। বৰনগৰত বহুদিন ধৰি ভাগৱত পাঠ কৰি থকা সময়তে ভট্টদেৱে দেৱ দামোদৰৰ গুণ-যশৰ কথা শুনিছিল। দেৱ দামোদৰ গুৰুৱে তেওঁৰ দিব্য শৰীৰৰ শোভা আৰু দিব্য শক্তিৰে সেই সময়ৰ বিজ্ঞ, সুপণ্ডিতসকলক চুম্বকে লোক আকর্ষণ কৰি অনাৰ দৰে আকৃষ্ট কৰি ভক্তিৰসত আপ্লুত কৰাইছিল। পাটবাউসীলৈ গৈ দামোদৰ দেৱৰ শান্ত-সৌম্য মনোহৰ ৰূপ দেখি তেওঁৰ ওচৰত ভট্টদেৱ দীক্ষাৰ প্ৰতি গদ্‌ গদ্‌ হৈ উঠে আৰু তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। শংকৰদেৱ-মাধৱদেৱ নতুবা ৰামকৃষ্ণ পৰমহংস আৰু স্বামী বিবেকানন্দৰ মিলনৰ দৰে দেৱ দামোদৰ গুৰু আৰু ভট্টদেৱৰ মিলনকো 'মণিকাঞ্চন' সংযোগ বুলিব পাৰি। ভট্টদেৱ দামোদৰদেৱৰ অন্যতম প্ৰিয় শিষ্য। দামোদৰদেৱে অসমৰ পূব, পশ্চিম, উত্তৰ, দক্ষিণ আৰু মেৰু (নাভি) পাঁচোটা কেন্দ্ৰ স্থাপন কৰি মেৰুস্থল পাটবাউসী সত্ৰৰ আৰ্হিত সত্ৰ স্থাপন কৰি শিষ্যসকলৰ দ্বাৰা ধর্মপ্রচাৰত মনোনিৱেশ কৰি জগতৰ কল্যাণৰ হকে কাম কৰি গৈছিল। তেওঁ ভকত শিষ্যসকলৰ দ্বাৰা নানা গ্ৰন্থ সৃষ্টি কৰি অসমীয়া ভাষাক সুদৃঢ় ৰূপ দিবলৈ যত্ন কৰিছিল আৰু লগে লগে ভক্তিধর্মৰ সুগম পথৰ সন্ধান দি জন সমাজকো আধ্যাত্মিক জ্ঞান দি জীৱনৰ শিক্ষা দিবলৈ বিচাৰিছিল। ভক্ত বা শিষ্যৰ মনত সদ্‌গুৰু ঈশ্বৰ সদৃশ। সেয়ে তেওঁৰ আজ্ঞা, উপদেশ, প্ৰেৰণাই শিষ্যক অফুৰন্ত প্ৰভাৱ বিস্তাৰ কৰে। এনে আদর্শৰে দেৱ দামোদৰৰ শিষ্যসকলে মনক বিষয়ৰ পৰা মুক্ত কৰি ইষ্টদেৱত সম্পূর্ণৰূপে সমর্পণ কৰি ৰাখিবলৈ নানা গ্ৰন্থ, গীত-পদ আদি ৰচনাত মনোনিৱেশ কৰিছিল।

ভট্টদেৱৰ ব্যক্তিত্ব, পাণ্ডিত্য, প্ৰতিভা, শক্তিৰ ওপৰত গুৰু দামোদৰদেৱৰ বিশ্বাস আছিল। সেয়ে তেওঁৰ নিজ পাটবাউসী সত্ৰত ভট্টদেৱৰ ভাগৱতী পাতি সত্ৰৰ ভাৰ দি যাবৰ সময়ত দিয়া আন আন উপদেশৰ লগতে গদ্যভাষাত এখন সম্পূর্ণ ভাগৱত ৰচনা কৰিবলৈ আজ্ঞা দিলে—

"আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।
কথা বন্ধে এক খণ্ড ভাগৱত কৰা।।
পূর্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীর্তন, ভটিমা, ছবি, দুলড়ী সুছন্দ।।
তাতোকৈ সুগম কৰিও ভাগৱত।
স্ত্রী-শূদ্র সর্বলোকে বুজে যেন মত।।"

দামোদৰদেৱ বিজয় নগৰত এবছৰ থকাৰ পিছত পৰীক্ষিত নাৰায়ণৰ আজ্ঞামতে তেওঁৰ ৰাজ্য এৰিবলগীয়া হয় আৰু লক্ষ্মীনাৰায়ণৰ ৰাজ্য কোচবিহাৰলৈ যাত্রা কৰে। ভট্টদেৱে এই সংবাদ পাই পাটবাউসীৰ পৰা গৈ সোণকোষ নদী পাৰ হোৱাৰ সময়ত বাটতে গুৰু দামোদৰদেৱক লগ ধৰে। মূল শ্লোকৰ উপৰিও শ্রীধৰ স্বামীৰ টীকা ভাষ্য আদিৰে বহলভাৱে ৰচনা কৰা ভাগৱতৰ প্রথম স্কন্ধৰ অসমীয়া গদ্য ভাঙণিটো লগত লৈ গৈ বাটতে গুৰুক দেখুৱালে। দামোদৰদেৱে পঢ়ি চাই ভট্টদেৱক উপদেশ দিলে যে বিস্তৃত ৰূপত কথা বস্তু বর্ণালে গ্রন্থ কলেৱৰ ডাঙৰ হ'ব, সর্বসাধাৰণে কেনেকৈ এই গ্রন্থ যত্ন কৰি পঢ়িব, গতিকে ভাগৱতৰ সাৰভাগ লৈ সংক্ষেপ ৰূপত গদ্য ভাষাত বাৰ স্কন্ধ লিখিব লাগে যাতে আৱাল-বৃদ্ধ-বণিতা সকলোৱে পঢ়িব পাৰে। ইয়াৰ পিছত পাটবাউসীলৈ ঘূৰি আহি ভট্টদেৱে 'সংক্ষেপ কৰিয়া, সাৰ মাত্র লৈয়া' দ্বাদশ স্কন্ধ ভাগৱত অসমীয়া গদ্যত ভাঙণি কৰিছে। ভট্টদেৱে ভাগৱত গদ্যত লিখাৰ মূলতে হৈছে দূৰদর্শী স্বপ্নদ্রষ্টা গুৰু দামোদৰ দেৱৰ উপদেশ আৰু অনুপ্রেৰণা। হেমচন্দ্র গোস্বামীয়ে *কথা গীতাৰ* পাতনিত উল্লেখ কৰা দৰে "অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কার্যত ভট্টদেৱ যন্ত্র মাথোঁন, যন্ত্রী আছিল দামোদৰদেৱ"।

পাটবাউসীত থাকোতে দামোদৰদেৱৰ ভতিজাক শ্রীকৃষ্ণদেৱৰ লগত ভট্টদেৱৰ মনোমালিন্য হোৱাত দামোদৰদেৱে দুয়োকে তেওঁৰ অন্তিম সময়ৰ সুখাদ্য বস্তু লৈ কোচ বিহাৰলৈ মাতি পঠায়। ভট্টদেৱে কথা-ভাগৱত শেষ কৰি গুৰুত অর্পণ কৰেগৈ। শ্রীকৃষ্ণদেৱে সুস্বাদু খাদ্যবস্তু লৈ গৈ খুড়াকক লগ ধৰে গৈ। অন্তিমকালত ভৱৰোগৰ মহৌষধ এই ভাগৱত শাস্ত্রই আমাৰ পৰম সুখাদ্য বুলি দামোদৰদেৱে ভট্টদেৱৰ ভাগৱত গ্রহণ কৰিলে আৰু তেতিয়া ভট্টদেৱক পাটবাউসী সত্রৰ অধিকাৰ পাতিলে। কৃষ্ণদেৱক ভাগৱতী হৈ থাকিবলৈ নির্দেশ দিলে। ভট্টদেৱে পাটবাউসীত ধর্ম প্রচাৰ কৰাৰ উপৰিও শ শ ছাত্র পঢ়াই শিক্ষা প্রচাৰো কৰিছিল। পাটবাউসী সত্রৰ বাহিৰেও তেওঁ ব্যাসকুছি সত্র স্থাপন কৰে। ইয়াতেই ১৫৬০ শক ই ১৬৩৮ খৃষ্টাব্দমানত যোগীৰ দৰে ভট্টদেৱে ইহলীলা সম্বৰণ কৰে। লগ ধৰেগৈ। অন্তিমকালত ভৱৰোগৰ মহৌষধ এই ভাগৱত শাস্ত্রই আমাৰ পৰম সুখাদ্য বুলি দামোদৰদেৱে ভট্টদেৱৰ ভাগৱত গ্রহণ কৰিলে আৰু তেতিয়া ভট্টদেৱক পার্টবাউসী সত্রৰ অধিকাৰ পাতিলে। কৃষ্ণদেৱক ভাগৱতী হৈ থাকিবলৈ নির্দেশ দিলে। ভট্টদেৱে পাটবাউসীত ধর্ম প্রচাৰ কৰাৰ উপৰিও শ শ ছাত্রক পঢ়াই শিক্ষা প্রচাৰো কৰিছিল। পাটবাউসী সত্রৰ বাহিৰেও তেওঁ ব্যাসকুছি সত্র স্থাপন কৰে। ইয়াতেই ১৫৬০ শক ১৬৩৮ খৃষ্টাব্দমানত যোগীৰ দৰে ভট্টদেৱে ইহলীলা সম্বৰণ কৰে।

ভট্টদেৱৰ সৃষ্টিৰাজিৰ কীর্তিস্তম্ভ হ'ল *কথা-ভাগৱত, কথা-গীতা* আৰু *কথা-ৰত্নাৱলী*। ভট্টদেৱৰ ভাগৱত ব্যুৎপত্তি আৰু শাস্ত্র ব্যাখ্যাত অসাধাৰণ ক্ষমতা দেখি পণ্ডিত সমাজে তেওঁক কবিৰত্ন আৰু ভাগৱত ভট্টাচার্য উপাধিৰে বিভূষিত কৰিছিল। উল্লিখিত তিনিখন সুপ্রসিদ্ধ গ্রন্থৰ উপৰিও শৰণমালিকা, গুৰুবংশাৱলী আৰু প্রসঙ্গমালা অসমীয়া ভাষাত ৰচিত। *'ভক্তিসাৰ'*ত কৃষ্ণৰ পূর্ণব্রহ্মত্ব প্রতিপাদন কৰি ভক্তিৰ শ্রেষ্ঠত্ব দেখুৱাইছে। *'ভক্তিবিবেক'* সংগ্রহ গ্রন্থ। পুৰাণ, সাহিত্য, উপনিষদ আদিৰ পৰা শ্লোক সংগ্রহ কৰি শ্রৱণ-কীর্তন আদি নৱধা ভক্তিৰ মহিমা, বিষ্ণুৰৰ

শ্ৰেষ্ঠত্ব, সাকাৰ-নিৰাকাৰতত্ত্ব আদি জ্ঞাপন কৰা শ্লোকসমূহ ইয়াত শৃংখলাবদ্ধভাৱে সজাইছে আৰু শ্লোকবোৰৰ গূঢ়ার্থ প্ৰাঞ্জল সংস্কৃত ভাষাত প্ৰকাশ কৰিছে। ভক্তিবিবেক প্ৰকৰণ গ্ৰন্থখনিত ভক্তি ধৰ্মৰ ইতিহাসৰ এটি পৰিচয় লাভ কৰিব পাৰি। সত্ৰৰ যাৱতীয় প্ৰসংগ আদি পৰিচালনা কৰা, টোলৰ অধ্যাপনাৰ বাহিৰেও সমাজ কল্যাণৰ কামত ব্যস্ত থকা ভট্টদেৱে অসমীয়া আৰু সংস্কৃত দুয়োটা ভাষাতে যিমানবোৰ গ্ৰন্থ ৰচনা কৰি গৈছে, সেয়া সাধাৰণ লোকৰ বাবে অকণো সম্ভৱ নহয়।

'ভক্তিবিৱেক' ভট্টদেৱৰ ভক্ত জীৱনৰ এক অনুপম স্বীকৃতি। শেষ বয়সৰ ৰচনা। ১৫৪৩ শকৰ মাৰ মাহৰ দেওবাৰ এটিত তেওঁ গ্ৰন্থখন ৰচনা কৰি শেষ কৰিছিল বুলি সামৰণিত থকা ভনিতাৰ পৰা জানিব পাৰিব। গ্ৰন্থখনিৰ মাজেদি ভট্টদেৱৰ জীৱন দৰ্শন তথা পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। দামোদৰীয় পন্থাৰ এক শৰণীয়া ধৰ্মৰ তত্ত্ব আৰু ভট্টদেৱৰ ধৰ্মসাধনা তথা আধ্যাত্মিক দৰ্শন ভক্তিবিবেকত প্ৰতিফলিত হৈছে। গুৰু দামোদৰদেৱৰ প্ৰতি থকা ভক্তিৰ নিৰ্দশন আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰতি থকা আনুগত্য কথাও অনুমান কৰিব পাৰি গ্ৰন্থখন অধ্যয়নৰ যোগেদি। দামোদৰীয় পন্থাৰ নিত্য-নৈমিত্তিক কৰ্ম, আচাৰ-ৰীতি, কৰ্মপন্থা, সত্ৰৰ ভকত তথা শিষ্যসকলৰ কৰ্মপন্থা আদিও ভক্তি বিৱেকত প্ৰকাশ পাইছে. ভট্টদেৱে নিজে নিত্য-নৈমিত্তিক কাম-কাজ, সত্ৰৰ পৰিচালনা সুচাৰুৰূপে সম্পাদনা কৰাৰ উপৰিও ধৰ্মপ্ৰচাৰ, সমাজ কল্যাণ কৰ্ম-ৰাজি, ভাগৱত ব্যাখ্যা, গ্ৰন্থ আদি ৰচনাত মনোনিবেশ কৰিছিল সেয়াও গ্ৰন্থখনিৰ মাজেৰে জানিব পাৰি।

অসমীয়া গদ্য সাহিত্যৰ জনক ৰূপে চিৰ পৰিচিত ভট্টদেৱৰ কথা-ভাগৱত, কথা-গীতা, কথা ৰত্নাৱলী অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পত্তি আৰু প্ৰাচীন গদ্য সাহিত্যৰ অপূৰ্ব নিদৰ্শন। *'কথা-ভাগৱত'*ত ভট্টদেৱৰ কঠিন বিষয়বস্তুক চমু আৰু সৰলভাৱে প্ৰকাশ কৰিব পৰা ক্ষমতা, পাণ্ডিত্য আৰু ভক্তিপৰায়ণতা মনোৰমভাৱে সুস্পষ্ট ৰূপত প্ৰকাশিত হৈছে। ভট্টদেৱেই প্ৰথমতে সদ্য প্ৰচলিত গতানুগতিক নানা অলঙ্কাৰ বিশিষ্ট পাণ্ডিত্য প্ৰদৰ্শক আড়ম্বৰপূৰ্ণ ভাষাৰ পৰা বাহিৰ হৈ আহি নিৰলঙ্কাৰ সৰল ভাষা আৰু গদ্যৰীতিৰ সৃষ্টি কৰে। যি গদ্যৰীতিয়ে পৰৱৰ্তী গদ্যলেখকসকলক বহু পৰিমাণে প্ৰভাৱান্বিত আৰু অনুপ্ৰাণিত কৰে। অহঙ্কাৰশূন্য, পাণ্ডিত্যৰে শাস্ত্ৰবিশাৰদ বিদগ্ধ সংস্কৃত ভাষাৰ পণ্ডিত ভট্টদেৱৰ নিৰলস-সাৰস্বত সাধনাৰ ফলশ্ৰুতিত সৃষ্টি হোৱা সাহিত্যৰাজিয়েই কবি সাহিত্যিকজনাৰ জীৱন দৰ্শন, পাণ্ডিত্য আৰু ব্যক্তিত্বৰ অফুৰন্ত স্বাক্ষৰ বহন কৰি যাব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভট্টদেৱৰ পাণ্ডিত্যপূৰ্ণ ব্যক্তিত্বৰ চমু পৰিচয় দিয়ক।
(১৫০টা শব্দৰ ভিতৰত)

.....

৯.৭ *কথা-ভাগৱতত* প্ৰকাশিত ভক্তি তত্ত্ব

ভাগৱত পুৰাণ এখন ভক্তি প্ৰধান গ্ৰন্থ। ভক্তি ৰসাত্মক সংস্কৃত সাহিত্য আৰু দৰ্শনবিলাকৰ ভিতৰৰ *ভাগৱত পুৰাণ* নিঃসন্দেহে শ্ৰেষ্ঠ। অষ্টাদশ পুৰাণৰ ভিতৰত শ্ৰেষ্ঠতৰ ভিত্তিতে *ভাগৱত*

পুৰাণক সূর্য পুৰাণ নামেও জনা যায়। ইয়াত প্রধান উপাস্য দেৱতা হিচাপে পৰম পুৰুষ শ্রীকৃষ্ণৰ মাহাত্ম্য প্রকাশ হৈছে। ভাগৱতৰ মতে শ্রীকৃষ্ণ কেৱল ভগৱানৰ এটা অংশ নহয়, তেওঁ পূর্ণ অৱতাৰ পৰম ব্রহ্ম (কৃষ্ণস্তু ভগৱান্ স্বয়ম্)। ব্রহ্ম পৰমাত্মা বা ভগৱান ভাগৱতৰ মতে এক (one), অন্ত (etemal) আৰু অদ্বয় (non-dual) জ্ঞানস্বৰূপ সত্ত্বা।

ভাগৱতৰ মূলমন্ত্রই হৈছে ঈশ্বৰত বিশ্বাস, ভক্তিৰে ভগৱানৰ ওচৰত সম্পূর্ণভাৱে আত্মনিবেদন। সেইবাবেই একশৰণ ভক্তিধর্মৰ মূল বুনিয়াদ হৈছে *ভাগৱত পুৰাণ*। সকলো ধর্মৰে ভেটি স্বৰূপ একোটা দর্শন আছে। সকলো দর্শন ঘাইকৈ তিনিটা বস্তুক কেন্দ্র কৰি গঢ়ি উঠে— ব্রহ্ম বা ঈশ্বৰ, জীৱজগত আৰু পদার্থ বা জড়জগত। এই তিনিটা বিষয়ৰ সূক্ষ্মাতিসূক্ষ্ম আলোচনা লৈয়েই বিভিন্ন দার্শনিক মতবাদ গঢ়ি উঠিছে। দার্শনিক তথ্যৰ বিচাৰত *ভাগৱত পুৰাণক* বেদান্ত, সাংখ্য আৰু মীমাংসা আদি ভা�ৰতীয় দর্শনবিলাকৰ এক সম্বন্বয়ী মতবাদ বুলিব পাৰি। ভাগৱতৰ লীলা তত্ত্ব বা *'অৱতাৰবাদ'*ৰ ভিত্তিতেই শ্রীকৃষ্ণক যুগাৱতাৰ পৰমব্রহ্ম বুলি ভাগৱতে বিশ্বাস কৰে।

ভাগৱতে কয় ঃ সংকীর্ণ স্বার্থপৰতা আৰু অহং ভাৱ এৰি ভক্তই ভগৱানত সম্পূর্ণভাৱে আত্মসমর্পণ কৰিব লাগে। নিজকে 'কর্তা' বা কোনো কার্যৰ অধিকাৰী জ্ঞান নকৰি কৰুণাময় পৰমেশ্বৰে যিৰূপে নিযুক্ত কৰে ঠিক সেই ৰকমে ভক্তই কাম কৰি যায়; তেতিয়া তেওঁৰ অন্তৰলৈ আসক্তি আৰু ফলাকাঙ্খা আহিব নোৱাৰে। ফলত মুক্তিৰ পথ মুকলি হয়।

ভাগৱতৰ মতে ভক্তি দুবিধ ঃ সগুণ আৰু নির্গুণ। সত্ব, ৰজঃ, তমঃ গুণৰ সমাবেশত সগুণ ভক্তিও তিনি ধৰণৰ হয়। সত্ব গুণ বিশিষ্ট ভক্ত সদায় সকলো সময়তে ঈশ্বৰত আত্মসমর্পণ কৰি নিজ কর্তব্যত ৰত হয়। সেয়েহে সাংসাৰিক সুখ, দুখ বা পাপ-পুণ্যজনিত কোনো মানসিক বিকৃতিয়ে তেওঁৰ মনক কোনো প্রকাৰে উদ্বিগ্ন কৰিব নোৱাৰে। আন দুবিধ সগুণ ভক্তি ৰাজসিক আৰু তামসিক ভক্তৰ সাংসাৰিক ভোগ বিলাস আৰু বিষয়-বাসনাৰ প্রতি আসক্তি থাকে। সেয়েহে এই ভক্তই সুখ-দুখৰ অনুভূতি পায়। ৰাজসিক ভক্তই ধন-ঐশ্বর্য, যশ-কীর্তিৰ কাৰণে আৰু তামসিকে হিংসা, দ্বেষ, ঘৃণা আদিৰ কাৰণে ভগৱানক উপাসনা কৰে। কিন্তু সাত্বিক ভক্তি অহৈতুকী। আনবিধ ভক্তি নির্গুণ ভক্তি। ইয়াৰ উৎস সত্ব, ৰজঃ আৰু তমঃ গুণকো অতিক্রম কৰা গভীৰতম অনুভূতি। আকাঙ্খা বা বাসনাৰ কোনো মানসিক বিকৃতি আহি এই ভক্তৰ মনক চঞ্চল কৰিব নোৱাৰে। যেতিয়া এই ভক্তিৰ ভাৱ হৃদয়ত উদ্রেক হয় তেতিয়া ভক্ত আৰু ভগৱানৰ মাজত ভেদ জ্ঞান নাথাকে। ভক্ত তেতিয়া 'অহং ব্রহ্মাস্মি' বা 'সোহহং' ভাৱত বিভোৰ হয়। ভাগৱতৰ এই নির্গুণ ভক্তিয়ে বৈদান্তিকৰ 'অদ্বৈত সিদ্ধি'ৰ পথ মুক্ত কৰে। ভক্ত তেতিয়া সম্পূর্ণ জীৱন্মুক্ত আৰু 'সৎচিদানন্দ'ৰ অনুভূতিত বিভোৰ হয়। এয়ে ভাগৱতত প্রতিষ্ঠাপিত ভক্তিতত্ত্ব।

এতিয়া আমাৰ আলোচ্য বিষয় হ'ল *কথা-ভাগৱতত* প্রকাশিত ভক্তিতত্ত্ব। কথা-ভাগৱত ভট্টদেৱে সৃষ্টি কৰিছে ভাগৱতৰ সাৰ ভাগ গ্রহণ কৰি। গুৰু দামোদৰদেৱৰ আজ্ঞা আৰু উপদেশ অনুসৰি ভট্টদেৱে কেনেকৈ কথা-ভাগৱত নির্মাণ কৰিছিল এই সম্পর্কত আগৰ কেইবাটাও উপৰিভাগত আমি বিতংভাৱে আলোচনা কৰি আহিছোঁ। ভট্টদেৱে নিজেও কথা-ভাগৱত সৃষ্টিৰ ক্ষেত্রত বিভিন্ন শাস্ত্রৰ লগতে কেনেকৈ শ্রীধৰ স্বামীৰ 'ভাগৱত ভাৱার্থ দীপিকা' অর্থাৎ শ্রীধৰীটীকা

অনুসৰণ কৰিছিল তাক নিজ মুখে স্বীকাৰ কৰিছে। ভট্টদেৱ নিজেও এজন বৈষ্ণৱ ধর্মৰ ভক্ত তথা একশৰণ ভক্তিধর্মৰ দামোদৰী পন্থাৰ বৈষ্ণৱ মন্ত্রত দীক্ষিত হৈছিল সৎগুৰু দামোদৱদেৱৰ ওচৰত। সেয়ে দ্বাদশস্কন্ধ ভাগৱতৰ বিভিন্ন অধ্যায়ৰ মাজেদি কথা-ভাগৱতত ভক্তিতত্ত্ব অতি সহজ-সৰলভাৱে সর্বসাধাৰণৰ কাৰণে প্রকাশ কৰিছিল । ভট্টদেৱৰ কথা-ভাগৱতৰ বিশেষত্বই হৈছে ইয়াক এক হাতেৰে ক্রমভঙ্গ নোহোৱাকৈ একগতত লিখা; মূলৰ কোনো কথাই ইয়াত বাদ পৰা নাই। দ্বিতীয়তে ভাগৱতৰ অগাধ পণ্ডিত ভট্টদেৱে ভাগৱতৰ বিষয়বস্তু হজম কৰিছে আৰু তাৰ সাৰখিনি নিজা ৰূপ দিয়াৰ নিচিনাকৈ কথা-ভাগৱত লিখিছে। সেয়ে মূলসাৰ ভক্তি তত্ত্বৰ ক্ষেত্রত ভট্টদেৱ অলৰ অচৰ হৈ ওপৰত উল্লেখ কৰা ভাগৱতৰ ভক্তি তত্ত্বক সহজ ৰূপত জনসাধাৰণৰ বোধগম্যতাৰ প্রতি লক্ষ্য কৰি সহজ-সৰল গদ্য ভাষাত প্রকাশ কৰিছে। ভক্তি নিৰূপক গ্রন্থ ভাগৱতে প্রতিপাদন কৰি দেখুৱায় যে ভক্তি লাভ কৰিব পাৰি নিস্কাম কর্ম-সম্পাদন, ভগৱানৰ পূজা-উপাসনা আৰু তেওঁৰ শ্লাম শ্রৱণ, মনন, নিদিধ্যাসন আদি উপায়ৰ দ্বাৰা। কথা-ভাগৱততো এনে ভক্তি তত্ত্বই বিভিন্ন মাহাত্ম্যসূচক ভগৱান আৰু ভক্তৰ কথাবস্তুৰ মাজেদি প্রতিপাদন হৈছে।

৯.৮ *কথা-ভাগৱত* আৰু অসমীয়া গদ্য পৰম্পৰা

সৎগুৰু দামোদৱদেৱে দূৰদর্শী দৃষ্টিভঙ্গীৰে সর্বসাধাৰণ ৰাইজৰ কল্যাণার্থে ভাগৱতৰ শিক্ষা প্রচাৰ কৰা, লগতে লোক ভাষাৰ যোগেদি বোধগম্যভাৱে ভাগৱতৰ ভক্তিতত্ত্বৰ তাৎপর্য্যৰ প্রচাৰ- প্রসাৰৰে জনসাধাৰণক মানৱ জীৱনৰ প্রমূল্য বুজাই সমাজৰ প্রগতি সাধনার্থে কথা-ভাগৱত সৃষ্টিৰ বাবে ভট্টদেৱক আজ্ঞা আৰু উপদেশ দি অনুপ্রাণিত কৰিছিল। দামোদৰীয় সম্প্রদায়ৰ এটা মুখ্য ভাগ হৈছে সাধুসংগ। তেওঁৰ স্থাপিত সত্রসমূহত দিনে-নিশাই দ্বাদশ প্রসংগৰ দ্বাৰা ভাগৱত চর্চা কৰে আৰু সকামী সকলকো ভগৱৎমুখী হ'বলৈ উদ্বুদ্ধ কৰায়। এনে সত্রবোৰক সৎ সংগী সত্রই বুলিছিল। সৎ সংগৰ দ্বাৰা ভক্তসকল অন্তর্মুখী হৈ পৰে, তেতিয়াহে ভক্তিতত্ত্ব আৰু ৰহস্য বোধগম্য হ'ব পাৰে সত্রসমূহৰ প্রচলিত এই শিক্ষাক সমাজমুখী কৰি তুলিবলৈ দামোদৱদেৱে তেওঁ প্রিয় শিষ্য ভট্টদেৱক তেওঁৰ ভাগৱত পাণ্ডিত্য আৰু ব্যাখ্যাৰ প্রতিভা দেখি অসমীয়া গদ্যত ভাগৱতৰ সৰল ভাঙনি কৰিবলৈ কয়। পূর্বতে সৃষ্টি হোৱা ভাগৱতসমূহ সর্বসাধাৰণৰ বোধগম্য নোহোৱাৰ অনুমান কৰি দামোদৱদেৱে এই বুলি উপদেশ দিলে যে 'তাতোকৰি সুগম কৰিও ভাগৱত। 'স্ত্রী-শূদ্র সর্বলোকে বুজে যেন মত।।' গতিকে দেখা যায় অসমীয়া ভাষা সাহিত্যত গদ্য পৰম্পৰাৰ শুভ আৰম্ভণিৰ নিদর্শন কথা-ভাগৱত সৃষ্টিৰ মূলতে দামোদৱদেৱৰ উপদেশ আৰু অনুপ্রেৰণা। ক'বলৈ গ'লে 'অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কার্যত ভট্টদেৱ যন্ত্র মাথোন, যন্ত্রী আছিল দামোদৱদেৱ।' (হেমচন্দ্র গোস্বামীৰ কথাত সুৰ মিলাই)

ইয়াৰ পাছত গুৰুৰ উপদেশ আৰু প্রেৰণা শিৰোধার্য্য কৰি সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত ভট্টদেৱে (ভাগৱত ভট্টাচার্য, কবিৰত্ন) পাটবাউসীলৈ ঘূৰি আহি গুৰুৰ আজ্ঞামতে 'সাক্ষেপ কৰিয়া, সাৰ মাত্র লৈয়া) দ্বাদশস্কন্ধ ভাগৱত (১৫৯৭ খ্রীঃ) অসমীয়া গদ্যত ভাঙনি কৰি উলিয়ায় আৰু স্বৰচিত কথা-ভাগৱতখনি ভট্টদেৱে কোচবিহাৰলৈ গৈ গুৰুৰ অন্তিম অৱস্থাত নিবেদন কৰে।

ভট্টদেৱৰ আগতে অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি হোৱা নাছিল। সেইবাবে ভট্টদেৱক অসমীয়া গদ্য সাহিত্যৰ জনক বুলি কোৱা হয়। পূৰ্বৰ অঙ্কীয়া নাটত সংলাপ বা বচন আৰু মন্ত্ৰ সাহিত্যত পোৱা লয়যুক্ত গদ্যত এটি গদ্যধৰ্মী নমুনা পোৱা যায়, তাক প্ৰকৃত গদ্য সাহিত্য বুলিব নোৱাৰি। ভট্টদেৱৰ দিনতো পুথি পদ্যত লিখাৰেই প্ৰথা প্ৰচলিত আছিল। কিন্তু ভট্টদেৱে সাহসেৰে চলিত প্ৰথাৰ পৰা আঁতৰি এক সৰল প্ৰচেষ্টাৰে অসমীয়া সাহিত্যৰ বুৰঞ্জীত গদ্য বা কথাৰূপত সাহিত্য *কথা-ভাগৱত* সৃষ্টি কৰি অকল অসমীয়া ভাষা সাহিত্যতে নহয় ভাৰতীয় ভাষা সাহিত্যৰ বুৰঞ্জীতে এক নতুন যুগৰ সূচনা কৰিলে। সেয়া হ'ল অসমীয়া গদ্য পৰম্পৰা। ভট্টদেৱৰ পৰৱৰ্তী সাহিত্যিকসকলেও ভট্টদেৱক অনুসৰণ কৰি চৰিত সাহিত্য, বুৰঞ্জীৰ গদ্যৰ মাজেদি অসমীয়া ভাষা সাহিত্যক বহু দূৰ আগবঢ়াই নিলে।

ভট্টদেৱে কথা-ভাগৱত সৃষ্টি কৰিবলৈ পূৰ্বৰ কবিসকলে কাব্যত ব্যৱহাৰ কৰা ভাষাৰ পৰা শব্দ সংগ্ৰহ কৰিছিল। সমসাময়িক লোকসমাজৰ কথিতৰূপ কামৰূপী ভাষাৰ শব্দ গ্ৰহণৰ উপৰিও গদ্যৰ বাক্যবিন্যাস ৰীতিত সংস্কৃত ভাষাৰ ব্যাকৰণ ব্যৱহাৰ কৰিছিল। কথা-ভাগৱতৰ পিছতে কথা-গীতা, কথা-ৰত্নাৱলী এই তিনিখন দুৰ্বোধ্য সংস্কৃত গ্ৰন্থৰ অসমীয়া গদ্য ভাঙনি কৰে। অৱশ্যে কথা-গীতাৰ গদ্য কথা ভাগৱততকৈ বেছি মধুৰ আৰু উন্নত পৰ্য্যায়ৰ। ভট্টদেৱৰ গদ্যৰ ভাষা সংস্কৃতীয়া আৰু গহীন। তেওঁ আছিল সংস্কৃত ভাষাৰ পণ্ডিত। গতিকে তেওঁৰ ভাষা সংস্কৃতীয়া হোৱা স্বাভাৱিক। দ্বিতীয়তে তেওঁৰ ৰচিত তিনিওখন গ্ৰন্থৰে বিষয়বস্তু গভীৰ দাৰ্শনিকতত্ত্ব সম্বলিত। তেনে বিষয়ক দৈনন্দিন ব্যৱহৃত লোকভাষাৰ শব্দত প্ৰকাশ কৰাটো কঠিন, লগতে *ভাগৱত গীতাৰ* নিচিনা পবিত্ৰ ধৰ্মগ্ৰন্থক যদি জনসাধাৰণৰ কথিত ভাষাৰ মাজেদি লিখা হয়, যি নিয়মত শংকৰদেৱে অসমীয়া ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰিছিল, তেন্তে গ্ৰন্থৰ প্ৰতি জনসাধাৰণৰ ভক্তিভাৱ কমিব। তৃতীয়তে আধ্যাত্মিক দৰ্শনৰ কিছু কথা ব্যক্ত কৰিবলৈ কিছু সংস্কৃত শব্দ অসমীয়া শব্দৰ অভাৱতে ভট্টদেৱে ব্যৱহাৰ কৰিছিল। তথাপিতো ভট্টদেৱে পূৰ্বৰ গতানুগতিক নানা অলঙ্কাৰ বিশিষ্ট আড়ম্বৰপূৰ্ণ ভাষাৰ পৰা বাহিৰ হৈ আহি নিৰলঙ্কাৰ বোধগম্য ভাষা ব্যৱহাৰ কৰি পৰোক্ষ উক্তিতকৈ প্ৰত্যক্ষ উক্তি আৰু কথোপকথনমূলক গদ্যৰীতিৰ দ্বাৰা অসমীয়া সাহিত্যত এক নতুন দিশ নিৰ্ণয় কৰিলে।

ভট্টদেৱৰ প্ৰথম সৃষ্টি *কথা-ভাগৱতে* যে অকল সেই যুগৰ সৰ্বসাধাৰণৰ আধ্যাত্মিক জ্ঞান লাভৰ পথকেই উজু কৰি দিছিল এনে নহয়, ই পৰৱৰ্তী লেখকসকলৰ বাবে গদ্য সাহিত্যৰ বাট মুকলি কৰি দিছিল। ইয়াৰ চুটি চুটি বাক্যবিশিষ্ট সৰল ৰচনা-ৰীতি আৰু কথোপকথনমূলক ৰচনাভঙ্গীৰ দ্বাৰা পৰৱৰ্তী চৰিতকাৰসকল প্ৰভাৱান্বিত হৈছিল। ভট্টদেৱৰ পৰৱৰ্তী গদ্য বৈষ্ণৱ গদ্য আৰু বৰঞ্জীৰ গদ্যই যথাক্ৰমে সত্ৰ আৰু ৰাজসভাৰ আশ্ৰয়ত গঢ় লৈ উঠে। প্ৰথমবিধৰ ভাষা সংস্কৃত শব্দংবহুল, গহীন কিয়নো আধ্যাত্মিক ভক্তি সম্পৰ্কীয়; দ্বিতীয়বিধ গদ্যৰ ভাষা কিন্তু ঘৰুৱা আৰু দেশজ শব্দংবহুল, গতিকে কথিত আৰু বেছি স্বাভাৱিক তথা ব্যৱহাৰিক। এই দ্বিতীয়বিধ গদ্য পৰম্পৰাই আধুনিক গদ্য সাহিত্যক স্পষ্টভাৱে স্পৰ্শ আৰু পুষ্ট কৰিব পাৰিছে। যাৰ ফলত

অসমীয়া গদ্য সাহিত্যৰ প্ৰৱাহ নিৰ্ৱলসভাৱে বৈ আহি আধুনিক গদ্য সাহিত্যৰ পথাৰখনক শস্যশালী কৰি তুলিবলৈ সমৰ্থ হৈছে।

মুঠতে ভট্টদেৱৰ কথা-ভাগৱত আৰু কথা গীতাই সুদূৰ ১৬শ শতিকাতে অসমীয়া গদ্য সাহিত্যক এক মানদণ্ডপূৰ্ণ সুপ্ৰসিদ্ধ স্তৰত প্ৰতিষ্ঠিত কৰি অসমীয়া সাহিত্যৰ গাম্ভীৰ্য আৰু গুৰুত্ব বঢ়াই ভাৰতীয় প্ৰাদেশিক ভাষা সাহিত্যৰ ইতিহাসত উজ্বলি আছে। এই দুখন গদ্য পুথি ভাৰতীয় প্ৰাদেশিক ভাষাসমূহৰ ভিতৰতেই আদি বা প্ৰথম গদ্য সাহিত্য। কথা-গীতা সম্বন্ধে আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়ে মুক্ত কণ্ঠে স্বীকাৰ কৰিছে ঃ ''Indeed the prose Gita of Bhattadeva composed in the sixteenth century is unique of its kind..... It is a priceless treasure. Assamese prose literature developed to a stage in the far distant sixteenth century, which no other literature of the world reached except the writings of Hooker and Latimor in England. It shows clearly, the Assamese literature developed to a standard in the sixteenth century which the Bengali literature reached only in the time of Iswar Chandra and Bankim Chandra.''

ৰবীন্দ্ৰ নাথেও *'কথা-গীতা'* পঢ়ি সম্পাদক হেমচন্দ্ৰ গোস্বামীলৈ লিখিছিল— ''You may be very well be proud of the author of this book who could handle prose in such a remarkable lucid style more than a century before we had any prose in Bengali.'' আনকি আশুতোষ মুখাৰ্জীয়ে কৈছিল— ''The people who could write Gita in such prose in the sixteenth century was not a small people''.

এইদৰে *কথা-ভাগৱত, কথা-গীতা* অসমীয়া গদ্য পৰম্পৰাৰ আৰম্ভণিৰ দুটা সুদৃঢ় স্তম্ভ স্বৰূপে আৰু কবিৰত্ন ভাগৱত ভট্টাচাৰ্য্য, অৰ্থাৎ বৈকুণ্ঠনাথ ভট্টচাৰ্য ওৰফে ভট্টদেৱ অসমীয়া গদ্য সাহিত্যৰ জনকৰূপে চিৰদিন জিলিকি থাকিব।



৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়ন কৰি আমি বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্যৰ সময়, ব্যক্তি পৰিচয় আৰু পণ্ডিতজনাৰ সাহিত্য কীৰ্তিৰ সম্যক পৰিচয় লাভ কৰিলো।
- অসমীয়া সাহিত্যৰ বুৰঞ্জীত শংকৰ-মাধৱৰ তিৰোধানৰ পিছৰ এশ বছৰ যোড়শ শতিকাৰ পৰা সপ্তদশ শতিকালৈ অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ যুগ। এই গদ্য সাহিত্যৰ উদ্ভৱ অৰ্থাৎ আৰম্ভ হৈছিল বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য ওৰফে ভট্টদেৱৰ হাতত। সেয়ে ভট্টদেৱক অসমীয়া গদ্য সাহিত্যৰ জনক বুলি কোৱা হয়।

ভট্টদেৱে কেতিয়া, কেনেকৈ আৰু কাৰ অনুপ্ৰেৰণাত গদ্য সাহিত্যৰ সৃষ্টি কৰিলে সেই সম্পৰ্কে এই অধ্যায়ত বিতংভাৱে আলোচিত হ'ল।

- ভট্টদেৱৰ গদ্য সাহিত্যৰ প্ৰথম নিদৰ্শন *'কথা-ভাগৱত'*ৰ গদ্যৰীতিকে ধৰি অসমীয়া সমাজ সাহিত্য-সংস্কৃতিলৈ ভট্টদেৱৰ বিভিন্ন সৃষ্টিৰাজিৰ অৱদান মূল্যায়ন কৰি লেখকজনাৰ মৌলিক প্ৰতিভা, পাণ্ডিত্য, ব্যক্তিত্ব আৰু দৰ্শন সম্পৰ্কে আলোচনা কৰাত অসমীয়া সাহিত্যৰ ইতিহাসত ভট্টদেৱৰ স্থান নিৰূপণৰ বাবে আমি স্পষ্ট ধাৰণা লাভ কৰিলো।
- ভট্টদেৱ কেৱল এজন বিদগ্ধ সংস্কৃত ভাষাৰ পণ্ডিত, অসমীয়া গদ্য সাহিত্যৰ জনক ৰূপেই নহয় ভক্তিমন্তা কবি সাহিত্যিক ৰূপেও তেওঁৰ সৃষ্টিৰাজিৰ মাজেৰে প্ৰকাশিত ভক্তিতত্ত্ব বিচাৰ কৰাত অধ্যায়টিৰ যোগেদি মহাপুৰুষীয়া একশৰণ ধৰ্মৰ দামোদৰী পন্থাৰ বিষয়ে অৱগত হ'ব পৰা গ'ল।



৯.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। শৰ্মা, সত্যেন্দ্ৰনাথ; *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ

২। শৰ্মাদলৈ, হৰিনাথ; *বৈকুণ্ঠনাথ ভট্টাচাৰ্য বিৰচিত শ্ৰীশ্ৰীমদ্ভাগৱত কথা বা কথা ভাগৱত, ১ম খণ্ড,* গুৱাহাটী ঃ বাণী প্ৰকাশ

৩। নেওগ, মহেশ্বৰ; *শ্ৰীভাগৱত কথা (প্ৰথম স্কন্ধ),* গুৱাহাটী ঃ লয়ার্ছ বুকষ্টল

৪। শৰ্মা, যাদৱদেৱ; *ভট্টদেৱ;* টিহু ঃ কামাখ্যা প্ৰেছ

৫। ভট্টাচাৰ্য, বসন্ত কুমাৰ; *মধ্যযুগৰ সাহিত্য,* নলবাৰী ঃ সমন্বয় গ্ৰন্থালয়

৯.১১ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'কথা-ভাগৱত' গ্ৰন্থৰ গ্ৰন্থকাৰৰ চমু পৰিচয় আৰু সাহিত্য প্ৰতিভাৰ বিচাৰ কৰিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া গদ্য সাহিত্যৰ স্ৰষ্টা ৰূপে ভট্টদেৱৰ স্থান বিচাৰ কৰিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া গদ্য পৰম্পৰাগত ভট্টদেৱৰ গদ্যৰীতি (style)ৰ বৈশিষ্ট্য সমূহ চমুকৈ আলোচনা কৰিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'কথা-ভাগৱত'ত প্ৰকাশিত ভক্তিতত্ত্বৰ আলোচনা কৰিব।



৯.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ভট্টদেৱৰ পৰিচয় দি কবি-সাহিত্যিক জনাৰ সৃষ্টিৰাজিৰ সম্যক বিশ্লেষণ দাঙি ধৰক।

প্ৰশ্ন নং ২ ঃ *'কথা-ভাগৱত'*ৰ সৃষ্টি সম্পৰ্কে আঁতি-গুৰি দাঙি ধৰি অসমীয়া গদ্যসাহিত্যৰ ইতিহাসত *'কথা-ভাগৱত'*আৰু লেখক জনাৰ স্থান নিৰ্ণয় কৰা।

প্ৰশ্ন নং ৩ ঃ ভট্টদেৱৰ জীৱন দৰ্শন, পাণ্ডিত্য আৰু ব্যক্তিত্ব নিৰ্ণয় কৰক।

প্ৰশ্ন নং ৪ ঃ *'কথা-ভাগৱত'*ত প্ৰকাশিত ভক্তিতত্ত্ব সম্পৰ্কত এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ৫ ঃ সংস্কৃত *'ভাগৱত-পুৰাণ'*ৰ গদ্য ভাঙনি হিচাপে ভট্টদেৱৰ *'কথা-ভাগৱত'*ৰ গদ্যৰীতিৰ এটি বিশ্লেষণ দাঙি ধৰক।

*** ***** ***

অধ্যায় ১০ ঃ *কথা ভাগৱত* ঃ প্ৰথম আৰু দ্বিতীয় অধ্যায়

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ *কথা ভাগৱত* ঃ প্ৰথম অধ্যায়ৰ চমু আলোচনা
১০.৪ *কথা ভাগৱত* ঃ দ্বিতীয় অধ্যায়ৰ চমু আলোচনা
১০.৫ *কথা ভাগৱতৰ* গদ্য ৰীতিৰ বৈশিষ্ট্য
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভট্টদেৱৰ *কথা ভাগৱতৰ* প্ৰথম অধ্যায় আৰু দ্বিতীয় অধ্যায়ত সন্নিবিষ্ট পাঠৰ লগত পৰিচিত হ'ব পাৰিব
- *কথা ভাগৱতৰ* বৰ্ণিত বিষয়বস্তু সম্পৰ্কে সম্যক ধাৰণা সম্যক লাভ কৰিব
- লেখকৰ ভাগৱতৰ দৰে দাৰ্শনিক তত্ত্ব কথাক যি সৰল ৰূপ দিব পৰা ক্ষমতা, পাণ্ডিত্য আৰু ভক্তিপৰায়ণতা তাক ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ অন্তৰ্গত সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা 'ভক্তি সাহিত্য'ৰ এইটো দশম অধ্যায়। ইয়াৰ আগৰ অধ্যায়টিত অসমীয়া গদ্য সাহিত্যৰজনক ভট্টদেৱৰ ব্যক্তিত্ব প্ৰতিভাৰ বিষয়ে পঢ়িলে। এই অধ্যায়ত আপুনি ভট্টদেৱৰ *কথা ভাগৱত* ঃ প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ কথা পঢ়িবলৈ পালে। ভাগৱত এখন অতি প্ৰসিদ্ধ আৰু জনপ্ৰিয় পুৰাণ। ভক্তি ৰসাত্মক সংস্কৃত সাহিত্য আৰু দৰ্শন বিলাকৰ ভিতৰত ভাগৱত পুৰাণ এখন শ্ৰেষ্ঠ গ্ৰন্থ। ভাৱগতৰ মতে প্ৰধান উপাস্য দেৱতা পৰম পুৰুষ শ্ৰীকৃষ্ণ ভাগৱতৰ এটা অংশ নহয়, তেওঁ পূৰ্ণ অৱতাৰ পৰম ব্ৰহ্ম। অৰ্থাৎ 'কৃষ্ণস্তু ভগৱান স্বয়ম। ব্ৰহ্ম পৰামাত্ম বা ভগৱান, ভাগৱতৰ মতে এক (One), অনন্ত (eternal) আৰু অদ্বয় (non dual) জ্ঞান স্বৰূপ সত্তা। ভাগৱতে কয় ঃ সংকীৰ্ণ স্বাৰ্থপৰতা আৰু অহংকাৰ এৰি ভক্তই ভগৱানত সম্পূৰ্ণভাৱে আত্মসমৰ্পণ কৰিব পাৰে। পৰমেশ্বৰে যি ৰূপে নিযুক্তি কৰে সেইমতে কেৱল নিমিত্ত ৰূপে যদি

ভক্তই কাম কৰি যায় তেন্তে ভক্তৰ অন্তৰলৈ আসক্তি আৰু ফলাকাক্ষা আহিব নোৱাৰে। ফলত মুক্তিৰ পথ সুগম হয়। ভাগৱতে শ্ৰেষ্ঠ ভক্তি নিৰ্গুণ ভক্তিৰ কথা কয়। এই নিৰ্গুণ ভক্তি উত্তম ভক্তি, যাক লাভ কৰিব পৰা যায় নিষ্কাম কৰ্মসম্পাদন, ভগৱানৰ পূজা উপসনা, শ্ৰৱণ, মনন, নিদিধ্যাসন আদি উপায়ৰ দ্বাৰা।

ভাগৱতৰ উৎপত্তি সম্পৰ্কত ভাগৱততেই পোৱা যায়। এদিনাখন সৰস্বতীৰ জলত স্নান কৰি পবিত্ৰ কদৰিকাশ্ৰমত বহি ব্যাসদেৱে দিব্য জ্ঞানৰ দ্বাৰা কাল-প্ৰভাৱ দেখিলে। তেওঁৰ মনলৈ চিন্তা আহিল কি কৰিলে সকলো বৰ্ণ আৰু আশ্ৰমৰ মংগল হ'ব। লোক কুশলার্থে তেওঁ বেদ বিভাগ, পুৰাণ, মহাভাৰত আদি নানা শাস্ত্ৰ প্ৰণয়ন কৰিলে। তথাপি তেওঁৰ মনে যথার্থ শান্তি পোৱা নাছিল। এনে সময়তে নাৰদ মুনি আহিলত ব্যাসদেৱে নাৰদমুনিৰ আগত মনৰ অশান্তিৰ কথা ক'লে। নাৰদে তেতিয়া ক'লে-ব্যাসদেৱে নানা শাস্ত্ৰ প্ৰণয়ন কৰিলেও ভগৱান শ্ৰীহৰিৰ নিৰ্মল যশ বিস্তাৰিতভাৱে বৰ্ণনা কৰা নাই। এই কাম কৰিলেহে তেওঁ মনত শান্তি পাব। নাৰদ গুচি যোৱাৰ পাছত ব্যাসদেৱ ধ্যানস্থ হ'ল, তেতিয়া তেওঁ পৰমেশ্বৰ আৰু তেওঁৰ অধীনা মায়াক দেখা পালে। ইয়াৰ পিছতে ব্যাসদেৱে হৰি যশ প্ৰধান ভাগৱত প্ৰণয়ন কৰে আৰু প্ৰথমতে বিষয়াভিলাসশূণ্য নিজ পুত্ৰ শুকদেৱক পঢ়ায়। শুকমুনিয়ে পিছত ৰজা পৰীক্ষিতক মৃত্যুৰ আগে আগে ভাগৱতৰ তত্ত্ব কথা কৈছিল বুলি জনা যায়। সংক্ষেপতে এয়াই হ'ল ভাগৱত সৃষ্টি আৰু বিষয়বস্তুৰ পৰিচয়।

১০.৩ *কথা ভাগৱত* ঃ প্ৰথম অধ্যায়ৰ চমু আলোচনা

কথা ভাগৱতৰ প্ৰথম অধ্যায়ৰ চমু আলোচনা আগবঢ়োৱাৰ আগতে মূল ভাগৱতৰ প্ৰথম অধ্যায়ৰ বিষয়বস্তুক অতি সংক্ষেপে কৈ ল'ব খুজিছো। মূল মতে নৈমিষাৰণ্যত সহস্ত্ৰ বছৰ ধৰি যজ্ঞ কৰি থকা শৌনকাদি মুনিসকলে মহাত্মা সূতক এই কেইটা প্ৰশ্ন সুধিলে— (১) সূতে মহাভাৰত, পুৰাণ আৰু সমগ্ৰ ধৰ্মশাস্ত্ৰ অধ্যায়ন কৰিছে। বেদ ব্যাস আদি মুনিসকলে যি জানে তাকো তেওঁ জানে। কলিযুগৰ অল্পায়ু, বুদ্ধিহীন আৰু ৰুগীয়া মানুহৰ অনন্ত শাস্ত্ৰ শ্ৰৱণৰ ক্ষমতা নাই। গতিকে তেওঁ নৰসমাজৰ হিতৰ কাৰণে, বুধিনিষ্ঠ উপায়ৰ দ্বাৰা সমগ্ৰ শাস্ত্ৰৰ সাৰ উদ্ধাৰ কৰি ক'ব লাগে। (২) কি বিশেষ কাৰ্যসাধনৰ কাৰণে ভগৱানে দৈৱকীৰ ঘৰত জন্ম লৈছিল। (৩) ভগৱানৰ সৃষ্ট্যাদি লীলা। (৪) ভগৱানৰ অৱতাৰ কথা (৫) শ্ৰীকৃষ্ণৰ চৰিত কথা (৬) ধৰ্মৰূপে কৃষ্ণ বৈকুণ্ঠলৈ গ'লে ধৰ্ম ক'ত থাকিব।

কথা ভাগৱতৰ প্ৰথম অধ্যায়ত ভট্টদেৱে নমো গনেশায় বুলি সংস্কৃতত শ্লোকটি উল্লেখ কৰাৰ পাছত 'সূতৰ প্ৰতি শৌনকাদিৰ প্ৰশ্ন' শীৰ্ষক শিৰোনামেৰে প্ৰথমে এটি নিজা মংগলাচৰণ জয় জয় শ্ৰীকৃষ্ণ বুলি পৰমমংগল মুক্তিদায়ক পৰমেশ্বৰক প্ৰণাম জনাই 'তাহান চৰিত্ৰ শ্ৰী ভগৱত শাস্ত্ৰ' সংক্ষেপে লিখাৰ উদ্দেশ্য উল্লেখ কৰিছে। লগতে নিজকে অলপমতি বুলি প্ৰকাশ কৰি গুৰু দামোদৰৰ আজ্ঞাত, বিভিন্ন দীবাৎয্য অনুসৰি সন্তসৱৰ অনুমোনার্থে সংক্ষিপ্ত ৰূপত কথা নিবন্ধো বুলি সূচনা কৰিছে।

তাৰ পিছত প্ৰথম স্কন্ধৰ কথা কওঁ বুলি বিশ্ব সৃষ্টি আদি নৱ লক্ষণে লক্ষিত জগতৰ পৰম আশ্ৰয় শ্ৰীকৃষ্ণক নমস্কাৰ জনাইছো 'নৱ লক্ষণে লক্ষিত' কথাষাৰতে সৃষ্টি তত্ত্বৰ ব্যাপক কথা সোমাই আছে। নৱ লক্ষণ অৰ্থাৎ সৰ্গ, বিসৰ্গ, স্থানস, পোষণ.....ইশানু কথা নিৰোধ মুক্তি আৰু আশ্ৰয়। পৰমব্ৰহ্মৰ পৰা প্ৰকৃতিৰ তিনি গুণৰ বৈষম্য হৈ মহত্তত্ব, অহঙ্কাৰ তত্ত্ব....., শকাদি পঞ্চ তন্মাত্ৰ,..... আকাশাদি মহাভূত আৰু ইন্দ্ৰিয় বিলাকৰ উদ্ভৱ হয়। এইবিলাকে বিৰাত অৰ্থাৎ ব্ৰহ্মাণ্ড দেহ নিৰ্মাণ কৰে। উভয়বিধ সৃষ্টিকে সৰ্গ বোলে। ব্ৰহ্মাৰ নাম 'বিসৰ্গ'। ভগৱানৰ সৃষ্ট বস্তুক যিহে পালন কৰে সিয়েই স্থান। ভক্তৰ প্ৰতি ঈশ্বৰৰ অনুগ্ৰহেই 'পোষণ' কৰ্মৰ বাসনাই' অনুগৃহীত সাধুসকলৰ ধৰ্মৰ নাম 'মন্বন্তৰ'। ভগৱানৰ অৱতাৰ কথা আৰু তেওঁৰ ভক্তৰ চৰিত্ৰ বৰ্ণনাকে। 'ঈশানুকথা বোলে। প্ৰলয় কালত হৰিয়ে যোগনিদ্ৰা অৱলম্বন কৰিলে জীৱগণে নিজ শক্তিৰ দ্বাৰা তেওঁত লয় হয়। ইয়াকে 'নিৰোধ' বোলে। আত্মাই অন্যথা ৰূপ এৰি যেতিয়া ব্ৰহ্ম স্বৰূপত অৱস্থান কৰে, তাকেই 'মুক্তি' বোলে। আত্মাই অন্যথা ৰূপ এৰি যেতিয়া ব্ৰহ্মস্বৰূপত অৱস্থান কৰে, তাকেই মুক্তি বোলে। মাৰ পৰা বিশ্বৰ সৃষ্টি, স্থিতি আৰু প্ৰলয় হয়। তেৰেঁই 'আশ্ৰয়'। ইয়াৰ ভিতৰত দশমটো সৰ্বপ্ৰধান আৰু ভগৱান শ্ৰীকৃষ্ণক নমস্কাৰ জনাই শ্ৰীকৃষ্ণ দ্বৈপায়ন ব্যাসদেৱে বিভিন্ন শাস্ত্ৰ সৃষ্টি কৰাৰ পিছতো মনত শান্তি নোপোৱাত নাৰদ মুনিৰ উপদেশ অনুসৰি ভট্টদেৱে ভাগৱত শাস্ত্ৰৰ মূল বিষয় শ্ৰীকৃষ্ণৰ মাহাত্ম্য বা বিভূতিসমূহ চিন্তন মনন কৰিছে। যাৰ দ্বাৰা জগত প্ৰপঞ্চ সৃষ্টি হৈছে। প্ৰকৃতি (ঈশ্বৰৰ সৃষ্টি কৰা আদি শক্তি) আৰু পুৰুষৰ (জগতৰ সক্ৰিয় আদি শক্তি, পৰমব্ৰহ্ম) দ্বাৰা। এই ৰহস্য জ্ঞান জানিবৰ বাবে ভাগৱতেই হৈছে শ্ৰেষ্ঠ গ্ৰন্থ। য'ত শ্ৰীনাৰায়নে কৈছে যে এই সংসাৰৰ তিনি তাপৰ পৰা উদ্ধাৰ হ'বলৈ হৰি ভজন অৰ্থাৎ শ্ৰীকৃষ্ণৰ শ্ৰৱণ-কীৰ্তন শ্ৰেষ্ঠ উপায়। সকলো শাস্ত্ৰৰ ভিতৰত ভাগৱতৰ অমৃত ভক্তিৰসৰ সকলোতকৈ শ্ৰেষ্ঠ। হৰিভজনৰ দ্বাৰাহে এই ভক্তি লাভ কৰিব পাৰি। বেদ কল্পলতাৰ ফল ভাগৱত শাস্ত্ৰৰ অমৃত ৰস বৈকুণ্ঠত আছিল, নাৰদে আনি ব্যাসক দিলে। ব্যাসে শুকক পঢ়ালে। আৰু শুকৰ মুখেৰে পৃথিৱীত ব্যক্ত হ'ল। এতেকে ভক্তিৰসৰ পান কৰোতাসকলে ভাগৱত চৰ্চাৰ দ্বাৰা আধ্যাত্মিক উত্তৰণ সাধিব পাৰে। গতিকে সকলো লোককে নিতৌ শ্ৰী ভাগৱত শ্ৰৱণ কীৰ্তন কৰিবলৈ লেখকে আহ্বান জনাইছে।

এইদৰে ভট্টদেৱে ভাগৱত সৃষ্টিৰ কথা কৈ পৰৱৰ্তী স্তৰত ভাগৱতৰ প্ৰথম স্কন্ধৰ বিষয় বস্তুক আগবঢ়াইছে। পাঠমতে নৈমিষাৰণ্যত শৌনকাদি ঋষিসকলে বিষ্ণুপ্ৰাপ্তিৰ অৰ্থে সহস্ৰ বছৰ যজ্ঞ কৰিছিল। এদিন প্ৰভাততে যজ্ঞ কৰ্ম কৰি পুৰাণ বক্তা সুত (ৰোমহৰ্ষনৰ পুত্ৰস ব্যাসদেৱৰ শিষ্য)ক প্ৰশ্ন কৰিলে। হে সুত, তুমি সকলো পুৰাণ, মহাভাৰত নানা শাস্ত্ৰ পঢ়ি ব্যাখ্যা কৰিছা, ব্যাসদেৱৰ দ্বাৰা তুমি ভাগৱত শিক্ষা পাইছা কাৰণ গুৰুৱে গূঢ় ৰহস্যৰ জ্ঞান দিয়ে। তুমি সেই ৰহস্যৰ কথা কলিযুগৰ অল্পমতি অলপ আয়ুৰ আৰু নানা তাপত তাপিত নৰ মনুস্যক সকাহ দিবলৈ আহ্বান জনালে।

লগতে সুতক এই প্ৰশ্নও কৰা হ'ল যে ভগৱান শ্ৰীকৃষ্ণনো দৈৱকীৰ গৰ্ভত কি নিমিত্তে উপজিছিল ? যাৰ নাম উচ্চাৰণে জীৱৰ কৰ্ম বন্ধনৰ ফলত লাভ কৰা পুনঃ পুনঃ জন্মৰ সকলো দুখ নাশ হয়। তেওঁৰ কথা শুনিলে কলিমলৰ বিনাশ হ'ব।

"নাৰদাদি ভক্তগণে যি সৃষ্টি আদি লীলা গাই হৰি অৱতাৰৰ কথা কয়, তাকো কোৱা। যাতে সকলো লোকে ভাগৱতৰ ভক্তি ৰসৰ কথা শুনি তৃপ্তি পায় আৰু তেনে ভক্তি ৰসৰ আস্বাদৰ মাধুৰ্য্য নকমে, বৃদ্ধিহে হয়। লগতে শ্ৰীকৃষ্ণৰ অৱতাৰৰ লীলা কোৱা য'ত বলভদ্ৰ সহিতে যি কৰ্ম কৰিছিল সকলো সামৰি কোৱা যাতে ভক্ত প্ৰসন্ন হয়। আন এটা প্ৰশ্নত সুধিলে ধৰ্মৰ ৰক্ষক শ্ৰীকৃষ্ণ বৈকুণ্ঠলৈ গ'লে কি হ'ব? এই ছটা প্ৰশ্ন বুজাই কোৱা। যজ্ঞাদিত আকুল যদিও মুনিসবেও এই অমৃত কথা শুনিব। কলি কালৰ ভয়াবহতা দেখি তাৰ পৰা সাৰিবৰ কাৰণে অপেক্ষা কৰিছোঁ। গতিকে এই অমৃত কথা শুনি আমি উপকৃত হ'ম।" সামৰণিত কৃপাময় ভগৱন্তক প্ৰণাম কৰি ভগৱন্তক জানিবৰ বাবে ঋষি সকলে এনে প্ৰশ্নৰ অৱতাৰণা কৰিছে বুলি ভট্টদেৱে অধ্যায়টি সামৰণি মাৰিছে। ইয়াত *ভাগৱতক* সংসাৰৰ জয় গ্ৰন্থ বুলি কোৱা হৈছে। আলোক বা পোহৰে অন্ধকাৰৰ বস্তু প্ৰকাশ কৰাৰ নিচিনাকৈ এই শাস্ত্ৰয়ো স্থূল আৰু সখম জগতৰ মাজত আত্মা ক'ত কিভাৱে লুকাই আছে তাক দেখুৱায়।

১০.৪ *কথা ভাগৱত* ঃ দ্বিতীয় অধ্যায়ৰ চমু আলোচনা

ভট্টদেৱে দ্বিতীয় অধ্যায়ৰ ক*থা ভাগৱতত* 'সূতৰ উত্তৰ' শিৰোনামেৰে কথা বস্তুৰ আৰম্ভ কৰিছে। মুনিসৱৰ এই ছয় প্ৰশ্ন শুনি সূত আনন্দিত হ'ল। প্ৰথমে গুৰু শুকদেৱক পৰিণাম কৰি সংসাৰৰ ছয় গ্ৰন্থ ক'বলৈ আৰম্ভ কৰিলে। সেই পুৰুষৰে পৰম ধৰ্ম সাধিত হয়, যি জনৰ হৰি ভক্তিত ৰতি হয়। ভগৱানক জানিবলৈ জ্ঞানৰ উদয় হ'ব লাগিব। জ্ঞানৰ উদয় হ'লেহে আসক্তি জন্মে ভগৱানৰ প্ৰতি আসক্তিয়ে হৈছে ভক্তি। ভক্তি বিনে এই জ্ঞান সমূলি সম্ভৱ নহয়।

জগতৰ সকলো ধৰ্মৰে মোক্ষ প্ৰাপ্তিহে উদ্দেশ্য, কাম বা কামনা বাসনা নহয়। গতিকে জীৱনৰ আকাক্ষা হ'ব লাগে তত্ত্ব জিজ্ঞাসা। তত্ত্ব জিজ্ঞাসাৰে ব্ৰহ্মজ্ঞান প্ৰাপ্তি হয়। ভগৱান বা পৰমব্ৰহ্মক অন্তৰত স্মৰণ কৰি যি কৃষ্ণৰ শ্ৰৱণ-কীৰ্তনেৰে ধ্যান মগ্ন হয়, তেওঁৰ কৰ্মগ্ৰন্থি ছেদ হয়। গতিকে এই ভক্তি পন্থাক কোনে ৰতি নকৰিব? লগতে ইয়াকো কোৱা হৈছে যে সৎ গুৰুক আশ্ৰয় কৰি ভক্তিপথত আগবাঢ়িলে হৰিকথাত নিশ্চয় ৰতি বাঢ়িব। কামনা বাসনা নাশ হ'ব। কাম, ক্ৰোধ, লোভ, মোহ এই কামনা বাসনা এৰিব পাৰিলে মন প্ৰসন্ন হয়, চিত্ত অৰ্থাৎ হৃদয় পবিত্ৰ হয়। তেতিয়া হৰিত নিৰ্মল ভক্তি উপজে। অহংকাৰ শূণ্য জীৱহে মুক্ত হয়। সেয়ে বিবেকীজনে পৰম আনন্দে ভগৱান বাসুদেৱক নিৰলস ভক্তি কৰে।

এই ভক্তি আকৌ ভক্তৰ গুণ অনুসৰি ভাগ কৰি ব্যক্ত কৰিছে। সত্ত্বমূৰ্ত্তি অৰ্থাৎ সাত্তিক ভক্তিয়ে কেৱল পৰম ব্ৰহ্মৰ কৃপাহে বিচাৰে। বাসুদেৱৰ কৃপাত এনে ভক্তিৰ মোক্ষ প্ৰাপ্তি ঘটে। ৰাজসিক, অমাসিকজনে ধন সম্পত্তিত পুত্ৰৰ অৰ্থে দেৱতাক ভজন কৰে। কিন্তু বেদাদি শাস্ত্ৰগণে বাসুদেৱ অৰ্থাৎ সমস্ত ঐশ্বৰ্য-বিভূতিৰ দ্বাৰা যিজন প্ৰকাশিত বাসুদেৱৰ পুত্ৰ কৃষ্ণকহে ভজনা কৰাৰ কথা কৈছে।

সৃষ্টি আদি প্ৰশ্নৰ উত্তৰত কৈছে— বাসুদেৱে মায়াৰ সহায়ত জগত সৃষ্টি কৰিছে। প্ৰথমতে মায়াৰ জগতৰ সুক্ষম কাৰণ প্ৰকাশিত হয়। ক্ৰমশঃ সেইবোৰ পৰমাণুত পৰিণত হয় আৰু শেষত এইবোৰ কাৰণৰ পৰা স্থূলজগত সৃষ্টি হয়। স্থূলজগতত নানা দেহত জীৱকো নানা

দেহত জীৱকো নানা ভোগ কৰাইছে। জগত পালনৰ কাৰণে কৃষ্ণই নানা অৱতাৰ ধৰি ক্ৰিয়া কৰি লোকক পালন কৰিছে। এইদৰে দুই প্ৰশ্নৰ উত্তৰ সামৰি ভাগৱতৰ অন্যতম এক তত্ত্ব অৱতাৰবাদ বা লীলাতত্ত্বক সামৰিছে।

এইদৰে চাৰি প্ৰশ্ন সিদ্ধান্তত প্ৰতিপাদিত শ্ৰীকৃষ্ণৰ মাহাত্ম্যক স্মৰণ কৰি ভট্টদেৱেও কথা ভাগৱতত দ্বিতীয় অধ্যায়ৰ পাঠ সামৰি এই কৃষ্ণতে শৰণ মাগি সামাজিক লোকসকলক নিৰন্তৰে হৰিৰ শ্ৰৱণ-কীৰ্তন কৰিবলৈ আহ্বান জনায়।

১০.৫ *কথা ভাগৱতৰ* গদ্যৰীতিৰ বৈশিষ্ট্য

আগৰ অধ্যায়ত *কথা ভাগৱত* গদ্যৰীতি আৰু অসমীয়া গদ্য পৰম্পৰাগত ভট্টদেৱে পোন প্ৰথমে পূৰ্ণাংগ গদ্যৰূপত কথা ভাগৱত সৃষ্টি কৰিব লগাত সন্মুখীন হোৱা অসুবিধাসমূহৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হৈছে। সেয়ে ইয়াত ভট্টদেৱৰ কথা ভাগৱতৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ সংক্ষেপে আলোচনা কৰা হ'ল। অসমীয়া সাহিত্যৰ বুৰঞ্জীত শংকৰ মাধৱৰ তিৰোধানৰ পাছত এশ বছৰ যোড়শ শতিকাৰ পৰা সপ্তদশ শতিকালৈ অসমীয়া গদ্যসাহিত্যৰ উদ্ভৱ আৰু বিকাশৰ যুগ বুলিব পাৰি। শংকৰদেৱৰ অংকীয়া নাটৰ সংলাপ বা বচনত ব্যৱহৃত লয়যুক্ত গদ্যক বহুতে গদ্যৰ প্ৰথম নিদৰ্শন বুলি ক'লেও সেই গদ্যক প্ৰকৃত অসমীয়া সাহিত্যৰ চানেকী বুলিব নোৱাৰি। অসমীয়া ব্ৰজাৱলী ৰূপে পৰিচিত এই ভাষাৰ অংকীয় নাটৰ গদ্যত মৈথিলীৰ আধিপত্য পোৱা যায়। দ্বিতীয়তে গদ্যৰচনাৰ বাক্য বিন্যাস তাত ৰক্ষা হোৱা নাই। ভট্টদেৱৰ হাততহে প্ৰকৃত অসমীয়া গদ্যৰ সৃষ্টি হয়। এই গদ্যৰ উৎপত্তিৰ মূলতে দুটামান কাৰণ নিৰ্দেশ কৰিব পাৰি। প্ৰথমে জনসাধাৰণে গদ্যভংগীতহে কথা পাতে, ছন্দত নহয়। গতিকে কথা কোৱাৰ ভংগীত যদি সাহিত্য ৰচনা কৰা যায় তেন্তে সেই সাহিত্য বুজাত সহজ হ'ব, জনসাধাৰণৰ বেছি ওচৰ চাপিব। দামোদৰদেৱে এই কাৰণেই ভট্টদেৱক স্ত্ৰী-শূদ্ৰ সকলোৱে বুজিব পৰাকৈ কথাবন্ধে ভাগৱত ৰচনা কৰিবলৈ কৈছিল। গুৰুৰ আজ্ঞা শিৰোধাৰ্য কৰি ভট্টদেৱক অকল কথা ভাগৱত সৃষ্টি কৰাই নহয়, কথা-গীতা, কথা ৰত্নাৱলী- তিনিখনকৈ প্ৰসিদ্ধ তত্ত্বপ্ৰধান সংস্কৃত শাস্ত্ৰ অসমীয়া গদ্যলৈ অনুবাদ কৰি অসমীয়া ভাষাক উচ্চ মৰ্যাদা দান কৰাৰ লগে লগে অসমীয়া গদ্যভাষাৰ প্ৰকাশিত শক্তিৰ পৰিচয় দিয়ে।

ভাগৱতৰ অগাধ পণ্ডিত ভট্টদেৱে *ভাগৱতৰ* বিষয়বস্তুক নিজস্বভাৱে অনুধাৱন কৰাৰ পিছতহে সাৰকথাখিনি স্বতঃস্ফূৰ্তভাৱেৰে লিখিছে। উপযুক্ত ভাৱ প্ৰকাশৰ বাবে সংস্কৃতিয়া শব্দ আৰু অসমীয়া শব্দৰ উপযুক্ত প্ৰয়োগে স্বতঃস্ফূৰণৰ পৰিচয় দিছে। সেয়ে *কথা ভাগৱত* হুবহু অনুবাদো (Literal Translation) নহয়। নাইবা বহলভাৱে লিখা (Explanatory) ৰচনাও নহয়। ইয়াত ভট্টদেৱৰ নিজস্ব বৈশিষ্ট্য ৰক্ষিত হৈছে।

ভাগৱতৰ কথা বস্তু অনুসৰণৰ ক্ষেত্ৰত ভট্টদেৱে গদ্যানুবাদ কৰিছে শ্ৰীধৰ স্বামীৰ টীকাৰ আদৰ্শত। এই কথা তেওঁ *কথা গীতাৰ* আৰম্ভণিতে নিজে স্পষ্ট কৰিছে— "শ্ৰীধৰ ভক্তিত মাত্ৰ নিৰূপণ কৰে, শংকৰী টীকা জ্ঞানক প্ৰধান কৰি ব্যাখ্যা কৰে, ভাস্কৰী কৰ্মক প্ৰধান কৰে, দামোদৰী তিনিও যোগক সমান কৰে। বৈষ্ণৱসৱৰ প্ৰীতিৰ অৰ্থে ভক্তিপ্ৰধান টীকাৰ মতকে প্ৰায়

লিখিব।" গতিকে দেখা যায় যে ভক্তিমন্ত পুৰুষ ভট্টদেৱে গদ্যসাহিত্যৰ সামগ্ৰীক ৰূপৰ মাজত শ্ৰীধৰী টীকাক বেছি গুৰুত্ব দিছিল। এইদৰে কথা বস্তুৰ দৰ্শন গ্ৰহণৰ ক্ষেত্ৰতো ভট্টদেৱৰ নিজস্বতা আৰু যুক্তিযুক্ততা প্ৰতিফলিত হৈছে।

বিষয়বস্তুক সম্যক ৰূপে বুজি লৈ নিজস্ব অনুভূতিৰে উপযুক্ত ভাষাৰ মাধ্যমত এক নিৰ্দিষ্ট ৰূপ দিবলৈ চেষ্টা কৰে তেতিয়াই লেখকৰ নিজস্ব শৈলী ফুটি উঠে। শাস্ত্ৰবিশাৰদ ভট্টদেৱে অধ্যয়নৰ যোগেদি কথাবস্তুক হজম কৰি নিজ অনুভূতিৰঞ্জিত কথা ৰূপায়ণ আৰু ঠায়ে ঠায়ে টীকাৰ ৰীতি প্ৰকট হ'লেও ভট্টদেৱৰ গদ্যৰীতিৰ নিজস্ব সুকীয়া হোৱা কথা বস্তুৰে কথা ভাগৱতত সংক্ষিপ্ত সংক্ষিপ্ত ৰূপ, কথা গীতাত বিস্তৃত ৰূপ আৰু কথা ৰত্নাৱলীত লৈছে মধ্যম ৰূপ। কথা ভাগৱতৰ ভাষা সংক্ষিপ্ত ৰূপ সাৱানুগামী হোৱাত পৰিমিত শৈলীৰ (Economic) বৈশিষ্ট লক্ষ্য কৰা যায়।

কথা ভাগৱতত আৰু কথা গীতৰ ঠায়ে ঠায়ে কথোপকথনমূলক গদ্যৰীতি পৰিলক্ষিত হয়। ভট্টদেৱৰ তিনিওখন গ্ৰন্থৰ গদ্যৰীতিয়ে যুক্তিপদ (Logical) ৰচনা ৰীতি পৰিস্ফুত হৈছে। যুক্তিশাস্ত্ৰত যেনেকৈ পূৰ্বপদ (Premise) পৰা সিদ্ধান্তত (Conclusion) উপনীত হয়, ভট্টদেৱেও তেওঁৰ ৰচনাৰ ওপৰৰ বাক্য কিছুমানৰ পৰা একোটা সিদ্ধান্ত দেখুৱাইছে। কোনো এটা প্ৰশ্ন উপস্থাপন কৰি লৈ তাৰ উত্তৰ যুক্তিৰ মাজেদি শ্ৰীধৰ স্বামীয়ে ব্যাখ্যা কৰিছে। টীকাৰ আদৰ্শত প্ৰশ্নৰ উপস্থাপন আৰু তাৰ ব্যাখ্যা কৰা পদ্ধতিৰ মাজেদি গঢ়ি উঠা ৰীতিটোকে ভট্টদেৱী গদ্যৰ ব্যাখ্যাত্মক (Expository) ৰীতিও বুলিব পাৰি। ভট্টদেৱৰ গদ্য ভাষা আৰু বিষয়বস্তু দুয়োটাৰে মূল উৎস বাক্য শ্লোক হোৱাৰ বাবে লেখকৰ অনভিপ্ৰেতভাৱে হ'লেও *কথা ভাগৱতৰ* ৰচনাৰ মাজত কোনো অংশই গদ্যৰ বাক্য নিবাস প্ৰকৰণৰ নিয়ম (Rules of system) হেৰুৱাই ছন্দোময় লালিত্য গ্ৰহণ কৰিছে। যেনে— 'কোমল ৰূপ' শ্যাম সুন্দৰ পীতাম্বৰঃ প্ৰসন্ন বদনঃ কমল নয়নঃ নাসা তিলফুলঃ মুখে মনং হাসঃ কটাক্ষ বিকাশ.....' পূৰ্ব কবিৰ কাব্যৰাজিৰ এনে ধৰণৰ পদ্যধৰ্মী ৰচনাৰ দৃষ্টান্ত *কথা ভাগৱতৰ* মাজতো কম, কথা গীতাৰ মাজতো পাবলৈ টান, আৰু কথা ৰত্নাৱলীৰ মাজত নায়েই। সেই ক্ষেত্ৰত ভট্টদেৱৰ গদ্যৰীতিত বাক্যবিন্যাস ৰীতি সংস্কৃত ব্যাকৰণ অনুসৰি ৰক্ষিত কৰিবলৈ লেখকে চেষ্টা কৰিছে।

কথা ভাগৱতৰ ৰচনা ৰীতি সংস্কৃতীয়া আৰু গহীন ভাগৱতৰ গভীৰ ভাৱ সংস্কৃতিয়া গহীনভাষাৰে প্ৰকাশ কৰা কাৰণে কথা ভাগৱতৰ গাম্ভীৰ্য বাঢ়িছে। ভাবো ঠিকমতে প্ৰকাশ হৈছে। অৱশ্যে সংস্কৃতীয়া শব্দৰ মাজত শ্ৰুতি মাধুৰ্য নকমাকৈ ঠায়ে ঠায়ে অসমীয়া শব্দৰ উপযুক্ত ব্যৱহাৰৰ কথাও ভট্টদেৱৰ ৰচনা ৰীতিত উল্লেখ কৰিব পাৰি। এই ক্ষেত্ৰত ভট্টদেৱৰ পূৰ্ববীসকলৰ কাব্যৰ ভাষাৰ পৰা আৰু তৎকালীন সমাজত কামৰূপী ভাষাৰ পৰা শব্দগ্ৰহণ কৰি পাৰ্যমানে ব্যৱহাৰোপযোগী ঠাইত ব্যৱহাৰ কৰাও দেখা যায়। *ভাগৱত পুৰাণৰ* দৰে তাত্ত্বিক গ্ৰন্থৰ অনুবাদ গত্যৰূপত বিষয় বস্তুৰ গ্ৰহণ যোগ্যতা সৰ্বসাধাৰণ সমাজত, সাধাৰণ কথিত ভাষাৰ শব্দ প্ৰয়োগে খৰ্ব কৰিব বা শ্ৰদ্ধা নকৰিব বুলিও মুক্ত ব্যঞ্জনান্ত 'খালন্ত', 'বোলন্ত' আদি ব্যৱহাৰ কৰা যেন লাগে। যেনেকৈ শংকৰ, মাধৱদেৱে গীত-পদ আদিত ব্ৰজবুলি মিহলাই তেওঁলোকৰ ৰচনাৰীতি গহীন কৰি তুলিছিল। এইটো হয়তো ভট্টদেৱৰ অভিপ্ৰেত নিজস্ব ৰীতিও হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ভট্টদেৱৰ ৰচনা কৰা *কথা ভাগৱতৰ* প্ৰথম অধ্যায়ৰ বিষয়ে লিখক। (২০০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন ২ ঃ ভট্টদেৱে ৰচনা কৰা *কথা ভাগৱতৰ* দ্বিতীয় অধ্যায়ৰ পৰিচয় আগবঢ়াওক। (২০০টা শব্দৰ ভিতৰত)

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ পৰা ভট্টদেৱৰ *কথা ভাগৱতৰ* সন্নিবিষ্ট ভট্টদেৱৰ ভাষাৰ নিজস্ব ৰূপ উপলব্ধি হ'ল।
- *ভাগৱতৰ কথা* বস্তুক ভট্টদেৱে কেনেকৈ নিজস্ব এক গতত উপস্থাপন কৰিছে প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ আলোচনা কৰিবলৈ গৈ গম পোৱা গ'ল।
- মূলৰ বিস্তৃত বা বহল বিষয়বস্তুক অতি সংক্ষেপে ভট্টদেৱে এই অধ্যায় দুটাত নিজস্ব ৰীতিত বৰ্ণনা কৰিছে।
- প্ৰথম আৰু দ্বিতীয় দুয়োটা অধ্যায়তে ভাগৱত সৃষ্টিৰ কথাক ভট্টদেৱে অন্তৰ্ভুক্ত কৰিছে আৰু মূলৰ ভক্তিতত্ত্বক প্ৰস্ফুটিত কৰিবলৈ সক্ষম হয়।
- দ্বিতীয় অধ্যায়ৰ বিষয়বস্তুত ভাগৱতৰ নিৰ্গুণ ভক্তিক শ্ৰেষ্ঠতা প্ৰতিপালন কৰিছে।



১০.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী

২। হৰিনাথ শৰ্মাদলৈ ঃ বৈকুণ্ঠনাথ *ভট্টাচাৰ্য বিৰচিত শ্ৰীশ্ৰীমদ্ভাগৱত কথা বা কথা ভাগৱত, ১ম খণ্ড,* গুৱাহাটী ঃ বাণী প্ৰকাশ

৩। মহেশ্বৰ নেওগ ঃ *শ্ৰীভাগৱত কথা (প্ৰথম স্কন্ধ),* গুৱাহাটী ঃ লয়ার্ছ বুকষ্টল

৪। যাদৱদেৱ শৰ্মা ঃ *ভট্টদেৱ;* টিহু ঃ কামাখ্যা প্ৰেছ

৫। বসন্ত কুমাৰ ভট্টাচাৰ্য ঃ *মধ্যযুগৰ সাহিত্য,* নলবাৰী, সমন্বয় গ্ৰন্থালয়

১০.৮ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ *কথা ভাগৱতৰ* প্ৰথম অধ্যায়ৰ কথা বস্তু বৰ্ণনাত ভাগৱত কোনে কৰা আগত কৈছে আৰু কলিযুগত ভাগৱত শাস্ত্ৰৰ শ্ৰেষ্ঠতা নিৰূপণ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ *কথা ভাগৱতত* নিৰ্গুণ ভক্তিৰ শ্ৰেষ্ঠতা প্ৰতিপাদন।



১০.৯ আহিঁ প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ *কথা ভাগৱতত* ভট্টদেৱৰ নিজস্ব গদ্যৰীতিৰ পৰিচয় পোৱা যায়। ভট্টদেৱৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ কি কি আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ *কথা ভাগৱতৰ* প্ৰথম অধ্যায়ত সন্নিবিষ্ট বিষয়বস্তু আপোনাৰ নিজৰ ভাষাত আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ *কথা ভাগৱতৰ* দ্বিতীয় অধ্যায়ত সন্নিবিষ্ট বিষয়বস্তু আপোনাৰ নিজৰ ভাষাত আলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ ভট্টদেৱৰ গদ্যৰীতিয়ে বা *কথা ভাগৱতৰ* গদ্য ভাঙনিয়ে অসমীয়া ভাষা সাহিত্যত গদ্য সাহিত্যৰ এক নতুন ধাৰাৰ জন্ম দিলে। ভট্টদেৱৰ পৰৱৰ্তী যুগৰ অসমীয়া গদ্যসাহিত্যৰ এটি চমু পৰিচয় দাঙি ধৰক।

প্ৰশ্ন নং ৫ ঃ *কথা ভাগৱতৰ* প্ৰথম আৰু দ্বিতীয় অধ্যায়ত-বিষয়বস্তুত সন্নিবিষ্ট ভক্তিৰ স্বৰূপ দাঙি ধৰি বৈষ্ণৱ ধৰ্মৰ ভক্তি আন্দোলনত আগবঢ়োৱা অৱদানৰ কথা বিচাৰ কৰক।

প্ৰশ্ন নং ৬ ঃ চমুটোকা লিখা ঃ

ক) *কথা ভাগৱতত* শ্ৰীধৰ স্বামীৰ টীকাৰ ব্যৱহাৰ।

খ) অসমীয়া গদ্যসাহিত্যত কথা ভাগৱতৰ স্থান।

*** ***** ***

অধ্যায় ১১ ঃ দুর্গাবৰৰ *গীতি-ৰামায়ণ* ঃ সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ অসমীয়া ৰামায়ণ পৰম্পৰা

১১.৪ দুর্গাবৰৰ কাব্য প্রতিভা

১১.৫ *গীতি-ৰামায়ণৰ* মূল আৰু ৰচনা কাল

৬১.৬ *গীতি-ৰামায়ণৰ* ৰচনাৰীতি

১১.৭ *গীতিৰামায়ণত* প্রক্ষিপ্ততা

১১.৮ *গীতি-ৰামায়ণৰ* সাহিত্যিক সৌন্দর্য

১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.১০ অধিক জানিবলৈ

১১.১১ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১১.১২ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'ৰামায়ণ' সম্পর্কে জানিব পাৰিব
- দুর্গাবৰৰ সাহিত্য প্রতিভাৰ সম্পর্কে জ্ঞান লাভ কৰিব
- অসমীয়া সাহিত্যত ৰচিত ৰামায়ণী সাহিত্য সম্পর্কে আলোচনা কৰিব পাৰিব
- দুর্গাবৰৰ *'গীতি-ৰামায়ণ'* কাব্যৰ বিষয়ে সবিশেষ জানিব পাৰিব
- লগতে মূল ৰামায়ণ আৰু দুর্গাবৰ *'গীতি-ৰামায়ণ'ৰ* তুলনামূলক আলোচনা কৰিবলৈ সমর্থ হ'ব।

১১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ অন্তর্গত এইখন সাহিত্য শাখাৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয়। এইখন পাঠ্যবিষয় 'ভক্তি সাহিত্য'ৰ এইটো একাদশ অধ্যায়। ইয়াৰ শীর্ষক 'দুর্গাবৰৰ গীতি-ৰামায়ণ ঃ সাধাৰণ আলোচনা'। ষোড়শ শতিকাৰ প্রথমার্ধৰ কবি দুর্গাবৰৰ সম্পূর্ণ নাম-দুর্গাবৰ কায়স্থ। গীতি-ৰামায়ণৰ বাহিৰেও তেওঁৰ আন এখন কাব্য হ'ল 'বেউলা-আখ্যান'। তেওঁক পাঁচালী কবি হিচাপেও জনা যায়।

অসমীয়া সাহিত্যত পোনপ্ৰথমে প্ৰাক্ শংকৰীযুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলীয়ে 'ৰামায়ণ' ৰচনা কৰে। দুর্গাবৰৰ 'গীতি-ৰামায়ণ' মূল বাল্মীকিৰ ৰামায়ণৰ তুলনাত অপ্ৰমাদী কবি মাধৱ কন্দলীৰ ৰামায়ণৰ প্ৰভাৱহে যথেষ্ট পৰিমাণে পৰিছে বুলিব পাৰি। তথাপি কবিৰ মৌলিক প্ৰতিভাক প্ৰশংসা কৰিব লাগিব। মূল কাহিনীৰ সাৰভাগ গ্ৰহণ কৰিলেও কবিৰ কাব্যিক প্ৰতিভাই গীতি-ৰামায়ণক অন্যন্যতা প্ৰদান কৰিছে। এই অধ্যায়ত দুর্গাবৰৰ 'গীতি-ৰামায়ণ'ৰ সকলোবোৰ দিশ সামৰি আলোচনা কৰা হ'ব।

১১.৩ অসমীয়া ৰামায়ণ-পৰম্পৰা

দশম-একাদশ শতিকাৰ *কালিকা পুৰাণত* অসমত ৰামায়ণৰ প্ৰভাৱ আৰু ৰামকথাৰ উল্লেখ থকাৰ বিষয়ে প্ৰথমে জনা গৈছিল। ইয়াৰ আগৰ সময়ছোৱাত ৰামৰ বিষয়ে কোনো ধৰণৰ ৰচনাৰ প্ৰমাণ বৰ্তমানলৈ উদ্ধাৰ হোৱা নাই। কিন্তু ইয়াৰ আগেয়ে ৰামায়ণৰ কথাৰ প্ৰচলন নাছিল তেনে নহয়; কিন্তু আৰ্য সভ্যতাৰ লগতেই ৰামায়ণৰ কাহিনী নিশ্চয় অসমত প্ৰচাৰ হৈছিল। বিভিন্ন সময়ত হিন্দু পৰাক্ৰমী ৰজাৰ ৰাজত্ব কালত দুয়োখন মহাকাব্য 'ৰামায়ণ' আৰু 'মহাভাৰতৰ' কাহিনী জনসমাজত প্ৰচলিত থকাৰ লগতে অতি জনপ্ৰিয়ও আছিল বুলি অনুমান কৰিব পাৰি। *কালিকাপুৰাণত* ৰাম-সীতাৰ জন্মৰ পৰা বিবাহ আদিৰ লগতে ৰাম-ৰাৱণৰ যুদ্ধ আদি সম্পৰ্কেও বৰ্ণনা পোৱা যায়। ইয়াৰ পৰৱৰ্তী সময়ত ৰচিত ডাকৰ বচনতো লংকাৰ নামৰ উল্লেখ পোৱা যায়; যদিও ৰাম সীতাৰ কথা তাত পোৱা হোৱা নাই। ইয়াৰোপৰি অসমীয়া সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন চৰ্যাপদবোৰতো বেপাৰ-বাণিজ্যৰ ঠাই হিচাপে লংকাৰ উল্লেখ মনকৰিবলগীয়া। মন্ত্ৰপুথিবোৰতো কম-বেছি পৰিমাণে ঠায়ে ঠায়ে ৰামায়ণৰ কাহিনী আৰু কেইবাটাও চৰিত্ৰৰ উল্লেখ পোৱা যায়। যদিও মন্ত্ৰপুথিৰ সঠিক ৰচনাকাল বৰ্তমানলৈ নিঃসন্দেহে ক'ব নোৱাৰি, তথাপি এইবোৰৰ প্ৰচলনৰ সময় প্ৰাক-শঙ্কৰী যুগৰ সমসাময়িক বুলি বহুকেইগৰাকী পণ্ডিতে মতামত আগবঢ়াইছে। এইবোৰৰ বাহিৰেও অসমীয়া সমাজত প্ৰচলিত বিয়াগীতবোৰত জনক নন্দিনী সীতা, পুৰুষোত্তম ৰামৰ বৰ্ণনা কৰি দৰা-কইনাক বিভিন্ন দিশেৰে তেওঁলোকৰ লগত ৰিজাই গীত গোৱাৰ প্ৰথা পুৰণি সময়ৰ পৰাই আছিল বুলি অনুমান কৰিব পাৰি। সেয়ে অসমীয়া সাহিত্য তথা সমাজত যে ৰামায়ণৰ জনপ্ৰিয়তা আছিল তাত কোনো সন্দেহ থাকিব নোৱাৰে।

মাধৱ কন্দলী ঃ অসমীয়া ৰামায়ণ পৰম্পৰাৰ ইতিহাস অতি পুৰণি। উত্তৰ ভাৰতৰ আন আন প্ৰাদেশিক ভাষাৰ তুলনাত অসমীয়া ভাষাতেই প্ৰথম ৰামায়ণ অনূদিত হৈছিল। মাধৱ কন্দলীৰ পদত সাতটা কাণ্ডত তেওঁ 'ৰামায়ণ' অসমীয়ালৈ অনুবাদ কৰাৰ প্ৰমাণ আছে যদিও পাঁচটা কাণ্ডহে উদ্ধাৰ হয়। দুর্ভাগ্যবশতঃ উদ্ধাৰ নোহোৱা 'আদি কাণ্ড' আৰু 'উত্তৰা কাণ্ড' তেওঁৰ উত্তৰসূৰী বৈষ্ণৱ সাহিত্যিক শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰে। কবিৰ উক্তিয়ে আন এক দিশৰ উন্মোচন কৰে যে ভাৰতবৰ্ষৰ লগতে অসমত শাসন কৰা ৰজা-মহাৰজা সকলো মহাকাব্যৰ প্ৰতি আকৰ্ষিত হৈছিল। কবি মাধৱ কন্দলীয়েও তেওঁৰ পৃষ্ঠপোষক ৰজা মহামাণিক্যৰ অনুৰোধতেই 'ৰামায়ণ'ৰ অনুবাদ কৰিছিল। লংকা কাণ্ডৰ শেষৰ পদত এই কথা উল্লেখ কৰি কৈছে—

"কবিৰাজ কন্দলী যে আমাকে সে বুলিৰয়
কহিলোহো সর্বজন বোধে।
ৰামায়ণ সুপয়াৰ শ্রী মহামাণিক্য যে
বৰাহ ৰজাৰ অনুৰোধে।"

তেওঁ ৰামায়ণৰ গোটেইবোৰ কাণ্ড বহলাই বর্ণনা কৰাৰ বিপৰীতে চমুকৈ ছন্দোবদ্ধ কৰে। তথাপি মূল সাৰভাগ নষ্ট হ'বলৈ নিদি সুন্দৰকৈ সুযোগ বুলি কোনো কোনো অংশত কাব্যিক ৰহণ সানি পাঠক-শ্রোতাৰ আকর্ষণো অব্যাহত ৰাখিছে। মুঠতে মূল কাহিনীৰ পৱিত্রতা তথা মর্যাদা অক্ষুণ্ণ ৰাখি নিজ সাধ্যানুসৰি চতুর্দশ শতিকাতে ৰামায়ণক এক অনুপম ৰূপ দি গৈছে। যি ৰূপে পিছৰ কবিসকলক ৰামায়ণ চর্চাত সঘনে মোহাচ্ছন্ন কৰিব পাৰিছে। তেওঁ ৰামায়ণৰ কাহিনী চমুকৈ সাৰভাগ বর্ণনাৰ প্রসংগত কৈছে—

"সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো
লম্ভা পৱিহৰি সৰোদ্ধতে।
মহামাণিক্যৰ বোলে কাব্যৰস কিছু দিলো
দুগ্ধক মথিলোঁ যেন ঘৃতে।।"

প্রাক্ শংকৰী যুগৰ শ্রেষ্ঠ কবি মাধৱ কন্দলীয়ে প্রধানকৈ বাল্মীকিৰ 'ৰামায়ণ'ৰ পূব ভাৰতীয় পাঠ অনুকৰণ কৰিহে অসমীয়ালৈ 'ৰামায়ণ'খন অনুবাদ কৰিছিল। তেওঁ তুলসীদাস, কৃত্তিবাস আদিৰ ৰামায়ণ তথা পুৰাণৰ ৰামকথাৰ পৰা সমুলি বিৰত থাকি বাল্মীকিৰ ৰামায়ণক মূল আধাৰ হিচাপে গ্রহণ কৰিছিল। লগতে অসমীয়া পাঠক আৰু অসমীয়া সমাজৰ ৰুচিৰ প্রতিও সচেতন দৃষ্টি ৰাখিছিল। ক'ৰবাত যদি মূল কাহিনী সংকোচন কৰিছিল আকৌ আন কোনো ঠাইত কিছু নিজা সংযোজনো আছিল। যেনে— গৌড়ীয় পাঠৰ অযোধ্যাকাণ্ডৰ এশ ঊনৈশটা সর্গৰ কথা অসমীয়া সংস্কৰণত একচল্লিশটা অধ্যায়ত, অৰণ্যকাণ্ডৰ পসত্তৰ টা সর্গৰ মাত্র বাইছটা অধ্যায়ত, লংকাকাণ্ডৰ এশ আঠাইশটা সর্গৰ কথা অসমীয়াত ছাপন্ন (৫৬) টা অধ্যায়তেই সামৰিছে। এই সংকোচনে মূল কাহিনীৰ হানি-বিঘিনি ঘটাইছে বুলি ক'ব পৰা নাযায়। অসমীয়া কবিৰ মৌলিকতাই ৰামায়ণখনৰ মর্যাদা দুগুণে বৃদ্ধি কৰিছে।

কন্দলীৰ ৰামায়ণত অসমৰ প্রাকৃতিক পৰিৱেশৰ এক অপৰূপ বর্ণনা দাঙি ধৰিছে। কেৱল সেয়াই নহয় সীতাৰ ৰূপ বর্ণনা অসমীয়া কবিৰ নিজস্ব, বাল্মীকিৰ কাব্যত তেনে কোনো বর্ণনা পোৱা নাযায়। সেই সময়ত অসমত প্রচলিত কুটীৰ শিল্প আৰু বৃত্তিয়াল জাতিসমূহৰ পৰিচয়ো অতি কৌশলৰে বর্ণনা কৰিছে। মাধৱ কন্দলীৰ ৰামায়ণে হিন্দু সমাজত প্রচলিত আচাৰ-অনুষ্ঠান আদিৰো সন্ভেদ দিয়ে। অসমত মধ্য যুগৰ আগৰে পৰাই শৈৱ আৰু শাক্ত ধর্মৰ যি প্রাৱল্য আছিল, তাৰ নিদর্শনো কন্দলীৰ ৰামায়ণত দেখা পোৱা গৈছে। মূল ৰামায়ণত নথকা বহুবোৰ উপাদান যেনে খাদ্যসম্ভাৰ, সাজপাৰ, অলংকাৰ, বাদ্যযন্ত্র, ফুল-ফল, গছ-লতিকা, ফল-মূল ইত্যাদিৰ উল্লিখন কন্দলীৰ ৰামায়ণৰ আন এক বিশেষত্ব।

শংকৰদেৱ ঃ মাধৱ কন্দলীয়ে পোনপ্রথমে ৰামায়ণৰ কাহিনী অনুবাদ কৰিছিল তাত যিদৰে কাৰো দ্বিমত থাকিব নোৱাৰে; ঠিক একেদৰে তেওঁ যে ৰামায়ণৰ সাতোটা কাণ্ড অনুবাদ

কৰিছিল তাৰ প্ৰমাণো তেওঁৰ পদত ৰক্ষিত হৈছে। তথাপি দুৰ্ভাগ্যবশতঃ প্ৰথম আৰু শেষৰ কাণ্ড দুটা বিলুপ্ত প্ৰায় হোৱাত শংকৰদেৱে শেষৰ কাণ্ডটো আৰু প্ৰিয় শিষ্য মাধৱদেৱে প্ৰথমৰ কাণ্ডটো ৰচনা কৰাৰ কথা আমাক "গুৰু চৰিত"বোৰে জানিবলৈ দিয়ে। অসমীয়াত উত্তৰ কাণ্ডক "উত্তৰাকাণ্ড" বোলা হৈছে। হয়তো লংকা, অযোধ্যা, কিষ্কিন্ধা আদি লগত একে ছন্দেৰে উচ্চাৰণ হোৱাকৈ সুন্দৰক 'সুন্দৰা' আৰু উত্তৰক 'উত্তৰা' হিচাপে ব্যৱহাৰ কৰিছিল। ব্যাকৰণগত দিশৰ পৰা চালে ইয়াক ভুল বুলিব নোৱাৰি। যিহেতু মহাপুৰুষ সংস্কৃত সাহিত্যত বিদগ্ধ পণ্ডিত আছিল, তথাপি তেওঁ আছিল অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক আৰু প্ৰসাৰক; গতিকে বাল্মীকিৰ ৰামায়ণৰ শেষৰ অংশটো তেওঁ নিজা দৃষ্টিভংগীৰে উপস্থাপন কৰিছে। ৰাম আৰু সীতাৰ কাহিনীক মূল হিচাপে গ্ৰহণ কৰি আনুসংগিক সৰু-বৰ নানা ঘটনা বা কাহিনীক শংকৰদেৱে উত্তৰাকাণ্ডত সম্পূৰ্ণৰূপে বৰ্জন কৰা দেখা গৈছে। শংকৰদেৱে বাল্মীকিৰ ছকুৰি সৰ্গত বিভক্ত উত্তৰা কাণ্ডৰ কথা মাথো ত্ৰিছটা অধ্যায়তে সামৰিব লগীয়া হৈছে। তথাপি সীতাৰ বনবাস, সীতা বিচ্ছেদ আৰু ৰামৰ কৰুণ অৱস্থা আদি গুৰুত্বপূৰ্ণ দিশবোৰক পূৰ্ণ মৰ্যাদা প্ৰদান কৰিছে। এনে কৰাৰ বাবেই অসমীয়া ৰামায়ণ অধিক সংহত তথা প্ৰাসংগিক কাহিনীৰ প্ৰবাহ সৰহ বুলিব লাগিব। এটা কথা স্বীকাৰ্য্য যে যদিও বৈষ্ণৱ পণ্ডিত শংকৰদেৱে বাল্মীকিৰ বৰ্ণনা চমু কৰিছে, তথাপি নীৰস ৰূপ এটাও পাঠকক দিয়া নাই। য'ত যি ধৰণে পল্লৱিত কৰিব লাগে; সেয়া অক্ষুণ্ণ ৰাখিছে। যেনে— ৰামৰ অশ্বমেধ যজ্ঞত লৱকুশৰ ৰামায়ণৰ গানৰ যোগেদি সীতাৰ যেতিয়া সম্ভেদ পালে, তেতিয়া ৰামে শত্ৰুঘ্ন, হনুমানকে ধৰি চাৰিজনক সীতাক আশ্ৰমৰ পৰা বুজাই-বঢ়াই অযোধ্যালৈ আনিবলৈ পঠায় আৰু তেওঁলোকে সীতাক সেই, মতে অনুৰোধ জনায়। লগতে ৰামৰ সন্তাপ আৰু অযোধ্যাবাসীৰো সীতা বিচ্ছেদত সন্তাপৰ কথা কয়। তেতিয়া সীতাই ৰামৰ নিষ্ঠুৰতাৰ কথা সোঁৱৰাই দি অযোধ্যালৈ ঘূৰি যাবলৈ অস্বীকাৰ কৰে। সেই সময়ছোৱাত সীতাৰ মনৰ ভাৱবোৰক অসমীয়া কবিয়ে সৰ্বসাধাৰণৰ অন্তৰ স্পৰ্শ কৰাকৈ অতি সংবেদনশীলতাৰে বৰ্ণনা কৰিছে। ৰাজসভাতো যেতিয়া ৰামে সীতাৰ পুনৰ পৰীক্ষা লোৱাৰ কথা কৈছিল; তেতিয়াও সীতাৰ মনৰ খং, বেজাৰ, বেদনা প্ৰকাশ কৰি কৈছিল—

"স্বামী তপ, যপ যজ্ঞ, স্বামী যোগ ধ্যান।
স্বপনে সচিতে মই নিচিন্তোহো আন।।
তথাপি আমাত আন চিত্ত বিহৰিল।
চুমাতে কামোৰ যেন আলাগতে কিল।।"

সীতাৰ হৃদয় বিদাৰক পদবোৰ মূলৰ তুলনাত অধিক বেছি স্বাভাৱিক আৰু কাৰুণ্যসিক্ত। এই দিশত বাল্মীকিৰ পৰা শংকৰদেৱ একেবাৰে আঁতৰি আহিছে। মূলত সীতাৰ মুখত একেবাৰে সীমিত শব্দ প্ৰয়োগ কৰিছে। কিন্তু যুগনায়ক শংকৰদেৱে সীতাৰ প্ৰতি অধিক সহানুভূতিৰে তেওঁৰ নাৰী মনৰ প্ৰতিটো হা-হুমুনিয়াক উত্তৰাকাণ্ডত গাম্ভীৰ্য্যতাৰে দাঙি ধৰিছে।

মাধৱ কন্দলীৰ পিছত সম্পূৰ্ণ ৰামায়ণৰ পৰিৱৰ্তে শংকৰদেৱেও মাত্ৰ এটা কাণ্ড ৰচনা কৰিও ৰামায়ণৰ কাহিনীক অতি মনোৰমকৈ অসমীয়া ৰাইজৰ আগত তুলি ধৰিছে।

মাধৱদেৱ ঃ "মহাপুৰুষ শ্রী শ্রী শংকৰদেৱৰ নৱ-বৈষ্ণৱ ধর্মৰ প্রচাৰত সহায় আৰু সহযোগী প্রিয় শিষ্য মাধৱদেৱেও গুৰু বাক্য শিৰোগত কৰি 'ৰামায়ণ'ৰ প্রথম খণ্ড বা 'আদিকাণ্ড' ৰচনা কৰাৰ 'কথা গুৰুচৰিত'ত উল্লেখ আছে। কিন্তু এই ক্ষেত্রত পণ্ডিতসকলৰ মাজত সময়ে সময়ে মতভেদ দেখা যায়। মাধৱ কন্দলী আৰু শংকৰদেৱৰ কাণ্ডবোৰত বাল্মীকিৰ 'ৰামায়ণ'ৰ প্রভাৱ স্পষ্ট; আনহাতে মাধৱদেৱ ৰচিত আদি কাণ্ডত কৃত্তিবাসী ৰামায়ণৰ প্রভাৱ দেখা যায়। যেনে— বাল্মীকিৰ ৰামায়াণত নথকা অথচ কৃত্তিবাসী ৰামায়ণত থকা কৌশল্যা, কৈকেয়ী, সুমিত্রাৰ বিবাহ, অযোধ্যাৰ ওপৰত শনিৰ দৃষ্টি আৰু সেই সংক্রান্তত জটায়ুৰ লগত বন্ধুত্ব, সিন্ধুমুনি বধ আৰু অন্ধমুনিৰ অভিশাপ, গণেশৰ হস্তীমুণ্ড হোৱাৰ কাৰণ, সম্বৰাসুৰৰ লগত দশৰথৰ যুদ্ধ আদি ঘটনাবোৰ বিশেষভাৱে মন কৰিবলগীয়া। ইয়াৰ পৰা এটা কথা স্পষ্টকৈ ক'ব পাৰি যে মাধৱদেৱেও ৰামৰ লগত পোনে পোনে সংগতি থকা ঘটনাবোৰকহে অধিক গুৰুত্ব সহকাৰে লৈ আদি কাণ্ডত স্থান দিছে। কিয়নো বাল্মীকিৰ আদিকাণ্ডৰ— গংগা-উমাৰ বৃত্তান্ত, কার্তিকৰ জন্ম, সগৰ ৰজাৰ বৃত্তান্ত, ভগীৰথৰ গংগা আনয়ন, সমুদ্রমন্থন, মহাদেৱৰ বিষপান, বশিষ্ট-বিশ্বামিত্রৰ সংঘর্ষ, বিশ্বামিত্রৰ ব্রাহ্মণত্ব লাভ, ত্রিশংকুৰ উপাখ্যান আদিবোৰ মাধৱদেৱে সম্পূর্ণৰূপে পৰিহাৰ কৰিছে। যদিও মাধৱদেৱে পোনপটীয়াকৈ বাল্মীকিৰ ৰামায়ণৰ অসমীয়া অনুবাদ নকৰিলেও কন্দলীৰ 'ৰামায়ণ'ত আদিকাণ্ড সুন্দৰকৈ খাপ খাইছে। বৈষ্ণৱ কবিজনে মৌলিক প্রতিভাৰে কাহিনীৰ প্রসাৰণ সংকোচন কৰিলেও ৰাম-সীতাৰ মূল কাহিনীৰ একো বুঢ়া-টুটা নকৰি বৰং অতি নীতি-নিষ্ঠতাৰে দাঙি ধৰিছে।

অনন্ত কন্দলী ঃ অসমীয়াত মাধৱ কন্দলী, শংকৰ-মাধৱৰ পিছত অনন্ত কন্দলীয়েও ৰামায়ণ ৰচনা কৰিছিল বুলি জনা যায়; তথাপি তেওঁ সাতটা কাণ্ডই অনুবাদ কৰিছিল নে পাঁচটা তাত এতিয়াও সন্দেহৰ ছাঁ বিদ্যমান। 'কথা-গুৰুচৰিত'ৰ সম্পাদক উপেন্দ্রচন্দ্র লেখাৰুৱে অনন্ত কন্দলীৰ ৰামায়ণৰো পাঁচটা কাণ্ডহে পোৱা গৈছে বুলি মত পোষণ কৰিছে। কিন্তু অনন্ত কন্দলী বিৰচিত বুলি অযোধ্যা কাণ্ড, অৰণ্য কাণ্ড আৰু কিষ্কিন্ধা কাণ্ড খণ্ডকেইটাহে বর্তমানলৈ সন্দেহাতীতভাৱে উদ্ধাৰ হৈছে। বাকী দুই বা চাৰি কাণ্ডৰ কোনো লিখিত প্রামাণিক তথ্য পোৱা হোৱা নাই বুলি ড° সত্যেন্দ্রনাথ শর্মাই তেওঁৰ "ৰামায়ণৰ ইতিবৃত্ত" গ্রন্থত স্পষ্টকৈ উল্লেখ কৰিছে। মাধৱ কন্দলীৰ ৰামায়ণৰ কাব্যিক সৌন্দর্য্য আৰু বর্ণনাৰ আকর্ষণীতাত অনন্ত কন্দলীও বাৰুকৈয়ে মোহিত হৈছিল। মাধৱ কন্দলীৰ ৰামায়ণৰ পৰা আঁতৰি আহি ৰামায়ণ ৰচনাৰ মানস কৰিছিল; য'ত ৰামচন্দ্রক সাধাৰণ পুৰুষৰ বিপৰীতে ঈশ্বৰৰ অৱতাৰ ৰূপেহে অধিক গুৰুত্ব দিয়া হৈছিল। ভক্তিৰ আৰু ঐশ্বৰিকতাৰ নিজৰা প্রৱাহিত কৰিব বিচাৰিলেও পূর্বকবিৰ প্রভাৱে তেওঁক চানি ধৰাৰ কথা অযোধ্যাকাণ্ডত উল্লেখ কৰি কৈছে—

"মাধৱ কন্দলী বিৰচিলা ৰামায়ণ।
তাক শুনি আমাৰ আকুল কৰে মন।।
ৰামৰ সামান্য সন্ত গুণ যথাৱত।
ভজনীয় গুণ যত নভৈল বেকত।।"

কন্দলীয়ে ৰাম আৰু কৃষ্ণৰ মাজত প্ৰভেদ নাৰাখি যিমান পাৰি সন্মিলিত ৰূপত হৰিভক্তি প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে। ৰামক উপাস্য দেৱতা, ৰাম আৰু কৃষ্ণ অভেদ, ৰামক ভজন কৰাৰ মহৎফল, শ্ৰৱণ-কীৰ্ত্তনৰ মাহাত্ম্য আদিৰ সংমিশ্ৰণ কৰিলেও মূল কাহিনীৰ গতিময়তাত কোনো ধৰণে ব্যাঘাত কৰা যেন নালাগে। যদিও অনন্ত কন্দলী এগৰাকী এক শৰণীয়া বৈষ্ণৱ নাছিল; তথাপি বৈষ্ণৱ বিৰোধীও নাছিল; সেয়েহে ধাৰ্মিক দিশত উদাৰতা থকা দেখা যায়। সংস্কৃত ভাষাত পাণ্ডিত্য থকাৰ পাছতো বাল্মীকি 'ৰামায়ণ'ৰ বিপৰীতে মাধৱ কন্দলীৰ অসমীয়া 'ৰামায়ণ'খনকে অনন্ত কন্দলীয়ে মূল আধাৰ হিচাপে লোৱা বুলি নিঃসন্দেহে ক'ব পাৰি। তথাপিও মৌলিকতাৰ পৰশো মন কৰিবলগীয়া। মাধৱ কন্দলীয়ে ৰামক যিদৰে এজন আদৰ্শ বীৰপুৰুষ হিচাপে সুন্দৰ উপস্থাপন কৰিছে; আনফালে অনন্ত কন্দলীয়ে আধ্যাত্মিকতাৰ প্ৰলেপেৰে ৰামচন্দ্ৰক মৰ্যাদা পুৰুষোত্তম হিচাপে প্ৰতিপন্ন কৰিছে। য'তেই যিদৰে সুযোগ পাইছে ৰামক ঈশ্বৰৰ অৱতাৰী পুৰুষ হিচাপে দাঙি ধৰাৰ দিশত দুয়োগৰাকী কন্দলীৰ 'ৰামায়ণ'ৰ প্ৰধান নিমিলা দিশ যেন লাগে। এইক্ষেত্ৰত কিছু কিছু দিশত অনন্ত কন্দলী ভাগৱত পুৰাণৰ প্ৰতি গভীৰ আস্থা আৰু তাৰে পৰিণতি বুলিলে হয়তো ভুল কৰা নহ'ব।

দুর্গাবৰ ঃ দুর্গাবৰৰ সময়ৰ বিষয়ে সঠিককৈ ক'ব পৰা নগ'লেও তেওঁৰ *বেউলা আখ্যান* নামৰ পুথিত কিছু তথ্য পোৱা যায়। "বেউলা আখ্যান"ৰ মতে তেওঁৰ পিতৃৰ নাম চন্দ্ৰধৰ কায়স্থ। কবিগৰাকীৰ সম্পূৰ্ণ নাম দুর্গাবৰ কায়স্থ; সময় প্ৰায় ষোড়শ শতিকাৰ প্ৰথমাৰ্ধত আবিৰ্ভাৱ হোৱা বুলি জনা যায়। এই পুথিতেই নীলাচল পাহাৰৰ কথা আৰু সমসাময়িক শাসনকৰ্তা হিচাপে ৰজা বিশ্বসিংহৰ নাম পোৱা যায়। *বেউলা আখ্যান* ৰচয়িতাজনেই যে 'গীতিৰামায়ণ'ৰো ৰচোঁতা, তাত কিন্তু আজিও সন্দেহ আঁতৰা নাই। *বেউলা আখ্যান* যিদৰে শাক্ত ধৰ্মৰ সম্পূৰ্ণ গাথা; আনহাতে '*গীতিৰামায়ণ*' বৈষ্ণৱ ধৰ্মৰ লগত কম পৰিমাণে হ'লেও সংপৃক্ত। যি কি নহওঁক কিয় মতভেদ থাকিলেও বহুকেইগৰাকী পণ্ডিতে দুর্গাবৰ এজনেই বুলি সাহিত্যৰ বুৰঞ্জীত উল্লেখ কৰিছে।

দুর্গাবৰৰ *গীতিৰামায়ণতো* পূৰ্ব কবি কন্দলীৰ ৰামায়ণৰ প্ৰভাৱ মনকৰিবলগীয়া। কথাবস্তু আৰম্ভণিৰ গতি মন্থৰ হ'লেও পৰিসমাপ্তি কিছু খৰটকীয়া। তথাপি স্বপ্ৰতিভা প্ৰকাশ কৰি গীতসমূহত যি আৱেগৰ প্ৰকাশ কৰিছে, সেয়া অনুপম। সংস্কৃত ভাষাৰ কবিৰ দক্ষতা কিমান তাক জনাৰ উপায় নাই; তেওঁৰ *গীতি-ৰামায়ণত* বাল্মীকিৰ ৰামায়ণ প্ৰভাৱ নাই বুলি ক'ব পাৰি। মাধৱ কন্দলী পদবোৰকে নিজা প্ৰলেপেৰে আটকধুনীয়া কৰি সজাব পাৰিছে। কোনো কোনো ঠাইত *শিৱ-মহাপুৰাণ, আনন্দ ৰামায়ণ* আদিৰ প্ৰভাৱো যৎকিঞ্চিত পৰিছে। কৰুণ ৰসক অধিক গুৰুত্ব প্ৰদান কৰি দুর্গাবৰে *গীতিৰামায়ণ* বহুবোৰ গীত ৰচনা কৰিছে। ইয়াৰোপৰি ভাষাৰ দিশত চালে দেখা যায় যে তেওঁৰ ভাষাই কথিত ভাষাৰ ওচৰ চাপিছে। কৃত্ৰিম শব্দৰ ব্যৱহাৰৰ পৰা বিৰত থাকি আধুনিক ভাষাৰ ওচৰ চপা শব্দৰ প্ৰয়োগ কৰিছে—

"ৰাজা বোলে দ্বাৰী কোৱাগৈ লৰি
বাৰীৰ ভিতৰে যাওঁক।
আছে ৰক্ষীগণ চলোক ব্ৰাহ্মণ
ফল মাগি তাতে খাওক।।"

মুঠতে অসমীয়া ৰামায়ণ পৰম্পৰাত অন্যান্য ৰামায়ণৰ দৰেই দুর্গাবৰৰ *গীতি-ৰামায়ণ*খনৰো এক সুকীয়া বৈশিষ্ট্য আছে।

ৰামায়ণ অনুবাদৰ উপৰিও অসমীয়া সাহিত্যত ৰামায়ণক লৈ বহু চর্চা প্রাচীন সময়ৰ পৰা আজিৰ আধুনিক সাহিত্যলৈ শিপাই আছে। অসমৰ নৱ-বৈষ্ণৱ ধর্মৰ প্রচাৰক মহাপুৰুষ শ্রীশ্রী শঙ্কৰদেৱে *ৰাম-বিজয়* নাট ৰচনা কৰিছে। সেই নাটৰ কাহিনীৰ মূল *ৰামায়ণ* । ইয়াৰ পৰৱর্তী সময়ত সপ্তদশ শতিকাৰ বর্তমান নগাঁও জিলাৰ মায়ং অঞ্চলৰ সত্রাধিকাৰ হৃদয়ানন্দ কায়স্থ বা অনন্ত ঠাকুৰে *শ্রীৰাম-কীর্ত্তন* নামৰ এখন পুথি ৰচনা কৰে। "কালশিলা সত্রৰ সত্রাধিকাৰ ঠাকুৰে মহাপুৰুষ শংকৰদেৱৰ *কীর্ত্তন* পুথিৰ আধাৰত ৰামায়ণ কাহিনীক *শ্রীৰাম-কীর্ত্তন*ৰ আকাৰ দিয়ে বুলি জানিব পৰা যায়। এঘাৰশ চাৰিটা পদত ৰচিত এখন পূর্ণাংগ ৰাম কথা। যিহেতু কাব্যকাৰৰ সময় সপ্তদশ শতিকা; গতিকে তেতিয়ালৈকে অনুদিত হোৱা আৰু কেইবাখনো সংস্কৃত ভাষাত ৰচিত ৰামায়ণৰ কাহিনীৰ প্রভাৱ তেওঁৰ এই কীর্ত্তনত পৰা দেখা গৈছে। ঠাকুৰে পদ, দুলড়ী, ছবি, একাৱলী, ঝুমুৰী, কুসমমালা আদি ছন্দ সুন্দৰ প্রয়োগ কৰাৰ উপৰিও দশাক্ষৰী নামৰ এক ছন্দৰ ব্যৱহাৰ কৰিছে; যি ছন্দ বৈষ্ণৱ পণ্ডিতসকলৰ ৰচনাতো দেখা পোৱা নাযায়। যেনে—

"শুনিয়োক ঋষি মহাৰায়'
পিতৃ দিয়াছন্ত তযু ঠায়।।"

ঠাকুৰ *শ্রীৰাম কীর্ত্তন*ক পণ্ডিত ড° সতেন্দ্রনাথ শর্মাই তেওঁৰ *ৰামায়ণৰ ইতিবৃত্ত* গ্রন্থত 'পকেট ৰামায়ণ' আখ্যা দিছে। ৰামায়ণৰ সাতোটা কাণ্ডতে অতি চমুকৈ সামৰিছে। অথচ কোনো দৰকাৰী অংশ বাদ দিয়াও নাই, কম শব্দৰে সম্পূর্ণ ঘটনা উচিত মূল্যায়ন কৰিছে। ভাষা, ছন্দ আদি ব্যৱহাৰো অতি উন্নতমানৰ বুলিব পাৰি। ৰামচৰিত্রৰ গাম্ভীর্য ৰক্ষাৰ লগতে ঈশ্বৰ প্রতিপন্ন কৰাটো সার্থক হৈছে।

অষ্টাদশ শতিকাৰ আন এগৰাকী পণ্ডিত হ'ল ৰঘুনাথ মহন্ত। বৈষ্ণৱ ধর্মৰ দ্বাৰা প্রভাৱিত এইগৰাকী কবিয়েও *ৰামায়ণ-কথা, অদ্ভুত ৰামায়ণ* আৰু *শত্রুঞ্জয়* নামৰ তিনিখন গ্রন্থ ৰচনা কৰে। ইয়াৰে দুখন পদত আৰু এখন গদ্যত ৰচিত। কবি ৰঘুনাথ মহন্তৰ *ৰামায়ণ-কথা*ৰ কাহিনীৰ মূল কথাবস্তু ৰামায়ণৰ পৰা সংগ্রহ কৰা। *ৰামায়ণ-কথা*ৰ প্রতিটো অধ্যায়ৰ শেষত ৰামৰ চৰণত আত্মসমর্পণ জাতীয় ভক্তিবিগলিত পদৰ সংযোজন কৰিছে। সেই পদে কবিৰ ৰামৰ প্রতি থকা ভক্তি স্বৰূপ সুন্দৰকৈ ফুটাই তুলিছে। কবিৰ *অদ্ভুত ৰামায়ণ* আৰু *শত্রুঞ্জয়* । দুয়োখনত বাল্মীকিৰ ৰামায়ণৰ কথাবস্তুৰ স্পষ্ট প্রভাৱ নাই যদিও ৰামায়ণৰ চৰিত্রৰ কার্যকলাপৰ ভিত্তিতেই ইয়াৰ কাহিনী নির্মিত হৈছে। *ৰামায়ণ-কথা*ৰ মূল্য ইয়াৰ গদ্যৰীতিত। কবিগৰাকীৰ জীৱনৰ শেষ বয়সৰ ৰচনা হোৱাৰ বাবেই যিদৰে ভক্তিয়ে মাহাত্ম্য লাভ কৰিছে, ঠিক একেদৰে গদ্যশৈলী অধিক সুবোধ্য আৰু শুৱলা হোৱা দেখা গৈছে। মহন্তৰ এই *ৰামায়ণ-কথা* গ্রন্থতো মাধৱ কন্দলীৰ *ৰামায়ণ*ৰ প্রভাৱ সুস্পষ্ট। তথাপি ঠায়ে ঠায়ে মৌলিক প্রতিভাৰ সঞ্চাৰ ঘটাতো নিশ্চিত। আধুনিক ভাৰতীয় ভাষাসমূহৰ গদ্যত ৰচনা কৰা ৰামায়ণৰ ভিতৰত মহন্তৰ *ৰামায়ণ-কথা* অন্যতম ৰচনা। এইগৰাকী

কবিয়েই কাণ্ড হিচাপে ৰামায়ণ ৰচনাৰ একেবাৰে শেষৰ বুলিব পাৰি। কিয়নো ইয়াৰ পিছত আৰু এনেদৰে ৰামায়ণ ৰচোঁতাৰ নাম বুৰঞ্জীত পোৱা নাযায়। তথাপি ৰামায়ণ চর্চাত কোচ ৰাজসভাৰ এক উজ্বল ভূমিকা আছে।

অসমীয়া সাহিত্যৰ বুৰঞ্জী কোচ-ৰাজবংশীয় ৰজাসকলৰ নাম সোণালী আখৰেৰে লিপিবদ্ধ হৈ আহিছে। শংকৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতী আদি সকলক যিদৰে পৃষ্ঠপোষকতা প্রদান কৰিছিল; ঠিক একেদৰেই ৰঘুৰাম, লক্ষ্মীৰাম দ্বিজ, শ্রীনাথ দ্বিজ, ৰঘুনাথ দ্বিজ, ৰুদ্রৰাম দ্বিজ, মাধৱ দ্বিজ, ব্রজসুন্দৰ দ্বিজ আদিকৈ কেইবাজনো কবিয়ে কোচৰজাৰ পৃষ্ঠপোষকতাতে ৰামায়ণ-মহাভাৰত আদিৰ চর্চা অব্যাহত ৰাখিছিল। কোচ ৰজা নৰনাৰায়ণৰ পিছত লক্ষ্মীনাৰায়ণ, বীৰনাৰায়ণ, প্রাণনাৰায়ণ, মোদনাৰায়ণ, মহেন্দ্রনাৰায়ণ, হৰেন্দ্রনাৰায়ণ আদি ৰজাসকলে ৰাজসভাৰ দুৱাৰ সাহিত্যিকসকলৰ বাবে মুকলি কৰি ৰাখিছিল। তেওঁলোকৰ পৃষ্ঠপোষকতাতো ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ অনুবাদ কৰিবলৈ অনুপ্রেৰণা যোগাইছিল বুলি জানিব পাৰি। এই সময়ছোৱাত পূর্ণাংগ ৰূপত 'ৰামায়ণ' অনুবাদ নহ'লেও বহুকেইটা কাণ্ডৰ পুনৰ ৰচনা যে হৈছিল তাত কোনো সন্দেহ নাই।

এইবোৰৰ উপৰিও *ৰামায়ণ*ৰ আধাৰত কাব্য-নাট আদিৰ চর্চা অসমীয়াত আধুনিক যুগলৈকে অব্যাহত থাকে। যদিও এইবোৰত কল্পনাৰ আশ্রয় অধিক, তথাপি ৰামায়ণৰ কাহিনীৰ বীজ নিহিত হৈ আছে। এইবোৰৰ ভিতৰত ৰাম সৰস্বতীৰ নামত ভনিতা থকা 'লক্ষ্মণৰ শক্তিশেল', অনন্ত কন্দলীৰ নামত প্রচলিত *মহীৰাৱণ বধ, মন্দোদৰীৰ মণিহৰণ, নাগাক্ষযুদ্ধ, শত্রুঞ্জয়, অদ্ভুত ৰামায়ণ, লৱকুশ যুদ্ধ* আদিবোৰ বিশেষভাৱে মনকৰিবলগীয়া। মুঠতে *ৰামায়ণ*ৰ কাহিনীক ভিত্তি কৰি গীত, নৃত্য, নাট, গদ্য আদি সকলো প্রকাশৰ কলাত্মক শিল্পৰ প্রচাৰ আৰু প্রচলন প্রাচীন সময়ৰ পৰাই আমাৰ সমাজত অব্যাহত আছে।

যিদৰে অসমীয়া গীত যেনে— বিয়াগীত, বাৰমাহী গীত আদিতো ৰামায়ণৰ প্রভাৱ মন কৰিবলগীয়া। আমাৰ মন্ত্রপুথিতো ৰাম-হনুমানৰ নাম পোৱা যায়। বাৰমাহী গীতত ৰাম বাৰমাহী, সীতা বাৰমাহী, কৌশল্যা বাৰমাহী আদিত তেওঁলোকৰ মনৰ কথাবোৰ গীতৰ আকাৰে সুন্দৰকৈ প্রকাশিত হৈছে। যেনে—

১। "দিহা ঃ ওহে, প্রভু ৰঘুনাথ সংসাৰৰ সাৰ।
ৰাক্ষসকুলক প্রভু কৰিলা উদ্ধাৰ।।
পদ ঃ আঘোণ মাসত ৰামে মনে কৰি চিন্তা।
কিমতে বঞ্চিবো আমি সংগে লৈয়া সীতা।।"
(ৰাম-বাৰমাহী)

২। "দিহা ঃ কান্দে মোৰ জানকী সীতা।
বহাগৰ মাহতে বাপু আশোকৰে তলে।।"
(সীতা বাৰমাহী)

অসমীয়া বিবাহ অনুষ্ঠানত পৰিবেশিত বিভিন্ন গীতত ৰাম-সীতাৰ নামৰ বিশেষভাৱে উল্লেখ পোৱা যায়। যেনে—

১। "মাৰাৰ অলংকাৰ থোৱা কাটি কৰি।
ঐ ৰাম, দেউতাৰাৰ অলংকাৰ থোৱাহে।।
ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ।
ঐ ৰাম, হাতে জোৰ কৰি লোৱাহে।।"
(জোৱোণৰ গীত)

২। "ৰাম কৃষ্ণ সন্ধ্যাতে গমনে।
ৰাম কৃষ্ণ যাত্ৰা সুমংগলে।।
হৰি মোৰ ঐ, পানী তুলিবলৈ যাওঁ।।"
(পানী তোলা গীত)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাত প্ৰথমে কোনে ৰামায়ণ অনুবাদ কৰিছিল? অসমীয়া সাহিত্যত তাৰ গুৰুত্ব বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ অসমীয়া ৰামায়ণ পৰম্পৰাৰ বিষয়ে চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

১১.৪ দুর্গাবৰৰ কাব্য প্ৰতিভা

অসমীয়া সাহিত্যৰ বুৰঞ্জীত দুর্গাবৰৰ নামত দুখন পুথি পোৱা যায়; এখন *বেউলা-আখ্যান* আৰু আনখন হ'ল *গীতি-ৰামায়ণ*। দুর্গাবৰক বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি বা বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱমুক্ত কবি বুলিও জনা যায়। কিন্তু তেওঁৰ ৰচিত কাব্যই তেওঁ যে একেবাৰে বৈষ্ণৱ প্ৰভাৱমুক্ত কবি আছিল; তেনে ধাৰণাত ব্যাঘাত জন্মায়। তেওঁৰ *বেউলা আখ্যান* শাক্ত ধৰ্মৰ সৈতে জড়িত। কিন্তু *গীতি-ৰামায়ণত* তেওঁ ৰামক ঈশ্বৰৰ অৱতাৰ হিচাপে অস্বীকাৰ কৰা নাই। কবিৰ ৰচিত দুখন পুথিহে যিহেতু আমি পাওঁ; গতিকে সেই দুয়োখন পুথিৰ আধাৰতেই কবিগৰাকীৰ কাব্যিক প্ৰতিভা বিচাৰ কৰিবলৈ যত্ন কৰা হ'ল।

দুর্গাবৰৰ 'বেউলা আখ্যান'ত উল্লেখ থকা মতে মহাৰাজ বিশ্বসিংহ আৰু তেওঁৰ পুতেকসকলৰ ৰাজত্ব কালৰ সময়ত নীলাচল বা কামাখ্যা পীঠত থাকি *বেউলা আখ্যান* ৰচনা কৰাৰ কথা পুথিখনিৰ পৰা জানিব পাৰি। *'বেউলা-আখ্যান'* ৰচনাৰ ক্ষেত্ৰত দুর্গাবৰে 'পদ্মা-পুৰাণ'ক আধাৰ গ্ৰন্থ হিচাপে গ্ৰহণ কৰিছে। তথাপি তাৰে বেউলাৰ আখ্যানটোৱেহে বিশেষভাৱে গ্ৰন্থখনক

প্ৰভাৱান্বিত কৰিছে। *'বেউলা-আখ্যান'* কবিৰ সম্পূৰ্ণ মৌলিক প্ৰতিভাৰ ফচল। ইয়াত কোনো ধৰণৰ উপকথা বা উপাখ্যানৰ সমাবেশ নাই; বৰং বৰ্ণনীয় বিষয়ক সুন্দৰভাৱে আগুৰি ধৰি আখ্যানৰ পৰা আঁতৰি নগৈ পোনপটীয়াভাৱে ঘটনা পৰম্পৰা চিত্ৰিত কৰিছে। *'বেউলা-আখ্যান'*ৰ গীতবোৰো ৰাগ-ৰাগিনীযুক্ত হোৱা হেতুকে ই সাঙ্গীতিক গুণসম্পন্ন আৰু তুলনামূলকভাৱে অধিক শুৱলা। ইয়াত চন্দ্ৰধৰ সাউদৰ লগত পদ্মাদেৱীৰ বিৰোধ, চন্দ্ৰধৰৰ ওপৰত পদ্মাৰ প্ৰতিশোধমূলক অত্যাচাৰ, বেউলা-লখীন্দাৰৰ বিবাহ, লখীন্দাৰৰ সৰ্পদংশনত মৃত্যু, পতিৰ প্ৰাণ বিচাৰি বেউলাৰ অনিৰ্দেশ যাত্ৰা আৰু শেষত নেতাৰ সহায়ত স্বৰ্গত উপস্থিতি, লখীন্দাৰৰ প্ৰাণ লাভ, লখীন্দাৰক পুনৰ প্ৰাণদান কৰি বেউলাৰ চম্পাৱতী নগৰলৈ প্ৰত্যাৱৰ্তন আৰু শেষত চন্দ্ৰধৰৰ পদ্মাপূজা কৰিবলৈ সন্মত হোৱাতে কাব্যখনৰ সামৰণি পৰিছে। মুঠতে মূল বিষয়বস্তু অতি গাম্ভীৰ্য্যপূৰ্ণ ৰূপত উপস্থাপন কৰাত কৰি সাৰ্থক হৈছে। কাব্যত যি দৰে সমসাময়িক সামাজিক অৱস্থাৰ আভাস দাঙি ধৰিছে, ঠিক একেদৰে কৰুণ ৰসসিক্তও কৰিবলৈ যথাসম্ভৱ চেষ্টা কৰিছে। লগতে শৈৱ ধৰ্ম আৰু শাক্ত ধৰ্মৰ পৰিস্থিতি কাব্যখনত সুন্দৰকৈ দাঙি ধৰিছে। *বেউলা-আখ্যানৰ* চৰিত্ৰ সৃষ্টিত কবিগৰাকীয়ে বিশেষ কৃতিত্ব অৰ্জন কৰিছে বুলিলে ভুল কৰা নহ'ব; কিয়নো ইয়াত সাধাৰণ মানুহ দেৱতালৈ উন্নীত হৈছে; একেদৰে দেৱতাও সাধাৰণ মানুহৰ শৰীৰলৈ নামি আহিছে। চৰিত্ৰৰ এনে বিশেষত্ব কবিৰ মৌলিক চিন্তাৰ পৰিণতি। ইয়াৰোপৰি বেউলা-লখীন্দাৰৰ কৰুণ কাহিনীৰ মাজেদি অসমীয়া বাণিজ্যৰ বস্তু, মুদ্ৰা-ব্যৱহাৰ, পৰম্পৰাগত সাজপাৰ, অলংকাৰ তথা থলুৱা নানা ৰীতি-নীতিৰ, অবিশ্বাস-সংস্কাৰ আদিৰ অতি বাস্তৱসন্মত বৰ্ণনা দাঙি ধৰাত কবি দুৰ্গাবৰ সাৰ্থক হৈছে।

দুৰ্গাবৰ আনখন পুথি *'গীতি-ৰামায়ণ'* বাল্মীকিৰ ৰামায়ণৰ আদৰ্শত ৰচিত হ'লেও বৰ্ণনীয় বিষয় আৰু পৰিৱেশন ৰীতিৰ ফালৰ পৰা দুৰ্গাবৰৰ *'গীতি-ৰামায়ণ'ক* মাধৱ কন্দলীৰ ৰামায়ণৰ জনপ্ৰিয় সংস্কৰণ বুলি ক'ব পাৰি। বিভিন্ন ৰাগ-সংগীতৰ সমাৱেশেৰে ওজাপালিৰ উপযোগীকৈ ৰচিত হোৱা বাবে দুৰ্গাবৰৰ *'গীতি-ৰামায়ণ'ক* পাচ্যতত্ত্ববিদ ড° মহেশ্বৰ নেওগে 'মাধৱ কন্দলীৰ ৰামায়ণৰ ওজাপালিৰ সংস্কৰণ' বুলি কৈছে।

মাধৱ কন্দলীৰ পদ ৰামায়ণৰ ওপৰত প্ৰতিষ্ঠিত দুৰ্গাৱৰী 'গীতি-ৰামায়ণ'ৰ 'আদি' আৰু 'অযোধ্যা' কাণ্ড বাদ দি বাকী পাঁচটা কাণ্ডহে পোৱা গৈছে। সেই কাণ্ড কেইটা অৰণ্য কাণ্ড, কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰা কাণ্ড, লংকা কাণ্ড আৰু উত্তৰা কাণ্ড। ইয়াৰে কিষ্কিন্ধা, সুন্দৰা আৰু লংকা কাণ্ডৰ বিষয়বস্তু সম্পূৰ্ণৰূপে মাধৱ কন্দলীৰ পদ ৰামায়ণৰ বিষয়বস্তুৰ আধাৰত গঢ়লৈ উঠিছে। কাব্যখনিৰ বিষয়বস্তু বৰ্ণনাৰ ক্ষেত্ৰত কবিয়ে মাজে মাজে জনশ্ৰুতিৰ ওপৰতো নিৰ্ভৰ কৰিছে। কিষ্কিন্ধ্যা কাণ্ডত ঋষ্যমুখ গিৰিত ৰাম-লক্ষ্মণৰ কাষত ব্ৰাহ্মণ ৰূপেৰে হনুমানৰ উপস্থিতি, সুগ্ৰীৱৰ লগত ৰামৰ মিত্ৰতা, সুগ্ৰীৱৰ দ্বাৰা ৰামচন্দ্ৰৰ কৰ্তব্য সোঁৱৰণ, বালি সুগ্ৰীৱৰ বিবাদ, বালিয়ে সুগ্ৰীৱক ৰাজ্যৰ পৰা খেদি পঠিওৱাৰ বিৱৰণ, বালি আৰু সুগ্ৰীৱৰ যুদ্ধ, সুগ্ৰীৱৰ পলায়ন, বালিৰ ৰামনিন্দা, বালিৰ অন্তিম বিলাপ, ৰামৰ ওপৰত তাৰাৰ অভিযোগ, ৰামৰ প্ৰতি তাৰাৰ অভিশাপ, বালিৰ মৃত্যু, বালিৰ অন্ত্যেষ্টিক্ৰিয়া আদিৰ বৰ্ণনা কৰা হৈছে। সুন্দৰা কাণ্ডত হনুমানৰ সাগৰ অতিক্ৰম, অশোক বনত হনুমানৰ উপস্থিতি, হনুমানৰ সীতা দৰ্শন, মধুবন বিনাশন, আৰু লংকা নাশ, বিভীষণৰ

ৰামত শৰণ, বিভীষণৰ অভিষেক, সাগৰ পূজা, সাগৰ দমন আদিৰ বিৱৰণ দাঙি ধৰা হৈছে। লংকা কাণ্ডত ৰাম-ৰাৱণৰ যুদ্ধৰ পিছত সীতাৰ উদ্ধাৰ, ৰামৰ সীতা ত্যাগৰ বাসনা প্ৰকাশ, সীতাৰ অগ্নি পৰীক্ষা, ব্ৰহ্মাৰ ৰামস্তুতি, ৰামৰ সীতা পৰীক্ষাৰ উদ্দেশ্য অযোধ্যালৈ প্ৰত্যাৱৰ্তনৰ ঘটনা বৰ্ণনা কৰা হৈছে।

কবি দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* অৰণ্য কাণ্ডটো আটাইতকৈ মনোৰম আৰু বিস্তৃত। এই কাণ্ডত কবিয়ে মূল বাল্মীকি অথবা মাধৱ কন্দলীৰ ৰামায়ণত নথকা নানা কথা আৰু পৰিস্থিতিৰ সংযোগ কৰিছে। সীতাৰ দ্বাৰা ফল্গু নদীৰ পাৰত দশৰথক হাতে হাতে পিণ্ডদান, ৰাম-সীতাৰ পাশাখেল, দণ্ডকা অৰণ্যত সীতাৰ মায়া অযোধ্যাৰ সৃষ্টি, মায়া প্ৰজাৰ লগত ৰাম-সীতাৰ চিত্ৰাৱলী চতুৰ্দশীৰ মোটখেল, সীতাক মন্দোদৰীৰ কন্যাৰূপে বৰ্ণনা কৰা, শূৰ্পনখাই লক্ষ্মণৰ চুম্বন-আলিংগণ বিচৰা, সীতাই ৰামক পুষ্পজৰীৰে বন্ধা, সোণৰ হৰিণ আনি দিব বুলি ৰাম বন্ধন মুক্ত হোৱা, বনবাসৰ কষ্ট সহিব নোৱাৰি নিজে আঁতৰি যোৱা বুলি সন্দেহ কৰা, চাকৈ-চকোৱাই ৰামক পৰিহাৰ কৰা, সীতাই ৰাৱণ-মন্দোদৰীক পিতৃ-মাতৃ বোলা আদি বিষয়বস্তুৰে দুর্গাবৰে নিজৰ কাব্যিক প্ৰতিভা দাঙি ধৰিছে। মূলত নথকা এনে ধৰণৰ বৰ্ণনাই অৰণ্য কাণ্ডৰ আকৰ্ষণ দুগুণে বৃদ্ধি কৰিছে।

অসমীয়া সাহিত্য জগতত কবি আৰু সংগীতজ্ঞ হিচাপে দুর্গাবৰৰ এখনি বিশিষ্ট আসন আছে। বিশেষকৈ 'গীতি-ৰামায়ণ'ত যি ৰাগ-ৰাগিনীৰ উল্লেখ আছে সেইবোৰে তেওঁ যে এজন উচ্চ মানবিশিষ্ট সংগীতজ্ঞ আছিল সেই কথাৰ প্ৰমাণ বহন কৰি আহিছে।

দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* পৰাই সেই সময়ৰ অসমৰ সংগীতৰ ক্ষেত্ৰখনৰ বিষয়ে জানিব পাৰি। পুথিখনত থকা মুঠ ৫৮ টা গীতৰ ভিতৰত মাত্ৰ ১ টা গীতৰ বাহিৰে ৫৭ টা গীততে ৰাগ নিৰ্দিষ্টকৈ দিয়া আছে। পুথিখনিত মুঠ ২২ টা ৰাগৰ গীত সন্নিবিষ্ট আছে। সেইকেইটা হ'ল— বেলোৱাৰ, বৰাড়ি, গুঞ্জৰী, ধনশ্ৰী, ৰামগিৰি, অহিৰ, বসন্ত, সহাই, পটমঞ্জৰী, গান্ধাৰ, শ্ৰীগান্ধাৰ, গন্ধকালি ইত্যাদি। এইখনিতে এটা মন কৰিবলগীয়া কথা হ'ল যে দুর্গাবৰৰ *গীতি-ৰামায়ণ* গীতৰ ৰাগৰ লগত শঙ্কৰী যুগৰ গীতৰ ৰাগৰ মাজত কোনো মিল নাই। পুৰণি অসমৰ ৰাগ-সংগীতৰ নিদৰ্শন দাঙি ধৰা দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* প্ৰসংগত মহেশ্বৰ নেওগে প্ৰাক্‌শংকৰী যুগৰ অসমীয়া সংগীতৰ নিদৰ্শন বুলি অভিহিত কৰিছে। ইবোৰ পাঁচালী গীতৰ অধিক কাষচপা বাবেই বৰ্তমানেও ওজাপালিত এই গীতৰ ব্যৱহাৰ মনকৰিবলগীয়া।

দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* পাতে পাতে কবিৰ অনুভূতিৰ কোমলতা আৰু মানসিক বিশ্লেষণ, দক্ষতাৰ অনুপম পৰিচয় পোৱা যায়। কবিয়ে বিভিন্ন অৱস্থা কাব্যৰ নায়ক-নায়িকা ৰাম-সীতাৰ মনৰ ভাৱ-অনুভূতিক চিত্ৰকৰৰ দৰে অতি নিপুণতাৰে অংকন কৰিছে। সেয়েহে *গীতি-ৰামায়ণ* এখন মনোৰম ৰসসিক্ত কাবলৈ উন্নীত হৈছে। সংস্কৃত সাহিত্যত যিদৰে ভৱভূতিয়ে কৰুণ ৰস সঞ্চাৰ কৰি খ্যাতি অৰ্জন কৰিছিল; ঠিক একেদৰে অসমীয়া সাহিত্যতো কবি দুর্গাবৰে কৰুণ ৰস সৃষ্টিৰে অধিক পাৰদৰ্শিতা প্ৰদৰ্শন কৰাই নহয়, এগৰাকী ৰসজ্ঞ কবি হিচাপেও পৰিচয় লাভ কৰে। কৰুণ ৰস সৃষ্টি সাৰ্থকতাৰ বাবেই তেওঁক 'অসমৰ ভৱভূতি' আখ্যা দিয়া হয়। কৰুণ ৰসৰ বাহিৰেও যুদ্ধ-বিগ্ৰহৰ জৰিয়তে বীৰ, ৰৌদ্ৰ আদিবোৰ ৰসৰো সুন্দৰ উপস্থাপন কাব্যত পোৱা যায়।

মুঠতে *'গীতি-ৰামায়ণ'* আৰু *'বেউলা আখ্যান'* দুয়োখন পুথিতে কবিৰ সৃষ্টিশীলতাৰ পৰিচয় পোৱা গৈছে। কাহিনীক কিদৰে বাস্তৱসন্মত ৰূপ প্রদান কৰি পাঠক-শ্রোতাক আমোদ প্রদান কৰিব লাগে সেয়া কবিৰ ভালদৰে জ্ঞাত। বিষয়বস্তু, ৰস, ৰাগ-ৰাগিনী সকলোতে কবিৰ কাব্যিক প্রতিভাই অনন্য ৰূপত জিলিকি উঠিছে।

১১.৫ *গীতি-ৰামায়ণ*ৰ মূল আৰু ৰচনা কাল

দুর্গাবৰ কায়স্থই ৰচনা কৰা *গীতি-ৰামায়ণ*খনক ১৯৫৪ চনত মহেশ্বৰ নেওগে সম্পাদনা কৰি প্রকাশ কৰে। ইয়াৰ ভূমিকা লিখিছিল বাণীকান্ত কাকতিয়ে। মহেশ্বৰ নেওগ সম্পাদিত *গীতি-ৰামায়ণত* অৰণ্যকাণ্ডৰ পৰা উত্তৰাকাণ্ডলৈ আছে। কিন্তু এই পুথি প্রকাশৰ কেইবা দশকৰ আগতেই বিষয়চন্দ্র বিশ্বাসী নামৰ পণ্ডিত এগৰাকীয়ে সম্পাদনা কৰি উলিওৱা *গীতি-ৰামায়ণ* অৰণ্যকাণ্ডৰ পৰা লংকা কাণ্ডলৈকে আছিল বুলি সাহিত্যৰ বুৰঞ্জী প্রণেতা মহেশ্বৰ নেওগে তেওঁৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* গ্রন্থৰ উল্লেখ কৰিছে। দুয়োখন গ্রন্থতে উল্লিখিত 'অযোধ্যাকাণ্ডৰ কথা ভৈলা সমাপতি' বাক্যলৈ চাই দুর্গাবৰে অযোধ্যা কাণ্ডটো ৰচনা কৰিছিল বুলি বিবেচনা কৰাৰ অৱকাশ আছে।

মাধৱ কন্দলীৰ পদ ৰামায়ণৰ ওপৰত প্রতিষ্ঠিত দুর্গাবৰৰ *গীতি-ৰামায়ণ*ৰ অৰণ্য কাণ্ডটো আটাইতকৈ মনোৰম বুলিব পাৰি; কিয়নো এই কাণ্ডত মাধৱ কন্দলীৰ অসমীয়া অনুবাদ ৰামায়ণ আৰু বাল্মীকিৰ মূল ৰামায়ণৰ পৰা আঁতৰি আহি সম্পূর্ণৰূপে নিজা প্রতিভাৰে অসমীয়া সমাজ জীৱনৰ লগত ৰজিতা খুৱাই ৰচনা কৰিছে।

অৰণ্যাকাণ্ডৰ মূল ঘটনা যেনে— সীতাৰ দ্বাৰা ফল্গু নদীৰ পাৰত দশৰথক পিণ্ডদান, ৰাম-সীতাৰ পাশাখেল, দণ্ডকা অৰণ্যত সীতাৰ মায়া-অযোধ্যাৰ সৃষ্টি, মায়া প্রজাৰ লগত ৰাম-সীতাৰ চিত্রাৱলী চতুর্দশীৰ মোটখেল, সীতাক মন্দোদৰীৰ কন্যাৰূপে বর্ণনা কৰা, শূর্পনখাই লক্ষ্মণৰ চুম্বন-আলিংগন বিচৰা, সীতাই ৰামক পুষ্পজৰীৰে বন্ধা, সোণৰ মায়া হৰিণ আনি দিব বুলি ৰাম বন্ধনমুক্ত হোৱা, বনবাসৰ কষ্ট সহিব নোৱাৰি নিজে আঁতৰি যোৱা বুলি ৰামে সীতাক সন্দেহ কৰা, চাকৈ-চকোৱাই ৰামক পৰিহাস কৰা, সীতায়ে ৰাৱণ-মন্দোদৰীক পিতৃ-মাতৃ বোলা আদিবোৰক মূল বিষয়বস্তু হিচাপে গ্রহণ কৰি সজোৱা অৰণ্য কাণ্ডই 'গীতি-ৰামায়ণ'ৰ অধিক ঠাই অধিকাৰ কৰি আছে।

অৰণ্যকাণ্ডৰ বিষয়বস্তু কবিয়ে সম্পূর্ণ নিজা দৃষ্টিভংগী আৰু অসমীয়া সমাজৰ লগত খাপ খোৱাকৈ ৰচনা কৰিছে। কিয়নো দশৰথে সীতাক নিজে পিণ্ড বিচৰাৰ পাছতো সীতাৰ মনত ৰামৰ প্রতি থকা ভয় ভাৱৰ বাবে কৈছে— 'শুনি কোপ কৰিবন্ত ৰাম গদাধৰ।' তথাপি দশৰথক কথাক আওকাণ কৰাৰ সাহসো গোটাব নোৱাৰি বায়ু, বিপ্র, চন্দ্র, সূর্য্য, ফল্গুনদী আৰু বসুমতীক সাক্ষী কৰি পিণ্ডদান কৰিবলৈ সাজু হ'ল। সীতাৰ হাতে পিণ্ড পায় দশৰথ স্বর্গলৈ গুচি গ'ল যদিও পুত্র হিচাপে ৰামে পিণ্ডদান কৰিব বিচৰাত সীতাই নিজ হাতে পিণ্ডদানৰ কাহিনী বিৱৰি কয়।

ৰামে বিশ্বাস নকৰাৰ বাবে সীতাই ছয় সাক্ষীক মাতি আনে যদিও তেওঁলোকেও মিছা মাতি একো নাজানে বুলিহে কয়। অৱশেষত ৰামৰ ক্রোধ দেখি দশৰথে স্বর্গৰ পৰা আহি ৰামক সঁচা ঘটনাৰ বর্ণনা দাঙি ধৰে। সীতাই মিছা মতাত বাবে দেৱতাসকলক শাও দিয়ে। ফল্গুনদীক মাটিৰ তলত গুপ্তধাৰ হৈ থাকিবলৈ, চন্দ্র-সূর্যক ৰাক্ষসৰ খাদ্য হ'বলৈ, তুলসীক 'কুকুৰে মুতিব সদা তোমাৰ গাৱত' বুলি, কুশবনক 'মার্জনীয় জাত হৌক তোহোৰ অংকুশ' আৰু কলগছক 'অপৱিত্র হৈৱ তোৰ পাখা দুই চোচ', বুলি শাও দিয়ে। য'ত মূল ৰামায়ণ এই শাও ৰামে দিয়ে, দুর্গাবৰৰ গীতি-ৰামায়ণত সীতাই দিয়ে, তথাপি তাতো বিসংগতি— বিপ্র, বসুমতী, বায়ুৰ মিছা সাক্ষীত শাও পালে তুলসী, কুশবন, কলগছ আদিয়েহে।

দুর্গাবৰৰ *গীতি-ৰামায়ণত* বৈষ্ণৱ প্রভাৱ আছে, তথাপি ইয়াক বৈষ্ণৱ সাহিত্য বুলি ক'ব নোৱাৰি। জনসমাজৰ সমল আৰোপিত কাহিনী আৰু নায়ক-নায়িকাক সাধাৰণ মানৱীয় আচ�ৰণেৰে অতি সুন্দৰকৈ উপস্থাপন ক�ৰিছে। কিন্তু ভৌগোলিক অৱস্থিতিৰ শুদ্ধতাৰ ক্ষেত্রত গুৰুত্ব প্রদান কৰা যেন লাগে। তথাপি এই কাণ্ডত ৰাম-সীতাৰ কামপর্বত প্রকাশ পোৱা সৰু-বৰ ধেমালিবোৰে কাণ্ডটোক অধিক আকর্ষণীয় কৰি তুলিছে। লগতে থলুৱা উৎসৱ-অনুষ্ঠান আদিৰো বাস্তৱ বর্ণনা কৰিছে।

অৰণ্য কাণ্ডৰ বাহিৰেও দুর্গাবৰৰ আন চাৰিটা কাণ্ড হ'ল— কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰা কাণ্ড, লংকা কাণ্ড আৰু উত্তৰা কাণ্ড। ইয়াৰে কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰা কাণ্ড আৰু লংকা কাণ্ডৰ বিষয়বস্তুৰ ক্ষেত্রত দুর্গাবৰে সম্পূর্ণৰূপে পূর্বকবি মাধৱ কন্দলীৰ 'পদ ৰামায়ণ'ৰ ওপৰত নির্ভৰশীল হৈছে। তথাপি কাব্যৰ বিষয়বস্তুৰ বর্ণনা ক্ষেত্রত সময়ে সময়ে জনশ্রুতিৰ কায চাপিছে, যিয়ে গীতি-ৰামায়ণক জনমানসত অনন্য ৰূপে প্রতিষ্ঠা লাভৰ সহায়ক হৈছে।

*গীতি-ৰামায়ণ*ৰ কিষ্কিন্ধ্যা কাণ্ডৰ মূল কাহিনীভাগত আছে— ৰাম-লক্ষ্মণ-ঋষ্যমুখ গিৰিত থকাৰ সময়ত ব্রাহ্মণৰ বেশত তেওঁলোকৰ ওচৰলৈ হনুমানৰ আগমন, সুগ্রীৱৰ লগত ৰামৰ মিত্রতা স্থাপন, সুগ্রীৱৰ দ্বাৰা ৰামচন্দ্রক তেওঁৰ কর্তব্যৰ সোঁৱৰণ, বালি আৰু সুগ্রীৱ দুয়ো ভাতৃৰ মাজত বিবাদৰ সূত্রপাত হোৱা, ফলশ্রুতিত দুয়োৰে মাজত যুদ্ধ হয় আৰু সেই যুদ্ধত বালিৰ হাতত সুগ্রীৱ পৰাজিত হয়, পৰাজিত হোৱা সুগ্রীৱে আত্মসমর্পণ নকৰি পলায়ন কৰে। বালিৰ ৰামনিন্দা, বালিৰ অন্তিম বিলাপ, বালিৰ এনে অৱস্থাৰ বাবে বালি পত্নী তাৰাৰ ৰাম আৰু সুগ্রীৱ দুয়োৰে ওচৰত অভিযোগ, স্বামীৰ দুর্ভোগৰ বাবে তাৰাৰ ৰামক অভিশাপ, তেনেবোৰ সময়তে বালিৰ মৃত্যুবৰণ আৰু বালিৰ মৃত্যুৰ পাছত ৰীতি-নীতিৰে অন্ত্যেষ্টিক্রিয়া সমাপন হয়; ইত্যাদিবোৰ ঘটনাৰ মাজেদিয়েই কিষ্কিন্ধ্যা কাণ্ডৰ সমাপ্তি হয়। সুন্দৰা কাণ্ডত হনুমানৰ সাগৰ অতিক্রম, অশোক বনত হনুমানৰ উপস্থিতি, হনুমানৰ সীতা দর্শন, মধুবন বিনাশন আৰু লংকা নাশ, বিভীষণৰ ৰামত শৰণ, বিভীষণৰ অভিষেক, সাগৰ পূজা, সাগৰ দমন আদি কথাৰ বর্ণনা অতি মনোৰমকৈ এই কাণ্ডত দাঙি ধৰিছে।

দুর্গাবৰৰ *গীতি-ৰামায়ণ*ৰ মূলৰ অধিকাংশ কন্দলীৰ অসমীয়া ৰামায়ণৰ পৰা গ্রহণ কৰিছে আৰু বহুবোৰ আন আন কবিৰ ৰচনাৰ পৰাও অনুপ্রেৰণা লৈ অসমৰ প্রেক্ষাপটৰ লগত মিলাই

মৌলিক প্ৰতিভাৰে ৰচনা কৰিছিল। বহু সময়ত পণ্ডিত-সমালোচকে বাল্মীকিৰ লগত তেওঁৰ সম্পৰ্ক নাই বুলি ক'ব বিচাৰে যদিও সংস্কৃত ভাষাত থকা জ্ঞানৰ দিশলৈ লক্ষ্য কৰিলে বাল্মীকিৰ ৰামায়ণ অনুকৰণ নকৰিলেও অধ্যয়ন কৰিছিল বুলি ভবাৰ থল আছে। মূল কাহিনী য'ৰ পৰা যেনেকৈয়ে সংগ্ৰহ নকৰক কিয় *ৰামায়ণ*ৰ সকলোবোৰ গুৰুত্বপূৰ্ণ দিশকে *গীতি-ৰামায়ণ*ত স্থান দিছে।

*গীতি-ৰামায়ণ*ৰ ৰচনা কাল সম্পৰ্কে বৰ্তমানলৈ কোনো সঠিক তথ্য পোৱা হোৱা নাই। দুৰ্গাবৰৰ আবিৰ্ভাৱৰ সময় আৰু তেওঁৰ বুলি বিবেচিত দুয়োখন গ্ৰন্থৰ পদত উল্লিখিত বিভিন্নবোৰ দিশলৈ লক্ষ্য কৰি পণ্ডিতসকলে মতামত আগবঢ়াইছে। ১৯৪৮ চনতে প্ৰকাশিত পণ্ডিত উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ মূল্যবান গ্ৰন্থ *'অসমীয়া ৰামায়ণ সাহিত্য'*ত নামৰ গ্ৰন্থত দুৰ্গাবৰৰ সময় সম্পৰ্কে মতামত দি কৈছে—

*গীতি-ৰামায়ণ*আৰু *বেউলা আখ্যান* ৰচক কবি দুৰ্গাবৰ, বা দুৰ্গাদাস, কোচ ৰজা বিশ্বসিংহৰ দিনৰ। বিশ্বসিংহৰ ৰাজত্ব ইং ১৫১৫ খ্ৰীষ্টাব্দৰ পৰা ১৫৪০ খ্ৰীষ্টাব্দলৈহে (গেইট ছাহাবৰ অসম বুৰঞ্জী) আৰু ৰায় বাহাদুৰ কনক লাল বৰুৱাৰ Early History of Kamrup ১৫৪০ খ্ৰীষ্টাব্দত নৰনাৰায়ণ ৰজা হয় এই বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণৰ দিনতেই শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰামসৰস্বতী আদিৰ প্ৰতিভা বিশেষকৈ প্ৰকাশ পায়। বেউলা আখ্যানত কবিয়ে বিশ্বসিংহ নৃপৰবক বন্দনা কৰিছে। ইয়াৰ দ্বাৰাই তেওঁৰ কাল নিৰ্ণয় কৰা হয়। তেওঁ লিখিছে—

"কমতা ঈশ্বৰ বন্দো বিশ্বসিংহ নৃপবৰ।
আঠচল্লিশ মহিষী বন্দো ওঠৰ কোঞৱ।।'

তেওঁৰ পৰিচয় সম্পৰ্কে অন্যান্য উল্লেখ এনেধৰণৰ —

"কবি দুৰ্গাবৰে বিৰচিলা অনুপাম।
পৰ্ব্বত গহন নীলগিৰি যাৰ নাম।।
নীলাচল নামে গ্ৰাম সংসাৰতে সাৰ।
আছয় পাৰ্ব্বতী অসুৰৰ ক্ষয়ঙ্কাৰ।।
বাহুবল শিকদাৰ গন্ধৰ্ব অৱতাৰ।
কবি দুৰ্গাবৰে গীত কৰিলা প্ৰচাৰ।।
শ্ৰীকায়স্থ চন্দ্ৰধৰ তাৰ পুত্ৰ দুৰ্গাবৰ।
বিৰচিল গীত বিতোপন।।"

আনহাতে সাহিত্যৰ বুৰঞ্জী প্ৰণেতা মহেশ্বৰ নেওগে তেওঁৰ *'অসমীয়া সাহিত্যৰ ৰূপৰেখা'* গ্ৰন্থত কৈছে, 'দুৰ্গাবৰক বিশ্বসিংহ আৰু নৰনাৰায়ণৰ ৰাজত্বকালৰ লোক বুলি ধৰিলে প্ৰমাদৰ সম্ভাৱনা থাকিব যেন নালাগে। এড্ৱাৰ্ড গেইটৰ (A History of Assam)ৰ মতে বিশ্বসিংহৰ শাসনকাল ১৫১৫ চনৰ পৰা ১৫৪০ চনলৈ। এই ফালৰ পৰা দুৰ্গাবৰক প্ৰাক্‌শংকৰী কবি বোলাৰ অৰ্থ নাই। ১৫১৫ চনতে শংকৰদেৱৰ বয়স ৬৬ বছৰ। আনফালে তেওঁৰ ওপৰত শংকৰদেৱৰ ভক্তি-আন্দোলনৰ প্ৰভাৱ লক্ষ্য কৰিলে তেনে উক্তিলৈ যুক্তিৰ ঠেৰু একেবাৰেই নোহোৱা

হয়গৈ। ৰৰঞ্চ দুর্গাবৰ শংকৰদেৱৰ সমসাময়িক আৰু বয়সত আৰু জ্ঞানত কুমলীয়া বুলিহে আমাৰ ভাব হয়।"

একেদৰে সাহিত্যৰ বুৰঞ্জী প্ৰণেতা সতেন্দ্ৰনাথ শর্মাই *'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'*নামৰ গ্ৰন্থত *গীতি-ৰামায়ণৰ* ৰচনাকাল সম্পৰ্কে স্পষ্টকৈ উল্লেখ কৰিছে এনেদৰে—

গীতি-ৰামায়ণৰ সঠিক ৰচনাকাল জনা নাযায়। ৰচনাৰ ভংগীৰ পৰা কবিৰ এই কাব্য পূৰঠ বয়সৰ যেন লাগে। বেউলা-আখ্যানত কবিয়ে ৰজা বিশ্বসিংহ আৰু তেওঁৰ ওঠৰজন পুতেক আৰু বাহুবল শিকদাৰৰ কথা উল্লেখ কৰিছে। *গীতি-ৰামায়ণত* কাৰো উল্লেখ নাই, অৱশ্যে বর্তমান সম্পূর্ণ গীতি-ৰামায়ণ উদ্ধাৰ হোৱা নাই, কেৱল অৰণ্যকাণ্ডৰ পৰা বাকীছোৱাহে উদ্ধাৰ হৈছে।"

যিহেতু কন্দলীৰ দৰে দুর্গাবৰৰ *গীতি-ৰামায়ণ*তো প্ৰথম বা শেষৰ অংশ কেইটা পোৱা নাযায়; গতিকে ইয়াৰ ৰচনা কাল সম্পৰ্কে সঠিক মন্তব্য দিব পৰা নাযায়। তথাপি তেওঁৰ *বেউলা আখ্যানত* থকা শাক্ত ভক্তিৰ মাহাত্ম্য প্ৰকাশ আৰু *গীতি-ৰামায়ণত* কম পৰিমাণে হ'লেও ভক্তি-আন্দোলনৰ প্ৰভাৱ আৰু মধ্যযুগীয় অসমীয়া সমাজ-সংস্কৃতি তথা শিল্পকলাৰ উৎকৃষ্ট উপস্থাপনে কাব্যখনিক তেওঁৰ পৈণত বয়সৰ ৰচনা হিচাপে বিবেচনা কৰাই নহয় *'বেউলা আখ্যান'ৰ* পিছৰ ৰচনা বুলিও ক'ব পাৰি।

মুঠতে ৰচনাৰ গাম্ভীর্য্য, ভক্তি-আন্দোলনৰ প্ৰভাৱ, প্ৰাক্‌শংকৰী কবি মাধৱ কন্দলীৰ প্ৰভাৱ আদিয়ে এটা কথা স্পষ্ট কৰে যে দুর্গাবৰৰ *গীতি-ৰামায়ণ* কোনো দিশৰ পৰাই প্ৰাক্‌শংকৰী যুগৰ সাহিত্য-শিল্প নহয়। লগতে শংকৰদেৱৰো যথেষ্ট পিছৰ সময়ৰ; কিন্তু কিমান পিছৰ সঠিককৈ কোৱা টান। এক কথাত ক'বলৈ গ'লে *গীতি-ৰামায়ণ* ষোড়শ শতিকাৰ শেষৰ কালৰ ৰচনা বুলি ক'ব পাৰি।

১১.৬ *গীতি-ৰামায়ণৰ* ৰচনাৰীতি

দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* ৰচনা ৰীতি বিচাৰ কৰিবলৈ হ'লে *গীতি-ৰামায়ণৰ* প্ৰতিটো কাণ্ডৰ বিষয়বস্তু উপস্থাপনৰ কৌশল, সমাজ চিত্ৰ, ৰাগ-ৰাগিনীৰ ব্যৱহাৰ আদিবোৰৰ পুংখানুপুংখ বিশ্লেষণ কৰাৰ লগতে কবিৰ মৌলিকতা বিচাৰ কৰাৰো প্ৰয়োজন হ'ব।

গীতি-ৰামায়ণৰ সকলোবোৰ কাণ্ডতকৈ অৰণ্যকাণ্ডটো আটাইতকৈ আকর্ষণীয় আৰু আকাৰতো বৃহৎ। এই ৰামায়ণৰ বিশেষত্ব হ'ল ইয়াক গীতৰ আকাৰত লিখা হৈছিল। গীতবোৰত ৰাগ সংগীতৰ সুৰ বন্ধা আছে। প্ৰাচীন কালৰে পৰাই যে অসম ভূমিত গীত-ৰাগৰৰ উচ্চস্তৰীয় চর্চা আছিল, সেই কথাৰ প্ৰমাণ গীতি-ৰামায়ণত পোৱা গৈছে। কবিগৰাকীৰ বুদ্ধিমত্তা আৰু কাব্যিক গুণৰ প্ৰশংসা কৰি ক'ব লাগিব যে— গীতেৰে প্ৰকাশ কৰিব নোৱাৰা ঘটনাৰ ক্ষেত্ৰত মনোৰমভাৱে পদৰো ব্যৱহাৰ কৰিছে। ভাৱ অনুসৰি গীতবোৰত সুকীয়া ৰাগ ব্যৱহাৰ মনকৰিবলগীয়া; যিয়ে শ্ৰোতাৰ মাজত অধিক সমাদৃত হ'বলৈ বেছি পৰ ৰ'বলগীয়া নহয়। 'গীতি-ৰামায়ণ'ৰ প্ৰায় বিশ প্ৰকাৰৰ ৰাগৰ ব্যৱহাৰ কৰিছে।

কবিয়ে বিশেষ বিচাৰ কৰি ৰামায়ণৰ মূল কথাৰ সূত্ৰ ৰাখি বিশেষ বিশেষ ঘটনা আদি চমু-চমুকৈ গীত আৰু পদত গাই গৈছে। কবিৰ একো একোটি গীত খণ্ডবাক্য নিৰ্বাচন, উদ্ভাৱনা, ৰচনা নৈপুণ্যত কবিয়ে নিজকে প্ৰকৃত শিল্পী বুলি পৰিচয় দিব পাৰিছে। তেওঁ স্বাধীন চিন্তাৰে লোকৰুচি অনুসাৰে কাব্য ৰচনা কৰি বিশেষ কৃতিত্ব লাভ কৰিছে। কবিৰ নিজা উদ্ভাৱনা শক্তিৰ পৰিচয়, তেওঁৰ ৰাম-সীতাই বনত পাশা খেলা, খেৰি খেলা, সীতাই ৰামক হিৰন্ময় মৃগক বধ নকৰাকৈ ধৰি আনিবলৈ কোৱা, ৰাৱণে সীতাক হৰণ কৰাৰ পাছত সীতাৰ মনত লোক অপবাদৰ ভয় আৰু ৰামৰো সীতাৰ প্ৰতি সন্দেহ কৰাৰ লগতে বনবাসৰ কষ্ট সহিব নোৱাৰি নিজে আঁতৰি যোৱা আদিবোৰ কথাই কবিয়ে যে সাধাৰণ মানুহৰ মনঃস্তত্বৰ ওপৰত নিৰ্ভৰ কৰি উল্লেখ কৰিছে তাক অতি সহজে অনুমান কৰিব পাৰি। দুর্গাবৰৰ এনে ৰচনাৰীতিৰ প্ৰতি লক্ষ্য কৰি ড° বাণীকান্ত কাকতিয়ে তেওঁৰ *পুৰণি অসমীয়া সাহিত্য* গ্ৰন্থত 'ইয়াক বাল্মীকিৰ ৰামায়ণৰ গাঁৱলীয়া সংস্কৰণ' বুলিছে।

কেৱল সেয়াই নহয় সীতা হৰণত সাধাৰণ লোকে সীতাৰ মনৰ ভাব কেনে হ'ব পাৰে ভাবিবলৈ বাধ্য হ'ব; যিবোৰ কথা বাল্মীকি বা কন্দলীৰ ৰামায়ণত নাই। তথাপি লোকমন তথা লোক-সমাজৰ কথা-চিন্তা কৰি কবিয়ে সীতাৰ মুখত এটি সুন্দৰ বিলাপত গীত সংযোগ কৰিছে—

"মই অলক্ষিণী লাগি প্ৰভুক পঠাইলোঁ হে—
লক্ষ্মণকো পঠাইলো উদ্দেশ্যে।
শূন্য গৃহ পায়া মোক ৰাৱণে হৰিলা হে—
নষ্ট ভৈলো আপোনাৰ দোষে।।"

এই গীতে সীতাৰ মনগহণৰ প্ৰতিটো দিশ অতি বাস্তৱ ৰূপত দাঙি ধৰিবলৈ সমৰ্থ হৈছে।

দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* ৰচনাৰীতি তেনেই সৰল। সাধাৰণ মানুহে সহজতে উপলব্ধি কৰিব পৰাকৈ কাহিনী ভাগ বৰ্ণনা কৰিছে। সময়ানুসৰি অনুপম ৰাগ-ৰাগিনীৰ ব্যৱহাৰ কৰি সাধাৰণ লোকৰ মন আকৰ্ষণ কৰি আনন্দ প্ৰদান কৰিবলৈ কবি সক্ষম হৈছে। ৰাম-সীতাৰ ঘাত-প্ৰতিঘাতৰ কাহিনীৰ মাজেদি অসমৰ ৰীতি-নীতি, ব্যৱহাৰ-পৰম্পৰা আদিক অতি সুন্দৰকৈ দাঙি ধৰা। কবিগৰাকীৰ ৰচনাৰ নিপুণতাৰ বাবেই লোকৰঞ্জন সম্ভৱ হোৱাৰ লগতে কাহিনীৰ গাম্ভীৰ্য্যও ৰক্ষিত হৈছে। ৰচনাৰীতি তথা অভিনৱত্বই *গীতি-ৰামায়ণক* সুকীয়া মৰ্যাদা প্ৰদান কৰি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ দুর্গাবৰৰ কাব্য প্ৰতিভা সম্পৰ্কে চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৪ ঃ 'গীতি-ৰামায়ণ'ৰ ৰচনাৰীতিৰ বিশেষত্ব কি? বহলাই আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

১১.৭ *গীতি-ৰামায়ণ*ত প্ৰক্ষিপ্ততা

অসমীয়া সাহিত্যৰ বুৰঞ্জীত *গীতি-ৰামায়ণ*ৰ স্থান সুকীয়া। অসমীয়া সামাজিক পৰম্পৰাৰ লগত খাপ খোৱাকৈ ৰচনা কৰা সৰ্বভাৰতীয় কাব্যত সংকোচন-সংবৰ্দ্ধন অস্বাভাৱিক নহয়। প্ৰতিভাৱান কবি দুর্গাবৰে আদি কবিৰ মূল ৰামায়ণৰ পৰা প্ৰায়ভাগ সময়তে আঁতৰি থকা বুলি সমালোচকসকলে মতপোষণ কৰি আহিছে। আনহাতে কোনো কোনোৱে দুর্গাবৰৰ 'গীতি-ৰামায়ণ'ত বাল্মীকিৰ ৰামায়ণৰ ছাঁটোৱেই পৰা নাই বুলি ক'ব খোজে। তথাপি কাহিনীবস্তুত মূল ৰামায়ণত উল্লিখিত প্ৰায় সকলো গুৰুত্বপূৰ্ণ ঘটনাৰ বিৱৰণ আছে। কিন্তু বহু সময়ত 'ৰামায়ণ'ৰ কাহিনীৰ প্ৰক্ষিপ্তকৰণ নোহোৱা নহয়। অৱশ্যে এটা কথা স্বীকাৰ্য্য যে আদি কবি বাল্মীকিৰ দ্বাৰা বিৰচিত আদি কাব্য ৰামায়ণৰ আক্ষৰিক অনুবাদ বা বেলেগ এখন সমাজৰ প্ৰেক্ষাপটত খাপ-খোৱাকৈ হুবহু নকল অসম্ভৱ।

*গীতি-ৰামায়ণ*ৰ সকলোবোৰ কাণ্ডৰ বিষয়ে অবিতৰ্কিতভাৱে কোনো তথ্য যিহেতু পোৱা নাযায়, গতিকে সম্পাদিত হোৱা *গীতি-ৰামায়ণ* আৰু সাহিত্যৰ বুৰঞ্জীৰ তথ্যৰ আধাৰত ইয়াৰ প্ৰক্ষিপ্ততা সম্পৰ্কে বিচাৰ কৰা হ'ব। সাতটা কাণ্ডত বিভক্ত ৰামায়ণত আদি কাণ্ড, অযোধ্যা কাণ্ড, অৰণ্য কাণ্ড, কিষ্কিন্ধ্যা কাণ্ড, লংকা কাণ্ড বা যুদ্ধ কাণ্ড আৰু উত্তৰা কাণ্ড ইত্যাদি; ইয়াৰে আদি কাণ্ডত দশৰথৰ পৰিচয়ৰ পৰা আৰম্ভ কৰি দশৰথৰ তিনি ভাৰ্যাৰ বিবাহৰ লগতে বংশ পৰিচয়ৰ কথাও উল্লেখ আছে। ইয়াৰোপৰি ৰাম আৰু ৰামৰ তিনি ভাতৃৰ জন্মৰ কাহিনীৰ লগতে সীতাৰ জন্ম আৰু বংশ পৰিচয়ৰ বিৱৰণো ৰামায়ণৰ আদি কাণ্ডতে পোৱা যায়। তাৰোপৰি সীতাৰ সয়ম্বৰ, বিশ্বামিত্ৰৰ দ্বাৰা দশৰথৰ ৰাজ্যলৈ আগমন, দশৰথৰ পুত্ৰৰ দ্বাৰা বিশ্বামিত্ৰক সহায়, বিশ্বামিত্ৰৰ দ্বাৰা দশৰথৰ চাৰি পুত্ৰক যুদ্ধ বিদ্যা দান, ৰামৰ সয়ম্বৰ জয়, সীতা লাভ, ৰামৰ তিনি ভাতৃৰ বিবাহ, পৰশুৰামৰ আবিৰ্ভাৱ, ৰাম-পৰশুৰাম যুদ্ধ, পৰশুৰামৰ পৰাজয়, ৰামৰ মিথিলা ত্যাগ, ৰাম-সীতা আৰু তিনি ভাতৃৰ ভাৰ্যাৰ সৈতে অযোধ্যা আগমনত আদি কাণ্ডৰ সমাপ্তি ঘটিছে।

দুর্গাবৰৰ *গীতি-ৰামায়ণ*ত অযোধ্যাকাণ্ডৰ কথা উল্লেখ কৰি অৰণ্যকাণ্ডৰ পৰাহে আৰম্ভণি কৰা হৈছে। সেয়ে *গীতি-ৰামায়ণ* আদি কাব্যৰ দৰে দশৰথৰ বংশ পৰিচয়, ৰাম জন্ম ৰহস্য, সীতাৰ জন্ম ৰহস্য, ৰাম-সীতাৰ বিবাহ আদিৰ বিৱৰণ পোৱা নাযায়। মূলৰ এই ঘটনাবোৰ দুর্গাবৰে সম্পূৰ্ণৰূপে বৰ্জন কৰিছে। লোকসমাজ আৰু লোকমনৰ সকলো আৱেগ-অনুভূতিক মূল হিচাপে লৈ কবিয়ে ৰামায়ণৰ কাহিনীৰ লগত মৌলিক প্ৰতিভাৰে সংযোজন বিয়োজন কৰিছে। সেয়ে দশৰথৰ বংশ পৰিচয়ৰ পৰা আৰম্ভ কৰি বাল্মীকিৰ আদি কাণ্ডত থকা কোনো ঘটনাৰ বিৱৰণ *গীতি-ৰামায়ণ*ত উল্লেখ নাই।

মূল *ৰামায়ণ*ৰ অযোধ্যাকাণ্ডটো বহু বেছি ডাঙৰ নহ'লেও ৰাম আৰু তিনি ভাতৃৰ বিবাহৰ পিছৰ অযোধ্যা আগমনৰ পৰা আৰম্ভ কৰি ৰামক অযোধ্যাৰ ৰাজ্যভাৰ দিয়াৰ দশৰথৰ মনোভাৱ, মন্থৰাৰ কুমন্ত্ৰণা, কৈকেয়ীৰ দশৰথৰ পূৰ্বৰ বৰ দানৰ কথা স্মৰণ, ভৰতক ৰাজ্যভাৰ

আৰু ৰামক চৈধ্য বছৰ বনবাসৰ বাবে খোজা, দশৰথৰ সন্মতি, ৰামৰ চৈধ্য বছৰ বনবাসৰ বাবে ৰাজ্য ত্যাগ, দশৰথৰ দেহত্যাগ, ভৰতৰ ৰাজ্যভাৰ গ্ৰহণৰ প্ৰতি অসন্মতি, ৰামাক বিচাৰি ৰাজ্যলৈ অনাৰ মিছা চেষ্টা, ৰামৰ পিতৃসত্য পালন, ৰামৰ পাদুকা লৈ ভৰতৰ অযোধ্যালৈ ঘূৰি অহাৰ ঘটনাৰে অযোধ্যা কাণ্ডৰ বৰ্ণনা কৰা হৈছে। গোটেই ৰামায়ণৰ পাতনি এই কাণ্ডতে ঘটা বুলি ক'ব পাৰি। ৰামৰ বনবাসক কেন্দ্ৰ কৰিয়েই ৰামায়ণৰ কাহিনীয়ে পূৰ্ণতা পাইছে। পাপ-পূণ্য, ঈশ্বৰত্ব-মনুষ্যত্ব সকলোবোৰ দিশৰে আদিপাঠ এই অযোধ্যা কাণ্ড।

পৰিতাপৰ কথা এয়ে যে যি কাৰণতে হওক বৰ্তমান পৰ্যন্ত অযোধ্যাকাণ্ড দুৰ্গাবৰৰ *গীতি-ৰামায়ণৰ* অংশ হ'ব পৰা নাই। তেওঁৰ ৰচনাত মাত্ৰ অযোধ্যাকাণ্ডৰ নামহে উল্লেখ আছে। সেই কাণ্ডৰ কোনো পদ পোৱা হোৱা নাই; সময়ানুসৰি কিছু ঘটনাৰ আভাস দিয়া আছে যদিও মূলৰ দৰে কাহিনীৰ শৃংখলাবদ্ধতা নাই। অযোধ্যা কাণ্ডৰ এই কাহিনীবোৰক তেওঁ *গীতি-ৰামায়ণত* প্ৰকাশ কৰা নাই। সেয়ে দুৰ্গাবৰৰ *গীতি-ৰামায়ণত* এই ঘটনাবোৰক সম্পূৰ্ণৰূপে প্ৰক্ষিপ্তকৰণৰ মাজেদি কাহিনীয়ে গতি কৰিছে।

দুৰ্গাবৰৰ দ্বাৰা ৰচিত *গীতি-ৰামায়ণৰ* মনোৰম অধ্যায় বা কাণ্ডটো হ'ল অৰণ্যাকাণ্ড। এই কাণ্ডটিত কবিৰ মৌলিক প্ৰতিভাৰ পৰিচয় প্ৰতিটো পদতে পোৱা গৈছে। কিন্তু মূলৰ বহুবোৰ ঘটনাক ইয়াত সম্পূৰ্ণৰূপে বাদ দিয়া হৈছে। মূল ৰামায়ণৰ শূৰ্পনখাৰ কাহিনী যিদৰে বহলভাৱে পোৱা গৈছে; গীতি-ৰামায়ণত সেই কাহিনীক সংক্ষিপ্ত কৰি থূলমূলভাৱে ঘটনাটোৰ উল্লেখ কৰিছে। অৰণ্যকাণ্ডত সোণৰ হৰিণ লাভৰ প্ৰতি আকাংক্ষা, সীতাহৰণ আদিবোৰ ঘটনাৰ বিৱৰণ আছে। দুৰ্গাবৰেও এই সমস্ত ঘটনা একেটা কাণ্ডতে ব্যাখ্যা কৰিছে যদিও সম্পূৰ্ণৰূপে জাতীয় সাজেৰে সজাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। এইদৰে বাকীবোৰ কাণ্ড যেনে কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰা কাণ্ড আৰু লংকাকাণ্ড আদিতো মূলৰ সৰু-বৰ বহু ঘটনাৰ প্ৰক্ষিপ্তকৰণ নোহোৱা নহয়। বালি-সুগ্ৰীৱৰ ঘটনাক যথেষ্ট পৰিমাণে ঘটি-পিহি আকাৰ দিয়াৰ লগতে যুদ্ধৰ বৰ্ণনাবোৰতো সংক্ষিপ্ততা মন কৰিবলগীয়া।

মূল ৰামায়ণত যিদৰে আদি কাণ্ডৰ পৰা উত্তৰাকাণ্ডলৈকে ৰামৰ জন্মৰ পৰা স্বৰ্গযাত্ৰালৈকে সকলোবোৰ ঘটনা এটাৰ পাছত এটাকৈ বৰ্ণনা আছে, ঠিক তেনেদৰে, দুৰ্গাবৰৰ *গীতি-ৰামায়ণত* সাতকাণ্ডৰ বিৱৰণ পোৱা নাযায়। অৱশ্যে এটা কথা স্বীকাৰ্য যে দুৰ্গাবৰ আৰু বাল্মীকি বা আন আন কবিৰ ৰচনাত পাৰ্থক্য থকাটোৱে স্বাভাৱিক। আদি কবি বাল্মিকী আছিল 'ৰামায়ণ' কাহিনীৰ প্ৰথম স্ৰষ্টা তথা সমসাময়িক সময়ৰ প্ৰতিনিধি; আনহাতে পৰৱৰ্তী অনুবাদকসকলে তাৰ হাজাৰ বছৰৰ পাছত পঢ়ি-শুনি নিজ ধ্যান-ধাৰণাৰে সেই কাহিনী ৰূপায়ণ কৰিছে। সেয়ে বাল্মীকিৰ কাহিনীক ন-ৰূপ দিওঁতে দীঘ-পথালি অলপ বঢ়া-টুটা হোৱাটো কোনো অপৰাধ নহয়। বৰং দুৰ্গাবৰ 'গীতি-ৰামায়ণ' এনে বঢ়া-টুটাৰ ক্ষেত্ৰত কিছুমান মনোৰম দিশহে দৃষ্টিগোচৰ হয়, যিবোৰ দিশে দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ'ক বিশেষ ৰূপেহে সমাজত পৰিগণিত কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ দুর্গাবৰৰ *গীতি-ৰামায়ণ*খন বিষয়বস্তুৰ ফালৰ পৰা কোনবোৰ দিশত আঁতৰি আহিছে চমুকৈ আলোচনা কৰক।

.....

প্রশ্ন নং ৬ ঃ দুর্গাবৰে *গীতি-ৰামায়ণ*ত কৰা সংযোজন-বিয়োজন ৰামায়ণৰ সৌন্দর্য তথা গাম্ভীর্য্যত কিবা প্রভাৱ পেলাইছেনে? বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

১১.৮ *গীতি-ৰামায়ণ*ৰ সাহিত্যিক সৌন্দর্য

যি কোনো এখন কাব্যগ্রন্থই পাঠকৰ মন আকর্ষণ কৰিবলৈ হ'লে তাৰ সাহিত্যিক গুণাগুণৰ পৰিমাণ যথেষ্ট হোৱাটো বাঞ্ছনীয়। দুর্গাবৰৰ *গীতি-ৰামায়ণ*ও এখন উচ্চ সাহিত্যিক সৌন্দর্য্যৰে ভৰা কাব্যগ্রন্থ। ইয়াত বিষয়বস্তু-বর্ণনাশৈলীয়েও হওক বা পদ্য-গদ্যৰ ব্যৱহাৰেই নহওঁক কিয় সকলোতে কবিৰ পৈণত হাতৰ পৰশ লক্ষণীয়। ইয়াৰোপৰি বেছিভাগ ঘটনাৰ বর্ণনাই গীতৰ মাধ্যমেৰে হোৱা *গীতি-ৰামায়ণ*ৰ গীতৰ ৰাগৰ ব্যৱহাৰ বা ৰসৰ ব্যৱহাৰৰ ক্ষেত্রত কবিগৰাকীয়ে সুকীয়া কৃতিত্ব প্রদর্শন কৰিছে। ব্যাকৰণগত দিশৰ পৰাও কবি যথেষ্ট সচেতন।

*ৰামায়ণ*ৰ দৰে সুবিশাল আৰু ঈশ্বৰ-অৱতাৰী পুৰুষ তথা দেৱতাৰে ভৰপূৰ কাহিনী এটা সাধাৰণীকৰণ কৰি পাঠকৰ হাতত তুলি দিয়াটো অতি কঠোৰ তথা শ্রমপূর্ণ কাম। তথাপি কাহিনী আকাৰত প্রক্ষিপ্ত কৰিলেও মর্যাদা অক্ষুণ্ণ ৰাখিছে। ৰামৰ জন্মৰ আগৰে পৰা দশৰথৰ বংশ পৰিচয়, বিবাহ আদিৰ বিস্তৃত বিৱৰণ থকা মূল ৰামায়ণ কাহিনীক সুনিপুণ কবিয়ে নিজৰ কাব্য প্রতিভাৰে সংক্ষিপ্তৰূপে বর্ণনা কৰি ঘটনাৰ ক্রমে ৰক্ষা কৰাই নহয়; বর্ণনীয় বিষয়কো মনোহাৰিত্ব প্রদান কৰিছে।

দুর্গাবৰৰ 'গীতি-ৰামায়ণ'ৰ মূল বিশেষত্ব হ'ল তাৰ গীতবোৰ। যিবোৰ গীতত তেওঁ ভিন্ন সুৰ আৰোপ কৰিছে। এই সুৰবোৰেৰে ওজাই ৰামায়ণৰ পদবোৰ গালে শ্রুতি মধুৰ হয়। শাস্ত্রীয় গাম্ভীর্যপূর্ণ ৰাগহে 'গীতি-ৰামায়ণ'ত সংযোগ কৰিছে। যেনে— বেলোৱাৰ, বড়াৰি, গুঞ্জৰি, ধনশ্রী, ৰামগিৰি, অহিৰ, ভাটিয়ালী, বসন্ত, সুহাই, শ্রীগান্ধাৰৰ লগতে আৰু বহুবোৰ ৰাগ পোৱা যায়। প্রায় ২০ প্রকাৰৰ ৰাগেও যে *গীতি-ৰামায়ণ*ৰ সাহিত্যিক সৌন্দর্য্য বৃদ্ধি কৰিছে, তাত কোনো সন্দেহ নাই।

*গীতি-ৰামায়ণ*ৰ সাহিত্যিক সৌন্দর্য্য অধিক বৃদ্ধি কৰিছে কাব্যত প্রয়োগ কৰা বীৰ আৰু কৰুণ ৰস সমাহাৰে। দুর্গাবৰে কেইবা প্রকাৰৰ ৰস ব্যৱহাৰ সময়াসুৰি কৰিছে; যদিও কৰুণ ৰস প্রকাশত কবিয়ে বিশেষ পাৰদর্শিতা দেখুৱাইছে। যিবোৰ ঠাইত কবিয়ে কৰুণ ৰসৰ সঞ্চাৰ কৰিছে তেনে পৰিস্থিতি মূল ৰামায়ণত কমহে পোৱা যায়। উদাহৰণ স্বৰূপে ৰাৱণে সীতাক হৰণ কৰা পিছত সীতাই যি বিলাপ কৰিছে তাত এগৰাকী নাৰীৰ অন্তর্জগতৰ সকলো ভয়-অপমান-গ্লানিৰ

বহিৰ্প্ৰকাশ ঘটিছে। এনে সময়ত সীতা আৰু এগৰাকী সাধাৰণ নাৰীৰ মাজত বিশেষ কোনো পাৰ্থক্য নোহোৱা হৈছে। নিজৰ ভুলৰ বাবেই এনে কাৰ্য্য হ'বলৈ পালে বুলি কৈ নিজকে ধিক্কাৰ দি স্বামীয়ে ঘূৰি আহি তেওঁক নাপায় কি ভাবিব আদি কথাত ভয় ভাব প্ৰকাশ কৰিছে—

"কি জানি কি ভৈল বুলি অৰণ্যে ভ্ৰমিলো হে—
চিন্তা কৰি হৈবো আকুলিতা।।
আনে মন্দ বুলিবেক তাকো প্ৰভু শুনিবেক
নানা কথা ভাবিবো মনত।।
অৱশ্যে কু অভিপ্ৰায়ে পঠাহৈলে লক্ষ্মণে হে—
যত দোষ পৰিবো মোহোত।।
অসতী ৰমণী সীতা পলালে অন্তৰি হে—
ভাবিবো মনত ৰঘুপতি।।" (লেখাৰু, ৭৭-৭৮)

কৰুণ ৰসেৰে নাৰী মনৰ ভাব-অনুভূতি প্ৰকাশৰ লগতে চৰিত্ৰৰ সাধাৰণীকৰণে সাহিত্যিক মৰ্যাদা দুগুণে বৃদ্ধি কৰিছে। সাধাৰণ যেন লাগিলেও গৰিমাত কোনো প্ৰভাৱ পৰা নাই।

*গীতি-ৰামায়ণ*ৰ বিষয়বস্তু, চৰিত্ৰৰ উপস্থাপন, পৰিৱেশ সৃষ্টি, ৰাগ-তাল ব্যৱহাৰ, ৰসৰ উপযুক্ত সঞ্চাৰে কাব্যখনিৰ সাহিত্যিক সৌন্দৰ্য্য যথেষ্ট পৰিমাণে বঢ়াই তোলাৰ লগতে পাঠকৰ আদৰো লাভ কৰিছে।



১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ পৰা আমি অসমীয়া সাহিত্যত ৰামায়ণ পৰম্পৰাৰ বিষয়ে জানিব পাৰিলো। প্ৰাক্‌শংকৰী যুগৰ কবি মাধৱ কন্দলীয়ে বাট মুকলি কৰি দিয়া ৰামায়ণ পৰম্পৰা আজিৰ আধুনিক সাহিত্যলৈয়ো গতি কৰিছে।
- পাঁচালী কবি হিচাপে জনাজাত এইগৰাকী দুর্গাবৰৰ বিষয়ে কম-বেছি পৰিমাণে জানিব পৰাৰ লগতে তেওঁৰ ৰচনাৰাজি আৰু কাব্যিক প্ৰতিভাৰ বিষয়েও জানিব পাৰিলো।
- এই অধ্যায়টি অধ্যয়নৰ যোগেদি *গীতি-ৰামায়ণ*ৰ মূল আৰু ইয়াৰ ৰচনাৰ সময় সম্পৰ্কে জানিব পৰা হ'ল।
- *গীতি-ৰামায়ণ*ৰ ৰচনাৰীতি সুকীয়া। ইয়াত পদ্য-গদ্য দুয়োটায়ে আছে। তথাপি বৰ্ণনীয় বিষয়ত পদ্য বা গীতেৰেহে বুজাবলৈ যত্ন কৰা হৈছে। য'ত গীতৰ দ্বাৰা সম্ভৱ নহয়, তেনে ঠাইতহে গদ্যৰ ব্যৱহাৰ হৈছে।
- *গীতি-ৰামায়ণ*ৰ প্ৰক্ষিপ্তকৰণ ক'ত কেনেদৰে হৈছে সেই বিষয়ে জানিব পাৰিলো।
- সাহিত্য চিৰস্থায়ী হ'বৰ বাবে যি সাহিত্যিক গুণাগুণ বা সৌন্দৰ্য্যৰ দৰকাৰ সেইবোৰ *গীতি-ৰামায়ণ*ত কিদৰে ৰক্ষিত হৈছে এই অধ্যায়টিৰ অধ্যয়নৰ মাজেদি আমি জানিব পাৰিলোঁ।



১১.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। নেওঁগ, মহেশ্বৰ (২০০০) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা

২। লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (১৯৪৮) ঃ *অসমীয়া ৰামায়ণ সাহিত্য;* গুৱাহাটী ঃ কটন কলেজ

৩। শৰ্মা, সতেন্দ্ৰ নাথ (২০০৭) ঃ *ৰামায়ণৰ ইতিবৃত্ত,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

৪। শৰ্মা, সতেন্দ্ৰনাথ (২০০৬) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ

৫। শৰ্মা, হেমন্ত কুমাৰ; (১৯৮৪) ঃ *অসমীয়া সাহিত্যৰ দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

৬। মহন্ত, কেশদা (১৯৮৬) ঃ *বিচিত্ৰ ৰামায়ণী কথা;* যোৱহাট ঃ প্ৰকাশক-বাপচন্দ্ৰ মহন্ত

৭। গোস্বামী, উপেন্দ্ৰনাথ (সম্পা) (১৯৭২) ঃ *ভাষা আৰু সাহিত্য,* গুৱাহাটী।

৮। নাথ, প্ৰফুল্ল কুমাৰ (২০১৭) ঃ *ভক্তিমাৰ্গ আৰু ভাৰতীয় ভক্তি-সাহিত্যত এভুমুকি,* বিশাল প্ৰকাশন।

১১.১১ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ মাধৱ কন্দলী..... মাধৱ কন্দলীয়ে ৰচনা কৰা বাল্মীকি ৰামায়ণৰ অনুবাদৰ আলোচনা..... মাধৱ কন্দলীয়ে তেওঁৰ অনুবাদত কেনে ধৰণৰ মৌলিকত্ব আৰোপ কৰিছিল..... অসমীয়া সাহিত্যত মাধৱ কন্দলীৰ অনুবাদৰ গুৰুত্ব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কোনে কোনে কাব্য সৃষ্টিৰ মাজেদি ৰামায়ণৰ কাহিনীভাগক বিশিষ্ট ৰূপত দাঙি ধৰিছিল..... সেই কবিসকলে পৃষ্ঠপোষকতা লাভ কৰা ৰজাসকল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ দুর্গাবৰৰ *গীতি-ৰামায়ণত* গীতৰ প্ৰয়োগ.... গীতিবোৰক শুৱলা আৰু আকৰ্ষণীয় কৰিবলৈ প্ৰায় একৈশটা (২১) ৰসৰ প্ৰয়োগ..... ভগৱানৰ অৱতাৰী চৰিত্ৰসমূহক মানৱীকৰণ, সৰ্বভাৰতীয় প্ৰেক্ষাপটৰ কাহিনীক অসমীয়া সাজেৰে উপস্থাপন, গীতেৰে ব্যাখ্যা কৰিব নোৱাৰা গাম্ভীৰ্যপূৰ্ণ ঘটনাৰ বৰ্ণনাত গদ্যৰ ব্যৱহাৰ আদি..... ৰসৰ অপূৰ্ব সমাহাৰ, কৰুণ ৰস প্ৰকাশক গীতৰ প্ৰয়োগ বিশেষভাৱে মন কৰিবলগীয়া।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ গদ্য আৰু পদ্য উভয়ৰে প্ৰয়োগ..... ৰস উদ্ৰেককাৰী গীতৰ সমাহাৰ..... কাহিনীৰ সংক্ষিপ্তকৰণ..... চৰিত্ৰৰ মানসিক জগতৰ বহিঃপ্ৰকাশ..... অসমীয়া সংস্কৃতিৰ মাজেৰে কাহিনীৰ উপস্থাপন..... থলুৱা ৰীতি-নীতি, উৎসৱ-পাৰ্বন, যোজনা-পটন্তৰ আদিৰ ব্যৱহাৰ..... গীতৰ কথা বা ঘটনা অনুসৰি সুকীয়া ৰাগৰ প্ৰয়োগ ইত্যাদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ দুর্গাবৰৰ *গীতি-ৰামায়ণ* মূল বাল্মীকি বা মাধৱ কন্দলীৰ দুয়োখনৰ পৰাই কাহিনী, চৰিত্ৰ, পৰিস্থিতি, দৃষ্টিভংগী আদিবোৰ দিশত আঁতৰি আহিছে।..... বাল্মীকিৰ বৃহৎ ৰামায়ণৰ তুলনাত দুর্গাবৰী ৰামায়ণ সংক্ষিপ্ত। আনুষংগিক কাহিনীক সংক্ষিপ্ত কৰি মূল কাহিনীপ্ৰবাহ অব্যাহত ৰাখিছে..... চৰিত্ৰবোৰক সাধাৰণ মানুহৰ এজন হিচাপে উপস্থাপন কৰিছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* প্ৰক্ষিপ্তকৰণে কাব্যৰ সৌন্দর্য্যতো আৰু গাম্ভীর্য্যতো কোনো প্ৰভাৱ পেলাব পৰা নাই..... কবিয়ে মূল পৰিস্থিতি বা ঘটনাত কোনো প্ৰক্ষিপ্তকৰণ কৰা নাই। চৰিত্ৰবোৰৰ উপস্থাপনত বিশেষ ধৰণৰ সাল-সলনি কৰা নাই। গাম্ভীর্য্যত আঘাত কৰিব পৰা অংশত কবিয়ে হাত দিয়া নাই। মৌলিকতাৰ পৰশেৰে কাহিনীক থলুৱা আৱৰণহে দিছে।



১১.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* মাজেৰে সেই সময়ৰ সামগ্ৰিক ছবিখন কেনেদৰে প্ৰকাশ হৈছে। আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ দুর্গাবৰে ৰচনা কৰা *ৰামায়ণখনক গীতি-ৰামায়ণ* বোলাৰ কাৰণ কি? অসমীয়া সমাজত এই ৰামায়ণৰ প্ৰভাৱ নির্ধাৰণ কৰি প্ৰৱন্ধ যুগুত কৰক।

প্ৰশ্ন নং ৩ ঃ অসমীয়া ভাষাত প্ৰথমে কোনে ৰামায়ণ ৰচনা কৰিছিল? সেই ৰামায়ণ প্ৰভাৱ কিদৰে দুর্গাবৰৰ *গীতি ৰামায়ণত* পৰিছে— আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ *গীতি-ৰামায়ণ* ঃ অৰণ্যকাণ্ড আৰু কিষ্কিন্ধ্যাকাণ্ড

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ *গীতি-ৰামায়ণৰ* অৰণ্যকাণ্ডৰ চমু পৰিচয়
১২.৪ *গীতি-ৰামায়ণৰ* কিষ্কন্ধ্যাকাণ্ডৰ চমু পৰিচয়
১২.৫ *গীতি-ৰামায়ণত* কবিৰ দৃষ্টিভংগী
১২.৬ *গীতি-ৰামায়ণ* আৰু বাল্মিকীৰ *ৰামায়ণ*
১২.৭ *গীতি-ৰামায়ণ* আৰু কৃতিবাসী *ৰামায়ণ*
১২.৮ *গীতি-ৰামায়ণ* আৰু মাধৱ কন্দলিৰ *ৰামায়ণ*
১২.৯ *গীতি-ৰামায়ণৰ* বিষয়বস্তুত লোকজীৱনৰ প্ৰভাৱ
১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.১১ অধিক জানিবলৈ
১২.১২ সম্ভাব্য প্ৰশ্নাৱলী

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দুর্গাবৰ কায়স্থৰ জীৱন আৰু সাহিত্যকৃতিৰ বিষয়ে জানিব পাৰিব
- দুর্গাবৰৰ দ্বাৰা ৰচিত *গীতি-ৰামায়ণৰ* দুটা কাণ্ডৰ আলোচনা আগবঢ়াব পাৰিব
- *গীতি-ৰামায়ণৰ* ৰচনাত ফুটি উঠা কবিৰ দৃষ্টিভংগীৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- আদিকবি বাল্মীকিৰ দ্বাৰা ৰচিত আদি কাব্য *ৰামায়ণৰ* বিষয়েও প্ৰসংগক্ৰমে জানিব পাৰিব
- দুর্গাবৰৰ ৰামায়ণৰ বাহিৰেও কীর্ত্তিবাসৰ ৰামায়ণৰ পৰিচয়মূলক আলোচনা আগবঢ়াব পাৰিব
- সাহিত্যই কিদৰে সমসাময়িক সময়ৰ প্ৰতিচ্ছবি বহন কৰে সেই কথা *গীতি-ৰামায়ণৰ* আলোচনাৰ মাজেদি জানিব পাৰিব।

১২.২ পৰিচয়

'ভক্তি সাহিত্য' শিৰোনামৰ পাঠ্য বিষয় এইটো দ্বাদশ অধ্যায়। ইয়াৰ শীর্ষক *'গীতি-ৰামায়ণৰ* অৰণ্যকাণ্ড আৰু কিষ্কিন্ধ্যা কাণ্ড'। দুর্গাবৰ কায়স্থৰ দ্বাৰা ৰচিত *গীতি-ৰামায়ণখনত* সম্পূর্ণৰূপে কবিৰ মৌলিকতাৰ পৰিচয় পোৱা যায়। ইয়াৰোপৰি ই অসমীয়া সমাজ জীৱনৰ লগত ৰজিতা খায় পৰা এখন সুন্দৰ কাব্য। সেয়ে বহুতো পণ্ডিতে দুর্গাবৰৰ *গীতি-ৰামায়ণক*

'গাঁৱলীয়া সংস্কৰণ' বুলি কৈছে। বাল্মিকীৰ মূল ৰামায়ণতকৈ কন্দলীৰ 'ৰামায়ণ'ৰ প্ৰভাৱ বেছিকৈ স্পষ্ট হোৱা দুৰ্গাবৰৰ *গীতি-ৰামায়ণ* অসমীয়া সাহিত্যৰ মূল্যৱান সম্পদ।

১২.৩ *গীতি-ৰামায়ণৰ* অৰণ্যকাণ্ডৰ চমু পৰিচয়

দুৰ্গাবৰৰ ৰামায়ণত অৰণ্যকাণ্ডৰ পৰা উত্তৰাকাণ্ডলৈকে পোৱা যায়, প্ৰথম দুটা কাণ্ড পোৱা নাযায়। কিন্তু অৰণ্যকাণ্ডৰ প্ৰাৰম্ভতে থকা এটা পদে তেওঁ অযোধ্যা কাণ্ড ৰচনা কৰিছিল বুলি অনুমান কৰাত সহায় কৰে। এই কথা সাহিত্য-সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই তেওঁৰ ৰামায়ণৰ ইতিবৃত্ত গ্ৰন্থত উল্লেখ কৰিছে—

"অযোধ্যাকাণ্ডৰ কথা ভৈলা সমাপতি।
অৰণ্যকাণ্ডৰ কথা শুনিয়ো সম্প্ৰতি।।"

দুৰ্গাবৰে অৰণ্যকাণ্ড আৰম্ভ কৰিছে দশৰথৰ গয়াপিণ্ডদানৰ বৰ্ণনাৰ যোগেদি। বাল্মিকী আৰু মাধৱ কন্দলীৰ ৰামায়ণত অযোধ্যাকাণ্ডতে মন্দাকিনী নদীৰ জলত তৰ্পণ কৰি ইঙ্গুদি ফলেৰে ৰামে ভৰত, বশিষ্ঠ আদি লোকৰ উপস্থিতিত পিতাক দশৰথক পিণ্ডদান কৰে। কিন্তু আমাৰ আলোচ্য কবি দুৰ্গাবৰৰ বৰ্ণনাত ৰামে ভৰতক আশ্বাস দি অযোধ্যালৈ ওভতাই পঠিয়াই তাৰ পিছতহে গয়াত দশৰথৰ পিণ্ড দিবলৈ পূৰলৈ উজাই আহে। ৰাম-লক্ষ্মণে পিণ্ডৰ কাৰণে বনৰ পৰা ফল-মূল আহৰণ কৰিবলৈ যাওঁতে সীতাই ফল্গু নদীৰ বালিৰে পিণ্ড সাজি কৌতুক কৰি থাকোঁতে দশৰথে দেখা দি বালিৰ পিণ্ড খাই স্বৰ্গলৈ যাবলৈ ইচ্ছা কৰি সীতাক পিণ্ড দিবলৈ কয়। সীতাই প্ৰথমতে বালিৰ পিণ্ড দিবলৈ নুখুজিছিল যদিও দশৰথৰ অনুৰোধত উপায়ন্তৰ হৈ চন্দ্ৰ, সূৰ্য, ব্ৰাহ্মণ, পৃথিৱী, বায়ু আৰু ফল্গু নদীক সাক্ষী কৰি দশৰথক পিণ্ডদান কৰে। সীতাৰ পিণ্ড খাই ৰজা দশৰথে আনন্দমনে স্বৰ্গলৈ বুলি যাত্ৰা কৰে। পাছত ৰাম আৰু লক্ষ্মণে বনৰ পৰা ফল ফুল আদি লৈ আহি পোৱাত সীতাই সকলো কথা বিৱৰি কয়। ৰামে কিন্তু সীতাৰ কথা বিশ্বাস কৰিব নোখোজাত সীতাই এজন এজনকৈ সাক্ষী কেইজনক মতাই আনি ৰামক ক'বলৈ দিয়াত সকলোৱে দেখা নাই বুলি মিছা মাতে। সীতাৰ এনে বিপত্তি দেখি স্বৰ্গৰ পৰা দশৰথ নিজেই নামি আহি সীতাৰ কথা সমৰ্থন কৰে আৰু ৰামৰ হাতৰ পিণ্ড খাই স্বৰ্গলৈ উভতি যায়। সীতাই চন্দ্ৰ-সূৰ্যক ৰাহুৱে গ্ৰাস কৰিব বুলি শাও দিয়ে, ফল্গু নদীক অন্তঃসলিলা হ'বলৈ, তুলসীৰ গাত কুকুৰে মুতিবলৈ, কুশবন মাৰ্জনি হ'বলৈ আৰু কলৰ বাকলি অপৱিত্ৰ হ'বলৈ অভিশাপ দিয়ে। আশ্চৰ্যকৰ কথা এয়ে যে সীতাই পিণ্ড দিয়াৰ সময়ত চন্দ্ৰ, সূৰ্য, ব্ৰাহ্মণ, পৃথিৱী, বায়ু আৰু ফল্গু নদীহে সাক্ষী হিচাপে আছিল, কিন্তু তেনে স্থলত তুলসী, কুশবন আৰু কলক শাও কি কাৰণে দিয়া হ'ল আৰু ব্ৰাহ্মণ পৃথিৱী, বায়ু আদিক শাও কি কাৰণে দিয়া নহ'ল সেই বিষয়ে কোনো উল্লেখ নাই।

দুৰ্গাবৰে মাধৱ কন্দলী অথবা বাল্মিকীৰ ৰামায়ণত নথকা বহুবোৰ কথা আৰু পৰিস্থিতিৰ সংযোগ অৰণ্যকাণ্ডত কৰাদেখা যায়। লোকজীৱনৰ মনোৰঞ্জন আৰু অসমৰ প্ৰকৃতি জগতৰ অপূৰ্ব বৰ্ণনাৰে অৰণ্যকাণ্ডক অনন্য ৰূপ দিয়াত কবি দুৰ্গাবৰ সাৰ্থক হৈছে। উদাহৰণ স্বৰূপে ৰাম আৰু সীতাৰ পাশা খেল, দণ্ডকা অৰণ্যত সীতাৰ দ্বাৰা মায়া অযোধ্যাৰ সৃষ্টি কৰা, মায়া প্ৰজাৰ লগত ৰাম আৰু সীতাৰ চিত্ৰাৱলী চতুৰ্দশীৰ মোট খেল খেলাৰ আনন্দ, শূৰ্পনখাই লক্ষ্মণৰ চুম্বন-

-আলিংগন বিচৰা, সীতাই ৰামক পুষ্পজৰীৰে বন্ধা, সোণৰ মায়া হৰিণ আনি দিবৰ বাবে ৰামৰ বন্ধনমুক্ত হোৱা, বনবাসৰ কষ্ট সহিব নোৱাৰি সীতা নিজে আঁতৰি যোৱা বুলি ৰামে সীতাক সন্দেহ কৰা, সীতাক মন্দোদৰীৰ কন্যা ৰূপে বর্ণনা কৰা আৰু সীতাই ৰাৱণ-মন্দোদৰীক পিতৃ মাতৃ বুলি কোৱা, ৰামে চাকৈ-চকোৱাক পৰিহাস কৰা আদিৰ কাহিনীৰ মাজেদিয়েই অৰণ্যকাণ্ডটো সমাপ্ত হৈছে। গাঁৱলীয়া কবিয়ে সীতাক কোনো অৱতাৰী নাৰী হিচাপে বিচাৰ কৰা বিপৰীতে মানৱীকৰণ কৰিহে উপস্থাপন কৰা যেন অনুমান কৰিব পাৰি। কিয়নো অৰণ্যকাণ্ডৰ কাহিনীত সীতা এগৰাকী স্বামী আৰু জ্যেষ্ঠজনৰ প্রতি সততে আনুগত্য প্রকাশ কৰা নাৰী, যি নাৰীয়ে শহুৰেকৰ কথাক শ্রদ্ধা-সন্মানেৰে গ্রহণ কৰে আৰু স্বামীৰ প্রতিও অগাত্য স্নেহ ভাব পোষণ কৰে। পৰিয়ালৰ পৰা আঁতৰি থকা স্বামীৰ মনোৰঞ্জনৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰা দেখা গৈছে। ইয়াৰোপৰি ৰামকো দুই-এঠাইত সাধাৰণীকৰণ কৰা হৈছে। ৰামৰ সীতাৰ প্রতি কৰা অবিশ্বাসৰ যোগেদি ৰামক সাধাৰণ মানুহৰ শাৰীলৈ অৱনমিত কৰা হৈছে।

সম্পূর্ণ মৌলিকতাৰে দুর্গাবৰ *গীতি-ৰামায়ণৰ* অৰণ্যকাণ্ডটো ৰচিত য'ত কবিয়ে সম্পূর্ণ স্বাধীনতা অৱলম্বন কৰিছে যদিও কাহিনী বিকৃত হৈছে বুলি ক'ব নোৱাৰি। আনবোৰ ৰামায়ণৰ কাহিনীৰ পৰা পৃথক হৈছে বুলিব লাগিব। দুর্গাবৰ আটাইকেইটা কাণ্ডৰ তুলনাত অৰণ্যকাণ্ডটো যথেষ্ট বিশাল আৰু এই কাণ্ডৰ কাহিনী উপস্থাপন শৈলী আদিয়েই *গীতি-ৰামায়ণ* প্রধান অংগ বুলিবও পাৰি। কবি মূলৰ পৰা আঁতৰি আহিলেও ৰাম সীতাৰ গৰিমা অক্ষুণ্ণ ৰখাত সার্থক হৈছে।

১২.৪ *গীতি-ৰামায়ণৰ* কিষ্কন্ধ্যাকাণ্ডৰ চমু পৰিচয়

বিষয়বস্তুৰ ফালৰ পৰা আদি কবি বাল্মিকীৰ আদি কাব্য *ৰামায়ণৰ* লগত দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* কাহিনীৰ মিল থাকিলেও অধ্যায় বা কাণ্ড হিচাপে কিছু সাল সলনি নথকা নহয়। পণ্ডিতৰ সমালোচকসকলে দুর্গাবৰৰ *গীতি-ৰামায়ণত,* বাল্মিকীৰ ৰামায়ণখনতকৈ আমাৰ পূর্ব কবি মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণৰ প্রভাৱহে যথেষ্ট পৰিমাণৰ বুলি কৈছে। তথাপি কাণ্ডবোৰ ভালদৰে বিচাৰ কৰিলে কবিৰ মৌলিক প্রতিভাৰ স্বাক্ষৰ পোৱা যায়। কন্দলীৰ ৰামায়ণত যিদৰে পাঁচটা কাণ্ডহে উদ্ধাৰ হৈছে, ঠিক একেদৰে দুর্গাবৰৰ *গীতি-ৰামায়ণতো* মাথো পাঁচটা কাণ্ড পোৱা যায় বুলি পণ্ডিত সমালোচক তথা সাহিত্য বুৰঞ্জীৰ প্রণেতাসকলে স্পষ্ট মতামত আগবঢ়ায়। অৰণ্যকাণ্ড, কিষ্কিন্ধ্যাকাণ্ড, সুন্দৰাকাণ্ড, লংকাকাণ্ড আৰু উত্তৰাকাণ্ড এই পাঁচোটা কাণ্ডৰ ভিতৰতে অৰণ্যকাণ্ড বিশাল আৰু মনোৰম। অৰণ্যকাণ্ডৰ পৰৱর্তী কাণ্ডটো হ'ল কিষ্কিন্ধ্যাকাণ্ড, এই কাণ্ডৰ বিষয়বস্তুৰ বর্ণনাত মাধৱ কন্দলীৰ পদ ৰামায়ণৰ পৰা প্রভাৱ পৰিছে বুলি জানিব পাৰি।

কিষ্কিন্ধ্যাকাণ্ডৰ কাহিনী অনুসৰি পিতৃ সত্য পালন কৰি চৈধ্য বছৰ বনবাস পালন কৰি থকা ৰাম আৰু লক্ষ্মণ ঋষ্যমুখ গিৰিত থকা সময়তে ৰামৰ পৰম ভক্ত হনুমানে ব্রাহ্মণৰ বেশেৰে তেওঁলোকৰ কাষত উপস্থিত হয়, ব্রাহ্মণবেশী হনুমানে ৰাম আৰু সুগ্রীৱৰ মাজত পৰিচয় কৰায় দিয়ে। সীতাৰ অনুপস্থিতিত ৰামৰ অৱস্থা একেবাৰে তথৈবচ। তেনে এক কৰুণ পৰিস্থিতিত ৰাম কর্তব্যৰ পৰা বিচ্যুত হৈ পৰে। তেনে অৱস্থাত সুগ্রীৱেহে ৰামক কতর্ব্যৰ কথা সোঁৱৰাই দিয়া বুলি *গীতি-ৰামায়ণৰ* কিষ্কিন্ধ্যাকাণ্ডত উল্লেখ আছে। সীতাহৰণৰ পাছত পৰম ভক্ত হনুমান আৰু

মিত্রস্বৰূপ সুগ্রীৱক পাই ৰামো যথেষ্ট পৰিমাণে সুস্থিৰ হৈ পৰে আৰু সীতা উদ্ধাৰৰ বাবে নতুন উদ্যমেৰে প্রচেষ্টা হাতত লয়। ইফালে বালি আৰু সুগ্রীৱ দুয়ো ভাতৃৰ মাজত বিবাদ, বালিয়ে সুগ্রীৱক নিজ ৰাজ্যৰ পৰা খেদি পঠিওৱাৰ বিৱৰণ দুর্গাবৰে এই কাণ্ডত উল্লেখ কৰিছে। নিজ ৰাজ্য তথা নিজ অধিকাৰৰ পৰা বঞ্চিত হৈ সুগ্রীৱে ভাতৃ বালিৰ বিৰুদ্ধে যুদ্ধত অৱতীর্ণ হয় যদিও পৰাক্রমী বালিৰ ওচৰৰ পৰা পলায়ন কৰে। ৰামচন্দ্রই সুগ্রীৱক যুদ্ধত সহায় কৰাৰ বাবে বালিৰ ৰামক নিন্দা কৰা, বালিৰ অন্তিম ক্ষণত অন্তিম বিলাপ কৰিছে। বালিৰ এনে অৱস্থাৰ বাবে বালিৰ পত্নীয়ে ৰামৰ ওচৰত অভিযোগ কৰিছে। কেৱল অভিযোগ কৰিয়েই ক্ষান্ত নাথাকি বালি পত্নী তাৰাই স্বামীৰ জীৱন কাঢ়ি লোৱাৰ বাবে ৰামক অভিশাপ দিছে। বালিৰ মৃত্যু আৰু বালিৰ অন্ত্যোষ্টিক্রিয়া সমাপনৰে এই কাণ্ডৰো পৰিসমাপ্তি ঘটিছে।

কিষ্কিন্ধ্যাকাণ্ডত সীতা হৰণৰ পিছৰ সময়ৰ ঘটনাৱলী বর্ণনা কৰা হৈছে। অৰণ্যকাণ্ডৰ যি সীতাহৰণ কাৰুণ্য সেই কাৰুণ্যৰ প্রভাৱ কিষ্কিন্ধ্যা কাণ্ডলৈকে বৈ আছে। তথাপি এই কাণ্ডত বীৰ ৰসৰো উদ্রেক হৈছে আৰু কাণ্ডৰ গতানুগতিকতা সুন্দৰকৈ ৰক্ষিত হৈছে। এই ক্ষেত্রত আলোচক সতেন্দ্রনাথ শর্মাই তেওঁৰ *ৰামায়ণৰ ইতিবৃত্ত* গ্রন্থত কৈছে,— 'অৰণ্যকাণ্ডৰ তেওঁৰ বিলম্বিত গতি কিছুদুৰ কিষ্কিন্ধ্যা আৰু সুন্দৰাকাণ্ডলৈ ৰক্ষা কৰিছে। তথাপি অৰণ্যৰ দৰে বিননিৰ ৰাউচিত থমকি থমকি যাব লগা হোৱা নাই।' কবিৰ প্রতিটো কাণ্ডই স্বকীয়তাৰ নমুনা বহন কৰিছে। তাত ব্যৱহাৰ কৰা গীতবোৰে এক সুকীয়া মনোহাৰিত্বও লাভ কৰিছে। এই কাণ্ডত অৰণ্যকাণ্ডৰ তুলনাত কমকৈ পদ ত্রিপদীৰ ব্যৱহাৰ হ'লেও আন আন কাণ্ডৰ তুলনাত কম বুলিব নোৱাৰি। অৰণ্যকাণ্ডত ৪৯১ টা পদ-ত্রিপদীৰ ব্যৱহাৰ কৰাৰ লগতে কিষ্কিন্ধ্যাকাণ্ডত ৩১০টা পদ-ত্রিপদীৰ ব্যৱহাৰ কৰিছে। এই দিশৰ পৰা চালে কবি দুয়োটা কাণ্ডকে সমানে গুৰুত্ব সহকাৰে লৈ কাণ্ড ৰচনা কৰা বুলি অনুমান কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া ভাষাত প্রথম পদ-ৰামায়ণ ৰচোঁতাগৰাকীৰ নাম কি?

.....

প্রশ্ন নং ২ ঃ *গীতি-ৰামায়ণ* মতে সীতাই দশৰথক পিণ্ড দিয়াৰ সময়ত কাক কাক সাক্ষী হিচাপে ৰাখিছিল?

.....

প্রশ্ন নং ৩ ঃ সীতাই চন্দ্র-সূর্যক কিয় আৰু কি অভিশাপ প্রদান কৰিছিল?

.....

প্রশ্ন নং ৪ ঃ *গীতি-ৰামায়ণৰ* মতে কোনো মায়া অযোধ্যাৰ সৃষ্টি কৰিছিল?

.....

প্রশ্ন নং ৫ ঃ দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* অৰণ্য আৰু কিষ্কিন্ধ্যাকাণ্ডত কিমান পদ-ত্রিপদীৰ ব্যৱহাৰ হৈছে?

.....

১২.৫ *গীতি-ৰামায়ণত* কবিৰ দৃষ্টিভংগী

ষোড়শ শতিকাৰ প্ৰথমাৰ্ধত আবিৰ্ভাৱ হোৱা দুৰ্গাবৰ কায়স্থৰ ৰচনাৰ মাজত তেওঁৰ আত্মপৰিচয়ৰ বিৱৰণ পাবলৈ নাই। কিন্তু কবিগৰাকীৰ *গীতি-ৰামায়ণে* তেওঁৰ বিষয়ে কেইটামান দিশ স্পষ্ট কৰি দিয়ে। দুৰ্গাবৰ যদিও অবৈষ্ণৱ কবি আছিল তথাপি তেওঁ নিজকে 'ৰামৰ কিংকৰ' বুলি কোৱালৈ চাই অনুমান কৰিব পাৰি যে নৱ-বৈষ্ণৱ ধৰ্মত দীক্ষিত নহ'লেও একশৰণ ধৰ্মৰ প্ৰতি আনুগত্য স্বীকাৰ নকৰাকৈ থকা নাছিল। ইয়াৰোপৰি দুৰ্গাবৰ যে এগৰাকী সংগীতজ্ঞ আছিল তাত সন্দেহৰ অৱকাশ থাকিব নোৱাৰে। উল্লেখ কৰা অনুসৰি তেওঁ বাহুবল শিকদাৰৰ ওচৰত সংগীতৰ শিক্ষা গ্ৰহণ কৰিছিল। সংগীতত বিশাৰদ দুৰ্গাবৰে *গীতি-ৰামায়ণত* সৰ্বমুঠ একৈশ টা (২১) ৰাগৰ প্ৰয়োগ কৰিছে যি সঁচাকৈয়ে এক আশ্চৰ্যকৰ বিষয়। মধ্য যুগতো যে অসম ভূমিত সংগীতৰ চৰ্চা অতি উচ্চ মানৰ আছিল ইয়াৰ পৰাই জানিব পাৰি।

গীতি-ৰামায়ণত কবিৰ দৃষ্টিভংগী বিচাৰ কৰিলে পোনতে দেখা যায় যে ৰাগৰ প্ৰধান গীতৰ মাজেৰে ৰামায়ণৰ কাহিনী বৰ্ণনাৰ জৰিয়তে কবিয়ে বিয়াহৰ ওজাপালিক উদ্দেশ্য কৰিয়েই হয়তো ৰচনা কৰিছিল। সেয়ে ৰাম-সীতাৰ কাহিনীত থলুৱা ৰহণ সানি কোনো কোনো অংশত অধিক কৰুণ ৰসৰ সঞ্চাৰ কৰে। বৰ্তমানো নামনি অসমৰ বহুবোৰ অঞ্চলত *গীতি-ৰামায়ণৰ* গীতবোৰ ওজাপালি অনুষ্ঠানৰ কেন্দ্ৰবিন্দু হোৱা দেখা যায়। কবিয়ে ৰাম সীতাৰ বিৰহৰ মাজেদি সাধাৰণ চহা লোকৰ দৈনন্দিন বিৰহক কিছু পৰিমাণে কম কৰিব পাৰিব বুলি ভাবিছিল। দুৰ্গাবৰক কানো কোনো সমালোচকে গাঁৱলীয়া কবি বুলি কৈছে যদিও তেওঁ একেবাৰে সংস্কৃত জ্ঞানশূন্য, অনভিজ্ঞ কবি আছিল তেনে নহয়। কিয়নো *গীতি-ৰামায়ণৰ* প্ৰতিটো পদেই স্বকীয় প্ৰতিভা আৰু কাব্যগুণৰ সমৃদ্ধতাৰ প্ৰমাণ বহন কৰে। ৰাম সীতাৰ দৰে ভগৱানৰ অৱতাৰী চৰিত্ৰক কবিয়ে একেবাৰে পৃথিৱীৰ সাধাৰণ তেজ-মঙহৰ মানুহৰ ৰূপত অংকন কৰিছে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে সীতাক ৰাৱণে হৰণ কৰাৰ পাছত ৰামে সীতাই বনত কষ্ট পায় নিজেই আঁতৰি যোৱা বুলি কৰা সন্দেহে ৰামক সাধাৰণ মানুহৰ চিন্তা শক্তিৰ লগত ৰিজাব পাৰি। যি সময়ত ৰাৱণে সীতাক দেখি সীতাৰ ৰূপ-সৌন্দৰ্যৰ চৰ্চা মাৰীচৰ লগত কৰিছে; তেনে বৰ্ণনাৰ অন্তৰালতো ৰাৱণক কোনো ৰাজ্যৰ পৰাক্ৰমী ৰজাৰ দৰে অনুভূত নহৈ সাধাৰণ মানুহৰ দৰেহে লাগিছে, যিজনে এগৰাকী নাৰীক মাথো নাৰী হিচাপেহে চাব বিচাৰিছে। কেৱল এয়াই নহয়, চন্দ্ৰ-সূৰ্য, পৃথিৱী-বায়ু, নদী আদিয়েও দুৰ্গাবৰৰ *গীতি-ৰামায়ণত* মিছা কথা কয় যাৰ বাবে সীতাই সিহঁতক অভিশাপ প্ৰদান কৰিছে। ভাৰতীয় দৰ্শনত, আত্মা-পৰমাত্মাৰ যি স্থিতি সেই বিষয়েও *গীতি-ৰামায়ণত* উল্লেখ আছে। হিন্দু পৰম্পৰা অনুসৰি পিণ্ড দিয়াৰ যি ব্যৱস্থা তাকো কবিয়ে অতি সুন্দৰ ৰূপত উপস্থাপন কৰিছে। পিণ্ড দিয়াৰ অধিকাৰ কেৱল মাত্ৰ পুত্ৰ সন্তানেহে পালন কৰা ধৰণৰ ৰীতি-নীতিবোৰো বৰ্ণিত হৈছে। শৰীৰ ত্যাগৰ পাছত পূণ্য আত্মা স্বৰ্গলৈ যাত্ৰা কৰে। দশৰথো মৃত্যুৰ পাছত স্বৰ্গৰাজ্যৰে অধিবাসী, পিণ্ড গ্ৰহণ কৰি তেওঁ পুনৰ স্বৰ্গলৈ বুলি যাত্ৰা কৰে।

দুর্গাবৰে সকলো চৰিত্রকে মানৱীকৰণ কৰিছে। য'ত দুখ, সুখ, খং, ৰাগ আদিবোৰ চিৰন্তন সত্য ৰূপত দেখা গৈছে। নিজ পত্নী অবিহনে ৰাম দুখত ভাঙি পৰিছে, পত্নীৰ লগত বনত আনন্দ- উৎসৱো কৰিছে, পত্নীৰ বতৰা দিব নোৱাৰা চাকৈ চকোৱাক অভিশাপ দিছে; কোনো কোনো সময়ত সাধাৰণ মানৱ হিচাপে পত্নীক অবিশ্বাস আৰু সন্দেহৰ দৃষ্টিৰেও চাইছে। তথাপি ঠায়ে-ঠায়ে বীৰ ৰসৰ উদ্রেকে ৰামক অৱতাৰী পুৰুষ হিচাপেও প্রতিপন্ন কৰিছে। মূল কথাবস্তু বর্ণনাৰ বাবে ব্যৱহাৰ কৰা গীতিবোৰে বাক্য লগতে কবিৰ মানসিকতাক অতি স্বচ্ছতাৰে প্রদর্শন কৰিছে। মূল ৰামায়ণত নথকা চৰিত্রৰ মানসিক জগতখনত প্রৱেশ কৰিবলৈ থলুৱা কবিৰ অহ�ৰহ চেষ্টা। সেয়ে মূলৰ কাহিনীৰ পৰা বহুসময়ত আঁতৰি আহি নিজাকৈ পৰিবেশ পৰিস্থিতিৰ সৃষ্টি কৰি পাঠক শ্রোতাৰ সহানুভূতি বুটলিবলৈ সক্ষম হৈছে। সাধাৰণ মানুহৰ চিৰন্তন মানৱীয় অনুভূতিক কবিয়ে অধিক গুৰুত্ব সহকাৰে লৈ প্রকাশ কৰিছে। দুর্গাবৰে ৰাৱণে সীতাক হৰণ কৰাৰ পাছত সীতাৰ মনৰ ভাৱ প্রকাশ কৰিব পৰাকৈ এটি বিলাপ গীত ৰচনা কৰিছে—

"অ কি বিধিহে—
কর্ম বন্ধ এৰাইতে ন পাৰি।
নির্ম্মল কুলৰ মাজে কলংক ৰাখিলো হে—
এবে ভৈলো কুল খিলিঙ্কাৰি।।
মই অলক্ষিণী লাগি প্রভুক পঠাইলো হে—
লক্ষ্মণকো পঠাইলো উদ্দেশে।
শূন্য গৃহ পায়া মোক ৰাৱণে হৰিলা হে—
নষ্ট ভৈলো আপোনাৰ দোষে।।"

ইয়াত সীতা এগৰাকী তেনেই সাধাৰণ নাৰী; যিয়ে ৰাৱণক প্রত্যুত্তৰ দিয়াৰ বিপৰীতে নিজৰ ওপৰতে দোষাৰোপ কৰি বিলাপ কৰিছে। দৰাচলতে সীতাৰ কি দশা হৈছিল সেই কথা আন আন কবিয়ে বর্ণনা নকৰাকৈ গৈছিল। দুর্গাবৰে মাথো সকলো পাঠকৰ মনৰ পৰা সন্দেহৰ ভাব আঁতৰাই সহানুভূতিৰ ভাৱহে জগাই তুলিছে।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে দুর্গাবৰে মৌলিক প্রতিভাৰে ৰামায়ণ'ক এটা ন ৰূপত সজালে, য'ত মানৱীয় অনুভূতি-আৱেগ মূল্যবোধ আৰু মানসিক জগতখনেও স্থান লাভ কৰিলে।

১২.৬ *গীতি-ৰামায়ণ* আৰু বাল্মীকিৰ *ৰামায়ণ*

দুর্গাবৰ কায়স্থই ৰচনা কৰা ৰামায়ণখনক দুর্গাবৰী ৰামায়ণ বা *গীতি-ৰামায়ণ* বুলি জনা যায়। ভাৰতীয় জনমানসত *ৰামায়ণ*ৰ গুৰুত্ব সর্বাধিক হোৱাই নহয়, যুগ যুগ ধৰি এই মহাকাব্যই ভাৰতীয় সভ্যতাৰ ঐতিহ্য বহন কৰি আহিছে। ৰচনাৰ কাল অনুসৰি বৈদিক সাহিত্যৰ পাছতেই ৰামায়ণৰ স্থান। ভাৰতীয় ঐতিহ্যৰ *ৰামায়ণ*ক আদি কাব্য আৰু বাল্মীকিক আদি কবি হিচাপে অভিহিত কৰা হয়। বাল্মীকিৰ দ্বাৰা ৰচিত মূল কাহিনীত কোনো কথা-কাহিনী অথবা তত্ত্বাদর্শৰ

দ্বাৰা আচ্ছাদিত হোৱা নাই বৰং মূল কাহিনীকহে প্ৰাধান্য দিয়া হৈছে। লগতে কাব্যিকতাও বাল্মীকিৰ *ৰামায়ণ*ৰ এক অনন্য সৌন্দৰ্য্যৰ আকৰ। প্ৰকৃতি চিত্ৰণ, ৰাজ প্ৰসাদৰ বিলাসিতাত চকু চাট মৰা জাক্‌জমকতা, বহু সময়ৰ সংকটপূৰ্ণ পৰিস্থিতিত মানৱ মন আৰু চৰিত্ৰৰ প্ৰতিক্ৰিয়া, চৰিত্ৰৰ উপযুক্ত বৰ্ণনাৰ ৰসিকতাই যুগে যুগে সকলোৰে হৃদয়ত ঘৰ সাজি আহিছে।

দুৰ্গাবৰ *গীতি-ৰামায়ণ*ত বাল্মিকীৰ *ৰামায়ণ*খনৰ পোনপটীয়া প্ৰভাৱ স্পষ্ট নহ'লেও দুৰ্গাবৰেও তেওঁৰ *গীতি-ৰামায়ণ*খনিত উপ-কথা কাহিনীৰ সংযোজনত সীমাবদ্ধতা আৰোপ কৰিছে। গদ্য-পদ্য দুয়োটাই ব্যৱহাৰ কৰি কাহিনীবস্তু বৰ্ণনা কৰিবলৈ বিচাৰিছে যদিও মূল ৰাম-সীতা বা অন্যান্য মহাকাব্যিক চৰিত্ৰৰ মাহাত্ম্যত কোনো প্ৰভাৱ পৰিবলৈ দিয়া হোৱা নাই। একেদৰে বাল্মীকিৰ ৰামায়ণত কাব্যিক সৌন্দৰ্যই যিদৰে মনোহাৰীত্ব প্ৰদান কৰিছে; একেদৰে থলুৱা কবিৰ গীতিধৰ্মিতাই *গীতি-ৰামায়ণ*ৰ মাধুৰ্য্য বৃদ্ধি কৰিছে বুলি নিঃসন্দেহে ক'ব পাৰি। সংস্কৃত আলংকাৰিকসকলৰ দৰে তাত্ত্বিক বৰ্ণনাৰ পৰা বিৰত থাকিলেও দুৰ্গাবৰে প্ৰাদেশিক অভিজ্ঞতাৰে গীতিৰাজিৰ মাজেদি যি ৰসাস্বাদন কৰিছে সি সঁচাকৈয়ে অপূৰ্ব।

কাহিনীৰ উপস্থাপনৰ ক্ষেত্ৰত বাল্মীকিৰ *ৰামায়ণ* আৰু দুৰ্গাবৰৰ *গীতি-ৰামায়ণ*ৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। কাণ্ডবোৰত কাহিনীৰ কিছু সাল-সলনি ঘটিলেও মূল কাহিনীত কোনো বৃহৎ পৰিৱৰ্তন সাধন হৈছে বুলি ক'ব পৰা নাযায়। সৰু বৰ কিছু ঘটনাক এৰা ধৰা কৰা অৱশ্যে হৈছে। সৰ্বভাৰতীয় পটভূমিৰ মহাকাব্যত আঞ্চলিকতাৰ প্ৰলেপ সানিবলৈ যাওঁতে কোনো কোনো অংশত বঢ়া-টুতা হোৱাটো অস্বাভাৱিক ঘটনা নহয় বুলিবই লাগিব। যিহেতু দুৰ্গাবৰৰ ৰামায়ণত অৰণ্যকাণ্ডটো সবাতোকৈ বৃহৎ, গতিকে তাত বহুবোৰ ঘটনাৰ সমাৱেশ নিশ্চিত। অৰণ্যকাণ্ডৰ পিছলৈ কাণ্ডবোৰ ক্ৰমে সংকুচিত হৈ পৰিছে। আনহাতে বাল্মিকীৰ লংকা কাণ্ড সবাতোকৈ ডাঙৰ, তাৰ পাছতহে অযোধ্যাকাণ্ড। দুৰ্গাবৰে তেওঁৰ *গীতি-ৰামায়ণত* উত্তৰাকাণ্ডত ৰাম ৰাজ্যাভিষেকতে কাব্যৰ পৰিসমাপ্তি কৰিছে। বাল্মিকীৰ ৰামায়ণত ৰামৰ ৰাজ্যাভিষেকৰ পিছত সীতাৰ নিৰ্বাসন, ৰামৰ অশ্বমেধ যজ্ঞ, লৱকুশৰ জন্ম আৰু ৰামায়ণ গীত, সীতাৰ পাতাল প্ৰৱেশ, লক্ষ্মণ বৰ্জন, ৰামৰ স্বৰ্গাৰোহণ আদিৰ সবিশেষ বৰ্ণনা পোৱা গৈছে। ৰামৰ ৰাজ্যাভিষেকৰ কাহিনীভাগ বাল্মীকি আৰু মাধৱ কন্দলী দুয়োৰে ৰামায়ণৰ লংকাকাণ্ডৰহে ভিতৰুৱা। লংকাকাণ্ডক যুদ্ধকাণ্ড হিচাপেও জনা যায়। দুৰ্গাবৰক গাঁৱলীয়া কবি বোলা হয় যদিও তেওঁ যে পাণ্ডিত্যৰ গোন্ধ নথকা Unsophisticated কবি আছিল এনে কথাও ক'ব নোৱাৰি। সংস্কৃতত পাণ্ডিত্য কিমান আছিল আমি জনাৰ উপায় নাই, কাৰণ তেওঁৰ ৰামায়ণে বাল্মীকিৰ লগত পৰিচয় থকাৰ প্ৰমাণ দাঙি নধৰে। কিন্তু তেওঁ যে কাব্য পৰম্পৰাৰ লগত কিছু পৰিচিত আছিল সেই বিষয়ে তেওঁৰ ৰচনাৰ নিদৰ্শনে ঠায়ে ঠায়ে স্পষ্টকৈ দাঙি ধৰে।

আগতেই উল্লেখ কৰি অহা হৈছে যে দুৰ্গাবৰৰ *গীতি-ৰামায়ণ* কবিৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰ। সেয়ে এনে বহুবোৰ ঘটনাৰ স্থান-কাল তেওঁ আপোনভাৱে সজাইছে যে কাহিনীবস্তুৰ গৰিমা যাতে অব্যাহত থাকে। যেনে— বাল্মীকিৰ ৰামায়ণত অযোধ্যাকাণ্ডতে মন্দাকিনী নদীৰ জলত তৰ্পন কৰি ইঙ্গুটি ফলেৰে ৰামে ভৰত আৰু বশিষ্ঠ আদিৰ উপস্থিতিত ৰজা দশৰথক

পিণ্ডদান কৰে। কিন্তু দুর্গাবৰৰ ৰামায়ণত অৰণ্যকাণ্ডৰ আৰম্ভ কৰিছে দশৰথৰ গয়াপিণ্ড দানৰ বর্ণনাৰ যোগেদি। ৰামে ভৰতক আশ্বাস দি অযোধ্যালৈ পঠায় গয়াত দশৰথক পিণ্ড দিবলৈ পূবলৈ উজাই আহে। ৰাম-লক্ষ্মণে পিণ্ডৰ বাবে বনৰ পৰা ফল-ফুল সংগ্রহ কৰি লৈ যাওঁতে সীতাই ফল্গু নদীৰ বালিৰে পিণ্ড সাজি কৌতুক কৰি থকা অৱস্থাত দশৰথ আহি দেখা দি সীতাৰ বালিৰ পিণ্ড গ্রহণ কৰি স্বর্গলৈ যায় যদিও ৰাম-লক্ষ্মণে এই কথা বিশ্বাস নকৰি সেই সময়ত সাক্ষী হিচাপে থকা চন্দ্র, সূর্য, পৃথিৱী, বায়ু, ব্রাহ্মণ আৰু ফল্গু নদীক মাতি আনি সোধ-পোছ কৰে। সীতাৰ হাতে বালিৰ পিণ্ড গ্রহণৰ ঘটনা বাল্মীকিৰ ৰামায়ণত যিদৰে উল্লেখ নাই, একেদৰে কন্দলীৰ ৰামায়ণতো নাই। ই দুর্গাৱৰৰ স্বকীয় সৃষ্টি। কবিয়ে এনে ধৰণৰ ঘটনাৱলীৰ মাজেদি সীতাৰ প্রতি পাঠক-শ্রোতাৰ সহানুভূতি অধিক পৰিমাণে আকর্ষণ কৰিব বিচৰা যেন লাগে। ইয়াৰোপৰি দুর্গাৱৰ *'গীতি-ৰামায়ণ*ৰ অৰণ্যকাণ্ডত ৰামে চাকৈ-চকোৱাক শাপ দিয়া আৰু বগলীৰ মুখৰ পৰা সীতা হৰণৰ সম্ভেদ পোৱা এই দুয়োটা কথাৰে উল্লেখ বাল্মীকিৰ ৰামায়ণত পোৱা নাযায়।

উপৰোক্তবোৰৰ বাহিৰেও দুর্গাৱৰৰ *গীতি-ৰামায়ণত* পোৱা সীতাৰ দ্বাৰা মায়া অযোধ্যাৰ সৃষ্টি, চিত্রাৱলী চতুর্দশীৰ মোট খেলৰ আনন্দ আদিবোৰো বাল্মীকিৰ ৰামায়ণত পোৱা নাযায়। থলুৱা কবিয়ে অসমৰ প্রকৃতিৰ লগতে নাৰীৰ মনৰ ভাৱ প্রকাশৰ বাবেই হয়তো এনে ধৰণৰ সংযোজন কৰিছিল। এইবোৰৰ জৰিয়তে ৰামৰ প্রতি সীতাৰ অগাধ প্রেম আৰু ৰাম সীতাৰ আনন্দ বিহ্বলতাৰ মাজেদি সাধাৰণ জনতাক আত্মিক সম্পর্ক আৰু সুখৰ সংজ্ঞা আদি সামান্যতম আভাস প্রদান কৰিছে। দুর্গাবৰৰ ৰচনাত কৈকেয়ী এগৰাকী একেবাৰে স্বার্থপৰ আৰু জেদী প্রকৃতিৰ নাৰী হিচাপে অংকিত হৈছে—

"কৈকেয়ী থাকিল এক বিষ লাৰু লই
ৰামে যদি নামাতে মৰিবো বিষ খাই।।"

উত্তৰাকাণ্ডৰ এই পদটিৰ মতে কৈকেয়ীয়ে হাতত বিষ দি তৈয়াৰ কৰা লাডু লৈছে, যদিহে ৰামে তেওঁ সম্ভাষণ নকৰে বা মাত নিদিয়ে তেওঁ সেই লাডু সেৱন কৰিব। কিন্তু বাল্মীকিৰ ৰামায়ণত এনে কোনো কথা বা কাহিনীৰ অৱতাৰণা পাবলৈ নাই, ইত্যাদিবোৰৰ বাহিৰেও দুর্গাবৰ *গীতি-ৰামায়ণ* আৰু বাল্মীকিৰ *ৰামায়ণৰ* মাজৰ মূল প্রভেদটো হ'ল চৰিত্রৰ সাধাৰণীকৰণ, কৰুণ ৰসৰ প্রাধান্য আৰু কাহিনীৰ সংক্ষিপ্ততা। বাল্মীকিৰ অৱতাৰী চৰিত্র ৰাম-সীতা দশৰথ লক্ষ্মণ আদিবোৰ দুর্গাবৰ *গীতি-ৰামায়ণৰ* বেছি স্থানতে সাধাৰণ মানৱ হিচাপে অংকিত হৈছে। আনহাতে পৰিস্থিতি সাপেক্ষে যিদৰে গীতৰ জৰিয়তে কৰুণ ৰসৰ সঞ্চাৰ কৰিছে সি মূল ৰামায়ণত পোৱা নাযায়। ৰাৱণে সীতাক হৰণ কৰাৰ সময়ত সীতাৰ মনৰ ভাৱ প্রকাশক গীতটো ইয়াৰ উৎকৃষ্ট উদাহৰণ বুলিব পাৰি। লগতে মহর্ষি বাল্মীকিৰ দ্বাৰা ৰচিত আদি কাব্য *ৰামায়ণক* থলুৱা ৰূপত সজাবলৈ যাওঁতে মূলৰ পৰা বহুত সময়ত আঁতৰি আহিছে। বাল্মীকিৰ ৰামায়ণৰ বহুবোৰ পৰিস্থিতি তথা ঘটনাক সংক্ষিপ্ত কৰিছে আৰু আনুসংগিত ঘটনাক একেবাৰে এৰি গৈছে। তথাপি মূল কাহিনীৰ গতিক অব্যাহত ৰাখিবলৈ অহৰহ চেষ্টা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ *গীতি-ৰামায়ণত* মুঠতে কিমানটা ৰাগৰ গীত পোৱা যায়?

.....

প্রশ্ন নং ৭ ঃ *গীতি-ৰামায়ণৰ* গীতবোৰত ৰাগৰ লগতে তাল নির্দিষ্ট কৰা আছেনে?

.....

প্রশ্ন নং ৮ ঃ 'আদি কবি' বুলি কাক কোৱা হয়?

.....

প্রশ্ন নং ৯ ঃ কোনখন কাব্যক 'আদি কাব্য' বোলা হয়?

.....

১২.৭ *গীতি-ৰামায়ণ* আৰু কৃত্তিবাসী *ৰামায়ণ*

দুর্গাৱৰ আৰু কৃত্তিবাস দুয়োজনৰে ৰামায়ণৰ মূল আধাৰ সুকীয়া। কৃত্তিবাসৰ ৰামায়ণ বাল্মীকিৰ ৰামায়ণৰ ওপৰত অধিক পৰিমাণে আধাৰিত আৰু কবি দুর্গাবৰৰ *গীতি-ৰামায়ণত* আকৌ বাল্মীকিৰ পৰশ স্পষ্টকৈ দেখাই নাযায়। আনহাতে দুর্গাবৰৰ ৰামায়ণৰ আধাৰ গ্রন্থ প্রাক শংকৰী যুগৰ শ্রেষ্ঠ কবি মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণখন। এই দিশত মন কৰিবলগীয়া কথাটো হ'ল যে মাধৱকন্দলী আৰু কৃত্তিবাস দুয়োৱে ৰামায়ণৰ মূল আধাৰ আকৌ বাল্মীকিৰ ৰামায়ণ। কিন্তু দুয়োগৰাকীয়ে তেওঁলোকৰ ৰচনাত মূলৰ আক্ষৰিক অনুবাদ কৰা নাছিল অর্থাৎ বিষয়বস্তুত মৌলিকতা আৰোপ কৰিছিল। সেয়ে প্রতিগৰাকী ৰামায়ণ ৰচোঁতাৰ কাহিনীত কিছু পৰিমাণে নতুনত্বৰ সঞ্চাৰ ঘটিছে।

কৃত্তিবাসৰ *ৰামায়ণতো* মূলত পাঁচোটা কাণ্ড আছে— অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিষ্কিন্ধ্যাকাণ্ড, সুন্দৰাকাণ্ড, লংকাকাণ্ড। একেদৰে দুর্গাবৰৰ *গীতি-ৰামায়ণতো* পাঁচটা কাণ্ডহে উদ্ধাৰ হয়— অৰণ্যকাণ্ড, কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰাকাণ্ড, লংকাকাণ্ড, আৰু উত্তৰাকাণ্ড। কাণ্ডৰ ফালৰ পৰা পাঁচটা কাণ্ডত ৰামায়ণ দুখন পোৱা যায় যদিও কাণ্ডবোৰৰ মাজত কিছু অমিল দেখা যায়। কৃত্তিবাসৰ ৰামায়ণৰ অযোধ্যাকাণ্ডত শ্রীৰামচন্দ্রৰ ৰাজ্য অভিষেক আয়োজনৰ উদ্যোগ গ্রহণ কৰি সমস্ত অযোধ্যা নগৰত আনন্দ উৎসৱ অব্যাহত থাকে। মন্থৰাৰ কুমন্ত্রণাত কৈকেয়ীয়ে কিদৰে ৰামক বনবাসৰ বাবে দশৰথক পতিয়ন নিয়াই আৰু ভৰতক ৰজা পাতিবলৈ মান্তি কৰাই এই কাণ্ডতেই ৰাম বনলৈ গৈছে, দশৰথৰ মৃত্যু ঘটিছে। সীতাই দশৰথক পিণ্ড দিছে, সীতাৰ দ্বাৰা ব্রাহ্মণ, তুলসী, ফল্গু নদী আদি শাপগ্রস্ত হৈছে আৰু বটবৃক্ষক আশীর্বাদ দিছে।

আনহাতে দুর্গাবৰৰ *গীতি-ৰামায়ণ* অযোধ্যাকাণ্ডৰ কথা উল্লেখ আছে যদিও কি ঘটনা সন্নিবিষ্ট হৈছে জানিব পৰা নাযায়। অৰণ্যকাণ্ড আৰম্ভ হৈছে দশৰথৰ পিণ্ডদান কৰা কার্যৰ

যো-জা কৰাৰ পৰা। গতিকে দুর্গাবৰৰ কাহিনী অনুসৰি ৰাম বনবাসলৈ যাবলগীয়া হোৱা, দশৰথৰ মৃত্যু আদিবোৰৰ উল্লেখ নাই। এইখিনিতে মন কৰিবলগীয়া কথা হ'ল যে কৃত্তিবাসৰ ৰামায়ণতো সীতাই দশৰথক পিণ্ড দান কৰাৰ কথা অযোধ্যাকাণ্ডত স্থান পাইছে, যি ঘটনা দুর্গাবৰৰ অৰণ্যকাণ্ডটো পোৱা গৈছে। কৃত্তিবাসে সংক্ষেপতে বর্ণনা কৰিলেও সীতাই ব্রাহ্মণ, তুলসী আৰু ফল্গু নদীক অভিশাপ দিয়াৰ কথাও জানিব পাৰি। এই ক্ষেত্রত সত্যেন্দ্রনাথ শর্মাই তেওঁৰ *ৰামায়ণৰ ইতিবৃত্ত* গ্রন্থত দুর্গাবৰী *গীতি-ৰামায়ণৰ* এই ঘটনা বাল্মীকি অথবা কন্দলী দুয়োখনতে নাই বুলি স্পষ্টকৈ কৈছে। কৃত্তিবাসী ৰামায়ণত সীতাই বালিৰ পিণ্ড দিয়া কথাটো অলপ ইফাল-সিফাল ৰূপত পোৱা গৈছে বুলিহে কয়।

দুর্গাবৰৰ অৰণ্যকাণ্ডত ৰামে চাকৈ চকোৱাক অভিশাপ দিয়া আৰু বগলীৰ মুখৰ পৰা সীতাহৰণৰ সম্ভেদ পোৱা এই দুটা কথা বাল্মীকি বা মাধৱ কন্দলীৰ ৰামায়ণত পোৱা নাযায়। কৃত্তিবাসী ৰামায়ণৰ অৰণ্য কাণ্ডত পোৱা যায় যে ৰামে সীতান্বেষণ কৰোঁতে চক্রবাক (চকোৱা) চৰাইক সোধাত চৰাইটোৱে উপহাস কৰি কয়, 'তোমালোক দুজন ডেকা মানুহ হৈ এজনী নাৰীক ৰক্ষা কৰিব নোৱাৰিলা। মই সামান্য চৰাই হৈয়ো দুজনী পত্নীক ৰক্ষা কৰিবলৈ সমর্থ হৈছো। ক্ষত্রিয় হৈ নিজৰ পত্নীক ৰক্ষা কৰিব নোৱাৰাটো লাজৰ কথা।' ৰামে তাক ৰতিসুখৰ পৰা বঞ্চিত হ'বলৈ শাও দিয়ে আৰু পত্নীৰ পৰা পৃথক হৈ থাকিব লাগিব বুলি কয়।

(১) কৃত্তিবাসৰ মতে ৰামে শ্রাদ্ধৰ বস্তু যোগাৰ কৰিবলৈ নিজৰ হাতৰ আঙঠি বেচিবলৈ গাঁৱলৈ যাওঁতে দশৰথে দর্শন দি সীতাক পিণ্ড খোজে। সীতাই ব্রাহ্মণ, তুলসী আৰু ফল্গুক সাক্ষী ৰাখি পিণ্ড দান কৰে। ৰাম আহিলত সিহঁতে মিছা মতাত সীতাই শাও দিয়ে, কিন্তু বৰগছে সত্য কোৱাত ৰামে বৰগছক অক্ষয় হ'বলৈ আৰু সীতাই গ্রীষ্মকালত বৰ গছৰ ছায়া শীতল আৰু শিশিৰত উষ্ম হ'বলৈ বৰদান কৰে।

দুর্গাবৰ কিষ্কিন্ধ্যাকাণ্ডৰ কাহিনীৰ লগত পূর্বভাৰতীয় কবি কৃত্তিবাসৰ ৰামৰ কিষ্কিন্ধ্যাকাণ্ডৰ লগত বহুতো মিল থকা পৰিলক্ষিত হয়। দুর্গাবৰৰ কিষ্কিন্ধ্যাকাণ্ডৰ কাহিনী আৰম্ভ হৈছে সীতাৰ হৰণৰ পাছত হনুমানৰ ব্রাহ্মণ ৰূপে বনত থকা ৰাম লক্ষ্মণক সংগ দিয়াৰ পৰা কাহিনীৰ আৰম্ভণি হৈছে, একেদৰে কৃত্তিবাসৰ ৰামায়ণতো কিষ্কিন্ধ্যাকাণ্ডৰ আগতে সীতাৰ হৰণ কার্য্য সমাপন হৈছে। ইয়াৰোপৰি ৰাম আৰু সুগ্রীৱৰ চিনাকী, বালি সুগ্রীৱৰ যুদ্ধ, বালিৰ মৃত্যু, বালি পত্নীৰ ৰামক নিন্দা আদি ঘটনাৰো দুর্গাবৰৰ *গীতি-ৰামায়ণৰ* একেটা অধ্যায়ৰে অংশ।

একেদৰে আন আন কাণ্ডবোৰো বহু পৰিমাণে মিল থকাটো পৰিলক্ষিত হয়। হয়তো দুয়োগৰাকী থলুৱা কবিয়ে মূল ৰামায়ণৰ কাহিনী প্রক্ষিপ্ত কৰাৰ প্রয়াসৰ বাবেই উপস্থাপন একে ধৰণৰ হৈ পৰিছে। তাৰোপৰি ৰচকৰ দৃষ্টিভংগীও বিশেষভাৱে মন কৰিবলগীয়া। দুয়োগৰাকীৰ সম্মুখত এখন সমাজ আছিল, যি সমাজক অবলম্বন কৰি তেওঁলোকে ৰচনা কৰিবলৈ লৈছিল। সেয়ে হয়তো মিল ৰৈ গৈছিল। অৱশ্যে পার্থক্যও নথকা নহয়।

১২.৮ *গীতি-ৰামায়ণ* আৰু মাধৱ কন্দলিৰ *ৰামায়ণ*

দুর্গাৱৰৰ *গীতি-ৰামায়ণ*ৰ কথাবস্তু ধীৰ গতিত আৰম্ভ হৈ দ্রুত পদক্ষেপত শেষ হৈছে। অৰণ্যকাণ্ডৰ ঘটনাৱলী কবিয়ে ধীৰে ধীৰে উন্মোচন কৰিছে। এই কাণ্ডতেই সমস্ত সৃজনশীল প্রতিভা নিয়োগ কৰি সীতাহৰণৰ কাৰুণ্য আৰু বিচ্ছেদ ব্যথা কবিয়ে বর্ষাপ্লাৱণৰ দৰে ধাৰাষাৰে বোৱাই দিছে আৰু সেই কাৰণে পূর্বকবিৰ ৰচনাৰ প্রভাবো এই কাণ্ডত আন কাণ্ডৰ তুলনাত কম। প্রসংগক্রমে উল্লেখযোগ্য যে পূর্বকবি অপ্রমাদী মাধৱ কন্দলিৰ ৰামায়ণৰ সার্বিক প্রভাৱ *গীতি-ৰামায়ণ*ৰ ওপৰত পৰিছে আৰু বহু ঠাইত কন্দলিৰ পদাৱলী যথাযথভাৱে দুর্গাবৰে বর্ণনাত্মক অংশত ব্যৱহাৰ কৰিছে; কোনো কোনো বর্ণনাত কন্দলিৰ পদ ঠায়ে ঠায়ে জঁপিয়াই চমু কৰিছে আৰু কেতিয়াবা কন্দলিৰ বাক্য আৰু কথাকে ছন্দৰ পৰিৱর্তন ঘটাই দুই চাৰিটা শব্দ সংযোগ কৰি প্রকাশ কৰিছে। কিন্তু চৰিত্রৰ চিন্তা, অনুভূতি, আৱেগে য'ত প্রাধান্য লাভ কৰিছে তাতে স্বপ্রতিভা প্রকাশৰ সুৰুঙা উলিয়াই কবি গীতিমুখৰ হৈ পৰিছে। সেই কাৰণেই কবি দুর্গাবৰৰ কৃতিত্ব প্রকাশ পাইছে গীতসমূহৰ আৱেগজনিত চাৰিত্রিক আত্মপ্রকাশত।

কাহিনীৰ পৰিসৰলৈ চালে দুর্গাবৰ আৰু কন্দলিৰ *ৰামায়ণ*ৰ মাজত সৰু পার্থক্য দেখা যায় যদিও দুর্গাবৰৰ *গীতি-ৰামায়ণ* মূল আধাৰ গ্রন্থ কন্দলিৰ *ৰামায়ণ,* তথাপি দুর্গাবৰে তাতো প্রক্ষিপ্ত কৰা পৰিলক্ষিত হয়। কাণ্ডবোৰত প্রয়োগ কৰা পদ-ত্রিপদীৰ সংখ্যাৰ পৰাই কোনটো কাণ্ডত কবিয়ে কিমান মনোনিবেশ কৰিছিল তাৰ আভাস পাব পাৰি। দুর্গাবৰৰ 'ৰামায়ণ'ত অযোধ্যাকাণ্ডৰ উল্লেখনহে হোৱা দেখা পোৱা গৈছে, তাৰ কোনো পদ বা গীতৰ কথা জনা নাযায়। আনহাতে মাধৱ কন্দলীৰ অযোধ্যাকাণ্ডৰ পদ-ত্রিপদীৰ সংখ্যা ১২৫৪ আৰু দুর্গাবৰ লংকাকাণ্ডত মাত্র ৭৫ টা পদ ত্রিপদীৰ বিপৰীতে কন্দলিৰ লংকাকাণ্ডত ২,৩৩৫ টা পদ-ত্রিপদী আছে। এইবোৰ কথাই প্রমাণ কৰে যে দুর্গাবৰে কন্দলিৰ ৰামায়ণক আর্হি হিচাপে গ্রহণ কৰিলেও বহু ঠাইত বহু পৰিমাণে সংক্ষিপ্ত কৰিছে।

দুর্গাবৰৰ ৰামায়ণত মাধৱ কন্দলিত থকা কিছুমান কথা এৰি জঁপিয়াই গৈছে আৰু সেইখিনিৰ অভাৱ পূৰণ কৰিছে গীতৰ প্রাচুর্যেৰে। মাধৱ কন্দলিৰ ৰামায়ণত থকা, কিন্তু দুর্গাবৰে বাদ দিয়া প্রধান ঘটনাৰ ভিতৰত বিৰাধ বধ, বাতাপি ইল্বল বৃত্তান্ত, সাগৰ পাৰ হওঁতে হনুমানে পোৱা বাধা, সুগ্রীৱৰ সৈন্য আহৰণৰ বিৱৰণ, স্বয়ংপ্রভাৰ কাহিনী, লংকাত চন্দ্রলোকত হনুমানৰ লংকা নগৰী দর্শন আৰু তাৰ বিৱৰণ, ৰাক্ষস সেনাৰ লগত হনুমানৰ যুদ্ধ, কপিসৈন্যৰ দ্বাৰা ৰাৱণৰ মধুবন ধ্বংস, অংগদৰ দৌত্যকার্য, বিভিন্ন ৰাক্ষস সেনাপতিৰ লগত ৰামসৈন্যৰ যুদ্ধৰ বিৱৰণ, ৰামলক্ষ্মণৰ নাগপাশত বন্ধন, কুম্ভকর্ণ আৰু ইন্দ্রজিতৰ যুদ্ধ আৰু পতন, লক্ষ্মণৰ শক্তিশেল আদি বহুতো কথা দুর্গাবৰে হয় বাদ দিছে, নহয় প্রসংগক্রমে মাত্র উল্লেখ কৰি গৈছে। লংকাকাণ্ডৰ ঘটনা সৰহভাগেই বর্ণনাৰ পৰা বাদ পৰিছে। লংকাকাণ্ড আৰু উত্তৰাকাণ্ড ইমান খৰখেদা কিয় কৰিলে সেই বিষয়ে অনুমান কৰা টান। দৰাচলতে উত্তৰাকাণ্ড নাই বুলিলেও হয়, কাৰণ উত্তৰাকাণ্ডৰ যিখিনি বর্ণনা দিছে সেইখিনি প্রকৃততে লংকাকাণ্ডৰে কথা। মাধৱ কন্দলিৰ কিষ্কিন্ধ্যাকাণ্ডৰ পৰা আনি দুর্গাবৰে তাতে অলপ ৰং চৰাই আৰু এটা ঘটনা অৰণ্যকাণ্ডত সন্নিৱিষ্ট কৰিছে। জটায়ুৰ

ভায়েক সম্পাতি চৰাইৰ পুতেক সুপার্শ্বই সীতাহৰণ প্রসংগত ৰাৱণক দিয়া বাধা আৰু ৰাৱণৰ অনুনয়ত পথ এৰি দি ১৬ টা হাতী নখ আৰু ঠোঁটত লৈ বাপেকৰ ওচৰলৈ আহাৰ যোগাবলৈ যোৱা ঘটনাটো মাধৱ কন্দলিৰ কিষ্কিন্ধ্যাকাণ্ডৰ শেষত সম্পাতিয়ে বানৰ সৈন্যৰ আগত কৈছে। উত্তৰাকাণ্ডত কৈকেয়ীয়ে ৰামে সম্ভাষণ নকৰিলে বিষ খাবলৈ বিহৰ লাডু হাতত লৈ থকা কথা বাল্মীকি বা মাধৱ কন্দলিৰ ৰামায়ণত পোৱা নাযায়। দুর্গাবৰে লিখিছে—

"কৈকেয়ী থাকিল এক বিষ লাৰু লই
ৰামে যদি নামাতে মৰিবো বিষ খাই।।'
মাধৱ কন্দলিত আছে এনেদৰে—
'দেখিবোহা সুখ অতি পুত্র মহাবীৰ।
মনত বিষাদ বৰ ভৈলা কৈকেয়ীৰ।।
মুখত মধুৰ মনে মনে গুণি আছে।
হৃদয়ত খুৰ চলি গৈলা পাছে পাছে।।"

দুর্গাবৰৰ গীতৰ ভাষা আৰু স্বকীয় পদসমূহৰ ভাষা কথিত ভাষাৰ ওচৰ চপা, মাধৱ কন্দলিৰ ভাষাত শব্দাৱলীৰ কৃত্রিম ৰূপ নাই বুলিলেও হয়। দুই এঠাইত একেবাৰে আধুনিক গঢ় লৈছে যেনে—

'ৰাজা বোলে দ্বাৰী কোৱাগৈ লৰি
বাৰীৰ ভিতৰে যাওঁক।
আছে ৰক্ষীগণ চলোক ব্রাহ্মণ
ফল মাগি তাতে খাওক।।"

সত্যেন্দ্রনাথ শর্মাই তেওঁৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গ্রন্থত কৈছে—*গীতি-ৰামায়ণ* বাল্মীকিৰ অনুবাদ নহয় বৰং অপ্রমাদী কবি মাধৱ কন্দলিৰ ৰামায়ণৰ জনপ্রিয় সংস্কৰণ। কিষ্কিন্ধ্যা, সুন্দৰা আৰু লংকাকাণ্ডৰ পদৰ বেছি ভাগেই মাধৱ কন্দলীৰ ৰামায়ণৰ পৰা হৰণ কৰা। গীতো দুই এটা মাধৱ কন্দলীৰ বর্ণনাৰ ওপৰত প্রতিষ্ঠিত। কন্দলীৰ ৰামায়ণৰ প্রভাৱ থাকিলেও কথাবস্তু বিন্যাসত ঠায়ে ঠায়ে কন্দলীৰ পৰা আঁতৰি গৈছে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে মাধৱ কন্দলিৰ ৰামায়ণ আৰু দুর্গাবৰৰ *গীতি-ৰামায়ণ*ৰ যথেষ্ট মিল থাকিলেও দুর্গাবৰৰ স্বকীয়তাই গীতিৰামায়ণৰ সৌন্দর্য দুগুণে বৃদ্ধি কৰিছে। অসমৰ জনসাধাৰণৰ বাবে, অসমীয়া পৰিবেশেৰে ৰচনা কৰা গীতপ্রধান ৰামায়ণ সাহিত্য-সংস্কৃতিৰ বুৰঞ্জীত এক অমূল্য সম্পৰূপে যুগে যুগে বিবেচিত হৈ আহিছে।

১২.৯ *গীতি-ৰামায়ণ*ৰ বিষৱবস্তুত লোকজীৱনৰ প্রভাৱ

কবিৰাজ কন্দলিৰ পাছতে ৰামায়ণৰ কাহিনী লৈ কাব্য ৰচনা কৰোঁতাসকলৰ ভিতৰত দুর্গাবৰ কায়স্থৰ নাম প্রথমে ল'ব লাগিব। কাব্যখনৰ ৰচনাৰ সঠিক সময় জনা নাযায়। তথাপি কবিগৰাকীৰ ৰচনা ভংগীৰ পৰাই *গীতি-ৰামায়ণ* তেওঁৰ পৈণত বয়সৰ ৰচনা বুলি অনুমান কৰিব

পৰা যায়। মাধৱ কন্দলিৰ ৰামায়ণৰ গাঁৱলীয়া সংস্কৰণ বুলি *দুর্গাবৰ গীতি-ৰামায়ণ*খনক কোৱা হয়। হয়তো লোক জীৱনৰ ওপৰত ভেজা দি ৰচনা কৰাৰ বাবেই সমালোচকসকলে এই অভিধা ব্যৱহাৰ কৰে। কবিয়ে সামাজিক ৰীতি-নীতি, আচাৰ আচৰণ আদি অতি নিখুঁতভাৱে ব্যৱহাৰ কৰিছে। বিশেষকৈ চৰিত্ৰৰ মানসিক বিশ্লেষণত কবিয়ে লোক জীৱনৰ আশ্ৰয় লৈছে। বাল্মীকি বা মাধৱ কন্দলিৰ ৰামায়ণ ৰাম, সীতা লক্ষ্মণকে আদি কৰি অন্যান্য চৰিত্ৰবোৰ বেছি ভাগ সময়তে অৱতাৰী চৰিত্ৰ হিচাপে প্ৰকাশ পাইছে, কিন্তু দুর্গাবৰৰ গীতি-ৰামায়ণৰ চৰিত্ৰবোৰ একেবাৰে তেজ মঙহেৰে গঢ়া মাটিৰ মানুহ সদৃশ। সেই বাবেই মূলৰ বহু ঘটনাক দুর্গাবৰে উল্লেখ কৰা নাই। দুর্গাবৰৰ চৰিত্ৰৰ মানসিক স্থিতি প্ৰকাশত গীতবোৰে এক বিশেষ ভূমিকা পালন কৰিছে। সীতাক হেৰুৱাই ৰামে একেবাৰে সাধাৰণ মানুহৰ দৰে দুখ প্ৰকাশ কৰিছে—

"অ' কি লক্ষ্মণ, নাই বুধি সীতাক নাপায়,
নয়নৰ লোহে মোৰ পন্থুক নেদেখোঁ হে,
সন্তাপে পোৰয় মোৰ হিয়া।।
চকোৱা ভাৰ্ছিলো মোক তাক পাসৰিলো হে
গৈলো মই বৃক্ষতল লাগি
বৃক্ষত পুছিলো পাছে উদ্দিশ নাপালো হে
প্ৰিয়া হেৰুৱাইলো মৃগ লাগি।।"

সাধাৰণ মানুহৰ অনুতপ্ত হোৱা যি পৰিবেশ-পৰিস্থিতি, ৰামকো তেনে ধৰণেৰে অংকন কৰিছে। এনে ধৰণৰ আচৰণ কবিয়ে নিশ্চয় লোকজীৱনৰ পৰাই বুটলি লৈছিল।

কেৱল যে ৰামৰ দুখ বেদনাকে প্ৰকাশ কৰি কবিয়ে চৰিত্ৰটিক লোকজীৱনৰ কাষ চপাই নিছে তেনে নহয়; সীতাৰ প্ৰতিও একে দৃষ্টিভংগীয়েই দেখা গৈছে। ৰজাৰ জীয়ৰী বা প্ৰৱল প্ৰতাপী শ্ৰী ৰামচন্দ্ৰৰ পত্নী হৈও তেওঁ এগৰাকী তেনেই সাধাৰণ নাৰী যিয়ে ৰাৱণৰ দ্বাৰা অপহৃত হোৱা অৱস্থাত হুংকাৰ কৰাৰ বিপৰীতে বিলাপ কৰিছে। চৰিত্ৰটোত তেজস্বিতা নাই; আছে মাথো অভাগী হৈ পৰা বিষাদ কাতৰতাহে—

"অসতী ৰমণী সীতা পলালে অন্তৰি হে
ভাবিবো মনত ৰঘুপতি।
বনবাসে বাস কৰি বৰ দুখ পাইলা হে
সি গুণে এৰিলা নিজ পতি।।"

অসমীয়া নাৰী স্বভাৱগতভাৱে যেনেকুৱা হয় সীতাকো তেনে এক ৰূপতেই দেখা গৈছে যি নিজৰ স্বামী আৰু পৰিয়ালৰ অন্যান্য সদস্যৰ প্ৰতি অধিক আনুগত্য প্ৰকাশ কৰে। শহুৰেকৰ প্ৰতি শ্ৰদ্ধা, দেওৰেকৰ প্ৰতি অগাধ মৰম আৰু স্বামীৰ প্ৰতি অফুৰন্ত প্ৰেম আৰু ভক্তিভাৱ। সেইবাবে শহুৰেকক পিণ্ড দি এগৰাকী প্ৰকৃত বোৱাৰীৰ কৰ্তব্য পালন কৰিছে। স্বামীক দুঃখিত অৱস্থাত দেখি মায়া-অযোধ্যাৰ সৃষ্টি কৰি স্বামীক সান্ত্বনা দিব বিচাৰিছে। চৰিত্ৰবোৰৰ মানসিক বিশ্লেষণৰ বাহিৰেও কাহিনীৰ বিন্যাসতো লোক জীৱনৰ প্ৰভাৱ মন কৰিবলগীয়া। অৰণ্যকাণ্ডত সীতা হৰণৰ লগত সংগতি ৰাখি যি ধৰণে কৰুণ ৰসাত্মক গীতেৰে কাহিনী বৰ্ণনা কৰিছে, সেই

ৰসে সর্বসাধাৰণৰ চকু সেমেকাই তুলিছে। ইয়াৰোপৰি গীতবোৰত থলুৱা যোজনা, পটন্তৰ তথা জতুৱা ঠাঁচ আদিৰ ব্যৱহাৰো মন কৰিবলগীয়া—

"চন্দ্রতো সুন্দৰ দেখি মুখ অগ্রভাগ।
কেতেকীৰ বর্ণ সম দেহা অনুৰাগ।।
মৃণাল সদৃশ যেন বাহু দুইখান।
সিন্দুৰ চামৰ হৰি ৰত্নে যে শোভন।।
হৃদয় সুবর্ণ কর্ণ দেহা মধ্য ক্ষীণ।
লয়লাস গতি যায় ৰাজহংস চিন।।
নয়ন উৎপল যেন শোভিন নির্মল।
ডালিম সদৃশ তনু দেখি বিয়াকুল।।"

ইয়াৰোপৰি বনত থকা সময়ছোৱাত প্রকৃতিজগতৰ বর্ণনাতো কবি গৰাকী সততে লোক জীৱনৰ কাষ চাপিছে।তেওঁৰ ৰামায়ণত বর্ণিত সকলো ফল-ফুল, তৰু-লতা, চৰাই চিৰিকতি বা সুগন্ধি ফুল আদি সকলোবোৰ যে আমাৰ চৌপাশত সততে দেখা পোৱা, আমাৰ তেনেই চিৰ পৰিচিতহে।

চৰিত্রৰ উপস্থাপন, প্রকৃতি চিত্রণ, ৰস-অলংকাৰ সকলোতে লোকজীৱনৰ প্রভাৱ বিদ্যমান। দুর্গাবৰৰ *গীতি-ৰামায়ণ* ৰ আন এক মন কৰিবলগীয়া হ'ল ভাষাৰ ব্যৱহাৰ। গাঁৱলীয়া কবি হিচাপে খ্যাতি লাভ কৰা দুর্গাবৰে *গীতি-ৰামায়ণ* ৰ গীতত আৰু পদতো কথিত ভাষাৰ ব্যৱহাৰ কৰিছে। আগতেই উল্লেখ কৰি অহা হৈছে যে দুর্গাবৰে *গীতি-ৰামায়ণ* ত সংযোগ কৰা গীতবোৰ মূলতঃ ওজাপালিৰ ওজাই গীত হিচাপে ব্যৱহাৰ কৰিছিল। সেয়ে হয়তো ভাষাই আৰু অধিক আধুনিকতা লাভ কৰিবলৈ সক্ষম হয়। সাধাৰণতে মধ্য যুগৰ ভক্তি সাহিত্যৰ ৰচকসকলে কাব্য গ্রন্থৰ গাম্ভীর্য ৰক্ষার্থে ব্রজাৱলী ভাষাৰ ব্যৱহাৰ কৰিছিল যদিও কোনো কোনো ৰচকৰ ৰচনাত থলুৱা পৰশ বহু পৰিমাণে ৰৈ গৈছে। চৰিত্রক মানৱীকৰণ কৰা হেতুকেই হওঁক নতুবা সাধাৰণ জনগণৰ মন সহজে আকর্ষণ কৰাৰ বাবেই নহওঁক কিয়, দুর্গাবৰৰ *গীতি-ৰামায়ণ,* থলুৱা শব্দৰে ভাৰাক্রান্ত বুলিলে ভুল কৰা নহ'ব।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে দুর্গাবৰৰ *গীতি-ৰামায়ণ* ৰ প্রায়বোৰ দিশতে লোকজীৱনৰ প্রভাৱ বিদ্যমান।



১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ পৰা আমি দুর্গাবৰৰ অনবদ্য সৃষ্টি *'গীতি-ৰামায়ণ'*ৰ আটাইতকৈ দীঘল আৰু মৌলিক সৃষ্টি- অৰণ্য কাণ্ডৰ কাহিনীভাগৰ লগতে কবিৰ কাব্যিক প্রতিভাৰ বিষয়েও জানিব পাৰিলো।

- কিষ্কিন্ধ্যাকাণ্ডটো আকাৰত সৰু হ'লেও কবি গৰাকীৰ বিশেষ প্ৰতিভাৰ পৰিচয় স্পষ্ট। কাহিনী লগতে সংযোজন আৰু সংক্ষিপ্তকৰণ আদিৰ বিষয়েও জানিব পৰা গ'ল।
- অসমীয়া ভাষাত ৰচিত কাব্য খনত কবিগৰাকীৰ দৃষ্টিভংগী সম্পৰ্কেও এই অধ্যায়টিৰ পৰাই জানিব পাৰিলো।
- মূল ৰামায়ণৰ লগত দুৰ্গাবৰৰ *গীতি-ৰামায়ণ*ৰ কি কি দিশত সাদৃশ্য-বৈসাদৃশ্য আছে সেই বিষয়ে জানিব পাৰিলো।
- বাংলা কবি কৃতিবাসৰ ৰামায়ণ আৰু আমাৰ অসমীয়া গাঁৱলীয়া কবিৰ *গীতি-ৰামায়ণ*ৰ বিষয়বস্তুৰ তুলনামূলক জ্ঞান লাভ কৰিব পাৰিলো।
- দুৰ্গাবৰৰ *গীতি-ৰামায়ণ*ৰ মূল আৰ্হি কন্দলি ৰামায়ণ, এই দিশত দুয়োগৰাকী কবিৰ ৰামায়ণৰ বিষয়ে থুল-মুলকৈ জানিব পৰা গ'ল।
- দুৰ্গাবৰ কোনবোৰ দিশত লোকজীৱনৰ অধিক কাষ চাপি গৈছিল, লোকজীৱনৰ কেনে ধৰণৰ প্ৰভাৱ *গীতি-ৰামায়ণ* পৰিছে সেই বিষয়েও জানিব পাৰিলো।



১২.১১ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। নেওগ, বিভা দত্ত, (২০০৬) ঃ *সাহিত্য সমীক্ষা,* ধেমাজি ঃ কিৰণ প্ৰকাশ

২। মহন্ত, লক্ষ্মীকান্ত, (১৯৯১) ঃ *অসমীয়া সাহিত্য অধ্যয়ন,* গুৱাহাটী ঃ বনলতা

৩। শৰ্মা, সত্যেন্দ্ৰনাথ, (২০০৭) ঃ *ৰামায়ণৰ ইতিবৃত্ত,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

৪। শৰ্মা, সত্যেন্দ্ৰনাথ, (২০০৬) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ

৫। লেখাৰু, উপেন্দ্ৰচন্দ্ৰ, (১৯৪৮) ঃ *অসমীয়া ৰামায়ণ সাহিত্য,* গুৱাহাটী ঃ কটন কলেজ



১২.১২ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ মাধৱ কন্দলী

২ নং প্ৰশ্নৰ উত্তৰ ঃ চন্দ্ৰ, সূৰ্য, ব্ৰাহ্মণ, পৃথিৱী, বায়ু, ফল্গু নদী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰামৰ সন্মুখত মিছা মতাৰ বাবে সীতাই চন্দ্ৰ সূৰ্যক ৰাহুৱে গ্ৰাহ কৰিবলৈ অভিশাপ দিয়ে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সীতাই।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৪৯১ আৰু ৩১০ টাকৈ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ একৈশ টা (২১)।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ নাই।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বাল্মীকি।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ 'ৰামায়ণ'।



১২.১৩ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ দুৰ্গাবৰৰ *গীতি-ৰামায়ণ*ত কবিৰ মৌলিক প্ৰতিভা কিদৰে প্ৰকাশ পাইছে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ দুৰ্গাবৰৰ অৰণ্যকাণ্ডৰ মূল কথাখিনি চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ *গীতি-ৰামায়ণ*ৰ জৰিয়তে কবিৰ সামাজিক দৃষ্টিভংগী বিচাৰ কৰক।

প্ৰশ্ন নং ৪ ঃ কোন কোন দিশ দুৰ্গাবৰ বাল্মীকিৰ ৰামায়ণৰ পৰা আঁতৰি আহিছে? চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং ৫ ঃ দুৰ্গাবৰৰ *গীতি-ৰামায়ণ*ত কোন কাব্যৰ প্ৰভাব পৰিছে আলোচনা কৰক।

প্ৰশ্ন নং ৬ ঃ চমুটোকা

(ক) দুৰ্গাবৰ

(খ) আদি কাব্য

(গ) বাল্মীকি

(ঘ) মাধৱ কন্দলি

(ঙ) *গীতি-ৰামায়ণ*ত লোকজীৱন প্ৰভাৱ।

*** ***** ***

অধ্যায় ১৩ ঃ ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী* ঃ সুৰথ ৰজা আৰু সমাধি বৈশ্যৰ কাহিনী তথা মহিষাসুৰ বধৰ কাহিনীৰ বিশেষ উল্লিখনসহ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ অসমত শাক্তধর্ম আৰু সাহিত্য

১৩.৪ ৰুচিনাথ কন্দলীৰ সময় আৰু সাহিত্য প্ৰতিভা

১৩.৫ *শ্ৰীশ্ৰী চণ্ডী*

১৩.৫.১ *শ্ৰীশ্ৰী চণ্ডী*ৰ মূল বা উৎস

১৩.৫.২ *শ্ৰীশ্ৰী চণ্ডী*ত প্ৰকাশিত শক্তি তত্ত্ব

১৩.৫.৩ *শ্ৰীশ্ৰী চণ্ডী*ত অন্যান্য পুৰাণৰ প্ৰভাৱ

১৩.৬ সুৰথ ৰাজ আৰু সমাধি বৈশ্যৰ কাহিনী

১৩.৭ মহিষাসুৰ বধৰ কাহিনী

১৩.৮ কাহিনী দুটাৰ মাজেদি প্ৰকাশ পোৱা দেৱী মহিমা

১৩.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

১৩.১০ অধিক জানিবলৈ

১৩.১১ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১৩.১২ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কবি ৰুচিনাথ কন্দলীৰ সময় আৰু বংশ পৰিচয় লাভ কৰিব
- কবি ৰুচিনাথ কন্দলীৰ কাব্য কৃতিসমূহৰ বিষয়ে জানিব পাৰিব
- তেওঁৰ অন্যতম সৃষ্টি *শ্ৰীশ্ৰী চণ্ডী*ৰ মূল বা উৎস সম্পৰ্কে আলোচনা কৰিব পাৰিব
- *শ্ৰীশ্ৰী চণ্ডী*ত প্ৰকাশ পোৱা শক্তি তত্ত্বৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- *শ্ৰীশ্ৰী চণ্ডী* ৰচনা কৰোঁতে কবিয়ে অন্যান্য যিকেইখন গ্ৰন্থৰ দ্বাৰা প্ৰভাৱিত হৈছিল তাৰ লেখ আগবঢ়াব পাৰিব
- শাক্ত ধর্ম আৰু অসমত ইয়াৰ প্ৰচলন এই সম্পৰ্কে এটা ধাৰণা লাভ কৰিব
- অসমত শাক্ত ধর্মৰ শক্তিশালী স্থিতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- শাক্ত ধর্মৰ লগত জড়িত বিবিধ ৰচনাই কি দৰে অসমীয়া শাক্ত সাহিত্যৰ সৌধ নির্মাণ কৰিলে সেই বিষয়ে জানিব পাৰিব

- অসমীয়া শাক্ত সাহিত্যৰ শ্ৰেণী বিভাজন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ৰুচিনাথ কন্দলী কৃত *শ্ৰীশ্ৰী চণ্ডীৰ* কাহিনী ভাগত বিশেষ স্থান অধিকাৰ কৰা সুৰথ ৰজা আৰু সমাধি বৈশ্যৰ কাহিনী তথা মহিষাসুৰ বধৰ কাহিনীৰ বিষয়ে জানিব পাৰিব
- কাহিনীকেইটাৰ মাজেদি দেৱী ভক্তিৰ মাহাত্ম্য সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- জীৱনৰ প্ৰতিকূল পৰিস্থিতিত মানুহে নিজৰ কৰণীয়খিনি সুচাৰুৰূপে সম্পাদন কৰি আগবাঢ়ি যাবলৈ ধৰা প্ৰয়াসত স্বয়ং জগৎবন্দিনী আদ্য শক্তি স্বৰূপা *শ্ৰীশ্ৰী চণ্ডীয়ে* যি সহায় আগবঢ়ায় সেই বিষয়ে আলোচনা কৰিব পাৰিব
- *শ্ৰীশ্ৰী চণ্ডীৰ* অন্তৰ্গত মাহাত্ম্য দুটাত ফুটি উঠা আধ্যাত্মিক তত্ত্ব আৰু দেৱীৰ মহিমাৰ কথা বিৰিৰি লিখিব পাৰিব।

১৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ অন্তৰ্গত সাহিত্য শাখাৰ শিক্ষাৰ্থীসকলৰ বাবে আগবঢ়োৱা দ্বিতীয় পাঠ্যবিষয় 'ভক্তি সাহিত্য'ৰ অন্তৰ্গত এইটো ত্ৰয়োদশ অধ্যায়। ইয়াৰ শিৰোনাম ৰত্নাকৰ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী* ঃ সুৰথ ৰজা আৰু সমাধি বৈশ্যৰ কাহিনী তথা, মহিষাসুৰ বধৰ কাহিনীৰ বিশেষ উল্লিখনসহ। ইতিমধ্যে এই পাঠ্যবিষয়ৰ পূৰ্বৰ বাৰটা অধ্যায়ত ভাৰতীয় ভক্তি সাহিত্যৰ লগতে অসমীয়া ভক্তি সাহিত্যৰ বিভিন্ন দিশ, ভক্তিমূলক গ্ৰন্থ *কীৰ্ত্তন, নামঘোষা, কথা ভাগৱতৰ* লগতে *গীতি ৰামায়ণৰ* আলোচনাৰ মাজেদি ভক্তি সাহিত্যৰ বৈশিষ্ট্যপূৰ্ণ দিশসমূহ প্ৰকাশ পাইছে। এতিয়া এইটো অধ্যায়ত আমি ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডীৰ* আলোচনাৰ মাজেদি অসমীয় ভক্তি সাহিত্যত বিশেষ স্থান লাভ কৰা এই গ্ৰন্থখনৰ বিভিন্ন দিশৰ লগত পৰিচিত হ'ম। এই পুথিখনৰ অন্তৰ্গত সুৰথ ৰজা আৰু সমাধি বৈশ্যৰ কাহিনী তথা শাক্ত ভক্তি আৰু সাহিত্যৰ ধাৰাত প্ৰভূত স্থান অধিকাৰ কৰি থকা মহিষাসুৰৰ কাহিনী ভাগৰ মাজে দেৱী মাহাত্ম্যৰ বৰেণ্য দিশ চিত্ৰিত কৰিবলৈ প্ৰয়াস কৰা হৈছে। আহকচোন, আমি এতিয়া মূল আলোচনালৈ আগবাঢ়ো।

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ অন্তৰ্গত সাহিত্য শাখাৰ শিক্ষাৰ্থীসকলৰ বাবে আগবঢ়োৱা 'ভক্তি সাহিত্য' পাঠ্য বিষয়ৰ এইটো চতুৰ্দশ তথা শেষ অধ্যায়। ইতিমধ্যে আপুনি ভক্তি সাহিত্যৰ বিষয়ে এটা সামগ্ৰিক ধাৰণা লাভ কৰিলে। এই অধ্যায়টোত আপুনি অসমীয়া কবি ৰুচিনাথ কন্দলীকৃত *শ্ৰীশ্ৰী চণ্ডীৰ* অন্তৰ্গত দুটা বিশেষ মাহাত্ম্য অৰ্থাৎ অধ্যায়ৰ বিষয়ে পঢ়িবলৈ পাব য'ত কবিগৰাকীয়ে দুটা কাহিনীৰ মাজেদি *শ্ৰীশ্ৰী চণ্ডী* দেৱীৰ মাহাত্ম্য আৰু অপাৰ কৰুণা দৃষ্টি বৰ্ণনা কৰিছে। দেৱীক ভক্তি কৰিলে কি দৰে আৰ্তজনে ক্লেশৰ পৰা মুক্তি লাভ কৰে আৰু পাপীৰ পাপ কিদৰে নাশ হয় তাৰ লেখ এই অধ্যায়টোৰ আলোচনাত পাব। লগতে অসমত শাক্ত ধৰ্ম আৰু শাক্ত সাহিত্যৰ বিকাশ আৰু প্ৰসাৰত বিভিন্ন সময়ৰ কবি-সাহিত্যিকসকলে কিদৰে বৰঙণি যোগাইছিল তাৰো লেখ পাব।

১৩.৩ অসমত শক্তি ধর্ম আৰু সাহিত্য

মানুহে আদিতে প্ৰকৃতি পূজক আছিল। প্ৰকৃতিৰ অংশীদাৰস্বৰূপ কিছুমান শক্তিক প্ৰত্যক্ষ কৰি তেওঁলোকে পূজা কৰিছিল। সূৰ্য, বায়ু, বৰুণ, অগ্নি, ইন্দ্ৰ, পৰ্বত-পাহাৰ, গছ-গছনি, নদ-নদী আদিক বিশ্বাস অনুযায়ী তেওঁলোকে বিধে বিধে পূজা কৰিছিল। শ শ বছৰ অতিক্ৰম কৰাৰ পিছত আদিম ভাৰতবাসীৰ ভৌগোলিক স্থিতি, প্ৰাকৃতিক পৰিৱেশ, ধৰ্মীয় বিশ্বাস, সাংস্কৃতিক ৰীতি অনুযায়ী জনগোষ্ঠীসমূহৰ উপাস্য দেৱ-দেৱী নিৰ্দিষ্ট হৈ পৰে। অসমত এনে এক প্ৰক্ৰিয়াৰ ফলত সৃষ্টি হৈছিল শাক্ত পূজা বা শাক্ত ধৰ্মৰ। শাক্ত ধৰ্মৰ মূল উপাস্য হৈছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী। এই দেৱীৰ বিভিন্ন ৰূপ বা নামৰ কথা পোৱা যায়। যেনে— ভগৱতী, চণ্ডী, কাত্যায়নী, উমা, পাৰ্বতী, মহিষমৰ্দিনী, কামাখ্যা, ভৈৰৱী, চামুণ্ডা, কালী গৌৰী, তাৰা, চণ্ডিকা, মহামায়া, দশভূজা, ষোড়শভূজা, লক্ষ্মী, সৰস্বতী আদি।

পুৰাণ শাস্ত্ৰই প্ৰমাণ দিয়ে প্ৰাগজ্যোতিষৰ ৰজা নৰকেই শক্তিৰ প্ৰথম সেৱক আছিল আৰু তেৱেঁই অসমত (প্ৰাগ্‌ত) দেৱী পূজাৰ প্ৰচলন কৰিছিল। উল্লেখযোগ্য যে, নৰকৰ জন্ম হৈছিল ৰাহৰূপী বিষ্ণুৰ ঔৰসত। সেইবাবে বিষ্ণুৱে নৰকক প্ৰাগজ্যোতিষৰ ৰজা পাতে আৰু এই বিশাল ৰাজ্য শাসন কৰিবলৈ দিয়ে। লগতে বিষ্ণুৱে নৰকক এইবুলিও নিৰ্দেশ দিয়ে— 'কামাখ্যাৰ বাহিৰে তুমি আন দেৱতাক পূজা নকৰিবা (কামাখ্যাং ত্বাং বিনা পুত্ৰ নান্যদেৱং যজিষ্যামি)। আকৌ এই বুলি সাৱধানবাণী শুনায়— যদি এই কথাৰ ব্যতিক্ৰম ঘটে তেনেহ'লে নৰকৰ প্ৰাণনাশ হ'ব। ফলত নৰকাসুৰ শক্তিৰ একান্ত উপাসক হৈ পৰে আৰু তেওঁৰ যোগেদিয়েই অসমত শাক্ত ধৰ্মৰ উত্থান ঘটে।

কেইবাখনো বিখ্যাত তন্ত্ৰ শাস্ত্ৰত ভাৰতবৰ্ষৰ চাৰিখন প্ৰাচীন শক্তিপীঠৰ ভিতৰত কামৰূপ পীঠক শ্ৰেষ্ঠ মহাপীঠ বুলি কোৱা হৈছে। বাকী তিনিখন পীঠ হ'ল— পূৰ্ণগিৰি, উড্ডিয়ান আৰু জালন্ধৰ। অতি প্ৰাচীন কালৰ পৰাই কামৰূপ ক্ষেত্ৰ শক্তি সাধনাৰ শ্ৰেষ্ঠ পীঠ হিচাপে স্বীকৃতি পাই আহিছে। কামাখ্যা তীৰ্থৰ মাহাত্ম্যই কামৰূপ পীঠক অতীতৰ পৰা মহত্ত্বপূৰ্ণ কৰি ৰাখিছে। প্ৰাচীন আৰু মধ্যযুগীয় কামৰূপৰ তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল বিদ্যাৰ বাবে বিখ্যাত আছিল। আনকি ঊনবিংশ শতিকালৈকে বাহিৰৰ মানুহে অসমক তন্ত্ৰ-মন্ত্ৰ আৰু যাদু বিদ্যাৰ কাৰণে ভয়ৰ দৃষ্টিৰে চাইছিল। মুঠতে, এই কামৰূপ পীঠ তান্ত্ৰিক সংস্কৃতিৰ কেন্দ্ৰ হিচাপে ভাৰতৰ ভিতৰতে অদ্বিতীয় আছিল। *কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, কুব্জিকাতন্ত্ৰ, দেৱী ভাগৱত* আদি গ্ৰন্থসমূহে কামৰূপ শক্তি সাধনা আৰু সিদ্ধি লাভৰ প্ৰশস্ত ক্ষেত্ৰ বুলি নিৰ্দেশ কৰিছে। গতিকে এনে এখন পুণ্যস্থানত দীৰ্ঘকালিনভাৱে শাক্ত ধৰ্ম ব্যাপকভাৱে চৰ্চিত হৈ থকাটো স্বাভাৱিক।

কালিকা পুৰাণ আৰু *যোগিনীতন্ত্ৰই* স্পষ্টভাৱে কৈছে যে, কামৰূপৰ নিচিনা আৰু কোনো ঠাই নাই; যি ঠাই দেৱীৰ আবাস স্থানৰ কাৰণে উপযুক্ত। অন্য দেশত যি দুৰ্লভা, সেই দেৱী কামৰূপৰ ঘৰে ঘৰে বিৰাজমান ঃ

দেৱীক্ষেত্ৰং কামৰূপং বিদ্যতেহন্যন তৎসমম্।
অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।

কালিকা পুৰাণত আদ্য শক্তি মহামায়াৰ বিভিন্ন ৰূপৰ বিস্তৃত বিৱৰণ, পূজা-উপাসনাৰ পদ্ধতি, শক্তি সাধনাৰ বিভিন্ন ব্যৱস্থা আদিৰ যিমান সূক্ষ্ম বৰ্ণনা দিয়া হৈছে, তাৰ পৰা অনুমান কৰিব পাৰি যে কালিকা পুৰাণ ৰচনা কৰাৰ সময়ত বা তাৰ আগৰে পৰা অসমত শাক্ত ধৰ্মৰ প্ৰচলন আছিল।

ত্ৰয়োদশ শতিকাৰ চুটিয়া ৰজা ৰত্নধ্বজ শাক্ত আছিল। সেই ৰাজ্যত 'কেঁচাইখাঁতী'ৰ ৰূপত কালী দেৱীক পূজা উপাসনা কৰা হৈছিল। তাম্ৰপাতৰ মন্দিৰত অধিষ্ঠিতা কাৰণে কেঁচাইখাতী দেৱী পৰৱৰ্তী কালত 'তাম্ৰেশ্বৰী' নামেৰে জনাজাত হৈছিল। কেঁচাইখাঁতীৰ আগত পশু বলি দিয়াৰ উপৰিও নৰবলি পৰ্যন্ত দিয়া হৈছিল বুলি জনা যায়। বহুকাল আগৰে পৰা কেঁচাইখাঁতী গোসাঁনীক কছাৰীসকলেও বলি-বিধানেৰে পূজা কৰি অহাৰ প্ৰমাণ কছাৰী বুৰঞ্জীত পোৱা যায়।

প্ৰতাপ সিংহৰ দিনত (১৬১১-১৬৪৯) মাটিৰ দুৰ্গা মূৰ্তি নিৰ্মাণ কৰি দুৰ্গা পূজা কৰা নীতি প্ৰচলিত হয়। আনহাতে, আহোম ৰাজত্ব কালৰ ৰজা শিৱ সিংহ আৰু তেওঁৰ তিনি গৰাকী ৰাণী ক্ৰমে— ফুলেশ্বৰী, অম্বিকা আৰু সৰ্বেশ্বৰী ঘোৰ শাক্ত আছিল। ৰাজক্ষমতা পোৱাৰ পিছত ফুলেশ্বৰীয়ে শাক্ত ধৰ্ম প্ৰচাৰ কৰিবলৈ উঠি পৰি লাগিছিল। তেৱেঁই ৰজাঘৰৰ পৰা দুৰ্গা পূজা পাতি শাক্ত বিৰোধী মোৱামৰীয়া মহন্তসকলক বলপূৰ্বকভাৱে দেৱীৰ আগত আঁঠু লোৱাই, ফোঁট দি, প্ৰসাদ খুৱাই অপমান কৰিছিল।

গেইট চাহাবৰ মতে, প্ৰথম কোঁচ ৰজা বিশ্বসিংহ শিৱ আৰু দুৰ্গা দুয়োৰে ভক্ত আছিল। বিশ্বসিংহই কামাখ্যা মন্দিৰ নিৰ্মাণ কৰায় আৰু ইয়াৰ যথোচিত পূজা সেৱাৰ ব্যৱস্থা কৰি দিয়ে। আনহাতে বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণে কালাপাহাৰে ধ্বংস কৰি থৈ যোৱা কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কৰি উলিয়ায়। এইবোৰে ৰজাৰ দেৱীৰ প্ৰতি থকা আস্থাৰ কথাকে সূচায়।

মধ্যযুগীয় অসমত শাক্ত ধৰ্মৰ প্ৰচলন থকাৰ প্ৰমাণ গুৰুচৰিততো পোৱা যায়। শংকৰদেৱৰ আগত শৰণ লোৱাৰ আগলৈকে মাধৱদেৱেও বলি-বিধানেৰে কৰা শক্তি পূজাত একান্ত বিশ্বাসী আছিল। *কথা গুৰুচৰিততে* পোৱা যায় শংকৰদেৱে শক্তিপূজা নকৰা বাবে তেওঁৰ বিৰুদ্ধে কিছুমান লোকে মহাৰাজ নৰনাৰায়ণৰ ওচৰত গোচৰ দিছিল।

এই সকলোবোৰ তথ্যই ইংগিত দিয়ে শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ আগলৈকে অসমত শাক্ত ধৰ্ম প্ৰচলিত আছিল। বাণীকান্ত কাকতিয়ে দেৱী পূজা, বামাচাৰী পূজা, কৌলচাৰ, কৈৰাত ধৰ্ম আৰু কৈৰাতিক অনুষ্ঠান আদিৰ বিষয়ে আলোচনা কৰি অসমত শাক্ত ধৰ্মৰ প্ৰাধান্যক দেখুৱাইছে।

শাক্ত সাহিত্য ঃ অসমৰ শাক্ত সাহিত্যক মূলতঃ দুটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি। এটা ভাগ হ'ল সংস্কৃত ভাষাত ৰচিত শাক্ত সাহিত্য আৰু আনটো ভাগ হ'ল অসমীয়া ভাষাত ৰচিত শাক্ত সাহিত্য। সাধক-পণ্ডিতসকলে শক্তি সাধনা, শক্তি পূজা আৰু সিদ্ধি লাভৰ বিভিন্ন পদ্ধতি, ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু সাধনতত্ত্ব সম্পৰ্কে দেৱভাষা সংস্কৃততে ভালেমান গ্ৰন্থ প্ৰণয়ন কৰিছিল। প্ৰকাশিত আৰু অপ্ৰকাশিত সাঁচিপতীয়া পুথিৰ সংস্কৃত শাক্ত সাহিত্যৰ নিদৰ্শন স্ৱৰূপে কেইখনমানৰ নাম উল্লেখ কৰা হ'ল। এইবোৰ কামৰূপ কামাখ্যাৰ মাহাত্ম্যসূচক শাক্ত

পুথি। যেনে— *মহানির্বাণ তন্ত্র, কালিকা পুৰাণ, কামাখ্যা তন্ত্র, পুৰশ্চৰণ চন্দ্রিকা, পঞ্চমন্ত্র-দীক্ষা-কৌমুদী, গূঢ়ার্থ দীপিকা, দেৱী পূজা-ভাস্কৰ, দেৱী মাহাত্ম্য, চণ্ডী মাহাত্ম্য, সপ্তশতী, চণ্ডীটীকা, অন্নদাকল্প, পূজাবিধি, বৃত্তি সংগ্রহ, কুমাৰী পূজা বিধি, সর্ব দেৱ-দেৱী পূজা, দুর্গাস্তোত্র, দুর্গা শতনাম স্তোত্র; দুর্গা কবচ, দুর্গা পূজা পদ্ধতি, কালী শতনাম স্তোত্র, সপ্তশতী চণ্ডীকৰচ, কালিকা স্তোত্র, লক্ষ্মী স্তোত্র, বলিদান বিধি, তাৰা পূজা বিধি, সৰস্বতী স্তোত্র, তুলসী মাহাত্ম্য, তন্ত্রসাৰ, বৃহৎ যোগিনী তন্ত্র, ৰুদ্রচণ্ডী, শতচণ্ডী বিধান, শ্যামা ৰহস্যতন্ত্র, কালী উদ্ধাৰ তন্ত্র; জগদ্ধাত্রী পূজা-পটল* আদি।

প্রাচীন কামৰূপৰ সংস্কৃত শাক্ত সাহিত্যই খ্রীষ্টিয় ত্রয়োদশ শতিকাৰ পৰা পুৰণি অসমীয়া শাক্ত সাহিত্যলৈ গতি কৰে। অতি প্রাচীন কালৰে পৰা কামৰূপ ক্ষেত্র শক্তি সাধনাৰ শ্রেষ্ঠ পীঠ হিচাপে স্বীকৃতি পাই আহিছে। এই শক্তিবাদৰ আধাৰতে দেশৰ ধর্ম, সংস্কৃতি, সাহিত্য ঠন ধৰি উঠিছিল। কিন্তু মন কৰিবলগীয়া কথা যে পৰৱর্তী কালত অর্থাৎ মধ্যযুগৰ পৰা অসমৰ সাহিত্য সৃষ্টিত শক্তিবাদৰ প্রভাৱ কমি আহে। ফলত অসমত দেৱভাষা সংস্কৃততে যিমান শাক্ত সাহিত্য ৰচিত হৈছিল তাৰ তুলনাত অসমীয়া ভাষাত ৰচিত হোৱা শাক্ত সাহিত্যৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। অসমীয়া সাহিত্যত শাক্ত ধর্মৰ প্রভাৱ হ্রাস পাই অহাৰ কাৰণ হিচাপে হৰিনাথ শর্মাদলৈয়ে তেওঁৰ *শক্তি সাধনা আৰু শাক্ত সাহিত্য* শীর্ষক গ্রন্থত শশীভূষণ দাসগুপ্তৰ উদ্ধৃতি দি তিনিটা কাৰণ দাঙি ধৰিছে।

- প্রথমতে, কামৰূপ কামাখ্যা তীর্থ প্রাচীন কালৰে পৰা গুহ্য তন্ত্র সাধনাৰ কেন্দ্র আছিল। এই গুহ্য সাধনা এক বিশেষ গোষ্ঠী সাধকৰ মাজত সীমাবদ্ধ থকা কাৰণেই সর্বসাধাৰণৰ আচৰণীয় ধর্মৰূপে জনপ্রিয়তা অর্জন কৰিব পৰা নাছিল।
- দ্বিতীয়তে, তীর্থৰূপে কামাখ্যা দেৱালয়ৰ প্রতি অসমীয়া মানুহৰ আকর্ষণ খুব বেছি নহয়। কামৰূপ আৰু কামাখ্যা দেৱালয়ৰ প্রতি বাংলা আৰু ভাৰতৰ আন আন প্রদেশৰ মানুহৰহে অধিক আকর্ষণ আৰু সেই ঠাইবোৰৰ তীর্থযাত্রীৰ সমাগমহে ইয়াত বেছি।
- তৃতীয় আৰু মুখ্য কাৰণ হ'ল, শংকৰদেৱৰ আৱির্ভাৱ আৰু ধর্মপ্রচাৰ। শংকৰদেৱে অসমত সাহিত্যৰ মাধ্যমত বৈষ্ণৱ ধর্মপ্রচাৰ কৰিছিল। ধর্মপ্রচাৰৰ উদ্দেশ্যে শংকৰদেৱ আৰু তেওঁৰ অনুগামীসকলে *ৰামায়ণ, মহাভাৰত, ভাগৱত পুৰাণ* আদিৰ কাহিনী অসমীয়া পদত অনুবাদ কৰাৰ উপৰি সেইবোৰ শাস্ত্রৰ কিছুমান ঘটনাৰ অৱলম্বনত গীত-নাট আদিও ৰচনা কৰি গৈছে। তেওঁলোকৰ সুললিত পদে সর্বসাধাৰণৰ মন ভক্তি ধর্মৰ প্রতি আকর্ষণ কৰাৰ উপৰি তেওঁলোকৰ কাব্যিক চাহিদাও পূৰণ কৰিব পাৰিছিল। শক্তি সাধনাৰ কেন্দ্রস্থল অসমৰ শাক্ত সাহিত্যৰ যে পৰৱর্তী কালত যথোচিতভাৱে সৃষ্টি নহ'ল, তাৰ কাৰণ আমিও এইকেইটাই বুলি ভাবো।

তথাপি যিখিনি অসমীয়া শাক্ত সাহিত্য পোৱা গৈছে, আলোচনাৰ সুবিধার্থে আমি পাঁচটা ভাগত বিভক্ত কৰিব পাৰো ঃ

- মৌখিক সাহিত্য
- মনসা সাহিত্য
- অনুবাদ সাহিত্য
- বৈষ্ণৱ সাহিত্যত শাক্ত উপাদান
- অন্যান্য কাব্য আৰু গীত।

➢ ***মৌখিক সাহিত্য ঃ*** মৌখিক সাহিত্যৰ ভিতৰত আইনাম, অপেচৰা নাম, লখিমী সবাহৰ গীত, দেৱী আইৰ গীত বিষয়বস্তুৰ ফালৰ পৰা শাক্ত পর্যায়ৰ অন্তর্ভুক্ত। এই গীতসমূহ তিৰোতাসকলৰ মাজতহে প্রচলিত বাবে তেওঁলোকৰ দ্বাৰাই ৰচিত বুলি অনুমান কৰা হৈছে। বসন্ত ওলালে উক্ত ৰোগৰ অধিষ্ঠাত্রী দেৱী বুলি বিশ্বাস কৰা সাতগৰাকী আই বা দেৱীৰ বাই-ভনীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে আইনাম গোৱা হয়। বিনা ৰোগে ল'ৰা-ছোৱালী শুকাই-খীণাই গ'লে অপেচৰা সবাহ পাতি গীত গোৱা হয়। তেনেদৰে লখিমী সবাহৰ গীত, দেৱী আইৰ গীত আদি বিভিন্ন উপলক্ষে গোৱা হয়। এইকেইগৰাকী উপদেৱীক মহামায়া বা দুর্গাৰ অভিব্যক্তি বুলি বিশ্বাস কৰা হয়। শক্তি দেৱীৰ প্রতি বিশ্বাসৰ ফলতেই এই গীতখিনি সৃষ্টি হৈছে, সেইবাবেই শাক্ত পর্যায় অন্তর্গত।

➢ ***মনসা সাহিত্য ঃ*** অসমৰ লিখিত শাক্ত সাহিত্যৰ কবিৰূপে মনকৰ, দুর্গাবৰ আৰু সুকবি নাৰায়ণদেৱৰ নামেই প্রথমে মনলৈ আহে। তেওঁলোকৰ নামানুসাৰে তেওঁলোকৰ কাব্যক ক্রমে মনকৰী, দুর্গাবৰী আৰু সুকনান্নী বুলি অভিহিত কৰা হয়। মনকৰে *মনসা কাব্য,* দুর্গাবৰে *বেউলা আখ্যান* আৰু সুকবি নাৰায়ণদেৱে *পদ্মপুৰাণ* ৰচনা কৰে। এই তিনিওখন কাব্যই সর্পৰ অধিষ্ঠাত্রী দেৱী মনসা অর্থাৎ পদ্মাদেৱীৰ মাহাত্ম্য প্রতিষ্ঠা কৰাৰ লগতে মনসা পূজাৰ এটা বিকাশমান অৱস্থাৰ প্রমাণ দিয়ে। উল্লেখযোগ্য যে এই তিনিওখন কাব্যই মহাপুৰুষ শংকৰদেৱ তথা বৈষ্ণৱ ধর্ম প্রচাৰৰ সমসাময়িকভাৱে ৰচিত হৈছিল।

➢ ***অনুবাদ সাহিত্য ঃ*** শক্তি বা দেৱী মাহাত্ম্য প্রকাশক ভালেমান সংস্কৃত পুথি অসমীয়ালৈ অনুবাদ কৰাৰ প্রমাণ পোৱা যায়। তেনে অনুবাদমূলক গ্রন্থৰ ভিতৰত প্রথমে *শ্রীশ্রী চণ্ডী* উল্লেখযোগ্য। পীতাম্বৰ কবি, ৰুচিনাথ কন্দলী, ৰংগনাথ চক্রৱর্তী, আৰু মধুসূদন মিশ্র— এই চাৰিগৰাকী কবিয়ে চণ্ডীৰ আখ্যানভাগ পৃথকে পৃথকে চাৰিখন কাব্যৰূপে অসমীয়ালৈ অনুবাদ কৰিছে। আহোম স্বর্গদেউ শিৱসিংহ আৰু ফুলেশ্বৰীৰ ৰাজত্ব কালত কবি অনন্ত আচার্য্যই ২৮৫টা শ্লোকত *আনন্দ লহৰী* ৰচনা কৰে। এই গ্রন্থখনি শংকৰাচার্য্যৰ *সৌন্দর্য্য লহৰী* নামৰ গ্রন্থৰ অনুবাদ। আন এগৰাকী শাক্ত কবি ৰামচন্দ্র বৰপাত্রই বিখ্যাত *যোগিনীতন্ত্রৰ* মুকলি অনুবাদ কৰে। সংস্কৃত ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ হোৱা শাক্ত সম্পর্কীয় আন আন

পুথিসমূহৰ ভিতৰত এইকেইখনৰ নাম উল্লেখনীয়— *গুপ্তমণি, গুপ্তসাৰ, কালিকা পূৰাণ, হৰগৌৰী সংবাদ* আদি।

- ***বৈষ্ণৱ সাহিত্যত শাক্ত উপাদান ঃ*** ভগৱান শ্ৰীকৃষ্ণ বা বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন আৰু প্ৰচাৰৰ উদ্দেশ্যে বৈষ্ণৱ সাহিত্যৰাজিৰ সৃষ্টি হৈছিল। গতিকে বৈষ্ণৱ সাহিত্যৰ মাজত শক্তিৰ প্ৰাধান্য আশা কৰিব নোৱাৰি। তথাপি, বৈষ্ণৱ সাহিত্যৰ কোনো কোনো অংশত শাক্তভাবৰ চিটিকনি নপৰাকৈ থকা নাই। বৈষ্ণৱ সাহিত্যৰ মাজত প্ৰকাশ পোৱা এনে ধৰণৰ শক্তি মাহাত্ম্যসূচক বৰ্ণনাৰ অংশবিশেষ তলত উদ্ধৃত কৰা হ'ল—

  ১) মহামায়া কাত্যায়নী দিয়ো এহি বৰ।
  আমাৰ হোন্তক স্বামী নন্দন কুমাৰ।।

  ২) অনেক নৈবেদ্য দিয়া কৰিলন্ত পূজা।
  প্ৰণামী বোলন্ত তুষ্ট হুয়ো দশভূজা।।

প্ৰথম উদাহৰণটি মহাপুৰুষ শংকৰদেৱৰ *ভাগৱত* দশম স্কন্ধৰ আৰু দ্বিতীয়টি *ৰুক্মিণী হৰণ কাব্যৰ*। ইয়াত ক্ৰমে মহামায়া কাত্যায়নী আৰু দশভূজা দুৰ্গাক উপাসনা কৰাৰ যোগেদি এই দুগৰাকী শক্তিদেৱীৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে। স্বয়ং শংকৰদেৱৰ ৰচনাতেই শক্তিদেৱীৰ এনে প্ৰাধান্য পৰিলক্ষিত হয়। এনে উদাহৰণ বৈষ্ণৱ যুগৰ সাহিত্যত আৰু অনেক আছে।

- *অন্যান্য কাব্য আৰু গীত ঃ* খ্ৰীষ্টিয় পঞ্চদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে বিভিন্ন সাধক, কবি আৰু পণ্ডিতে দেৱী মাহাত্ম্যসূচক সৰু-বৰ অনেক পুথি ৰচনা কৰিছিল। নতুন নতুন শাক্ত পুথি বৰ্তমানেও ছপা হৈ আছে। দেৱী গুণ মাহাত্ম্যসূচক এনেধৰণৰ কাব্যসমূহৰ ভিতৰত *শীতলা কাব্য* অন্যতম। শাস্ত্ৰীয় ৰাগত বন্ধা এই কাব্যখন ৰচনা কৰে জয়ৰাম দাসে। এনে কাব্যসমূহৰ ভিতৰত দুখন *লক্ষ্মী চৰিত* উল্লেখযোগ্য। এখন *লক্ষ্মী চৰিতৰ* ৰচক হ'ল কবি ৰামসৰস্বতী আৰু আনখন *লক্ষ্মী চৰিতৰ* প্ৰণেতা হ'ল জগন্নাথ দ্বিজ। আনহাতে *শনিচৰিত, শীতলা দেৱী, তুলসী চৰিত্ৰ, আইসবাহৰ গীত, আসন পতা আইনাম, শ্ৰীশ্ৰী কালী সহস্ৰ নাম, মনসা পূজা, বেউলা, চাপনি মন্ত্ৰ, উবাচ মন্ত্ৰ, সৰ্বঢাক মন্ত্ৰ, বীৰাখেদা মন্ত্ৰ, বেতজৰা* মন্ত্ৰ আদি ক্ষুদ্ৰ ক্ষুদ্ৰ মন্ত্ৰ পুথিসমূহে অসমৰ শাক্ত ধৰ্মৰ অন্তঃসলিলা সুঁতিটো প্ৰৱাহিত কৰি ৰাখিছে। আনহাতে কুৰি শতিকাত চণ্ডী আৰু মনসা মাহাত্ম্যসূচক ডাঙৰ পুথিও কেইখনমান ৰচিত তথা প্ৰকাশিত হৈছে। তাৰে ভিতৰত কীৰ্তিচন্দ্ৰ বিদ্যাভূষণ গোস্বামীৰ *চণ্ডিকাখ্যান*, ফেলোৰাম দত্তৰ *মনসা পুৰাণ* আৰু গোবিন্দ চন্দ্ৰ ভাগৱতীৰ ব্যাখ্যাত্মক পুথি *শ্ৰীশ্ৰী চণ্ডীতত্ত্ব* উল্লেখযোগ্য।

কাব্যৰ দৰে শাক্ত ধৰ্মীয় ভালে সংখ্যক গীতো ৰচিত হোৱাৰ প্ৰমাণ পোৱা যায়। স্বৰ্গদেউ ৰুদ্ৰসিংহ আৰু শিৱসিংহ ৰচিত গীতকেইটি শাক্ত ধৰ্মীয় গীত। তেনেদৰে কাছাৰৰ ৰজা গোবিন্দ চন্দ্ৰ আৰু কৃষ্ণ চন্দ্ৰয়ো দেৱী ভৱানীৰ উদ্দেশ্যে গীত ৰচনা কৰিছিল।

বিংশ শতিকাত দেৱী মাহাত্ম্যৰ বিভিন্ন আখ্যান পৰম্পৰাগত পদ্য ৰূপৰ সলনি গদ্য ৰূপতো আংশিকভাৱে পোৱা যায়। উদাহৰণস্বৰূপে, উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে *তাম্ৰেশ্বৰী মন্দিৰ* উপন্যাসত শদিয়াৰ কেঁচাইখাঁতী গোসাঁনীৰ মাহাত্ম্য প্ৰদৰ্শন কৰিছে। সেইদৰে অতুল চন্দ্ৰ হাজৰিকাৰ *নৰকাসুৰ, বেউলা* নাটকতো দেৱী মাহাত্ম্য পৰোক্ষভাৱে প্ৰকাশ পাইছে। আনহাতে, অসমত প্ৰতি বছৰে উদ্‌যাপন কৰা দুৰ্গা পূজা, মনসা পূজা, লক্ষ্মী পূজা, সৰস্বতী পূজা, কালী পূজা আদি উপলক্ষে উপাস্য দেৱীৰ মাহাত্ম্য বৰ্ণাই অনেক প্ৰবন্ধ পাতি প্ৰকাশ পাই আহিছে। এইবোৰ পৰ্যালোচনা কৰি ক'ব পাৰি যে অসমীয়া সাহিত্যত শাক্ত ধৰ্মই বিভিন্ন ভাগত স্থান পাই আহিছে।

সামগ্ৰিকভাৱে অসমীয়া শাক্ত সাহিত্যখিনি নন্দনতাত্ত্বিক দৃষ্টিৰে আলাচনা কৰিলে দেখা যায় যে, মনসা কবিকেইগৰাকীৰ বাহিৰে বাকীখিনি শাক্ত ধৰ্মীয় পুথিৰ সাহিত্যিক আবেদন নাই। সন্দেহ নাই *দুৰ্গা পূজা বিধি, কালীসহস্ৰ নাম, শনি চৰিত্ৰ* আদি পুথিবোৰ সংশ্লিষ্ট ধৰ্মীয় সম্প্ৰদায়ৰ আদৰৰ বস্তু। কিন্তু সাহিত্যৰ বিচাৰত সেইবোৰৰ মূল্য নিচেই কম। মনসা কবি দুৰ্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণদেৱৰ পিছত যিবোৰ কবিয়ে শাক্ত সাহিত্য ৰচনা কৰিছে, দেৱী ভক্তিৰ প্লাৱনে স্বাভাৱিকতে তেওঁলোকৰ কাব্য সমুদ্ৰত ডুব যাবলৈ ঠেলি দিয়া নাই। কবিসকলৰ কোনোৱে ৰাজ আদেশ পালনৰ উদ্দেশ্যে আৰু কোনোৱে হয়তো যশস্যা লাভৰ কাৰণে কাব্য ৰচনা কৰিছিল। কবিৰ অন্তৰৰ অনুৰাগ আৰু দেৱী ভক্তিৰ গভীৰতাই সিক্ত কৰিব নোৱাৰা কাৰণেই বোধকৰো মনসা কাব্যৰ পাছৰ অসমীয়া সাহিত্য জীৱনীশক্তিত দুৰ্বল হৈ পৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া শাক্ত সাহিত্য শ্ৰেণীক কি কি ভাগত ভাগ কৰিব পাৰি? (১৫০টা শব্দৰ ভিতৰত লিখক)

.....

১৩.৪ ৰুচিনাথ কন্দলীৰ সময় আৰু সাহিত্য প্ৰতিভা

অসমীয়া সাহিত্যত 'চণ্ডী' আখ্যানে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে, কিয়নো এতিয়ালৈকে অসমীয়া ভাষাত ৰচিত পাঁচখন 'চণ্ডী আখ্যান'ৰ সন্ধান পোৱা গৈছে। চণ্ডী আখ্যানৰ বাটকটীয়া কবিগৰাকী হ'ল পীতাম্বৰ দ্বিজ। পীতাম্বৰ দ্বিজৰ পিছতে ৰুচিনাথ কন্দলী, দ্বিজ ৰঙ্গনাথ চক্ৰৱৰ্তী, মধুসূদন মিশ্ৰ আৰু শিৱনাথ দ্বিজে চণ্ডী আখ্যান ৰচনা কৰিছে।

ৰুচিনাথ কন্দলীয়ে *শ্ৰীশ্ৰী চণ্ডীৰ* সামৰণিত তেওঁৰ যি আত্ম-পৰিচয়মূলক বৃত্তান্ত দাঙি ধৰিছে তাৰ পৰা জানিব পাৰি যে তেওঁৰ বংশৰ মূল পুৰুষজনৰ নাম আছিল ৰত্ন কন্দলী। এওঁ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ গাঁৱৰ বাসিন্দা আছিল। সেই ঠাইখন মৃগাংক ৰজাৰ বৰ প্ৰিয় ঠাই (সম্ভৱতঃ ৰাজধানী) আছিল। ৰজাই তাতে বহু ব্ৰাহ্মণ-সজ্জনক বহুৱাইছিল। ৰত্ন কন্দলী সেই ঠাইতে ৰাজ পুৰোহিতৰূপে নিযুক্ত হৈছিল। এওঁৰ বংশতে ৰমাপতিৰ

জন্ম হয়। ৰমাপতিয়ে তামোলবাৰীত বসতি স্থাপন কৰিছিল। বহুদিনলৈ সতি-সন্ততি নোহোৱাৰ কাৰণে মানুহে ৰমাপতিক 'বন্ধ্যাকটকী' আখ্যা দিছিল। অৱশ্যে পিছত তেওঁৰ পুত্ৰ সন্তান এটিৰ জন্ম হয়, তেওঁৰেই নাম ৰঘুপতি। ৰঘুপতিৰ পুতেক বলোৰাম আৰু বলোৰামৰ পুতেক ৰাম নায়িক (ৰাম ন্যায়িক)। ৰাম নায়িকৰ পুতেক কৃষ্ণাচার্য। কৃষ্ণাচার্য সংস্কৃতজ্ঞ পণ্ডিত আছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ অনুগ্ৰহতে কৃষ্ণাচার্যই ৰংপুৰলৈ আহি বসতি কৰিবলৈ লয়। এই কৃষ্ণাচার্যৰ পুতেকেই হ'ল আমাৰ আলোচ্য *শ্ৰীশ্ৰী চণ্ডী*ৰ কবি ৰুচিনাথ কন্দলী। পুথিখনিত কবিয়ে নিজৰ পৰিচয় দিছে এনেদৰে—

লৌহিত্যৰ উত্তৰ কুলত অনুপম।
দেস এক আছে নাৰায়ণপুৰ নাম।।
মৃগাংক ৰজাৰ সিতো থান প্ৰিয়ত্তৰ।
বিসেস বসতি থান বিপ্ৰসকলৰ।।
তথাতে আছিলা ৰত্না কন্দলী ধৰ্মাদি।
কাস্যপ গোত্ৰত জাত বিপ্ৰ সত্যবাদি।।
তান বংসে জাত ভৈলা প্ৰিয় ৰমাপতি।
তামোল বাড়িত তান ভৈলেক বসতি।।
পদ কৰান্তে বিপ্ৰ আছিলা প্ৰধান।
প্ৰথম কালত পুত্ৰ নাছিল তাহান।।
তাতে নাম ভৈলা বন্ধ্যা কটকি প্ৰখ্যাত।
পাচে তান পুত্ৰ ৰঘুপতি ভৈলা জাত।।
তান পুত্ৰ বলোৰাম গুণে অতিৰেক।
বলোৰ তনয় ৰামনায়িক ভৈলেক।।
ভৈলা তান পুত্ৰ কৃষ্ণ আচার্য প্ৰখ্যাত।
তান হন্তে ৰুক্মিণিৰ গৰ্ভে মঞি জাত।।
সেই মই ৰুচিনাথ বিপ্ৰ অল্পমতি।
পণ্ডিত জনক বোলো কৰিয়া মিনতি।।

জন্ম বৃত্তান্তত নাৰায়ণপুৰ নামৰ ঠাইৰ উল্লেখ থাকিলেও ৰুচিনাথ কন্দলীৰ জন্ম নাৰায়ণপুৰত হোৱা নাছিল। তেওঁৰ জন্ম হৈছিল ৰংপুৰতহে। স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰংপুৰ নগৰ স্থাপন কৰি তাত বিভিন্ন দ'ল-দেৱালয় স্থাপন কৰে আৰু নানা ঠাইৰ পৰা ব্ৰাহ্মণ-সজ্জনক মাটি-বৃত্তি দি বহুৱাইছিল। ৰুচিনাথ কন্দলীৰ পিতৃ কৃষ্ণাচার্যই এই সূত্ৰে নাৰায়ণপুৰৰ পৰা আহি ৰংপুৰত বসতি কৰিবলৈ লৈছিল আৰু তাতেই ৰুচিনাথৰ জন্ম হৈছিল। এই প্ৰসংগত *শ্ৰীশ্ৰী চণ্ডী*ত কবিয়ে কৈছে—

ৰংপুৰ নামে এক তেহে পুৰ কৰিলেক
থাকিলেক তৈতে বিপ্ৰগণ।
নানা থান হন্তে আনি বৃত্তি বিধানক দিয়া
থাপি থৈলা অনেক ব্ৰাহ্মণ।।

যি স্থানত বিপ্রবৰ নানা গুণে গুণাকৰ
ভৈল কৃষ্ণাচার্য শুদ্ধমতি।
তান পুত্র ৰুচিনাথে দুর্গাক সেৱিয়া মাথে
চণ্ডীপদ কৰিলা সম্প্রতি।।

ৰুচিনাথ কন্দলীয়ে কোন গৰাকী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল তাক খাটাংকৈ কোৱা টান, কিয়নো তেওঁ কাব্যৰ আৰম্ভণিতে উল্লেখ কৰিছে—

চণ্ডীৰ চৰণ চিন্তি মঞি মূঢ়মতি।
একাহি শকত পদ লিখিলো সম্প্রতি।।

স্বর্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্বকাল আছিল ১৬৭৩ৰ শকৰ পৰা ১৬৯১ শক পর্যন্ত। এই ফালৰ পৰা 'একাহি শক' ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালৰ অন্তর্গত। কিন্তু কাব্যখনিত ৰুচিনাথ কন্দলীয়ে স্বর্গদেউ ৰুদ্র সিংহকহে প্রশংসা কৰিছে। সেই ফালৰ পৰা ৰুদ্র সিংহক কবিৰ পৃষ্ঠপোষক ৰজা যেন লাগে। পৃষ্ঠপোষক ৰজাৰ প্রশংসা বা গুণগান কৰাটো পূর্বৰ কাব্যসমূহতো দেখা যায়।

কবিৰ ভণিতাৰ পৰা জানিব পাৰি যে ৰুচিনাথ কন্দলীয়ে দুখন পুথি ৰচনা কৰিছিল— *কল্কি পুৰাণ* আৰু *শ্রীশ্রী চণ্ডী* । *শ্রীশ্রী চণ্ডীৰ* পূর্বেই যে *কল্কি পুৰাণ* ৰচনা কৰিছিল সেই কথাৰ সম্ভেদ তেওঁৰ ৰচনাতেই পোৱা যায়—

কল্কি পুৰাণৰ পদ কৰিলোহো আগে।
ৰচিলো চণ্ডীৰ পদ আৰে অনুৰাগে।।

কবিৰ এই উক্তিৰ পৰা অনুমান কৰিব পাৰি যে একাহি শকত (১৬৮১) অর্থাৎ খ্রীষ্টিয় ১৭৫৯ চনৰ পূর্বেই তেওঁ *কল্কি পুৰাণ* ৰচনা কৰিছিল। গতিকে *কল্কি পুৰাণ* ৰুচিনাথ কন্দলীৰ আদ্য ৰচনা আৰু *শ্রীশ্রী চণ্ডী* কবিৰ অন্ত্য ৰচনা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ *চণ্ডী আখ্যান* ৰচনা কৰা অসমীয়া কবিকেইগৰাকীৰ নাম উল্লেখ কৰক। (৭৫টা শব্দৰ ভিতৰত)

.....

১৩.৫ *শ্রীশ্রী চণ্ডী*

১৩.৫.১ *শ্রীশ্রী চণ্ডীৰ* মূল বা উৎস

অষ্টাদশ অর্থাৎ ওঠৰখন পুৰাণৰ ভিতৰত অন্যতম হৈছে *মার্কণ্ডেয় পুৰাণ*। এই *মার্কণ্ডেয় পুৰাণৰ* ৮১নং অধ্যায়ৰ পৰা ৯৩নং অধ্যায়ৰ 'দেৱী মাহাত্ম্য' খণ্ডক ভিত্তি কৰি ৰুচিনাথ কন্দলীয়ে *শ্রীশ্রী চণ্ডী* গ্রন্থখন ৰচনা কৰিছে। *মার্কণ্ডেয় পুৰাণৰ* দৰে *শ্রীশ্রী চণ্ডী* গ্রন্থতো কবিয়ে চণ্ডী দেৱীক সর্বশক্তি সম্পন্না ৰূপে প্রতিপন্ন কৰিছে। তেওঁ এই জগতৰ সৃষ্টি, স্থিতি আৰু লয়ৰ অধিকাৰিণী। সংসাৰত মায়াৰ সৃষ্টি ভগৱতী

মহামায়াইহে কৰিছে। তেওঁক আৰাধনা কৰি তুষ্ট কৰিব পাৰিলে মানুহে মুক্তি লাভ কৰিব পাৰে। তেওঁ সংসাৰ বন্ধন, জন্ম আৰু মৃত্যুৰ হেতু। আনহাতে তেওঁ দেৱতাসকলৰো ঈশ্বৰী। প্ৰধান তিনিজনা দেৱতা— ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ তেওঁ জন্মদাত্ৰী। গতিকে বিশ্বব্ৰহ্মাণ্ডত তেওঁতকৈ আন কোনো পৰম শক্তি নাই। এইদৰে সৰ্বগুণময়ী, সৰ্বশক্তিময়ী, সৰ্বকাৰ্যকাৰিণী দেৱী ভগৱতীৰ স্বৰূপ তথা মাহাত্ম্য *শ্ৰীশ্ৰী চণ্ডীত* প্ৰকাশ পাইছে।

পুথিখনিৰ মূল বিষয়বস্তু তেৰটা খণ্ডত ভাগ কৰি কন্দলীয়ে সেই ভাগবোৰক একোটা মাহাত্ম্য হিচাপে দেখুৱাইছে। তদুপৰি প্ৰথম মাহাত্ম্যৰ আগত তেওঁ মঙ্গলাচৰণ আৰু পূৰ্বকথা শিৰোনামেৰে প্ৰধান বিষয়বস্তুৰ পাতনি স্বৰূপে কিছু কথা যোগ দিছে। আকৌ ত্ৰয়োদশ মাহাত্ম্যৰ শেষত 'উপসংহাৰ' শিৰোনামেৰে কাহিনীৰ সামৰণি মাৰিছে। উপসংহাৰৰ পিছত কবিৰ আত্মপৰিচয় বা ভণিতা দাঙি ধৰা হৈছে।

শ্ৰীশ্ৰী চণ্ডী ৰচনাৰ ক্ষেত্ৰত কবি যদিও প্ৰধানভাৱে *মাৰ্কণ্ডেয় পু�ৰাণৰ* দেৱী মাহাত্ম্যৰ ওচৰত ঋণী, তথাপি ৰুচিনাথ কন্দলীয়ে *ব্ৰহ্মবৈৱৰ্ত পুৰাণ, কালিকা পুৰাণ, বামন পুৰাণৰ* পৰাও কিছু উপাদান সংযোগ কৰিছে। কবিৰ স্বীকাৰোক্তিত সেই কথা স্পষ্ট—

১) ৰাজাৰ বৈস্যৰ জন্ম কৰ্ম কথা জত।
ব্ৰহ্মাবৈৱৰ্ত্তৰ আছে প্ৰকৃতি খণ্ডত।।
জেনমতে মোত কৈলা ধৰ্ম পক্ষীয়ে।
মাৰ্কণ্ডেয় পু�ৰাণত ইতো কথা আচয়।।

২) কালিকা পুৰাণ চাই কৰিলা বিচাৰ।
প্ৰসঙ্গত কহো দুৰ্গা আদি অৱতাৰ।।

৩) সুম্ভ আদি দানৱৰ জন্ম কৰ্ম জত।
সিটো কথা আচয় বামন পুৰাণত।।
তাক চাই আত কথা দিলো মিসলাই।
তাক সুনি সিৱ দুৰ্গা ঘূসিয়ো সদাই।।

ওপৰৰ উদ্ধৃতিকেইটাৰ পৰা সহজে অনুমান কৰিব পাৰি যে ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী, মাৰ্কণ্ডেয় পুৰাণ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, কালিকা পুৰাণ, বামণ পুৰাণ* আদি বিভিন্ন পুৰাণৰ সংমিশ্ৰিত ৰূপ।

১৩.৫.২ *শ্ৰীশ্ৰী চণ্ডীত* প্ৰকাশিত শক্তি তত্ত্ব

অসমৰ শাক্ত-সাহিত্যৰ বিকাশত ৰুচিনাথ কন্দলীৰ শ্ৰীশ্ৰী চণ্ডীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মনসা কবি পিতাম্বৰ বিৰচিত 'মাৰ্কণ্ডেয় চণ্ডী' আৰু দুই এখন অন্যান্যৰ গ্ৰন্থই অসমৰ শাক্তধৰ্মৰ সম্প্ৰসাৰণত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। মনকৰ, দুৰ্গাবৰ, সুকবি নাৰায়ণদেৱ আৰু ষষ্ঠীবৰৰ নামত প্ৰচলিত পদ্মাদেৱীৰ মাহাত্ম্য প্ৰকাশক গ্ৰন্থসমূহো মূলতঃ শক্তিধৰ্ম সম্পৰ্কীয় সাহিত্য।

অসমৰ ভক্তিসাহিত্য সম্পৰ্কীয় অধ্যয়নত শৈৱ, শাক্ত, বৈষ্ণৱ প্ৰভৃতি বিভিন্ন ধৰ্মীয় পৰম্পৰাৰ বিষয়ে শিক্ষাৰ্থীয়ে জ্ঞান আহৰণ কৰিবলগীয়া হয়। কিয়নো ভক্তি শব্দই পুৰুষ অথবা নাৰী উভয়শক্তিৰ গৰাকী পৰমেশ্বৰ বা পৰমাপ্ৰকৃতি উভয়ৰে প্ৰতি পৰম অনুৰক্তিক বুজায়। সেয়ে ভাৰতীয় সমাজত বিভিন্ন ধৰ্মীয় পৰম্পৰাৰ সৃষ্টি হৈছে। শৈৱ শাক্ত, বৈষ্ণৱ, গণপত্য প্ৰভৃতি বিভিন্ন ধৰ্মীয় পৰম্পৰাৰ মাজেদি ভাৰতীয় হিন্দু ধৰ্মই বিকাশ আৰু প্ৰকাশ লাভ কৰিছে।

সৃষ্টিশক্তিক মাতৃৰূপত কল্পনা কৰি শক্তি উপাসনা কৰা পৰম্পৰাটো অতি প্ৰাচীন কালৰে পৰাই ভাৰতবৰ্ষত প্ৰচলিত হৈ আহিছে। বৈদিক যুগৰ বহু আগৰে পৰাই ভাৰতবৰ্ষত বসবাস কৰা প্ৰাগাৰ্য্য জনগোষ্ঠীসমূহৰ মাজত এক অলৌকিক শক্তিৰূপত মাতৃশক্তিক উপাসনা কৰাৰ পৰম্পৰা চলি আহিছে। জগতসৃষ্টিৰ ক্ষেত্ৰত মাতৃশক্তিৰ প্ৰাধান্যৰ কথা পৰৱৰ্ত্তী কালত ৰচিত পু�ৰাণাদি শাস্ত্ৰটো চৰ্চিত হৈ আহিছে।

সৃষ্টিকৰ্মত ব্ৰহ্মাই সততে শক্তি গ্ৰহণ কৰে। সেইবাবেই কোৱা হৈছে যে নাৰী শক্তি বা প্ৰকৃতি অবিহনে সৃষ্টি অসম্ভৱ। এই শক্তি স্বৰূপিনী পৰমা প্ৰকৃতি বা আদ্যশক্তিয়েই ব্ৰহ্মাৰ মূল শক্তি। পৰমাপ্ৰকৃতি দুৰ্গাই মহাকালী, মহালক্ষ্মী আৰু মহাসৰস্বতী ৰূপত ত্ৰিধাবিভক্ত হৈ ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ সহযোগত সৃষ্টি প্ৰক্ৰিয়াত সহায় কৰি আহিছে। কিন্তু এই তিনিওটা শক্তিয়েই এক আৰু অভিন্ন, সচ্চিদানন্দময়ী পৰমা প্ৰকৃতি দেৱী ভগৱতী দুৰ্গায়েই মূল আৰু কৰ্মভেদে এনেদৰে আত্মপ্ৰকাশ কৰে মাত্ৰ।

দেৱী শক্তিৰ অবিহনে আসুৰিক শক্তিসমূহৰ বিনাশ সম্ভৱ নহয়। বিষ্ণুৰ কৰ্ণেমলৰ পৰা উদ্ভৱ হোৱা মধুকৈটভ অসুৰে ব্ৰহ্মাক বধ কৰিবলৈ উদ্যত হোৱাত ভয়ত বিতত হৈ ব্ৰহ্মাই দেৱী মহামায়াৰ স্তুতি কৰি মহামায়া মহাকালীৰ শক্তিৰ সহযোগত মধু কৈটভ অসুৰৰ নিধন সম্ভৱ কৰি তুলিছিল। দেৱী দুৰ্গাৰেই তামসী মূৰ্ত্তি হ'ল দেৱী কালী, যাৰ বিষয়ে বৃহধৰ্ম পু�ৰাণত বৰ্ণনা কৰা হৈছে ! 'এবং ভূত্বা সতী দেৱী শ্যামা কমললোচনা।' এই গৰাকী ভয়ংকৰ কালী দেৱীয়েই চণ্ড মুণ্ডৰ সৈতে যুদ্ধৰ সময়ত আবিৰ্ভূত হৈছিল দেৱী দূৰ্গাৰ ভ্ৰূকুটি-কুটিল মুখমণ্ডলৰ পৰা *শ্ৰীশ্ৰী চণ্ডীত* এই ৰূপৰ বৰ্ণনা দাঙি ধৰিছে এনেদৰে ঃ

'ভ্ৰূকটি কুটিলাত্তস্যা ললাট ফলাকাদ, দ্ৰুতম্।
কালী কৰালবদনা বিনিষ্ক্ৰান্তা শিপাসিনী।।' ইত্যাদি।

কালিকাপুৰাণতো ক'লা বৰণ লৈ জন্ম লাভ কৰাৰ কাৰণে হিমালয়ৰ কন্যা পাৰ্বতীৰ আন এটা নাম কালী ৰখা হৈছিল বুলি উল্লেখ পোৱা যায় ঃ

'কালীতিচ তথা নাম্না কীৰ্তিতা গিৰিনন্দিনী।' (*কালিকাপুৰাণ)*

দৰাচলতে ব্ৰহ্ম আৰু ব্ৰহ্মাৰ শক্তিৰ মাজত কোনো প্ৰভেদ নাই। জোন আৰু জ্যোৎস্নাৰ মাজত পাৰ্থক্য নোহোৱাৰ দৰেই ব্ৰহ্ম আৰু শক্তি এক আৰু অভিন্ন। জগতৰ সৃষ্টি, স্থিতি আৰু সংহাৰৰ বাবে বিভিন্ন প্ৰয়োজনত শক্তিয়ে বিভিন্ন ৰূপ পৰিগ্ৰহণ কৰে। অৰ্থাৎ ত্ৰিগুণাত্মিকা শক্তি দেৱী দুৰ্গাৰ গাত সত্ত্ব-ৰজ ঃ আৰু তম এই তিনিওটা গুণ নিহিত হৈ থকা বাবেই তেওঁ চণ্ডিকা, দুৰ্গা, শৰ্বা, ভদ্ৰা, ভগৱতী ইত্যাদি বিভিন্ন নামেৰে

পৰিচিতা হৈছে। সেয়েহে *শ্ৰীশ্ৰী চণ্ডী* গ্ৰন্থৰ একাদশ অধ্যায়ত দেৱতাসকলে দেৱীক এনেদৰে স্তুতি মিনতি কৰিছে ঃ

'হে দেৱী, তুমি আমাৰ শত্ৰু বিনাশ কৰি যেনেদৰে জীৱজগতৰ
কল্যাণ সাধন কৰিলা, তেনেদৰে ভৱিষ্যতেও যেন আমাক সকলো
ধৰণৰ বিপদ বিঘিনিৰ পৰা ৰক্ষা কৰি থাকা।'

দেৱতাসকলৰ এই প্ৰাৰ্থনাত সন্তুষ্ট হৈ দেৱীয়ে তেওঁলোকক আশ্বাস প্ৰদান কৰে। দুৰ্গম নামৰ অসুৰক বধ কৰাৰ বাবেই দেৱী মহামায়া দুৰ্গা নামেৰে পৰিচিত হয়। এইগৰাকী দুৰ্গাই সমগ্ৰ বিশ্বৰ অধিষ্ঠাত্ৰী, মাতৃস্বৰূপা পৰমাপ্ৰকৃতি আৰু তেওঁক স্মৰণ কৰিলে মানুহে সকলো ধৰণৰ বিপদ-আপদ, দুখ-দুৰ্গতিৰ পৰা ৰক্ষা পাবলৈ সক্ষম হয়।

মহাশক্তি পৰমাপ্ৰকৃতি দেৱী দুৰ্গাৰ কপালৰ পৰা আবিৰ্ভাৱ হৈ কালী দেৱীয়ে দেৱকুল অৰ্থাৎ স্বৰ্গৰাজ্য ৰক্ষাৰ কাৰণে শুম্ভ আৰু নিশুম্ভ নামৰ দুটা অসুৰক বধ কৰিছিল. এই দেৱী দুৰ্গাই ৰণচণ্ডী মুৰ্ত্তি ধাৰণ কৰি দেৱতাসকলে বধ কৰিব নোৱাৰা অপৰাজেয় দুই অসুৰ ভাতৃক বধ কৰিছিল। এইগৰাকী কালীদেৱীৰ বৰণ ঘন ক'লা শ্যামবৰণীয়া, তেওঁ, মুক্তকেশী আৰু দিগম্বৰী।

পৰমাপ্ৰকৃতি দেৱী দুৰ্গা দশভূজা পৰমেশ্বৰী হৈও দশভাগত বিভক্ত হৈ দশ মহাবিদ্যাৰূপে বিশ্বৰ ভক্তসমাজত এখনি সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। *বৃহৎ ধৰ্মপুৰাণত* দেৱীৰ দশমহাবিদ্যা ৰূপৰ বৰ্ণনা এনে ধৰণে দিছে ঃ

কালী তাৰা মহাবিদ্যা ষোড়শী ভুৱনেশ্বৰী।
ভৈৰৱী ছিন্নমস্তা চ সুন্দৰী বগলামুখী।।
ধুম্ৰাৱতী চ মাতঙ্গী মহাবিদ্যা দশৈৱতা ঃ *(বৃহৎ ধৰ্মপুৰাণঞ্চ)*

দেৱী দুৰ্গাৰ এই দশটি ৰূপেই দশমহাবিদ্যাৰূপে ভক্তসমাজৰ মাজত চৰ্চিত হৈ আহিছে।

১৩.৫.৩ *শ্ৰীশ্ৰী চণ্ডীত* অন্যান্য পুৰাণৰ প্ৰভাৱ

কন্দলীৰ কাহিনীৰ মূল বা উৎস যে দেৱী মাহাত্ম্য তাত সন্দেহৰ কোনো অৱকাশ নাই। *মাৰ্কণ্ডেয় পুৰাণৰ* ৮১নং অধ্যায়ৰ পৰা ৯৩নং অধ্যায়লৈ বিস্তৃত দেৱী মাহাত্ম্যৰ আখ্যানভাগক লৈয়েই কন্দলীয়ে *শ্ৰীশ্ৰী চণ্ডী* ৰচনা কৰিছে। মন কৰিবলগীয়া কথা দেৱী মাহাত্ম্যৰ কাহিনী ভাগত ঘটনাৰ যি ক্ৰম বা ধাৰাবাহিকতা লক্ষ্য কৰা যায়, ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডীত* সেই ধাৰাবাহিকতা বহুক্ষেত্ৰত ভংগ হৈছে। ইয়াৰ মূল কাৰণ হ'ল কন্দলীয়ে দেৱী মাহাত্ম্যৰ কাহিনী ভাগত অন্যান্য পুৰাণৰ সমলো সন্নিৱিষ্ট কৰিছে। সন্নিৱিষ্ট কৰোঁতে বহু ঠাইত কাহিনীভাগৰ আঁত হেৰাই যোৱাৰ উপক্ৰম হৈছে বা ইয়াকো ক'ব পাৰি— ঘটনাৰ যোগসূত্ৰডাল জোৰ কৰি ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে। ফলত *শ্ৰীশ্ৰী চণ্ডীৰ* কাহিনীভাগ কিছু পৰিমাণে বিক্ষিপ্ত হৈ পৰিছে। আনহাতে, মূল কাহিনীৰ মাজে মাজে কন্দলীয়ে অনেক উপকাহিনী সংযোগ কৰিছে। একাধিক উপকাহিনী সংযোগ আৰু পূৰ্ব বৃত্তান্তৰ কাহিনীয়ে *শ্ৰীশ্ৰী চণ্ডীৰ* কাহিনীভাগ শিথিল কৰি তুলিছে।

শ্ৰীশ্ৰী চণ্ডী ৰচনা কৰোঁতে ৰুচিনাথ কন্দলী দেৱী মাহাত্ম্যৰ পৰা কোন কোন ক্ষেত্ৰত আঁতৰি আহিছে আৰু কোন কোন পুৰাণৰ পৰা সমল সংগ্ৰহ কৰিছে তলত আলোচনা কৰা হ'ল।

- ৰুচিনাথ কন্দলীয়ে গ্ৰন্থখনিৰ আৰম্ভণিতে ধৰ্মপক্ষীৰ যি পূৰ্ব বৃত্তান্ত দাঙি ধৰিছে, তেনে বৰ্ণনা দেৱী মাহাত্ম্যত পোৱা নাযায়। দেৱী মাহাত্ম্য পোনপটীয়াভাৱে চৈত্ৰ বংশৰ ৰমা সুৰথৰ কাহিনীৰে আৰম্ভ হৈছে। ধৰ্মপক্ষীৰ কাহিনীটো কবিয়ে *মাৰ্কণ্ডেয় পুৰাণৰ* পৰা গ্ৰহণ কৰিছে।
- ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডীত* মধু-কৈটভ, শুম্ভ-নিশুম্ভ আৰু মহিষাসুৰ দৈত্যৰ তিনিটা স্বতন্ত্ৰ কাহিনী পোৱা যায় আৰু তিনিওটা কাহিনীতে দেৱীয়ে অসুৰক বধ কৰিছে। কিন্তু দেৱী মাহাত্ম্যত মহিষাসুৰ বধৰ কাহিনী পোৱা নাযায়। এই কাহিনীভাগ কন্দলীয়ে *কালিকা পুৰাণৰ* পৰা সংগ্ৰহ কৰিছে।
- ৰজা সুৰথ আৰু সমাধি বৈশ্যৰ প্ৰসংগত কন্দলীয়ে কিছু অতিৰিক্ত কথা সংযোগ কৰিছে। দেৱী অন্তৰ্ধান হোৱাৰ পিচত দুৰ্গাৰ প্ৰতিমা গভীৰ জলত বিসৰ্জন দিয়া, সমাধিয়ে তপ কৰি পৰম গতি লাভ কৰা, সুৰথে নিষ্কণ্টক হৈ পৃথিৰী ভোগ কৰা, নিজ পুত্ৰক ৰাজ্যভাৰ দি তপস্যাত প্ৰবৃত্ত হোৱা আদি বৰ্ণনা দেৱী মাহাত্ম্যত পোৱা নাযায়। এই অতিৰিক্ত কথাখিনি কবিয়ে *ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ* প্ৰকৃতি খণ্ডৰ পৰা গ্ৰহণ কৰিছে। কবিৰ নিজৰ ভাষাতেই সেই কথাৰ প্ৰমাণ পোৱা যায় —

  প্ৰকৃতি খণ্ডক চাই কৰিয়া উদ্ধাৰ।
  নিবন্ধিলো শেষ কথা বৈস্যৰ ৰাজাৰ।।
- কৰম্ভ আৰু ৰম্ভাসুৰে মহাবলী পুত্ৰৰ বাবে তপস্যা কৰা, ইন্দ্ৰৰ দ্বাৰা কৰম্ভ বধ হোৱা, ৰম্ভাসুৰে ক্ৰোধত নিজৰ শিৰচ্ছেদ কৰি অগ্নিত আহুতি দিবলৈ উদ্যত হোৱা, অগ্নি দেৱতাই বাৰণ কৰা, মহিষীৰ লগত ৰম্ভাসুৰৰ ৰতিক্ৰীড়া, মহিষৰ শিঙৰ খোঁচত ৰম্ভাসুৰৰ মৃত্যু হোৱা, মহিষীয়ে যক্ষৰ ওচৰত আশ্ৰয় লোৱা, কাম-ভাবত জৰ্জৰিত মহিষে সৰোবৰত জঁপিয়াই আত্মহত্যা কৰা, নমৰ দৈত্য ৰূপ লাভ কৰা আদি বৰ্ণনা দেৱী মাহাত্ম্যত পোৱা নাযায়। কন্দলীয়ে এই সমগ্ৰ ঘটনা *বামণ পুৰাণৰ* পৰা সংগ্ৰহ কৰিছে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডীত মাৰ্কণ্ডেয় পুৰাণৰ* দেৱী মাহাত্ম্যৰ উপৰি *ব্ৰহ্মবৈৱৰ্ত পুৰাণ, বামণ পুৰাণ* আৰু *কালিকা পুৰাণৰ* প্ৰভাৱ পৰিলক্ষিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডীত 'মাৰ্কণ্ডেয় পুৰাণ'ৰ* উপৰি আন কি কি পুৰাণৰ উপাদান সংযোগ হৈছে ? (১৫০টা শব্দৰ ভিতৰত)

.....

১৩.৬ সুৰথ ৰজা আৰু সমাধি বৈশ্যৰ কাহিনী

স্বৰোচিষ মন্বন্তৰত চৈত্র বংশৰ ৰজা সুৰথ সমগ্র পৃথিৱীৰ অধিপতি আছিল। ধর্মপ্রাণ, পুণ্যবান ৰজা সুৰথৰ ৰাজত্বকালত প্রজাসকলে সুখ আৰু শান্তিৰে বসবাস কৰিছিল। কিন্তু ৰজা সুৰথে এই সুখ-সমৃদ্ধি বেছিদিন ভোগ কৰিবলৈ নাপালে। তেওঁৰ ভাগ্যাকাশলৈ অমানিশাৰ ছাঁ নামি আহিল। শত্রুৰ হাতত পৰাস্ত হৈ তেওঁ কেৱল ৰাজসিংহাসন তথা ৰাজ্যই হেৰুৱাবলগীয়াত পৰিল এনে নহয়; ভাগ্যৰ বিড়ম্বনাত স্ত্রী-পুত্র সকলো হেৰুৱাবলগাত পৰে। ফলত মনৰ দুখত তেওঁ বনলৈ গমন কৰিলে। এই বনতে আছিল মেধস মুনিৰ আশ্রম। মুনিয়ে ৰজাক আদৰেৰে গ্রহণ কৰিলে। এই আশ্রমৰ পৰিৱেশ আছিল অতি মনোৰম। শান্ত ৰসাস্পদ সেই আশ্রমত হিংস্র জন্তুৱেও সিহঁতৰ হিংসা প্রবৃত্তি পাহৰি গৈছিল, পাহৰি গৈছিল শত্রুতা। ৰজা সুৰথো আশ্রমবাসী হ'ল। কিন্তু তেওঁৰ মনত শান্তি নাই। স্ত্রী-পুত্র, আত্মীয়-স্বজনৰ চিন্তাত তেওঁ কাতৰ। শান্তিহাৰা মন লৈ তেওঁ বনৰ মাজত অনাই-বনাই ঘূৰি ফুৰে। এনেদৰে ঘূৰি ফুৰোতে এদিন বিষণ্ণ বদন, দুখত ভাৰাক্রান্ত এগৰাকী ব্যক্তিৰ লগত তেওঁৰ সাক্ষাৎ ঘটিল। কৌতূহল নিবাৰণ কৰিব নোৱাৰি ৰজাই আন্তৰিকতাৰে তেওঁৰ পৰিচয় বিচাৰিলে। ৰজাৰ প্রীতিপূর্ণ ব্যৱহাৰে নৱাগতৰ হৃদয় স্পর্শ কৰিলে। তেওঁ পৰিচয় দি ক'লে— 'মোৰ নাম সমাধি। বৈশ্য কুলত মোৰ জন্ম। মই প্রচুৰ ধন-সম্পত্তিৰ অধিকাৰী আছিলো। চাৰিওফালে কেৱল সুখ, সমৃদ্ধি, স্বাচ্ছন্দ্য। কিন্তু দৈৱৰ পৰিহাস স্ত্রী-পুত্র মোৰ বিৰুদ্ধে থিয় হ'ল, মোৰ বিৰুদ্ধাচৰণ কৰিলে। স্ত্রীৰ পতিপ্রেম, পুত্রৰ পিতৃভক্তি, আত্মীয়-স্বজন, বন্ধুবর্গ সকলোৱে স্বজন-প্রীতি বিসর্জন দি ছলে-বলে কৌশলে মোৰ সমস্ত সম্পত্তি হস্তগত কৰি মোক ঘৰৰ পৰা বাহিৰ কৰি দিলে। সেয়ে মনৰ বেজাৰত বনলৈ আহিলো— 'যথাৰণ্যম তথা গৃহম'। কিন্তু বনলৈ আহিও মই স্ত্রী-পুত্রৰ কথা পাহৰিব পৰা নাই। সিহঁতৰ খবৰ নাপাই মনৰ দুখত ভাৰাক্রান্ত। সুখেৰে আছে নে দুখেৰে আছে জানিব নোৱাৰি মন ব্যাকুল হৈ পৰিছে, খন্তেকৰ বাবেও শান্তি লভিব পৰা নাই।

ৰজা সুৰথে আচৰিত হৈ প্রশ্ন কৰিলে— 'যাৰ দ্বাৰা আপুনি লাঞ্ছিত, নিপীড়িত তথা নিজ গৃহৰ পৰা বিতাড়িত; যিসকলে আপোনাৰ প্রতি মায়া-মমতা ত্যাগ কৰি শত্রুৰ দৰে ব্যৱহাৰ কৰিছে, সেইসকলৰ প্রতি আপুনি ইমান ব্যাকুল কিয় ? সুৰথৰ প্রশ্ন শুনি সমাধিয়ে উত্তৰ দিলে— 'এৱা, আপুনি ঠিকেই কৈছে। তথাপি কিয় জানো সিহঁতৰ প্রতি মই নির্দয় হ'ব পৰা নাই।'

ৰজা সুৰথৰ অৱস্থাও একে। ফলত সমদুখী উভয়ৰ মাজত সহজে আত্মীয়তা স্থাপন হ'ল। দুয়োজনৰ মনতে উদয় হোৱা প্রশ্নৰ সমিধান বিচাৰি তেওঁলোকে মেধস মুনিৰ ওচৰ পালে আৰু মুনিক প্রশ্ন কৰিলে— 'লাঞ্ছিত হৈও লাঞ্ছনাকাৰীৰ প্রতি তেওঁলোক কিয় নির্দয় হ'ব পৰা নাই।' তেতিয়া মুনিয়ে উত্তৰ দিলে— 'সন্তান স্নেহেই ইয়াৰ কাৰণ। অকল মানুহেই নহয়, পশু-পক্ষী পর্যন্ত এই অপত্য স্নেহৰ দ্বাৰা বশীভূত। ইয়াত আচৰিত হ'বলগীয়া একো নাই। দেৱী মহামায়াই এই অপত্য স্নেহ বা মায়াৰ সৃষ্টি কৰি সকলো জীৱকে মোহাচ্ছন্ন কৰি ৰাখে। এই দেৱী সৃষ্টি-স্থিতি-লয়ৰ কাৰণ। চৰাচৰ জগত তেওঁৰেই সৃষ্টি। ব্রহ্মবিদ্যাৰূপিনী সনাতনী এই দেৱীয়েই সংসাৰৰ বন্ধন আৰু মুক্তিৰ হেতু।'

দেৱীৰ এই মাহাত্ম্যৰ কথা শুনি সুৰথ আৰু সমাধিৰ মনত পৰম বিস্ময়ৰ সৃষ্টি হ'ল। তেওঁলোকে দেৱীৰ স্বৰূপ জানিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। তেতিয়া মুনিয়ে ক'লে— 'এই দেৱী নিত্যা। তেওঁৰ জন্ম নাই, মৃত্যুও নাই। সমস্ত জগত ব্যাপি দেৱী বিৰাজমান— 'তয়া সৰ্বমিদং ততম্'। জন্মমৃত্যুবিহীনা এই দেৱী দেৱতাসকলৰ কাৰ্য সিদ্ধিৰ বাবে আৱিৰ্ভূতা হৈ থাকে। দেৱীৰ জন্ম, কৰ্ম যেনেদৰে অভূতপূৰ্ব, তেনেদৰে বিস্ময়কৰো।' ইয়াৰ পিচত মুনিয়ে দেৱীৰ কৰ্ম তথা মহিমাৰ কথা ব্যক্ত কৰিবলৈ গৈ তলত উল্লেখ কৰা ঘটনাকেইটা বৰ্ণনা কৰিছে।

এবাৰ ভাগ্যবান বিষ্ণু অনন্ত শয্যাত যোগনিদ্ৰাত শায়িত আছিল। সেই সময়তে তেওঁৰ কৰ্ণমলৰ পৰা দুটি অসুৰে জন্ম গ্ৰহণ কৰিলে। অসুৰ দুটাৰ নাম— মধু আৰু কৈটভ। জন্ম গ্ৰহণ কৰিয়েই অসুৰদ্বয়ে বিষ্ণুৰ নাভি কমল স্থিত প্ৰজাপতি ব্ৰহ্মাক বধ কৰিবলৈ উদ্যত হ'ল। ভীতিগ্ৰস্ত ব্ৰহ্মাই আত্মৰক্ষাৰ আন উপায় নেদেখি বিষ্ণুক জাগ্ৰত কৰিবলৈ যোগ নিদ্ৰাৰূপিনী মহামায়াক স্তুতি কৰিবলৈ ধৰিলে। স্তুতিত সন্তুষ্ট হৈ দেৱীয়ে বিষ্ণুক ত্যাগ কৰিলে। ফলত বিষ্ণু নিদ্ৰাৰ পৰা জাগ্ৰত হ'ল। ব্ৰহ্মাক বধ কৰিবলৈ উদ্যত হোৱা দেখি বিষ্ণু অসুৰদ্বয়ৰ সৈতে যুদ্ধত প্ৰবৃত্ত হ'ল। এই যুদ্ধত অসুৰদ্বয়ক বিষ্ণুৱে চক্ৰৰ দ্বাৰা মস্তক ছেদন কৰে।

কাহিনীটোৰ সমাপ্তিত মুনিয়ে ক'লে যে বিষ্ণুৰ যোগিনীৰূপিনী এই দেৱীৰ নাম মহাকালী। এওঁৰ উপাসনাত সিদ্ধ সাধকে অতুলনীয় বলেৰে বলীয়ান হৈ চৰাচৰ বিশ্বব্ৰহ্মাণ্ড বশীভূত কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী* ৰচনাৰ মূল ভিত্তি কি? (১৫০টা শব্দৰ ভিতৰত লিখক)

.....

প্ৰশ্ন নং ৫ ঃ ৰজা সুৰথ আৰু সমাধি বৈশ্যই কোনগৰাকী মুনিৰ আশ্ৰমত আশ্ৰয় গ্ৰহণ কৰিছিল আৰু কিয়? (১৫০টা শব্দৰ ভিতৰত লিখক)

.....

আন এবাৰ দেৱাসুৰৰ লগত হোৱা যুদ্ধত দেৱতাসকলে পৰাজয় বৰণ কৰে। তেতিয়া ব্ৰহ্মাৰ উপদেশ মতে হৰিহৰৰ ওচৰলৈ গৈ দেৱতাসকলে নিজৰ পৰাজয়ৰ কাহিনী বৰ্ণনা কৰে আৰু অসুৰ বধৰ বাবে প্ৰাৰ্থনা জনায়। দেৱতাসকলৰ পৰাজয়ৰ কাহিনী শুনি হৰিহৰৰ ভীষণ ক্ৰোধৰ সৃষ্টি হ'ল। ক্ৰোধান্বিত হৰিহৰৰ শৰীৰৰ পৰা তেজৰাশি নিৰ্গত হ'বলৈ ধৰিলে। সেই একে সময়তে আন আন দেৱতাৰ শৰীৰৰ পৰাও তেজ নিৰ্গত হোৱাত হৰিহৰৰ তেজৰ সৈতে মিশ্ৰণ ঘটিল। এই মিশ্ৰিত তেজৰ পৰা এগৰাকী নাৰীমূৰ্তিয়ে জন্মগ্ৰহণ কৰিলে। তেতিয়া দেৱতাসকলে নিজ নিজ অস্ত্ৰৰ পৰা অস্ত্ৰ নিৰ্মাণ কৰি দেৱীক প্ৰদান কৰে আৰু অসুৰ বধৰ বাবে ৰণসজ্জাৰে সজ্জিত কৰি তোলে। দেৱতাসকলৰ অভিপ্ৰায় অনুসৰি দেৱীয়ে অসুৰক বধ কৰি দেৱতাসকলক বিপদমুক্ত

কৰে। দেৱীয়ে এনেদৰে দেৱতাসকলক বিপদৰ পৰা উদ্ধাৰ কৰা বাবে দেৱতাসকলে তেওঁক স্তুতি কৰিবলৈ ধৰে। স্তুতিত সন্তুষ্ট হৈ দেৱীয়ে দেৱতাসকলক বৰ প্ৰদান কৰিবলৈ বিচাৰিলে। তেতিয়া দেৱতাসকলে ক'লে— 'হে দেৱী যদি আমাক বৰ দিবলৈ ইচ্ছা কৰে তেনেহ'লে এই বৰ প্ৰদান কৰক— বিপদৰ সন্মুখীন হৈ যেতিয়াই আমি আপোনাক স্মৰণ কৰিম, তেতিয়াই আপুনি আবিৰ্ভূত হৈ আমাৰ ৰক্ষা কৰিব।' দেৱীয়ে তথাস্তু বুলি কৈ অন্তৰ্ধান হ'ল।

আন এবাৰ দেৱতাসকল শুম্ভ আৰু নিশুম্ভৰ হাতত পৰাস্ত হৈ স্বৰ্গৰাজ্যচ্যুত হ'ল। তেতিয়া দেৱতাসকলে পূৰ্বৰ বৰ অনুযায়ী দেৱীক স্মৰণ কৰিলে। দেৱীৰ কৃপা লাভৰ বাবে দেৱতাসকলে এইবাৰ হিমালয়লৈ গমন কৰে আৰু দেৱীৰ আৰাধনাত প্ৰবৃত্ত হয়। দেৱীয়ে জাহ্নৱীজলত স্নান কৰি আহি দেৱতাসকলে স্তুতি কৰি থকা দেখা পায়। সেই সময়তে দেৱীৰ শৰীৰৰ পৰা এক শিৱামূৰ্তি আবিৰ্ভূতা হয়। এই দেৱীৰ নাম কৌশিকী। অপৰূপ সৌন্দৰ্যৰ গৰাকী এই দেৱী। তেওঁৰ অঙ্গশোভাত চতুৰ্দিশে মনোহৰ ৰূপ ধাৰণ কৰিলে। সেই সময়ত শুম্ভ-নিশুম্ভৰ ভৃত্য চণ্ড আৰু মুণ্ড তাত উপস্থিত আছিল। দেৱীৰ ৰূপত মুগ্ধ হৈ সিহঁতে শুম্ভ-নিশুম্ভৰ ওচৰলৈ ঘূৰি আহিল আৰু ক'লে যে ত্ৰিভুৱনত তেওঁতকৈ সুন্দৰী ৰমণী আৰু দ্বিতীয় এগৰাকী নাই। এই ৰমণী আপোনাৰ যোগ্যা। গতিকে আপুনি তেওঁক ৰৰণ কৰক। শুম্ভ-নিশুম্ভই ভৃত্যৰ কথাত সন্তুষ্ট হৈ দেৱীৰ ওচৰলৈ দূত প্ৰেৰণ কৰিলে। দূতে গৈ দেৱীক বিয়াৰ প্ৰস্তাৱ দিলে। প্ৰস্তাৱ শুনি দেৱীয়ে ক'লে যে পূৰ্বতে তেওঁ প্ৰতিজ্ঞা কৰি থৈছে— যিয়ে তেওঁক যুদ্ধত পৰাস্ত কৰিব পাৰিব, তেওঁকহে দেৱীয়ে পতিৰূপে গ্ৰহণ কৰিব। শুম্ভ-নিশুম্ভই দেৱীৰ প্ৰতিজ্ঞাৰ কথা শুনি প্ৰথমে ধূম্ৰলোচনক পঠালে দেৱীক আনিবলৈ। ধূম্ৰলোচন দেৱীৰ হাতত নিহত হ'ল। তাৰ পিছত আহিল চণ্ড-মুণ্ড। দেৱীৰ হাতত এই দুজনৰো মৃত্যু ঘটিল। তাৰ পিছত আহিল প্ৰধান সেনাপতি ৰক্তবীজ। ৰক্তবীজো অহা বাটে ঘূৰি যাব নোৱাৰিলে। এইবাৰ আহিল নিশুম্ভ। তাৰো একেই অৱস্থা হ'ল। নিশুম্ভৰ বধত ক্ৰোধান্বিত হৈ শুম্ভ নিজে আহি দেৱীক প্ৰত্যাহ্বান জনালে আৰু যুদ্ধত অৱতীৰ্ণ হ'ল। যুদ্ধৰ সময়ত শুম্ভই এক অপূৰ্ব দৃশ্য দেখিবলৈ পাই বিস্মিত হ'ল। তেওঁ দেখিলে দেৱীৰ অনুৰূপ বহু মূৰ্ত্তি তেওঁৰ সৈতে যুদ্ধত প্ৰবৃত্ত হৈছে। তেতিয়া শুম্ভই দেৱীক ক'লে যে তেওঁ যুদ্ধত অন্যৰ সহায় লৈছে, গতিকে তাত গৰ্ব কৰিবলৈ দেৱীৰ একো নাই। উত্তৰত দেৱীয়ে জনালে যে— এই সকলো শক্তি মোৰ, মোৰেই বিভূতি। মোৰ শক্তি মোতেই বিলীন হৈছে। ইচ্ছা কৰিলে এই সকলো শক্তিক মই সংহৰণ কৰিবও পাৰো। এই বুলি দেৱী মূৰ্তিবোৰ আহি এক মূৰ্তিত থিতাপি ল'লে। শুম্ভ বিস্ময়ত হতবাক। অৱশেষত দেৱীয়ে শুম্ভকো বধ কৰে। শত্ৰুবধত সন্তুষ্ট হৈ দেৱতাসকলে পুনৰ স্তুতি কৰিবলৈ ধৰিলে। এই দেৱীৰ নাম মহাসৰস্বতী। *শ্ৰীশ্ৰী চণ্ডীৰ* হৈ সাত্ত্বিকী মূৰ্তি। সংসাৰ বন্ধন আৰু মুক্তিৰ হেতু ভূতা এই দেৱী। ভোগাৰ্থীক ভোগ আৰু মোক্ষাৰ্থীক তেওঁ তত্ত্বজ্ঞান প্ৰদান কৰে।

ৰজা সুৰথ আৰু সমাধিয়ে দেৱীৰ এই মাহাত্ম্য শুনি বিস্ময়াভূত হ'ল আৰু দেৱীক আৰাধনা কৰিবৰ বাবে দৃঢ় সংকল্প লৈ মুনিৰ পৰা বিদায় গ্ৰহণ কৰিলে। তাৰ পিছত ৰজা আৰু সমাধিয়ে দেৱীৰ মৃণ্ময়ী মূৰ্তি স্থাপন কৰি আৰাধনাত ৰত হ'ল। অৰ্ধাহাৰ, অনাহাৰে থাকি পূজা, হোম আনকি নিজৰ দেহৰ তেজ উপহাৰ দি কঠোৰ আৰাধনাত নিজকে আত্মসমৰ্পণ কৰিলে। এইদৰে

দিন, সপ্তাহ, মাহ অতিক্রম কৰি তিনি বছৰ কাল কঠোৰ তপস্যা কৰিলে। অৱশেষত দেৱী সুপ্রসন্না হৈ ৰজা আৰু সমাধিৰ সন্মুখত উপস্থিত হ'ল আৰু ক'লে— 'হে ৰাজন ! হে বৈশ্যকুলনন্দন। তোমালোকৰ তপস্যাত মই সন্তুষ্ট। এতিয়া কোৱা মই কি বৰ প্রদান কৰিম?' ৰজা সুৰথে জন্মান্তৰত অক্ষয় ৰাজত্ব তথা হৃত ৰাজ্য পুনৰ উদ্ধাৰৰ বাবে প্রার্থনা জনালে। দেৱীয়ে বাঞ্ছিত বৰ দান কৰিলে। কিন্তু সমাধিয়ে স্ত্রী-পুত্র, আত্মীয়-স্বজনৰ প্রতি যি মোহ, সেই মোহ বিনাশক তত্ত্বজ্ঞান কামনা কৰিলে। দেৱীয়ে তেওঁৰ প্রার্থনাও পূৰণ কৰিলে। এইদৰে দেৱীয়ে ৰজা সুৰথ আৰু সমাধিৰ মনোবাঞ্ছা পূৰণ কৰি অন্তর্ধান হ'ল আৰু তাতেই *মার্কণ্ডেয় পুৰাণ*ৰ দেৱী মাহাত্ম্যৰ সামৰণি পৰিছে।

১৩.৭ মহিষাসুৰ বধৰ কাহিনী

ৰম্ভ নামৰ দৈত্য এজনে চিৰকাল মহাদেৱক আৰাধনা কৰিছিল পুত্র লাভৰ বাবে। ৰম্ভাসুৰৰ তপস্যাত সন্তুষ্ট হৈ শিৱই দেখা দি কি বৰ লাগে সুধিলে। ৰম্ভাসুৰে তিনিজন্মত শিৱক পুত্রৰূপে পাবলৈ প্রার্থনা কৰিলে। মহাদেৱে 'তথাস্তু' বুলি কৈ অন্তর্ধান হ'ল। গৃহাভিমুখে প্রত্যাৱর্তন কৰোঁতে বাটতে তিনি বছৰীয়া ঋতুমতী সুন্দৰী মহিষী এজনীক দেখি ৰম্ভাসুৰ কাম ভাবত আক্রান্ত হ'ল আৰু মহিষীক ধর্ষণ কৰিলে। ফলত মহিষীৰ গর্ভত মহিষাসুৰৰ জন্ম হ'ল।

দানবাধিপতি মহিষাসুৰে এদিন নাৰী ৰূপ ধৰি কাত্যায়ন মুনিৰ শিষ্যক মোহিত কৰাৰ হেতু কাত্যায়নে অভিশাপ দিছিল— যিহেতু নাৰী ৰূপ ধাৰণ কৰি তেওঁৰ শিষ্যক মোহিত কৰি তপস্যা ভংগ কৰিছে, গতিকে নাৰীৰ হাততেই মহিষাসুৰৰ মৃত্যু হ'ব। এনে নিষ্ঠুৰ অভিশাপ পোৱাৰ পিছতো মহিষাসুৰৰ কোনো অনুতাপ নজন্মিল। বৰং স্বভাৱজাতভাৱে চৰাচৰ দিনে-ৰাতিয়ে অত্যাচাৰ কৰি যাবলৈ ধৰিলে। আনকি বলৰ গর্বত উন্মত্ত হৈ ইন্দ্রৰ পৰা স্বর্গৰাজ্য পর্যন্ত কাঢ়ি ল'বলৈ মনস্থ কৰিলে। ইতিমধ্যে দেৱৰাজ পুৰন্দৰৰ লগত মহিষাসুৰৰ এবছৰ ধৰি যুদ্ধ চলি আছিল। শেষত দেৱতাসকলে পৰাজয় বৰণ কৰে আৰু মহিষাসুৰ স্বর্গৰ অধিপতি হয়। স্বর্গচ্যুত হোৱাৰ পিছত দেৱতাসকলে গৈ ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ আগত অসুৰবিলাকে দিয়া নির্যাতনৰ কথা বর্ণনা কৰিলে আৰু অসুৰ বধৰ উপায় উদ্ভাৱন কৰিবলৈ অনুৰোধ কৰিলে। মহিষাসুৰৰ অত্যাচাৰৰ কথা শুনি ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ খং উঠিল আৰু তেওঁলোকৰ তেজ-পুঁজ নির্গত হৈ একগোট হ'ল। সেই একত্র তেজৰ পৰা এগৰাকী নাৰী মূর্তিৰ আৱির্ভাব ঘটিল। তেওঁক দেখি দেৱতাসকল আনন্দিত হ'ল। দেৱতাসকলে দেৱীক বিভিন্ন অস্ত্র-শস্ত্র দি যুদ্ধৰ বাবে সুসজ্জিত কৰিলে। মহাদেৱে শূল, নাৰায়ণে চক্র, বৰুণে শংখ আৰু পাশ, হুতাশনে শক্তি, বায়ুৱে ধনু আৰু বাণপূর্ণ তূণ, ইন্দ্রই বজ্র, ঐৰাৱতে ঘণ্টা, যমে দণ্ড, দশ প্রজাপতিয়ে অক্ষমালা, ব্রহ্মাই কমণ্ডলু, সূর্যই ৰশ্মিৰাশি আৰু কালে দেৱীক খর্গ আৰু চর্মসমূহ দিলে। বিশ্বকমাই দিলে পৰশুকুঠাৰ আৰু অভেদ্য বর্ম। অন্যান্য দেৱতাসকলেও তেওঁক নানাবিধ অলংকাৰ আৰু অস্ত্র-শস্ত্র দিলে। এইদৰে দেৱী সজ্জিতা হৈ অট্টহাস্য কৰি সিংহনাদে গর্জিবলৈ ধৰিলে। এই গর্জনত পৃথিৱী, সাগৰ, পর্বত কঁপি উঠিল। দেৱতাসকলে 'জয় দুর্গা' বুলি জয়ধ্বনি দিবলৈ আৰম্ভ কৰিলে। মহিষাসুৰেও সৈন্য-

সামন্ত সষ্টম কৰি তুলিলে। ফলত অসুৰৰ লগত দেৱীৰ তয়া-ময়া যুদ্ধ লাগিল। যুদ্ধত চিক্ষু, চামৰ আদি অসুৰ নিহত হোৱাৰ পিছত মহিষাসুৰ দেৱীৰ লগত প্রত্যক্ষভাৱে যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল। যুদ্ধত মহিষাসুৰৰ পৰাজয় তথা মৃত্যু ঘটিল। মহিষাসুৰক বধ কৰাৰ বাবে দেৱতাসকলে বিজয়িনী দেৱীক স্তুতি কৰিলে। স্তুতিৰ পিছত কবিয়ে তৃতীয় জন্মত মহিষাসুৰৰ স্বপ্ন দর্শনৰ কথা বর্ণনা কৰিছে। মহিষাসুৰে দেৱীৰ আগত শিৰ নত কৰি কৈছে— 'কাত্যায়ন মুনিৰ অভিশাপমর্মে তুমি মোক বধ কৰিব লাগে। সেই সময় এতিয়া সমাগত। মোৰ মৃত্যু অনিবার্য, তাৰ বাবে মই শোক নকৰোঁ, দৈৱক কোনোৱে বান্ধি ৰাখিব নোৱাৰে। পিতৃয়ে শিৱক আৰাধনা কৰি মোক পুত্র হিচাপে লাভ কৰিছিল। ময়ো তেওঁক (শিৱক) পূজি থাকিলো। তিনিটা মন্বন্তৰ কালত ভালকৈয়ে ভোগ-বিলাস কৰিলো। তিনি ভুৱনৰ ইন্দ্রও হ'লোঁ। এতিয়া মই প্রার্থনা কৰি আন বৰ নলওঁ। মাথোঁ মোক দুটা বৰ দিয়া— প্রথম, মই যাতে তোমাৰ চৰণ সেৱা কৰি থাকিব পাৰোঁ। দ্বিতীয়তে, মই যাতে তোমাৰ লগত যজ্ঞ ভাগ পাওঁ।' ইয়াৰ পিছত দেৱীৰ বিভিন্ন ৰূপ আৰু শংকৰে পার্বতীক কোৱা শিৱ-মহিষৰ সম্পর্কৰ কথা ব্যক্ত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ বিষ্ণুৰ কর্ণমলৰ পৰা জন্ম পোৱা অসুৰ দুটাৰ নাম কি আছিল ? সিহঁতৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

১৩.৮ কাহিনী দুটাৰ মাজেদি প্রকাশ পোৱা দেৱী মহিমা

শ্রীশ্রী চণ্ডীত কবি ৰুচিনাথ কন্দলীয়ে আদ্য শক্তি দেৱী মহামায়াৰ স্বৰূপ বর্ণনাৰ মাজেদি দেৱীৰ মহিমাৰ বিভিন্ন দিশৰ লগত আমাক পৰিচয় কৰাই দিয়ে। মেধাস মুনিয়ে দেৱীৰ মহিমা বর্ণনাৰ প্রসঙ্গত কৈছিল— 'তয়া সর্বমিদং ততম্'। অর্থাৎ সমস্ত জগত ব্যাপি দেৱী বিৰাজমান।

এই গূঢ় কথাযাৰৰ আঁত ধৰি দেৱী মহামায়াৰ স্বৰূপ আৰু কার্যসমূহৰ প্রতি লক্ষ্য কৰিলে এইটো বোধগম্য হ'ব যে প্রকৃতি স্বৰূপা দেৱী সকলোতে বিৰাজমান আৰু সকলোৰে হিত সাধনৰ প্রতি ইচ্ছুক। যিদৰে এগৰাকী মাতৃয়ে তেওঁৰ কোনো সন্তানৰ মাজত ভেদ ভাব নকৰি সকলো সন্তানৰ প্রতি সমান দৃষ্টি দিয়ে, ঠিক সেইদৰে জগৎ মাতা মহামায়াও তেওঁৰ দ্বাৰা সৃষ্ট জীৱ-জড় সকলোৰে প্রতি সম দৃষ্টি দিয়া পোষকতা কৰে। তেওঁৰ দৃষ্টিত সুৰ-অসুৰ, নৰ-কিন্নৰ, কীট-প্রতঙ্গ, জলচৰ-স্থলচৰ সকলো সমান। অচলা ভক্তিৰে তুষ্ট হোৱা এইগৰাকী দেৱী ৰজা সুৰথ আৰু সমাধি বৈশ্যৰ আর্ত আবেদন শুনি তেওঁলোকৰ ক্লেশ ভঞ্জন কৰিবলৈ আবির্ভূতা হৈছিল। ভাগ্যৰ দ্বাৰা প্রতাৰিত দুয়োগৰাকী সম্ভ্রমশীল, ঐশ্বর্যশালী পুৰুষে দুর্ভোগৰ দিনত মেধস মুনিৰ আশ্রয় লাভ কৰিছিল। পৰোপকাৰী মেধস মুনিয়ে তেওঁলোকক দেৱী মহামায়াৰ শৰণাপন্ন হ'বলৈ উপদেশ দিলে। মুনিগৰাকীয়ে তেওঁলোকক দেৱীৰ পৰম ঐশ্বর্যময় ৰূপ আৰু কর্মৰ

বিষয়ে জনালে। দুয়োগৰাকীয়ে কঠোৰ তপস্যাৰ মাজেদি আৰু চৰম আত্ম বিলুপ্তিৰ মাজেদি দেৱী মহামায়াক সন্তুষ্ট কৰি মনোবাঞ্ছিত বৰ লাভ কৰিছিলে। কল্যাণীময়ী মাতৃ দেৱী মহামায়াক সকাম, নিষ্কাম সকলো প্ৰকাৰৰ ভক্তিৰে তুষ্ট কৰিব পাৰি। ৰজা সুৰথ আৰু সমাধি বৈশ্যৰ তপস্যা আৰু বৰ লাভ তাৰ প্ৰকৃষ্ট উদাহৰণ। ৰজাই দেৱী মহামায়াক বৰ স্বৰূপে হৃত ৰাজ্য আৰু সম্পদ ঘূৰাই পাবলৈ বাঞ্ছা কৰিলে। দেৱীয়ে তেওঁৰ সেই মনোকামনা পূৰণ কৰিলে। আনহাতে সমাধি বৈশ্যই স্ত্ৰী-পুত্ৰ, আত্মীয়-স্বজনৰ প্ৰতি যি মোহ, সেই মোহ বিনাশক তত্ত্বজ্ঞান কামনা কৰিলে। দেৱীয়ে তেওঁৰ সেই মনোবাঞ্ছাও পূৰণ কৰিলে।

মহিষমৰ্দিনী দেৱী দুৰ্গা মহামায়াৰে এটা ৰূপ। ৰম্ভাসুৰে দেৱাদিদেৱ শিৱক সন্তুষ্ট কৰি মহিষাসুৰক পুত্ৰ ৰূপে লাভ কৰিলে। সেই পৰম শক্তিশালী মহিষাসুৰ মহাদেৱৰ বৰৰ দ্বাৰা বলিয়ান হৈ অহংকাৰী আৰু মদমত্ত হৈ পৰিল। তেওঁ দেৱতা-নৰ সকলোকে উৎপীড়ন কৰিবলৈ আৰম্ভ কৰিলে। তেওঁৰ অনাচাৰ-অত্যাচাৰে চৰম বিন্দু পাৰ কৰিলে তেতিয়া, যেতিয়া তেওঁ পৰম সিদ্ধ ঋষি কাত্যায়নৰ শিষ্যসকলক নাৰী বেশ ধাৰণ কৰি ভ্ৰমিত কৰিবলৈ চেষ্টা কৰিছিল। ঋষি কাত্যায়নে মহিষাসুৰৰ সেই দুৰাচাৰ দেখি কোপিত হৈ শাপ দিলে যে এগৰাকী নাৰীৰ হাততেই মহিষাসুৰৰ মৃত্যু হ'ব। সময়ত মহামায়াৰ দুৰ্গা ৰূপৰ হাতত মহিষাসুৰৰ মৃত্যু নিশ্চিত হ'ল। পৰম পাতকী মহিষাসুৰৰ অহংকাৰ দেৱী দুৰ্গাৰ হাতত চূৰ্ণ হ'ল। সেই অৱস্থাত মহিষাসুৰৰ বোধোদয় হ'ল আৰু দেৱীৰ চৰণত নিজকে আত্মসমৰ্পণ কৰিলে। দেৱীয়ে মহিষাসুৰক মুক্তি প্ৰদান কৰাৰ লগতে অসুৰে বিচৰা বৰো প্ৰদান কৰিলে।

পৰম পাতকীয়েও নিজৰ পাপৰ প্ৰায়শ্চিত বিচাৰি ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ কৰিলে তেৰোঁ মনোবাঞ্ছিত ফল লাভ কৰে। সেই আত্মসমৰ্পণৰ ভাব কপটতাৰহিত আৰু শুদ্ধ ভাবনাপূৰ্ণ হ'ব লাগিব। জীৱ-জড় সকলোৰে নিয়ন্তা দেৱী মহামায়াই ভক্তজনৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আৱশ্যকতা অনুসৰি মুক্তি বা মোক্ষ প্ৰদান কৰে। *শ্ৰীশ্ৰী চণ্ডীত* বৰ্ণিত আখ্যানসমূহৰ মাজেদি দেৱী মহিমাৰ এই দিশবোৰ ফুটি উঠিছে।



১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাত ৰচিত পাঁচখন 'চণ্ডী আখ্যান'ৰ সন্ধান পোৱা গৈছে। চণ্ডী আখ্যানৰ বাটকটীয়া কবি গৰাকী হৈছে পীতাম্বৰ দ্বিজ। পীতাম্বৰ দ্বিজৰ পিছতে ৰুচিনাথ কন্দলী, দ্বিজ ৰঙ্গনাথ চক্ৰৱৰ্ত্তী, মধুসুদন মিশ্ৰ আৰু শিৱনাথ দ্বিজে চণ্ডী আখ্যান ৰচনা কৰিছে।
- ৰুচিনাথ কন্দলীৰ বংশৰ মূল পুৰুষজনৰ নাম আছিল ৰত্ন কন্দলী।
- স্বৰ্গদেউ ৰুদ্ৰসিংহৰ অনুগ্ৰহত ৰুচিনাথ কন্দলীৰ পিতৃ সংস্কৃত পণ্ডিত কৃষ্ণাচাৰ্যই ৰংপুৰলৈ আহি বসতি কৰিবলৈ লৈছিল। সেই সূত্ৰে ৰংপুৰতে কবি ৰুচিনাথ কন্দলীৰ জন্ম।

- অষ্টাদশ অর্থাৎ ১৮ খন পুৰাণৰ ভিতৰত অন্যতম হৈছে *মার্কণ্ডেয় পুৰাণ*। এই *মার্কণ্ডেয় পুৰাণৰ* ৮১ নং অধ্যায়ৰ পৰা ৯৩ নং অধ্যায়ৰ 'দেৱী মাহাত্মা' খণ্ডক ভিত্তি কৰি ৰুচিনাথ কন্দলীয়ে *শ্ৰীশ্ৰী চণ্ডী* গ্ৰন্থ ৰচনা কৰিছে। পুথিখনিৰ মূল বিষয়বস্তু তেৰটা খণ্ডত ভাগ কৰি কন্দলীয়ে সেই ভাগবোৰক একোটা মাহাত্ম্য হিচাপে দেখুৱাইছে।
- ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডীখন মার্কণ্ডেয় পুৰাণ, ব্ৰহ্মাবৈৱৰ্ত পুৰাণ, কালিকাপুৰাণ, বামণ পুৰাণ* আদি বিভিন্ন পুৰাণৰ সংমিশ্ৰিত ৰূপ।
- সৃষ্টিকর্মত ব্ৰহ্মাই সততে শক্তিৰ সহায় গ্ৰহণ কৰে। সেই বাবেই কোৱা হৈছে যে নাৰী শক্তি বা প্ৰকৃতি অবিহনে সৃষ্টি অসম্ভৱ। এই শক্তি স্বৰূপিনী পৰমা প্ৰকৃতি বা আদ্যশক্তিয়েই ব্ৰহ্মাৰ মূল শক্তি। পৰমা প্ৰকৃতি দুৰ্গাই মহাকালী, মহালক্ষ্মী আৰু মহাসৰস্বতীৰ ৰূপত ত্ৰিধা বিভক্ত হৈ ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ সহযোগত সৃষ্টি প্ৰক্ৰিয়াত সহায় কৰি আহিছে।
- শাক্ত ধর্মৰ মূল উপাস্য হৈছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী। এই দেৱীৰ বিভিন্ন ৰূপ বা নামৰ কথা পোৱা যায়। যেনে— ভাগৱতী, চণ্ডী, কাত্যায়নী, উমা, পার্বতী, মহিষমর্দিনী, কামাখ্যা, ভৈৰৱী, চামুণ্ডা, কালী, গৌৰী, তাৰা, চণ্ডিকা, মহামায়া, দশভূজা, ষোড়শভূজা, লক্ষ্মী, সৰস্বতী আদি।
- পুৰাণ শাস্ত্ৰই প্ৰমাণ দিয়ে প্ৰাগজ্যোতিষৰ ৰজা নৰকেই শক্তিৰ প্ৰথম সেৱক আছিল আৰু তেৱেঁই অসমত (প্ৰাগ্‌জ্যোতিষত) দেৱী পূজাৰ প্ৰচলন কৰিছিল।
- কেইবাখনো বিখ্যাত তন্ত্ৰ শাস্ত্ৰত ভাৰতবর্ষৰ চাৰিখন প্ৰাচীন শক্তিপীঠৰ ভিতৰত কামৰূপ পীঠক শ্ৰেষ্ঠ মহাপীঠ বুলি কোৱা হৈছে। কামাখ্যা তীর্থৰ মাহাত্ম্যই কামৰূপ পীঠক অতীতৰ পৰা মহত্বপূর্ণ কৰি ৰাখিছে।
- অসমৰ শাক্ত সাহিত্যক মূলতঃ দুটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি। এটা ভাগ হ'ল সংস্কৃত ভাষাত ৰচিত শাক্ত সাহিত্য আৰু আনটো ভাগ হ'ল অসমীয়া ভাষাত ৰচিত শাক্ত সাহিত্য।
- অসমীয়া শাক্ত সাহিত্যক পাঁচটা ভাগত বিভক্ত কৰিব পাৰি। যেনে— মৌখিক সাহিত্য, মনসা সাহিত্য, অনুবাদ সাহিত্য, বৈষ্ণৱ সাহিত্যত শাক্ত উপাদান তথা অন্যান্য কাব্য আৰু গীত।
- *শ্ৰীশ্ৰী চণ্ডী* কাব্যত শক্তিৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে। শক্তিয়েই জগত সৃষ্টিৰ মূল। সমগ্ৰ জগতপ্ৰপঞ্চ সৃষ্টিৰ মূলতেই হৈছে শক্তি।
- মায়া-মোহৰ অধীন বাবেই জীৱই আত্মীয়-স্বজনৰ চিন্তাত দুখ কৰে। কিন্তু প্ৰকৃত জ্ঞানৰ উদয় হ'লে দুখৰ কাৰণ নাথাকে। এই জ্ঞান ব্ৰহ্মজ্ঞান।
- *শ্ৰীশ্ৰী চণ্ডীত* দেৱী উপাসনাৰ কথা বিবৃত হৈছে। পৰমাত্মা স্বৰূপে দেৱীয়েই সমস্ত জগত সৃষ্টি কৰিছে। চৈতন্য স্বৰূপ পৰমাত্মা দেৱী দুৰ্গাই দেৱতাসকলৰ বিভিন্ন প্ৰয়োজন পূৰণার্থে ত্ৰাণকর্তা ৰূপত আবির্ভূত হয়।



১৩.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৯৩) ঃ *দেৱী,* গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।

২। শমাদলৈ, হৰিনাথ (১৯৮২) ঃ *শক্তি সাধনা আৰু শক্তি সাহিত্য,* বৰপেটা ঃ হৰিনাথ শৰ্মা দলৈ।

৩। শৰ্মা, নবীনচন্দ্ৰ (সম্পাঃ) (১৯৯১) ঃ *শ্ৰীশ্ৰী চণ্ডী;* গুৱাহাটী ঃ বাণী প্ৰকাশন।

৪। হাজৰিকা, পৰীক্ষিত (সম্পাঃ) (১৯৯১) ঃ *শ্ৰীশ্ৰী চণ্ডী;* গুৱাহাটী ঃ গোলোক ৰায়মেধি স্মৃতি প্ৰকাশন।

বাংলা গ্ৰন্থ ঃ

৫। ব্ৰহ্মচাৰী, মহানাথ ব্ৰত (১৯৭০) ঃ *চণ্ডীচিন্তা;* কলিকতা ঃ মহানাথ সম্প্ৰদায়।

১৩.১১ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ চণ্ডী আখ্যান ৰচনা কৰা অসমীয়া কবি কেইগৰাকীৰ নাম..... তেওঁলোকৰ চমু পৰিচয়

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰুচিনাথ কন্দলীয়ে *শ্ৰীশ্ৰী চণ্ডী* ৰচনা কৰোতে *মাৰ্কণ্ডেয় পুৰাণ*ৰ উপৰি *ব্ৰহ্মাবৈৰ্ৰত পুৰাণ, বালিকা পুৰাণ* আৰু *বামন পুৰাণ*ৰ সহায় লৈছে। সেই বিষয়ে অতি চমু আলোচনা কৰক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া শাক্ত সাহিত্য শ্ৰেণীক পাঁচটা শাখাত ভাগ কৰিব পাৰি ..... প্ৰত্যেকটো ভাগৰ চমু পৰিচয় দিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী*ৰ মূল ভিত্তি হৈছে *মাৰ্কণ্ডেয় পুৰাণ*..... সেই বিষয়ে কিছু বহলাই লিখক।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৰজা সুৰথ আৰু সমাধি বৈশ্যই মেধস মুনিৰ আশ্ৰমত আশ্ৰয় লাভ কৰিছিল। ..... তেওঁলোকে কি কাৰণে নিৰাশ্ৰয় হৈ মেধস মুনিৰ আশ্ৰমত থাকিব লগীয়া হ'ল তাৰ লেখ দিব।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বিষ্ণুৰ কৰ্ণমলৰ পৰা জন্ম পোৱা অসুৰ দুটা হৈছে ক্ৰমে মধু আৰু কৈটভ..... অসুৰ দুটা কিহৰ প্ৰতীক ..... সিহঁত কাৰ হাতত পৰাস্ত হ'ল তাৰ বিষয়ে লিখিব।



১৩.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ শাক্ত ধৰ্ম সম্পৰ্কীয় গ্ৰন্থ হিচাপে *শ্ৰীশ্ৰী চণ্ডী*ৰ এটি চমু পৰিচয় আগবঢ়াওক।

প্ৰশ্ন নং ২ ঃ মধ্যযুগীয়া অসমীয়া শাক্ত কবিসকলৰ ভিতৰত ৰুচিনাথ কন্দলীৰ স্থান নিৰ্ণয় কৰক।

প্ৰশ্ন নং ৩ ঃ *শ্ৰীশ্ৰী চণ্ডী*ৰ মূল কি? এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ৪ ঃ *শ্ৰীশ্ৰী চণ্ডী*ত প্ৰকাশিত আধ্যাত্মিক তত্ত্বৰ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন নং ৫ ঃ *শ্ৰীশ্ৰী চণ্ডী*ত কবি ৰুচিনাথ কন্দলীয়ে অন্যান্য পুৰাণৰ সমল কিদৰে ব্যৱহাৰ কৰিছে? এই সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ৬ ঃ শাক্তধৰ্ম বুলিলে কি বুজে? অসমীয়া শাক্ত সাহিত্যত *শ্ৰীশ্ৰী চণ্ডী*ৰ স্থান নিৰূপণ কৰক।

প্ৰশ্ন নং ৭ ঃ *শ্ৰীশ্ৰী চণ্ডী*ত দেৱীৰ মাহাত্ম্য কেনেদৰে বৰ্ণনা কৰা হৈছে লিখক।

প্ৰশ্ন নং ৮ ঃ *শ্ৰীশ্ৰী চণ্ডী* গ্ৰন্থৰ উৎপত্তি সম্পৰ্কে চমু আভাস দিয়ক।

প্ৰশ্ন নং ৯ ঃ *শ্ৰীশ্ৰী চণ্ডী*ৰ দ্বিতীয় মাহাত্ম্যত দেৱীৰ জন্ম সম্পৰ্কীয় কথাখিনি চমুকৈ লিখক।

প্ৰশ্ন নং ১০ ঃ মহিষাসুৰৰ জন্ম কেনেকৈ হয়? তেওঁক কোনে বধ কৰে?

*** ***** ***



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১। গোস্বামী, উপেন্দ্ৰ নাথ, (২০১৬) ঃ *বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকাব্য,* গুৱাহাটী ঃ মণিমানিক প্ৰকাশ।

২। গোস্বামী, মালিনী, (অনু), (২০০৫) ঃ *শ্ৰীমদ্ভগৱদ্গীতা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩। গোস্বামী, হেমচন্দ্ৰ (সম্পা.) (১৯২৪) ঃ *অসমীয়া সাহিত্যৰ চানেকি;* কলিকতা বিশ্ববিদ্যালয়

৪। গোস্বামী, নাৰায়ণ চন্দ্ৰ (১৯৮৫) ঃ *সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা;* মাজুলী ঃ নতুন কমলাবাৰী সত্ৰ

৫। গোস্বামী উপেন্দ্ৰনাথ (১৯৭২) ঃ *ভাষা আৰু সাহিত্য;* গুৱাহাটী- মণি-মাণিক প্ৰকাশ

৬। গোস্বামী, যতীন্দ্ৰ নাথ (২০০২) ঃ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ অসম বুক ডিপো।

৭। চৌধুৰী, মেদিনী, (২০০২) ঃ *সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱৰ মূল্যায়ন,* গুৱাহাটী ঃ সুভদ্ৰা প্ৰকাশন।

৮। চলিহা, ভৱ প্ৰসাদ (সম্পা) (১৯৮৯) ঃ *মাধৱদেৱ আৰু সংস্কৃতি;* শ্ৰীমন্ত শংকৰদেৱ সংঘ।

৯। দলৈ, হৰিনাথ শৰ্মা (২০০৭) ঃ *অসমত শক্তি-সাধনা আৰু শাক্ত সাহিত্য;* নলবাৰী- অসম, পদ্মপ্ৰিয়া লাইব্ৰেৰীৰ হকে, শ্ৰীমীনা দেৱী।

১০। দত্ত, অনিমা (১৯৫৫) ঃ *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন;* গুৱাহাটী- দত্ত ব্ৰাডাৰ্ছ

১১। দত্ত বৰুৱা, হৰিনাৰায়ণ (১৯৭০) ঃ *সটীক নামঘোষা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

১২। দাস, ইলাৰাম (২০১৪) ঃ *নামঘোষা ৰসামৃত কৃষ্ণ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৩। দাস, কৈলাশ আৰু কলিতা মৰল, ৰজিতা (সম্পা) (২০০৬) ঃ *অসমীয়া ভক্তি সাহিত্য;* শ্ৰীমন্ত শংকৰদেৱ সংঘ।

১৪। নাথ, প্ৰফুল্ল কুমাৰ, (২০১৭) ঃ *ভক্তিমাৰ্গ আৰু ভাৰতীয় ভক্তি সাহিত্যত এভুমুকি;* গুৱাহাটী ঃ বিশাল প্ৰকাশন।

১৫। নেওগ মহেশ্বৰ ১৯৮৯ ঃ *শ্ৰীশ্ৰীমাধৱদেৱ,* শ্ৰীমন্ত শংকৰদেৱ সংঘ

১৯৭০ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* ৩য় প্ৰকাশ

(সম্পা.) ১৯৮৭ ঃ *গুৰুচৰিত-কথা,* গুৱাহাটী বিশ্ববিদ্যালয়

(সম্পা.) ১৯৫৪ ঃ *দুৰ্গাবৰী গীতি-ৰামায়ণ,* গোলাঘাট

(সম্পা.) ১৯৭৪ ঃ *প্ৰাচ্য শাসনাৱলী,* গুৱাহাটী- অসম প্ৰকাশন পৰিষদ

(সম্পা.) ১৯৮৯ ঃ *ভক্তিগীত সংকলন,* সাহিত্য অকাডেমি

১৬। নাথ, প্রফুল্ল কুমাৰ ২০১৪ ঃ *অসমৰ নৱবৈষ্ণৱ ভক্তিধর্ম আৰু মহাপুৰুষ শঙ্কৰদেৱ;* গুৱাহাটী-এল এল পাব্লিকেচন

১৭। নাথ, ৰাজমোহন (সম্পা.) ১৯৪৩ ঃ *শঙ্কৰদেৱৰ বৰগীত;* চপলা বুকষ্টল, শ্বিলং

১৮। নেওগ, মহেশ্বৰ; (১৯৮৫) ঃ *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি, ৪র্থ সংকলন;* মহেশ্বৰ নেওগ স্মৃতি ন্যাস

১৯। নেওগ, ডিম্বেশ্বৰ; (১৯৭৭) ঃ *যুগনায়ক শংকৰদেৱ;* গুৱাহাটী ঃ শুৱনি প্রকাশ

২০। নাথ, প্রফুল্ল কুমাৰ (সম্পাদনা); (২০১৪) ঃ *অসমৰ নৱবৈষ্ণৱ ভক্তিধর্ম আৰু মহাপুৰুষ শংকৰদেৱ;* গুৱাহাটী ঃ এন এল পাব্লিকেশ্বন

২১। নাথ, প্রফুল্ল (সম্পাদক); (২০১৭) ঃ *শংকৰদেৱ অধ্যয়নৰ ঐতিহ্য;* গুৱাহাটী ঃ কে কে পাব্লিকেশ্বন

২২। নেওগ, ডিম্বেশ্বৰ (১৯৯৩) ঃ *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ শুৱনি প্রকাশ।

২৩। নাথ,জীৱকান্ত (সম্পা) (২০০২) ঃ *নামঘোষাৰ সমীক্ষান্তক অধ্যয়ন;* শ্রীমন্ত শংকৰদেৱ সংঘ।

২৪। নেওগ, মহেশ্বৰ (১৯৮৯) ঃ *শ্রীশ্রী মাধৱদেৱ;* শ্রীমন্ত শংকৰদেৱ সংঘ।

২৫। নেওগ, মহেশ্বৰ ঃ *শ্রীভাগৱত কথা (প্রথম স্কন্ধ);* গুৱাহাটী ঃ লয়ার্ছ বুকষ্টল

২৬। নেওগ, বিভা দত্ত, (২০০৬) ঃ *সাহিত্য সমীক্ষা;* ধেমাজি ঃ কিৰণ প্রকাশ

২৭। ডেকা, ধর্মসিংহ (১৯৮৪) ঃ *ছন্দ আৰু অলংকাৰ;* গুৱাহাটী ঃ অসম বুক ডিপো।

২৮। পাঠক, দয়ানন্দ আৰু মজুমদাৰ বিমল (সম্পাঃ), (২০১৬) ঃ *জাতীয় সংহতিলৈ শংকৰদেৱৰ অৱদান;* ওডিচা ঃ শ্রীশংকৰদেৱ সংস্কৃতি সমাজ, পুৰী প্রকল্প।

২৯। বর্মন, শিৱনাথ, (২০০৮) ঃ *শ্রীমন্ত শঙ্কৰদেৱ কৃতি আৰু কৃতিত্ব;* নগাঁও ঃ জাগৰণ সাহিত্য প্রকাশন।

৩০। বর্মন, শিৱনাথ (সম্পাঃ), (১৯৯৭) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী;* উত্তৰ গুৱাহাটী ঃ আনন্দ ৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৩১। বায়ন, ভৱজিৎ, (২০১৬) ঃ *সর্বভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱৰ কীর্ত্তন ঘোষা;* গুৱাহাটী ঃ পাহি প্রকাশন।

৩২। বেজবৰুৱা, লক্ষ্মীনাথ, (১৯৯০) ঃ *তত্ত্বকথা;* গুৱাহাটী ঃ লায়র্ছ বুক ষ্টল।

৩৩। বৰদলৈ, নির্মলপ্রভা (১৯৯৩) ঃ *দেৱী;* গুৱাহাটী ঃ সাহিত্য প্রকাশ।

৩৪। ভকত, দ্বিজেন্দ্র নাথ (১৯৯৮) ঃ *কীর্ত্তন ঃ এক সমীক্ষাত্মক আলোচনা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩৫। ভট্টাচার্য,বসন্ত কুমাৰ ঃ *মধ্যযুগৰ সাহিত্য;* নলবাৰী ঃ সমন্বয় গ্রন্থালয়

৩৬। মজুমদাৰ, বিমল, (২০১১) ঃ *ভক্তি সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩৭। মহন্ত, কেশদা (১৯৮৬) ঃ *বিচিত্র ৰামায়ণী কথা;* যোৰহাট ঃ প্রকাশক-বাপচন্দ্র মহন্ত

৩৮। মহন্ত, বাপচন্দ্র (সম্পা.) ১৯৯২ ঃ *বৰগীত;* ষ্টুডেটচ্ ষ্ট'ৰচ

৩৯। মহন্ত, লক্ষ্মীকান্ত, (১৯৯১) ঃ *অসমীয়া সাহিত্য অধ্যয়ন;* গুৰাহাটী ঃ বনলতা

৪০। লেখাৰু, উপেন্দ্র চন্দ্র (১৯৪৮) ঃ *অসমীয়া ৰামায়ণ সাহিত্য;* গুৰাহাটী ঃ কটন কলেজ

৪১। শর্মা, কুসুম চন্দ্র, (২০১৭) ঃ *বৈষ্ণৱ ভক্তিবাদ ঃ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা;* গুৰাহাটী ঃ বান্ধৱ।

৪২। শর্মা, তীর্থনাথ, (২০১৭) ঃ *ভক্তিবাদ;* গুৰাহাটী ঃ অসম প্রকাশন পৰিষদ।

৪৩। শর্মা, নবীন চন্দ্র (সম্পাদক), (২০০৭) ঃ *শ্রীমদ্ভাগৱত;* গুৰাহাটী ঃ জ্যোতি প্রকাশন।

৪৪। শাস্ত্রী, মনোৰঞ্জন (১৯৯১) ঃ *অসমৰ বৈষ্ণৱ দর্শনৰ ৰূপৰেখা;* গুৰাহাটী ঃ বাণীপ্রকাশ প্রাঃ লিঃ।

৪৫। শর্মা, সতেন্দ্র নাথ (২০০৬) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৰাহাটী ঃ সৌমাৰ প্রকাশ।

৪৬। শর্মা, সত্যেন্দ্রনাথ (১৯৭৬) ঃ *অসমীয়া নাট্য সাহিত্য;* গুৰাহাটী ঃ সৌমাৰ প্রকাশ

৪৭। শইকীয়া বৰা, ইন্দিৰা (২০০৫) ঃ *বৈষ্ণৱ সাহিত্যৰ অধ্যয়ন;* গুৰাহাটী ঃ বাণী প্রকাশ।

৪৮। শইকীয়া, নগেন, (সম্পাঃ) (২০১২) ঃ *বেজবৰুৱা ৰচনাৱলী (২য় খণ্ড);* গুৰাহাটী ঃ বনলতা।

৪৯। শর্মা, তীর্থনাথ (১৯৯১) ঃ *সাহিত্য বিদ্যা পৰিক্রমা;* গুৰাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৫০। শইকীয়া, পূর্ণানন্দ(১৯৯০) ঃ *মাধৱদেৱ ভক্তি সাহিত্য;* গুৰাহাটী ঃ বৰা প্রকাশন।

৫১। শালৈ, পদ্মৰাম (১৯৯৭) ঃ *ভক্তিধর্ম আৰু ভক্তি কাব্যত এভুমুকি;* গুৰাহাটী বিশ্ববিদ্যালয় ঃ ছার্ভিছ বুক ছেল্ছ।

৫২। শর্মা দলৈ, হৰিনাথ ঃ *বৈকুণ্ঠনাথ ভট্টাচার্য বিৰচিত শ্রীশ্রীমদ্ভাগৱত কথা বা কথা ভাগৱত, ১ম খণ্ড;* গুৰাহাটী ঃ বাণী প্রকাশ

৫৩। শমাদলৈ, হৰিনাথ (১৯৮২) ঃ *শক্তি সাধনা আৰু শক্তি সাহিত্য;* বৰপেটা ঃ হৰিনাথ শর্মা দলৈ।

৫৪। শর্মা, যাদৱদেৱ ঃ *ভট্টদেৱ;* টিহু ঃ কামাখ্যা প্রেছ

৫৫। শর্মা, সতেন্দ্র নাথ (২০০৭) ঃ *ৰামায়ণৰ ইতিবৃত্ত;* গুৰাহাটী ঃ বীণা লাইব্রেৰী

৫৬। শর্মা, হেমন্ত কুমাৰ; (১৯৮৪) ঃ *অসমীয়া সাহিত্যৰ দৃষ্টিপাত;* গুৰাহাটী ঃ বীণা লাইব্রেৰী

৫৭। হাজৰিকা, পৰীক্ষিত (সম্পাঃ) (১৯৯১) ঃ *শ্রীশ্রী চণ্ডী;* গুৰাহাটী ঃ গোলোক ৰায়মেধি স্মৃতি প্রকাশন।

বাংলা গ্রন্থ ঃ

১। ব্রহ্মচারী, মহানাথ ব্রত (১৯৭০) ঃ *চণ্ডীচিন্তা;* কলিকতা ঃ মহানাথ সম্প্রদায়।

ইংৰাজী গ্রন্থ ঃ

1. Barua, Kanaklal, 1978 : *Early History of Kamrup,* Guwahati : Asom Sahitya Sabha
2. Bhandarkar R. G. 1996 : *Vaisnavism, Saivism and minor religious systems,* Varanashi
3. Bhandarkar R. G (1996) : *Vaisnavism, Saivism and Minor Religious system;* Varanashi.
4. Banerjee J. N. 1996 : *Puranic and Tantric Religion,* University of Calcutta
5. Choudhari P. C. 1960 : *The History of civilization of the people of Assam,* Guwahati - Assam Publication Board
6. Chatterjee S. K. 1960 : *The place of Assam in the History and civilization of India,* Calcutta University
7. Gait Edward, 1981 : *A History of Assam,* Calcutta
8. Goswami, Hemchandra (ed.) 1930 : *Descriptive Catalogue of Assamese manuscript,* Calcutta University
9. Kakati, Banikanta, 1948 : *The Mother Goddess Kamakhya,* G.U.
10. (ed.) 1951 : *Aspects of EarlyAssamese Literature*, G.U.
11. Neog, Maheswar (1965) : *Sankardeva and his Times, Early History of Vaisnava faith and Movement in Assam,* G.U.
12. Winterniz, M. Vol. I, 1927, Vol. II, 1933 : *A History of Indian Literature,* Calcutta.